# সাহিত্য-সংস্কৃতিৰ পথাৰত অসম আৰক্ষী

(নিৰ্বাচিত)

সংকলক ঃ প্ৰফুল্ল বৰ্মন

জাৰ্ণাল এম্পৰিয়াম
নলবাৰী ঃ গুৱাহাটী

**Sahitya-Sanskritir Pathorat Asom Arakshi** : A Collection of Selected articles written by different writers from Assam Police, Compiled by Prafulla Barman and Published by Sri Himadri Baishya, on behalf of Journal Emporimum Panbazar, Guwahati -1
**Price : 120/- only** First Published August 2007

2007, Prafulla Barman

প্ৰকাশক :
হিমাদ্ৰী বৈশ্য
জাৰ্ণাল এম্প'ৰিয়াম
পাণবজাৰ, যশোৱন্ত ৰোড, গুৱাহাটী -১
☎ : ০৩৬১-২৭৩২৫৭৩
মুখ্য কাৰ্যালয় : পি এন চি পথ, নলবাৰী- ৭৮১৩৩৫
প্ৰথম প্ৰকাশ : আগষ্ট, ২০০৭ চন
বেটুপাত : পদ্ম সিংহ
মুদ্ৰণ : নৰ্থ ইষ্টাৰ্ণ অফছেট প্ৰিণ্টাৰ্চ, জু-নাৰেঙ্গী ৰোড,
তিনিআলি (চাহাব টিলাৰ বিপৰীতে) গুৱাহাটী- ২৪
দূৰভাষ : ৯৮৬৪০ ৯৫৮৫৬ (ম'বাইল)।
মূল্য : ১২০.০০ টকা মাত্ৰ ।।

# উচৰ্গা

অসম আৰক্ষীৰ
সমূহ পৰিয়ালবৰ্গৰ হাতত
পুথিখন অৰ্পণ কৰিলো।

—সংকলক

# সাহিত্য-সংস্কৃতিৰ পথাৰত অসম আৰক্ষী

শ্ৰীপ্ৰফুল্ল বৰ্মনৰ আৰক্ষীৰ ওপৰত লেখা এই সংকলনটি পঢ়ি মই মুগ্ধ হৈছো। এক সৎ ইচ্ছা আগত ৰাখি শ্ৰীপ্ৰফুল্ল বৰ্মনে এই কিতাপখন সম্পাদনা কৰিছে। তেওঁ নিজেই লেখিছে—

"আৰক্ষী আৰু জনসাধাৰণৰ মাজত এটা অদৃশ্য সীমাৰেখাই অৱস্থান কৰি আছে যাৰ ফলত আৰক্ষীৰ লোক আৰু জনসাধাৰণৰ মাজত এটা ব্যৱধান পৰিলক্ষিত হয়। সেয়ে আৰক্ষী আৰু জনসাধাৰণৰ ব্যৱধান আঁতৰাবৰ নিমিত্তে আৰক্ষী তথা জনসাধাৰণৰ মাজত আন্তৰিকতা বঢ়াবৰ কাৰণে সময়ে সময়ে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হয়। সেই ক্ষেত্ৰতো আৰক্ষীয়ে আগস্থান লয়। তথাপি কিয় জানো আজিও আৰক্ষী-জনসাধাৰণৰ মাজৰ ব্যৱধান সমূলঞ্চে সমাপ্ত হৈ যোৱা নাই। অৱশ্যে অদূৰ ভৱিষ্যতে দুয়োপক্ষৰ মাজৰ ভুল বুজাবুজিবোৰ আঁতৰাই এটা বুজাপৰালৈ আহিব বুলি বুদ্ধিজীৱিসকলে আশা কৰে।"

শ্ৰীপ্ৰফুল্ল বৰ্মনৰ সাহিত্যপ্ৰীতিৰ কথা সকলোৱে জানে। তেওঁ নিজেও এগৰাকী আৰক্ষী বিষয়া।

আৰক্ষী আৰু জনসাধাৰণৰ মাজত ব্যৱধান আঁতৰাবৰ বাবে এই সময়ত যে অতি প্ৰয়োজন এই কথা মই নিজেও ৰবকৈ অনুভৱ কৰো। ইয়াৰ বাবে জনসাধাৰণ আৰু আৰক্ষী দুয়োৰে কৰ্তব্য আৰু বুজাপৰা বৃদ্ধি হ'ব লাগিব।

এইখিনিতেই মোৰ এটা কথা মনত পৰিছে। এবাৰ লক্ষীমপুৰৰ পৰা উভতি আহোতে বিশেষ এটা ঘটনাৰ বাবে 'চি আৰ পি'ক সকলোৱে ভৎৰ্সনা কৰিছিল। মঞ্চত ময়ো আছিলো কিন্তু মঞ্চৰ পৰা নামি অহাৰ সময়ত হঠাৎ এগৰাকী চি আৰ পিয়ে নমস্কাৰ জনাই কৈছিল — আপুনি দীৰ্ঘজীৱী হওঁক!

কিছুদূৰ যোৱাৰ পাচত সেই সময়ৰ আৰক্ষীৰ উপ-অধীক্ষক লক্ষীমপুৰৰ দাস মহোদয়ে এটা অতি সুন্দৰ কবিতা মোক উপহাৰ দিলে। কবিতাটিৰ নাম আছিল 'দৃষ্টিৰ দাপোণত ড° মামণি ৰয়ছম গোস্বামী'। তেওঁৰ এই কবিতাটি সঁচাকৈয়ে অনন্য আছিল। অনেক আৰক্ষীৰ হৃদয়ৰ কথা মই জানিছিলো। অনেকৰ হৃদয় কবিৰ হৃদয় আছিল।

মই কাশ্মীৰত থাকোতে সৈনিকৰ কষ্টকৰ জীৱন দেখা পাইছিলো। কেতিয়াবা

আখনুৰৰ পথত দুৰ্ঘটনাগ্ৰস্ত সৈনিকৰ গাড়ী গভীৰ খাৱৈত পৰি চূৰ্ণ-বিচূৰ্ণ হৈ পৰি থকাও দেখিছিলো। চিয়াচিনৰ বৰফত মৰি পৰি থকা অনেক সৈনিকৰ কাহিনী পঢ়িছিলো। .... আনকি কাৰগিলৰ যুদ্ধত কোনেও চিনাক্ত নকৰা অনেক সৈনিকৰ দেহক একেলগে দফনা দিয়া দৃশ্যৰ ছবি মই দেখিছিলো। তথাপিও এই কথা ক'বই লাগিব যে বহু সময় ৰুক্ষ বাতাবৰণ নাইবা আন কিবা কাৰণবশতঃ হ'ব পাৰে কিছুমান বিষয়াৰ স্বভাৱ অতি ৰুক্ষ হৈ পৰে। নিৰ্দয় হৈ পৰে। অহৰহ থকা প্ৰতিকূল বাতাবৰণৰ প্ৰভাৱ পৰে তেওঁলোকৰ স্বভাৱত। এই সময়তে সম্ভৱ অঘটন ঘটে। এই কথা সাধাৰণ মানুহৰ ক্ষেত্ৰতো হ'ব পাৰে। এই সকল লোকক মানৱতাবাদৰ শিক্ষা দিব লাগে বুলি এক ধৰণৰ তৰ্ক হৈছিল। তৰ্ক চলি আছে।

সেইবোৰ যিয়েই নহওক আৰক্ষী বিষয়া প্ৰফুল্ল বৰ্মনৰ এই নিৰ্বাচিত সংকলনটি ইংৰাজীলৈ অনুবাদ হ'লে নিশ্চয় আন আন ভাষাৰ এনে ধৰণৰ সাহিত্যকো প্ৰভাৱিত কৰিব।

এই সংকলনত স্থান পোৱা কেইগৰাকীমান সাহিত্যিকৰ সাহিত্যৰ লগত মই পৰিচিত।

শ্ৰীহৰেকৃষ্ণ ডেকাৰ ক-থা পুৰস্কাৰ পোৱা গল্প, 'বন্দীয়াৰ' অসমীয়া সাহিত্যৰ এটা শ্ৰেষ্ঠ গল্প। কথা Prize Stom'es ত (Volume- 3) এই গল্পটো প্ৰকাশ পাইছিল। মোৰ মতামত প্ৰকাশ কৰি এই গ্ৰন্থত লেখিছিলো— 'Bandiyae speaks about humanity in the midst of bloodshed destmction and agony. Many stories about temonisim have been published in Assam. But this story stands our with its intersity insight, and nobility.' হৰেকৃষ্ণ ডেকাই 'আন এজন' নামৰ কবিতা পুথিৰ জৰিয়তে সাহিত্য অকাডেমি বঁটাও লাভ কৰিছে। কুল শইকীয়া, মিহিৰকান্ত বৰুৱা, দীলিপ বৰা, শৰৎ ফুকন, ভাস্কৰজ্যোতি মহন্ত, আব্দুল কুদ্দুচ, নন্দ সিং, ইলা চক্ৰবৰ্তী, প্ৰফুল্ল বৰ্মনৰ লেখাৰ লগত মোৰ ভালদৰে পৰিচয় আছিল। এই সকল লোকৰ অনন্য অভিজ্ঞতাই লেখনিকো একপ্ৰকাৰ গভীৰতা দান কৰিছে।

তিনি বছৰমান আগেয়ে দিল্লীত হোৱা আন্তৰাষ্ট্ৰীয় পাঞ্জাবী সন্মিলনত এটা দলত মোক সভাপতিত্ব কৰিব মাতিছিল। সেইবাৰ মই তেওঁলোকৰ সন্মুখত নন্দ সিঙৰ কবিতা আবৃত্তি কৰি কৈছিলো যে অসমত বসতি কৰা পাঞ্জাবী শিখ মূলৰ লেখকে কেনেদৰে অসমীয়া ভাষাতো শক্তিদান দিছে। মোৰ কথা শুনি শুনি সকলোৱে বৰ উৎসাহিত হৈছিল।

শ্ৰীমিহিৰকান্ত বৰুৱা এনে এগৰাকী লেখক যি গৰাকীক মই দিল্লীত সুদীৰ্ঘকাল লগ পাইছিলো। তেওঁ দিল্লীৰ শাখা সাহিত্য সভাৰ সভাপতি আছিল। এই গ্ৰন্থত প্ৰকাশ পোৱা 'বঘুমলা' নামৰ গল্পটোৱে গল্প লেখক হিচাপে তেওঁৰ দক্ষতা প্ৰকাশ

কৰিছে।

শ্ৰীশৰৎ কুমাৰ ফুকনৰ সাহিত্যৰ লগত মই পৰিচিত। তেওঁৰ 'অসমৰ স্থান নাম'ৰ ঐতিহ্যক লৈ কৰা গৱেষণা প্ৰশংসাৰ বিষয়। তেওঁৰ 'ইতিহাস সাক্ষী' কবিতাই অসমৰ ৰূপকথাৰ দৰে লগা ইতিহাসক উদঙাই দেখুৱাইছে।

এই গ্ৰন্থত স্থান পোৱা হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ সাহিত্যৰ লগতো মই পৰিচিত। তেওঁৰ 'দিনকণা'ই তেওঁৰ অভিজ্ঞতাৰ কথাকে যেন প্ৰকাশ কৰিছে। ভট্টাচাৰ্য এক সুদক্ষ লেখক।

২০০৭ চনত India Debited Centre' নামৰ বিখ্যাত লোকৰ দ্বাৰা আয়োজন কৰা সভাত আব্দুল কদ্দুছৰ Mirrors of Temonisim' গ্ৰন্থখনৰ দ্বিতীয় হোৱা উন্মোচন উৎসৱত মই সভানেত্ৰী হিচাপে উপস্থিত আছিলো। কে পি এছ গিলে সেইদিনা সেইখন উন্মোচন কৰিছিল।

এই গ্ৰন্থখনে যে সমাদৰ লাভ কৰিব এই কথা মই জানিছিলো। ইয়াত তেওঁ সন্ত্ৰাসবাদৰ সমস্যা সমূহক নিজস্ব দৃষ্টিভংগীৰে বিচাৰ কৰিছে।

হীৰণ্যলাল দেৱৰ "জাহিছ উপেন চন্দ্ৰ ৰাজখোৱাৰ তিনিটা হত্যাকাণ্ড" প্ৰবন্ধটোৱে মোক মোৰ অতীতলৈ লৈ গৈছিল। ৰাজখোৱাৰ পৰিবাৰৰ লগত আমাৰ চিনাকি আছিল। এবাৰ মোৰ মহা শুভচন্দ্ৰ বৰুৱাৰ পৰিয়াল আৰু ৰাজখোৱাৰ পৰিয়ালৰ লগত মই কৃষ্ণবাধ বাগিচাত পিকনিক খাব গৈছিলো। ৰাজখোৱাৰ পৰিয়ালটোৰ বিষয়ে সুদীৰ্ঘভাৱে মোৰ কেতিয়াবা লেখাৰ ইচ্ছা আছে।

এই সংকলনত প্ৰকাশ পোৱা প্ৰশান্ত সাগৰ চাংমাই, অনিল ফুকন, মুক্তজ্যোতি মহন্ত, বেণু দত্ত বৰফুকন, ইলা চক্ৰৱৰ্তীৰ ৰচনাই নিশ্চয় পাঠকক আকৰ্ষিত কৰিব।

এনে এখন গ্ৰন্থ সংকলন কৰি শ্ৰীপ্ৰফুল্ল বৰ্মন ধন্যবাদৰ পাত্ৰ হৈছে। গ্ৰন্থখন শীঘ্ৰে ইংৰাজীত অনুবাদ হোৱা উচিত যাতে আন আন ৰাজ্যত হোৱা আৱশ্যকীৰ এনে লেখাৰ সৈতে এই গ্ৰন্থৰ তুলনামূলক অধ্যায়ন হ'ব পাৰে।

মোৰ দৃঢ় বিশ্বাস এই গ্ৰন্থই জনপ্ৰিয়তা লাভ কৰিব।

মামণি ৰয়ছম গোস্বামী

(মামণি ৰয়ছম গোস্বামী)

# সংকলকৰ একাষাৰ

সৃষ্টিৰ পাতনিৰে পৰা জীৱশ্ৰেষ্ঠ মানুহে সময়ে সময়ে সময়ৰ আহ্বানত জীয়াই থকাৰ বাবে বা সমাজত প্ৰতিষ্ঠা লাভ কৰিবৰ বাবে নিজৰ জ্ঞান-বুদ্ধি-ধৈৰ্য-দক্ষতা আৰু বৃত্তিসত্তা অনুসাৰে ভিন্নজনে ভিন্নভিন্ন কামত নিজকে নিয়োজিত কৰি আহিছে। সভ্যতাৰ ক্ৰমবিৱৰ্তনৰ ধাৰাত মানৱৰ চাহিদা অনুযায়ী বিভিন্ন দিশৰ পৰিপূৰক কাৰ্যসাধনতো মানুহ ক্ৰমান্বয়ে ব্ৰতী হৈ পৰিল। তাৰেই ফলশ্ৰুতিত মনৰ ভাব প্ৰকাশক এটা অন্যতম বিষয় 'লিখা'। দুষ্টক দমন আৰু শিষ্টক পালন কৰা তথা সমাজত শান্তি-শৃঙ্খলা বজাই ৰখাৰ বাবে সমাজত আৰক্ষী বিভাগটোৰ জন্ম হয়। আৰক্ষী শব্দটো লিখিত আকাৰতহে পোৱা যায় কিন্তু বাস্তৱত সাধাৰণ মানুহে আৰক্ষীক পুলিচ বুলিহে বেছিকৈ কোৱা শুনা যায়।

আৰক্ষী আৰু জনসাধাৰণৰ মাজত এটা অদৃশ্য সীমাৰেখাই অৱস্থান কৰি আছে। যাৰ ফলত আৰক্ষীৰ লোক আৰু জনসাধাৰণৰ মাজত এটা ব্যৱধান পৰিলক্ষিত হয়। সেয়ে আৰক্ষী আৰু জনসাধাৰণৰ ব্যৱধান আঁতৰাবৰ নিমিত্তে আৰক্ষী তথা জনসাধাৰণৰ মাজত আন্তৰিকতা বঢ়াবৰ কাৰণে সময়ে সময়ে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হয়। সেই ক্ষেত্ৰতো আৰক্ষীয়ে আগস্থান লয়। তথাপি কিয় জানো আজিও আৰক্ষী-জনসাধাৰণৰ মাজৰ ব্যৱধান সমূলঞ্চে সমাপ্ত হৈ যোৱা নাই। অৱশ্যে অদূৰ ভৱিষ্যতে দুয়োপক্ষৰ মাজৰ ভুল বুজাবুজিবোৰ আঁতৰাই এটা বুজাপৰালৈ আহিব বুলি বুদ্ধিজীৱিসকলে আশা কৰে।

আৰক্ষীসকলে অহৰ্নিশে জনসাধাৰণৰ সেৱাত ব্যস্ত থাকে। যাৰফলত ব্যক্তিগত সুখ, অনুভূতি তথা পৰিয়ালবৰ্গৰ সমস্যাৰ কথা চিন্তা কৰিবলৈ আহৰি নোপোৱা আৰক্ষীখিনিয়ে এক মিনিটৰ কাৰণেও নিজৰ দায়িত্বত অৱহেলা কৰিব নোৱাৰে। তৎসত্ত্বেও আৰক্ষীৰ মাজৰে এচামে ব্যস্ততাৰ মাজতো হাতত কলম তুলি লৈছে। যিহেতু আৰক্ষী প্ৰথমে এজন মানুহ তাৰপিছতহে আৰক্ষী সেইহেতু মনৰ স্পৃহাৰ তাড়নাতে নিজৰ ভাব, অনুভূতি, অভিজ্ঞতাবোৰক জ্ঞানৰ গৰিমাৰে প্ৰথমে অ'ত ত'ত পেলাই থৈ পিছত বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ কৰাৰ লগতে কিতাপ

আকাৰেও প্ৰকাশ কৰি উলিয়ায়। আৰক্ষীৰ ল'ৰা-ছোৱালী ভাল হ'ব নোৱাৰে বুলি যি ধাৰণা আমাৰ সমাজত প্ৰচলিত হৈ আছিল তাক মৰিমূৰ কৰি সম্প্ৰতি আৰক্ষীৰ ল'ৰা-ছোৱালীবোৰ বিভিন্ন দিশত সাফল্য অৰ্জন কৰি সেই ধাৰণাক ভ্ৰান্ত বুলি প্ৰতীয়মান কৰিবলৈ সক্ষম হৈছে। ঠিক তেনেদৰে আৰক্ষীৰ লোকে চোৰ, ডকাইত, গুণ্ডা-বদমাচ আদিৰ লগত থাকি ভাল চিন্তা কৰিবলৈ সময় ক'ত পায় বুলি থকা ধাৰণাকো কল্পিত কথা বুলি এচাম আৰক্ষীৰ লোকে নিজৰ লিখনি তথা সাংস্কৃতিক অৱদানেৰে প্ৰমাণ কৰি দিছে। কবিতা, গল্প, প্ৰবন্ধ, নাটক, উপন্যাস তথা অন্যান্য ৰচনাৰাজিৰে সাধাৰণ ৰাইজৰ সমানে সমানে ফেৰ মাৰি আজি আৰক্ষীৰ মাজৰ পৰা বহুত লেখকে সকলোকে স্তম্ভিত কৰি তুলিছে। সেয়ে সকলোৱে একমুখে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে আৰক্ষীয়েও ভাল লিখিব পাৰে, ভাল কবিতাৰ জন্ম দিব পাৰে, ভাল অভিনয় কৰিব পাৰে আৰু সংস্কৃতিৰ বেদীত ভিন্ন ধৰণে পুষ্পাঞ্জলি অৰ্পণ কৰিব পাৰে। তথাপি আপোনালোকৰ পুলিচৰ মানুহখিনিয়ে লিখিব ধৰিছে দেই বা অমুক পুলিচ লেখকজন কিন্তু মাষ্টৰ হ'ব লাগিছিল দেই, তেওঁ মিছাতে পুলিচত সোমাল ইত্যাদি মন্তব্য কৰা শুনা যায়। অথচ তেখেতসকলে অলপো গমি নাচায় যে একে শিক্ষা-দীক্ষা কৰি, ব্যক্তিগত ৰুচিক বিসৰ্জন দি চাকৰিৰ আকালৰ দিনত একোজন শিক্ষিত বা উচ্চশিক্ষিত মানুহে পুলিচৰ চাকৰিত সোমায়। গতিকে তেওঁৰ ব্যক্তিত্ব, তেওঁৰ জ্ঞান, তেওঁৰ লিখাৰ আৰ্ট, তেওঁৰ কৃষ্টি-সংস্কৃতি এজন সাধাৰণ মানুহৰ লগত মিলি যোৱাত বা তাৰো উৰ্দ্ধগামী হোৱাত ক'ত আপত্তি থাকিব পাৰে? আজি আৰক্ষীৰ লেখকসকলে অতি উচ্চমানৰ - কবিতা, গল্প, নাটক, উপন্যাস লিখি সমাজৰ বুদ্ধিজীৱীসকলক আচৰিত কৰি তুলিছে। ফলত সমাজৰ অন্যান্য লেখক সংস্কৃতিবান মানুহে পোৱাৰ দৰে পুলিচৰ লেখকখিনিয়েও নানা ধৰণৰ বঁটা আদি লাভ কৰিবলৈ সক্ষম হৈছে। সৌ সিদিনা সাহিত্য অকাডেমী বঁটাৰ দৰে অতি উচ্চমানৰ বঁটা আৰক্ষীৰ মাজৰে এজন জ্যেষ্ঠ বিষয়া মাননীয় শ্ৰীযুত হৰেকৃষ্ণ ডেকা ডাঙৰীয়ালৈ এইখন সমাজে আগবঢ়াবলৈ বাধ্য হৈছে। তেখেতৰ অনন্য সৃষ্টি 'আন এজন' নামৰ কবিতা পুথিখন অতি উচ্চমানদণ্ডৰ কবিতা পুথি, যাৰ বাবে তেখেতে এই বঁটা পোৱাৰ বাবে যোগ্য বিবেচিত হ'ল, আৰক্ষীৰ চাকৰি কৰি থকাৰ মাজতে শৰৎ কুমাৰ সৃকনদেৱে ডক্টৰেট ডিগ্ৰী লভিলে ইত্যাদি বহু উদাহৰণ পোৱা যায়। কিন্তু আপোনালোকে ইমান ব্যস্ততাৰ মাজত লিখিবলৈ সময় ক'ত

পায়হে বুলি এই সংকলনৰ সংকলকজনকো বহুতে প্ৰশ্ন কৰে। আমি তেতিয়া ক'বলৈ বাধ্য হওঁ - লিখাৰ বাবে সময় কেতিয়াও প্ৰতিবন্ধক হ'ব নোৱাৰে। লাগে মাথোন অদম্য স্পৃহা, ধৈৰ্য আৰু অনুৰাগ। আনহাতে চিটিবাছত উঠি এপাক ঘূৰি আহিলেই এটা গল্পৰ প্লট পোৱা যায় বুলি মহান গল্পকাৰ, উপন্যাসিক শীলভদ্ৰ ডাঙৰীয়াই কোৱাৰ দৰে আমিও কম যে এজন আৰক্ষীয়ে লিখাৰ বাবে লাগিব লিখাৰ আগ্ৰহ আৰু অনুধাৱন শক্তি। লিখাৰ বাবে পৰিবেশ বাধা হ'ব নোৱাৰে বৰঞ্চ লিখাৰ বাবে পৰিবেশ নিজে সৃষ্টি কৰি ল'ব লাগিব।

আমি আমাৰ অল্প জ্ঞানৰ ভিত্তিত আমাৰ মনৰ মাজত পুঞ্জীভূত হৈ থকা অদম্য স্পৃহাক দমাব নোৱাৰি আৰক্ষীসকলৰ মাজৰ পৰা এই বৰেণ্য লেখকসকলৰ লেখনি সমূহ একগোট কৰি এখন কিতাপ আকাৰে প্ৰকাশ কৰাৰ প্ৰচেষ্টা কৰিছো। প্ৰয়াত আনন্দ চন্দ্ৰ আগৰৱালাৰ পৰা আৰম্ভ কৰি আজিৰ দিনলৈ যিসকল আৰক্ষী লেখকে অসমীয়া সাহিত্যৰ পূজাৰ বেদীত পুষ্পাৰ্ঘ অৰ্পণ কৰি আহিছে সেই সকলৰ জীৱনৰ চমু আভাস আৰু তেখেতসকলৰ সৃষ্টিৰ লগতে এটা উৎকৃষ্ট লেখা ইয়াত সংযোগ কৰা হৈছে। আনৰ লেখনিৰ ওপৰত মন্তব্য দিয়াটো অতি কঠিন কাম, যদিহে তোষামোদৰ ইচ্ছা নেথাকে। লেখনি এটা পঢ়ি সাৰাংশ উলিওৱাটোও সহজসাধ্য নহয় কিয়নো প্ৰত্যেকজন লিখকৰে একোটা নিজা ভাৱধাৰা আৰু অনুভূতি লেখনিৰ মাজত নিহিত হৈ থাকে। গতিকে লেখকৰ মনোভাৱ আৰু প্ৰকাশৰ ভঙ্গীৰ লগত আলোচকৰ কিছু তাৰতম্য থাকি যোৱাতো একো অস্বাভাৱিক কথা নহয়। দ্বিতীয়তে আলোচকজনৰ জ্ঞান, বুদ্ধি আৰু চিন্তাচৰ্চাৰ মাপকাঠিও আলোচনাৰ গভীৰত্বত প্ৰভাৱ পেলাব পাৰে। তথাপি আমাৰ স্বল্প জ্ঞানৰ পৰিষৰৰ দ্বাৰাই এই গ্ৰন্থখনিত সন্নিবিষ্ট কৰা লেখক (আৰক্ষী লেখক) সকলৰ লেখনিৰ (কবিতা, গল্প, প্ৰবন্ধ)খিনিৰ ওপৰত আলোকপাত কৰি এটি চমু টোকা আগবঢ়াইছো। অৱশ্যে আমাৰ অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ। লেখকসকলৰ জীৱনবৃত্তী তথা তেখেতসকলৰ একোটা (দুই এজনৰ দুটা কবিতা) লেখনি বহু কষ্ট কৰি সেইবোৰ একগোট কৰি সংকলিত গ্ৰন্থ আকাৰে প্ৰকাশ কৰিবলৈ মন মেলি বহুজনৰ লগত আলাপ আলোচনা তথা উপদেশ গ্ৰহণ কৰি গ্ৰন্থখনিত ক্ৰম অনুসাৰে উপস্থাপন কৰা হৈছে।

গোটেই গ্ৰন্থখনি নপঢ়িয়ে মাথোন সংকলকৰ এই চমু টোকাখিনি পঢ়িলেই এজন পাঠকে গ্ৰন্থখনিৰ ভিতৰৰ বিষয় বস্তুৰ ওপৰত এটা খুলমূল

ধাৰণা বা এখন ছবি দেখিবলৈ পাব। গ্ৰন্থখনিত সন্নিবিষ্ট আঠাইকেইজন লেখকক আমি স্বচক্ষুৰে দেখা নাই বা সন্মুখাসন্মুখি তেখেতসকলৰ লগত আলোচনা কৰা নাই। আমাৰ গ্ৰন্থখনিত সন্নিবিষ্ট লেখক স্বৰ্গীয় আনন্দ চন্দ্ৰ আগৰৱালা, স্বৰ্গীয় নিত্যা দত্ত ছাৰক মই লগ নেপালোঁ যদিও স্বৰ্গীয় খবিৰ আহমেদ আৰু স্বৰ্গীয় যতীন মিপুন ছাৰৰ লগত মোৰ ঘনিষ্ঠতা আছিল। কিন্তু বাকী আঠাইবোৰ লেখককে মই ব্যক্তিগতভাবে সৌশৰীৰে লগ পাইছোঁ অথবা টেলিফোনযোগে কথা-বতৰা পাতি তেখেতসকলৰ পৰা জীৱন বুৰঞ্জীৰ লিখিত আকাৰত আভাস লৈ ইয়াত সন্নিবিষ্ট কৰিলোঁ। এই আঠাইবোৰৰ ফলশ্ৰুতিতে প্ৰত্যেকজন আৰক্ষী লেখকৰ বিষয়ে দিয়া এই চমু আলোচনাখিনিৰ দ্বাৰা আৰক্ষী লেখক সকলেনো অসমীয়া সাহিত্য সংস্কৃতিলৈ কি ভাবে অৱদান আগবঢ়াইছে তাৰ বিষয়ে সম্যক জ্ঞান পাব। আমি অতি দুখেৰে ক'বলৈ বাধ্য হৈছো যে কিতাপখনৰ কলেবৰৰ ভিত্তিত ঠাইৰ অভাৱত আজিৰ দিনলৈ লিখি অহা সমূহ আৰক্ষী কৰ্মচাৰী, বিষয়াৰ লেখনি ইয়াত সন্নিবিষ্ট কৰিবলৈ আমি অপাৰগ হৈছো। আমাৰ মাজত বহুত ন-পুৰণি আৰক্ষী লেখক আছে। কিন্তু ভিন্ন জন গুণী জ্ঞানী ব্যক্তিৰ লগত আলোচনা মৰ্মে এই লেখকসকলৰ মাজৰ পৰা কেইজনমান লেখকক ইয়াত স্থান দিবলৈ সক্ষম হৈছো। সেয়ে আমাৰ এই অসুবিধাৰ কথা ভাবি সমূহ (ইয়াত নাম সন্নিবিষ্ট নোহোৱা) আৰক্ষী লিখক সকললৈ আমাৰ বিনম্ৰ অনুৰোধ যে তেখেতসকলে আমাক নিজৰ এজন ভাতৃ জ্ঞান কৰি আমাৰ এই অক্ষমতাৰ বাবে ক্ষমা কৰি দিয়ে যেন। আমি পৰৱৰ্তীকালত বৈ যোৱা আৰক্ষী লেখকসকলৰ লেখা সাঙুৰি অনা এটি পৰিকল্পনা হাতত লোৱাৰ চেষ্টা অব্যাহত ৰাখিম।

আমাৰ প্ৰচেষ্টাক সাফল্যমণ্ডিত কৰি তুলিবলৈ একান্তভাৱে সহায় কৰা সমূহ ব্যক্তি বিশেষৰ ভিতৰত প্ৰথমতে এই কিতাপখনত সন্নিবিষ্ট কৰা আৰক্ষী লেখক তথা ইতিমধ্যে আমাৰ মাজৰ পৰা আঁতৰি যোৱা লেখকসকলৰ পৰিয়ালবৰ্গক আমি প্ৰথমে শলাগ আৰু ধন্যবাদ জনাবই লাগিব।

কিতাপখনি কিদৰে কৰিম তাৰ পৰিকল্পনা কৰোঁতে আমাক উপদেশ দি সহায় কৰা কবি-সাহিত্যিক নন্দ সিং, বিশিষ্ট লেখক শৰৎ কুমাৰ ফুকন ছাৰক শলাগিবই লাগিব। গ্ৰন্থখনিৰ লেখনি ডি.টি.পি. কৰি তথা নিজৰ মতামতক মোৰ লেখনিৰ লগত সংযোগ কৰা মদন সেনক ধন্যবাদ নজনাই নোৱাৰো।

অতি ব্যস্ততাৰ মাজতো আমাৰ দৰে এজন নিঃকিনৰ অনুৰোধ ৰক্ষা কৰি লেখিকা ড° মামনি ৰয়ছম গোস্বামী বাইদেউৱে এটি ৰসাল আৰু

গাম্ভীর্যপূর্ণ আগকথা লিখি দি আমাক কৃতাৰ্থ কৰিছে। তেখেতক আমি হিয়া ভৰা শ্ৰদ্ধা জনোৱাৰ লগতে তেখেতৰ ওচৰত ঋণী হৈ ৰলোঁ।

বেটুপাত আঁকি দি আমাক কৃতাৰ্থ কৰা চিত্ৰশিল্পী পদ্ম সিং সদায় আমাৰ লগৰীয়া হৈ থাকিব। তেখেতক এই চেগতে শলাগ যাচিছোঁ।

এই গ্ৰন্থখনি ৰাইজৰ আগলৈ উলিয়াই দিয়া জাৰ্ণাল এম্প'ৰিয়ামৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ থাকিম।

শেষত এই গ্ৰন্থখনিয়ে সমূহ পঢ়ুৱৈ ৰাইজক আনন্দ দিব পাৰিলে আমি নথৈ আনন্দিত হ'ম।

আপোনালোকৰ আশীষ বিচাৰি—

২৬ আগষ্ট, ২০০৬

(প্ৰফুল্ল বৰ্মন)

# সূচীপত্ৰ


* আনন্দ চন্দ্ৰ আগৰৱালা —০১
* স্বৰ্গীয় নিত্য দত্ত —০৭
* জ্ঞানানন্দ শৰ্মা পাঠক —১১
* প্ৰেমকান্ত মহন্ত —১৪
* হৰেকৃষ্ণ ডেকা —২৩
* মিহিৰ কান্ত বৰুৱা —৩৮
* হিৰণ্য ভট্টাচাৰ্য্য —৫২
* স্বৰ্গীয় খবিৰ আহমেদ —৫৯
* স্বৰ্গীয় যতীন মিপুন —৬৪
* কুল শইকীয়া —৭৫
* জীৱন চন্দ্ৰ কোঁচ —৮৮
* কুলধৰ দাস —৯১
* নিশিনাথ চাংকাকতি —৯৯
* হিৰণ্যলাল দেৱ —১০৬
* দিলীপ বৰা —১১২
* নিৰঞ্জন সিং —১২২
* শৰৎ কুমাৰ ফুকন —১২৭
* অনিল ফুকন —১৪৮
* ভাস্কৰজ্যোতি মহন্ত —১৫৭
* আব্দুল কুদ্দুচ —১৬৪
* পৰেশ চন্দ্ৰ বৰদলৈ —১৭৪
* নন্দ সিং —১৮০
* অমৰেন্দ্ৰ বৰগোঁহাই —১৮৯
* প্ৰশান্ত সাগৰ চাংমাই —১৯২
* মুক্তজ্যোতি মহন্ত —১৯৮
* ৰেণু দত্ত ফুকন —২০৭
* ইলা চক্ৰৱৰ্তী —২১৭
* জীতমল দলে —২২৯
* প্ৰফুল্ল বৰ্মন —২৩২



# আনন্দ চন্দ্ৰ আগৰৱালা

**জন্ম :** ১৮৭৪ চনৰ ৭ চেপ্টেম্বৰত কলংপুৰৰ ব্ৰহ্মজানত।

**পৰিচয় :** পিতৃ প্ৰয়াত কাশীৰাম আগৰৱালা (হৰিবিলাস আগৰৱালাৰ ভাতৃ), মাতৃ প্ৰযাত ৰাধিকা ৰৱা। ভাতৃ কমল চন্দ্ৰ আৰু এগৰাকী ভগ্নী আছিল

**শিক্ষা :** তেজপুৰৰ পৰা মধ্যমভাগ, কলিকতাৰ (কলকাতা) পৰা উচ্চ শিক্ষা গ্ৰহণ কৰে।

**চাকৰিত যোগদান :** শিৱসাগৰত বেজবৰুৱা হাইস্কুলত শিক্ষকতা। তেজপুৰত আৰক্ষীৰ হেডকনিষ্টবলত যোগদান হৈ প্ৰমোচন পাই এছ.পি হিচাবে অধিষ্ঠিত হোৱাৰ পিছত স্বইচ্ছাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ। ৰায়চাহাব আৰু ৰায়বাহাদুৰ খিতাপ লাভ কৰিছিল।

**বৰ্তমান :** প্ৰয়াত, মৃত্যু : ১৯৩৯ চনৰ ডিচেম্বৰত।

**বিবাহ :** পত্নীৰ নাম অপৰাজিতা আগৰৱালা আৰু একমাত্ৰ সন্তান দিপ্তী আগৰৱালা (পোষ্য পুত্ৰ)।

**ভাল লগা বিষয় :** কাব্য চৰ্চা, পুৰাতত্ত্ব চৰ্চা, আধ্যাত্মিক তত্ত্বৰ অন্বেষণ।

**সৃষ্টি :** শ্রীহর্ষ নাম লৈ তেওঁ কবিতা লিখিছিল। ১৯১০ চনত 'কমল পাঠ' আৰু ১৯২০ চনত 'আদিপাঠ' নামৰ দুখন শিশুপাঠ্য। ১৯২০ চনত 'জিলিকনি', ১৯৭০ চনত 'পদুমণি' নামৰ দুখন কবিতাপুথি ৰচনা কৰে। পঢ়ি থকা অৱস্থাতে 'ধৰ্মসঙ্গীত' নামে এখন গীতৰ পুথিও প্ৰকাশ কৰিছিল। 'কামৰূপৰ পুৰাবৃত্ত', 'অৰুন্ধতীৰ উপাখ্যান', 'সীতাৰ বনবাস', 'প্ৰাচীন ভূগোল' আৰু প্ৰত্নতত্ত্ব সম্পৰ্কীয় অলেখ প্ৰবন্ধ ১৯৭৪ চনৰ গ্ৰন্থাৱলীত প্ৰকাশ।

**সামাজিক কাম :** ১৯৩৬ চনত মঙ্গলদৈত বহা পঞ্চদশ সাহিত্য সভাৰ অধিবেশনৰ সভাপতি আছিল। জোনাকী কাকতৰ অন্যতম গুৰি ধৰোতা, শিশু আলোচনী 'ল'ৰাবন্ধুৰ' প্ৰধান সহায়ক (১৯৮৮ চনত)।

## সংকলকৰ চমু টোকা

**স্বৰ্গীয় আনন্দ চন্দ্ৰ আগৰৱালা** -- স্বৰ্গীয় আনন্দ চন্দ্ৰ আগৰৱালা প্ৰকৃততে এজন কবি। 'শ্ৰীহৰ্ষ' নামেৰে ছদ্ম নাম লৈ তেখেতে কবিতা লিখিছিল যদিও মানুহৰ হৃদয়ৰ গুপ্ত দুৱাৰ খুলি দি তেখেতে ৰচনা কৰা সাহিত্য কৃতিয়ে তেখেতক এজন আৰক্ষী বিষয়াতে সীমাবদ্ধ নেৰাখি এজন সংস্কৃতিৰ সাধকৰূপে জনমানসত স্বীকৃতি পাইছে। নিজৰ অধ্যৱসায় আৰু প্ৰত্যুৎপন্নমতিতাৰ কাৰণে সামান্য হাবিলদাৰ পদত যোগদান কৰি শেষলৈ আৰক্ষী অধীক্ষকৰ পদ অলংকৃত কৰিব পৰাৰ দৰে, 'পদুমণি' আৰু 'জিলিকনি' নামৰ দুখন কবিতা পুথিৰে পাঠক শ্ৰোতাৰ মন স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছিল। ইয়াৰোপৰি 'কমল পাঠ' আৰু 'আদি পাঠ' নামৰ শিশু পুথি দুখনেও শিশুৰ প্ৰতি দায়িত্বশীল তথা শিশুপ্ৰেমৰ ভাব প্ৰকাশ নকৰে জানো? অসম আৰক্ষীৰ প্ৰথম লেখক বুলি আগৰৱালাদেৱৰ পৰিচয় আছে। সাহিত্য সংস্কৃতিৰ প্ৰতি থকা অব্যক্ত বাসনাই হয়তো শেষত তেখেতক চাকৰিৰ পৰা স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰাৰ সিদ্ধান্তত অৱনত কৰে।

# সুখ

### আনন্দচন্দ্ৰ আগৰৱালা

সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ,
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ,
দেখিও নেদেখা কিয় দিন কণা

সুখ যে হাততে আছে;
যিটো' দিব পাৰে স্বাৰ্থ-বলিদান,
সুখ ফুৰে পাছে পাছে।
অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে
সংসাৰ সুখৰ ঠাই
পৰৰ অভাৱ, পৰৰ দুখত
হিয়া যদি পমি যায়,

পৰক আপোন কৰিব পাৰিলে
সংসাৰত দুখ নাই
শক্তি-সামৰ্থ্য পৰৰ সুখত
বিলাব পাৰিলে ভাই,
পৰৰ কাৰণে কান্দিব জানিলে
কান্দনতো সুখ পায়
সকলো আপোন যত নৰ-নাৰী;
কাকনো বুলিম পৰ?
পৰমপিতাৰ সকলো সন্তান
পৃথিৱী আমাৰ ঘৰ।
গাই গেটি-পোটি-ভৰাল নহয়বা।
লোকৰ দুখলৈ চোৱা,
মানুহৰ সেৱা, মানুহৰ পূজা,
পবিত্ৰ ধৰত লোৱা।

'মই' 'মোৰ' ভাবে ভৰালে সংসাৰ
নাপাব ৰক্ষাৰ তৰী,
সুখৰ দুখৰ মনেই কাৰণ
মনক কৰিবা থিত:
ত্যাগত লভিবা পৰম সন্তোষ,
সাধিবা লোকৰ হিত।
স্বাৰ্থৰ বাটত দুখৰ কাঁইট,
খোজে পতি বিন্ধে শলে,
স্বাৰ্থৰ বাট, সেন্দুৰীয়া আলি,
সুগন্ধি কুসুম ফুলে;
যথাৰ্থ নিঃস্বাৰ্থ ধৰমী জীৱন,
বিশ্ব-প্ৰেমে ভৰ-পূৰ,
বিশ্বৰ সকলো ভাই-ভনী তাৰ,
সুখৰ নপৰে ওৰ।

# প্ৰণয়ৰ পৰিণাম

## আনন্দচন্দ্ৰ আগৰৱালা

১

পূবৰ আকাশৰ তুমি সোণোৱালী বেলি,
মই যেন সূৰ্যমুখী ফুল,
দেখিলে তোমাৰ হাঁহি একেথৰে চাওঁ,
আপোনাতে আপুনিয়ে ভুল
আহিনী জোনাই তুমি নীল আকাশত,
মই নাথ ক্ষুদ্ৰ ভেঁট-পাহি,
তোমাৰ প্ৰেমত মগ্ন ক্ষুদ্ৰ পুখুৰীত,
তযু ৰূপ চাই থাকোঁ হাঁহি
বাউলী হৈ পুখুৰীৰ চাৰিও কাষৰে
দেখোঁ মাথোঁ ছবিটি তোমাৰ,
দেৱ-কাননৰ ফুল কোটি তৰা লই,
হোৱা বেগতে আঁতৰ,
নজনায় হেঁপাহ মনৰ।

নিঠুৰ তোমাৰ হিয়া নুবুজিলা মোক,
এতিয়াও নাই পতিয়ন;
কিমান কোমল ফুল নুবুজিলা নেজানিলা
নেজানিলা অভাগীৰ মন!
শুনিছিলো হনুমন্তে বুকু ফালি দেখুৱালে,
ৰাম-নাম লিখা অন্তৰত,
চোৱাঁ মোৰ বুকু ফালি শাণিত কটাৰী আনি
তযু নাম হিয়াৰ মাজত।
অবলাৰ একো নাই দিছে হিয়া উদঙাই
জানে মাথোঁ তোমাক সদায়,
জানো মাথোঁ 'তুমি মোৰ' 'তুমি মোৰ' প্ৰিয় কথা
'চিৰদাসী তোমাৰেহে মই'।

২

প্ৰেমৰ বীণাটি নাথ, লোৱাঁ হাতে তুলি,
বহু দিন মাত নাই কিয়?
'তুমিয়ে প্ৰাণৰ প্ৰিয়া, তুমি বিনে নাই আন,
প্ৰিয় গান নোগোৱানো কিয়!
কথাটি সুধিলে নাথ, হ'লা এনে নিদাৰুণ
মই দিছো উদঙাই হিয়া।
সিৰে সিৰে, হাড়ে হাড়ে তোমাৰ নামৰ অণু
শোণিত-প্ৰৱাহে তযু নাম,
জগৎ ব্ৰহ্মাণ্ডময় দেখিছো তোমাৰ ৰূপ,
তযু গুণ গাওঁ, আৰু গাম।
মুখেৰে নিদিয়া মাত, এতিয়াও অভিমান,
এতিয়াও কপট তোমাৰ।
নুবুজিলো প্ৰাণ-ধন নুবুজিলো তযু মন
নুবুজিলো ভাব ছলনাৰ।
কিয়বা ইমান ৰোষ, কিহতেৰা পৰিতোষ
চুলি চিন্তা কৰিছো কাতৰ,
কিয়বা মলিন মুখ, নেদেখোঁ মনত সুখ,
অভাগীক দিয়া হে উত্তৰ।
কুসুম-কোমলা নাৰী, সৰল কোমল হিয়া,
কিয় কৰা আলাই-আথানি।

কটাক্ষ-আতপে তযু লতাটি লেৰেলি যায়,
আৰু দিবা কিমান পোৰণি?
ৰাখিবা মনত প্ৰভু, এটি কথা ক'ব খোজোঁ
তুমি বিনে গতি নাই আন,
তোমাৰ সুখৰ হেতু দিব পাৰোঁ অনায়াসে
অনায়াসে ক্ষুদ্ৰ এই প্ৰাণ।

৩

চোৱাঁ নাথ, চোৱাঁ আহি তোমাৰ কুসুমপাহি,
যায় আজি ৰ'দত শুকাই,
তোমাৰ সুখৰ হেতু কি কৰিছে চোৱাঁ আজি
চোক মাৰি হলাহল খাই।
এদিন, এদিন নাথ, কি কথাটি কইছিলো,
আজি তাক ভাবি চোৱাঁচোন;
তোমাৰ সুখৰ হেতু, দিব পাৰোঁ অনায়াসে
অনায়াসে ক্ষুদ্ৰ এই প্ৰাণ।
জগৎ চোৱাঁহি আজি দিছে প্ৰাণ হাঁহি হাঁহি
ক্ষুদ্ৰ নাৰী স্বামীৰ কাৰণে,
স্বামীৰ সুখৰ হেতু জনক-জননী এৰি,
দিছে ভৰি মৰণ সোপানে;
মৰমত কিনো ভয় যাওঁ শান্তি-ধামলৈ,
যাওঁ আজি এৰি পৃথিৱীক,
কৰুণা-সাগৰ পিতা স্নেহৰ কোলাত তযু
দিয়া ঠাই হতভাগিনীক

৪

অ' আহিলানে, আহাঁ নাথ শেষবাৰ চাই লওঁ,
শেষবাৰ এটি চুমা খাওঁ
তোমাৰ বুকুত নাথ, মৰোঁ আজি মূৰ থই
ক্ষমা অপৰাধ অন্তি যাওঁ।
লাজুকী তিৰোতা আজি লাজ-কাজ কাতি কৰি
আহাঁ, নাথ, এশ চুমা খাওঁ;
আহাঁ নাথ ওচৰলৈ, আহাঁ নাথ আৰু ওচৰলৈ,
হাতে হাত ধৰি মৰি যাওঁ।
সংসাৰ-মৰুত নাথ, ভ্ৰমি বহু কষ্ট পালা,

[redacted]

অভাগীত নলভিলা সুখ,
সুখৰ বাটত তয়               আছিলো কণ্টক মই
অজি নাথ আঁতৰিল দুখ।
বিষেতো জুৰিলে দেহ,    জীৱলীলা হ'ল শেহ,
মুখৰ কথাটি ৰোধ হ'ল,
জন্মে জন্মে তুমি নাথ,            তুমি যেন স্বামী হোৱা
আধাফুটা কথা বাজ হ'ল।
'মইনা' 'মইনা' বুলি               স্বামীয়ে কোলাত তুলি,
চিঞৰিলে কত শত বাৰ,
'মইনা' 'মইনা' বুলি               বাতুলৰ দৰে কান্দে,
মাত নাই আৰু মইনাৰ।
চাওঁতে চাওঁতে হায়,              মইনাৰ মাত নাই,
প্ৰাণ-পখী উৰি গুচি গ'ল,
চাওঁতে চাওঁতে হায়,              সন্ধিয়াৰ ৰঙা বেলি
পল-সাগৰত বুৰ গ'ল।



# নিত্য দত্ত

**জন্ম :** ১৯৩৫ চনত ডিব্ৰুগড় জিলাৰ জয়পুৰত।

**পৰিচয় :** পিতৃ প্ৰয়াত ভোলাৰাম দত্ত আৰু মাতৃ প্ৰয়াত পঙ্কবালা দত্ত। ককাই-ভাই সাতজন ক্ৰমে - প্ৰয়াত অন্নদা দত্ত, শ্ৰীআনন্দ দত্ত, শ্ৰীহৰেণ দত্ত, প্ৰয়াত অতুল দত্ত, ডাঃ দেৱজিৎ দত্ত, শ্ৰীমুকুট দত্ত।

**শিক্ষা :** জয়পুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, জয়পুৰ হাইস্কুলৰ পৰা মধ্যমভাগ আৰু কটন কলেজৰ পৰা উচ্চ শিক্ষা লাভ।

**চাকৰিত যোগদান :** ১৯৬০ চনত গুৱাহাটীত উপ-পৰিদৰ্শক ৰূপে। চাকৰি জীৱনত নতুন দিল্লী, মুম্বাই আৰু কলিকতাত দীঘলীয়া প্ৰশিক্ষণ লোৱাৰ উপৰিও ১৯৭৬ চনত ভাৰতৰ ৰাষ্ট্ৰপতিৰ সৈতে নিৰাপত্তা বিষয়া হিচাপে ইৰাণ ভ্ৰমণ।

**বৰ্তমান :** ১৯৯১ চনত উগ্ৰপন্থীৰ গুলীত মৃত্যু (চাকৰি কালত)। মৃত্যুৰ সময়ত অসম অগ্নিনিৰ্বাপক বাহিনীৰ আঞ্চলিক বিষয়া হিচাপে কাম কৰি আছিল।

**বিবাহ :** ১৯৬৪ খ্ৰীষ্টাব্দত যোৰহাট জিলাৰ [illegible] শ্ৰীকণু দত্তৰ সৈতে বিবাহ-

পাশত আবদ্ধ। সন্তান ক্রমে শ্রীমৌচুমী দত্ত, শ্ৰীচিৰঞ্জীৱ দত্ত, শ্ৰীপাৰ্থিব দত্ত।

**ভাল লগা বিষয় :** কবিতা লিখা, অধ্যয়ন, অভিনয়।

**সৃষ্টি :** তেওঁৰ দ্বাৰা প্ৰকাশিত কাব্য সংকলনসমূহ ক্ৰমে -- 'পান্থশালা' (৬৫), 'এমুঠি পুবাৰ নিয়ৰ' (৬৮), 'ছন্দৰ ধ্বনি' (৭০), 'Rhythem of Broken Dreams' (৭৩), 'অনুভূতিবোৰেই শব্দ'(৭৯), 'সপোনে জিৰালে শুই' (৮৬), 'পাৰ্ক চাৰ্কাচৰ সন্ধিয়া' (৮৯), 'নিত্যা দত্তৰ নিৰ্বাচিত কবিতা' (৯০)। তেওঁৰ প্ৰকাশিত প্ৰবন্ধ -- 'ভিন্নমুখ ভিন্ন গীত' (৮৮)। তেওঁৰ কেইবাখনো নাটক আকাশবাণী গুৱাহাটী কেন্দ্ৰত বাণীবদ্ধ আৰু প্ৰচাৰিত হয়। ইয়াৰোপৰি অসমৰ বিভিন্ন সংবাদ পত্ৰ, আলোচনীত শতাধিক গল্প, প্ৰবন্ধ, কবিতা, অন্যান্য লিখনি প্ৰকাশিত হয়। এসময়ত দৈনিক অসম কাকতত 'বোম্বাইৰ পৰা' নামেৰে ধাৰাবাহিক সাংস্কৃতিকমূলক প্ৰবন্ধ প্ৰকাশিত হৈছিল।

## সংকলকৰ চমু টোকা

নিত্যা দত্ত -- সত্তৰ দশকৰ এজন প্ৰতিভাশালী লেখক নিত্যা দত্তই আৰক্ষীৰ পোছাকযোৰ পিন্ধি থাকিয়ে সংস্কৃতিৰ বেদীত পুষ্পাঞ্জলী অৰ্পণ কৰি গ'ল। যাৰ বাবে তেখেত ১৯৯১ চনত আততায়ীৰ হাতত মৃত্যুবৰণ কৰিছিল যদিও তেখেতৰ সাহিত্যৰাজীয়ে তেখেতক অমৰ কৰি ৰাখিব। প্ৰকৃতাৰ্থত এজন ভাল কবি হিচাবে চিহ্নিত হ'লেও তেখেতৰ নাটকবোৰে সেই সময়ত আলোড়ন তুলিছিল। তেখেতৰ নাটকে অনাতাঁৰ কেন্দ্ৰত বাণীবদ্ধ ও প্ৰচাৰ লাভ কৰিছিল। পান্থশালা, এমুঠি পুবাৰ নিয়ঁৰ, ছন্দৰ ধ্বনি, অনুভূতিবোৰেই শব্দ, সপোনে জিৰালে শুই, পাৰ্ক চাৰ্কাচৰ সন্ধিয়া আদিৰে এজন সুকবি হিচাবে নিত্যা দত্ত পৰিচিত হৈছিল। অৱশ্যে গল্প, প্ৰবন্ধ আৰু অন্যান্য ৰচনাৰাজীৰে অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰাত নিত্যা দত্তই অৰিহনা যোগাইছিল।

# ফণী শৰ্ম্মাৰ শেষ যাত্ৰা

## নিত্যা দত্ত

ফণী শৰ্ম্মাৰ নামটো সৰুতে শুনিছিলোঁ দেউতাৰ মুখত। তেখেত হেনো আমাৰ উজনি অসমৰ জয়পুৰত অভিনয় কৰিবলৈ গৈছিল। তাৰপিছত তেখেতৰ অভিনিত কথাছবি 'চিৰাজ' চাইছিলো। চাই অভিভূত হৈছিলোঁ। তাৰপিছত ছবিৰ পিছত ছবিত তেখেতে অভিনয় কৰি গ'ল। ১৯৯৫ চনত তেখেতৰ নাটক 'ভোগজৰা' আমি নতুন দিল্লীত অনুষ্ঠিত দ্বিতীয় আন্তঃবিশ্ববিদ্যালয় যুৱ উৎসৱত অভিনয় কৰিবৰ বাবে চুডমাৰ্চন হলত আখৰা কৰোঁতে তেখেতে শীৰ্ষ পৰ্যায়ৰ আখৰা চাবলৈ আহিছিল। মোৰ দেউতা তেখেতৰ এজন বন্ধু হেতুকে তেখেতক মই আগবাঢ়ি পৰিচয় দিছিলোঁ। আৰু পিতৃ বন্ধুৰ সৈতে এটা দূৰত্ব ৰখাৰ চেষ্টা কৰিছিলো। এবাৰ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই মুকলি মঞ্চত মঞ্চস্থ কৰা লক্ষ্মীধৰ চৌধুৰীৰ নাটক 'ৰক্ষকুমাৰ'ত ৰাৱণৰ ভাৱত অপূৰ্ব অভিনয় কৰা উপভোগ কৰিছিলো। লাইটৰ পোহৰত পোক এটা উৰি আহি তেখেতৰ চকুত সোমাইছিল। সেই পোকটোৰ অসহ্য আমনিকো নেওচি তেখেতে অভিনয় কৰি গৈছিল। মোৰ বোধেৰে তেখেত সেই সময়ত ভাৰতবৰ্ষত আঙুলিমূৰত লেখিব পৰা শক্তিশালী অভিনেতাসকলৰ প্ৰথম শাৰীতে নাহিব পাৰিছিল। মহান ব্যক্তিৰ জীৱন কালত মূল্যায়ন নহয়। তেখেতৰ দুই চাৰিখন অভিনীত নাটক চালেও বেছিভাগেই মই চাব নাছিলোঁ। কিন্তু তেখেতৰ সৈতে মোৰ এক মানসিক সম্বন্ধ গঢ়ি উঠিছিল।

১৯৬৬-৬৭ চনত মই বিশ্ৰাবাৰীত থকা এটা গলিৰ মাজত এটা ভাৰাঘৰত আছিলোঁ। মোৰ চাৰিওফালে থকা মানুহবোৰ অসমীয়া নাট্য জগতৰ লগত পৰিচিত নাছিল। গতিকে ফণী শৰ্ম্মাক চিনি পোৱাৰ প্ৰশ্ন নাছিল। এদিন হঠাতে এজনী ছোৱালী দৌৰি আহি মোক খবৰ দিলে মোক বিচাৰি এজন প্ৰকাণ্ড মানুহ আহিছে। তেখেত আছিল যে ফণী শৰ্ম্মা। সেই সময়ত তেওঁ একেবাৰে গুৱাহাটী মঞ্চত অভিনয় কৰিবলৈ লৈছিল। মোক বিচাৰি অহাৰ কাৰণ 'এমুঠি চাউল' নাটকৰ বাবে কিছু টিকেট বিক্ৰি কৰি দিব লাগে। এইদৰে কেইবাদিনো আহিছিল। তেখেতৰ লগত ইটো সিটো কথা আলোচনা কৰিছিলোঁ।

ফণী শৰ্ম্মাৰ শৰীৰত কৰ্কট ৰোগে বাহ ললে ১৯৭০ চনৰ মাজ ভাগত। তেখেত গুৱাহাটী মেডিকেল কলেজত চিকিৎসাৰ বাবে ভৰ্ত্তি হয়। সেই সময়ত মই গুৱাহাটী সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া। সদায় তেখেতক চাবলৈ যাম বুলিও সময় উলিয়াব পৰা নাছিলোঁ। এদিন তেখেতে খবৰ পঠালে যে মই তেখেতক

যেনে তেনে দেখা দিব লাগে। দিনটো মোৰ ঠিক মনত আছে ৩১ জুলাই ১৯৭০ চন। মই গা-পা ধুই অফিচলৈ যোৱাৰ লগতে হস্পিতাললৈ যাবলৈ সাজু হৈছোঁ মাথোন। আঞ্চলিক বাতৰিত শুনিলো ফণী শৰ্ম্মাই জীৱনৰ নাট সামৰি পৰলোকলৈ গতি কৰিছে। মই বাকৰুদ্ধ হৈ গ'লোঁ। লৰালৰিকৈ অফিচলৈ ওলাই গ'লোঁ। ফোনটো বাজি উঠিল। কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক কে.পি এচ্. গিল চাহাবৰ ফোন। ফুনু বৰুৱাক মোৰ ওচৰলৈ পঠাই আছে। ফণী শৰ্ম্মাৰ মৃতদেহ নিয়াৰ বাবে যি সহায় বিচাৰে দিব লাগে। ফোনটো থোৱাৰ লগে লগে ফুনু বৰুৱা সোমাই আহিল। জয়মতী কথাছবিৰ নায়ক ফুনু বৰুৱাৰ চকু চল্‌চলীয়া। 'গাঠি হাজৰিকা'ৰ মৃত্যু হ'ল। দুয়ো ৰবীন্দ্ৰভৱন পালোঁগৈ য'ত ফণী শৰ্ম্মাৰ মৃতদেহ ৰখা হৈছে। শেষ শ্ৰদ্ধা জনাবলৈ মানুহৰ ভীৰ, ভীৰ কৰিছে - শিল্পী অভিনেতাই। ড' ভূপেন হাজৰীকাই আমাৰ দুয়োকে দেখি আগবাঢ়ি আহিল। মোক সাৱটি ধৰি বিহ্বল হৈ ক'লে, 'দুটা কাম কৰি দিয়া ; তেজপুৰৰ ড' ৰবীন্দ্ৰ গোস্বামীক ফোন কৰি জনাই দিয়া যে- জীয়া ভৰালীৰ কাষত য'ত বিষ্ণু ককাইদেউ শুই আছে তাৰ ওচৰতে বলীনদাক সমাধিস্থ কৰা হ'ব। আজিৰ ভিতৰতে এটা কবিতা লিখি মোৰ হাতত দিবা'। মই লৰালৰিকৈ অফিচলৈ ঘূৰি আহি তেজপুৰৰ ড' ৰবীন্দ্ৰ গোস্বামীক কথাখিনি ফোন কৰি জনাওঁ। মৃতদেহ গাড়ীৰে তেজপুৰলৈ লৈ যাব। তেখেতৰ বাসস্থান তেজপুৰলৈ। গতিকে এখন এছকৰ্ট গাড়ী দি আগবঢাই দিওঁ। তাৰ উপৰি Wireless কৰি মানুহৰ ভীৰ নিয়ন্ত্ৰণ কৰিবলৈ বাটৰ কাষৰ সকলো পুলিচ চকিকে সতৰ্ক কৰি দিওঁ। ড' ভূপেন হাজৰীকাৰ ইচ্ছামতে মই লিখা সৰু কবিতাটো তেখেতৰ হাতত দিওঁ।

কত যে ৰণুৱা          কত বাটৰুৱা
          বাট বুলি বুলি।
ভাগৰি জিৰালে          তোমাৰ ছায়াতে
          প্ৰণামি চৰণ ধূলি।।
শোণিতপুৰৰ          বালিত জিলিকে
          অনেক পুৰণি স্মৃতি।
আজলী অসমী          শোকতে আকুলি
          টোকে মাথো চকুপানী।।
কত বাটৰুৱা          পালি পহৰীয়া
          উটুৱাই নিলে আহি।
ক'ৰবাৰ টৌৱে          সামৰি পেলালে
          কাৰোবাৰ মুখ ছবি।।

কবিতাটো ফণী শৰ্ম্মাৰ এখন ছবিৰে 'আসম বাণীত' প্ৰকাশ হৈছিল। অতুল মেধিৰ কণ্ঠত বহুদিন গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত গীতি মালিকা অনুষ্ঠানত প্ৰচাৰিত হৈছিল। এতিয়া হয়তো মানুহৰ স্মৃতিৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে।

* প্ৰতিধ্বনি ৮৫ বঙালী বিহু সংখ্যাত প্ৰকাশিত



# জ্ঞানানন্দ শৰ্মা পাঠক

জন্ম : ১৩ ডিচেম্বৰ ১৯২৬ খ্ৰীষ্টাব্দত নাৰেঙ্গ পাছনি গাঁও, জগদুৱাৰ, টীয়কত।

পৰিচয় : পিতৃ প্ৰয়াত কেশবানন্দ শৰ্মা পাঠক, মাতৃ প্ৰয়াত প্ৰেমদা দেৱী, তিনিজন ভাই চন্দন, দুলু, দুলৰ্মণি আৰু তিনিজনী ভনী - পুতি, মিহুনী, বন্দি।

শিক্ষা : ভবাজান বুঢ়াগোঁহাই পুখুৰী এল.পি স্কুল, যোৰহাটৰ পৰা প্ৰাথমিক শিক্ষা, টাউন এম.ই স্কুল/যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা মধ্যমভাগ, কাশী হিন্দু বিশ্ববিদ্যালয়, বাৰাণসীৰ পৰা উচ্চ শিক্ষা।

চাকৰিত যোগদান : ১৯৫৩ চনৰ ৫ অক্টোবৰত মাউণ্ট আবু, পুলিচ ট্ৰেইনিং কলেজ আৰু ১৯৫৫ চনৰ পৰা অসমৰ বিভিন্ন জিলাত এছ.পি, যোৰহাটত ডি.আই.জি, এছ এছ বি.ত সমাদেষ্টা হাফলঙত, ডি.আই.জি. (এছ.এছ.বি), অতিৰিক্ত আই.জি.পি, সঞ্চালক প্ৰধান - অসম পুলিচ। অৱসৰ ৩১।১২।৮৬

বৰ্তমান : অৱসৰপ্ৰাপ্ত জীৱন।

বিবাহ : ১৯৫৯ খ্ৰীষ্টাব্দত যোৰহাটৰ বীণা শৰ্মা পাঠকৰ সৈতে বিবাহ পাশত

আবদ্ধ। তিনিজন ল'ৰা - বিজয়ানন্দ শৰ্মা পাঠক, দীপাংকৰ শৰ্মা পাঠক, শান্তনু শৰ্মা পাঠক।

**ভাল লগা বিষয় :** সাহিত্য।

**সৃষ্টি :** নতুন কবিলৈ মুকলি চিঠি (লয়াৰ্চ বুক ষ্টল ১৯৮০-১৯৯৩), প্ৰিয়ম্বদা (কবিতা, লয়াৰ্চ বুক ষ্টল ১৯৯০), বসন্তসেনা (কবিতা, চাৰু প্ৰকাশন ১৯৯২, ১৯৯৪), বসুন্ধৰা (কবিতা, লয়াৰ্চ বুক ষ্টল ১৯৯৩), সাহিত্য-বীথিকা (সমালোচনা, সবিনয় পাণ বজাৰ, গুৱাহাটী ১৯৯৪), দেৱযানী (কবিতা, চাৰু প্ৰকাশন ১৯৯৪), সাহিত্য বল্লৰী (সমালোচনা, জ্যোতি প্ৰকাশন ১৯৯৪), অনামিকা (কবিতা, লয়াৰ্চ বুক ষ্টল ১৯৯৫), মোৰ কথা শুনা দীপাংকৰ (কবিতা, চাৰু প্ৰকাশন ১৯৯৫), মোক লাগে তোমাকেই হেৰা বসুন্ধৰা (কবিতা, জ্যোতি প্ৰকাশন ১৯৯৬), মোৰ মনালিছা (কবিতা, চাৰু প্ৰকাশন ১৯৯৯), মন্দাকিনী (কবিতা, সাহিত্য-ৰত্ন প্ৰকাশন), সাহিত্য বিভূতি (সমালোচনা, চাৰু প্ৰকাশন ১৯৯৭), Assam's pen of Letters- literary criticism (1940-1990) Voll Spectrum Publications, মোৰ প্ৰেমৰ কবিতা আৰু নতুন অসম (উদ্যোগ পাম গুৱাহাটী ১৫।৭।২০০৩), PAPORI - Ganesh Gogoi. Translated in to English, সোণ সনা সৌৰৰণি - ৰোমন্থন, (নতুন অসম, উদ্যোগ পাম, গুৱাহাটী ১৫।৭।২০০৬)

সামাজিক কাম : সাহিত্যৰ আলোচনা চক্ৰ, কবি সন্মিলন আদিত যোগদান।

**ভৱিষ্যত পৰিকল্পনা :** আৰু এখন কাব্য সংকলন লিখা।

**অসমবাসীলৈ বাৰ্ত্তা :** জীৱনৰ নাও মোৰ যেনি-তেনি গৈ গৈ সিপাৰৰ শদিয়াত সোমাবৰ হ'ল। সিপাৰৰ পৰাই আগ্ৰহেৰে চাই থাকিম অসম-অসমীয়াৰ বিকাশ। এয়া মোৰ অন্তিম আশা।

## সংকলকৰ চমু টোকা

**জ্ঞানানন্দ শৰ্মা পাঠক** -- নব্বৈৰ দশকৰ অসম আৰক্ষীৰ মাজৰ পৰা এজন প্ৰখ্যাত কবি হিচাবে চিহ্নিত কৰিব পাৰি জ্ঞানানন্দ শৰ্মা পাঠক দেৱক। সৰ্বশ্ৰী সৰ্বেশ্বৰ দত্ত দেৱে শৰ্মাপাঠকৰ বিষয়ে এইদৰে কৈছিল -'অসমীয়া ইংৰাজী উভয় ভাষাতে সমান দক্ষতাৰে আগবঢ়োৱা বস্তুনিষ্ঠ সমালোচনা প্ৰভৃতিৰে সাহিত্যৰ দিগন্তত জ্ঞানানন্দ শৰ্মা পাঠক আজি নিজস্ব প্ৰতিভাৰে ভাস্কৰ।' এনেহেন কৃতবিদ্য লেখকৰ লেখনিৰ ওপৰত মন্তব্য আগবঢ়োৱা বৰ সহজসাধ্য কাম নহয়।

শৰ্মাপাঠকৰ পাঁচোখনকৈ কবিতাপুথি ক্ৰমে - 'প্ৰিয়ম্বদা', 'বসন্তসেনা', 'বসুন্ধৰা', 'দেৱযানী', 'অনামিকা' আদিৰ সৌৰভ তথা মৃদু মধু গোন্ধই কাব্যপ্ৰেমীক আচ্ছন্ন কৰাৰ পাছতেই 'কনিষ্ঠ কুৱৰী', 'মোৰ কথা শুনা দীপাঙ্কৰ' আহি আকৌ সুৰভি সিঁচিলে।

জ্ঞানানন্দ শৰ্মাপাঠক নিৰ্জনতাৰ নহয়, জনতাৰ কবি। আভিজাত্য বিহীন

প্ৰেমেই যেন এইজন কবিৰ ঋক মন্ত্ৰ। সেয়ে জনতাৰ হৃদয় মন্দিৰত প্ৰেমৰ জয়গান শুনাবলৈকে যেন কবিও সদায় উদগ্ৰীৱ। স্বৰূপাৰ্থত শৰ্মাপাঠক এজন প্ৰেমৰ কবি। সেইফালৰ পৰা চালে সেউজ প্ৰেমৰ কবি ৰূপে তেখেতক দিয়া আখ্যা সাৰ্থক হোৱা বুলি ক'বই লাগিব।

শৰ্মাপাঠকদেৱে আৰক্ষী সঞ্চালক প্ৰধানৰ দৰে এটা গধুৰ দায়িত্বশীল পদত অধিষ্ঠিত হোৱাৰ পিছতো সাহিত্য সাধনা এৰি নিদি বৰঞ্চ আগতকৈ দুগুণ উৎসাহেৰে কবিতা, গল্প আৰু মাজে মাজে প্ৰবন্ধ লিখি গ'ল। ফলত অসমীয়া সাহিত্যৰ ভঁড়াললৈ তেখেতৰ আপুৰুগীয়া অবিহনা নিৰৱচ্ছিন্নভাৱে চলি থাকিল। 'বসন্ত সেনা' বোধকৰো জ্ঞানানন্দ শৰ্মাপাঠকৰ সৰ্বোৎকৃষ্ট কবিতা পুথি।

# বিজুলী

**জ্ঞানানন্দ শৰ্মা পাঠক**

জম্বু- ক'লা বৰণীয়া
ভোলানাথ ডাৱৰক
শুৱাল গালিৰে সতে
জলকীয়া পোৰণিৰে
দকচি দকচি আৰু
ফোৰোহনি মাৰি
তিতা-কেহা মৰম লগাই
হীৰাৰ চমক লই
চাত্ মাৰি শুচি যোৱা
দাং-কাটি বিজুলী জনীক
পিছে পিছে খেদি গৈ
জোৰ কৰি টানি আনি
- 'খাই ল'ম - চাই ল'ম
মই তোৰ জান ল'ম
টৈটু চেপি মাৰি থম-
এইদৰে ভাবি ভাবি
গুজৰি-গুমৰি থকা
ডাৱৰৰ শোৱনী-কোঠাত
গতা মাৰি মাটিত পেলাই
দাং- দিয়া দুৱাৰৰ
বাহিৰৰ পৰা
কাণ-পাতি শুনি ৰ'ম
ঘোপ-মৰা আন্ধাৰত
পাতিবলে লোৱা
ডাৱৰ আৰু বিজুলীৰ
ৰাস-লীলা খেলা।



# প্ৰেমকান্ত মহন্ত

**জন্ম ঃ** ১৯২২ খ্ৰীষ্টাব্দত শোণিতপুৰ জিলাৰ জামুগুৰিহাটত অৱস্থিত চেউনী বৰদোৱা শলগুৰি সত্ৰত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত দীনকান্ত আতা, মাতৃ নৰ্মদা আই, ভাতৃ প্ৰয়াত বোধন চন্দ্ৰ মহন্ত আৰু ভগ্নী নবলতা মহন্ত।

**শিক্ষা ঃ** জামুগুৰি হাটৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, তেজপুৰ এম ই স্কুল আৰু তেজপুৰ একাডেমীৰ পৰা মধ্যমভাগ, তেজপুৰস্থিত দৰং কলেজৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰে।

**চাকৰিত যোগদান ঃ** আৰক্ষী বিভাগত ১৮ বছৰ চাকৰি, ১৯৬২ চনত উপ আৰক্ষী অধীক্ষক হিচাবে যোগদান। ১৯৬৮ চনত অতিৰিক্ত আৰক্ষী অধীক্ষক, আৰক্ষী অধীক্ষক বিশেষ শাখা (১৯৬৯), আৰক্ষী অধীক্ষক লক্ষীমপুৰ (১৯৭০), আৰক্ষী অধীক্ষক কাৰ্বি আংলং (১৯৭৩), কমাণ্ডেট নৱম আৰক্ষী বেটেলিয়ন (১৯৭৭), কমাণ্ডেট আৰ্মড্ ট্ৰেইনিং চেণ্টাৰ (১৯৭৮), অধীক্ষক আৰক্ষ সীমান্ত

শাখা (১৯৭৯)।

**বৰ্ত্তমান :** অৱসৰ প্ৰাপ্ত।

**বিবাহ :** ১৯৪৭ খ্ৰীষ্টাব্দত উত্তৰ লক্ষীমপুৰ নৰোৱা বাসুদেৱৰ পৰা যজ্ঞপ্ৰভা মহন্তক পত্নী হিচাবে গ্ৰহণ কৰে, তিনিজন ল'ৰা আৰু এজনী ছোৱালী সন্তানৰ সৈতে তেখেতৰ পৰিয়াল।

**ভাল লগা বিষয় :** ধৰ্ম বিষয়ক আলোচনা।

**সৃষ্টি :** অগ্ৰদূত, দৈনিক অসম প্ৰমূখ্যে বিভিন্ন কাকত আলোচনীত প্ৰবন্ধ প্ৰকাশৰ উপৰি কাৰ্বি আংলঙৰ আৰক্ষী অধীক্ষক পদত থাকোতে ডিফু সাহিত্য সভাৰ সহযোগত কাৰ্বি ৰামায়ণ 'চাবিন আলুন' প্ৰকাশ। পুথি ৰচনা - শ্ৰীমৎ ভাগবত কথামৃত, ৰাজভগনৰ পৰা কলথোকালৈকে, ভক্তিধৰ্ম্ম- অসমত প্ৰৱৰ্ত্তন আৰু সংহতি বিভাজন, গুৰুচৰিতৰ ৰসাল কথা আৰু আইসকল।

**সামাজিক কাম :** ডিফুৰ আৰক্ষী অধীক্ষক হৈ থাকোতে মুখে মুখে কাৰবি ভাষাত চুকে কোণে সিঁচৰিত হৈ থকা ৰামায়ণখন অতি কষ্টেৰে সংগ্ৰহ কৰি কাৰ্বি ভাষাত ডিফু সাহিত্য সভাই উলিয়ায়। উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ ডি.এছ.পি হৈ থাকোতে গঞ্জাবাসীৰ লগত লগ লাগি নামঘৰ আদি প্ৰতিষ্ঠা কৰে শান্তি সাধনা আশ্ৰমত থাকি হেমভাইৰ লগত কিছুমান ধৰ্মীয় আৰু সামাজিক কাম কৰে। তেওঁ শান্তি সাধনা আশ্ৰমৰ সভাপতিও আছিল। মাদক দ্ৰব্য নিবাৰণ পৰিষদৰ অধ্যক্ষও আছিল।

**অসমবাসীলৈ বাৰ্ত্তা :** অসমৰ নৱপ্ৰজন্মৰ মাজত কৰ্ম বিমুখতা যিটো গঢ়ি উঠিছে, চাকৰি মুখী হৈছে ফলত বাহিৰৰ মানুহ আহি অসম ভৰি পৰিছে। সেয়ে অসমীয়া সকল কৰ্মমুখী হ'ব লাগে।

## <u>সংকলকৰ চমু টোকা</u>

**প্ৰেমকান্ত মহন্ত** -- আৰক্ষী অধীক্ষক হিচাবে অৱসৰ গ্ৰহণ কৰা প্ৰেমকান্ত মহন্তৰ শ্ৰেষ্ঠ ৰচনা কাৰ্বি ৰামায়ণ 'চাবিন আলুন' এক অনবদ্য সম্ভাৰ। 'শ্ৰীমদ্ভাগৱত কথামৃত', 'ৰাজভগনৰ পৰা কলথোকালৈকে', 'ভক্তিধৰ্ম অসমত প্ৰবৰ্ত্তন আৰু সংহতি বিভাজন', 'গুৰুচৰিতৰ ৰসাল কথা আৰু আইসকল' আদি কেবাখনো গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁড়ালৈলে শইচ কঢ়িয়াই আনিলে। চাকৰি কৰি থকা কালত তেখেতে যিদৰে নানা ধুমুহাৰ লগত যুঁজ মাৰিবলগীয়া হৈছিল সেইবোৰৰ অভিব্যক্তি তেখেতৰ পুথিবোৰত ফুটি উঠিছে। সহজ সৰল ভাষা আৰু গাঁৱলীয়া পৰিৱেশৰ অঙ্কন তেখেতৰ লিখনিৰ এটা বৈশিষ্ট্য। ধৰ্ম বিষয়ত অতি ৰাপ থকা মহন্তদেৱৰ জীৱন শৈলীও অতি নিষ্ঠাবান আৰু অনুকৰণীয়।

# ভাৰতৰ নৱ বৈষ্ণৱ আন্দোলন

প্ৰেমকান্ত মহন্ত

মধ্য যুগত ভাৰতবৰ্ষত নৱ-বৈষ্ণৱবাদ বুলি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ যি এক আন্দোলন আৰম্ভ হৈছিল তাৰ আধাৰ আছিল ঘাইকৈ শ্ৰীমদ্ভাগৱত শাস্ত্ৰ। দুই এজন ধৰ্ম প্ৰচাৰকে বিষ্ণু পুৰাণো তাৰ আধাৰ হিচাপে গ্ৰহণ কৰিছে। শ্ৰীমদ্ভাগৱতৰ অন্তৰ্গত উক্তিৰ পৰাই জনা যায় যে ভক্তিতত্বই প্ৰথমাবস্থাত দক্ষিণ ভাৰতত উৎপত্তি আৰু আদৰ লাভ কৰে। পণ্ডিতসকলে ঠাৱৰ কৰিছে যে খ্ৰীষ্টজন্মৰ কিছু আগৰ পৰাই আৰু ঘাইকৈ খ্ৰীষ্টীয় নৱম শতিকাৰ পৰা পঞ্চদশ শতিকালৈকে এই কালছোৱাত বৈষ্ণৱ ধৰ্মই দাক্ষিণাত্যত নিৰবিচ্ছিন্ন ভাৱে গা কৰি উঠিছিল।

বৈষ্ণৱ ধৰ্ম বৈদিক যুগৰে পৰা চলি আহিছিল যদিও মধ্যযুগত ইয়াৰ উপাসনা পদ্ধতিৰ ৰূপ সলনি হ'ল। পূৰ্বৰ পৰা প্ৰচলিত বিষ্ণুৱৰ হোম যজ্ঞ আৰু পূজাৰ পৰিবৰ্ত্তে মধ্যযুগত সামূহিক প্ৰাৰ্থনাৰে সাৰ্বজনীন ৰূপ লোৱাত ই নৱবৈষ্ণৱ আন্দোলন আখ্যা পালে। খৃষ্টাব্দ তেৰ শতিকা মানৰ পৰা ক্ৰমান্বয়ে উত্তৰ ভাৰতলৈ সম্প্ৰসাৰিত হৈ তাত এক নতুন ধৰ্মৰ জাগৰণ ঘটালে। কিন্তু সনাতন ধৰ্মৰ গুৰিয়ালসকলৰ সহজাত স্বভাৱৰ কাৰণে এই আন্দোলনেও ধৰ্মজ্ঞ দাৰ্শনিক পণ্ডিতসকলৰ হাতত পৰি বিভিন্ন ধাৰাত বিভক্ত হৈ পৰাৰ কথা ওপৰত উনুকিয়াই অহা হৈছে।

আচলতে, বুৰঞ্জীত উল্লেখ কৰা তথাকথিত 'ভাৰতৰ নৱ বৈষ্ণৱ আন্দোলন'টো নামতহে এটা আন্দোলন আছিল বুলিব পাৰি। তাৰ গুৰিয়াল বা প্ৰৱৰ্ত্তকসকলে ভজন কীৰ্ত্তন জাতীয় কিছুমান মধুৰ গীত কবিতা ৰচনা কৰি তাক গাই গোৱাই উত্তৰ ভাৰতৰ জনসাধাৰণক ক্ষণিক আনন্দ দিয়া আৰু জনসাধাৰণৰ মাজত সাময়িকভাৱে ভক্তিবাদৰ এটা ঢৌ সৃষ্টি কৰাৰ ওপৰঞ্চি সাংগঠনিক দিশত সেই ধৰ্মীয় নেতাসকলে বিশেষ কিবা কৰিবলৈ সক্ষম হ'ল বুলি ক'ব পৰাৰ একো থল নাই। কিয়নো তাত ভক্তি ধৰ্মৰ লগত খাপ নোখোৱা অস্পৃশ্যতাকে ধৰি হিন্দুসকলৰ সামাজিক অৱস্থাৰ কোনো চকুত পৰা পৰিবৰ্ত্তন নঘটিল। আনকি অদ্বৈতবাদী শঙ্কৰাচাৰ্যৰ নিচিনা পুৰুষেও ব্ৰহ্ম জীৱৰ ক্ষেত্ৰত ঐক্য দেখুৱালে যদিও ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য আৰু শূদ্ৰৰ মাজত বৈষম্য অব্যাহত ৰাখিলে, শূদ্ৰক ব্ৰহ্মজ্ঞানৰ অধিকাৰৰ পৰা অকল বঞ্চিত কৰাই নহয়, শূদ্ৰই অপবিত্ৰ আৰু গতিশীল শ্মশান আখ্যাহে পালে। তাৰেই বিষময় ফল স্বৰূপে এই ক্ষণজন্মা মহত্মাসকলৰ জন্মস্থানবোৰৰ শূদ্ৰসকলে প্ৰথম সুবিধাতেই খৃষ্ট ধৰ্ম গ্ৰহণ কৰি তেওঁলোকৰ কলঙ্ক অভিশপ্ত দুৰৱস্থাৰ পৰা নিষ্কৃতি লাভ কৰিলে। প্ৰায় একে ধৰণৰ পৰিস্থিতিৰ পৰা মুক্তি লাভ কৰিবলৈ আমাৰ ওচৰৰে

অবিভক্ত বঙ্গদেশৰ পূব অংশৰ (বৰ্তমান বাংলাদেশ) নমোশূদ্ৰসকল ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হ'ল।

পুৰণি কালত একো একোজন ৰজাই শক্তিশালী হৈ উঠিলেই ৰাজচক্ৰৱৰ্ত্তী হোৱাৰ অভিলাষেৰে অন্য ৰাজ্যবোৰ দিগ্বীজয় কৰি ফুৰা আৰু অশ্বমেধ যজ্ঞপাতি ঘোঁৰা মেলি প্ৰত্যাহ্বান জনোৱাৰ ৰীতিৰেই, হিন্দুধৰ্মৰ শাস্ত্ৰজ্ঞ পণ্ডিতসকলেও, দেশ বিদেশত দূৰৰ কথা, নিজৰ ওচৰ পাজৰৰে পিচ পৰি থকা জনসাধাৰণৰ মাজতো ধৰ্ম তথা মানবতাৰ বাণী শুনোৱাৰ পৰিবৰ্তে মঠ-মন্দিৰ আদি ধৰ্মকেন্দ্ৰবোৰত বহি লৈ "মহাব্যাঘ্ৰী" তৰ্কশাস্ত্ৰৰ জাল তৰি চলি ফুলা যুক্তিৰে তৰ্ক-বিতৰ্কত মগ্ন আছিল বা জয়লাভৰ চিন স্বৰূপে হাতত বানা বান্ধি আন আন ধৰ্মকেন্দ্ৰত তৰ্কযোদ্ধা বিচাৰি জীৱন পাত কৰিছিল। এই ক্ষেত্ৰত অসমৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, পঞ্জাবৰ গুৰু নানকদেৱ আৰু কিছু পৰিমাণে উত্তৰ ভাৰতৰ স্বামী ৰামানন্দহে ব্যতিক্ৰম আছিল।

বাহিৰৰ প্ৰভাৱ ঃ খৃষ্টজন্মৰ পূৰ্বৰে পৰা আলেকজেণ্ডাৰকে ধৰি অনেক বিদেশী অভিযানকাৰী ভাৰতলৈ আহিছিল যদিও তেওঁলোকে ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ ওপৰত সামান্য প্ৰভাৱ পেলাই যোৱাৰ অধিক সনাতন ধৰ্মৰ কাৰণে তেওঁলোক বিশেষ ভাবুকি হোৱা নাছিল। কিন্তু খৃষ্টজন্মৰ ছশ বছৰৰ ভিতৰতে আগা-পিচাকৈ পৃথিবীত দুটা নতুন ধৰ্মৰ জন্ম হ'ল। বৰ্ণভেদহীন এই দুয়োটা ধৰ্মৰেই ঘাই লক্ষণ হ'ল নিজৰ নিজৰ ধৰ্মলৈ ধৰ্মান্তকৰণৰ প্ৰবল হেঁপাহ। খৃষ্টাব্দ সপ্তম শতিকামানৰ পৰা, বিশেষকৈ পোন্ধৰ শতিকাৰ ইউৰোপৰ নৱ জাগৰণৰ পিছৰ পৰা খৃষ্টান ধৰ্ম যাজকসকলে, ব্যৱসায় বাণিজ্য বিস্তৃতিৰ সন্ধানত ওলোৱা তেওঁলোকৰ দেশৰ অভিযাত্ৰীসকলৰ সঙ্গী হৈ পৃথিৱীৰ চাৰিওফালে ধৰ্ম প্ৰচাৰৰ অভিযান আৰম্ভ কৰিলে। যি সকল ৰজাই সেই নতুন ধৰ্ম গ্ৰহণ কৰিলে তেওঁলোকে তেওঁলোকৰ নৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত অত্যুৎসাহী হৈ পৰিল। অচিন অজান দেশবোৰলৈ ওলোৱা অভিযানকাৰীসকলৰ লগতে ৰাজপৃষ্ঠপোষকতাত ধৰ্ম প্ৰচাৰকসকল দেশ দেশান্তৰলৈ নিজৰ ধৰ্মৰ প্ৰচাৰ কৰিবলৈ ৰাওনা হ'ল। ভাৰতবৰ্ষও তাৰ পৰা বাদ নপৰিল।

আফ্ৰিকা, দক্ষিণ আমেৰিকা আদি দেশবোৰৰ থলুৱা জনজাতীয় লোকসকলৰ শাস্ত্ৰ ভিত্তিক কোনো প্ৰতিষ্ঠিত আৰু সংগঠিত ধৰ্ম বিশ্বাস নাছিল। সেইবোৰ দেশত খৃষ্টান মিছনেৰীসকলৰ আৰু পৰৱৰ্তী কালৰ ইছলাম ধৰ্ম প্ৰচাৰকসকলৰ কাম অতি উজু হোৱাটো স্বাভাৱিক আছিল। কিন্তু ভাৰতবৰ্ষত খৃষ্টজন্মৰ বহুকাল আগৰে পৰা অতি উচ্চ আধ্যাত্মিক দৰ্শন আৰু জ্ঞান বিকশিত হৈছিল আৰু অতি সূক্ষ্ম গভীৰ দাৰ্শনিক তত্ত্বপূৰ্ণ বেদ উপনিশদৰ ওপৰত প্ৰতিষ্ঠিত সনাতন ধৰ্মই বিকাশ লাভ কৰিছিল। এনে অৱস্থাতো বাহিৰৰ পৰা অহা অন্য ধৰ্মৰ

প্ৰচাৰকৰ দলবিলাকে ভাৰতৰ, পৰ্বতে কন্দৰে দুৰ্গম ঠাইত বাসকৰা জনজাতিসকলৰ কথা বাদেই, প্ৰধান প্ৰধান সনাতন ধৰ্মৰ কেন্দ্ৰবিলাকৰ দুৱাৰমুখতে কৃতকাৰ্যতা লাভ কৰাটো কিয় আৰু কেনেকৈ সম্ভৱ হৈছিল এইটোহে আচৰিত।

দলিতৰ একাংশৰ ধৰ্মান্তৰ : ওপৰত কৈ অহা হৈছে যে সনাতন ধৰ্মৰ গুৰিয়াল বা ধৰ্মগুৰুসকল অতীজৰে পৰা ধৰ্মান্তৰকৰণ বা উপযাচি মানুহক এই ধৰ্মভুক্ত কৰাত আগ্ৰহী নাছিল। সেয়ে পৰ্বতে কন্দৰে বাস কৰা আদিবাসীসকল বা ভৈয়ামত বাসকৰা জনজাতীয় অজনজাতীয়সকল স্বাভাৱিক গতিতহে স্বেচ্ছাই এই ধৰ্মভুক্ত হৈছিল বা হ'ব লগা হৈছিল। তেনেতে মধ্যযুগৰ আৰম্ভণিৰ পৰা অষ্টাদশ শতিকালৈকে এই কালছোৱাত যথাক্ৰমে মুছলমান আৰু খৃষ্টান বিজেতাসকলৰ আগমণ আৰু তেওঁলোকৰ ৰাজনৈতিক অভিযানৰ সমানে সমানে ধৰ্মান্তৰকৰণৰ অভিযানে ভাৰতৰ সনাতন ধৰ্মৰ প্ৰসাৰৰ স্বাভাৱিক গতিত অকল যতি পেলোৱাই নহয়, ওপৰঞ্চি সনাতন ধৰ্মাচাৰী উচ্চবৰ্ণৰ লোসকলৰ বৰ্ণ-বৈষম্য, বৰ্ণ-ঘৃণা, অস্পৃশ্যতা আদি ব্যাধিয়ে তথাকথিত হীন বৰ্ণৰ দলিত আৰু নিষ্পেষিত লোকসকলক বৰ্ণ ভেদহীন ইছলাম আৰু খৃষ্টান ধৰ্ম গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিলে। আনকি ১৯৮১ খৃষ্টাব্দৰ স্বাধীন ভাৰততো উচ্চবৰ্ণৰ হিন্দুৰ ঘৃণা আৰু অত্যাচাৰ সহিব নোৱাৰি তামিলনাডুৰ মিনাক্ষীপুৰমৰ সকলো হৰিজন সম্প্ৰদায়ৰ লোকে স্বেচ্ছাই ইছলাম ধৰ্ম গ্ৰহণ কৰিছে। সেই একে চনতে পণ্ডিচেৰীৰ ঠিম্মানাই কেম্পালয়ম গাঁৱৰ পোন্ধৰ শ ঘৰ হৰিজনে বৰ্ণ হিন্দুৰ ঘৃণা সহিব নোৱাৰি ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱাৰ বাতৰি প্ৰকাশ পাইছিল ২২।৭।৮১ তাৰিখৰ টাইমচ্ অব্ ইণ্ডিয়া কাকতত। হাঁহি উঠা কথা যে ৰামলিঙ্গম নামৰ এজন উচ্চবৰ্ণৰ হিন্দু নেতাই হৰিজনসকলৰ সেই সিদ্ধান্ত নিন্দা কৰি সগৌৰৱে ঘোষণা কৰিছিল যে তেতিয়াৰ পৰা দহবছৰ মানৰ আগলৈকে থকা বাধা নিষেধ উঠাই দি হৰিজনসকলক ৰাজপথ ব্যৱহাৰ কৰিবলৈ দিয়ালৈ চাই তেওঁলোকে অসন্তোষ কৰিবলগীয়া নাছিল। সি যি কি নহওঁক সিন্ধু গঙ্গা উপত্যকাৰ কিছু সংখ্যক উচ্চবৰ্ণৰ হিন্দুৱেও যে ৰজাঘৰীয়া বিষয়বাবৰ প্ৰলোভনত আৰু কেতিয়াবা বাধ্যতামূলক পৰিস্থিতিত পৰি ইছলাম ধৰ্মলৈ ধৰ্মান্তৰ হৈছিল তাকো নুই কৰিব নোৱাৰি। এনে সন্ধিক্ষণতে ভাৰতত নব-বৈষ্ণৱবাদ আন্দোলনে কিছু গা কৰি উঠিছিল। তেৰ শতিকাৰ শেষ আৰু চৈধ্য শতিকাৰ আৰম্ভণিতে ইছলাম ধৰ্মলৈ তথাকথিত হীনবৰ্ণৰ দলিত হিন্দুসকল ধৰ্মান্তৰ হোৱাৰ প্ৰৱণতাৰ প্ৰতিক্ৰিয়া স্বৰূপে উত্তৰ ভাৰতৰ স্বামী ৰামানন্দই ৰাম নাম মূল কৰি তেওঁৰ শিষ্যসকলৰ ভিতৰত মুচী সম্প্ৰদায়ৰ ৰবিদাস, তাঁতী সম্প্ৰদায়ৰ কবীৰ আৰু নাপিত সম্প্ৰদায়ৰ সেনা আদি কেবাজনো তথাকথিত

হীনকুলীয়া লোকে মর্যাদাসম্পন্ন স্থান লাভ কৰিছিল। কিন্তু অসমৰ সত্ৰ অনুষ্ঠানৰ লেখীয়া সাংগঠনিক ব্যৱস্থাৰ অনুপস্থিতিত সেই ধৰ্মই সংগঠিত ৰূপত স্থায়ীত্ব প্ৰসাৰতা লাভ কৰিবলৈ সমৰ্থ নহ'ল।

অনেকে ভাৰতবৰ্ষত একেশ্বৰবাদী ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰো একেশ্বৰবাদী তত্ত্বৰ নৱ-বৈষ্ণৱ আন্দোলনৰ উত্তৱৰ এটা কাৰণ বুলি ক'ব খোজে। কিন্তু ই অমূলক সনাতন হিন্দু ধৰ্মত একেশ্বৰবাদ তত্ত্ব আৰু দৰ্শন বৈদিক তথা মানৱ সভ্যতাৰ সমানেই পুৰণি অৱশ্যে ভাৰতত ইছলাম ধৰ্মৰ অভ্যুত্থানৰ ৰূপ আৰু সেই ধৰ্মৰ প্ৰতি ভাৰতীয় তথাকথিত অস্পৃশ্যসকলৰ প্ৰবল আকৰ্ষণ দেখিহে যে কিছুমান হিন্দু ধৰ্মগুৰু আৰু পণ্ডিতৰ গালৈ চেতনা আহিছিল তাক অস্বীকাৰ কৰিব নোৱাৰি। সেই দিশৰ পৰাহে মধ্যযুগীয় ভাৰতৰ নৱ-বৈষ্ণৱ আন্দোলনৰ ওপৰত ইছলাম ধৰ্মৰ পৰোক্ষ প্ৰভাৱ পৰিছিল বুলি ভবাৰ যুক্তি আছে

বিষ্ণুৰ উপাসনা-বৈদিক যুগৰে পৰা চলি থকা সত্বেও মধ্যযুগৰ বিষ্ণুৰ উপাসনা পদ্ধতিটোৰে কিয় 'নৱ' বিশেষণ পালে সেইটো বিচাৰ কৰি চাবলগীয়া। ঋক বেদতেই বৰ্তমানৰ ৰূপত নহ'লেও বহু দেৱতাৰে এজন হিচাপে বিষ্ণু দেৱতাৰ স্থিতি আছে বিষ্ণু শব্দৰ অৰ্থই হ'ল সৰ্বব্যাপী। শাক্ত শৈৱ আদিৰ লগতে বৈষ্ণৱ পন্থও অতীজৰে পৰা চলি আহিছিল যদিও মধ্যযুগৰ বৈষ্ণৱ আন্দোলনত এটা নতুনত্ব আছিল। পৰম্পৰাগতভাৱে চলি অহা বিষ্ণুৰ হোম যজ্ঞৰ পৰিৱৰ্তে ৰাম কৃষ্ণ চৰিত্ৰক কেন্দ্ৰ কৰি এক ভক্তি আন্দোলন আৰম্ভ হ'ল। হ'লেও হয়, ভাৰতৰ হিন্দু সমাজত অতীজৰে পৰা কৰাল মাৰি থকা বৰ্ণ-বৈষম্য বৰ্ণ ঘৃণা আৰু নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্তকসকলৰ সাংগঠনিক নিপুণতাৰ অভাৱৰ কাৰণে সমাজৰ পিচ পৰি থকা দলিত জনসাধাৰণক কোনেও এটা দৃঢ় ধৰ্মমতলৈ আনিব নোৱাৰিলে। তেওঁলোকক ধৰ্মগুৰুসকলে উচিত মৰ্যাদাসম্পন্ন স্থান দিবলৈ সক্ষম নহ'ল। অস্পৃশ্য সকল অস্পৃশ্য হৈয়ে থাকিল। সেয়েহে পূৰ্ব-বঙ্গৰ নমোশূদ্ৰসকল আৰু দাক্ষিণাত্যৰ অস্পৃশ্যসকল সহজতে যথাক্ৰমে ইছলাম আৰু খৃষ্টান ধৰ্মৰ প্ৰতি আকৰ্ষিত হ'ল। সেই-সিদিনালৈকে ভাৰতৰ কিছুমান প্ৰদেশত তথাকথিত অস্পৃশ্যসকলে ৰাজপথ পৰ্যন্ত ব্যৱহাৰ কৰাৰ পৰা বঞ্চিত হৈছিল। ক'ৰবাত ক'ৰবাত বিশেষকৈ দাক্ষিণাত্যত, তেওঁলোকে ৰাজপথেদি যাওঁতে টিলিঙা একোটা বজাই যাব লগা হৈছিল, যাতে উচ্চবৰ্ণৰ হিন্দুসকলে তেওঁলোকৰ ছাঁ স্পৰ্শ কৰি পবিত্ৰ হ'ব লগা নহয়। তেওঁলোকে অহাঁতে যাওঁতে থু-খেকাৰ পেলাবলৈ ডিঙিত টেকেলি একোটা আঁৰি ফুৰিব লাগিছিল এনেহেন উৰ্বৰ ভূমি স্বাভাৱিকতে খৃষ্টান আৰু ইছলাম ধৰ্ম প্ৰচাৰকসকলৰ কাৰণে আকৰ্ষণীয় উৎপাদন ক্ষেত্ৰ নহৈ পাৰেনে? ঊনবিংশ

শতাব্দীতো হিন্দুৰ পণ্ডিত সন্ন্যাসী আৰু দাৰ্শনিক দুই একে সনাতন ধৰ্ম আৰু বেদান্ত দৰ্শনৰ ওপৰত দেশে-বিদেশে পাণ্ডিত্যপূৰ্ণ ভাষণ দি হিন্দু ধৰ্মৰ মহত্ব যহাই ফুৰাৰ সময়তো তেওঁলোকৰ নিজৰ নিজৰ প্ৰদেশতো নিতৌ শ শ তথাকথিত হীনকুলীয়া লোকে ইছলাম আৰু খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হৈয়েই থাকিল। মহাপুৰুষ শঙ্কৰদেৱৰ দূৰ দৃষ্টি, ভাগৱতৰ তত্ত্ব বাস্তৱিক জীৱনত প্ৰয়োগ আৰু উদাৰ মানৱীয় আচৰণৰ কাৰণে একমাত্ৰ অসম তাৰ ব্যতিক্ৰম হৈ ৰ'ল।

ভাৰতৰ হিন্দু সমাজত প্ৰচলিত বৰ্ণ-ঘৃণা আৰু অস্পৃশ্যতাৰ কাৰণেই বিংশ শতাব্দীতো মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ লগতে অস্পৃশ্যতা বৰ্জনৰ কাৰ্যসূচীত সৰ্ব্বাধিক গুৰুত্ব দিছিল। অস্পৃশ্যসকলক মহাত্মা গান্ধীয়ে 'হৰিজন' নাম দি নিজে তেওঁলোকৰ লগত মিলা-মিছা কৰি মহৎ আদৰ্শ দাঙি ধৰিছিল। কিন্তু শুনিবলৈ সোৱাদ 'হৰিজন' শব্দটোৱেই অজ্ঞাতসাৰে অস্পৃশ্যতাৰ গোন্ধটো লাগি থাকিল। মহাপুৰুষ শঙ্কৰদেৱে কিন্তু ষোড়শ শতিকাতে অসমত জাতি-বৰ্ণ নিৰ্বিশেষে সকলোকে 'হৰিভকত' কৰি অস্পৃশ্যতাৰ নাম-গোন্ধ পৰ্যন্ত নিৰ্মূল কৰি গ'ল।

অৱহেলিত পূৱ ভাৰত : সিন্ধু-গঙ্গা উপত্যকাৰ আৰ্য ঋষি মুনিসকলে কোনো দিনেই ভাৰতবৰ্ষৰ পূব প্ৰান্ত অসমৰ ফালে দৃষ্টিপাত কৰিছিল যেন মনে নধৰে। বিষ্ণু পুৰাণত ভাৰতৰ ভৌগোলিক পৰিচয় দিয়া হৈছে- "সমুদ্ৰৰ উত্তৰ আৰু হিমালয় পৰ্ব্বতমালাৰ দক্ষিণত অৱস্থিত ভূমি ভাগৰ নাম ভাৰতবৰ্ষ আৰু তাৰ বাসিন্দাসকল ভাৰতী।" এই সজ্ঞাৱে চালে অসম তথা প্ৰাচীন কামৰূপ ভাৰতবৰ্ষৰ অন্তৰ্ভূক্ত। হ'লেও, কিন্তু কি প্ৰাচীন কি অৰ্ব্বাচীন কোনো ভাৰতীয় ঋষি-মুনি পণ্ডিত বিদ্বান বা বুৰঞ্জী লিখকে আজি পৰিমিত অসমৰ ফালে দৃষ্টিপাত কৰা যেন নালাগে। ভাৰতবৰ্ষৰ বৃহত্তম জলধাৰা ব্ৰহ্মপুত্ৰও তেওঁলোকৰ চকুত নপৰিল। মাঙ্গলিক কামত আচমন কৰিবলৈ ভাৰতবৰ্ষৰ পবিত্ৰ নদ-নদীৰ নামেৰে যি গঙ্গা-বাহন মন্ত্ৰ ৰচিত হ'ল তাত ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ নদীয়েও স্থান পালে ("গঙ্গে চ যমুনেশ্চৈব গোদাবৰী সৰস্বতী নৰ্ম্মদে সিন্ধু কাবেৰী জলে অস্মিন সন্নিধিংকুৰু") কিন্তু ভাৰতৰ সৰ্ববৃহৎ জলধাৰা ব্ৰহ্মপুত্ৰকে ধৰি পূবপ্ৰান্তৰ কোনো জলধাৰাই তাত ঠাই নাপালে। পৰাধীন কালত বৃটিছ সম্ৰাটৰ প্ৰশস্তিৰ কাৰণে ৰচিত হৈয়ো স্বাধীন ভাৰতৰ ৰাষ্ট্ৰীয় সঙ্গীতৰ মৰ্যাদা পোৱা গীতত এইফালৰ নাম গোন্ধ নথকাৰ কথা নক'লোৱেইবা।

সৰ্বভাৰতীয় পণ্ডিতসকলে সদায় নিজকে ভাৰতীয় বুলিহে ৰবাই কৰি আহিছে। কোনোকালে ভৰি দিবলৈ অহা নাছিল যদিও কণ্ব-বশিষ্ঠ ঔৰ্ব্ব আদি ঋষিসকলৰ নামত অসমীয়া মানুহে অসমত আশ্ৰম প্ৰতিষ্ঠা কৰি লৈছে। তেওঁলোক ইয়ালৈ আহিছিল বুলি নানা মনেসজা আখ্যান ৰচনা কৰিছে।

আনসকল ভাৰতীয়ই স্বীকাৰ কৰক বা নকৰক, অসমীয়া কবিয়ে ৰুক্মিণী, উষা, ইত্যাদিক অসমৰ জীয়ৰী কৰি ভাৰতৰ মূল সুঁতিৰ লগত সম্বন্ধ স্থাপন কৰিছে। মধ্যযুগৰ ভাৰতবৰ্ষত জন্মলাভ কৰা ধৰ্ম প্ৰবৰ্তকসকলৰ ভিতৰত নিঃসন্দেহে শ্ৰেষ্ঠতম প্ৰতিভাশালী, সমাজসংস্কাৰক যুগনায়ক, কবি, সাহিত্যিক, নাট্যকাৰ, গায়ক, বাদক, শিল্পী, ধৰ্ম প্ৰবৰ্তক থোৰতে "যাকেৰি নাহিকে উপাম" "সৰ্বগুণাকৰ" মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাৰত বুৰঞ্জীবিলাকত উল্লেখিত তেওঁৰ সমসাময়িক ধৰ্ম সংস্কাৰক সকলৰ তালিকাত, ব্ৰহ্মপুত্ৰই গঙ্গাবাহন মন্ত্ৰৰ গুণ নোপোৱাৰ দৰেই, ঠাই পোৱা নাই। তথাপিও ব্ৰহ্মপুত্ৰৰ দৰেই মহাপুৰুষ শঙ্কৰদেৱৰ যশ, কীৰ্ত্তি আৰু ধৰ্ম সমগ্ৰ অসম জুৰি বিস্তৃত হৈ আছে আৰু চিৰকাল থাকিব। আনহে নেলাগে মহাত্মা গান্ধীয়েও প্ৰথমতে তেখেতৰ 'হিন্দ স্বৰাজ' নামৰ কিতাপখনত অসমীয়াসকলক ভাৰতৰ অন্যান্য অসভ্য জনগোষ্ঠীসমূহৰহে তালিকাভুক্ত কৰিছিল। জ্ঞানভিৰাম বৰুৱা ডাঙৰীয়াৰ শুধৰণী পৰ পাইহে মহাত্মাৰ সেই মাৰাত্মক ভুল ভাগিছিল আৰু ১৯২১ চনত অসম ভ্ৰমণলৈ আহি অসমৰ অস্পৃশ্যতাহীন সু-সমাজ ব্যৱস্থা, সভ্যতা সংস্কৃতি দেখি বিস্ময়াভিভূত হৈছিল আৰু কৈছিল বোলে মই ভাৰতবৰ্ষত যিবোৰ সংস্কাৰৰ কাম এতিয়া হাতত লৈছোঁ সেইবোৰ কাম মহাপুৰুষ শঙ্কৰদেৱে পাঁচশ বছৰ পূৰ্বেই নিয়াৰিকৈ সম্পন্ন কৰি গৈছে। অসমৰ পৰা উভতি গৈ, পূৰ্বে কৰা ভুলৰ বাবে ইয়ং ইণ্ডিয়া কাকতত ক্ষমা প্ৰাৰ্থনাও কৰিছিল।

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে তেওঁসকলৰ ৰচনাৰ ভণিতাবোৰত ভাৰতৰ যশ-কীৰ্ত্তিহে গাইছে, পাতে পাতে ভাৰতবৰ্ষত নৰতনু লাভ কৰাৰ কাৰণেহে কৃতাৰ্থ মানিছে।

অসমত ভক্তি-ধৰ্ম : ভাৰতবৰ্ষ জুৰি চলা তথাকথিত "নৱ-বৈষ্ণৱ আন্দোলন"ৰ সময়তে স্বৰূপ আৰু চৰিত্ৰ পৃথক হ'লেও, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাৰতৰ পূৱ প্ৰান্তত "একশৰণ হৰিনাম ধৰ্ম" প্ৰবৰ্ত্তন কৰে। অনেকে ক'বলৈ প্ৰয়াস কৰে যে শঙ্কৰদেৱে প্ৰথমবাৰৰ তীৰ্থ ভ্ৰমণ কালত ভাৰতৰ অন্য প্ৰান্তত চলি থকা নৱ-বৈষ্ণৱ আন্দোলন দেখি আৰু তাৰ প্ৰভাৱত পৰিহে অসমত এক শৰণ হৰিনাম ধৰ্ম প্ৰবৰ্ত্তন কৰিলেহে। চৰিত পুথিত উল্লেখ থকা মতে শিক্ষা সাং কৰাৰ পিছত বিস্তৃত শাস্ত্ৰ অধ্যয়নৰ অন্তত লাভ কৰা জ্ঞানেৰে যে শঙ্কৰদেৱে স্বতন্ত্ৰীয়াকৈ একশৰণ হৰিনাম ধৰ্ম তথা ভক্তি-ধৰ্ম উদ্ভাৱন আৰু প্ৰবৰ্ত্তণ কৰিলে তাক খেনোৱে ঢাকিব খোজে আৰু খেনোৱে বিশ্বাস কৰিবলৈ টান পায়। "আওঁ! ভাৰতৰ অন্য প্ৰান্তৰ কোনোবা অনা অসমীয়া ধৰ্ম প্ৰবৰ্তকৰ পৰা শিকাকৈ বা তেওঁলোকৰ পৰা ধাৰ নকৰাকৈ অসমীয়া কায়স্থ শঙ্কৰে নিজাকৈ মৌলিক ধৰ্মমত এটা প্ৰবৰ্ত্তন কৰাটো সম্ভৱনে? অসমীয়া শঙ্কৰে ইমান

মহৎ কাম এটা কৰিব পাৰেনে?" এয়া অসমীয়া সকলৰ সহজ চকুচৰহা স্বভাৱ আৰু হীনমন্যতাৰ ফল। অলপ দকৈ গমিপিটি চালেই দেখা যায় যে শঙ্কৰদেৱৰ প্ৰবৰ্ত্তিত "বৈষ্ণৱ" ধৰ্মৰ অলপো মিল নাই। কোনো কোনোৱে শঙ্কৰদেৱৰ ওপৰত ৰামানুজৰ ধৰ্মৰ প্ৰভাৱ পৰা বুলি ক'বলৈ প্ৰয়াস কৰে। কিন্তু দৰাচলতে দুয়োজনৰে ধৰ্মমতৰ আধাৰ গ্ৰন্থই সুকীয়া। শঙ্কৰদেৱৰ আধাৰ গ্ৰন্থ শ্ৰীমদ্ভাগৱত পুৰাণ আৰু ৰামানুজৰ আধাৰ গ্ৰন্থ ঘাইকৈ বিষ্ণু পুৰাণ। আনহাতে ভাৰতবৰ্ষৰ আন কোনো ধৰ্ম প্ৰবৰ্ত্তকে শঙ্কৰদেৱৰ দৰে শ্ৰীমদ্ভাগৱতৰ সৎসঙ্গ আৰু ভক্তিৰ লগত গীতাৰ একশৰণ তত্ত্ব মিশ্ৰিত ধৰ্ম প্ৰৱৰ্তন কৰা নাই। তেৰাৰ বাহিৰে কোনেও 'শৰণ' প্ৰথা প্ৰৱৰ্ত্তন কৰা নাই। ভাৰতৰ আন কোনোজনে শ্ৰীমদ্ভাগৱত শাস্ত্ৰকে, ভগৱান কৃষ্ণৰ নিজ মুখৰ বাক্য অনুধাৱন কৰি, স্বয়ং ভগৱন্ত কৃষ্ণৰ বাঙ্ময় মূৰ্তি বুলি গ্ৰহণ কৰা নাই। শঙ্কৰদেৱে বিষ্ণুৰ বা কৃষ্ণৰ মূৰ্তি অমান্য নকৰিলেও তেৰাৰ উদ্ভাৱিত প্ৰাৰ্থনাগৃহ কীৰ্ত্তনঘৰত মূৰ্তি প্ৰতিষ্ঠাৰ ব্যৱস্থা নকৰিলে। তাৰ উপাসনাৰ বেদীত মূৰ্তিৰ পৰিৱৰ্তে ভাগৱত শাস্ত্ৰ প্ৰতিষ্ঠা কৰাৰ আন এটা কাৰণো হ'ব পাৰে। মূৰ্তি প্ৰতিষ্ঠা সাধাৰণ লোকৰ ক্ষেত্ৰত অধিক আকৰ্ষণীয় হ'ব পাৰে যদিও মূৰ্তি প্ৰতিষ্ঠা কৰিলে মূৰ্তিৰ স্নান কৰোৱা আৰু পূজা কৰা আদি প্ৰাসঙ্গিক কাম কিছুমানৰ সমস্যা উদ্ভৱ হোৱাৰ সম্ভাৱনা থাকে শাস্ত্ৰ তথা ভাগৱত প্ৰতিষ্ঠা কৰিলে সেইবোৰ সমস্যাৰ প্ৰশ্ন নুঠে। পোন প্ৰথমতে শঙ্কৰদেৱক গুৰু মানি তেৰাৰ নৱ প্ৰবৰ্ত্তিত ভক্তি-ধৰ্মমত গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা ব্ৰাহ্মণ পণ্ডিতসকলক শৰণ কৰাওঁতেও শঙ্কৰদেৱে ভাগৱতৰ উদ্ধৱ সংবাদ ৰচি আগত লৈহে দণ্ডৱৎ কৰাইছিল। শঙ্কৰদেৱৰ প্ৰথম তীৰ্থযাত্ৰাৰ পূৰ্বতে ৰচনা কৰা তেৰাৰ প্ৰথম গ্ৰন্থ 'হৰিশ্চন্দ্ৰ উপাখ্যান' সম্পৰ্কে পৰৱৰ্তী কালত প্ৰসঙ্গক্ৰমে উক্তি কৰিছিল বোলে "ভকতিৰ চাৰি খুটি (সত্য শৌচ ক্ষমা দয়া) মাৰি পুথি খানি কৈলো ..."। এইষাৰ কথাৰ পৰাও স্পষ্টভাৱে জনা যায় যে শঙ্কৰদেৱে প্ৰথম ভাৰত ভ্ৰমণলৈ যোৱাৰ পূৰ্বেই অসমত ভক্তি-ধৰ্মৰ পাতনি মেলিছিল।

মধ্যযুগত ভাৰতত হোৱা নৱ-বৈষ্ণৱ আন্দোলনৰ প্ৰায় একে সময়তে ৰোমান কেথলিক মত বিৰোধী খৃষ্টানসকলৰ 'প্ৰটেষ্টাণ্ট' আন্দোলন সমসাময়িকহে। কোনোটো কোনোটোৰ দ্বাৰা প্ৰভাৱান্বিত নাছিল। তেনেকৈয়ে অসম তথা পূবভাৰতত শঙ্কৰদেৱৰ প্ৰবৰ্ত্তিত "একশৰণ হৰিনাম ধৰ্ম" বা ভক্তি ধৰ্মও ভাৰতৰ অন্য প্ৰান্তত হোৱা তথাকথিত 'নৱ-বৈষ্ণৱ আন্দোলন'ৰ সমসাময়িকহে। অৱশ্যে শঙ্কৰদেৱে ভ্ৰমণ কালত ভাৰতৰ অন্যত্ৰ আনসকলে প্ৰৱৰ্ত্তন কৰা বৈষ্ণৱ মতৰ লগত তেৰাৰ নিজৰ মতৰ কি মিল অমিল আছিল তাক তহকিত কৰি চাইছিল



# হৰেকৃষ্ণ ডেকা

**জন্ম :** চৰকাৰী নথি মতে ৮ জানুৱাৰী ১৯৪৫ খ্ৰীষ্টাব্দত তিনিচুকীয়াত।

**পৰিচয় :** পিতৃ প্ৰয়াত নৰেন্দ্ৰনাথ ডেকা, মাতৃ প্ৰয়াত কামিনীবালা ডেকা, চাৰি ভাই (মোক ধৰি) আৰু দুই ভনী

**শিক্ষা :** তিনিচুকীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, চেনাইৰাম উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা মধ্যমভাগ, কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৫ চনত ইংৰাজীত এম. এ কৰে।

**চাকৰিত যোগদান :** ১৯৬৮ চনত আই.পি. এচ, সহকাৰী আৰক্ষী অধীক্ষক হিচাপে শিলচৰত যোগদান। তাৰ লগতে ডেৰ বছৰ গুৱাহাটী কমাৰ্চ কলেজত শিক্ষকতা।

**বৰ্তমান :** সঞ্চালক প্ৰধান পদৰ পৰা অৱসৰপ্ৰাপ্ত ৩১ জানুৱাৰী ২০০৫।

**বিবাহ :** ১৯৭১ খ্ৰীষ্টাব্দত গুৱাহাটীৰ শ্ৰীমতী অঞ্জলি ডেকাৰ সৈতে বিবাহ পাশত আবদ্ধ। দুই পুত্ৰ আৰু এজনী কন্যাৰে সুখী পৰিয়াল।

**ভাল লগা বিষয় :** সাহিত্য অধ্যয়ন আৰু চৰ্চা, সমাজৰ লগত জড়িত কাম।

**সৃষ্টি :** কবিতা সংকলন চাৰিখন ('আন এজন' কাব্যালোচনীৰ বাবে ১৯৭৮ চনত সাহিত্য অকাডেমী বঁটা), পাঁচখন গল্প সংকলন ('বন্দীয়াৰ' গল্পৰ বাবে 'কথা' পুৰস্কাৰ) আৰু দুখন প্ৰবন্ধ পুথি প্ৰকাশ পাইছে। তদুপৰি এখন অনুবাদ গ্ৰন্থ, এখন নিৰ্বাচিত ৰচনা আৰু এখন নিজৰ কবিতাৰ ইংৰাজী অনুবাদ প্ৰকাশ কৰি উলিয়াইছে।

**সামাজিক কাম :** গুৱাহাটী চিনে ক্লাবৰ লগত জড়িত। অসম নাগৰিক সমাজৰ লগতো জড়িত। বিভিন্ন ধৰণৰ সামাজিক অনুষ্ঠানত অংশ গ্ৰহণ কৰা আৰু সংবাদপত্ৰত নিয়মীয়াকৈ সামাজিক, ৰাজনৈতিক বিষয়ৰ ওপৰত শিতান লিখা। কিছুদিনৰ বাবে 'দ্যা চেণ্টিনেল' কাকতত সম্পাদনা। বৰ্তমান 'গৰীয়সী' আলোচনীৰ সম্পাদক।

**ভৱিষ্যত পৰিকল্পনা :** সাহিত্য চৰ্চা, অধ্যয়ন আৰু সমাজ-চৰ্চা।

**অসমবাসীলৈ বাৰ্তা :** নাগৰিক হিচাবে অসমৰ মানুহে অসমৰ বিকাশৰ বাবে সংঘবদ্ধ প্ৰচেষ্টা চলাব লাগিব আৰু তাৰ বাবে শাসক শ্ৰেণী আৰু চৰকাৰী প্ৰশাসনৰ ওপৰতেই সকলো দায়িত্ব এৰি দিলে নহ'ব। বিপ্লৱক আন্দোলন বুলি ভাবি লৈ সংগ্ৰামী মনোবৃত্তি সকলো ৰাজহুৱা ক্ষেত্ৰতে প্ৰকাশ কৰাতকৈ প্ৰথম প্ৰয়োজন হৈছে অন্তসংস্কৃতিৰ সংস্কাৰ সাধনৰ প্ৰচেষ্টা কৰা। তদুপৰি সামাজিক সংস্কৃতিৰ বিকাশশীল গতিশীলতা অব্যাহত ৰখাৰ কাৰণে সাংস্কৃতিক বিপ্লৱৰ অবিৰত প্ৰচেষ্টাহে সমাজৰ বাবে বেছি হিতকৰ। এই বিষয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ মৰ্ম্ম সাৰোগত কৰা উচিত।

## সংকলকৰ চমু টোকা

**হৰেকৃষ্ণ ডেকা** — হৰেকৃষ্ণ ডেকা সাম্প্ৰতিক কালৰ এজন লেখত ল'বলগীয়া সাহিত্যিক। ১৯৭৮ চনতে 'আন এজন' কাব্যালোচনীৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা ডেকাদেৱ আৰক্ষীৰ মাজৰ পৰা ওলাই অহা এজন ভাল কবি হিচাবে সৰ্ববিদিত। তাৰোপৰি 'কথা' পুৰস্কাৰেৰে পুৰস্কৃত 'বন্দীয়াৰ' গল্প যোগে গল্প সাধনাতো সফলতা অৰ্জন কৰি এজন 'চিৰিয়াচ' লেখকৰ শাৰীলৈ তেখেত উন্নীত হয়। অতি নিষ্ঠাবান আৰক্ষী বিষয়া হিচাবে আৰক্ষী প্ৰশাসনত নাম থকাৰ সমান্তৰালভাৱে আধুনিক যুগৰ সাহিত্যৰ পথাৰত ভাল শস্য ৰোপন কৰা ডেকাদেৱক অসমবাসীয়ে আদৰি লৈছে। সেয়ে দেশৰ নাগৰিক হিচাবে সমূহ মানুহে অসমৰ বিকাশৰ বাবে সংঘবদ্ধ প্ৰচেষ্টা চলাব লাগিব আৰু তাৰ বাবে শাসক শ্ৰেণী আৰু চৰকাৰৰ ওপৰতেই সকলো দায়িত্ব এৰি দিলে নহ'ব বুলি তেখেতে অসমবাসীলৈ বাৰ্তা আগবঢ়াইছে। তদুপৰি সামাজিক সংস্কৃতিৰ বিকাশশীল গতিশীলতা অব্যাহত থকাৰ কাৰণে সাংস্কৃতিক বিপ্লৱৰ অবিৰত প্ৰচেষ্টা চলাব লাগিব বুলি আৰু জ্যোতি প্ৰসাদৰ ৰচনাৰ মৰ্ম সাৰোগত কৰা উচিত বুলি অসমবাসীক সজাগ হ'বলৈ কৈছে। সাহিত্য সংস্কৃতিৰ প্ৰতি অগাধ ভালপোৱা আৰু দায়িত্বশীলতাৰ উমান পাইয়ে অসমৰ প্ৰথম শ্ৰেণীৰ সৰ্বোত্তম আলোচনী 'গৰীয়সী'ৰ সম্পাদক পদৰ গুৰুদায়িত্ব তেখেতৰ ওপৰতে ন্যস্ত হ'ল।

# অদৃষ্টৰ মালিক

## হৰেকৃষ্ণ ডেকা

সি দূৰৰ পৰাই দেখিলে গুপ্তজী তম্বুটোত বহি আছে। তেওঁৰ সমুখত প্ৰকাণ্ড খতিয়ানখন। এই দৃশ্যটো চিৰস্থায়ী হৈ পৰিছে, যেনেকৈ তম্বুটো আয়ুসৰ দৰে অস্থায়ী, কিন্তু এই ঠাইত, নদীৰ এই পাৰটোত গুপ্তজী, তেওঁৰ খতিয়ান আৰু তম্বু চিৰদিনীয়া হৈ আছে। নদীৰ পাৰৰ এই ঠাইৰ পৰা ভিতৰফালৰ ৰম্যভূমিলৈ গ'লে স্থায়ী, অস্থায়ীৰ কোনো ভেদাভেদ নাথাকে, তাত শব্দ দুটাই অৰ্থহীন। কিন্তু ইয়াত বিশাল নদীখনৰ পাৰত, সিপাৰৰ পৰা অহা সত্তাবোৰৰ স্মৃতিমণ্ডল সজীব হৈ থকা কাৰণেই, নিষ্কাশনৰ আকস্মিকতা যন্ত্ৰণাদায়ক হৈ পৰিব পাৰে। সেয়েই পাৰঘাট আৰু তম্বুৰ পৰিচিত ৰূপ এটা দি ৰখা হৈছে। ৰম্যভূমিৰ শোধন ক্ষেত্ৰলৈ যোৱাৰ পিছত স্মৃতিবোৰক শোধন-ৰশ্মিয়ে নিৰ্বান আনন্দ দিব। তাত শব্দ দুটাই অৰ্থহীন। কিন্তু ইয়াত বিশাল নদীখনৰ পাৰত, সিপাৰৰ পৰা অহা সত্তাবোৰৰ স্মৃতিমণ্ডল সজীব হৈ থকা কাৰণেই, নিষ্কাশনৰ আকস্মিকতা যন্ত্ৰণাদায়ক হৈ পৰিব পাৰে। সেয়েই পাৰঘাট আৰু তম্বুৰ পৰিচিত ৰূপ এটা দি ৰখা হৈছে। ৰম্যভূমিৰ শোধন ক্ষেত্ৰলৈ যোৱাৰ পিছত স্মৃতিবোৰক শোধন-ৰশ্মিয়ে নিৰ্বান আনন্দ দিব। তাত অৱশ্যে নিৰ্বাণ আৰু আনন্দ শব্দ দুটাৰো কোনো অৰ্থ নাই। কিন্তু ইয়াতকৈ কোনো ভাল মানৱীয় শব্দই সেই অৱস্থাটো বুজাব নোৱাৰে। সেইটো স্তৰলৈ যোৱাৰ আগতে তম্বু থকা এই স্তৰটো প্ৰস্তুতি ভূমি। গুপ্তজীয়ে কেৱল খতিয়ানখনত নামেই নিলিখে। তেওঁ সত্ত্বাবোৰক সহজ উত্তৰণৰ বাবে প্ৰস্তুত কৰে। নদীৰ পাৰৰ পলসুৱা বালিৰ এবিধ পাহৰণি মলম তেওঁ তৈয়াৰ কৰি ৰাখে আৰু ৰম্যভূমিলৈ যোৱাৰ আগতে সিপাৰৰ পৰা অহা আগন্তুকসকলৰ স্মৃতিবোৰৰ ওপৰত লেপ একোটা লগাই দিয়ে। ৰম্যভূমি পোৱাৰ আগতেই আগন্তুকৰ ওপৰত তাৰ ক্ৰিয়া আৰম্ভ হৈ যায়। আগন্তুকে অৱশ্যে গম নাপায়।

নদীখনৰ এই পাৰটোত পানীৰ লহৰবোৰ এটা সুষম ছন্দত প্ৰবাহিত। সি জানে সিটো পাৰ সম্পূৰ্ণ বিপৰীত। সিপাৰত নদীখন খৰ উত্তাল। সকলো সত্ত্বাই ভীষণ সংগ্ৰামৰ মাজেদি নদীখন পাৰ হয়। সি জানে। কাৰণ অজস্ৰবাৰ সিটো পাৰলৈ সি গৈছে। আগন্তুক যাত্ৰী সকলক সুকলমে এইপাৰলৈ অহাত সহায় কৰাৰ দায়িত্ব তাৰ। তাৰ দৰে এনে সহায়ক বহুতো আছে। সিপাৰলৈ গ'লে কেতিয়াবা কেতিয়াবা আগন্তুকৰ আবেগ অনুভূতিৰ যোগত সিও আক্ৰান্ত হয়। আন সহায়ক সকলো হয়। সেয়েই আগন্তুক সকলক সংগদান কৰি লৈ অহাৰ

পিছত সি আৰু আন সহায়ক সকলো শোধন ক্ষেত্ৰলৈ যাবলগীয়া হয়। তাত এক অসাধাৰণ ৰশ্মিয়ে আগন্তুক সকলৰ লগতে সিহঁতকো শোধন কৰি উত্তোলন কৰে।

এনে এটা শোধনৰ পিছতেই দায়িত্ব লৈ সিটো পাৰলৈ যাবলৈ আকৌ সি আহিছে। আপেক্ষিকভাৱে প্ৰায় এটা বছৰ পাৰ হৈ গৈছে। আপেক্ষিক, কাৰণ সময়ৰ এইধৰণৰ সূচক সিটো পাৰতহে প্ৰযোজ্য। ইয়াত অৰ্থহীন।

তম্বুলৈ সোমোৱাৰ আগতে সি এবাৰ আকাশখনলৈ চালে। আত্ম-উদ্ভাসিত এক নিৰ্মল শূণ্যতা। তাত কোনো ৰং নাই। তথাপিও যেন কিবা এক শুভ্ৰ স্বচ্ছতা মহাব্যোম ৰূপে গভীৰ হৈছে আৰু অনন্তলৈ গতি কৰিছে। এই দৃশ্যপটত তম্বুটো বিসদৃশ। ই সিটো পাৰৰ কোলাহলময় কৰ্কশতাৰ সতেহে খাপ খায়। আগন্তুকসকল আশ্চৰ্য আকাশখনৰ সমুখীন হৈ বিস্ময়-বিহ্বল হয়। তেতিয়া তম্বুটো দেখি আশ্বস্ত হয়।

সি তম্বুটোত সোমোৱাৰ লগে লগে খতিয়ানৰ পৰা মূৰ তুলি গুপ্তজীয়ে তালৈ চালে। গুপ্তজীৰ শুভ্ৰকেশ। কপালত বলিত ৰেখা। মুখমণ্ডলত চিৰবাৰ্দ্ধক্যৰ সাঁচ। গুপ্তজীৰ এই ৰূপটোও পৰিকল্পিত। আগন্তুক সকলৰ আস্থা অৰ্জ্জনৰ প্ৰয়োজনত। প্ৰাচীনতাৰ সতে প্ৰজ্ঞাক সাঙুৰি দিয়াত আগন্তুকসকল অভ্যস্ত। সেয়েই গুপ্তজীৰ অৱয়ৱ চিৰবৃদ্ধৰ।

গুপ্তজীয়ে ক'লে, 'আহিলা? আকৌ একে দায়িত্ব পৰিছে এইবাৰ। এইবাৰ ভুল নকৰিবা।'

সি মূৰ দুপিয়ালে। হয়, তাৰ ভুল হৈছিল যোৱাবাৰ। আবেগ, অনুভূতিৰে আক্ৰান্ত হৈছিল সি। কৰ্তব্য সমাপন নকৰাকৈ উভতি আহিছিল। সুদীৰ্ঘ শোধনৰ প্ৰয়োজন হৈছিল তাৰ। গুপ্তজীৰেই ভাল। গুপ্তজীয়ে তেনে ভুল কৰাৰ সম্ভাৱনা নাই। আগন্তুক সকল ইয়ালৈ অহাৰ পাছত সিহঁতৰ আবেগ অনুভূতি নোহোৱা হৈ নাযায়, কিন্তু বহুখিনি নিস্তেজ হৈ যায়। সংক্ৰামক নহয়। সি যাব লাগে আগন্তুক সকলৰ মাজলৈ, সিটো পাৰলৈ আৰু তাত সেইবোৰ সংক্ৰামক। কৰুণা, দয়া, মায়া, মোহ আদি শব্দৰে সিহঁতৰ মনৰ ভিতৰৰ টৌবোৰক বুজোৱা হয়। সেই টৌবোৰৰ স্পৰ্শ নলগাকৈ নাথাকে।

সি নদীখনলৈ চালে। তাত পানী শান্ত, নিৰ্মল, নিৰবচ্ছিন্ন। নদীখনৰ মাজত কুঁৱলীৰ দৰে এক ডাঠ আবৰণ - আকাশৰ পৰা নামি আহি নদীখনক ঠিক মাজতে দুভাগ কৰিছে। এই আবৰণৰ মাজেদি সিটো পাৰ নেদেখি। কুঁৱলীৰ দৰে হ'লেও ই কুঁৱলী নহয়। এক পৰিমণ্ডল। এই পৰিমণ্ডলৰ আবৰণ ভেদ কৰি সিপাৰৰ শব্দ, ধ্বনি, দৃশ্য এইখিনি নাপায়। সিপাৰৰ পৰাও এই অভিপ্ৰেত উপকূল দেখাৰ উপায় নাই। সেয়েহে কত ৰহস্যময় নাম দি লৈছে সিহঁতে। অভিপ্ৰেত, কিন্তু আহিবৰ সময়ত নাহিবলৈ আপ্ৰাণ চেষ্টা, প্ৰত্যেকজনৰে কত অজুহাত, কত অসমাপ্ত কৰ্মৰ

দোহাই।

গুপ্তজীয়ে চাই সি ক'লে, 'এইবাৰ আৰু ভুল নকৰো'। সি কথাষাৰ শেষ কৰাৰ আগতেই নদীৰ মাজৰ ডাঁঠ আবৰণখন কিবা এটা আন্দোলনত কঁপি উঠিল। বহু দূৰৰ পৰা ভাহি অহা কিবা ক্রুদ্ধ, কৰ্কশ গৰ্জনৰ দৰে ধ্বনি যেন আবৰণখন ফালি আহিব খুজিলে। অলপ সময় আন্দোলিত হৈ আবৰণখন আকৌ আগৰ অৱস্থালৈ আহিল আৰু শব্দবোৰো ক্ষন্তেকতে নিস্তব্ধ হৈ গ'ল। সি আচৰিত হৈ আবৰণখনলৈ চালে। সি বুজি পালে এই আচহুৱা ক্রিয়া সিটোপাৰৰ ক্রুদ্ধ ধ্বনিৰ বিকৃত প্ৰতিক্রিয়া। কিন্তু আগতে কেতিয়াও সি এনে ক্রিয়া দেখা নাই। সিটো পাৰৰ কোনো ক্রিয়াৰ প্ৰতিক্রিয়া, কোনো ধ্বনিৰ প্ৰতিধ্বনি, কোনো দৃশ্যৰ প্ৰতিদৃশ্য আবৰণ ভেদ কৰিব নোৱাৰে। আগতে কেতিয়াও কৰা নাই। এইটো এটা আচহুৱা ঘটনা, আবৰণখনৰ আন্দোলন এক অভূতপূৰ্ব দৃশ্য।

সি গুপ্তজীক সুধিলে, 'এইয়া কি হৈছে'।

গুপ্তজীয়ে চিন্তিত মনেৰে এইটো দৃশ্য চাই আছিল। তেওঁ ক'লে, 'এৰা, কিছুদিনৰ পৰা সিটো পাৰৰ পৰা অদ্ভুত শব্দ, চিঞৰ এইফালে আৰম্ভ কৰিছে। আবৰণখন পাতল হৈ পৰিছে নেকি বাৰু? মালিকক ক'ব লাগিব।'

গুপ্তজীয়ে মালিক বুলিয়েই কয়। অদৃষ্টৰ মালিক। গুপ্তজীয়ে নিজে দিয়া নাম নহয়। আগন্তুকসকলক অভ্যৰ্থনা কৰোতে এটা সান-মিহলি ভাষা ইয়াত প্ৰচলিত হৈ গৈছে। এনে ভাষাৰে যিজনক মালিক বুলি কৈছে সেইজনৰ পৰা এনে ভাষা কোৱাত কোনো বাধা নাই। এইটো এটা নিয়মেই হৈছে যে আগন্তুক সকল এই ঠাইত সহজ হোৱাৰ কাৰণে সিহঁতৰ ভাষাক ইয়াত ব্যৱহাৰ কৰাৰ প্ৰয়োজন।

বহুতদিনৰ আগতে সিপাৰৰ পৰা অহা কোনোবা এজনে আঁতুৰ হৈ বালিত বাগৰি কাতৰ চিঞৰ মাৰিছিল, 'হে অদৃষ্টৰ মালিক, হে অদৃষ্টৰ মালিক'। আগন্তুক সকলৰ এনে বিহ্বলতা আচৰিত নহয়। বহুতৰে অৱশিষ্ট আবেগ শেষ সময়ত বেগবান হৈ অদ্ভুত আচৰণত পৰিণত হয়। সেইজন আগন্তুকে 'অদৃষ্টৰ মালিক'ক সম্বোধন কৰিছিল। আনে আন ধৰণৰ নাম কয়, স্মৰণ কৰে, বিহ্বল হয়, উত্তাৱল হৈ চিঞৰে। 'অদৃষ্টৰ মালিক' সম্বোধনটো শুনাৰ পিছতেই গুপ্তজীৰ পচন্দ হৈ গৈছিল। তেতিয়াৰ পৰাই গুপ্তজীয়ে 'মালিক' বুলি কয়। ভিতৰৰ ৰমা ভূমিলৈ গ'লে এই শব্দ অৰ্থহীন হ'ব। ইয়াত 'মালিক' বিশেষণে সাময়িক প্ৰয়োজন পূৰায়।

অদৃষ্টৰ মালিকক ক'বলৈ গুপ্তজীৰ ভিতৰলৈ যোৱাৰ প্ৰয়োজন নহয়। ইয়াৰ পৰাই বায়বীয় সংকেত পঠিয়াব পাৰে। অৱশ্যে, গুপ্তজীয়ে এতিয়াও তেনে সংকেত পঠিওৱাৰ সময় হোৱা বুলি ভবা নাই। কাৰণ তেওঁ কথাষাৰ কৈয়েই খতিয়ানত মনোনিবেশ কৰিলে। সি যাক সহজ সংগ দি ইয়ালৈ পাৰ কৰি আনিব লাগিব

সেই আগন্তুকৰ নাম তাক দিলে। যোৱাবাৰৰ নামটোৱেই। সি জানে এইবাৰ সি যথাযথ তাৰ কৰ্তব্য পালন কৰিব নোৱাৰিলে, দীঘলীয়া দিনৰ যন্ত্ৰণাময় সময় সি সিটো পাৰত কটাব লাগিব। সেইয়া তাৰ শাস্তি হ'ব। সি শাস্তিৰ সময়খিনিত সিফালৰ নদীৰ দুৰন্ত ঢৌবোৰ অনায়াসে অতিক্ৰম কৰি আহিব নোৱাৰিব। আগন্তুক সকলৰ সিটো পাৰৰ জীৱনৰ লগত তাৰ জীৱনৰ কোনো পাৰ্থক্য তেতিয়া নাথাকিব।

গুপ্তজীয়ে আগুৱাই দিয়া পাৰপত্ৰখন সি হাতত ল'লে। পাৰপত্ৰ নহয়। পৰিচয় পত্ৰহে। গুপ্তজীয়ে আনটো পাৰ বুজাবলৈ পাৰপত্ৰ শব্দটো ব্যৱহাৰ কৰে। পাৰপত্ৰ হাতত লৈ নৈখনৰ ঘাটলৈ সি আহিল। তাত নাওখনেৰে সৈতে পৰিচিত নাৱৰীয়া ৰৈয়েই আছিল। তাক দেখি এটা মিচিকিয়া হাঁহি মাৰিলে। যোৱাবাৰ এইখন নাওতেই সি পাৰ হৈছিল। সি উভতি আহোতে তাৰ লগত কাকো নেদেখি নাৱৰীয়া আচৰিত হৈছিল। কাৰণ সিপাৰলৈ যোৱাৰ অৰ্থই হ'ল কোনোবা আগন্তুকক লগত লৈ অহা। নাৱৰীয়াই প্ৰশ্ন কৰাৰ নিয়ম নাই। কিন্তু বুজি পাই কি ঘটিছিল। এইবাৰৰ মিচিকিয়া হাঁহিটোৰ উদ্দেশ্য হ'ল ভাৰসা দিয়া, অনিশ্চয়তা বোধটোৰ পৰা তাক মুক্ত কৰা। সিও এটা মিচিকিয়া হাঁহিৰে উত্তৰ দিলে। কুশল বিনিময়ৰ বাদে অন্য কথোপকথন সিহঁতৰ মাজত নহয়। যাত্ৰী কোন, কেনেকুৱা ইত্যাদি কথাবোৰ সোধা সিহঁতৰ কাৰণে নিষেধ।

নাওখন নাৱৰীয়াজনে তৰি দিলে। স্বচ্ছন্দ গতিৰে নাওখন নিৰ্মল পানীৰ ওপৰেৰে আগবাঢ়িল।

বেছি দূৰ যোৱাই নাছিল। হঠাৎ শুভ্ৰ আৱৰণখনত এটা ঢৌ আন্দোলিত হ'ল। আগৰ ঢৌৰ দৰেই। এটা কৰ্কশ দূৰাগত শব্দ ঢৌৰ কঁপনিত তৰঙ্গিত হৈ মিহলি হৈ গ'ল। তাৰ পিছতেই ডাঠ, শুভ্ৰ আৱৰণখন ক্ষন্তেকতেই স্থিৰ, স্বাভাৱিক হৈ পৰিল। নাৱৰীয়াজনে ক'লে, 'সিপাৰৰ চিএগ্ৰ-বাখৰবোৰে পৰ্দাখনত বাৰে বাৰে খুন্দিয়াই থকা হৈছে। কেতিয়াবা পৰ্দাখন ফাটি যাব। আগতে কেতিয়াও হোৱা নাছিল।

পৰ্দা, চিএগ্ৰ-বাখৰ, খুন্দিয়াই, ফাটি যাব- এইবোৰ সিপাৰৰ ভাষা। নাৱৰীয়াৰ মুখত সেই ভাষাবোৰ ফুটিবলৈ ধৰিছে।

++++

'ক্ৰ্যাচ', জোৰেৰে ব্ৰেক মৰাত বাছখন শব্দ কৰি অলপ চুচৰি বৈ গ'ল। অপ্ৰস্তুত যাত্ৰীসকল ইটোৰ ওপৰত সিটো হামখুৰি খাই পৰিল। ড্ৰাইভাৰৰ মুখেৰে শব্দ ওলাল, 'চাল্লা'। ব্ৰেক মাৰি ৰখোৱাৰ বাদে উপায় নাছিল। সমুখৰ ৰাস্তা আগুৰি তিনিটা টায়াৰ দপ্‌দপ্‌কৈ পুৰিব লাগিছে। ৰাস্তা বন্ধ। 'ড্ৰাইভাৰে পিছফালে থকা হেণ্ডিমেনক চিএগ্ৰি সুধিলে, 'ঐ বে, আজি বন্ধ নাকি বে?' হেণ্ডিমেনে চিএগ্ৰি উত্তৰ দিলে, 'নাইতো। আজিতো বন্ধ নাই।' ড্ৰাইভাৰে ক'লে, 'ডকাইত নাকি

বে।' হেন্দিমেনে উত্তৰ নিদি পিছদুৱাৰেদি ওলাই আহিল আৰু জ্বলি থকা টায়াৰ কেইটাৰ ফালে আগবাঢ়ি যাব খুজিলে। নিজৰ ছিটৰ পৰাই সমুখৰ ফালে অহা হেন্দিমেনক দেখি ড্ৰাইভাৰে চিঞৰিলে, 'ঐ নাযাবি। চামনত খতৰনাক আছে।' জনপ্ৰাণী সমুখত কোনো নাছিল। তথাপিও সন্দেহতে সি তেনেকৈ ক'লে।

ড্ৰাইভাৰৰ মুখৰ বাক্যই যেন ফলিয়ালে। হঠাৎ বাঁহৰ জোপোহা এটাৰ পিছৰ পৰা চাৰিটা ডেকা ল'ৰা দৌৰি আহিল। সিহঁতৰ মুখত কাপোৰ বন্ধা। হাতত লাঠি একোডাল। সিহঁত আটাইকেইজনে হেণ্ডিমেনজনক আগুৰি ধৰিলে। খটা মাতেৰে ধমক এটা দি এজনে সুধিলে, 'ঐ চালা, তই দেছুৱালী নেকি?' আন এজনে ঢকা এটা দিলেই। হেণ্ডিমেনে উত্তৰ দিলে, 'নাই, নাই। মই নীপেন। বৰাগাঁৱত ঘৰ'। আন এজনে এইবাৰ সুধিলে, 'ঐ বাছত কেইটা দেছুৱালি আছে? ড্ৰাইভাৰটো দেছুৱালি নেকি বে?' হেন্দিমেনে জানে ড্ৰাইভাৰৰ ঘৰ ইউ.পিৰ বালিয়াত। কিন্তু দুই পুৰুষ ইয়াতে আছে। সলসলীয়াকৈ অসমীয়া ক'ব পাৰে। কেতিয়াবাহে তাৰ মুখেৰে মিশ্ৰিত ভাষা ওলায়। ভয়ত পেপুৱা লাগিলেও হেন্দিমেন নীপেন বিবুধি হোৱা নাছিল। সি বুজি পালে যে এই দৈত্যকেইটাক যদি ড্ৰাইভাৰৰ আচল পৰিচয় দিয়ে, তেন্তে তাৰ নিৰ্ঘাত মৃত্যু হ'ব। সি আঁসে মাতিলে। ড্ৰাইভাৰে শুনাকৈ সি চিঞৰি চিঞৰি ক'লে, 'নাই নাই। সি ইয়াৰে। ধলাৰ ফালে ঘৰ।'

ড্ৰাইভাৰৰ অষ্ঠ-কণ্ঠ শুকাই গ'ল। সি বুজি পালে কি হ'ব ধৰিছে। এজনে কৰ্কশ মাতেৰে তাক মাতিলে, 'চালা, নবাবৰ পুতেক। সিংহাসনত বহি আছ। নাম বেটা, ইয়ালৈ আহ।' সি ভয়ে ভয়ে মাটিলৈ নামি আহিল। সি নামি অহাৰ লগে লগে গুণ্ডা প্ৰকৃতিৰ ডেকা কেইজনে হেন্দিমেনক একাষৰীয়া কৰি তাক আগুৰি ধৰিলে। কাপোৰেৰে মুখ ঢকা কাৰণে সিহঁতৰ কাকো চিনিব নোৱাৰি। এজনে তাৰ পৰীক্ষা ল'বলৈ তাক ক'বলৈ দিলে, 'ক', একে আযাৰতে ক', মই সলসলীয়াকৈ ক'ব পাৰো।' সি ক'লে, 'মই সলসলীয়াকৈ অসমীয়া ভাষা ক'ব পাৰো।' আৰু লগতে যোগ দিলে, 'মোৰ নাম সুনীল শইকীয়া, সুন্দৰচুক তাৰ আবিষ্কাৰ। স, শ ৰ শুদ্ধ উচ্চাৰণেৰে নিজকে স্থানীয় বুলি প্ৰমাণ কৰিবলৈ তেনেকৈ ক'লে।

তাৰ উত্তৰত সিহঁতক সন্তুষ্ট হোৱা যেন লাগিল। তথাপিও তাক গোৰ এটা মাৰি ডিঙিত ঢকিয়াই গাড়ীৰ ফালে লৈ আহিল। এজনে ক'লে, 'বল চালা, তোৰ গাড়ী খানাতালাচ কৰিম। গাড়ীত যদি দেছুৱালী আনিছ, সিহঁতকো মাৰিম আৰু চালা তোকো জুইত জাপি দিম।' বিজন ডেকাক সিহঁতৰ মুখিয়াল যেন লাগে সেইজনে হুংকাৰ এটা দি ক'লে, 'খানাতালাচৰ পাছত গাড়ী উভতাই নিবি। আগলৈ যাব নোৱাৰ'।

বাছৰ সমুখৰ ফালৰ ছিট এটাত আন যাত্ৰীবোৰৰ মাজত সি বহি আছিল। তাৰ ভয় লগা নাছিল। এই মুহূৰ্ত্তত এই ঘটনা আকস্মিক আৰু অনভিপ্ৰেত। কিন্তু এইবোৰ ঘটনা ঘটিয়েই থাকে। সিও সকলো পৰিস্থিতিৰ বাবে প্ৰস্তুত হৈয়েই আছে। পৰিচয় পত্ৰতেই যি কোনো অৱস্থা চম্ভালি লোৱাৰ কিটিপ থাকে।

এজন যুৱক তাৰ ওচৰলৈ আগুৱাই আহিল। তাৰ পৰিচয় সুধিলে। সি মুখেৰে নামটো পৰিচয় পত্ৰখন আগুৱাই দিলে। যুৱকে পিটিকি চাই একো বুজি নাপাই সুধিলে, 'আপুনি কি কৰে?' ইয়াৰ উত্তৰ তাৰ মনত সজাই আছিল, ক'লে, 'গৱেষণা কৰো। নৃতত্ত্বৰ গৱেষণা'। যুৱকে কিবা বুজিলে যে নাই গম পোৱা নগ'ল। কিন্তু তাৰ উচ্চাৰণত সন্তুষ্ট হৈ আন যাত্ৰীবোৰৰ ফালে আগবাঢ়ি গ'ল। বাছখনত কোনো দেছুৱালী নাই বুলি নিশ্চিত হৈ সিহঁত নামি গ'ল। নামিবৰ সময়ত বাছখন ঘূৰাই নিবলৈ আকৌ এবাৰ ড্ৰাইভাৰক সকীয়নি দিলে।

বাছখন ওলোটা ফালে চলিবলৈ আৰম্ভ কৰিলে। বাছখন এইদৰে ওলোটা ফালে গৈ থাকিলে সি তাৰ গন্তব্যস্থান সময়মতে নাপাব। আন উপায় অৱশ্যে আছে। কিন্তু এই ঠাইত সি এই পাৰৰ সময়মতে চলিম বুলি থিৰ কৰি আহিছে।

সি ড্ৰাইভাৰক বাছখন ৰখাবলৈ কোৱাৰ আগতেই সমস্যাটোৰ সমাধান হৈ গ'ল। এটা লেভেল-ক্ৰচিঙত বাছখন বৈ যাবলগীয়া হ'ল। সিফালৰ পৰা ৰে'ল আহিছে, গতিকে লেভেল-ক্ৰচিঙৰ গেট বন্ধ। সি ততাতৈয়াকৈ বাছৰ পৰা নামি দিলে।

সি দেখিলে পথাৰত অহা-যোৱা কৰা লুঙলুঙীয়া বাট আছে। দূৰত গাঁৱৰ আভাসো আছে। এই মাত্ৰ দেখি অহা দৃশ্যটোৰ দৰে যদি তাত কিবা বিপদ উৎ পাতি আছে, সেই বিপদ তাৰ বাবে নহয়। সি খৰখোজেৰে পথাৰৰ আলিৰে খোজ ল'লে। গন্তব্যস্থল তাৰ পৰিচিত। বাট অপৰিচিত হ'লেও দিক্ নিৰ্ণয়ত তাৰ অসুবিধা নহয়।

পকী ৰাস্তাটোৰ য'ত টায়াৰ পুৰি বন্ধ কৰি থোৱা আছিল, তাৰ ওচৰেদিয়েই সি পাৰ হ'ল। সেই দুৰ্বৃত্ত ডেকা কেইজনে এতিয়াও গাড়ীবোৰ ৰাখি দেছুৱালী বিচাৰি আছে। সি কোনফালে পাৰ হ'ল, সিহঁতে তৰ্কিবই নোৱাৰিলে।

++++

বাছেৰে অহাৰ আগতে সি এছোৱা ট্ৰেইনেৰে আহিছিল। সি ট্ৰেইনত উঠা ষ্টেছনটোত গিজ গিজ মানুহ। পূবমুৱা ৰে'লখনত উঠি দিওঁতে সি দেখিছিল, আন এটা প্লেটফৰ্মত পশ্চিমমুৱা ৰে'লৰ বাবে বৈ আছে শ শ মানুহ, লগত টালি-টোপোলা লাম-লাকটু। সিহঁতৰ চকুবোৰত সন্দেহ আৰু আতংকৰ সান-মিহলি ভাব। হাতত বন্দুক লৈ কিছুমান ইউনিফৰ্ম পিন্ধা অৰ্দ্ধ সৈনিকৰ মানুহে প্লেটফৰ্মত পহৰা দি আছিল। এটা অস্বাভাৱিক পৰিৱেশ।

সি বহা ডবাটোত তাৰ ওচৰতে বহিছিল এজন ডেকা সাংবাদিক। তেওঁৰ মুখতে সি শুনিবলৈ পাইছিল, চাৰিওফালে ভীষণ উত্তেজনা। এখন বিশেষ প্ৰদেশত মানুহৰ ওপৰত ইতিমধ্যে কেইবাটাও ঘটনা ঘটি গৈছে। সেইখন প্ৰদেশত কেইদিনমান আগতে ইয়াৰ পৰা যোৱা ৰে'লযাত্ৰীৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতিক্ৰিয়া। সাংবাদিকজনে কৈছিল, ইতিমধ্যে কেইবাজনো মৰিছে। সৈন্যক পৰিস্থিতি নিয়ন্ত্ৰণৰ কামত লগোৱা হৈছে। অশান্তি কিন্তু বিয়পিছে। কমা নাই। এইবোৰ ভিতৰুৱা অঞ্চলৰ পৰা ভাগি অহা মানুহ। সেয়েই ষ্টেছনটোত ইমান ভীৰ।

সাংবাদিক জনৰ হাতত এখন ইংৰাজী বাতৰি কাকত, 'ইষ্টাৰ্ণ ক্ৰনিক'ল'। সি সেইখন হাতত লৈ চকু ফুৰাই চাইছিল। তাত প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ হৰফত কেইটামান নৃশংস ঘটনাৰ বৰ্ণনা। এটাত শিৰোনাম, 'situation deteriorates Army called in আন এটা ঘটনাৰ বৰ্ণনাত এটা পৰিয়ালত চাৰিজন পুৰি হত্যা কৰাৰ কাহিনী। আৰু এটাত বাটৰ দাঁতিত টি.ভিত ক্ৰিকেট খেল চাই থকা দৰ্শকৰ ওপৰত দুৰ্বৃত্তৰ নিৰ্বিচাৰ গুলীচালনা, ফলত কেইবাজনো মানুহৰ ঠাইতে মৃত্যু। কাগজখনৰ প্ৰথম পৃষ্ঠাতে পৰিস্থিতিৰ এটা ভয়াবহ ৰূপ ফুটি উঠিছিল।

টায়াৰ পুৰি ৰাস্তা বন্ধ কৰা ঘটনাটো এনেবোৰ ঘটনাৰে জেৰ। অশান্তিকৰ অৱস্থাটোৰ এটা ক্ষুদ্ৰ সংস্কৰণ। হয়তো ইতিমধ্যে কোনোবা বাছৰ যাত্ৰী সিহঁতৰ হাতত নিহত হৈছে।

সি নিৰ্দিষ্ট কৰ্তব্য লৈ আহিছে। নিয়তিৰ ক্ৰিয়া নিষ্ঠুৰ খেলা নে আনন্দৰ লীলা, এইবোৰ ভবাৰ দায়িত্ব তাৰ নহয়। তাক দিয়া বিধিত ভৱিষ্যত দৰ্শনৰো কোনো ক্ষমতা তাক দিয়া হোৱা নাই। কৰ্তব্য পালন অৱশ্যে বিধেয়। তাতহে সি মনোনিবেশ কৰিব। যোৱাবাৰৰ দৰে কৰ্তব্য বিচ্যুতৰ দোষত দোষী হ'ব সি নোখোজে। এটা বিশেষ মুহূৰ্তত এক নিৰ্দিষ্ট ঠাইত এটা কৰ্তব্য তাৰ কাৰণে ৰৈ আছে। সি কেৱল আগতীয়াকৈ নাজানে, সেই কৰ্তব্য পালন কৰিবলৈ লোৱা মুহূৰ্তটো কি পৰিস্থিতিৰ ৰূপ লৈ আহিব।

নিৰ্জন পথাৰৰ মাজেৰে অসাধাৰণ বেগেৰে সি খোজ দিলে।

\+ + + +

সৰু নদীখনৰ ঘাটটো সি চিনি পালে। এই ফালেদিয়েই সি যোৱাবাৰৰ পাৰ হৈছিল। এতিয়া পাৰটোত কেইজনমান পুলিচৰ মানুহ টহল দি আছে। ইয়াতো কিবা ঘটি গৈছে নেকি?

যোৱাবাৰ আহোতে সি এজন ফকীৰৰ ভেশ ধৰি আহিছিল। এইবাৰো তাৰ বাবে এটা পৰিচয়ৰ প্ৰয়োজন হ'ব। বাহৃত সি গৱেষক হৈছিল। কিন্তু ইয়াত এই

পৰিচয় আচহুৱা যেন লাগিব। বৰ্তমানৰ পৰিস্থিতিটোত ফকীৰৰ ভেশো সন্দেহজনকহে হ'ব। গতিকে ৰে'লত লগ পোৱা সাংবাদিকজনৰ ভূমিকাটোৱেই লোৱা সি ঠিক কৰিলে। গুপ্তজীয়ে দিয়া পাৰপত্ৰত পৰিচয় সলোৱাৰ কিটিপটো আছেই।

যোৱাবাৰৰ ঘটনাটো তাৰ মনত পৰিল।

সেইবাৰ ফকীৰৰ ভেশ ধৰি এই গাঁৱৰে নাৱৰীয়া এজনৰ নাওত উঠি সৰু নদীখন সি পাৰ হৈছিল।

সি ফকীৰৰ দোঁহা গাই গৈছিল। এটা সুললিত মাত সি উলিয়াইছিল। সি গাইছিল।

জাকে প্ৰেম ন আৱত হিয়ে
কাহ ভয়ে নৰ কাশী বসে সে,
কা গংগাজল পীয়ে,
কাহ ভয়ে নৰ জটা বঢ়ায়ে
কা গুদৰীকে সিয়ে।

হিন্দীভাষী নাৱৰীয়াজনে আপ্লুত হৈ সুললিত ধ্বনিৰ দোহা শুনিছিল। এটা দোঁহা শেষ হওঁতে ভক্তিত গদ গদ হৈ সি চিঞৰি উঠিছিল, 'আৰে, ক্যা সুন্দৰ ভজন ৰে বাবা, ঔৰ এখ গাইয়ে মালিক।' আৰু এটা নহয়, কেইবাটাও গাইছিল সি। এটা পৰিবেশ গঢ়ি তোলাৰ প্ৰয়োজন বোধ কৰিছিল সি। সেই কাৰণে সি এটা এটাকৈ দোঁহা গাই গৈছিল। সিটো পাৰত নামোতে আনন্দিত নাৱৰীয়াজনে ফকীৰক নাৱৰ ভাৰা খোজা নাছিল। সি সোঁধোতে নাৱৰীয়াজনে আনন্দমনে সি বিচৰা ঘৰটো দেখুৱাই দিছিল। নৈখনৰ পাৰতে আছিল গাঁওখন আৰু সি বিচৰা ঘৰটোতেই তাৰ বাবে নিৰ্দিষ্ট কৰ্তব্য বৈ আছিল। সি জানিছিল মুহূৰ্তটো কেতিয়া আহিব। সি নাজানিছিল সেই মুহূৰ্তটোৰ বাবে ঘটনাটোৱে কি ৰূপ লৈ আহিব। অদৃষ্টৰ মালিকে তাক দীৰ্ঘ দৰ্শন দি ৰখা নাই।

বাঁহ, খেৰেৰে সজা জুপুৰী ঘৰেৰে গৃহস্থালি। এফালে দীঘল গোহালি ঘৰ এটা আৰু তাত কেইবাটাও গৰু। মূল ঘৰটোও সৰহখিনি বাঁহ-খেৰৰ। কেৱল এটা অংশত কেইখনমান টিন পৰি পামঘৰৰ চৰিত্ৰৰ পৰা গৃহস্থালিয়ে স্থাৱৰ হোৱাৰ লক্ষণ লৈছে। ইমান বিলাক গৰু আছে যেতিয়া গৃহস্থৰ গাখীৰৰ ব্যৱসায়। গৃহস্থ নাছিল। মাইকী মানুজনীয়ে গোহালিটো পৰিস্কাৰ কৰি আছিল। গোবৰ আৰু মাটিৰ সাম-মিহলি গোন্ধ এটা বতাহত ভাহি আহিছিল। ছয়-সাতবছৰীয়া এজনী সৰু ছোৱালীয়ে বাহিৰত দৌৰা-দৌৰি কৰি আছিল। মাকে ছোৱালীজনীক চিঞৰি কৈছিল, 'নদীকে কিনাৰ মত জানা মেৰী বেটী।' এই শিশুটিক লক্ষ্য কৰিয়েই সি ইয়ালৈ আহিছিল।

ঘৰটোলৈ যোৱাৰ তাৰ প্ৰয়োজন নাছিল। সি নদীৰ পাৰতে বহিছিল। ফকীৰক দেখি সৰু ছোৱালীজনীয়ে কৌতুহলেৰে আহি তাৰ ওচৰত থিয় দিছিল। আৰু পৰিবেশটোক সহজ কৰি ৰাখিবলৈ সি দোঁহা মাতিছিল,

চীটী জহা-ন চঢ়ী সকৈ
ৰাই নহী ঠহৰায়,
আবাগৰকী গম নহী
তঁহ সকলো জগ জায়।

পৰুৱাই য'ত বগাব নোৱাৰে, ৰাই য'ত থিয় দিব নোৱাৰে, অহা যোৱাৰ বাবে যি ঠাই সুগম নহয়, সেই ঠাইলৈকে গোটেই জগত যায়।

আৰু,

কামনাই ডোৰী লায়
পুকাৰে জীৱকো,
হংসা চলে চণ্ডাল
মিলন নিজ পীৱকো।

কামনাই ৰচীৰ বান্ধোন লৈ জীৱক মাতি আছে, হংসই নিজকে চণ্ডালি প্ৰিয়ৰ স'তে মিলনৰ কাৰণে গৈ আছে।

শিশুটিয়ে তাৰ ওচৰত বৈ একান্তমনে তাৰ গীত শুনিছিল। তাই হয়তো একো বুজি পোৱা নাছিল। সি জানিছিল, আপোন কামত ব্যস্ত হৈ থাকিলেও মাকজনীয়েও তাৰ সুললিত কণ্ঠৰ ভক্তি গীত শুনি আছিল। আচলতে আকস্মিক আঘাতৰ পৰা মানুহজনীয়ে যাতে অকণমান শান্তি পাব পাৰে, সেই উদ্দেশ্য লৈয়েই সি কবীৰৰ দোঁহা গীতৰ সুৰত গাই আছিল।

কিন্তু সি প্ৰকৃততে বৈ আছিল মুহূৰ্তটোৰ বাবে। গোহালি পৰিষ্কাৰ কৰি মাইকী মানুহজনী ঘৰৰ ভিতৰলৈ সোমাই যোৱাৰ সময়তেই আহিছিল মুহূৰ্তটো। সি গীত বন্ধ কৰাৰ লগে লগে ছোৱালীজনী দৌৰি গৈছিল নদীৰ একেবাৰে কাষলৈ। আৰু তাই পিচল খাই পানীত পৰি গৈছিল। সেই সময়ত জীৱনৰ প্ৰতি আসক্তি জীৱৰ প্ৰবল হোৱাটোৱেই স্বাভাৱিক। তাই আতংকত এটা বিকট চিঞৰ মাৰি দিছিল। মাকজনী উধাতু খাই ভিতৰৰ পৰা দৌৰি আহিছিল। তাৰ দায়িত্ব আছিল, বন্ধনবন্ধুৰ পৰা মুক্ত কৰি শিশুটিৰ উত্তৰণ সহজ কৰি তোলা। আৰু সহযাত্ৰীৰূপে তাইক লৈ আহি গুপ্তজীৰ হাতত আগন্তুকক গটাই দিয়া। গুপ্তজীৰ সন্মুখত সকলোৱেই কেৱল আগন্তুক, তাত শিশু, কিশোৰ প্ৰাপ্তবয়স্ক, বৃদ্ধৰ কোনো ভেদাভেদ নাথাকে।

কিন্তু তাৰ কি হৈছিল? উত্তোলন কৰিবৰ মুহূৰ্তত তাৰ কি হৈছিল? সকাতৰ দৃষ্টিৰে শিশুটিয়ে তাক খাপ মাৰি ধৰিছিল। জীৱনৰ আসক্তিত তাই জীৱমুক্তিৰ

বিৰুদ্ধে সংগ্ৰাম কৰিছিল। তাইৰ চকুত ফুটি উঠিছিল কৰুণ অনুনয় আৰু তাৰ মন মমতাৰে সিক্ত হৈ পৰিছিল। সি তাইৰ হাতৰ বান্ধোন এৰাবলৈ পাহৰি তাইক পাৰলৈ তুলি আনিছিল। মাকজনীয়ে শিশুটিৰ অৰ্ধ চেতন দেহাটি সাৱট মাৰি ধৰাৰ সময়তে নিৰ্দিষ্ট মুহূৰ্ত পাৰ হৈ গৈছিল আৰু ছোৱালীজনীয়ে চকু মেলি চাইছিল। মাকজনীয়ে 'বাবা' 'বাবা' বুলি কৃতজ্ঞতাত তাৰ ভৰিত আচাৰ খাই পৰোতে সি অভিভূত হৈ তাৰ কৰ্তব্যৰ পৰা স্খলিত হৈছিল। সি ৰম্যভূমিলৈ উভতি গৈছিল। এনে ঘটনা মাজে মাজে হয়। কিন্তু সেইবোৰ ব্যতিক্ৰমহে। তাৰ বাবেও বিধি দিয়া আছে। সেই বিধিয়ে তাক দীঘলীয়া শোধনৰ ক্ষেত্ৰলৈ পঠিয়াই দিছিল।

এইবাৰ তেনে ভুল সি নকৰে। সি টহল দি থকা পুলিচ কেইজনৰ ফালে আগুবাই গ'ল। ওচৰ পাইহে দেখিলে সিহঁত তিনিওজন আচলতে হোমগাৰ্ড। নদীৰ পাৰত নাও এখনো সি দেখা পালে। তাত নাৱৰীয়াজন কিন্তু নাই। সি সিহঁতৰ এজনক ক'লে, 'মই 'ইষ্টাৰ্ণ ক্ৰনিক'ল'ৰ সাংবাদিক। সিপাৰলৈ পাৰ হৈ যাব লাগে। নাৱৰীয়াজন নাই নেকি?'

সাংবাদিক বুলি কোৱাৰ লগে লগে হোমগাৰ্ডজনে তাৰ মূৰৰ পৰা ভৰিলৈ এবাৰ নিৰীক্ষণ কৰি ল'লে। তাৰ পাছত ক'লে, 'আও, বতাহত খবৰৰ গোন্ধ গলেই। পিছে সিফালে চব খান্তাং। নাওখনহে আছে। নাৱৰীয়াজন বা ক'ত পলাই পত্ৰং দিছে? যায় যদি নাওখন নিজে চলাই যাওঁক। সিফালে আমাৰ চেহাব আছেই।'

হোমগাৰ্ডজনে পাতলীয়া সুৰত কোৱা কথাষাৰত এটা সাংঘাতিক ঘটনাৰ ইংগিত আছে। কিন্তু সিতো আচল সাংবাদিক নহয়। তাৰ খবৰৰ প্ৰয়োজন নাই। কেৱল সঠিক মুহূৰ্তত এটা নিৰ্দিষ্ট ঠাইত সি উপস্থিত হ'ব খুজিছে।

নদীখন সি পাৰ হৈ আহিল। আহিয়েই চকুত পৰিল গাঁওখনৰ বিধ্বস্ত ৰূপ। যেন কিছু সময় আগতে এক প্ৰলয়কাণ্ড ইয়াত হৈ গৈছে। বেছি ভাগেই জুপুৰী ঘৰ। ভাগি-ছিগি মাটিত বাগৰি আছে। কেইটামান ঘৰ জুইত পুৰি ভস্মীভূত হৈছে। টিনৰ চালি থকা দুই এটা ঘৰৰ ওপৰত জুই এতিয়াও জ্বলিয়েই আছে।

এই দৃশ্য সমুখত লৈ বৈ আছে এজন দাৰোগা, তেওঁৰ লগত কেইজনমান চিপাহী আৰু সাধাৰণ পোছাক পিন্ধা এজন গাঁৱলীয়া মানুহ। আন জনপ্ৰাণী নাই।

সি শুনিলে দাৰোগাই মানুহজনক সুধিছে, 'তইঁতে কি কৰিছিলি? গাঁওৰক্ষী বাহিনীয়ে বাধা দিয়া নাছিল কিয় পিশাচবোৰক?'

মানুহজনে কাওঁ-বাও কৰি উত্তৰ দিলে, 'চাৰ, কি ক'ব, জাঠি, জোং, দা-কটাৰী লৈ একেবাৰে উন্মত্ত হৈ আহিছিল সিহঁত। আমাৰ ইয়াৰ মানুহ নহয় হুজুৰ। সৌ সিপাৰৰ ক'ৰবাৰ পৰা আহিছিল। আমি পহৰা দিয়েই আছিলো।

সিইঁতে আমাক খেদি ঘৰত সোমোৱাই দিছিল। কৈছিল, খবৰদাৰ, যদি দেছুৱালীবোৰক বচাবলৈ চেষ্টা ক'ৰ, তইঁতকো নেৰিম। আমি কেনেকৈ ওলাম হুজুৰ? একেবাৰে নৰককুণ্ড কৰি পুৱতি নিশাহে গৈছে। কোনফালে গ'ল আমি গমেই নাপালো।'

দাৰোগাই সুধিলে, 'পিছে, এই গাঁৱৰ মানুহবোৰ কেনি গ'ল। কাকো দেখা নাই দেখোন। কোনোবা মৰিছে নেকি?

গাঁওৰক্ষী বাহিনীৰ মানুহজনে ক'লে, 'চাহ ঘৰ-দুৱাৰ জ্বলাই থাকোতেই বেছিভাগ মানুহ পলাইছে। ৰে'ল ষ্টেছনটোৰ ফালে যোৱা বুলি শুনিছো। ঘৰৰ ভিতৰত দুই চাৰিটা মৰি আছে হ'ব পায়। সেইফালে চাওকচোন হুজুৰ'।

দাৰোগাই চোৱাৰ প্ৰয়োজন নহ'ল। কেইজনমান চিপাহীয়ে ধ্বংসস্তূপৰ মাজৰ পৰা দুটা মৃতদেহ উলিয়াই আনিলে। দাৰোগাই সিইঁতক ক'লে, 'আৰু বিচাৰি চা আৰু ওলাব পাৰে'। চিপাহী কেইটা আকৌ ধ্বংসস্তূপৰ মাজলৈ সোমাই গ'ল। এজন চিপাহী একাষে থকা গোহালি ঘৰ এটাৰ ফালে গ'ল।

সি গোহালি ঘৰটো চিনি পালে। যোৱাবাৰ ফকীৰ হৈ আহোতে এই গোহালিতেই মাইকী মানুহজনীয়ে কাম কৰি আছিল। অকণমানি ছোৱালীজনী দৌৰা দৌৰি কৰি আছিল। কিন্তু ছোৱালীজনী ক'ত? যদি তাই নাই, কি পৰিস্থিতিত ক'ৰ পৰা সি তাইক লৈ যাব? নিৰ্দ্দিষ্ট মুহূৰ্তৰ বাবে আৰু বেছি সময় নাই। যদি ছোৱালীজনী ৰে'ল ষ্টেছনটোলৈ পলাই গৈছে তেন্তে সি তালৈকে যাব লাগিব। তাতহে সি আলফুলকৈ ৰমাভূমিলৈ লৈ যাব। তাৰ উপস্থিতিতহে ঘটনাটো ঘটিব লাগিব, বিধি তেনেকৈয়ে নিৰূপণ কৰা আছে।

গোহালিৰ ভিতৰৰ পৰা এজন চিপাহীৰ চিঞৰ ভাহি আহিল, 'চাৰ, চাৰ, চাওঁকহি, পিশাচবোৰে কি কাণ্ড কৰি গৈছে?' দাৰোগা আৰু তেওঁৰ লগৰ চিপাহী কেইজন লৰালৰিকৈ সেইফালে আগবাঢ়িল। তাক আওকাণ কৰিলেও সিইঁতৰ লগতে সিও তালৈ গ'ল।

নৃশংস ঘটনাটো সিইঁতৰ আটাইৰে একেলগে চকুত পৰিল। তেজত লুতুৰি পুতুৰি ৭/৮ বছৰীয়া এজনী ছোৱালী তাত পৰি আছে। উন্মত্ত পিশাচবোৰে তাইৰ ডিঙিটো ঘঁপিয়াই কাটি থৈ গৈছে। তাইৰ নিস্পন্দ চকু দুটা মেল খাই আছে। তাত এটা আতংকৰ চাৱনি স্থিৰ হৈ ৰৈছে।

সি স্তম্ভিত হৈ ৰৈ গ'ল। গাঁওখনত ওপৰেৰে ধুমুহাৰ দৰে ঘাতকৰ তাণ্ডৱ পাৰ হৈ গ'লেও সি ভবা নাছিলো যে এই দৃশ্য সি প্ৰত্যক্ষ কৰিব। এইজনীয়েই সি নিবলৈ অহা ছোৱালীজনী। তাইৰ জীৱনৰ শেষ মুহূৰ্তটোত যি ঘটিবলগীয়া আছিল সেই ঘটনা ঘটিব লাগিছিল তাৰ উপস্থিতিত। সেইটোৱেই আছিল বিধি। কিন্তু এইয়া কি হ'ল? ৰাতি তাণ্ডৱ কৰা অসহিষ্ণু ঘাতকবোৰৰ কিৰিলি কেন সি শুনিবলৈ

পালে। উন্মত্ত মানুহবোৰে তাইক তেনেহ'লে আগতেই পঠাই দিলে?

জীৱক নিবলৈ অহাৰ আগতেই জীৱক পঠিয়াই দিয়া হৈছে - এই বিধিও নিয়ন্তাৰেই ৰচনা নে? ঘাতকবোৰৰ চিএগ্ৰবোৰ ঘূৰ্ণীৰ দৰে আহি তাক বিভ্ৰান্ত কৰিবলৈ ধৰিলে।

'অদৃষ্টৰ মালিক' অৰ্থাৎ নিয়ন্তাৰ ওচৰত ইয়াৰ উত্তৰ বিচৰাৰ বাদে উপায় নাই।

সি উভতি খোজ ললে।

\+ + + +

তম্বুটো দূৰৰ পৰাই তাৰ চকুত পৰিল। গুপ্তজী অৰ্থাৎ চিত্ৰগুপ্ত খতিয়ানখন লৈ আগন্তুকসকলৰ 'অপেক্ষাত সদায় তাতেই বহি থাকে। আজি তাৰ ব্যতিক্ৰম হৈছে। গুপ্তজী তম্বুৰ ভিতৰত বহি থকা নাই। বাহিৰত বৈ নদীখনৰ পানীলৈ তেওঁ একেথৰে চাই আছে। তেওঁৰ দুয়ো চকুত বিস্ময়। ৰম্যভূমিত অৰ্থহীন শব্দ 'বিস্ময়'। কিন্তু সেই অনুভূতিয়ে গুপ্তজীকো ব্যাকুল কৰিছে। তাক দূৰৰ পৰা দেখিয়েই গুপ্তজীয়ে চিঞৰি ক'লে, 'চোৱা, চোৱা নদীখনৰ ফালে চোৱা।'

সি নদীৰ ফালে চাই আচৰিত হৈ গ'ল। বৈতৰণীৰ এই পাৰৰ পানী সদায় নিৰ্মল, শান্ত স্বচ্ছ- এক নিৰৱচ্ছিন্ন প্ৰবাহ। এতিয়া তাত প্ৰবল ঢৌ উঠিছে আৰু কিছুমান মানবীয় জীৱ পানীৰ ঢৌবোৰৰ লগত ভীষণ সংগ্ৰাম কৰি এই পাৰলৈ নিজে নিজে আহিব ধৰিছে। নদীৰ ওপৰৰ পৰিমণ্ডলক দুভাগ কৰা আবৰণখনত এক ভীষণ আন্দোলন। সিপাৰৰপৰা অহা ক্ৰুদ্ধ কোঢ়াল কিছুমান উফৰি উফৰি আহি তাত খুন্দা খাইছে।

সি গুপ্তজীলৈ ভয়ে ভয়ে চাই সুধিলে, 'কি হৈছে এইবোৰ? অদৃষ্টৰ মালিকে কিয় একো কৰা নাই?'

চিন্তিত মুখেৰে গুপ্তজীয়ে তাক তম্বুটোৰ ভিতৰলৈ মাতিলে। তাত বায়বীয় সংকেত গ্ৰহণ কৰিবলৈ এটা মনিটৰ আছে। সকলো বিধি, সকলো ঘটনা তাত অনুক্ৰমে লিপিবদ্ধ হৈ আছে।

গুপ্তজীয়ে ক'লে, 'আজি মনিটৰত বিচাৰি থাকোতে কিছুমান ঘটনা চকুত পৰিল। তাৰে কেইটামান নমুনা তোমাক দেখুৱাও। চোৱা।'

মনিটৰত ফুটি ওলোৱা ঘটনাৰ শিৰোনামাবোৰ সি পঢ়ি গ'ল,

'ইৰাকত বেবেকৰ বাহিৰত ট্ৰাকত বোমা। ৩৩ জনৰ মৃত্যু'

'ইষ্টানবুলত ইহুদিসকলৰ প্ৰাৰ্থনা গৃহত বিস্ফোৰণ। ২৯ জনৰ মৃতদেহ উদ্ধাৰ'

'আফগানিস্থানত হেলিকপ্টাৰ আক্ৰমণ। ৫ জন মাৰ্কিন সৈনিকৰ মৃত্যু'

'অহাইঅ'ৰ ৰাজপথত ১২টা নিৰ্বিচাৰ গুলীচালনাৰ ঘটনাত একে মানুহ জড়িত'

'বিহাৰত ৰে'লযাত্ৰীৰ ওপৰত দুৰ্বৃত্তৰ অকথ্য অত্যাচাৰ'

'অসমত প্ৰতিক্ৰিয়া। উন্মত্ত আক্ৰমণত এতিয়ালৈ ৩৩ জনৰ মৃত্যু'।

গুপ্তজীয়ে ক'লে, 'হয়তো আৰু আছে। কিন্তু এইবোৰ একে মাহৰ ঘটনা'।

সি সুধিলে, 'গুপ্তজী, এইবোৰ কিবা সংযোগ বা বিশেষত্ব আছে নেকি? চৰ্বাধলাক

দেখোন দূৰে দূৰে হোৱা ঘটনা। এনেকুৱা হত্যাৰ ঘটনাতো আগতেও ঘটিছে। মালিকৰ বহীত এনেকুৱা ঘটনা দেখোন বহুত লিখি থোৱা আছে।' 'বহী' সিপাৰৰ শব্দ। তাৰ মুখেৰে ক'ব নোৱাৰাকৈয়ে শব্দটো ওলাল।

গুপ্তজীয়ে চিন্তিত মুখেৰে ক'লে, 'ওহো, প্ৰাৰ্থক্য আছে। এই যে ঘটনাবোৰৰ কথা পঢ়িলা, এইবোৰ মালিকৰ বিধানত নাই। তুমি যে ছোৱালীজনীক আনিব নোৱাৰিলা, সেই ঘটনাও ইয়াৰে এটা। সেই কাৰণেহে চিন্তা কৰিছো।'

সিটো পাৰলৈ আঙুলিৰে সংকেত দি তেওঁ আকৌ ক'লে, 'অদ্ভুত ঘটনা ঘটিছে। সিহঁতে এতিয়া নিয়ন্তাৰ বিধিলৈ ধৈৰ্যৰে অপেক্ষা নকৰে। মৃত্যুৰ বিধি সিহঁতে নিজেই তৈয়াৰ কৰিবলৈ লৈছে। সিহঁতৰ দৃষ্ট জগতলৈ দানৱবোৰ বাওঁতে ভৰা হৈছিল, সেই জগতৰ গভীৰ ঐতিহ্যৰ শুভসূচকে দানৱক অন্তৰ্লীণ কৰি ৰাখিব। কিন্তু এই যে এইবোৰ দেখিছা, এইবোৰ মানুহৰে আস্ফালন। যি আত্মাৰত সিহঁতে দানৱক অন্তৰ্লীণ কৰিছিল, সেই আত্মাৰ সিহঁতৰ অন্তৰ্লোকত আছিল বুলি সিহঁতে জনাই নাছিল। এতিয়া সংক্ৰামক ব্যাধিৰ দৰে দানৱে সিহঁতৰ সেই জগত অধিকাৰ কৰি ল'ব ধৰিছে।'

নদীৰ ওপৰত কঁপি থকা আৱৰণ খন দেখুৱাই গুপ্তজীয়ে পুনৰ ক'লে, 'সেই যে আৱৰণখন দেখিছা, সেইখন মানুহৰ ধাৰণাৰ ফলতহে সৃষ্টি হোৱা। দৃষ্টৰ পৰা অদৃষ্টক পৃথক কৰি সিহঁতৰ কল্পনাই এক মনোৰম ৰম্যভূমি স্থাপন কৰি লৈছিল। এতিয়া সেই আৱৰণত কেনে কঁপনি উঠিছে চোৱা। সিহঁতৰ ধাৰণাৰ পৰাই যদি দৃষ্ট অদৃষ্টৰ প্ৰাৰ্থক্য অন্তৰ্হিত হয়, তেন্তে এই ৰম্যভূমিৰ কি হ'ব? সিহঁতে নাজানে, কি এক ভয়াবহ শূন্যতাৰ ধাৰণাত ৰম্যভূমি নিৰ্বাপিত হ'ব। তেতিয়া সিহঁতে ক'ত আশ্ৰয় ল'ব?'

সি সুধিলে, 'কিয়, নিয়ন্তাই জানো একো বিধি দিব নোৱাৰিব?' গুপ্তজীয়ে অৰ্থাৎ চিত্ৰগুপ্তই মূৰ জোকাৰিলে, 'অদৃষ্টৰ মালিক অৰ্থাৎ..... নিয়ন্তাও সেই শূন্যতাৰ ধাৰণাৰ ভিতৰত অন্তৰ্হিত হ'ব। আৰু নিয়ন্তাও এক পৰম কম্পিউটাৰৰ সংযোগৰাহী এক পৰম ওৱেবহে। কম্পিউটাৰত তথ্য নাথাকিলে প্ৰশ্নৰ উত্তৰ কম্পিউটাৰে দিব নোৱাৰে। মানুহৰ জিঘাংসাৰ এই কণ সিহঁতৰ শুভ ঐতিহ্যই নিয়ন্তাৰ ওৱেবত নিদিলে। মই মালিকক সুধি আছো, মালিক, কি ঘটিছে কওঁক, কি বিধিৰে আপুনি আত্মঘাতী মানুহক দানৱৰ ভাইৰাচৰ পৰা মুক্ত কৰিব? মালিকৰ কম্পিউটাৰত এই প্ৰশ্নৰ কোনো উত্তৰ নাই। মালিকে -'

গুপ্তজীৰ কথা শেষ নহ'ল। হঠাৎ আন্দোলিত হৈ থকা আৱৰণখন ভেদ কৰি এক বৃহৎ শিলাখণ্ড আহি গুপ্তজীৰ তম্বুৰ ওপৰত পৰিল। তম্বু বিধ্বস্ত হৈ গ'ল।

সিটো পাৰৰ উন্মাদ কিৰিলিবোৰ উল্লসিত হৈ এইটো পাৰত লুটি-বাগৰ খাবলৈ ধৰিলে। ৰম্যভূমিৰ পবিত্ৰ শূন্যতাক সেই কিৰিলিবোৰে গ্ৰাস কৰিবলৈ ধৰিলে।



# মিহিৰ কান্ত বৰুৱা

**জন্ম :** ৮ ফেব্ৰুৱাৰী ১৯৩১ খ্ৰীষ্টাব্দত শিৱসাগৰত।

**পৰিচয় :** পিতৃ প্ৰয়াত সুশীলকান্ত বৰুৱা, মাতৃ প্ৰয়াত প্ৰেমলতা বৰুৱা, ভাই-ভনীসকল ক্ৰমে - শ্ৰী আদিত্যকান্ত বৰুৱা, শ্ৰীবিশ্বদ্বীপ বৰুৱা, নীলিমা বৰুৱা, শ্ৰীমতী অঞ্জলি হাজৰিকা, শ্ৰীমতী বন্তি বৰুৱা, শ্ৰীমতী জয়শ্ৰী মেধি।

**শিক্ষা :** শিৱসাগৰ টাউনস্থিত ১ নং ল'ৰাৰ প্ৰাইমাৰী স্কুলৰ পৰা প্ৰাথমিক শিক্ষা, শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা মধ্যমভাগ, কটন কলেজ, গুৱাহাটী; গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প'ষ্ট গ্ৰেজুৱেট, গুৱাহাটী বিশ্ববিদ্যালয় আইন কলেজৰ পৰা উচ্চ শিক্ষা।

**চাকৰিত যোগদান :** ১৯৫৩ চনত ই.এ.চি. অসম চৰকাৰ, গুৱাহাটী আৰু ১৯৫৪ চনত আই.পি.এচ. অফিচাৰ, ভাৰত চৰকাৰ।

**বৰ্তমান :** অৱসৰপ্ৰাপ্ত।

**বিবাহ :** ১৯৫৭ খ্ৰীষ্টাব্দত শিৱসাগৰৰ শ্ৰীমতী নিৰু বৰুৱা (দুৱৰা)ৰ সৈতে

বিবাহ পাশত আবদ্ধ। শ্ৰীমতী মীনাক্ষী আৰু যুগম, শ্ৰীমতী নীলাক্ষী শইকীয়া। (সন্তান)

**ভাল লগা বিষয় :** অসমীয়া গদ্য সাহিত্য - বিশেষকৈ গল্প আৰু উপন্যাস।

**সৃষ্টি :** গল্প সংকলন 'মনালিছাৰ হাঁহি' (১৯৯৭), 'প্ৰতীক্ষা' (২০০৩)। অন্যান্য ৰচনা - বিভিন্ন আলোচনীত প্ৰকাশিত অসমীয়া গল্পসমূহ।

**সামাজিক কাম :** চৰকাৰী চাকৰিয়াল হিচাপে বিভিন্ন কৰ্তব্যত ব্যস্ত থকা কালছোৱাত সামাজিক কামৰ বাবে আজৰি পোৱা বৰ কঠিন। বিশেষকৈ ইন্টেলিজেন্স বিভাগত চাকৰি কৰা কাৰণে স্বাভাৱিকতে আমাৰ দৈনন্দিন কাম-কাজত গোপনীয়তাই অধিক গুৰুত্ব লাভ কৰে। গতিকে উল্লেখনীয় ভাবে সামাজিক কামত ভাগ লোৱাৰ সুবিধা হোৱা নাছিল বুলিলেও হয়।

**ভৱিষ্যত পৰিকল্পনা :** এতিয়া বয়সে সত্তৰ দশক পাৰ হওঁ হওঁ হোৱা অৱস্থাত উপনীত হোৱাৰ সময়ত নিৰোগী শৰীৰেৰে নিজৰ আৰু পৰিয়ালৰ ভাল-বেয়ালৈ অধিক মনোযোগ দিয়াৰ বাহিৰে অন্য বিশেষ পৰিকল্পনাৰ কথা ভবা নাই।

**অসমবাসীলৈ বাৰ্তা :** পৰম শ্ৰদ্ধেয় অসমবাসী ৰাইজলৈ বাৰ্তা দিয়াৰ ধৃষ্টতা মোৰ নাই। আমাৰ পুৰণি বয়োজ্যেষ্ঠ কবিৰ ভাষাৰে মাথোন দোহাৰিবলৈ প্ৰয়াস কৰিছোঁ-

"আমি অসমীয়া,
নহওঁ দুখীয়া,
কিহৰ দুখীয়া হ'ম?
সকলো আছিল,
সকলো আছে,
নুগুনো নলওঁ নাম।"

## সংকলকৰ চমু টোকা

**মিহিৰ কান্ত বৰুৱা** — শ্ৰদ্ধেয় বৰুৱা দেৱ ভাৰতীয় আৰক্ষী সেৱাত যোগদান কৰি অসমত বেছি দিন নেথাকিল আৰু তেখেতৰ চাকৰি জীৱনৰ বেছিখিনি সময় অসমৰ বাহিৰতে কটালে। কিন্তু অসমীয়া সাহিত্য সংস্কৃতিৰ প্ৰতি তেখেতৰ যি স্পৃহা সি অবিৰতভাৱে বিচ্ছুৰিত হৈ থাকিল নতুন দিল্লীৰ পৰা। সেয়ে ১৯৯৭ চনত 'মনালিছা' আৰু ২০০৩ চনত 'প্ৰতীক্ষা' নামেৰে দুখন গল্প সংকলন তেখেতে ছপা কৰি অসমীয়া সংস্কৃতিৰ বেদীত অৰ্পণ কৰে। তেখেত এজন ভাল গল্পকাৰ বুলি ইতিমধ্যে চৰ্চিত হৈছে। বৰ্তমানো নতুন দিল্লীত বসবাস কৰা মিহিৰ কান্ত বৰুৱাদেৱে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ আগলৈকে সাহিত্য সাধনা কৰি আছিল। বৰ্তমানো কাকত আলোচনীত তেখেতে লিখি আছে। সেয়ে লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ সেই বিখ্যাত কবিতা 'আমি অসমীয়া নহও দুখীয়া'টোকে অসমবাসীক বাৰ্তা হিচাবে প্ৰেৰণ কৰা কথাটোৱে তেখেতৰ অসম প্ৰেমৰ কথা জলজল-পটপটকৈ প্ৰমাণ কৰি দিয়ে।

# ৰঘুমলা

## মিহিৰকান্ত বৰুৱা

হোটেলখন বৰ ডাঙৰো নহয়, সিমান সৰুও নহয়। মজলীয়া ধৰণৰ। নগৰখনৰ প্ৰায় মাজ ভাগতে। ঘাই ৰাস্তাৰ ওপৰতে। ৰেল ষ্টেছন, টেক্সী ষ্টেণ্ড, চৰকাৰী-বেচৰকাৰী বাছ ষ্টেণ্ড আৰু ইণ্ডিয়ান এয়াৰ লাইনছৰ অফিচৰ পৰা বেছি দূৰ নহয়। লাগ বুলিলেই ৰিক্সা বা অটো-ৰিক্সা পোৱা যায়। হোটেলখনত খোৱা-থকাৰ ভাল ব্যৱস্থা আছে।

চাৰি মহলীয়া হোটেলৰ একো একো মহলাত ষোলটাকৈ মুঠ তিনিকুৰি চাৰিটা কোঠা আছে। তাৰ বাহিৰেও লাউঞ্জ, ৰিচেপশ্যন, ৰেষ্টুৰাঁ, বিয়েৰ বাৰ আদিও আছে। আজিকালি ভালেমান হোটেলৰ দুই-একোটা কোঠা দীঘলীয়া বন্দবস্তত ভাড়ালৈ লৈ অফিচ খোলাতকৈ বহুত কম খৰচতে হয়। জঞ্জালো কম।

হোটেলটোৰ একেবাৰে ওপৰতলাত তেনেকুৱা কোঠা এটা লৈয়েই আমাৰ কোম্পানীটোৱে সৰুকৈ অফিচ খুলিছিল। অলপ দিন ময়ো তাত চাকৰি কৰি আছিলো। নিজে থকা আৰু খোৱাৰ ব্যৱস্থাও একেটা হোটেলতে কৰি লৈছিলো। মাৰ্কেটিং ডিপাৰ্টমেণ্টৰ কাম - প্ৰায়েই বাহিৰলৈ টুৰত যাব লাগে। হোটেলত থাকোঁ কাৰণে ঘপককৈ এফালে গুচি যাবলগীয়া হ'লেও একো চিন্তা কৰিবলগীয়া নাই। দুৱাৰখনত তলা মাৰি ৰিচেপশ্যনিষ্টক চাবিটো দি ওলাই গ'লেই হ'ল।

মই আছিলো দুমহলাৰ কোঠা এটাত। চাৰি মহলাৰ ওপৰত অফিচ। লিফ্‌ট আছে-কিন্তু ইলেক্ট্ৰিচিটি নেথাকিলে লিফ্‌ট অচল। কেতিয়াবা আধা উঠোতেই কাৰেণ্ট নাইকিয়া হৈ গ'লে লিফ্‌টৰ ভিতৰতে বন্দী হৈ থাকিব লাগে। সেই কাৰণেই মই প্ৰায়েই চিৰি বগাই উঠা-নমা কৰোঁ। লিফটমেনৰ নাম - পদম বাহাদুৰ। পদম বাহাদুৰ গুৰুং। নেপালী মানুহ। হোটেলৰ আৰম্ভণিৰ পৰাই লিফ্‌ট চলাইছে। একেটা কম্পাউণ্ডৰ ভিতৰতে থকা আউট-হাউছৰ সৰু কোঠালি এটাত তাৰ কোৱাৰ্টাৰ। অকলশৰীয়া মানুহ। নিজে ৰান্ধি-বাঢ়ি খায়। খোৱা আৰু শোৱা সময়খিনিৰ বাহিৰে পদম বাহাদুৰক সকলো সময়তে লিফ্‌টৰ ভিতৰত, নহ'লে ওচৰে-পাজৰে পোৱা যায়। মই যদিও প্ৰায়ে চিৰিয়েদিয়েই উঠা-নমা কৰোঁ- বৰকৈ লিফ্‌ট ব্যৱহাৰ নকৰোঁ, তথাপি মোক দেখিলে পদম বাহাদুৰে দূৰৰ পৰাই মিলিটেৰী কায়দাত চালাম এটা দিবলৈ কেতিয়াও নেপাহৰে। ময়ো অৱশ্যে সপ্তাহে দহ দিনে দুই-চাৰিটা টকা বকচিচ দিবলৈ নেপাহৰোঁ। পিছে মোক দেখিলেই চালাম দিয়ে কাৰণে মই বকচিছ দিওঁ নে মই বকচিছ দিওঁ কাৰণে পদম বাহাদুৰে চালাম দিয়ে সেইটো প্ৰশ্নৰ মীমাংসা কৰা কঠিন।

পদম বাহাদুৰ এই কাহিনীৰ নায়ক নহয়-নায়ক হোৱাৰ যোগ্যতা পদম বাহাদুৰৰ

নাই। বৰ বেছি সুত্ৰধাৰ বুলি ক'ব পৰা যায়।

দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে পদম বাহাদুৰৰ লগত মোৰ একপ্ৰকাৰ ঘনিষ্ঠতা গঢ়ি উঠিল। সময় পালেই মোৰ ওচৰলৈ আহি দুই-এষাৰ কথা পতা বা দুই এটা খবৰ দি যোৱাটো পদম বাহাদুৰৰ দৈনন্দিন ৰুটিনত পৰিণত হ'ল। হোটেলখনৰ বাহিৰে-ভিতৰে ক'ত কি ঘটিছে তাৰ সম্পূৰ্ণ খবৰ পদম বাহাদুৰেই দিয়ে। সাধাৰণ একো-একোটা ঘটনাকে সজাই-পৰাই ৰহণ সানি তিলকে তাল, ঢৌটোকে বৌটো কৰাত পদম বাহাদুৰৰ তুলনা নাই।

তিলোত্তমা ৰায়মেধিৰ খবৰো মই পদম বাহাদুৰৰ পৰাই পাইছিলো। কেন্দ্ৰীয় শিক্ষা আৰু সমাজ-কল্যাণ দপ্তৰৰ মধ্যম স্তৰৰ বিষয়া তিলোত্তমা ৰায়মেধি চৰকাৰী কামত এই চহৰখনলৈ মাজে মাজে আহে আৰু আহিলেই এই হোটেলখনতেই কেইদিনমান থাকে। আন চৰকাৰী বিষয়াৰ দৰে চাৰ্কিট হাউছত কিয় নেথাকে তাৰ কাৰণটোও পদম বাহাদুৰেই মোক জনাইছিল। হোটেলৰ মেনেজাৰৰ পৰা আৰম্ভ কৰি বিয়েৰাৰলৈকে সকলোৱে তিলোত্তমা ৰায়মেধিক বৰ খাটিৰ কৰে। কেইবাজনো মন্ত্ৰী-বিধায়কৰ পৰা আৰম্ভ কৰি উচ্চ বিষয়ালৈকে সকলোৰে লগত তিলোত্তমা ৰায় মেধিৰ ঘনিষ্ঠতা আছে। সুদৰ্শনা, সুদেহী, সুবেশী, সুহাসিনী, সুমধুৰ ভাষিণী তিলোত্তমাৰ বয়স অনুমান কৰা কঠিন।

এদিন পদম বাহাদুৰ আহি খবৰ দিলে- "বাইদেউ আহি পাইছে।" মই সুধিলো - "কোন বাইদেউৰ কথা কৈছাহে?"

"ৰায়মেধি বাইদেউ। আপুনি আগতে দেখা নাই হ'বলা? নতুনকৈ আহিছেতো!"

পদম বাহাদুৰে একে উশাহে তিলোত্তমা ৰায়মেধিৰ বিষয়ে মোক যিমানখিনি বৰ্ণনা দিলে তাৰ পৰা মোৰ ধাৰণা হ'ল যে তেওঁৰ লগত চিনাকি হোৱাটো মোৰ কাৰণে বৰ প্ৰয়োজনীয় কথা। আমাৰ কোম্পানীৰ কাৰণে অত্যন্ত জৰুৰী ভালেমান পৰি থকা কাম বিভিন্ন চৰকাৰী অফিচত খৰখেদাকৈ সম্পূৰ্ণ কৰাবলৈ হ'লে তিলোত্তমা ৰায়মেধিৰ সহায় লবই লাগিব। কেইবামাহো চেষ্টা কৰিও যি কাম মই বিশেষ আগবঢ়াব পৰা নাই, তিলোত্তমা ৰায়মেধিৰ এষাৰ কথাই হয়তো বহুত আগবঢ়াই নিব পাৰিব।

বুদ্ধিটো অৱশ্যে পদম বাহাদুৰেই দিলে। "চাৰ, কাইলৈ বাইদেউৰ জন্মদিন বুলি শুনিছোঁ। এই উপলক্ষ্যে হোটেলৰ ফালৰ পৰা সৰু-সুৰা পাৰ্টি এটা দিয়াৰ কথা ওলাইছে। কেইবাগৰাকীও মন্ত্ৰী আৰু গণ্যমান্য পুৰুষ-মহিলাকো টেলিফোন যোগে নিমন্ত্ৰণ কৰিছে বুলি গম পাইছোঁ। বাইদেউৰ লগত চিনাকি হ'বলৈ এই সুবিধাটো ল'ব পাৰে দেখোন!"

পদম বাহাদুৰৰ পৰামৰ্শ একেবাৰে দলিয়াই পেলাবলগীয়া নহয় যেন লাগিল। এবাৰ চেষ্টা কৰি চোৱাত কিনো আপত্তি থাকিব পাৰে? মোৰ কামটো হৈ যায় যদিতো ভালেই কথা, নহ'লেও নাই। এগৰাকী সুন্দৰী ভদ্ৰমহিলাৰ লগত চিনাকি হ'ব পৰাটোওতো কম লাভৰ কথা নহয়।

ৰাতিপুৱাই নৈৰ পাৰত থকা ফুলৰ দোকানখনলৈ গৈ এটা ধুনীয়া "বুকে" কিনি আনিলোঁগৈ, ৰঙা গোলাপ আৰু ৰজনীগন্ধা মিলাই দেখিবলৈ বেছ সুন্দৰ হৈছে বুলি ভাবিলো। লগতে কিবা এটা ভাল প্ৰেজেন্ট দিব পৰা হ'লে ভাল আছিল। কি দিব পৰা যায় ভাবি-চিন্তি চালো। প্ৰথমবাৰৰ চিনাকিতে বৰ বেছি ডাঙৰ আৰু সৰহ দামৰ উপহাৰ দিয়াটো উচিত যেন নালাগিল। মানুহে কিবা ভাবিব পাৰে। সৰু অথচ ভাল কিবা এটা দিব লাগিব। বস্তুটো এগৰাকী সুন্দৰী ভদ্ৰমহিলাৰ উপযোগী হ'ব লাগিব। সাধাৰণতে মোৰ লগত আমাৰ কোম্পানীৰ ফালৰ পৰা এইদৰে উপহাৰ দিবৰ কাৰণে কিবাকিবি বস্তু থাকে। মহিলাৰ উপযোগী উপহাৰ খুব কমেই আছিল। তাৰ ভিতৰত বাছি বাছি এটা ভাল বস্তু পালোঁগৈ - পাৰফিউম এবটল। কিনিবলৈ পোৱা ৰেভলন-ইণ্টিমেট জাতীয় বস্তু নহয়। বিশুদ্ধ ফৰাচী পাৰফিউম, অতি মৃদু সুগন্ধ। বটলটোও আকৰ্ষণীয়। ভালকৈ পেক কৰি তাৰ লগত জন্মদিনৰ শুভ-কামনা জনাই কাৰ্ড এখনো ভৰাই দিলো - অন্ততঃ মই দিছোঁ বুলি জানিব।

পদম বাহাদুৰ লিফ্টৰ ওচৰতে থিয় হৈ আছিল। সি উপযাচিয়েই খবৰ দিলে - বাইদেউ পুৱাতে মন্দিৰলৈ গৈছিল, অলপ আগতে আহি পাইছে। এতিয়া নিজৰ ৰুমতে আছে। দুই-চাৰিজন মানুহ ইতিমধ্যে লগ পাবলৈ বুলি যোৱা দেখা গৈছে। ময়ো দেৰী নকৰি তেওঁৰ ৰুমৰ ফালে আগবাঢ়িলো। ভিতৰত কেইজনমান মানুহ বহি আছিল। মই পোনে পোনেই সোমাই গৈ জন্মদিনৰ শুভ-ইচ্ছা জনাই ফুলৰ "বুকে" আৰু প্ৰেজেণ্টটো আগবঢ়াই দিলো। তেওঁ মিঠা হাঁহি এটা মাৰি বস্তুকেইটা হাত পাতি লৈ ধন্যবাদ বুলি ক'লে। মুখেৰে আন একো নক'লেও মোক যে চিনি পোৱা নাই সেইটো চকুৰ চাৱনিতে প্ৰকাশ পালে। ময়ো অপ্ৰস্তুত যেন বোধ কৰিছিলো যদিও নিজেই নিজৰ চিনাকীটো দিয়া ভাল হ'ব বুলি ভাবোঁতেই হোটেলৰ মেনেজাৰ সোমাই আহিল। ভাগ্যে তেওঁ যেনিবা মোৰ পৰিচয় দিয়া কাৰণে পৰিস্থিতিটো কিছু সহজ হৈ পৰিল। ফুলৰ তোড়াটোৰ ওপৰত হাত ফুৰাই তিলোত্তমা ৰায়মেধিয়ে মোৰ ফালে চাই ক'লে, "আপোনাৰ লগত চিনাকি হৈ ভাল লাগিল।" মই লগে লগে উত্তৰ দিলো, "সেয়া মোৰেই সৌভাগ্য।" তেওঁ ক'লে, "আকৌ লগ পাম বাৰু।" ময়ো বিদায় লৈ ৰুমটোৰ পৰা ওলাই আহিলো।

সন্ধিয়ালৈ আয়োজন কৰা জন্মদিনৰ পাৰ্টিলৈ হোটেলৰ মেনেজাৰে মোকো নিমন্ত্ৰণ কৰি থৈ গ'লহি। পিছে মইহে নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিলো। বিশেষ জৰুৰী কাম থকা কাৰণে এফালে যাবলগীয়া আছিল। ঘূৰি আহোঁতে বহুত ৰাতি হ'ল। লিফ্টৰ ভিতৰত পদম বাহাদুৰে খবৰ দিলে - আজি বৰ ডাঙৰ পাৰ্টি হৈছিল। দুজনমান মন্ত্ৰী, কেইবাজনো এম.এল.এ আৰু ভালেমান অন্যান্য বিশিষ্ট অতিথি উপস্থিত আছিল। মেনেজাৰ চাহাবে আপোনাৰ খবৰ লৈছিল - ৰুমত তলা দেখি মোক সুধিছিল। মই ক'লো বোলো আপুনি বাহিৰত গৈছে। বাইদেৱেও আপোনাৰ কথা মেনেজাৰ চাহাবক সুধিছিল হেনো। মই মনে মনে থাকিলো। পদম বাহাদুৰে কৈ গ'ল, "এইবাৰ আপোনাৰ

কাম হৈ যাব দিয়ক - বাইদেউক কথাটো ক'লেই হৈ যাব চাৰ।"

পিছদিনা হোটেলৰ মেনেজাৰে মোক খবৰ দিলে, "বাইদেৱে আপোনাক লগ পাব বুলি কৈছে। সময় পালে এবাৰ গৈ আহিব।" মই শলাগি থ'লো। এইটো চান্স এৰিব নোৱাৰি। চৰকাৰী অফিছত বহুত দিনৰ পৰা পেলাই থৈ দিয়া কামটো কৰাই দিব পাৰিলে বৰ সুবিধা হ'ব। সংশ্লিষ্ট বিভাগত মই প্ৰায়েই খবৰ লওঁগৈ। তলৰ পৰা ওপৰলৈকে সকলোৱেই আশা দিয়ে - হৈ যাব। কিন্তু নহয়হে নহয়। ফাইলটো ইফালৰ পৰা সিফালে লৰচৰ কৰাবলৈকে মোৰ হাতত থকা ডিচক্ৰিশ্বনেৰী ফাণ্ডৰ পৰা কমখিনি টকা খৰচ হোৱা নাই!

তিলোত্তমা ৰায়মেধিৰ জন্মদিন উপলক্ষ্যে পতা পাৰ্টিলৈ অহা অতিথিসকলৰ কথা শুনি ভাবিলো- তেওঁ ইচ্ছা কৰিলে মন্ত্ৰীক কৈ মোৰ কামটো সোনকালে কৰাই দিব পাৰিব নিশ্চয়। চেক্ৰেটেৰীয়ে সিদিনা কথাই কথাই কৈছিল, "মন্ত্ৰীয়ে আপোনাৰ ফাইলটো ক্লিয়াৰ কৰা নাই। কিবা নহয় কিবা কাৰণ দেখুৱাই ঘূৰাই দিয়ে।" তাতকৈ বেছি অন্য একো কথা নক'লেও চেক্ৰেটেৰীয়ে মুখ টিপি হঁহা যেন দেখি বুজিলো যে মন্ত্ৰীয়েও শুদা হাতে ফাইলত চহী কৰাৰ আশা নাই।

চৰকাৰী বিভাগটোত মই যিমান মানুহ পালো- কোনেও আমাৰ প্ৰজে'ৰ ফাইলটোৰ বিষয়ে একেকোৱেই সঁচা কথাটো কৈ নিদিয়ে। এই সংক্ৰান্তত কৰিবলগীয়া কামখিনি কৰি দিওঁতে তাৰ বিনিময়ত বহুত কিবাকিবি বিচাৰে। অকণো লুকঢাক নাই। কাৰোবাৰ হাতৰ তলুৱা খজুৱায়- বিমানেৰে দূৰৰ ক'ৰবালৈ যাবলৈ টিকটৰ যোগাৰ কৰি দিব লাগে, নিজৰ বাবে নহ'লেও পৰিয়ালৰ কাৰোবাৰ কাৰণে। কোনো কোনোৱে আকৌ ভাবে যে জেপটো গধুৰ হৈ নেথাকিলে মূৰটো চিধা হৈ নাথাকে- মূৰটো বেলেন্স কৰিবলৈ হ'লে দুয়োফালৰ জেপ দুটা সমানে গধুৰ কৰি দিব লাগে। কাৰোবাৰ পেট কুৰকুৰ কৰে- ভাল দামী হোটেলত ডিনাৰ-লাঞ্চৰ নিমন্ত্ৰণ নেপালে শান্ত নহয়। আৰু বহুতো গুপুত কথা আছে- বেছিকৈ বহলাবৰ মন নাই। ৰঘুমলাৰ জাত!

পদম বাহাদুৰে খবৰ লৈয়ে আছে- বাইদেউক লগ ধৰিলোনে নাই। মই জবাব দিওঁ - "নাই, এতিয়াও হোৱাগৈ নাই। তেখেত দেখোন বৰ ব্যস্ত মানুহ। এই মুহূৰ্তত দেখিবা কমৰ ভিতৰত কাৰোবাৰ লগত আলোচনা কৰি আছে - পিছমুহূৰ্ততে গাড়ীত উঠি কেনিবা ওলাই গ'লেই। দিনটো প্ৰায় দেখাই নেপাওঁ। ৰাতিও কেতিয়া ঘূৰি আহে ঠিকেই নাই দেখোন। কেনেকৈনো লগ ধৰিবা?"

"ঠিক আছে চাৰ- মই আপোনাক খবৰ দিম, আপুনি লগে লগে আহি যাব।" পদম বাহাদুৰে আশ্বাস দিলে। লিফটৰ পৰা ওলাৱৰ সময়ত তাক দহ টকীয়া নোট এখন দিলো। সি দীঘলকৈ চালাম এটা দিলে।

ৰাতিপুৱা ব্ৰেকফাষ্ট কৰি অফিছলৈ যাবলৈ সাজু হৈছো। পদম বাহাদুৰে খৰমুৰাই আহি ক'লেহি- "চাৰ, সোনকালে কৰক। বাইদেউ আজি প্ৰেনত যাবগৈ বোলে। এতিয়াই

নগ'লে আপুনি লগেই নেপাব। যাওক, ৰুমতে আছে-।"

মই খৰধৰকৈ গৈ দেখোঁ - তিলোত্তমা ৰায়মেধি তেওঁৰ ৰুমতে আছে; আৰু দুজন কোনোবা মানুহ বহি আছে। মোক দেখি তেওঁ "আহক, আহক" বুলি মাতি নি বহিবলৈ ক'লে। ই দুজন মানুহক বিদায় দিলে। তেওঁলোকে ওলাই যোৱাৰ পিছত তিলোত্তমা ৰায়মেধিয়ে দুৱাৰখন জপাই মোৰ ওচৰত চ'ফাখনতে বহিল।

"আপোনাৰ লগত সিদিনা চিনাকিহে হ'লো- ভালকৈ দুআষাৰ কথাই পতা নহ'ল।" তেওঁ ক'লে-।

"আপুনি বৰ ব্যস্ত কাৰণে ময়ো লগ ধৰিবলৈ সুবিধাই পোৱা নাই।"

"ব্যস্তনো আৰু কি? কেইদিনমানৰ কাৰণে আহোঁ। ইমানবোৰ কাম কৰিবলগা থাকে। লগ পাবলৈ অহা মানুহৰো সীমা-সংখ্যা নাই। কি কৰিম কওক?"

"ঠিকেই কৈছে। উপায়তো নাই।" মই ক'লো।

"অ' জন্মদিনৰ উপহাৰটো পাই বৰ ভাল লাগিল দেই। আচলতে মই পাৰফিউম বস্তুটো বৰ ভাল পাওঁ। তাতে জেনুইন ফৰাচী পাৰফিউম। আপুনি যে মোৰ একেবাৰে পছন্দৰ বস্তুটো কেনেকৈ আন্দাজ কৰিলে তাকেহে ভাবি আচৰিত হৈছোঁ।"

"সেইটোনো কি কথা? আপুনিযে সামান্য সেই বস্তুটোৰ কথা মৰম কৰি মনত ৰাখিছে- মোৰ কাৰণে সেয়ে বহুত।"

"নহয় নহয়, কত মানুহে যি কোনো এটা উপলক্ষ্য কৰি কত কি প্ৰেজেণ্ট দিয়েহি- নলৈ উপায় নাই। কিন্তু প্ৰত্যেকৰে কিবা নহয় কিবা এটা স্বাৰ্থ থাকেই। আপোনাৰ কথাটো এই কাৰণেই মনত ৰৈ গ'ল যে কোনো স্বাৰ্থ থাকেই। আপোনাৰ কথাটো এই কাৰণেই মনত ৰৈ গ'ল যে কোনো স্বাৰ্থ নোহোৱাকৈয়ে আপুনি ইমান সুন্দৰ পাৰফিউম এটা উপহাৰ দিছিল।"

"অন্ততঃ সেই সূত্ৰেই যে আপোনাৰ নিচিনা এগৰাকী বিখ্যাত মহিলাৰ লগত চিনাকি হোৱাৰ সুযোগ পালো- এইটো জানো মোৰ কাৰণে কম ডাঙৰ কথা?"

"আপুনি কথাবোৰ সজাই পৰাই বৰ ধুনীয়াকৈ ক'ব জানে দেই। আপোনাৰ লগত কথা পাতি বেছ ভাল লাগিল।"

"মোৰেই সৌভাগ্য। ভাল বাৰু, আপোনাৰ বোধকৰোঁ এতিয়া এয়াৰপৰ্টলৈ যাবৰ সময় হবৰে হ'ল। মই আহোঁ তেন্তে।" মই বিদায় ল'লো।

"পিছৰ বাৰ আহিলে লগ ধৰিব দেই। আৰু মই যদি কিবা সহায় কৰিব পাৰোঁ, ক'বলৈ অকণো সঙ্কোচ নকৰিব কিন্তু।"

মই তেওঁৰ ৰুমৰ পৰা ওলাই আহি মোৰ অফিচত বহিলোহি। মোৰ ফাইলটো যে মন্ত্ৰীৰ টেবুলত পৰি আছে - তেওঁক কোনাই নহ'ল। আবেলি পদম বাহাদুৰে লগ পাই খবৰ ল'লে- "চাৰ, আপোনাৰ কামটো হ'লগৈনে?"

"নাই হেঁ- কথাটো ক'বলৈ সুবিধাকে নেপালো। তেওঁ পিছৰ বাৰ আহিলে

লগ ধৰিব লাগিব।"

"ছেঃ বৰ বেয়া কথা হ'ল চাৰ। আকৌ বা কেতিয়া আহে ? আপোনাৰ জৰুৰী কামটো দেৰী হৈ গৈ আছে নহয় !" মোতকৈ পদম বাহাদুৰৰহে বেছি চিন্তা লাগিল। এৰা, কামটো দেৰী হৈ গৈ আছে। কোম্পানীৰ ৫০ লাখ টকাৰ প্ৰজে"টো মন্ত্ৰীৰ চহী নহ'লে আৰম্ভ কৰিব পৰা নহ'ব। আমাৰ হেড অফিছে খনে খনে ৰিমাইণ্ডাৰ দিয়েই আছে। ময়ো সোনকালে হ'বৰ আশা আছে বুলি কৈ আছোঁ। মোৰ বদনামেই হ'বগৈ যেন পাইছোঁ।

ভাবি-চিন্তি নিজেই মন্ত্ৰীক লগ ধৰোঁগৈ বুলি ওলালো। আগতেও দুবাৰমান তেওঁক লগ ধৰিবৰ চেষ্টা কৰিছিলো। কিন্তু মিডল-মেনৰ সহায় নোহোৱাকৈ লগ ধৰাৰ সুবিধা নেপালো। পি.এ.গৰাকীক মোৰ কাৰ্ডখন দি মন্ত্ৰীক লগ ধৰাৰ বাবে এপইণ্টমেণ্ট এটা দিবলৈ অনুৰোধ জনালো। তেওঁ একে আষাৰেই জবাব দিলে বোলে মন্ত্ৰী বৰ ব্যস্ত মানুহ। এপইণ্টমেণ্ট দিয়াটো টান। তথাপি দুসপ্তাহমান পিছত এবাৰ খবৰ লৈ চাব পাৰে বুলি ক'লে। মই বেছ হতাশ হ'লো। সুৰঙা এটা পাই বিভাগীয় চেক্ৰেটেৰীজনকে লগ ধৰিলোগৈ। তেওঁ মোক দেখিয়েই ক'লে, "চাওঁক মই হেল্পলেছ। আপোনাৰ ফাইল মই পুট আপ কৰিবলৈ মন্ত্ৰীৰ পি.এ. লৈ পঠাইছিলো। কিন্তু ফাইল আহি মন্ত্ৰীৰ টেবুলৰ পৰা আকৌ মোৰ টেবুল পালেহি। আপুনি কিবা এটা মন্ত্ৰ শিকি আহক- তেহে যদি মন্ত্ৰীৰ কৃপা দৃষ্টি লাভ কৰিব পাৰে।" চেক্ৰেটেৰীৰ কথাত ইঙ্গিতটো স্পষ্ট। এই কথাই কথা নহয়। এইবাৰ তিলোত্তমা ৰায়মেধিক যেনেতেনে ধৰিব লাগিব। তেওঁতকৈ ভাল মিডল-মেন ক'ত পাম ?

লিফটৰ ভিতৰত আন কোনো নথকা দেখি পদম বাহাদুৰে সুবিধা পাই ক'লে- "চাৰ, আজি চাহ একাপকে খাবলৈ পোৱা নাই ! গৰীব মানুহ, মাহৰো শেষ।" জেপৰ পৰা পাঁচটকীয়া নোট এখন দিলো। সি মোৰ কামটো আগবাঢ়িছে নে নাই খবৰ ল'লে। মই মূৰ জোঁকাৰিলো। সি বিজ্ঞৰ দৰে ক'লে, "চাৰ মই ইমানকৈ ক'লো বোলো বাইদেউক এবাৰ সুধি চাওকচোন- কামটো যেনেতেনে কৰাই দিব পাৰিলেহেতেঁন। আপুনি বাইদেউক একোকে নক'লে।"

"এইবাৰ আহিলে ক'ম দিয়া। নহ'লে অন্য উপায় নাই যেন লাগিছে।"

"বাইদেউ আহিবৰ হৈছে কিন্তু।"

"ঠিক আছে। তুমি খবৰ ৰাখিবা।" দুদিনমানৰ কাৰণে হেড অফিছলৈ যাবলগীয়া হ'ল। কোম্পানীৰ মেনেজিং ডাইৰেক্টৰৰ লগত প্ৰজে"ৰ বিষয়ে আলোচনা হ'ল। মন্ত্ৰীয়ে যে নানান অজুহাত দেখুৱাই ফাইলত চহী কৰিবলৈ লেহেম কৰি আছে- বুজাই ক'লো। চেক্ৰেটেৰীয়ে যিটো ইঙ্গিত দিছিল সেই বিষয়েই কথা পাতিলো। এম.ডি.য়ে- ক'লে যে প্ৰজে"টো দেৰী হৈ গৈ থাকিব- বৃহৎ পৰিমাণৰ বেঙ্ক ইণ্টাৰেষ্ট ভৰি থাকিব লাগিব। গতিকে যেনেতেনে খৰধৰকৈ কৰাব লাগিব- "এট্ এনি কষ্ট"।

তাৰ বাবে যি'ত যি দিব লাগে দিলেও বিশেষ লোকচান নাই

যুৱি অহাৰ পিছদিনাই পদম বাহাদুৰৰ পৰা গম পালো- বাইদেউ আহি আছে। সি হেনো হৰিজন বস্তিত পষ্টাৰ দেখি আহিছে- গান্ধী জয়ন্তীৰ দিনা তাত ডাঙৰ মিটিং হ'ব। বাইদেৱেও বোলে ভাষণ দিব। মই তাক কৈ থলো যাতে তেওঁ আহি পালেই মোক খবৰ দিয়ে এইবাৰ তেওঁক লগ ধৰি কথাটো ক'বই লাগিব - কামটো যেনেতেনে খৰধৰ কৰাৰ লাগিব

কিন্তু গান্ধী জয়ন্তীৰ দিনা তিলোত্তমা ৰায়মেধিৰ দেখা-দেখিয়েই নাই। হোটেলৰ মেনেজাৰেও একো খবৰ পোৱা নাই বুলি ক'লে। অহা হ'লেতো হোটেলতে থাকিলহি হেঁতেন। তাৰ মানে নাহিলেই চাগে। সন্ধিয়া হোটেলৰ লাউঞ্জতে বহি টি.ভি. চাই আছিলো। চাৰে সাত বজাৰ অসমীয়া বাতৰিত দেখিলো- হৰিজন বস্তীৰ সভাখনত মঞ্চৰ ওপৰত বহি থকা তিলোত্তমা ৰায়মেধি। তাৰ মানে তেওঁ আহি পাইছে ঠিকেই। হৰিজন বস্তীৰ মাদক দ্ৰব্য নিবাৰণী সভাত বক্তৃতাও দিছে। কিন্তু আগে পিছে থকাৰ দৰে এইখন হোটেলত থকা নাই পদম বাহাদুৰ ওচৰতে আছিল. সিও টি.ভি. চাইছিল। তাকে ক'লো- খবৰটো ল'বলৈ।

পিছদিনা মোৰ অফিছত বহি কাম কৰি আছোঁ। হঠাত দেখিলো- তিলোত্তমা ৰায়মেধি সোমাই আহিছে মই সশব্যস্তে চকীৰ পৰা উঠি "নমস্কাৰ মেডাম, হোৱাট্ এ প্লেজেণ্ট চাৰপ্ৰাইজ" বুলি তেওঁক বহিবলৈ অনুৰোধ কৰিলো। লগে লগে টেলিফোনৰ বুটামটো টিপি ওচৰৰ এণ্টি-ৰুমত থকা মোৰ চেক্ৰেটেৰী অনিতা বৰুৱাক মাতি পঠালো। তিলোত্তমা ৰায়মেধিয়ে অফিছ ৰুমটোৰ কেউফালে এবাৰ চকু ফুৰাই চাই অনিতাক সোমাই অহা দেখি ক'লে, "বেছ ধুনীয়া।" অনিতা সঁচাকৈয়ে চকুত লগা গাভৰু ছোৱালী আৰু নিজৰ ৰূপৰ প্ৰশংসা শুনাত অভ্যস্ত তথাপি তিলোত্তমা ৰায়মেধিৰ দৰে এগৰাকী গুৰুনি ভদ্ৰ মহিলাৰ মুখত ধুনীয়া শব্দটো শুনি কিছু অপ্ৰস্তুত হ'ল যদিও মই অনিতাৰ ফালে চকু টিপ মাৰি মাত লগালো- "আপোনাৰ সমান নিশ্চয় নহয়।" তিলোত্তমা ৰায়মেধিয়ে উত্তৰ দিলে, "চাওক, ক্ৰেটাৰী কৰাত আপোনাৰ সমান আৰু নিশ্চয় কোনো নাই অনিতা নিঃসন্দেহে ধুনীয়া ছোৱালী। কিন্তু মই আপোনাৰ অফিছৰ গোটেই পৰিবেশটোহে বেছ ধুনীয়া দেখি কৈছিলো- অফকৰ্ছ ইনক্লুডিং অনিতা।"

অনিতাক দুকাপ গৰম কফি কৰি দিবলৈ ক'লো। তিলোত্তমা ৰায়মেধিয়ে লগে লগে ক'লে, "ব্ৰেক কফি- ন' চুগাৰ প্লিজ।" অনিতাই হাঁহি মাৰি "ইয়েছ মেডাম" বুলি নিজৰ ৰুমলৈ সোমাই গ'ল। বিশিষ্ট অতিথি আহিলে চাহ বা কফি অনিতাই নিজেই কৰি আনে।

তিলোত্তমা ৰায়মেধিয়ে ক'লে, "চৰকাৰী অফিছবোৰত সোমালেই কিবা বিতৃষ্ণা লাগি যায়। ইমান লেতেৰা, ইমান বেচিজিল। তাৰ তুলনাত আপোনাৰ অফিছটো

সঁচাকৈয়ে বৰ সুন্দৰ!" তেওঁৰ কথা শুনি ভাল লাগিল।

"কালি আপোনাক টি.ভি.ত দেখিলো। মাদক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে আপুনি বৰ বঢ়িয়া বক্তৃতা দিছিল।" মই ক'লো।

"নাই- কিনো ডাঙৰ কথাটো। এইবোৰ বক্তৃতা আমাৰ সমাজ কল্যাণ অফিছত ৰেডিমেড কৰি থোৱা থাকে। কাগজখন অলপ ইফাল-সিফাল কৰি কিবা গাই গ'লেই হ'ল।"

ইতিমধ্যে অনিতাই আমাক দুকাপ কফি দি গ'লহি। তিলোত্তমা ৰায়মেধিয়ে কফিৰ কাপত এসোহা মাৰি ক'লে, "আপোনাক এটা অনুৰোধ কৰিব খুজিছো।"

"নিশ্চয়, কওঁক কি কৰিব লাগিব।"

"আপোনাৰ গাড়ীখন আজি অলপ দিব পাৰিব নেকি? গধূলি, এই ধৰক তিনি-চাৰি ঘণ্টামানৰ কাৰণে?"

"ন' প্ৰব্লেম। কিমান সময়ত ক'লৈ গাড়ী পঠাব লাগে কওক- মই ড্ৰাইভাৰক সেইমতে পঠাই দিম।" মই উত্তৰ দিলো।

"মই কালি আহি ডিপাৰ্টমেণ্টৰ গেষ্ট হাউছত আছিলো- লগত এজন চিনিয়ৰ অফিছাৰ আছিল কাৰণে তাতে থাকিব লগা হ'ল। আজি হোটেললৈ শ্বিফ্ট কৰিম- তেওঁ দুপৰীয়া ফ্লাইটত দিল্লীলৈ যাবগৈ। গাড়ীখন আঠমান বজাত দিব পাৰিলে ভাল হয়- মোৰ এঠাইত ডিনাৰৰ নিমন্ত্ৰণ আছিল।"

মই লগে লগে উত্তৰ দিলো- "নিশ্চয়। গাড়ীৰ কাৰণে চিন্তাই নকৰিব।"

তেওঁ আকৌ ক'লে, "অফিছৰ গাড়ী বা হোটেলৰ অন্য গাড়ী লৈ যাব খোজা নাই কাৰণেহে আপোনাক দিগদাৰি দিছোঁ- বেয়া নেপাব।"

"আপুনি অকণো সঙ্কোচ নকৰিব। গাড়ী আপোনাৰ বুলিয়েই লওকচোন।" মই ক'লো।

"বহুত ধন্যবাদ। আচলতে কি জানে- যাকে তাকে বিশ্বাসত ল'ব নোৱাৰি। অন্য গাড়ী লৈ গ'লে পিছত সিহঁতেই নানান কথা উলিয়ায়।"

"আপুনি নিশ্চিন্ত থাকক। মোৰ ড্ৰাইভাৰ খুব ৰিলায়েবল।"

কফিকাপ শেষ কৰি তেওঁ যাবলৈ উঠি ক'লে, "আপোনাক বহুত বহুত ধন্যবাদ। যদি আপোনাৰ কিবা দৰকাৰ হয়- আই এম্ এট্ ইয়ʼৰ চাৰ্ভিছ। আপোনাক যি কোনো সহায় কৰিবলৈ পালে মই সঁচাই বৰ আনন্দ পাম।"

এইটোৱেই সোণালী সুযোগ। আমাৰ কোম্পানীৰ ৫০ লাখ টকাৰ প্ৰজেক্টটো যে অতদিনে মন্ত্ৰীৰ চহী নোহোৱা কাৰণে পৰি আছে- তেওঁক বুজাই ক'লো। তেওঁ যদি অলপ কষ্ট কৰি মন্ত্ৰীৰ এপ্ৰুভেলটো সোনকালে কৰাই দিব পাৰে তেনেহ'লে বৰ উপকাৰ হয়।

তিলোত্তমা ৰায়মেধিয়ে লগে লগে উত্তৰ দিলে, "সেইটো কোনো কথাই নহয়।

আপুনি নিশ্চিন্ত থাকক। আপোনাৰ মন্ত্ৰীগৰাকী হ'লগৈ মহিলা। মই মহিলাৰ লগত সাধাৰণতে বৰ ঘনিষ্ঠতা নেৰাখোঁ। তথাপি আপুনি চিন্তা কৰিব নেলাগে। মন্ত্ৰী ভদ্ৰ মহিলাৰ স্বামী এটা ডিপাৰ্টমেণ্টৰ হাই লেভেলৰ অফিছাৰ। মই তেওঁৰ যোগেদিয়েই আপোনাৰ কামটো কৰাই দিম। আপুনি তেওঁক লগ ধৰিলেই হ'ব। মই বাৰু আগতে খবৰটো লৈ লওঁ।"

দুপৰীয়া লাঞ্চ খাবলৈ লিফ্‌টোৰে নামি যাওঁতে পদম বাহাদুৰে সুধিলে, "চাৰ, এইবাৰ আপোনাৰ কামটো হৈ যাব- নহয় জানো? বাইদেৱে নিজেই আপোনাৰ অফিছ ওলাইছেগৈ যেতিয়া। তেখেতে কৰিব নোৱাৰা একো কামেই নাই।"

মই উত্তৰ দিলো, "ৰবা চাওঁচোন। তেওঁক কৈছোঁহে- কি কৰে এথোন।"

"হ'ব চাৰ, হ'ব। মই কৈছোঁ- হ'বই হ'ব। আজি বাইদেউ বৰ ভাল মুডত আছে। গধূলি কৰবাত পাৰ্টি আছে যেন পাওঁ। হোষ্টেলৰ পৰা দুজনী ছোৱালীও আহিছে- সিহঁতেই কৈছিল।"

"ক'ৰ ছোৱালী? ক'ৰ পাৰ্টিলৈ যাবহেঁ? তুমিনো কি গাজাখুৰি কথাবোৰ কৈ থাকা।"

"এঃ নহয় চাৰ। আগতেও দেখিছোঁ নহয়- বাইদেৱে কেতিয়াবা কেতিয়াবা ছোৱালী দুজনীমান লগত লৈ ক'ৰবাত পাৰ্টি খাবলৈ যায়। মই একো গাজা দিয়া নাই চাৰ। ছোৱালী দুজনীয়ে লিফ্‌টেৰে ওপৰলৈ উঠি যাওঁতে নিজৰ ভিতৰতে কোৱা শুনিছোঁ। মোকতো মানুহ বুলি গণ্য নকৰে চাৰ, গতিকে মই শুনি থাকিলেও একো ক্ষতি নাই। হোষ্টেলৰ ছোৱালী - আজি নিজৰ লোকেল গাৰ্জেনৰ তাত থাকিবলৈ বুলি পাৰ্মিশ্যন লৈ আহিছে। আচলতে বাইদেউৰ লগত ক'ৰবাত পাৰ্টি খাবলৈ যাব। আগে-পিছেও এনেকৈ অহা দেখোঁ নহয় চাৰ।"

"বাৰু বাৰু, মনে মনে থাকা। এইবোৰ কথা কৈ ফুৰিব নেলাগে।"

"নাই চাৰ, মই কাকো কোৱা নাই। আপোনাক বুলিহে ক'লো।"

গধূলি মোৰ গাড়ীখন লৈ তিলোত্তমা ৰায়মেধি আৰু দুজনী ছোৱালী কেনিবা গ'ল। বিশেষ একো কাম নথকা কাৰণে ময়ো এনেয়ে খোজ কাঢ়ি ওলাই গ'লো। বাটতে হঠাৎ মনত খেলালে- বহুত দিনৰ মোৰ পুৰণা বন্ধু অমৰজ্যোতিক লগ পোৱা নাই। এটো এখন লৈ তাৰ তালৈকে গ'লো। ভাগ্যে সি ঘৰতে আছিল। কথা-বতৰা পাতি সময়খিনি বেছ কাটি গ'ল। বন্ধু-পত্নীয়ে ডিনাৰ খাই যাবলৈ জোৰ কৰিলে। খাই-বৈ উঠাৰ পিছত অমৰজ্যোতিয়ে গাড়ীৰে মোক হোটেলত নমাই থৈ যাওঁতে ৰাতি প্ৰায় বাৰ বাজিবৰ হ'ল।

হোটেলৰ লবীত পদম বাহাদুৰক দেখা পালো। ইমান দেৰীলৈকে সি লিফ্‌ট চলোৱা দেখি অলপ আচৰিতেই হ'লো। ভালেই হ'ল- মই চিৰি বগাবলগীয়া নহ'ল। পদম বাহাদুৰে ক'লে যে সি বাইদেউ ঘূৰি আহিবলৈকে বাট চাই আছে। কাৰণ

হেনো পার্টিৰ পৰা ঘূৰি আহি চিৰিয়েদি উঠি নিজৰ কমলৈ যোৱাটো বাইদেউৰ কাৰণে সম্ভৱেই নহয়। আজিও সেইকাৰণেই সি বাট চাই আছে।

কথাটোত মই বৰ গুৰুত্ব নিদিলো। নিজৰ কমলৈ গৈ লাইট নুমাই শুই থাকিলো।

পিছদিনা পুৱা এফালে যাবলৈ বুলি গাড়ীত উঠোতে দেখিলো- ড্ৰাইভাৰে গাড়ীখন বাহিৰে ভিতৰে ভালকৈ ধুই ৰাখিছে। চিট কভাৰবোৰো লগোৱা নাই। গাড়ীৰ ভিতৰখনত কিবা এটা গোন্ধ পালো। ড্ৰাইভাৰে বটলটোৰ পৰা স্প্ৰে' ছটিয়াই দিলতহে ভাল লাগিল। মই তাৰ ফালে চাওঁতে সি মাথোন ক'লে যে গাড়ীখন লেতেৰা হোৱা কাৰণে সি ধুই পেলালে। চিট কভাৰবোৰো ধুবলৈ দিছে।

দুপৰীয়া লিফ্টত উঠি নিজৰ কমলৈ আহোঁতে পদম বাহাদুৰে খবৰ দিলে, "চাৰ, কালি ৰাতি আপোনাৰ ড্ৰাইভাৰ নথকা হ'লে মোৰ দিগদাৰিয়েই হ'লহেঁতেন। বাইদেউক দুয়োটাই ধৰি কোনোমতেহে কমত থৈ আহিব পাৰিছো। বমি-চমি কৰিছিল হ'বলা।" নকওঁ বুলি ভাবিছিলো যদিও মুখত ওলাই গ'ল- "কেলেই, লগৰ ছোৱালী দুজনীনো কলৈ গ'ল?"

"আপোনাৰ ড্ৰাইভাৰৰ মুখতহে শুনা কথা চাৰ- সিহঁত দুজনী বোলে পাৰ্টিৰ পৰা আগতেই বেলেগ বেলেগ মানুহৰ লগত গাড়ীত উঠি গুচি গ'ল।"

মোৰ বুজিবলৈ বাকী নেথাকিল। আগদিনা হৰিজন বস্তীত মাদকদ্ৰব্য নিবাৰণী সভাত তিলোত্তমা ৰায়মেধিয়ে বক্তৃতা দিয়াৰ কথা মনত পৰি হাঁহি উঠি গ'ল। যাঃ যেয়ে যি কৰে কৰি থাকক। আমাৰ কোম্পানীৰ ৫০ লাখ টকাৰ প্ৰজে"টো ক্লিয়াৰ কৰাই ল'ব পাৰিলে তিলোত্তমা ৰায়মেধিৰ লগত ঘনিষ্ঠতাৰ কোনো প্ৰয়োজনেই নাথাকিব।

যেয়েই যি নহওক, তিলোত্তমা ৰায়মেধি কামৰ মানুহ। মোক কথা দিয়া মতেই অফিছাৰজনৰ লগত এপইণ্টমেণ্ট এটা ঠিক কৰি দিলে। মই গৈ তেওঁক লগ ধৰিলোগৈ। তেওঁ মোক খোলা-খুলিকৈয়ে ক'লে যে আমাৰ কোম্পানীৰ প্ৰজে"টো ক্লিয়াৰ কৰি দিবলৈ হ'লে আমি কিছু খৰচ কৰিব লাগিব। মন্ত্ৰীৰ নিজা সমষ্টিত এটা মন্দিৰ সজাৰ প্লেন কৰা হৈছে। আৰু দুই-চাৰিটা উন্নয়নমূলক কাম কৰিব লগা আছে। ইলেকশ্যন ওচৰ চাপিছেতো। গতিকে তাৰ আগতেই মন্ত্ৰীয়ে অন্ততঃ মন্দিৰটোৰ কামখিনি কৰাই দিব পাৰিব লাগিব।

মই তেওঁক ক'লো যে এই বিষয়ে আমাৰ মেনেজিং ডাইৰেক্টৰৰ লগত মই ইতিমধ্যে কথা পাতিছিলো। গতিকে তেওঁ যদি স্পেচিফিকেলি ডিমাণ্ডটোৰ বিষয়ে আইডিয়া দিয়ে, ভাল হয়। মই ভাবিলো- অফিছাৰজন মন্ত্ৰীৰ স্বামী যেতিয়া তেওঁ সম্পূৰ্ণ অথৰিটিৰ সৈতে মোক কথা দিব পাৰিব। তেওঁ ক'লে যে ৫০ লাখ টকাৰ প্ৰজে" হ'ব যেতিয়া এটা সামান্য পাৰ্চেণ্টেজ দিব লাগিব। মাত্ৰ এক পাৰ্চেণ্ট অৰ্থাৎ ৫০ হেজাৰ টকা। তাকো তিলোত্তমা ৰায়মেধিয়ে ইণ্টাৰেষ্ট লোৱা কাৰণেহে কমকৈ

ধৰা হৈছে। নহ'লে ১০ পার্চেণ্ট মানলৈকে উঠিলহেঁতেন।

মই আমাৰ হেড অফিচৰ লগত যোগাযোগ কৰি সোনকালে জনাম বুলি তেওঁৰ পৰা বিদায় ল'লো। তেওঁ সঁকীয়াই দিলে- কথাটো নিশ্চয় খুব কনফিডেন্সিয়েলি ৰাখিব লাগিব। আৰু এটা কথা- পেমেণ্টটো নগদ হিছাপে দিব লাগিব; চেক বা ড্ৰাফট হ'লে নচলিব। টকাটো তিলোত্তমা ৰায়মেধিৰ হাতত দিলেই হ'ব- কিন্তু কোনো ৰচিদ দিয়াৰ প্ৰশ্ন উঠিব নোৱাৰিব।

আকৌ এবাৰ হেড অফিছলৈ যাব লগীয়া হ'ল। মেনেজিং ডাইৰেক্টৰক সকলো কথা বুজাই ক'লো। তেওঁ ৫০ হেজাৰ টকা দিবলৈ মান্তি হ'ল। নগদ টকাখিনি ব্ৰীফকেছত ভৰাই লৈ মই পিছদিনা গুচি আহিলো।

তিলোত্তমা ৰায়মেধিৰ হাতত ৫০ হেজাৰ টকা দিলো। তেওঁ মোক এটা সৰু-সুৰা ভাষণেই দিলে। তেওঁৰ মতে এইবোৰ সদায় হৈ থকা কথা। মন্ত্ৰীবোতো উপায় নাই। দান বোলক, বৰঙণি বোলক, কমিছন বোলক বা খোলাখুলিকৈ ঘোচ বোলক- নল'লে কাম কেনেকৈ চলিব? নিজৰ সমষ্টিত ডাঙৰ মন্দিৰ এটা সাজিবলৈ ক'ৰপৰা ধন গোট খাব? ৰিলিজিয়ন আৰু পলিটি' সাঙোৰ খাই আছে। ভোট বিচাৰিব লাগিবতো। আগতে যেনিবা অলপ লুকঢাক আছিল- টেবুলৰ তলেদি হাত পাতি লৈছিল। আজিকালি মুকলিকৈ দৰ-দাম চলে। পাৰ্থক্য সিমানেই।

প্ৰায় লগে লগেই ফাইলত মন্ত্ৰীৰ চহী হৈ গ'ল। আমাৰ কোম্পানীৰ ৫০ লাখ টকাৰ প্ৰজে"টো আৰম্ভ কৰিবলৈ ক্লিয়াৰেন্সৰ বাট মুকলি হৈ গ'ল। বিভাগৰ চেক্ৰেটেৰীজনক লগ ধৰি খবৰ লওঁতে তেওঁ অৰ্থপূৰ্ণ হাঁহি এটা মাৰি ক'লে, "আপুনি কিবা মন্ত্ৰ-তন্ত্ৰ কৰিলেনেকি? কোনো অবজেকশ্যন নোহোৱাকৈ আপোনাৰ প্ৰজে" ক্লিয়াৰ হৈ গ'ল দেখোন?"

মই মাথোন উত্তৰ দিলো, "আপুনি নজনা কথা কিবা আছে জানো?"

কিছুদিন পাৰ হৈ গ'ল। প্ৰজে"ৰ কাম আৰম্ভ হ'ল। তিলোত্তমা ৰায়মেধিক বহুত দিন লগ পোৱা নাই। পদম বাহাদুৰে আকৌ মোকেহে প্ৰশ্ন কৰিলে, "চাৰ, বাইদেউ দেখোন এইবাৰ বহুত দিন অহা নাই। আপুনি কিবা খবৰ পায় নেকি?"

"মই কেনেকৈ জানিম? তুমিহে খবৰ ৰাখা।"

"নহয়- মানে এইবাৰ বহুত দিন একো খবৰেই নাই। সেই বাবেহে সুধিছোঁ।"

প্ৰজে"ৰ কামত ব্যস্ত হৈ পৰিব লগা হ'ল। তিলোত্তমা ৰায়মেধিৰ খবৰ ল'বলৈ সময়েই বা ক'ত? পিছে এদিন তেওঁ নিজেই আহি ওলালহি। মই আগৰ দৰেই হাঁহিমুখে সম্ভাষণ জনালো। অনিতাই আগৰ দৰেই কফি খুৱালে- ব্লেক কফি উইথ ন' চুগাৰ। এইবাৰ কিন্তু তেওঁক অলপ গহীন যেন যেন লাগিল। অলপ সময় বহি কফিৰ কাপত সোহা মাৰি কথা-বতৰা পাতিলে। আমাৰ প্ৰজে"ৰ

কাম কিমান দূৰ আগবাঢ়িছে খবৰ ল'লে। ময়ো সেই সুযোগতে তেওঁক আকৌ এবাৰ ধন্যবাদ দি ক'লো, "আপুনি মন্ত্ৰীৰ হতুৱাই ফাইলটো সহজে পাছ কৰাই নিদিয়া হ'লে আমাৰ বৰ দিগদাৰ হ'লহেঁতেন।"

"তেনে কথা নক'ব। বৰঞ্চ মই যে কিবা সহায় কৰিছিলো, তাকো পাহৰি যাওক। বিশেষকৈ কামটো কৰি দিয়াৰ বিনিময়ত আপোনালোকে যে কিবা এটা দিবলগীয়া হৈছিল, সেই কথা ভুলতো কাৰো আগত নুলিয়াব। মোৰ নামটো যে নলবই। চি.বি.আই. এনকোৱাৰী চলিছে বুলি শুনিছোঁ- সাৱধানে থকাই ভাল।" তিলোত্তমা বায়মেধিয়ে ফুচফুচাই কোৱাদি ক'লে।

মই ক'লো "বাদ দিয়ক। আজিকালি এইবোৰ ধান্দাই ভাল চলিছে। প্ৰজে"ৰ ফাইলটো গাপ দি থৈ দিয়া আৰু টাটা টি কোম্পানীৰ অফিছাৰ বলীন বৰদলৈক অপহৰণ কৰি লুকুৱাই ৰখাৰ মাজত মূলগত পাৰ্থক্য কিবা আছে জানো? এটা ঘটিছে চৰকাৰী অফিছৰ ভিতৰত আৰু ইটো ঘটিছে উগ্ৰবাদীৰ গোপন ঘাটিৰ ভিতৰত। দুয়োটাৰে লক্ষ্য একেই- পৰিমাণ কম-বেচি হ'ব পাৰে। ৫০ লাখ হওক বা ১৫ কোটি টকা মূল্যৰ ডলাৰ হওক। কাৰোবাৰ হাথিয়াৰ এ.কে. ৪৭ ৰাইফল আৰু কাৰোবাৰ হয়তো আপোনাৰ দৰে সুন্দৰী মহিলাৰ মুখৰ মিচিকিয়া হাঁহিটো। বেয়া নেপাব দেই- মই এটা তুলনামূলক কল্পনাহে কৰি চাইছোঁ।"

তিলোত্তমা বায়মেধিয়ে বেয়াই পালে। আমাৰ সমাজখন ছাটি ধৰা এইবিধ ৰঘুমলা দিনে দিনে বাঢ়িয়েই গৈছে। হ'লেও মোৰ সন্মুখত বহি থকা এই সুন্দৰী, সুদেহী, সুবেশী, সুহাষিণী, সুমধুৰ ভাষিণী মহিলা গৰাকীৰ কথা এনেদৰে পোনপটীয়াকৈ নক'লেও হ'লহেঁতেন। পৰিস্থিতিটো সহজ কৰাৰ উদ্দেশ্যে মই হাঁহি এটা মাৰি ক'লো, "চাওক মই ক'বলৈ পাহৰিয়েই গৈছিলো - আপোনালৈ বুলি এটা উপহাৰ বহুত দিনৰ পৰা সাঁচি থৈ দিছোঁ। আপুনি মাজতে ইয়াত নাছিল কাৰণে দিয়া হোৱা নাই। মোৰ আলমাৰীতে আছে। বেয়া নাপায় যদি ......।" এই বুলি তেওঁৰ মুখলৈ চাই ৰ'লো।

"কি যে কয় আপুনি? মৰম কৰি বস্তু এটা দিব খুজিছে, মই বেয়া পাম কিয়?"

মই আলমাৰীৰ পৰা পেকেটটো উলিয়াই আনি তিলোত্তমা বায়মেধিলৈ আগবঢ়াই দিলো।

"পাৰফিউমনেকি বাৰু? পেকেটটো বৰ ডাঙৰ যেন দেখিছো।"

"পাৰফিউম বুলিয়েই ধৰকচোন। অৱশ্যে এইবাৰ গোন্ধটো অলপ বেলেগ হ'ব - বেছ ষ্ট্ৰং। একেবাৰে নিৰ্ভেজাল বিলাতী বস্তু কিন্তু।"

তিলোত্তমা বায়মেধিয়ে আগ্ৰহেৰে পেকেটটো হাত পাতি লৈ মোৰ ফালে উৎসুক চাৱনিৰে চাই ৰ'ল। মই কিন্তু কৈ নিদিলো যে সেইটো স্কচ্ছ হুইস্কীৰ বটল- ইমপ'ৰ্টেড। খুলি চালে তেওঁ দেখিবই নহয়।



# হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য

**জন্ম :** ১৯৩৪ চনৰ ২০ অক্টোবৰ, তেজপুৰ চহৰত।

**পৰিচয় :** পিতৃ স্বৰ্গীয় দেবেন্দ্ৰনাথ ভট্টাচাৰ্য্য আৰু মাতৃ স্বৰ্গীয় চন্দ্ৰপ্ৰভা দেৱী। তিনিজন ককাই ভাই আৰু তিনিজনী কনিষ্ঠা ভনী।

**শিক্ষা :** নলবাৰী এল.পি. স্কুলৰ পৰা প্ৰাথমিক শিক্ষা, নলবাৰীৰ গৰ্ডন হাইস্কুলৰ পৰা মধ্যমভাগ আৰু এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত ১ম শ্ৰেণীত এম.এ পাছ।

**চাকৰিত যোগদান :** ১৯৫৮ চনৰ ২৪ অক্টোবৰত মাউণ্ট আবুৰ মনিৰাম পুলিচ একাডেমীত অতিৰিক্ত আৰক্ষী অধীক্ষক পদত যোগদান।

**বৰ্ত্তমান :** ডি.আই.জি হিচাবে অৱসৰ।

**বিবাহ :** ১৯৫৯ চনত গুৱাহাটীত শ্ৰীমতী দীপিকা ভট্টাচাৰ্য্যৰ সৈতে বিবাহ পাশত আবদ্ধ। দুই পুত্ৰ এক কন্যা।

**ভাল লগা বিষয় :** কিতাপ পঢ়া, ফুলৰ বাগান কৰা, ৰবীন্দ্ৰ সঙ্গীত-ভূপেন্দ্ৰ

সঙ্গীত আৰু Jin Reeves ৰ গান শুনি ভালপোৱা।

**সৃষ্টি :** তেওঁৰ প্ৰকাশিত কবিতা সংকলন 'তুঁহৰ জুই', গল্প সংকলন 'উত্তৰণ'। দুশতকৈ বেছি প্ৰবন্ধ বিভিন্ন পিতানত বিভিন্ন কাকত-আলোচনীত প্ৰকাশ, তদুপৰি স্বনিৰ্বাচিত প্ৰবন্ধৰে কিতাপ আকাৰত প্ৰকাশ কৰি উলিয়ায় 'নীৰৱ অসমৰ সৰব বেদনা'। তেওঁৰ প্ৰকাশিত উপন্যাস কেইখন হ'ল - 'উইল', 'বিকলাঙ্গ', 'ধৰ্ষিতা', 'পিচল মাটি' ইয়াৰোপৰি দুখন উপন্যাস আধালিখা অৱস্থাত আছে। 'গেৰুৱা মাটিৰ সাৰুৱা খবৰ' তেওঁৰ প্ৰকাশিত ডিটেক্টিভ উপন্যাস। অন্যান্য ৰচনা ক্ৰমে - 'কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ কাহিনী', 'যি কথা নহ'ল কোৱা', 'অসম দ্বিতীয় লেবানন', 'জীৱন বিচিত্ৰা', 'ফাগুনৰ কপিলি'(বৰশী বোৱাৰ পুলক) ছাত্ৰ অৱস্থাতে লিখা আৰু নাট কৰা ছত্ৰপতি শিৱাজীৰ জীৱনী।

**সামাজিক কাম :** All Assam Small Enterprinership Association, Founder President। অসম সাহিত্য সভাৰ জাতীয় ন্যাসপুঞ্জিৰ আহ্বায়ক।

**ভৱিষ্যত পৰিকল্পনা :** কিতাপ পঢ়া আৰু কিতাপ লিখাৰ পৰিকল্পনা।

**অসমবাসীলৈ বাৰ্ত্তা :** জনগোষ্ঠীয় ভেদাভেদ পৰিহাৰ কৰি বৰ অসমৰ পুনৰ গঠন কৰাটোৱে প্ৰথম অগ্ৰাধিকাৰ পোৱা উচিত। বিদেশী অনুপ্ৰৱেশৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আপোচ কৰিলে নতুন প্ৰজন্মৰ বাবে আত্মহত্যা কৰাৰ তুল্য হ'ব।

**বৰ্তমানৰ ঠিকনা :** বেলতলা তিনিআলিৰ নিজা ঘৰ।

## সংকলকৰ চমু টোকা

**হিৰণ্য ভট্টাচাৰ্য্য** -- 'কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ কাহিনী' ৰচনা কৰি অসম তথা উত্তৰ পূৰ্বাঞ্চলত খলকনি তোলা আই.পি.এছ. বিষয়া ভট্টাচাৰ্য্যদেৱক নজনা মানুহ নাই। বাস্তৱ সত্যক বীৰদৰ্পে অঙ্কন কৰা ভট্টাচাৰ্য্যদেৱে জাতি আৰু দেশৰ স্বাৰ্থত ক'তো কম্প্ৰোমাইজ নকৰি সাহসিকতাৰ নিদৰ্শন দেখুৱাই আহিছে। কবিতা, গল্প, প্ৰবন্ধ, উপন্যাস, ডিটেকটিভ ৰচনা আদি সকলোতে কলমৰ আচোৰ পেলাই অসমীয়া সাহিত্য জগতত বিশেষ স্থান অধিকাৰ কৰা ভট্টাচাৰ্য্যদেৱে অসম সাহিত্য সভাৰ একাংশৰ জাতীয় ন্যাস পুঁজিৰ আহ্বায়ক থকাৰ উপৰি বৰ্তমান নিৰ্বাচনী বিষয়া (অবৈতনিক) হিচাবে কাম কৰি আছে। ইংৰাজী সাহিত্যতো বুৎপত্তি থকা ভট্টাচাৰ্য্যদেৱৰ প্ৰিয় বিষয় কিতাপ পঢ়া, ৰবীন্দ্ৰ সঙ্গীত তথা ভূপেন্দ্ৰ সঙ্গীত শুনা আদিলৈ লক্ষ্য কৰিলে সাহিত্য সংস্কৃতিৰে ভৰপূৰ এখন জীপাল অন্তৰৰ কথা জনা যায়। তেখেতৰ প্ৰত্যেকখন পুথিতে জাতীয় চেতনাবোধৰ সবল নেতৃত্ব থকাৰ উমান পোৱা যায়।

# দিনকণা

## হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য

আন নহ'লেও চাৰি বছৰীয়া আন্দোলনটোৱে আমাৰ ঘৰত আৰু আমাৰ ঘৰৰ ওচৰে-পাজৰে অসমীয়া প্ৰীতি আৰু অসমপ্ৰেমৰ জোৱাৰ আনিছে। শ্ৰীমতী আৰু ল'ৰা-ছোৱালীহঁতৰতো কথাই নাই। বন্ধু আৰু প্ৰতিবেশী হৰিৰ আৰু অম্বিকাই অসমীয়া গৰাকীৰ পেট্ৰোল পাম্পৰ পৰাহে পেট্ৰোল লবলৈ সদায়ে কৰবলৈ ধৰিছে। আমাৰ গৃহিণীও ৰাতিটোৰ ভিতৰতে অসমীয়াৰ বাবে প্ৰাণ বিসৰ্জন দিব পৰা মানসিকতাৰ গৰাকী হোৱাৰ পিছৰে পৰা আমাক মাথোন অসমীয়া দোকানী আৰু ব্যৱসায়ীৰ ওচৰলৈহে যাবৰ বাবে নিতৌ সকিয়াব ধৰিছে। ফাঁচী বজাৰত এদিন অৱশ্যে অসমীয়া কাপোৰৰ দোকানী বিচাৰি চলাথ কৰি শ্ৰীমতী হতাশ হৈ উভতি আহি আমাৰ ওপৰতে নিজৰ বিৰক্তিখিনি প্ৰয়োগ কৰা কথাটোও ইমানদিনে আমি হ'লে গোপনে ৰাখিছো।

পানী ওপৰলৈ তোলা পাম্পটোৰ মটৰটো বেয়া হোৱাও ৪৫ দিন হ'ল। হাতত পোৱা আটাইবোৰ মিস্ত্ৰী অনা-অসমীয়া। গৃহিণী নিজৰ সিদ্ধান্তত স্থিৰ অসম আৰু অসমীয়াক ৰক্ষা কৰিহে এৰিব। গতিকে আৰম্ভ হ'ল মটৰটো ভাল কৰিব জনা অসমীয়া মিস্ত্ৰী এজন বিচাৰি উলিওৱাৰ অভিযান। আজি ৰাতিপুৱাতে ভীষ্ম প্ৰতিজ্ঞা কৰি ওলাই আহিছো যে অসমীয়া মিস্ত্ৰী এজন যি কোনো উপায়েৰে হলেও ধৰি আনিম। ৰাতিপুৱা ৮ বজাৰ পৰা এতিয়া এয়া দুপৰীয়া ১ বজালৈ খানাপৰাৰ পৰা মালিগাঁৱলৈ অসমীয়া মিস্ত্ৰী বিচাৰি চলাথ কৰিলো, কাকো নাপালো। দুই-এজন আছে যদিও চৰকাৰী চাকৰিহে কৰে। গতিকে আহৰি সময়ত বা বন্ধৰ দিনতহে 'প্ৰাইভেট প্ৰেক্টিছ' কৰা সম্ভৱ বুলি মন্তব্য দি কেউজনে চলন্ত চিটিবাছৰ ফুটবোৰ্ডত জপিয়াই পৰিছিল, সময়ত নহলেও ডেৰ-দুই ঘণ্টা দেৰিকৈ হলেও অকিচন্ত দেখা দিব লাগিব।

উপায়ান্তৰ হৈ উলুবাৰী পালোহি আৰু তাৰ পৰায়ে ১৯৭২ চনতে কুমিল্লাৰ পৰা আহি থিতাপি লোৱা মিস্ত্ৰী এজনক নিজকে অসমীয়া বুলি চিনাকি দিবলৈ শিকাই-বুজাই লৈ বিজয়দৰ্পে গাড়ীত উঠিব খুজিছিলোহে মাথোন এনেতে পাছপিনৰ পৰা চাংকাকতিয়ে মাত লগালে।

"হয়নে ৰবৰা, ইমান তভাতৈয়াতে কলৈনো যায়?"

উভতি চাই দেখিলো — চাংকাকতিৰ হাতত বগৰ টিন এটা আৰু ব্ৰাছ এডাল। মোৰ লগত থকা মিস্ত্ৰী সুভাষৰ আচল পৰিচয়টো ওলাই পৰে বুলি মনত ভয়ো লাগিছে — জানোচা সুধি পেলায়— সি কোন আৰু কিয় তাক লগত আনিছো।

গতিকে ভয়তেই আক্ৰমণাত্মক ভূমিকা ললো--

"বোলো ঘটনা কি, হাতত যে ৰঙৰ টিন আৰু ব্ৰাছ?"

সেমেনা-সেমেনি কৰি চাংকাকতিয়ে কলে-- "নকবদেও, পাকঘৰটোৰ দৰজাকেইখন ৰং দিব লাগে। আমাৰ জু-ৰোডত এজনো অসমীয়া পেইণ্টাৰ নাই। ল'ৰা-ছোৱালী আৰু গৃহিণী নাছোৰবান্দা-- অসমীয়া পেইণ্টাৰৰ দ্বাৰাহে ৰং কৰাব। গতিকে ৰাতিপুৱাতে ওলালো অসমীয়া ৰঞ্জনকাৰ গোষ্ঠীৰ সন্ধানত।" গৰমত চাংকাকতিৰ চোলাটো ঘামতে তিতি গৈছে। চোলাৰ হাত দুখন কোচাই কোচাই হতাশাৰ সুৰত আকৌ কলে।

"বুজিছে ৰঙ্কৰা আচৰিত কথা, অসমীয়া পেইণ্টাৰৰ নাম-গোন্ধেই নাই, যিওবা শিলপুখুৰীত এজন পালো সিও জু-ৰোডলৈ ইমানদূৰ অহা-যোৱা কৰিবলৈ ৰাজি নহ'ল। তদুপৰি অনা-অসমীয়া পেইণ্টাৰে দিন হাজিৰা লয় ২০ টকা, এওঁক হেনো লাগিব ২৮ টকা।"

সুভাষৰ কথা সুধি পেলায় বুলি মোৰ ভয় দুগুণে চৰিল আৰু তাৰ পিনে যাতে দৃষ্টি নপৰে সেই চেষ্টাত তপৰাই সুধিলো।

"পিছে কি কৰিলে?"

"কিনো কৰিম আৰু! ৪/৫ জন অনা-অসমীয়া কাৰিকৰ পালো যদিও অনুসন্ধান কৰি গম পালো আটাইজাক বাংলাদেশসম্ভূত। ইইঁতৰ এজনক লৈ গলে যে ঘৰতে এখন থৈয়া-নথৈয়া ৰণ আৰম্ভ হ'ব নকলেও বুজিছে।" সুভাষ গাড়ীখনৰ সিপিনে গৈ অপেক্ষা কৰি আছে দেখি নিশ্চিত হলো যেনিবা। চাংকাকতিয়ে কৈ গ'ল --

"উপায়ান্তৰ হৈ অৰ্থাভাৱৰ অজুহাত দেখুৱাই নিজেই ৰঙখিনি লগাম বুলি মনস্থ কৰিলো। ৰঙৰ লগতে ব্ৰাছ এডালো কিনি দোকানৰ পৰা ওলাইছোহে আপোনাক দেখা পালো। পিছে আপুনিনো কেনি যায়?"

ভাল আপদটোৱে পালে। কথাটো কবলৈ গলেই সুভাষৰ প্ৰসঙ্গ উঠি জোলোঙাৰ মেকুৰী ওলাই পৰিব। তাতে আকৌ শ্ৰীমতী চাংকাকতিৰ আমাৰজনীৰ লগত বিহে হুলি গলি-- আচল কথাটো যদি ওলাই পৰে তেনেহলে হ'ল আৰু!! গতিকে খুব জৰুৰী কাম এটাত ওলাইছো বুলি চাংকাকতিৰ পৰা বিদায় ললো। কথোপকথন দীঘলীয়া কৰিলে জু-ৰোডত নমাই দিবলৈ কলেও খুজি কিল খোৱাৰ দৰেহে হব।

সুকলমে ঘৰ আহি পালো যদিও দুৱাৰমুখতে বুজিলো-- পৰিস্থিতি সঙ্গীন। হাতেৰে পাম্প কৰা দমকলটোও হেনো মই ওলাই যোৱাৰ পিছতে বেয়া হল। আটায়ে পানীৰ অভাৱত গা নোধোৱাকৈয়ে দুপৰীয়াৰ সাজ খাইছে। ঘৰৰ ওচৰতে দুজন দমকল ভাল কৰা মিস্ত্ৰী আছে যদিও সিইঁতক মাতিবলৈ কোনো ৰাজি নহয়-- কিয়নো, এজন হেনো বাংলাদেশী আৰু আনজনো অনা-অসমীয়া। ত্ৰাহি মধুসূদন

সুঁৰৰিলো। পেটত দুটামান পেলাই দমকল মিস্ত্ৰীৰ সন্ধানত আকৌ ওলাব খুজিছোহে মাথোন— এনেতে প্ৰতিবেশী দুৰৰা আহি ওলাল— থানালৈ হেনো টেলিফোন এটা কৰিবলৈ দিব লাগে।

"নিশ্চয় নিশ্চয় দুৰৰা, পিছে ঘটনা কি?" দুৰৰাৰ বিশন্ন মন দেখি বুজিলো কথা তেনেই সহজ নহয়। অফিচ কোঠালীটোলৈ দুৰৰাক আগবঢ়াই নি ফোনটোৰ ওচৰতে বহিবলৈ দিলো। কওঁ নকওঁকৈ বৰুৰাই মুখ মেলিলে— যেনিবা কাতৰগ্ৰস্ত স্বীকাৰোক্তিহে ঃ

"জানেই নহয় ডাঙৰকৈ পুখুৰী এটা খনাই মাছ পোহাৰো আজি ৫/৬ বছৰ হ'ল। মাছবোৰ ডাঙৰ হৈছে। বিকিবৰ বাবে যোৱা ৭/৮ দিনে মছুৱা মানুহ বিচাৰি আছিলো।"

"এৰা এতিয়া বিকিলে ভাল দাম পাব। বজাৰত মাছ কেজি ৪০/৪৫ টকাত বিক্ৰী হব ধৰিছে। একেবাৰে দুষ্প্ৰাপ্য হৈ পৰিছে।" দুৰৰাৰ মুখত উৎসাহৰ চিন দেখা নগল! দীঘল হুমুনিয়াহ এটা এৰি কলে। "কতনো পায় হেৰি কেবাজনো অসমীয়া বেপাৰীৰ ওচৰ চাপিলো। প্ৰতি কেজিত ১৫/১৬ টকাৰ বেছি নিদিয়ে। তদুপৰি জালেৰে ধৰা বাবদ প্ৰতি কেজিত ১ টকাকৈ কাটি ৰাখিব খোজে।"

"পিছে কি কৰিলে?" সুধিলো।

"পাণ্ডুত আহি থিতাপি লোৱা বঙালী মাছুৱৈ কিছুমান পালো। সিহঁতে কেজি প্ৰতি ২২ টকা দিবলৈ সন্মত হল আৰু কালি পুখুৰীটো চাই গৈছিলহি। আজি পামৰ পৰা সৰু ভাইটিটো আহি খবৰ দিছে যে ৰাতি হেনো চুৰ কৰি মাছ মাৰিবলৈ সিহঁত গোটেইজাক পুখুৰীত নামিছিল। ঢেকুৰা কুকুৰটোৱে খুব ভুকিছিল বাবে পামৰ আটাইখিনি মানুহে উঠি লৰা-ঢপৰা কৰি কালি অহা সিহঁতৰ এজনক পানীতেই ধৰিছে আৰু জাল দুখনো পানীতেই পাইছে। সেয়েহে পুলিচক গতাই দিম বুলি ভাবিহে আপোনাক আমনি কৰিলোহি।"

দুৰৰাৰ কথা শুনি স্তম্ভিত হলো। হৰি, হৰি, অসমত কি দিন পৰিল আৰু দুৰৰাক সুধিলো -- "পিছে মানুহকেইটা বাংলাদেশী নহয়তো?"

"মইতো নহয় বুলিয়ে ভাবিছিলো তদুপৰি দিছপুৰ থানাত আমাৰ এজন অতি কৰিতকৰ্মা অসমীয়া বিষয়া আছে নহয়, তেখেতেহে সিহঁতৰ খবৰটো দিছিল। সৰু ভাইটোৱে কলে যে চিঞৰ-বাখৰ শুনি গাঁৱৰ মানুহো আহি হাজিৰ হ'ল আৰু ধৰা পৰাজনক কিছু উত্তম-মধ্যম দিয়াৰ পিছত হেনো স্বীকাৰ কৰিছে যে সিহঁত বাৰিশালৰ পৰা আহিবৰ ৪/৫ মাহমানহে হৈছে আৰু বৰ্তমান কোনোবা এম-এল-এ আৰু কৰ্পৰেছনৰ বিশ্বস্ত সদস্য এজনৰ ৰক্ষণাবেক্ষণত সিহঁত পাণ্ডুত আহি মাটি বেদখল কৰি বহি গৈছে। এতিয়া ক'ত মৰে মৰক।"

দুৰৰাক সান্ত্বনা জনাই দমকলৰ মিস্ত্ৰীৰ সন্ধানত ওলাই পৰিলো। উলুবাৰী, ভঙাগড়, আঠগাঁও অঞ্চলত বহুতো মিস্ত্ৰী পালো কিন্তু এজনো অসমীয়া নহয়। মেৰামতিৰ বাবে

আৱশ্যকীয় পাইপ আৰু আন আন সৰঞ্জামখিনি কিনিলো যদিও ঘৰলৈ নিবৰ বাবে অসমীয়া গৰাকী বা চালকৰ ঘোৰাগাড়ী এখন বিচাৰি নাপালো বাবে দুগুণ খৰচ কৰি হলেও দুজন অসমীয়া চালকৰ ঠেলাগাড়ীত সামগ্ৰীখিনি ঘৰলৈ পঠাই দি এক আত্মতৃপ্তিৰ নিশ্বাস পেলালো। পিছে এই ক্ষেত্ৰতো জগৰ লগাইছিলো; ঘৰ পোৱাৰ লগে লগে আটাইজাকে চিঞৰি চিঞৰি অভিযোগ কৰিছিল মই হেনো বাংলাদেশী মালিকৰ ঠেলাগাড়ীহে ভাড়ালৈ লৈছো।

আচল কথালৈ উভতি আহো। দমকল মেৰামতি কৰা আন অসমীয়া মিস্ত্ৰীসকলে প্ৰতিফুট পাইপ বহুৱাত ৩ টকাকৈ বিচাৰে। গ্ৰহণযোগ্য ৰবঞ্চ প্ৰলোভনীয় হাৰ। কিন্তু মই উপায়হীন অসমীয়া মিস্ত্ৰীহে নিব লাগিব, কালাপাহাৰত যি বা এজন পালো তাক হেনো প্ৰতি ফুটত ৪.৫০ টকাকৈ লাগিব তাৰ কমত লৰচৰেই নকৰে। মই এনেয়ে ক্ষুদ্ৰ দৃষ্টিৰ মানুহ গতিকে প্ৰতিফুট পাইপ বহুৱাৰ বাবে ডেৰ টকা অতিৰিক্ত খৰচ কৰিবলৈ কোনোমতেই সত নগ'ল তেহেলৈ লাগে ঘৰত যিমানেই বিদ্ৰোহৰ পতাকা নোতোলক। আঠগাঁৱৰ সৰবৰহী ব্যৱসায়ী বিশ্বাসে (কোৱা বাহুল্য, বিশ্বাসো সৌ সিদিনাহে খুলনাৰ পৰা আহিছে) সলসলীয়াকৈ অসমীয়া কৰ জনা দমকলৰ মিস্ত্ৰী এজন ফুটেপ্ৰতি ২ টকা ৭৫ পঃ হাৰত বন্দোবস্ত কৰি দিয়াতহে স্বস্তিৰ নিশ্বাস পেলালো কিয়নো, মিস্ত্ৰীজন সুভাষৰ বেছ উন্নত সংস্কৰণ। কিন্তু— "আই ঘৰলৈ যাম দুই হাতে খাম বিধিয়ে বোলে ময়ো লগে লগে যাম" প্ৰবাদষাৰৰ সত্যতা নুই কৰাটো বীৰপুৰুষ লুইতৰ পাৰত আজিও ওলোৱা নাই। ঘৰ পাওঁতে গধূলি হ'ল। ওচৰ-চুবুৰীয়া সকলোৰে ঘৰ বিজুলী চাকিয়ে পোহৰাই তুলিছে যদিও আমাৰ সমগ্ৰ চৌহদ অন্ধকাৰ। বিদ্যুৎ পৰিষদৰ কাৰিকৰী কৰ্মচাৰী আহি পৰীক্ষা কৰি কৈ গৈছে যে ঘৰটোত বিজুলী তাঁৰসমূহ নিৰ্ভুলভাৱে লগোৱা হোৱা নাই। ঘাইকৈ প্ৰধান বুটাম, বিভিন্ন বুটাম আৰু নিয়ন্ত্ৰণ বোৰ্ডৰ লগত তাঁৰসমূহ সংযোগত বহুতো ভুল কৰিছে বাবেহে সঘনে এনে বিজুতি ঘটিছে। এজন অৰ্হতাসম্পন্ন আৰু প্ৰমাণ-পত্ৰ পোৱা বিজুলী কাৰিকৰ আনি তাঁৰবোৰ তেওঁৰ দ্বাৰা পৰীক্ষা কৰাই শুদ্ধ ভাবে লগোৱাৰ প্ৰমাণ-পত্ৰ এখন দাখিল কৰিলেহে হেনো বিদ্যুৎ পৰিষদে পুনৰ বিজুলী সংযোগ দিব। বিদ্যুৎ পৰিষদৰ "মেকানিক"জন অসমীয়া আছিল বাবে কামটো কৰি দিবলৈ শ্ৰীমতীয়ে তেওঁকেই হেনো "বিকুৱেষ্ট" কৰিছিল। উত্তৰত হেনো কলে:

"আবেলি ৫ বজাৰ পৰা এতিয়া ৯ বজালৈ "ডিউটী" কৰিছো – খুব ভাগৰ লাগিছে। পৰহিলৈ "অফ দে" আছে – তেতিয়া আহিম কিন্তু প্ৰতিটো সংযোগ "পইণ্ট"ৰ বাবে দহ টকাকৈ লাগিব!

হতবাক হৈ শ্ৰীমতীয়ে করুণ নয়নেৰে মোৰ প্ৰত্যাৱৰ্তনলৈ বাট চাই বহি আছে। ইমান ৰাতি বিজুলী কাৰিকৰ বিচাৰি ওলোৱাৰ শক্তি নহ'ল। আমাৰ নিজৰে অসমীয়া উদ্যোগত বনোৱা মমবাতি কিনি আনিবলৈ বেলতলা বজাৰ পালোহি। হেজাৰ হেজাৰ

টন কেঁচা সামগ্ৰী মমভিত্তিক উদ্যোগত খটুৱাবলৈ অসমৰ বাবে যোগান ধৰা হয় যদিও অসমীয়া উদ্যোগে তৈয়াৰ কৰা কোনো মমবাতি বিচাৰি নাপালো, গতিকে কলিকতাত তৈয়াৰ হোৱা মমবাতি এমুঠি কিনি ওপৰত মেকৰাই থোৱা কাগজখন ফালি পেলালো আৰু মমবাতি ১২ ডাল হাতত লৈ সগৰ্বে আহি গৃহিণীৰ আগত পেলাই দি কলো— 'দেখিছা আমাৰ "ভূএৱা ইণ্ডাষ্ট্ৰীজ" কিমান ধুনীয়া মমবাতি বনাইছে!' আটাইৰে মুখত তৃপ্তিৰ হাঁহি-- গভীৰ প্ৰশান্তিৰ চাৱনি। ৰাতিটো অন্ততঃ যেনিবা খেচখেচনীবিহীনভাৱে কটালো যদিও ৰাতিপুৱাতে আৰম্ভ হ'ল বিৰামবিহীন খেচখেচনি। ভাগ্যক ধিয়াই ৮ মান বজাত ওলাই পৰিলো। মনত দৃঢ়সংকল্প — অসমীয়া বিজুলী কাৰিকৰ যোগাৰ কৰি বিজয় উল্লাসেৰে প্ৰত্যাবৰ্তন কৰিম। পাইছিলো এজন। কোনোবা শত্ৰুৰ ষড়যন্ত্ৰৰ ফলত অফিচলৈ নিয়মীয়াভাৱে নহা আৰু চৰকাৰী সামগ্ৰীৰ অপ-ব্যৱহাৰ আৰু আত্মসাৎ কৰাৰ মিছা অভিযোগত বৰ্খাস্ত হোৱা অসমীয়া কাৰিকৰ এজন। কথা পাতি ভাব হৈছিল অসম বিদ্যুৎ পৰিষদৰ স্বয়ং মুখ্য অভিযন্তাজনকহে যেন হাতে হাতে পাই গলো। তেনেহলে চিন্তা কিহৰ? তথাপিও বুজিছে নহয়??

ইষ্টদেৱতাক স্মৰণ কৰি ভদ্ৰলোকক গাড়ীত লৈ ঘৰমুখী যাত্ৰা আৰম্ভ কৰিছিলো ..... ঘৰো পাইছিলো সময়মতেই, মাথোন গাড়ীখনহে বাহিৰত— অৰ্থাৎ ৰাস্তাতে ৰাখিবলগীয়া হ'ল -- কিয়নো চৌহদৰ ভিতৰত গাড়ী ৰখা ঠাইখিনিত বহি দুগৰাকী তিৰোতাই ধান জাৰি আছিল-- দুয়োৰে হাতত দুখন ডাঙৰ বাঁহৰ ডলা। দুয়োজনীকে চিনি পাই মোৰ ধৈৰ্যচ্যুতি ঘটিল, ইহঁতৰ সমগ্ৰ পৰিয়াল দুটাক বাংলাদেশী বুলি দেশৰ পৰা বহিষ্কাৰ কৰাৰ ২৫ দিনো হোৱা নাই বুলি মই জানো। গৃহিণীয়ে সিহঁতৰ লগত কথা পাতি থকা দেখি তিতিবিৰি তুলা লৈ পৰিলো আৰু সিহঁতক নিয়োগ কৰাৰ যুক্তি-যুক্ততা ক'ত চিএঞৰি চিএঞৰি সুধিলো। গৃহিণীৰ বক্তব্যৰ জবাব নাই।

"ইমানদিনে অসমীয়া তিৰোতাৰ দ্বাৰায়ে এই কামবোৰ কৰাইছিলো। নিতৌ ১২ টকা হাজিৰা দিব লাগে। বাংলাদেশী হলেও ইহঁতে দিনে ৬ টকা পাৰিশ্ৰমিক লৈ কাম কৰিবলৈ মান্তি হৈছে।"

মুখৰ মাত হেৰাল। কাৰিকৰ প্ৰবৰক লৈ নিয়ন্ত্ৰণ বোৰ্ড থকা কোঠাটোলৈ আগবাঢ়িবৰ সময়ত সিহঁত দুজনীৰ এজনীয়ে শ্ৰীমতীক কোৱা শুনিলো।

"বহিষ্কাৰ কৰিলে কি হ'ব মা। বোৰ্ডাৰৰ পুলিচৰ লগত আমাৰ ভাল চিনা-জনা আছে নহয়--

তেওঁলোকক সন্তুষ্ট কৰিলেই হ'ল, পিছ মুহূৰ্ততে গোলোকগঞ্জত গুৱাহাটী অভিমুখী ট্ৰেইনত উঠিব পাৰি। এইবাৰ ধৰি ৭ বাৰ বহিষ্কাৰ কৰিলে। মাথোন অলপ লটিঘটি হব লাগে। এইবাৰ অৱশ্যে এম-এল-এ চাহাবে স্থায়ী বাসিন্দাৰ প্ৰমাণ-পত্ৰ যোগাৰ কৰি দিম বুলি কৈছে।"



# খবিৰ আহমেদ

**জন্ম :** ১৯৫২ খ্ৰীষ্টাব্দত গোলাঘাটৰ মেঠখোৱা গাঁওত।

**পৰিচয় :** পিতৃ প্ৰয়াত নুৰ মহম্মদ, মাতৃ প্ৰয়াত জোহোৰা বেগম। ছয় জন ককাই ভাই আৰু এজনী ভনী।

**শিক্ষা :** মেঠখোৱা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, মেঠখোৱাৰ পৰা মধ্যমভাগ, গোলাঘাটৰ ডি.আৰ. কলেজ, যোৰহাটৰ জে.বি. কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ।

**চাকৰিত যোগদান :** ১৯৭৪ চনত বহা কলেজত প্ৰবক্তা হিচাপে যোগদান, ইয়াৰ পিছত গোলাঘাট হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে আৰু ১৯৮১ চনত আৰক্ষী বিভাগত উপ-আৰক্ষী অধীক্ষক হিচাপে যোগদান।

**বৰ্ত্তমান :** মৃত্যুৰ সময়ত ধুবুৰীৰ পানবাৰীত থকা বেটেলিয়ন কমাণ্ডেট হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

**বিবাহ :** ২২ ফেব্ৰুৱাৰী ১৯৮১ খ্ৰীষ্টাব্দত গোলাঘাটত নইমা আৰা আহমদ

(চিৰিণ)ৰ সৈতে বিবাহ-পাশত আবদ্ধ। সন্তান দুটি, পুত্ৰ আদিল আৰু কন্যা চেহনাব।

**ভাল লগা বিষয় :** মানুহৰ সংগ, ভ্ৰমণ, বিশুদ্ধ গাঁওৰ পৰিবেশ আৰু লিখা পঢ়া কৰি ভাল পোৱা।

**সৃষ্টি :** গল্প সংকলন ২০০১ চনত প্ৰকাশ পায়। গল্প সংকলন সমূহ ক্ৰমে 'ৰিভলভাৰৰ হাঁহি', 'আহঃ জালুকবাৰী', 'মৰমৰ চোৰ', 'আৰক্ষীৰ দিনলিপি'। 'পুলিচ আৰু মানুহ', 'হৃদয়ৰ দ্বিতীয় দুৱাৰ' তেওঁৰ সংকলিত উপন্যাস। তাৰোপৰি অসমৰ বিভিন্ন বাতৰি কাকত আলোচনী আদিত অসংখ্য লেখা প্ৰকাশ পাইছিল। তাৰ ভিতৰত 'আমাৰ অসম' কাকতৰ 'পূৰ্বাচল'ত 'আৰক্ষীৰ ডায়েৰী' আৰু 'প্ৰতিদিন' কাকতৰ 'সম্ভাৰ'ত আৰক্ষীৰ দিনলিপিয়ে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল।

**সামাজিক কাম :** সামাজিক কামৰ প্ৰতি আগ্ৰহ আছিল কিন্তু সময়ৰ অভাৱত পৰা নাছিল যদিও কেতিয়াবা সাহিত্য সম্পৰ্কীয় সভা সমিতি আদিত যোগদান কৰিছিল।

**ভৱিষ্যত পৰিকল্পনা :** ভৱিষ্যতৰ পৰিকল্পনা বহুত আছিল যদিও সি হৈ নুঠিল।

## <u>সংকলকৰ চমু টোকা</u>

**খবিৰ আহমেদ** -- প্ৰয়াত খবিৰ আহমেদৰ নামটো আজি প্ৰতিজন অসমীয়া সাহিত্য প্ৰেমীৰ মনত সাঁচ বহুৱাই যোৱা নাম। কমাণ্ডেন্ট হৈ থাকোতে আকস্মিকভাৱে মৃত্যুবৰণ কৰা খবিৰ আহমেদৰ নামটো শুনাৰ লগে লগে মানুহে 'আৰক্ষীৰ দিনলিপি' আৰু 'আৰক্ষীৰ ডায়েৰী'লৈ মনত নেপেলাই নোৱাৰে। আৰক্ষী বিভাগৰ সৰু সৰু কৰ্মচাৰীৰ জীৱনৰ ওপৰত আলোকপাত কৰি থানাৰ বাহিৰে ভিতৰে চলি থকা সৰু সৰু ঘটনাকে অতি ৰসাল বাকশৈলীৰে উপস্থাপন কৰা লিখক আৰক্ষীৰ মাজত দ্বিতীয়জন জন্ম হ'ব বুলি বিশ্বাস নহয়। 'ৰিভলবাৰৰ হাঁহি', 'আহ জালুকবাৰী', 'মৰমৰ চোৰ', 'পুলিচ আৰু মানুহ', 'হৃদয়ৰ দ্বিতীয় দুৱাৰ' আদি গ্ৰন্থসমূহে পাঠক সমাজত আলোড়ন তুলিছে। তেখেতৰ লিখনিৰ প্ৰধান বৈশিষ্ট হ'ল - সাৱলীল কথনভঙ্গী আৰু প্ৰতিটো ঘটনা পুংখানুপুংখৰূপে বিশ্লেষণৰ লগতে হাস্য-ব্যঙ্গ কৰি পাঠক সমাজক হাঁহিৰ খোৰাক দিয়া। তেখেত জীয়াই থকা হ'লে অসমীয়া সাহিত্যৰ ভড়ালত আৰু বহুত অৱদান আহিলেহেঁতেন ই ধ্ৰুৱপ। সদাই লিখা পঢ়া কৰি ভালপোৱা খবিৰ আহমেদদেৱ এজন ভাল বক্তাও আছিল।

# মই আনৰ কথা নুশুনো

## খবিৰ আহমেদ

নিজৰ মৰ্জিৰ ওপৰত চলা মানুহ তপন বৰা।

"যি হৈছে, যি কৰিছো নিজে কৰিছো। আনৰ কথা শুনিম কিয়?" -- এনেকৈয়ে ভাবে আৰক্ষী বিষয়া তপন বৰাই।

তপন বৰাৰ দৰে ভাবিলে বা কৰিবলৈ মানুহৰ দেহত যিখিনি থাকিব লাগে সেইখিনিৰ এচিকুটো নাই তপন বৰাৰ গাত। তপন বৰাৰ মাতটো ডাঙৰ কিন্তু ডিঙিটো মাইকী টোকোৰা চৰাইৰ বাঁহটোৰ দৰে — ক্ৰমান্বয়ে ওপৰ ফালে সৰু হৈ যোৱা। ক'ৰ পৰা নো ইমান গলগলীয়া মাতটো মানুহটোৱে বাহিৰ কৰে ভাবিলে আচৰিত হ'ব লাগে। বাকী কংকাল, কলফুল, বুকু এইবোৰৰ জোখ মাখ বিচাৰি লাভ নাই। জোখ লোৱা ফিটাডাল সৰু হৈ হৈ তাৰ অস্তিত্বই শেষ হৈ যাব। আচল জোখ পোৱা নাযাব।

সকলো কথাৰ উত্তৰ পৃথিৱীৰ কোনো অভিধানত নাই। উত্তৰ বিচাৰিব পাৰি। কিন্তু পোৱা নাযাব। মাথোঁ হাহাকাৰ। নিজে মানুহটো কেলেই এনেকুৱা হ'ল — তপন বৰাই নিজেও চাগৈ নাজানে। আনৰ ভাল কথা, ভাল পৰামৰ্শবোৰ নুশুনোতে নুশুনোতে তেওঁ নিজে কৰি থকা বেয়া কামবোৰো ভাল বুলি ভবাৰ বাহিৰে তেওঁৰো গত্যন্তৰ নাইকিয়া হৈছেগৈ।

যি মন যায় তাকে ঘপহকৰে কৰি পেলায় মানুহটোৱে।

কামটো কৰিলে কি হ'ব, কি নহ'ব, এইবোৰ একো নাভাবে। কথা নাই, বতৰা নাই, হঠাৎ চিপাহী মিলন বড়োক তপন বৰাই চাচপেন কৰি দিলে। চিপাহী মিলন বড়োৱে ৰাতি শুৱৰ সময়ত মদ অকণ খোৱাতো সঁচা। দেৱীকে শুইছিল। উঠোতে অলপ দেৰী হ'ল। দৌৰা দৌৰীকৈ মাতি পঠালে। মিলন বড়োৱে মিঠাপাতি পান এখন মুখত সুমুৱাই আহিবলৈ সময় নাপালে। তপন বৰাৰ লগত মুখা মুখীকৈ একেবাৰে ওচৰৰ পৰা মিলন বড়োৱে কথা পাতিলে।

"তই ৰাতিপুৱাই মদ সোপা খাই আহিছ, তোৰ ইমান সাহস!" - তপন বৰাই গৰজৰাই উঠিল।

"নাই ছাৰ! মই এতিয়া মদ খোৱা নাই।" — চিপাহী মিলন বড়োৱে বৰ নম্ৰভাবে ক'লে।

"মদ খোৱা নাই যদি গোন্ধ সোপা কৰ?" — তপন বৰাৰ তেজ উতলি আহিল আৰু মিলন বড়ো চাচপেন।

বিভাগৰ দুই চাৰিয়ে বৰাক মাজে মাজে এইক্ষেত্ৰত দুবাৰ এবাৰ কয়। একো কামত নিদিয়ে। নিজৰ মৰ্জিত চলমান আনে বকি থাকে, বকি থাকক।

"এইবোৰ কিবা বংশৰ দোষ বুজিছ! তেজত গণ্ডগোল আছে ছাৰৰ বংশৰ কোনোবাৰ – চিপাহী হামিদ আলিয়ে বেৰেকত শুই শুই বন্ধুবোৰৰ লগত তপন বৰাহঁতৰ কথাপাতি

থাকে।

"হ'ব পাৰে। নহ'লেনো মানুহটো ইমান টিঙিৰি তুলাৰ দৰে হৈ থাকিব লাগে নে সকলো সময়তে।"- ফটিক হাবিলদাৰে জোতাৰ ফিটাজোৰ খুলি খুলি ক'লে।

"মানুহটোৱে একো ভাবি নাচায় অ'। সিদিনা মিলন বড়োৱে খপক কৰে চাচপেন কৰি দিলে - মদ খাইছে বুলি। ৰাতি অকণমান খোৱাতো হয়। কিন্তু মদৰ জাল নাছিল তাৰ গাত।" — চিপাহী হেমেন বৈশ্যই কথাষাৰ শলাগিলে।

হৰেক ৰঙী এই পৃথিৱী। হৰেক ৰঙৰ মানুহ। কোনে কথাবোৰ কেনেকৈ ভাবে — ইয়াৰ একো পাত্তা পোৱা নাযায়। সকলো কথা বাদ দিও ক'ব লাগিব যে পৃথিৱীখন অকণমান ধুনীয়া বস্তুৰ বাবেই ইমান ধুনীয়া নহয়। ধুনীয়া বস্তু, ধুনীয়া চিন্তা-চৰ্চ্চা, ধুনীয়া মাত কথা, এই সকলো ধুনীয়াৰ লগত এনে কিছুমান হাৰামৰ হাৰ্দ্দি মিহলি হৈ আছে, যিবোৰে সৌন্দৰ্যৰ এই উপলব্ধি বেছি গাঢ় কৰি তোলে। আচৰিত উপলব্ধি মানুহৰ পৃথিৱীত। ক'ব নোৱাৰাকৈয়ে মিঠা আমটোৰ লগত টেঙা অলপ মিহলি হৈ থাকে। সেই মিহলিয়ে মিঠাৰ উপলব্ধিটো বেছি মিঠা কৰে।

তপন বৰাৰ বহুতো ভালগুণৰ ভিতৰত নিজৰ মতামতৰ ওপৰত থকা তেওঁৰ ভাৰষাও অন্যতম। ভুল হওঁক, শুদ্ধ হওঁক কথা নাই, জুইক পানী বুলি দৃঢ়তাৰে ক'ব পৰাটোও মানুহৰ ডাঙৰ গুণ। এনে দৃঢ়তা খুউব কম মানুহৰহে থাকে। কথাটো অৱশ্যে আক্ষৰিক অৰ্থত নলৈ গভীৰ উপলব্ধিৰ পৰ্যায়তহে লোৱা উচিৎ।

তপন বৰাই কিবা এটা কৰিবলৈ ললে আনে মাত মাতিবলৈ ভয় কৰে। শুনোতে কথাবোৰ শুনিব। কিন্তু একেসময়তে সিখন কাণেদি হোৰহোৰাই উলিয়াই দিব। তেওঁৰ কাৰবাৰবোৰ মাজে মাজে টোগলকী কামৰ দৰে। কিন্তু তাৰ বাবে তপন বৰাৰ যে কোনো আক্ষেপ নাই।

লোকে যি ভাবে ভাবি থাকক — মই মোৰ মতেহে কাম কৰি যাম।

ওপৰ থাপৰ বিষয়াৰ বোৰত মাজে মাজে পৰেও, পিছতে পাহৰি যায়।

থানাখনৰ সন্মুখত আজি বহু বছৰৰ আগৰ দুজোপা প্ৰকাণ্ড আম গছ আছে। কোনে লগাইছিল এতিয়া আৰু ক'বলৈ এই চহৰখনত কোনো নাই। গছজোপাৰ পৰা পকা আম সৰাদি মানুহবোৰো যেন সৰি সৰি গ'ল। আম জোপাই নতুনকৈ মল পেলায়। চহৰখনলৈ, থানাখনলৈ নতুন নতুন মানুহ আহে — পুৰণি কথাবোৰ আৰু পুৰণি হৈ যায়। পুৰণি গালি গালাজ, বুট জোতা, লাঠী গোৰ, চৰ আৰু ধমকিৰ শব্দবোৰ থানাখনৰ কোঠাই কোঠাই বন্দী হৈ ৰয়।

"হাজৰিকা"

"ছাৰ"

"এই আম দুজোপা পুৰণি হৈ গৈছে। ভিতৰতো ফোঁপোলা হৈ গৈছে। কাটিব লাগে। এই দুজোপাৰ ঠাইত দুজোপা দেৱদাৰুৰ পুলি লগাব লাগে" — তপন বৰাই অ'চি দীনেশ হাজৰিকাক কৈ খিড়িকিয়েদি আম গছ দুজোপা চালে। শেৰীয়া হাতী দুটাহে যেন থানাৰ গেটখনৰ দুকাষে ঠিয়হৈ আছে।

"ছাৰ! গছ দুডাল বৰ পুৰণি। এইবোৰ গছত হাত দিবলৈ ভয়ো লাগে। গছ দুজোপা নকটাই ভাল হ'ব নেকি ছাৰ! এদিন নিজেই নিজেই মাটিত বাগৰি যাব।" — অ'চি হাজৰিকাই

ভয়ে ভয়ে এছ.পি. তপন বৰাৰ মুখলৈ চালে। কথাৰ প্ৰতিবাদ কৰিবলৈ ভয়ো লাগে।

"নাই গছ দুজোপা কাটিব লাগিব। দেখা নাই দালবোৰ কেনেকৈ থানাৰ ফালে আগবাঢ়ি আহিছে। এটা দাল টিঙত পৰিবলৈ হ'লে গোটেই ঘৰটো ছাতী বইট পৰাদি বৈইট পৰি যাব। হাবিলদাৰ যতীন বৰা আৰু চিপাহী দহটামানক মাতা — খামী দাঠ বিধৰ। কুঠাৰ চলাবলৈ ভয় কৰিলে ময়েই প্ৰথম চলাম বাৰু। এতিয়া যাওঁক।"— এছ.পি. তপন বৰাৰ কঢ়া আদেশ।

অ'চি যতীন হাজৰিকাৰ মনটো জয় পৰি গ'ল। নকাড়ী গাঁৱৰ ল'ৰা যতীন হাজৰিকা। এল.পি. স্কুললৈ যাওঁতে ফৰমুটি মাৰি এই দুজোপা আমগছৰ পৰাই কিমান দিন আম খালে — চিপাহীৰ খেদা খালে। নিজে চিপাহী হৈ আহিও প্ৰথম এইখন থানাতে ভৰ্ত্তি হৈছিলহি। তাৰপিছত জীৱন আৰু চাকৰিৰ বিয়লি বেলা আকৌ এইখন থানাতে তেওঁ চাকৰি কৰিছেহি। এই আম দুজোপাৰ কত ৰূপ দেখিলে আজি অত বছৰে। বৰ কঠুৱা বুলি নাম থকা অ'চি যতীন হাজৰিকাৰ চকুযোৰ সেমেকি উঠিল। মানুহ আচলতে কিমান কঠুৱা হয় সিমান কোমল হয় মানুহৰেই হৃদয়ৰ ভাষা।

এঘণ্টা মাথোঁ সময়ৰ পাছত। মাত্ৰ এঘণ্টা। দুজোপাকৈ থানাখনৰ, চহৰখনৰ বহুবছৰীয়া ইতিহাসৰ জীৱন্ত সাক্ষী মিঠা আম গছ তপন বৰাৰ নিৰ্দেশত আপোন চিনাকী মাটিত বাগৰি পৰিল।

"কামটো ভাল নকৰিলে এছ.পি. চাহাবে।"— চহৰখনৰ বহুতো পুৰণি মানুহৰ মনত ক্ষোভ।

তপন বৰা নিৰুদ্বেগ — "কাটিলে কাটিলে আৰু এতিয়া ইনাই বিনাই লাভ নাই: তপন বৰাই যি কাম কৰে নিজৰ মৰ্জ্জিত কৰে।" — এনেধৰণৰ মনোভাব।

এছ.পি. তপন বৰা ৰাতি সোনকালে শুলে। গোটেই ৰাতি বৰষুণ। বৰষুণে, বৰষুণৰ শব্দই মানুহৰ মনত অৱকাশৰ ভাব বৰ সোনকালে আনি দিয়ে। বিচনাত পৰিয়েই তপন বৰাৰ টোপনি আহিল। বাহিৰত গিৰগিৰ বৰষুণ।

"দেউতা"— এক কোমল, উৎকণ্ঠা ভৰা নাৰীকণ্ঠই তপন বৰাৰ মগজুৰ কোমল পৰ্দা যেন কঁপাই গ'ল।

"মা-জনী! তই?" - তপন বৰা বিচনাখনত বহি পৰিল। ঘৰৰ টিঙৰ ওপৰত বৰষুণৰ শব্দবোৰ আৰু ডাঙৰকৈ পৰিছে।

"হয় দেউতা, মই হিমাদ্ৰী। অচিন্ত্য আৰু মোৰ বৰ দোষ নাছিল। আপুনি অচিন্ত্যক ট্ৰাকেৰে খুন্দিয়াই মৰালে পাঁচ বছৰৰ আগতে। ময়ো ব্ৰহ্মনদীত জাপদি মৰিলো একেদিনাই। আমাৰ দুটাৰ দোষ বোধকৰো এটাই আছিল — আমি নিজৰ মৰ্জ্জিমতেই ইটোৱে সিটোক ভাল পাইছিলো। এইটো চৰিত্ৰ মই আপোনাৰ পৰাই পাইছিলো। আপুনিওতো আজি আপোনাৰ মৰ্জ্জিমতেই থানাৰ আমগছ দুজোপা বগৰাই দিলে। অচিন্ত্য আৰু মোৰ ভুল ক'ত হৈছিল দেউতা?"

তপন বৰাই এইবাৰ দেখিলে থানাৰ সন্মুখত দুচেও হৈ পৰি থকা আমগছ দুজোপাৰ মাজত সেয়া এটা অচিন্ত্য আৰু আনজনী মাজু জীয়ৰী হিমাদ্ৰী —

এইবাৰ আত্মাভিমানী, মহাপ্ৰতাপী আৰক্ষী বিষয়া তপন বৰা চিঞৰ এটা মাৰি বিচনাত বহি গ'ল।



# ড° যতীন মিপুন

**জন্ম ঃ** ১ আগষ্ট ১৯৫২ খ্ৰীষ্টাব্দত যোৰহাট জিলাৰ নকছাৰি মৌজাৰ গজিয়া মিচিং গাঁৱত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত সেবীৰাম মিপুন, মাতৃ প্ৰয়াত পদ্মিনী মিপুন। দুই ককাই, এজন ভাই, দুই বাই আৰু দুই ভনী। নিজে পাঁচ নং সন্তান।

**শিক্ষা ঃ** গজিয়া মিচিং গাঁও এল. পি স্কুলৰ পৰা প্ৰাথমিক শিক্ষা. হেমলাই এম.ই. হাইস্কুল (গাঁৱৰ ওচৰৰ)ৰ পৰা মধ্যমভাগ আৰু শিৱসাগৰ কলেজৰ পৰা বি.এ. আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজ শাস্ত্ৰ বিভাগৰ এম.এ. পিছত পি.এইছ.ডি।

**চাকৰিত যোগদান ঃ** ১৯৭৫-৭৬ চনত অধ্যাপক, ধেমাজি কলেজ; ১৯৭৭-৭৯ চনত ভদৰ্থ অধ্যাপক, সমাজশাস্ত্ৰ বিভাগ ডিব্ৰুগড় বিশ্ববিদ্যালয়; ১৯৭৯-৮০ চনত জিলা গৱেষণা বিষয়া, ডিফু; ১৯৮০-৮৩ চনত অতিৰিক্ত সহকাৰী আয়ুক্ত, ধুবুৰী; ১৯৮৩ চনত ভাৰতীয় আৰক্ষী সেৱাত যোগদান।

**বৰ্তমান :** আৰক্ষী মহাপৰিদৰ্শক-সঞ্চালক, ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনী।

**বিবাহ :** ১৯৮২ খ্ৰীষ্টাব্দত গুৱাহাটীত নীলিমা চাওেঙ্গীয়াৰ সৈতে বিবাহ-পাশত আবদ্ধ। তিনি পুত্ৰ সন্তান।

**ভাল লগা বিষয় :** কিতাপ পঢ়া, লেখা-মেলা কৰা, ঘৰুৱা বাৰীত শাক-পাচলিৰ খেতি কৰা।

**সৃষ্টি :** কবিতা সংকলন- 'দুপৰ নিশাৰ বাঁহীত'। গল্প সংকলন 'কাংকানৰ পৃথিৱীত', 'মিপাক মাথ', 'তানি আগম', 'জয়শ্ৰীৰ কথাৰে'। প্ৰবন্ধ 'অসম দৰ্শন', 'লজ্জাৰ দেশত লাজ পাই আহিলো', 'কাতি বিহুৰ ৰূপৰেখা' (সম্পাদনা)। নাটক - 'অভিশপ্ত ৰাজধানী', 'তোৰ জীৱন তয়ে অঁতা', 'কাৰগিল যাত্ৰী'। উপন্যাস - 'মিক্‌চিজিলি' আৰু আলোচনীত প্ৰকাশিত কেইবাখনো। ইয়াৰোপৰি The Mishings, Development of a New Life Style. তেওঁৰ অন্যান্য ৰচনা।

**সামাজিক কাম :** 'শতদল' স্বেচ্ছাসেৱী সংগঠনৰ সভাপতি, 'বাৰ্তাপখিলী'ৰ মুখ্য সম্পাদক, 'গিৰজনি' আৰু 'বিশ্বৰ সন্ধান'ৰ উপদেষ্টা। আৰ্থ-সামাজিক উত্তৰণ সম্পৰ্কীয় আলোচনা চক্ৰত থাইলেণ্ড, ইংলেণ্ডত যোগদান।

**ভৱিষ্যত পৰিকল্পনা :** লেখা-মেলা কৰা আৰু সামাজিক কাম কৰা।

**অসমবাসীলৈ বাৰ্তা :** কৰ্ম-সংস্কৃতিৰ প্ৰতি গুৰুত্ব দি অনা-অসমীয়াই কৰা কামবোৰ কৰিবলৈ আগবাঢ়ি অহাত মনোযোগ দিয়া।

**বৰ্তমানৰ ঠিকনা :** পাটৰকুছি, ঘৰ নং - ১৭,
পো.অ. - বশিষ্ঠ চাৰিআলি, গুৱাহাটী - ৭৮১০২৯।

**বঁটা/পুৰস্কাৰ :** ১। অসম সাহিত্য সভাৰ অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা - 'মিক্‌চিজিলি' উপন্যাসৰ বাবে।
২। চৈয়দ আব্দুল মালিক অগ্ৰদূত বঁটা - অসমীয়া ভাষা-সংস্কৃতিলৈ অৱদানৰ বাবে।

## সংকলকৰ চমু টোকা

**ড° যতীন মিপুন** -- ড° যতীন মিপুনক অসমত নজনা মানুহ কেইজন! এজন নিষ্ঠাবান আৰক্ষী বিষয়া হোৱাৰ উপৰি তেখেত এজন সুসাহিত্যিক, অভিনেতা, সুবক্তা আৰু পৰ্বত-ভৈয়ামৰ সমন্বয়কাৰী যোগসূত্ৰ বুলি সৰ্ববিদামান। তেখেতৰ 'কাংকানৰ পৃথিৱী', 'মিপাক মাথ', 'তানি আগম' আৰু 'জয়শ্ৰীৰ কথা'ৰে বিপৰীতে 'অসম দৰ্শন', 'লজ্জাৰ দেশ লাজ পাই আহিলো', 'কাতি বিহুৰ ৰূপৰেখা' আদি সংকলনে অসমীয়া সাহিত্য জগতত এখন উচ্চ আসন লাভ কৰিছে। তাৰোপৰি 'অভিশপ্ত ৰাজধানী', 'তোৰ জীৱন তয়ে অঁতা', 'কাৰগিল

যাত্ৰী' আদি নাটক ৰচনাৰেও তেখেতে অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰিলে। তেখেতৰ 'মিকচিজিলি' উপন্যাসৰ দ্বাৰা অসম সাহিত্য সভাৰ অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা, অসমীয়া ভাষা সংস্কৃতিলৈ অৱদান আগবঢ়োৱাৰ বাবে চৈয়দ আব্দুল মালিক অগ্ৰদূত বঁটা আদি লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজ শাস্ত্ৰ বিভাগত পি.এইচ.ডি. ডিগ্ৰী লাভ কৰা যতীন মিপুনৰ দৰে লিখনিৰ যোগেদি পাহাৰ-ভৈয়াম, জনজাতি-অজনজাতিৰ মাজত সমন্বয় স্থাপন কৰাত কৃতকাৰ্য হোৱা আৰক্ষী বিষয়া এজনো পাবলৈ নাই। ইয়াৰোপৰি 'জাগ' নামৰ চলচিত্ৰত অভিনয় কৰা ড° মিপুনে গুৱাহাটী দূৰদৰ্শন যোগে প্ৰচাৰিত কেবাখনো ধাৰাবাহিকতো অভিনয় কৰিছিল। 'জয়শ্ৰীৰ কথাৰে' তেখেতৰ শেষ অভিনীত ভি.চি.ডি.। মুঠতে বহুমুখী প্ৰতিভাৰ গৰাকী যতীন মিপুনে সৰ্বতোপ্ৰকাৰে অসমীয়া সাহিত্য সংস্কৃতিলৈ অৱদান আগবঢাইছে। কিন্তু আমাৰ সকলোৰে অন্তৰত আঘাত দি সেই সিদিনা ১৩ জানুৱাৰী ২০০৭ তাৰিখে তেখেত আমাৰ মাজৰ পৰা গুচি গ'ল নেদেখা দেশলৈ। অসমীয়া সাহিত্যৰ অপূৰণীয় ক্ষতি হোৱা আৰক্ষী বিষয়াজনক হেৰুৱাই অসম আৰক্ষীৰ আকাশৰ পৰাও এটা ভোটাতৰা খহি পৰিল।

# অসম দৰ্শন

ড° যতীন মিপুন

**"জয়আই অসম"**

অসমৰ পূৱ প্ৰান্তৰ মাকুমৰ পৰা গোৱালপাৰা - কোকৰাঝাৰ জিলালৈকে চৰকাৰী কামত প্ৰায় প্ৰতিমাহেই ভ্ৰমণ কৰিবলগীয়া হোৱাত যোৱা ডেৰ বছৰতকৈও অধিক কাল কম বেছি পৰিমাণে অসম দৰ্শনৰ সুবিধা পাই আহিছোঁ। চৰকাৰী ধনৰ অপচয়ৰ দোষত দোষী হ'লেও দুই-এঠাই চোৰাৰ হেঁপাহত চৰকাৰী গাড়ী কেইকিলোমিটাৰমান বেছি দৌৰাব লগাও হয়। এই অসম দৰ্শন অৱশ্যে নেচনেল হাইৱে অৰ্থাৎ ৰাষ্ট্ৰীয় ঘাই পথ আৰু দাঁতি-কাষৰ ঠাই আৰু দৃশ্যাৱলীতেই আবদ্ধ। তথাপিও অভিজ্ঞতাখিনি 'জয় আই অসম'ৰ বাবে লিখি পেলালোঁ।

শীত আৰু বসন্তৰ দিনৰ অসমখন অৰ্থাৎ পুহৰ পৰা বহাগমাহ পৰ্যন্ত বৰ সুন্দৰ যেন অনুভৱ হয়, বিশেষকৈ কৃষিজীৱী অসমীয়াৰ বাবে। ৰাষ্ট্ৰীয় ঘাই পথেদি মাকুমৰ পৰা কোকৰাঝাৰ বা গোৱালপাৰা পৰ্যন্ত গ'লে দেখা যায় পথৰ দুয়োপাৰে উদং পথাৰ। দূৰৰ পৰা চালে ছাগলীহে দেখা গৰু ম'হৰ বাদে পথাৰত কৃষি কাৰ্যত লিপ্ত থকা কৃষিজীৱী ৰাইজৰ দৃষ্টিগোচৰ এই কেইমাহত নহয়। দৰং জিলাৰ খাৰুপেটীয়া অঞ্চলত বা বৰপেটা জিলাৰ সৰভোগ অঞ্চলৰ দৰে দুই-এক অঞ্চলতহে বছৰটোৰ বাৰটা মাহ কৃষিজীৱী ৰাইজৰ পথাৰত শস্যৰ পয়োভৰ দেখা যায়। অসমীয়াৰ বাবে এই কেইটামাহ ধান চপাই ভোগ কৰাৰ মাহ; মাঘ বিহুৰ পিছত ৰঙালী বিহু দুৱাৰডলিত উপস্থিত হয়হি, খেতি কৰাৰ সময় আৰু ক'ত! এই মাহ কেইটা, অৱশ্যে গোটেই বছৰটোৱেই, চাকৰিজীৱীৰ বাবেও কম সুখৰ নহয়। বছৰৰ বাৰটা মাহত কিহবা নহয় কিহবাৰ কাৰণত বন্ধ থাকেই, তাতে বিভিন্ন দাবীৰ বাবে বন্ধ ঘোষণা কৰাৰ মাত্ৰা আজিৰ দিনত অলপ বেছি হোৱা যেন লাগে। বন্ধ ঘোষণাৰ ফলত ঘৰতে বহি মাহেকীয়া দৰ্মহা কেইটা লৈ থাকিব পৰাতকৈ সুখৰ খবৰ আৰু কি হ'ব পাৰে! বন্ধ ঘোষণাৰ তীব্ৰতা কিমান মাকুমৰ পৰা কোকৰাঝাৰ বা গোৱালপাৰা পৰ্যন্ত একেৰাহে গৈ থাকিলেহে গম পোৱা যায়। মাকুমৰ পৰা ওলাওক - পাব চাবুৱা বন্ধ, কাৰণ, পুলিচ নিৰ্যাতনৰ প্ৰতিবাদ; চাবুৱা পাৰ হৈ মৰাণ পাওক, বন্ধ, কাৰণ, মহকুমাৰ দাবীত; শিৱসাগৰত সোমাওক, শিৱসাগৰ বন্ধ, কাৰণ, অ' এন, জি, চিত স্থানীয় লোকক কৰা অবিচাৰৰ প্ৰতিবাদত; দৰং জিলা, কোকৰাঝাৰ জিলাত সোমাওক, বন্ধ, কাৰণ আবদুৰ হোমলেণ্ডৰ দাবী। মুঠতে বন্ধই বন্ধ। উল্লেখ নকৰা জিলা সমূহতো বিভিন্ন কাৰণত বিভিন্ন অনুষ্ঠান-সংগঠনে বন্ধ ঘোষণা কৰা বন্ধ - মকৰাজালত সোমাবলগীয়াত হয়। সৰ্বাত্মক অসম বন্ধবোৰৰ কথা নকলোৱেইবা! আইন-শৃংখলাৰ কৰ্তব্যত যোৱা বাবে আমাৰ চৰকাৰী গাড়ী এনে বন্ধ

সুকলমে পাৰ হোৱাত বাধা নাই আৰু এনে বন্ধ আমাৰ বাবে আশীৰ্বাদ স্বৰূপ - কাৰণ বন্ধৰ ফলত গাড়ী নচলা বাবে ৰাষ্ট্ৰীয় ঘাই পথত তীব্ৰ গতিত চলা মিনি বাছ, বেচৰকাৰী বাছ, মাৰুতি গাড়ী বা নিশা হ'লে বেচৰকাৰী নাইট ছুপাৰ সমূহৰ বাবে জীৱটো চুলিৰ আগত লৈ যোৱা অৱস্থাৰ সৃষ্টি নহয়। এনে গাড়ীবোৰৰ তুলনাত হাইৱেৰ মালবাহী ট্ৰাকবোৰো বেছি নিৰাপদ যেন লাগে। এইদৰে বন্ধৰ দিনত গৈ থাকিলে বাটে-পথে কৰ্তব্যৰত দুই-এজন চিনাকি আৰক্ষী বিষয়া বা মেজিষ্ট্ৰেটক লগ পাই খন্তেক বৈ তামোল-চালি এখন খাই অসম আৰু বৃহত্তৰ অসমীয়া জাতিৰ (বন্ধ ঘোষণাৰ তীব্ৰতা কিমান মাকুমৰ পৰা কোকৰাঝাৰ বা গোৱালপাৰা পৰ্যন্ত একেবাহে গৈ থাকিলেহে গম পোৱা যায়।) এবৈশ শতিকালৈ ধাবিত হ'ব ধৰাৰ প্ৰস্তুতিৰ বিষয়ে কথা-বতৰা হ'ব পাৰি। বন্ধ সংক্ৰান্তত ইতিমধ্যে কাগজে-পত্ৰে বহু লেখা প্ৰকাশ পাই আহিছে, গতিকে বিশেষ বহলাই নিলিখিলোঁ।

এই ভৰ বাৰিষাত মাকুমৰ পৰা নামনি অসমলৈ বা নামনি অসমৰ পৰা মাকুমলৈ অহা যোৱা কৰিলে দেখা যায় এই ধানখেতিৰ ভৰ বতৰতো পুৱা ৯ টা মান বজাৰ পিছত ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়ো কাষে কৃষিকাৰ্যত কৰবাত দুই এজনকহে লাগি থকা দেখা যায়, অৱশ্যে দৰং, নলবাৰী, বৰপেটা বা নগাঁও জিলাৰ দুই এক অঞ্চলৰ কথা সুকীয়া। এনে দুই এক জিলাৰ অঞ্চল বিশেষত পুৱাৰ পৰা গধূলিলৈ পথাৰত কৃষিকাৰ্যত লাগি থকা গাঁওবাসীক দেখা পোৱা যায়। অসমৰ বাৰিষাত পানীৰ সুবিশাল সাগৰ সদৃশ মনোৰম দৃশ্যাৱলী চাবলৈ হ'লে বাৰিষা হ'লে বাৰিষা বতৰত দীঘলীয়া ভ্ৰমণসূচী লৈ ওলাওক, দেখিব হাইৱেৰ দুয়োপাৰে পানীয়েই পানী, কেতিয়াবা হাইৱেৰ ওপৰেদিও পানী বাগৰা দেখিব, ইচ্ছা কৰিলে দুই-এটা মাছ ধৰিব পাৰি। এনে পানীৰ ঢল দেখিলে ভাব হ'ব অসমত পানীয়েই পানী, অথচ খোৱা পানী এটুপীৰো অভাৱ! অৱশ্যে আজিকালি গাঁৱে-ভূঞে উজনিৰ পৰা নামনি বা নামনিৰ পৰা উজনি অসমলৈ আহিলে বা গ'লে ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়ো কাষে গ্ৰাম্য পানী যোগান আঁচনিৰ টেপ দেখা পোৱা যায়। এই হেন ভৰ বাৰিষাত নিয়ন্ত্ৰণীন ভাৱে ঝৰ ঝৰকৈ খোৱা পানী বিশুদ্ধ খোৱা পানী এনে টেপ সমূহৰ পৰা ওলাই থকা দেখা পাব লাগিলে গুৱাহাটী মহানগৰীৰ খোৱা ধোৱা পানীৰ বাবে হাহাকাৰ কৰি থকা বাসিন্দাসকলে ঈৰ্ষাত মৰিব লাগিব। অসমত গ্ৰাম্য খোৱা পানী যোগান আঁচনিৰ কৃতকাৰ্যতাকেই নিয়ন্ত্ৰণহীন এনে টেপবোৰে প্ৰমাণ কৰে আৰু গএগ্ৰা বাইজৰ চৰকাৰী ব্যৱস্থাৰ প্ৰতি থকা অসচেতনতাৰ কথাত বৰ বাৰুকৈয়ে প্ৰমাণ কৰে!

ঠিকমতে গন্তব্যস্থান পাবৰ বাবে ভগৱানৰ নাম স্মৰণ কৰিবলগীয়া হয়; কাৰণ অলপ বৰষুণ হ'লেই তিনিচুকীয়া চহৰৰ মাজেদি সৰু গাড়ীৰে পাৰ হোৱাটো বিপদজনক হৈ পৰে। বৰষুণ হ'লেই হ'ল, তিনিচুকীয়া চহৰত বানপানী সদৃশ পানী প্ৰতিটো কোণাতে পাব, ই হয়তো অসমৰ আন চহৰৰ দৰেই তিনিচুকীয়া নগৰপালিকা, ডেভেলপমেন্ট

অথ ৰিটি বা চহৰবাসীৰ আত্মসচেতনাৰ দান ! তিনিচুকীয়াৰ আগলৈও এনে বিপদ আছে - যেনে, ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰেদি পাৰ হৈ যোৱা বানৰ পানী, ডিব্ৰুগড়, যোৰহাট, নগাঁও, গুৱাহাটী আদি চহৰ-নগৰৰ মাজেদি পাৰ হৈ গোৱালপাৰালৈ যাওঁতে তিনিচুকীয়াৰ পথৰ দৰেই বানপানীৰ কবলত পৰাৰ ভয় ইত্যাদি।

এতিয়া দুই এক ভাল লগা বা ভালপোৱা ঠাইৰ কথালৈ আহোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সত্তৰ দশকত প্ৰায় ৬ বছৰমান থাকি স্নাতকোত্তৰ ডিগ্ৰী আৰু ডক্টৰেট ডিগ্ৰী লোৱা বাবে এই বিশ্ববিদ্যালয়ৰ প্ৰতি মোহ ও ভালপোৱা ভাৱ এটা আছে। সেয়ে মাজে-সময়ে সুবিধা পালে বিশ্ববিদ্যালয়ৰ চৌহদত ভৰি দিওঁ পুৰণি চিনাকি কাৰোবাক লগ পোৱাৰ আশাত আৰু নিজৰ কিছু কাম বিশেষকৈ এম, এ আৰু ডক্টৰেট ডিগ্ৰীৰ মূল প্ৰমাণ পত্ৰ পাবৰ বাবে। কিন্তু দুৰ্ভাগ্য আৰু অতি পৰিতাপৰ কথা হে যেতিয়াই বিশ্ববিদ্যালয়ৰ চৌহদত ভৰি দিওঁ তেতিয়াই কিহবাৰ কাৰণত অফিচত কাম নোহোৱাটো পাওঁ। কেতিয়াবা বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীৰ দাবী সংক্ৰান্তত অসহযোগ পালন কৰাত কাম নহয়, কেতিয়াবা কোনো বিষয়া বা কৰ্মচাৰী নথকাত নহয় নতুবা কেতিয়াবা দিনৰ ১/২ টা বজাৰ পিছত সোমালে দৰকাৰী ব্যক্তিজনক পোৱা নাযায় ইত্যাদি। ইয়াৰ বাবে কোনো দোষাৰোপ কৰিব বিচৰা নাই, মোৰ অতি আপোন যেন লগা উচ্চশিক্ষাৰ কেন্দ্ৰ বিন্দুত হয়তো মোৰ দুৰ্ভাগ্যৰ বাবেই যেতিয়াই সোমাওঁ তেতিয়াই এটা স্থবিৰ দেখা পাওঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয় পাৰ হৈ আহি কেতিয়াবা সময় সুবিধা পালে শিৱসাগৰত শিৱসাগৰ আৰু জয়সাগৰ পুখুৰীত এপাক মাৰি যাওঁ। ইয়াৰো কাৰণ জয়সাগৰ পুখুৰীৰ পাৰত অৱস্থিত শিৱসাগৰ কলেজত চাৰিবছৰ কাল কটাই স্নাতক ডিগ্ৰী লোৱা আৰু শিৱসাগৰত দুমাহকাল চাকৰি কৰা। শিৱসাগৰ পুখুৰীৰ পাৰেদি এপাক মাৰিলে দেখা যায় পৰ্যটক আকৰ্ষণৰ বাবে বহু কিছু কৰিব পৰাৰ বিপৰীতে উপায়ুক্তৰ চৰকাৰী বাসভৱনৰ সন্মুখত পুখুৰীৰ চুকটোত পৰি আছে দুখন অচল নাও, অলপ আগুৱাই গৈ চাৰ্কিট হাউছ পাৰ হৈ সিটো কোণত পাব গড কাপ্তানি (পথ) বিভাগৰ পুখুৰীৰ পাৰৰ ৰাষ্টাৰ দুয়োকাষে পৰি ৰোৱা অচল আৰু কুৎচ ৰোড ৰোলাৰৰ দম। এপাক মাৰি আহি শিৱদৌলত সোমালে দেখিব ভগা-ছিগা তাঁৰৰ বেৰেৰে দৌলৰ চৌহদৰ সীমা কোনোৰকম চিনাক্তকৰণ কৰি থোৱা অৱস্থা আৰু দৌলৰ পিছফালে পুখুৰীৰ দিশৰ দেৱালত বহি থকা দেখিব চেঙেলীয়া কৰ্মবিমুখ এজাক ডেকাৰ দল। মুঠতে খেলা-ধূলা কৰা ব্যক্তিৰ বাবে শিৱসাগৰ পুখুৰীৰ পাৰৰ টেনিছ ক্লাবটোৰ বাদে আনৰ বাবে আকৰ্ষণ অনুভৱ কৰাৰ কোনো ব্যৱস্থা নাই। জয়সাগৰ পুখুৰীৰ পাৰো তথৈবচ। শিৱসাগৰ পুখুৰীৰ পৰা জয়সাগৰলৈ যাওঁতে মাজ বাটত পোৱা যায় ৰংঘৰ, কাৰেং ঘৰ। শ্ৰীপৰাগধৰ চলিহাদেৱৰ চেষ্টাৰ ফল উত্তৰ-পূৱ ভাৰতৰ সাতভনীৰ সম্প্ৰীতিমূলক সাংস্কৃতিক অনুষ্ঠানৰ দিন কেইটাৰ বাদে ৰংঘৰ বাকৰি বৰ দুখ লগাকৈ ওৰেটো বছৰ অকলশৰীয়াকৈ নিৰ্জনতাত বুৰ গৈ থাকে। শিৱদৌল, ৰংঘৰ, কাৰেংঘৰ আৰু জয়দৌলৰ চৌহদত যদি

এজোপাও ফুল বই চৌহদবোৰ আকৰ্ষণীয় কৰাহেঁতেন বাটৰূৱাই ক্ষন্তেক সোমাই যোৱাৰ হেঁপাহ কৰিলেহেঁতেন। এইবোৰলৈ চকু দিয়াৰ অৱকাশ কাৰোবাৰ আছে জানো!

শিৱসাগৰৰ পৰা আহি কেতিয়াবা জাঁজী হৈ সোমাই আমগুৰি-মৰিয়ণী হৈ যোৰহাট ওলাওঁগে। মাকুমৰ পৰা আবেলি মঙ্গলদৈলৈ বুলি ওলালে যোৰহাটত ৰাতি হয় বাবে ৰাতিটো কটাবলগীয়া হয়; সেয়ে আমগুৰি-মৰিয়ণীৰ ঠিক সোমাওঁতে ধোদৰ আলিৰ কাষত থকা মোৰ গাঁৱত ৰাতিটো কটাওঁ-অকলশৰীয়া বৃদ্ধা মাতৃক এবাৰ মাত দি কিছু শান্তনা দিবৰ বাবে। দেউতা জীৱিত থকা হ'লে আমগুৰি-মৰিয়ণী হৈ যোৰহাটলৈ ধোদৰ আলিয়েদি কোনো কালেই নগলোহেঁতেন চাগে। কাৰণ আমগুৰিৰ পৰা মৰিয়ণীলৈ ধোদৰ আলিৰ অৱস্থা ইমানেই শোচনীয় যে গাড়ীৰ কথা বাদেই চাইকেল আৰু খোজ কঢ়াৰ বাবেও উপযুক্ত নহয়, যিহেতুকে পকী ৰাস্তাত অজস্ৰ বিয়াগোম গাঁতৰ পয়োভৰ। মৰিয়ণীৰ পৰা যোৰহাট পৰ্যন্ত পথছোৱা এখোপ-চৰাহে। এই অঞ্চলত নগালেণ্ড সীমান্তৱৰ্তীৰ একমাত্ৰ এই পথটোৰ মেৰামতিৰ বাবে ব্যৱস্থা লোৱা দেখা নগ'ল যদিও অঞ্চলৰ বাসিন্দাসকলে মাজে-সময়ে অঞ্চলটোৰ অন্য দাবীসমূহৰ লগত এই পথছোৱা মেৰামতিৰ দাবীও তোলে। অসমত চাগে এনে পকী ৰাস্তা দ্বিতীয় এক নোলাব। এবাৰ ধেমালিতে আমগুৰি মৰিয়ণী অঞ্চলৰ এগৰাকী সমাজসেৱকে ক'লে বোলে এদিন তেওঁৰে বন্ধু সমাজ সেৱক এগৰাকীৰ টকা কিছু চুৰি হ'ল। কিমান হেৰাল বুলি সোধাত বন্ধুৱে দুটা আঙুলি দেখুৱালে। বন্ধুৱে ভাবিলে দুটা আঙুলিৰ সমান টকা মানে সমাজসেৱকৰ অৱস্থালৈ চালে খুউব বেছি হ'লে হ'ব দুহেজাৰমান টকা। এজন অত্যুৎসাহী ডেকাই সন্দেহ যুক্ত ঘৰৰে ভালকৈ এশিকণি দি টকাৰ টোপোলা এটা উদ্ধাৰ কৰিলে ঘৰৰ পিছ ফালৰ বাৰীত গছৰ তলত পেলাই থোৱা অৱস্থাত। টোপোলা খুলি হিছাপ কৰি পোৱা গ'ল নগদ দুই লাখ টকা! কথাটো সদৰি হোৱাত, বিশিষ্ট নেতাৰ ইজ্জতৰ প্ৰশ্ন অহাত এনেকৈ উদ্ধাৰ হোৱা টকাৰ পৰিমাণ বাইজৰ আতাৰ্থে হেজাৰতে ৰ'লগৈ। এই কাহিনী কোৱা সমাজ সেৱকৰ মতে এই অঞ্চলত চোৰাং কাঠৰ কাৰবাৰ, ক'লা ধনৰ অভাৱ নাই আৰু ইচ্ছা কৰিলে তেনে লোকেই আমগুৰি-মৰিয়ণী হৈ যোৰহাটলৈকে পথছোৱা মেৰামতি কৰিব পাৰে। এনেকি মৰিয়নী তিতাবৰ হৈ গোলাঘাটলৈ যোৱা পথছোৱাও। উপৰোক্ত টকা হেৰুওৱাৰ কাহিনীটো শুনা কাহিনীহে, কাৰোবাৰ গাত যদি খাটে ক্ষমা কৰে যেন।

যোৰহাট চহৰ পাৰ হৈ পাওঁগে দেৰগাঁও। হাইৱেদি যোৰহাট পাৰ হোৱাটো কম কথা নহয়, ভোগদৈ দলঙৰ পৰা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখ ভাগলৈকে ট্ৰেফিকৰ অৰ্থাৎ গাড়ীৰ যি অৰাজকতা এবাৰ এই ডোখৰ ঠাই পাৰ হৈ গ'লেহে উপলব্ধি কৰিব পৰা যাব। যাহওঁক কোনোৰকম যোৰহাট পাৰ হৈ দেৰগাঁও পালে দেখা যায় পুলিচ ট্ৰেইনিং কলেজ আৰু আন বহু আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰ। প্ৰশিক্ষণ কেন্দ্ৰৰ চৌহদত এপাক মাৰিলে এনে ভাব হয় যেন কোনোবা পৰিত্যক্ত শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰহে। আৰক্ষী প্ৰশিক্ষণ

কেন্দ্ৰৰ ৰাষ্টাসমূহ, প্ৰশিক্ষণৰ বাবে থকা জোৱানৰ বাঁহৰ বেৰেকবোৰ, ডি, জি,পিৰ, যি সময়ত আৰক্ষী অধীক্ষক হৈ আই, পি, এছ্ পাই ডি, জি, পি পৰ্যন্ত পায়গৈ, প্ৰশিক্ষণৰ ব্যৱস্থা দেখিলে প্ৰশিক্ষণ সমাপ্তিৰ পিছত আইন-শৃংখলা ৰক্ষাৰ কামত জোৱানে থকা বাঁহৰ বেৰেকবোৰৰ অৱস্থাৰ দৰেই যে হয়গৈ তাত নিঃসন্দেহ।

মাকুমৰ পৰা গোৱালপাৰা-কোকৰাঝাৰ পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাই পথৰ কাষৰ আই, বি সমূহত ভাত বা মুখ-হাত ধুই চাহ এটোপা খাব পোৱাতো বৰ সুখৰ কথা। এনে আই, বি সমূহৰ চকিদাৰবোৰ বৰ সৰল আৰু অমায়িক। চাহ বা ভাত ওচৰৰ হোটেলৰ পৰা আনিব দিলে সকলো জোগাৰ পৰিপাটিকৈ কৰি দিয়ে। কিন্তু কিছুমানত অলপ থমকি ৰ'ব লাগে। যেনে নগাঁৱৰ ঘোঁৰাখাটিৰ ৰাইগোলেও পাৰ্কৰ হোটেল। চাহ এটোপাৰ বাবে তাত সোমালে দেখিব চকিৰ ওপৰত ভৰি তুলি বিড়ী-চিগাৰেট খাই আড্ডা মাৰি থকা ফৰেষ্ট গাৰ্ড বা তেনে জাতীয় ব্যক্তিয়ে টেবুলবোৰ দখল কৰি আছে। কোনোবা সোমালেও তেওঁলোকক নিৰ্বিকাৰ হৈ বহি থকা পাব, ইমান ধুনীয়া পৰিৱেশত থকা এই পাৰ্কখনৰ সৌন্দৰ্য উপভোগৰ মোহভঙ্গ হয় এওঁলোকক দেখি। আনৰ কথা নাজানো, মোৰ তেনে তিক্ত অভিজ্ঞতা হৈছে সেয়ে লিখিছোঁ। কুঠৰীত অৱস্থিত স্বৰ্গীয় মুহি মিৰি কাজিৰঙা পৰ্যবেক্ষণ টিলাটো এসময়ত ক'ত বিচাৰি ফুৰিবলগীয়া হ'বগৈ চাগে। আজি ছমাহমানৰ আগতে হেলনীয়াহৈ পৰোঁ পৰোঁ অৱস্থাত অস্পষ্ট মুহি মিৰি পৰ্যবেক্ষণ কেন্দ্ৰনে কিবা লিখা চাইনবোৰ্ড এখনৰ দৃষ্টিগোচৰ হৈছিল, এতিয়া আৰু সেই চাইনবোৰ্ডৰ অস্তিত্ব নাই। এই অঞ্চলতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সীমাৰ পৰা কুঠৰী পৰ্যন্ত উদ্যানৰ ফালে দেখিব বেদখলকাৰীৰ সৰু সৰু খেৰৰ জুপুৰী ঘৰ, যিবোৰ ঠাই আচলতে গড় বা হৰিণাৰ চাৰণভূমি হ'ব লাগিছিল। এইবোৰৰ প্ৰতি আনৰ দৃষ্টিভঙ্গী কি নাজানো মোৰ দৃষ্টিত কিন্তু বৰ দুখ লগা। মোৰ যাত্ৰাত নামনি অসমৰ হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, ধুবুৰীৰ ছত্ৰশালৰ শ্ৰীমন্ত শঙ্কৰ মন্দিৰ, বগৰীবাৰীৰ আই থান আদিৰ কথাও লেখিব লাগিছিল, সময় পালে পিছত লিখিম বুলি ভাবিছোঁ। এই যাত্ৰাত গুৱাহাটীৰ কথাও লেখিব লাগিছিল, যিহেতু গোৱালপাৰা-কোকৰাঝাৰলৈ গুৱাহাটী হৈহে যাব পাৰি। অৱশ্যে গুৱাহাটীৰ কথা নিলিখাৰ আন এটা কাৰণ কিছুদিনৰ আগতে বন্ধুবৰ শ্ৰীলক্ষ্মীনাথ তামুলীয়ে এই অগ্ৰদূত কাকততে গুৱাহাটী মহানগৰীৰ কথা বহলাই লিখিছে। শ্ৰীতামুলীয়ে অৱশ্যে বশিষ্ঠ চাৰিআলি ফালৰ হাইৱেত মালবাহী ট্ৰাকৰ উৎপাতৰ কথা, বশিষ্ঠত অসামাজিক কাৰ্যকলাপৰ বাবে আজিকালি এপাক মাৰিব নোৱাৰাৰ কথা বহলাই আমাক নজনালে।

চৰকাৰী কামত ভ্ৰমণ কৰিলেও ইমান দৰণিবটীয়া যাত্ৰাত ওলাব লাগে বাবে মাজে-সময়ে এনিশা জিৰণি বা বিশ্ৰাম লোৱাৰ প্ৰয়োজন হয়। সেয়ে বোকাখাটিৰ পেৰা, জখলাবন্ধাৰ মৌ আৰু ডাব, তেজপুৰৰ কেতেকীবাৰীৰ অণাৰস, ওৰাঙৰ বসগোল্লা, কোকৰাঝাৰৰ সাপ্তাহিক বজাৰৰ শুকান মাছ বা গাহৰি মাংস আদিলৈ দৰঙৰ ওৰাং

অ ভয়াৰণ্য, পানেৰী ৰিজাৰ্ভ বা ভৈৰৱকুণ্ডত বা কোকৰাঝাৰ লাউপানী, উল্টাপানী, জমদুৱাৰ আদি ফৰেষ্ট আই. বি সমূহত এৰাতি কটাবৰ মন যায়। কিন্তু দুৰ্ভাগ্যৰ কথা এনেবোৰ নিজান পৰিবেশত এৰাতি কটোৱাৰ দিন উকলিল। আইন-শৃংখলাৰ অৱনতিৰ লগে লগে বিভিন্ন ধৰণৰ কুটাঘাতমূলক কাৰ্যৰ বাবে এনেবোৰ ঠাইলৈ যোৱাটোৱেই বিপদজনক হৈ পৰিল। এনেবোৰ মনোৰম ঠাইত জিৰণি লোৱাতকৈ উৎকণ্ঠাতহে দিনবোৰ কটাবলগীয়া হৈছেগৈ। যোৱা জুলাইমাহৰ ভ্ৰমণত মাকুমৰ পৰা গৈ ওদালগুৰিৰ বৌতা চাৰি আলিৰ কাষৰ দোকানত ২০ জুলাইত একাপ চাহ খাওঁ বুলি বহিছোহে, শুনিলোঁ মাত্ৰ এঘণ্টা মানৰ আগতে বৌতা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনক কোনো অচিনাক্ত উগ্ৰপন্থীয়ে হেনো গুলীয়াই হত্যা কৰি থৈ গ'ল। খাৰুপেটীয়া দলগাঁৱৰ খজুৱাবিল নামৰ ঠাইত দুদিনমান আছোঁ, শুনিলো নাজিৰাত পুনৰ হত্যাকাণ্ড। এইকেইবছৰে হৈ থকা হত্যাকাণ্ডবোৰ আৰু গুৱাহাটীৰ পণবন্দী সকলৰ কথা নকলোৱেইবা। চৰকাৰী ভ্ৰমণ শেষ কৰি ২৮ জুলাই তাৰিখে ৰাতি মাকুম আহি পাই দেওবাৰে অৰ্থাৎ ২৯ জুলাই তাৰিখে ক্ষন্তেক জিৰণি লওঁ বুলি ভাবিছোঁহে, আবেলি শুনিলো ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্ৰীদৌলত সিং নেগী, তেওঁৰ গা ৰক্ষী আৰু গাড়ীৰ ড্ৰাইভাৰক কোনোবা অচিনাক্ত উগ্ৰপন্থীয়ে লাহোৱালত হত্যা কৰিলে। মৃত নেগী মোৰ চিনাকি আছিল তেওঁ কোকৰাঝাৰত মহকুমা আৰক্ষী বিষয়া হৈ থকা দিনৰ পৰা, তেতিয়া মই আছিলো ধুবুৰীত অতিৰিক্ত সহকাৰী আয়ুক্ত হৈ। সেয়া ১৯৮০-৮২ চনৰ কথা আৰু তেওঁ আছিল মোৰ জ্যেষ্ঠ ভ্ৰাতৃৰ দৰে জ্যেষ্ঠ সহকৰ্মী। পুৰণা চিনাকিৰ টান এৰাব নোৱাৰি শ্ৰীনেগীৰ হত্যাকাণ্ডৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলী লাহোৱাল পালোঁগৈ। ডিব্ৰুগড় মুৱাকৈ বাটৰ সোঁকাষে পৰি থকা শ্ৰীনেগীৰ গাড়ী আৰু শ্ৰীনেগীৰ মৃতদেহসহ দেহৰক্ষী আৰু ড্ৰাইভাৰৰ মৃতদেহ গাড়ীত ডিব্ৰুগড়লৈ নিবৰ বাবে তুলি থকা দৃশ্য দেখি চকুৰ পানী কোনোৰকমেই ৰখাব নোৱাৰিলো। কোনোবাই যদি ই মোৰ দুৰ্বল মনৰ পৰিচায়ক বুলি ভাৱে মোৰ বোধেৰে তেনে ব্যক্তি গোঁৱাৰ বা মানসিক বিকাৰ গ্ৰস্ততাত ভোগা মানুহৰ বাদে একোৱেই নহয়।

**(হিংসা-প্ৰতিহিংসাৰে ভৰা নিৰাপত্তাৰ চক্ৰবেহু কিন্তু বৰ দুৰ্বল আৰু ক্ষন্তেকীয়া)**

এজোপা পুৰঠ গছ কটাতো সহজ কিন্তু এজোপা পুলি ৰুই ডাঙৰ দীঘল কৰাতো যথেষ্ট কঠিন কামৰ দৰে এগৰাকী আই, পি, এছ বিষয়া বা জোৱানক হত্যা কৰাতো সহজ কিন্তু আই. পি. এছ বিষয় হোৱাতো কিমান কঠিন কাম, এজন জোৱানক জোৱান কৰি তোলোতে চৰকাৰে কিমান ৰাজভঁৰালৰ ধন ভৰিবলগীয়া হয় অচিনাক্ত উগ্ৰপন্থীৰ চাগে কল্পনাৰো অতীত। চৰকাৰী চাকৰিয়ালে চৰকাৰী কৰ্তব্য পালন কৰোঁতে এনে হত্যাকাণ্ডৰ বলি হ'বলগীয়া হোৱাত, তেওঁলোকৰ পৰিয়ালক অন্ধকাৰৰ গহ্বৰলৈ ঠেলি পঠিওৱাৰ আগতে উগ্ৰপন্থীয়ে নিজ ঘৰখনলৈ এবাৰ মনত পেলোৱা উচিত। এই কথা আবেগৰ বশবৰ্তী হৈ কোৱা নাই, এনে কথা উপলব্ধি কৰাৰ প্ৰয়োজনীয়তা আছে।

আনৰ পৰিয়াল ধ্বংস কৰি নিজ পৰিয়ালক নিৰাপত্তাৰ চক্ৰবেহুত সুখে-সন্তোষে ৰখাতো বা ৰাখিব বিচৰাতো সভ্য সমাজত বিকৃত মনোবৃত্তিৰ মানসিকতাৰ বাদে একোৱেই হ'ব নোৱাৰে। হিংসা-প্ৰতিহিংসাৰে ভৰা নিৰাপত্তাৰ চক্ৰবেহু কিন্তু বৰ দুৰ্বল আৰু ক্ষন্তেকীয়া, এই কথা মনত ৰখা উচিত। এতিয়া পুনৰ মৃত নেগীৰ কথালৈ আহোঁ। মাত্ৰ দুমাহ মানৰ আগতে গুৱাহাটীত মৃত নেগীৰ চৰকাৰী বাসভৱনত দুই-এবাৰ কথা পাতি চাহ একাপ খাই আহিছিলো। দ্ৰইংৰুমত কণমানি একেবাৰে নেগীসদৃশ এবছৰীয়া জীয়েক জনীৰ লগত ধেমালি কৰিছিলোঁ। সেয়াই আছিল স্পষ্টবাদী, সাহসী, অসমপ্ৰেমী, অসমীয়া জীয়াৰীৰ বিবাহ পাশত আবদ্ধ হোৱা, অসমক ভাল পোৱা বাবে অসমতে নিগাজীকৈ থাকি যাবৰ বাবে সংকল্প লোৱা, নিজ কৰ্ম-ক্ষেত্ৰত যি কৰিছিল অসমৰ ভালৰ কাৰণে কৰিছোঁ বুলি ভৰা হিমাচল প্ৰদেশৰ পাহাৰীয়া যুৱক স্বৰ্গীয় দৌলত সিং নেগীৰ লগত শেষ দেখা।

১৯৬৮ চনৰ পৰা অৰ্থাৎ গাঁৱৰ স্কুলত নৱমমান শ্ৰেণীত থকা দিনৰ পৰা, অসমীয়া ভাষা ভালকৈ, শুদ্ধকৈ ক'ব নোৱাৰা দিনৰ পৰা অসমীয়া ভাষাত মোৰ চুটি অঙ্কীয়া নাট আদি জনশিক্ষা নামৰ গুৱাহাটীৰ পৰা প্ৰকাশিত আলোচনীত প্ৰকাশ হৈছিল। এতিয়াও মনত আছে ১৯৬৮ চনৰ জনশিক্ষা আলোচনীত মোৰ প্ৰথম প্ৰকাশিত চুটি অঙ্কীয়া নাট 'তোৰ জীৱন তয়ে অঁতা'ত ক'ব বিচাৰিছিলো দুখীয়া মাতৃহীন কৃষকৰ ল'ৰা-ছোৱালী হৈও কেনেদৰে আদৰ্শবান হৈ শিক্ষা লাভ কৰিব পাৰি, বয়সস্থজনক কেনেদৰে শ্ৰদ্ধা কৰিব পাৰি বা লাগে ইত্যাদি। অসমীয়া ভাষা শুদ্ধকৈ ক'ব নজনা ছাত্ৰ এজনৰ অসমীয়া ভাষাত ছপা আখৰ দেখাত কিমান স্ফূৰ্ত্তিৰ বিষয় হ'ব পাৰে তাক বৰ্ণাব নোৱাৰি। সেই উৎসাহতে সত্তৰ দশকত মই বিপ্লৱ-বিদ্ৰোহ প্ৰতিবাদ ধৰ্মী কবিতা লিখিছিলোঁ আৰু অসমৰ সেই সময়ৰ প্ৰায় সকলো আলোচনী বাতৰি কাগজত প্ৰকাশিত হৈছিল। দৈনিক অসম, অসমবাণী, আমাৰ প্ৰতিনিধি আদিৰ শাৰদীয় বিশেষ সংখ্যা, বিহু সংখ্যা আৰু সাধাৰণ সংখ্যাত মোৰ বহু কবিতা প্ৰকাশ পাইছিল। দুই এক প্ৰবন্ধ সাপ্তাহিক নীলাচল, নাগৰিক আদিত প্ৰকাশ পাইছিল, এনেকি ছদ্মনামত কেইবাটাও চুটি গল্পও প্ৰকাশ পাইছিল। মোৰ ছদ্ম নামতে গৈ যোৰহাটৰ আৰ, আৰ, এল,ত বৰ্তমান বৈজ্ঞানিক শ্ৰীঅৰুণ বৰঠাকুৰেহে জানিব যদি তেওঁৰ মনত আছে, কাৰণ শিৱসাগৰ কলেজ হোষ্টেলত তেওঁ মোৰ ৰুমমেট আছিল আৰু মোৰ ছদ্ম নামটো - তেওঁকহে দেখুৱাইছিলো, চুটি গল্প বাতৰিলৈ পঠোৱাৰ আগত আৰু প্ৰকাশ হোৱাৰ পিছত। সেই কবিতা, গল্প, প্ৰবন্ধ সমূহ লিখাৰ উদ্দেশ্য আছিল পাৰিলে বৃহত্তৰ অসমীয়া সমাজখনক সজাগ কৰি তোলা, বৃহত্তৰ অসমীয়া সমাজ গঢ়াত কিঞ্চিৎ অৰিহণা যোগোৱা। মাতৃভাষা অসমীয়া ভাষা নোহোৱা স্বত্বেও অসমীয়া ভাষাত লেখা-মেলা কৰি বৃহত্তৰ অসমীয়া জাতি গঠনত কিঞ্চিৎ অৰিহনা যোগাব পাৰিলে নিজকে ধন্য মানিম বুলি ভাবিছিলো। বহুতে নাজানে যে মই সৰ্বভাৰতীয় চাকৰিৰ বাবে সম্পূৰ্ণ অসমীয়া ভাষাত লিখিত পৰীক্ষা দিয়া বুলি

তথা মুখামখি পৰীক্ষা অসমীয়া ভাষাতহে দিয়া। অসমীয়া ক'লেই, অসমীয়াত লিখিলেই নিজস্ব জাতি-গোষ্ঠীক অৱহেলা কৰা হয় বুলি মোৰ বিশ্বাস নহয়। সেই সমূহ কাৰণতে সত্তৰ দশকৰ মোৰ কবিতাই ওপৰত কৈ অহা কথাবোৰৰ পৰিবৰ্তন বিচাৰিছিল, মাজুলী, লক্ষীমপুৰৰ মিচিং গাভৰু বা কাৰবি আংলঙৰ কাৰবি গাভৰুজনীৰ নতুবা কোকৰাঝাৰৰ পাহোৱাল বড়ো ডেকাৰ সুখ-দুখৰ খবৰ ল'ব বিচাৰিছিল নতুবা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্থবিৰতাক দূৰ কৰিব বিচাৰিছিল। 'মে আকাৰ চংহয় বি কাংকক' অৰ্থাৎ 'জ্বলি থকা জুইকুৰা কোনে নুমালে' বোলা কাৰ্বি ভাষাৰ বাক্যৰ পৰা 'কাৰ' আৰু 'বি' আনি 'কাৰবি' শব্দৰ উৎপত্তি হৈছে বুলি বহু কাৰ্বি লোকে কয়। এই বাক্যৰ গইনাতে জ্বলা জুই আৰু মনৰ জুইৰ খবৰ ল'ব বিচৰা তেতিয়াৰ কবি মনটো আজি অসমৰ চুকে-কোণে বাৰুদৰ জুই আৰু জাতি গোষ্ঠীগত মতানৈক্যৰে সম্প্ৰীতিৰ এনাজৰীডাল পচি যাব ধৰা দেখি কবিতা লিখাৰ মানসিক প্ৰস্তুতি হেৰুৱাই পেলাইছোঁ; বুজিবনে কোনোবাই ওপৰত আলোচিত হোৱা কথাবোৰৰ আক্ষেপবোৰ কিয় আৰু উৎসবোৰ ক'ত? অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চুকে-কোণে বৃহত্তৰ অসমীয়া সমাজখনত যি ভাঙোন আৰম্ভ হৈছে তাক জোৰা লগোৱাৰ দায়িত্ব কোনোবাই ল'বনে? বন্দুক-বাৰুদ হাতত লোৱাতকৈ শিৱসাগৰ জয়সাগৰ পুখুৰীৰ পাৰৰ হাবি-বননি সমূহ চিকুণাবলৈ, ৰংঘৰ বাকৰিত সম্প্ৰীতিৰ বিহু মাৰিবলৈ ঢোল-পেঁপা, গগনা লৈ ওলাবনে কোনোবা? 'জয় আই অসম'।

**বিঃ দ্ৰঃ - ড° যতীন মিপুনৰ 'অসম দৰ্শন' (১৯৯২) নামৰ প্ৰবন্ধ সংকলনৰ পৰা পুনঃমুদ্ৰিত।**



# কুল শইকীয়া

**জন্ম :** চেপ্তেম্বৰ ১৯৫৯ চনত বঙিয়াৰ চেঙ্গিগাঁৱত।

**পৰিচয় :** পিতৃ প্ৰয়াত মুক্তাৰাম কলিতা আৰু মাতৃ শ্ৰীমতী লীলাৱতী শইকীয়া।

**শিক্ষা :** বঙিয়া নেহৰু শিশু বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, কটন কলেজৰ পৰা মধ্যমভাগ আৰু ৰামজাচ কলেজ, দিল্লী বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ।

**চাকৰিত যোগদান :** ১৯৮৫ চনত আই. পি. এচ. পদত।

**বৰ্তমান :** আই.জি.পি.

**বিবাহ :** ১৯৯১ খ্ৰীষ্টাব্দত বঙিয়াত শ্ৰীমতী লীনা শৰ্মাৰ সৈতে বিবাহ-পাশত আবদ্ধ। একমাত্ৰ সন্তান আৰণ্যক শইকীয়া।

**ভাল লগা বিষয় :** নাটক চোৱা আৰু মকৰহু কৰা।

**সৃষ্টি :** ৮ খন গল্প পুথি ক্ৰমে 'তীৰ্থ ডেকাৰ নিৰুদ্দেশৰ পিছৰ চোৱা', 'আগৰাত মই আৰু অন্যান্য', 'গ্ৰহান্তৰ', 'বেলিফুলৰ ছবি', 'মৃত্যুহীনতা আৰু অন্যান্য', 'আৰু কেইটামান গল্প', 'আড্ডা', 'এক ডজন গল্প'। উপন্যাস এখন 'নিৰ্জন দ্বীপত এদিন'।

'সাউদৰ দোলা' আৰু 'গোবৰ্দ্ধন দাস' তেওঁৰ নাট্য ৰচনাৱলী, ইয়াৰোপৰি লালুকসোলা নাট্যপুথিখন বৰ্তমান অপ্ৰকাশিত হৈ আছে।

**সামাজিক কাম ঃ** প্ৰকল্প প্ৰহৰী, অসম প্ৰকল্প, Study & research organisation on Assam's Economic Development.

## সংকলকৰ চমু টোকা

**কুল শইকীয়া** -- সাম্প্ৰতিক কালৰ এজন কথাশিল্পী কুলধৰ শইকীয়াৰ আঠখনকৈ গল্পৰ কিতাপে পঢ়ুৱৈক বৰকৈ আপ্লুত কৰিছে। আই.পি.এছ. বিষয়া শইকীয়াদেৱে বৰ্তমান আই.জি.পি. হিচাবে কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাত একেধাৰে গল্প লিখি আছে বিভিন্ন কাকত আলোচনীত। তেখেতৰ গল্পবোৰত বৰ্তমান ভগ্নমুখী সমাজৰ এটা বাস্তৱ চিত্ৰ অঙ্কিত হৈছে। একে আধাৰতে 'সাউদৰ দোলা' আৰু 'গোবৰ্দ্ধন দাস' নাট দুখনৰ সৃষ্টিৰে এজন সুদক্ষ নাট্যকাৰ হিচাবেও শইকীয়াদেৱ দৰ্শক শ্ৰোতাৰ ওচৰত ধৰা দিছে। 'নিৰ্জন দ্বীপত এদিন' নামৰ উপন্যাসখন ৰচনা কৰি তেখেতে উপন্যাস শাস্ত্ৰতো ভুমুকি মাৰিছে। মুঠতে কেউদিশৰ পৰা বহুমুখী প্ৰতিভাৰে শইকীয়াদেৱে অসমীয়া সাহিত্যৰ পথাৰখন উৰ্বৰা কৰি তুলিছে। এজন সুদক্ষ প্ৰশাসক হিচাবে পোৱাৰ উপৰি এজন সুসাহিত্যিক হিচাবে আৰক্ষী বিভাগে শইকীয়াদেৱক লৈ গৰ্ব কৰিব পাৰে।

# বেংক ডকাইত

## কুল শইকীয়া

লাহে লাহে তেওঁৰ তপা মূৰত জপজপীয়া চুলি গজি উঠিল, আগৰফালে হালি অহা নাকটোৰ কাষে-পাষে, গালৰ অ'ত-ত'ত লাগি থকা বয়সৰ আচোৰবোৰ ক্ৰমশঃ নাইকিয়া হ'ল, মুখত আহি পৰিল এক আত্মবিশ্বাস আৰু দৃঢ়তাৰ জ্যোতি, তেওঁৰ গাৰ কপাহী চাদৰখনৰ ঠাই ল'লে খমখমীয়া ইস্ত্ৰিৰ এযোৰ শুটে আৰু তেওঁ শিৰ ওখ কৰি নিৰ্ভয় নিঃসংকোচেৰে প্ৰৱেশ কৰিলে দবাটোৰ ভিতৰত — যিটো কাম তেওঁ আগতে কৰা নাছিল, নিয়ম-কানুনৰ বিৰুদ্ধে তেওঁ হয়তো এনেদৰে থিয় হোৱাৰ কথা ভৱা নাছিল, কিন্তু আজি তেওঁ ভাবিছে অনিয়মৰ নিয়মবোৰ ভংগ কৰি দিয়া ভাল, এইবোৰ ভাগিলেহে মানুহ মানুহ হিচাপে জীয়াই থাকিব পাৰে। জন্মগত স্বাধীনতাৰ অধিকাৰত কোনো বৈষম্য তেওঁৰ বাবে আৰু সহ্য কৰা অসম্ভৱ, অতএব তেওঁ এনে এখন আসন বাছি ল'লে যিখন তেওঁৰ নিচিনা চামৰাৰ ৰঙৰ বাবে নিৰ্ধাৰিত নাছিল, বা আজিলৈকে ক'লা ছালৰ কোনো যাত্ৰীয়ে তাত বহিবৰ সাহস কৰাটো কল্পনাৰ বাহিৰত আছিল —

তেওঁ গাড়ীৰ দীঘল উকিৰ বাবে ৰ'ব লগা নহ'ল, বা বগা কাপোৰ পিন্ধা গাৰ্ডজনৰ সেউজীয়া পতাকাৰ লহৰৰ বাবে প্ৰতীক্ষা কৰিব নালাগিল, কাৰণ অন্তিম মুহূৰ্তৰ সেইবোৰ আৱশ্যকীয় কাৰ্য-কাৰ্যৰ শুভাৰম্ভৰ আগতে তেওঁ গম পালে যে তেওঁ দবাটোৰ পৰা বাহিৰত প্ৰক্ষীপ্ত হৈছে, মুষ্টিবদ্ধ হাতৰ প্ৰচণ্ড আঘাতত তেওঁৰ ইতিমধ্যে দাঁতৰ ইটো-সিটোৰে তেজ নিৰ্গত হৈছে, শিৰৰ কৰবাত ব্যথা আৰম্ভ হৈছে, নতুন কাপোৰ ফালি ছিৰাছিৰ দিছে আৰু তেওঁ হামখুৰি খাই প্লেটফৰ্মৰ পকাত পৰি ৰৈছে, তেওঁক তাচ্ছিল্য কৰি ৰেলগাড়ীখন ঝক ঝককৈ ষ্টেচনৰ পৰা ধাবিত হৈছে, ৰে'লৰ ভিতৰৰ অগণন যাত্ৰীয়ে কিৰিলি পাৰি অট্টহাস্যৰে তেওঁৰ পৰা বিদায় লৈ আঁতৰি গৈছে —

আৰু তেওঁ তেনেদৰে পৰি ৰ'ল, হাতৰ মুঠি জোৰেৰে বন্ধ কৰিলে, মনলৈ আনি ল'লে দৃঢ়তাৰ ভাব আৰু হৃদয়লৈ যুদ্ধ দিয়াৰ সংকল্প —

'চাহ'—

ঠপকৈ আগত চাহৰ কাপটো থোৱাত এটা অবাঞ্ছিত শব্দ হ'ল, প্ৰসন্নৰ মনৰ পৰা হঠাৎ নাইকিয়া হ'ল এখন দেশৰ মানচিত্ৰ, এটা অনামী ষ্টেচন এটা মাৰ্বপিটৰ দৃশ্য আৰু এজন ডেকা উকীলৰ ছবি — সি গম পালে তাৰ সন্মুখৰ পাঁচশ টকীয়া নোটৰ বাণ্ডিলৰ পৰা মহাত্মা গান্ধীৰ সৰু ছবিখনে তাৰ ফালে চাই আছে, সি সেই নোটৰ মুঠিবোৰৰ পৰা চকু আঁতৰালে, মনৰ ভিতৰত গঢ় দি উঠা ৰুপচতীৰ আৰ্হিৰ ডেকা গান্ধীজীৰ চিত্ৰখন নাইকিয়া হ'ল, তথাপি কিছুক্ষণৰ বাবে নোটৰ ওপৰত অংকিত গান্ধীজীৰ

স্কেচ্ছখন মনৰ ক'ৰবাত লাগি থাকিল — এখন হাঁহি মুখেৰে, প্ৰবোধ আৰু প্ৰশান্তিৰ আভাসেৰে ---

'লগত কিবা?'

অভ্যাসবশতঃ কথাখিনি সুধিলেও সি জানে যে অফিচৰ প্ৰথম কাপ চাহ শুদায়ে হয়, কাৰণ এতিয়াও কেণ্টিনৰ ভিতৰত সম্পূৰ্ণ প্ৰস্তুতি শেষ হোৱা নাই। লাহে-ধীৰে জা-জলপান, পুৰি তৰকাৰি, চিংৰা-খুৰমা চেহেৰাৰে ইটো-সিটো কিবাকিবিৰ সৃষ্টি হ'ব, তাৰ আগতে যিবোৰ আগতীয়া সময়মতে আহি পোৱা বেংকৰ ষ্টাফ আছে সিবোৰৰ বাবে একাপ ধোঁৱা ওলাই থকা ৰঙা চাহ আৰু বচ্, তেনেদৰে এইমাত্ৰ ফুলকণে দৈনন্দিন নিয়মৰ এইমাত্ৰ কামফেৰা কৰি গ'ল।

সন্মুখৰ ঠাইখিনিত সি ইতিমধ্যে গোটাই লৈছে নগদ টকাৰ বাণ্ডিলসমূহ। আজিৰ বাৰত সাধাৰণতে কাউণ্টাৰত মানুহৰ ভিৰ বেছি হয়, গতিকে কিছু বেছি পৰিমাণৰ টকা তাৰ মেজলৈ আহে, লোহাৰ জালৰ বেৰখনৰ সিফালে মানুহৰ শাৰীয়ো বাঢ়ি যায়।

'প্লেটখন চাফা কৰি দিব নোৱাৰনে?' কাষৰ গোস্বামীৰ কেবিনত চাহকাপ ৰখা ফুলকণক প্ৰসন্নই গেৰি মাৰি ক'লে, চকুত দেখা পোৱা গ'ল এক নিৰ্লিপ্ত দাঢ়ি।

প্ৰসন্ন ক্ষুণ্ণ নহ'ল। ফুলকণৰ পৰা কিবা প্ৰত্যুত্তৰে তাক আমনিহে দিলেহেঁতেন, কিছুমান প্ৰশ্নৰ কোনো উত্তৰ সি নিবিচাৰে, বচ, মাথো সুধিবৰ বাবেহে তেনেবোৰ কথা দলিয়াই দিয়া হয়।

'মুড গৰম।' --

গোস্বামীয়ে তালৈকো তেনেকুৱাই বাক্য এষাৰ বৰ্ষণ কৰিছে বুলি প্ৰসন্নই ধৰি ল'লে, যাৰ উত্তৰৰ বাবে গোস্বামীৰ কোনো প্ৰত্যাশা নাই, অতএৱ মুখত এটা ক্ষীণ হাঁহি বিৰিঙাই দিয়াৰ বাদে কোনো শব্দৰ কচৰৎ কৰাৰ পৰা সি বিৰত থাকিল। চকীত আউজি লৈ প্ৰসন্নই ভৰি হাতৰ মাংসপেশীত অলপ শিতিলতা অনাৰ চেষ্টা কৰিলে। কাৰণ আৰু কিছুপৰৰ পিছতেই যেতিয়া বেংকৰ মুখ্য দুৱাৰখন খুলি দিয়া হ'ব, হো-হোৱাই বৈ অহা মানুহৰ সোঁতে তাৰ সমস্ত শৰীৰ লম্বাকাৰে চকীত লিপিট খুৱাই ৰাখিব, তাৰ মনত অহৰহ আহি থাকিব ধাৰাপাতৰ অগণন অংক, মেচিনৰ দৰে চলিব আঙুলি, মূৰ তুলি সন্মুখৰ মানুহজনক ভালদৰে চাই লোৱাৰো সময় নাথাকিব — মুঠ কথাত ঠিক এইখিনি সময় তাৰ বাবে মানসিক আৰু শাৰীৰিক বিশ্ৰাম লোৱাৰ ক্ষণ, ভৰি হাত মেলি দি ফুলকণে দি থৈ যোৱা ফিকা চাহকাপ সোহা মাৰি খোৱাৰ মধুৰ কাল —

প্লেটত পৰি থকা চাহখিনি প্ৰসন্নই কাতি কৰি মজিয়াতে পেলাই দিলে — এনে অপৰিপাটি স্বভাৱৰ পৰা এতিয়ালৈকে সি নিস্তাৰ নেপালে —— চাহৰ পৰাখিনিৰ ফালে লাহে লাহে আগবাঢ়ি অহা ক'লা পৰুৱা দুটাৰ চুচুক-চামাক গতিৰ ফালে সি চাই ৰ'ল।

বাওঁহাতৰ কেবিনটোত সোমাল পাৰ্থ ডেকা।

[redacted]

'দেৰি হ'ল?'

প্ৰসন্নৰ অলাগতিয়াল প্ৰশ্নত পাৰ্থ ডেকাই নিৰৰ্থক হাঁহি মাৰিলে।

'ট্ৰেফিক জাম?'

'তেনেকুৱাই —'

পাৰ্থৰ উত্তৰ আহিল এটা শব্দত। তাৰ ঘামৰ বৌজাল মচি থকা দৃশ্যাই প্ৰসন্নক কিবা এটা ফুচুৰি কথা কোৱাৰ পৰা বিৰত ৰাখিলে।

অ'ত ত'ত এখন মেজ নিশ্চয় খালী আছে, কিন্তু কাম চলিব পৰাকৈ ইতিমধ্যে কাউণ্টাৰবোৰত বিভিন্ন বিভাগৰ কৰ্মচাৰী লাহে-ধীৰে দিনটোৰ শ্বাসৰুদ্ধ কাৰ্যসূচীৰ বাবে প্ৰায় সাজু হৈ পৰিছে। প্ৰসন্নই মিছেছ বৰ্মণৰ চাফ-চিকুণকৈ ৰখা মেজৰ ফালে চকু দিলে, সিটো মূৰত ঝাড়ু মাৰি থকা দীপকৰ ঝাড়ুৰ চৰৎ চৰৎ আৱাজে দীঘল ঘৰটোত একঘেয়ী আবাহাওৱা এটাৰ সৃষ্টি কৰিছে, পুৰণা ফেনবোৰ একেই গতিত চলিছে, তাত কোনো যেন লাইফ নাই, বচ্, ভিতৰত মটৰ একোটা ঘূৰিছে বুলিয়েই বৃহৎ পাখিকেইখন অনিচ্ছা সত্ত্বেও ঘূৰিব লগা হৈছে —

'ষ্ট্ৰাইকৰ কথটো?'

প্ৰসন্নৰ ফালে মূৰটো ঘূৰাই মিছেছ বৰ্মনে ঘৰ্মাক্ত মুখমণ্ডল চাফ কৰিছে হাতৰ ফুলাম ৰুমালেৰে।

'কিবা হ'ল নহ'ল গমেই পোৱা নাই' —

তাৰ নিৰুদ্বেগ উত্তৰত নিশ্চয় আনন্দিত নহ'ল মিছেছ বৰ্মন।

'তেনেকুৱা কিবা এটা হ'লে — অন্ততঃ এই গৰমৰ দুদিনমান।'

মিছেছ বৰ্মনে ভেনিটি বেগ খুলি ল'লে, সৰু টেমাটোৰ পাউদাৰ কিছু ৰুমালৰ ওপৰত ছটিয়ালে, মুখে-কপালে আলফুলে ঘঁহাই দিলে ৰুমালখন।

এক নিত্য-নৈমিত্তিক দৃশ্য হ'লেও প্ৰসন্নৰ আমোদ লাগিল।

'ইউনিয়নে বা কি কয়?'

ইয়াৰ উত্তৰ প্ৰসন্নৰ হাতত নাই, অতএব সি মনে মনে থাকিল, আশা কৰিলে পাৰ্থ ডেকাই তাৰ জ্ঞান ভাণ্ডাৰৰ পৰা কিবা সমল এই মুহূৰ্তত বাকি দিব পাৰে —

একো মন্তব্য নাহিল। প্ৰসন্নই বুজিলে ডেকাই সদ্যহতে নীৰৱতাৰ আশ্ৰয় ল'ব বিচাৰিছে, ডেকাৰ মুখত সিমান একো প্ৰসন্নতাৰ ভাব আজি পৰিস্ফুট হোৱা নাই, যিটো সাধাৰণতে এক অভাৱনীয় কথা, কাৰণ তেওঁৰ হাস্যবদনৰ কোৱাবিৰে চোৱাংকৈ বৈ পৰা তামোলৰ ৰঙা পিক আজি এইটো মুহূৰ্তত নাই — হাঃ হাঃ হাঁহি ঘৰটোৰ বেৰ চিলিঙত হঠাৎ খলকনি তুলি দিব পৰা পৰিস্থিতি এটাৰো তেওঁ সৃষ্টি কৰাৰ পক্ষপাতী নহয়, মুঠ কথাত এক গোমা পৰিবেশ তেওঁৰ মুখত, দেহত জড়তা, চকুত চিন্তাৰ বেশ — এইবোৰ কথা প্ৰসন্নই লোহাৰ জালৰ বেৰৰ ইপাৰৰ পৰা ইমান পুংখানুপুংখভাৱে মন কৰাৰ কোনো যুক্তি নাছিল, কিন্তু এযৌক্তিকভাৱেই হঠাৎ আহি গ'ল তাৰ মনত

এইবোৰৰ বিশ্লেষণ হয়তো প্ৰসন্নৰ ভুলো হ'ব পাৰে, বাস্তৱতা অনুধাৱনত, বহুতো সময়ত পাৰ্থ ডেকাৰ মুখ চাই গৰ্ভ চিনা টান। নাটকৰ মঞ্চত বহুদিন তালফাল লগাই অহা ডেকাৰ প্ৰতিটো ভাব-ভংগীকে যে প্ৰসন্নই অধ্যয়ন কৰি গূঢ়াৰ্থ উলিয়াব পাৰিছে — সেয়া নহয় কিন্তু, সাধাৰণ অৰ্থত সি ভাবে যে পাৰ্থ ডেকাৰ বহুত কথাই, অনেক ভংগীমাকে পূৰাদমে বিশ্লেষণ কৰি চোৱাৰ ক্ষমতা এটা সি আৰ্জি পেলাইছে —

'হ'ল?'

ফুলকণে প্ৰসন্নৰ কোনো উত্তৰলৈ বাট নেচালে, আৰু সম্মুখৰ টেবুলৰ পৰা চাহৰ কাপটো উঠাই নি তাৰ চাহপানী, চিংৰাৰ পুৰণি টুকৰাবে ক্ৰেদাক্ত ট্ৰেখনত ৰাখিলে।

'সম্মুখৰ দুৱাৰ খুলিল?'

'নাই।'

'মানুহৰ ভিৰ কেনে?'—

প্ৰসন্নৰ শেষৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ আগেয়ে ফুলকণ আঁতৰি পৰিছে, তাৰ চেণ্ডেলৰ চটপ্ চটপ্ শব্দত নিশ্চিতভাৱে বিৰক্ত হৈছে পাৰ্থ ডেকা, ঘাম দুটোপাল মচি মুখ বিকটাইছে মিছেহু বৰ্মনে, মনেৰে অস্ফুট স্বৰত কিবা এটা কৈ পেলাইছে তৰুণ হালদাৰে — এইবোৰ অনুভৱ কৰিবৰ বাবে প্ৰসন্নই কাৰো ফালে চাবলগা নহ'ল, সদাসৰ্বদা ঘটি থকা ছবি এখন মনৰ মাজত কল্পনা কৰিয়েই প্ৰসন্নই সকলোবোৰ প্লট নিজেই কম্পোজ কৰি পেলালে। এইধৰণৰ কৃতকাৰ্যতাত তাৰ মনলৈ আহিল স্ফূৰ্তিৰ ভাব, কাৰণ এইখিনি সময়েই তাৰ বাবে বৰ অমূল্য, এই যে সি ঘৰৰ জোঁট-পোটৰ লেঠা নিছিগা লেঠাবোৰ এৰি থৈ আহিব পাৰিছে, সেইবোৰৰ মকৰাজালৰ পৰা দূৰৈত অৱস্থানৰ বাবে অপিচলৈ বুলি বাছৰ ভীৰৰ মাজত ভৰি দুখন ৰাখিব পাৰিলে, ধাক্কা-ধুক্কাৰ মাজতে সি পাহৰিবলৈ সক্ষম হ'ল সমাধান নেদেখা বহুতো সমস্যাৰ ব্যাখ্যা, তাৰ পিচত সি তাৰ চিনাকি ৰিক্সাৱালা বীৰেনৰ ৰিক্সাত উঠি বাছ ৰখা ঠাইৰ পৰা আহি অফিচত সোমাল, গোটাই ল'লে দিনটোত সি মানুহৰ হাতত তুলি দিবলগীয়া খমখমীয়া নোটৰ বাণ্ডিলবোৰ, লগতে ৰেজিষ্টাৰ, লেজাৰ, ইটো-সিটো বহী, কাগজ, কলম আৰু ফুলকণৰ একাপ ৰঙা চাহ, তাৰ পিচত আৰু প্ৰায় আধা ঘণ্টা চল্লিশ মিনিটৰ কিছু কৰ্মহীন সময় — এইখিনিয়েই দিনটোত তাৰ বাবে বৰ নিঃচিন্তাৰ কাল — যিখিনি সময়ত একোৱেই তাৰ মূৰত জ্বলা-যন্ত্ৰণাৰ সৃষ্টি নকৰে, ঠিক যেন এক উকা সময়, কোনো চিন্তা নাই, নাই কোনো কামৰ হেঁচা — বচ্, নিজকে সি চকীখনত আৰামী ভংগীত এৰি দিয়া ক্ষণ —

প্ৰসন্নই আয়াসত চকুহাল জপাই দিলে, তাৰ সম্মুখৰ পৰা আঁতৰি গ'ল লোহাৰ জালখন আৰু জালেৰে ঘেৰা কেবিনৰ বেৰবোৰ, অদৃশ্য হ'ল সম্মুখত পৰি থকা বৃহৎ আকাৰৰ ৰঙা-সেউজীয়া বাকলিৰ বহীবোৰ। সেইবোৰৰ মাজতে সি ক্ষন্তেক পিচতে সোমাই পৰিব লাগিব, সমুখৰ সৰু ছিদ্ৰৰে সোমাই অহা চেকবোৰৰ সি সৰু-ডাঙৰ সংখ্যাবোৰ নিৰ্ভুলভাৱে পঢ়ি পেলাব লাগিব, মনৰ মাজত তাৰ গঢ় লৈ উঠিব কিছুমান

অংক, সেইবোৰ নোটৰ সংখ্যাৰ স'তে মিলাই ল'ব লাগিব, চেকত থকা আঁক-বাঁকবোৰ মনোযোগেৰে অধ্যয়ন কৰি তাৰ নির্ভুলতাৰ ওপৰত সি আশ্চম্ভ হৈ এক-দুই-তিনি এনেধৰণৰ নেওতাৰ সংখ্যাৰে টকাবোৰ গণি পেলাব, 'লওক' — এইটোৱে হ'ব তাৰ একমাত্র শব্দ। প্রসন্নই অনুভৱ কৰিলে তাৰ হাতৰ আঙুলিবোৰ টকা গণাৰ ভংগীমাৰে লৰিবলৈ লৈছে। তাৰ এই মেচিনমাফিক কাৰুকার্যত নিজৰ ওপৰতে কিছু খিঙাৰ লাগিল, কাৰণ, সি বিচৰা নাছিল এনেদৰে এটা যন্ত্ৰৰ দৰে সি কামত লাগি পৰক — কিন্তু, কলেজ ইউনিভাৰচিটিৰ দিনৰ নভবা বহুতো কথাই এতিয়া তাৰ জীৱনৰ সংগী হৈ পৰিছে, দিন-ৰাতিৰ প্রতিটো মুহূর্ততে সি গম নোপোৱাকৈয়ে হয়তো এই বেংকটোৰ কথা ভাবে, তাৰ মনলৈ আহে লোহাৰ জালেৰে চৌদিশ বন্ধ কেবিনটোৰ কথা, তাৰ সন্মুখৰ পৰা লাহে লাহে খালী হৈ যোৱা নগদ টকাৰ ট্রাংকটোৰ ছবি, ক্রমশঃ জনশূন্য হৈ পৰা বেংকটোৰ দীঘল ঘৰটোৰ অন্তর্ভাগ, দিনটোত হৈ যোৱা আদান-প্রদানৰ হিচাপ-নিকাচবোৰ ঠিক-ঠাক কৰি ব্যস্ত ৰাজপথত ভৰি থোৱা —

মন আচ্ছন্ন কৰি তোলা বিতৃষ্ণাক প্রসন্নই তৎকালে মৰিমূৰ কৰাৰ চেষ্টা কৰিলে। কোনোপধ্যে সি এতিয়া, ঠিক এই মুহূর্তত মন বিষণ্ণ কৰি তোলাৰ পক্ষপাতী নহয়। সি মনলৈ আনিবৰ চেষ্টা কৰিলে কিছুমান সুখৰ চিন্তা, আনন্দোচ্ছল মুহূর্ত, কাৰণ সি জানে যে এই বন্ধ কেবিনৰ স্থিতিয়ে তাক বহুদিন তাৰ লগৰ পুৰণা সহপাঠী বা বন্ধু-বান্ধৱক পুনর্মিলৰ পথ প্রশস্ত কৰি তুলিছে, সেইবোৰৰ স'তে অন্ততঃ দুই-এক মিনিটৰ বাবে পুৰণি দিনৰ অগ্ৰংবগ্ৰং কথা পাতি তাৰ মনলৈ হৰিষ নামিছে। তেনেবোৰ প্রাক্তন সংগীক হয়তো ভৱিষ্যতে কেতিয়াবা লগ পোৱাৰ আশা নকৰিলেহেঁতেন, কিন্তু তাৰ এইটো চাকৰিৰ কৃপাত তেনেধৰণৰ মুখামুখি একোটা ঘটি গ'ল, সেইটোৱে কি কম কথা — সি নিজক পতিয়ন নিয়াবৰ চেষ্টা কৰিলে। দস্তুৰমত সি প্রসন্ন হ'ল যে সকলো চাকৰি-বাকৰিৰে একো-একোটা আদৰণীয় দিশ থাকে —

'দুৱাৰ এতিয়াও খোলা নাই?'

পার্থ ডেকাই এটা প্রশ্নৰ দলি মাৰি পঠিয়ালে।

'আমনি পাইছে?'

মিছেছ বর্মনৰ কথাবাৰ ওলাওঁতে নিশ্চয় তেওঁৰ চকুহাল ডাঙৰকৈ মেল খাইছে, ওপৰলৈ উঠি গৈছে আঁকি লোৱা চেলাউৰি, বহল হৈ পৰিছে বং লগোৱা ওঁঠৰ মুখখন — প্রসন্নই চকু নেমেলাকৈয়ে ইমানখিনি কথা উমান কৰি লোৱাত কঠিন নহ'ল, হয়তো তেওঁৰ আকৌ এবাৰ মুখৰ ওচৰলৈ উঠি গ'ল ফুলাম ৰুমালখন।

খোলা খিৰিকীৰে সোমাই আহিছে ব্যস্ত নগৰীৰ পথৰ হৈ-হাল্লা, গাড়ী-চাইকেলৰ আৱাজ, বৈ বৈ আইচক্রীম বেচোতাৰ আকুল আহ্বান — এই সকলোবোৰ শব্দ অলপ পাচতে প্রসন্নৰ কাণৰ পৰা নাইকিয়া হ'ব, কেৱল চলি থাকিব তাৰ সন্মুখত থিয় হৈ থকা কিছুমান ধৈর্যহীন মানুহৰ গুণ গুণ ভোৰ-ভোৰণি, গৰমৰ ওপৰত কৰ্কৰ্ণা। এনেবোৰ

মানুহৰ মাজতে সি কালি আৱিস্কাৰ কৰিছিল নিতুলক — বহু যুগৰ পিছত। নিতুলৰ চেহেৰা-পানী ভাল হৈছে, গাত মেদ বাঢ়িছে, মূৰৰ চুলি অ'ত ত'ত বগা পৰিছে, কিন্তু তাৰ সেই নাটকীয় ষ্টাইলৰ গদ গদ কণ্ঠস্বৰ একেই আছে — 'আহো মাজে মাজে, লগহে পোৱা নাই, মেনেজাৰৰ কমতে কাম-কাজ হৈ যায়, ওলাই আহি তোক বিচৰা নহয়, সময়ো কম, ফটাফট কাম হৈ যাব লাগে, তেনে এক প্ৰৱণতা' —

পিচফালৰ মানুহখিনিৰ মুখত কিছু ধৈৰ্যহীনতাৰ ভাব আহি পৰিছে —

'কাম নাথাকিলেও কেতিয়াবা এনেয়ে, বচ্ আড্ডাৰ বাবে, দুই-এক মিনিটৰ।'

'এনেয়ে আৰু এইফালে ক'ত অহা হয়।' প্ৰসন্নৰ প্ৰস্তাৱিত সকলো সম্ভাৱনাক মষিমূৰ কৰি নিতুলে চেকৰ কাগজখন তাৰ ফালে আগুৱাই দিলে।

'কিমান? শ জাতীয় বাণ্ডিল?'

'ডাঙৰ হ'লেই ভাল, অনা-নিয়াত সুবিধা'— নিতুলে তাৰ মুখৰফালে চালে আৰু অলপ ক্ষীণ স্বৰত ক'লে — 'এইবোৰ ক'তনো লগত থাকে, এই আহিল, এই গ'ল।'

দহ, এঘাৰ, বাৰ —

প্ৰসন্নৰ গণতি চলি থকা মুখত জবৰদস্তিৰে এক হাঁহিৰ প্ৰয়াস ফুটি উঠিল।

'ডাঙৰ সংখ্যাবোৰৰ ম'বিলিটি বেছি, সৰহপৰ নিজৰ জিম্মাত নাথাকে —'

একত্ৰিশ, বত্ৰিশ-তেত্ৰিশ —

আগৰ দৰে উষ্মাবিহীন হাঁহিত প্ৰসন্নৰ ওঁঠ দুটাৰ মাজত ফাঁকৰ সৃষ্টি হ'ল।

'ঘৰ-বাৰী বনালি? গাড়ী-ঘোঁৰা?'

প্ৰসন্নই মূৰ জোকাৰিলে।

'ইচ্ছা হ'লে কৰি, কিবা সহায়-চহায় কৰি দিব পৰা যাব পাৰে' —

জেপৰ পৰা উলিওৱা কাগজৰ টোপোলাটো খুলিলে আৰু নিতুলে ৰাজকীয় ভংগীৰে পাণ এখন হাতৰ আঙুলিৰে উলিয়াই ডাঙৰকৈ মুখখন মেলি জিভাৰ ওপৰত থলে, তাৰ বলধৰ গলবিচনীৰ দৰে ওলমি পৰা ডিঙিটোৰ মাংসপেশীৰ অ'ত-ত'ত সৰু-সুৰা কম্পন উঠিল।

'আজিকালি কিহত নামিছ, মানে, কাৰবাৰ, বিজনেছ, ঠিকা-ঠুকলি, ছাপ্লাই, নে অন্য কিবা?'

প্ৰসন্নই তাৰফালে নোটৰ টোপোলাবোৰ আগুৱাই দি কথাখিনি সুধিবলৈ ঠিক কৰি পেলাইছিল যদিও ইতিমধ্যে লগত অনা ছামৰাৰ বেগটোত নিতুলে সেইবোৰ হেঁচি হেঁচি সুমুৱাই পেলোৱাৰ চেষ্টাত ব্ৰতী হোৱা দেখি মুখেৰে একো নামাতিলে। পিচৰ মানুহজনৰ চেকখন সোমাই আহিল, প্ৰসন্নই সেইখন হাতেৰে তুলি ল'লে, 'এতিয়াৰে পৰা বেংকলৈ আহিলে তোকো এবাৰ মাত লগাই যামহি' — নিতুলে পাণপূৰ্ণ মুখেৰে তাক কোৱা কথাখিনি সি শুনিলে আৰু 'ওঁ' ধৰণৰ নুফুটা স্বৰত প্ৰসন্নই শলাগি থ'লে —

নিতুলক সিহঁতে চাব মাৰি দিছিল যে জীৱনত অধঃপতে যোৱা জীৱবোৰৰ লিষ্টত সি ইতিমধ্যেই নামভৰ্তি কৰিছে, তাৰ দ্বাৰা কিবা এটা কৰি খোৱাটো অসম্ভৱ, কাৰণ বৰ্তি থাকিবলৈ কীট-পতংগই কিবা অলপ শাৰীৰিক কচৰৎ কৰিবলগা হয়, 'তই মুখ মেলি আছ্ আৰু দুনিয়াখনৰ বিৰিয়াদৰিয়ে তোক তাত অমৃত ঢালি দি যাবহি বুলি তই বিশ্বাস কৰি নাথাকিবি, হাতেকামে কিবা এটাত নেলাগিলে কোনেও নাচায়'- এয়া আছিল সঞ্জীৱৰ কৰ্কশ মন্তব্য হোষ্টেলৰ কোঠাৰ আড্ডাত। নিতুলৰ শকত ধনৰ টোপোলাই প্ৰসন্নৰ পুৰণি হিচাপ-নিকাচ, নিতুল সন্দৰ্ভত মন্তব্যৰ অৰ্থশূন্যতা প্ৰমাণ কৰি গ'ল —

সি বুজিলে যে তাৰ ধিক্কাৰ লগা নাই। প্ৰসন্নই ভবাও নাই যে নিতুলে তাক চেৰ পেলাই বহুখিনি আগবাঢ়ি গ'ল, কাৰণ, এতিয়াও সি নিতুলৰ পৰা এই ধন-সম্পত্তিৰ ভাল-বেয়া উৎস সন্দৰ্ভত একো খবৰ লোৱা নাই, অথচ সি ধৰি ল'লে যে এইবোৰ কিবা অসৎ বৃত্তিৰ টকা-পইচা — যিটো ভবাত তাৰ কোনো শক্তিশালী যুক্তি নাছিল, কাৰণ সৎ ধন কি বৃহৎ পৰিমাণৰ হ'ব নোৱাৰে?

'ইছুপেছেল কিবা?'

পাৰ্থ ডেকাৰ জোৰ চিএৰৰ নিশ্চয় পুলকণৰ ফালে বৰ্ষিত হৈছে

'নাই, একো নাই'—

নিৰাশক্তিৰে ভৰা উত্তৰ আহিল ফুলকণৰ পৰা।

মিছেছ বৰ্মনো নিশ্চয় তাৰ কথাবাৰত খুচ নহ'ল, 'এঃ' ধৰণৰ এক বিৰক্তিৰ শব্দ বিচ্ছুৰিত হ'ল তেওঁৰ মুখৰ পৰা। বেফিকৰ গতিত চলি থাকিল ফুলকণৰ কাপ-প্লেটৰ ঠুং-ঠাং আৱাজ —

বাওঁ কুমত তাৰ বিষটো লাহে ধীৰে আৰম্ভ হৈছে, প্ৰসন্নই যোৱা দুইতিনি দিন এইধৰণৰ মূৰত ব্যাথ্যা অনুভৱ কৰি আহিছে। হয়তো ডাক্তৰী শাস্ত্ৰত ইয়াক ষ্ট্ৰেচ হেডেক বুলি কৈছে, কিন্তু তাৰ বাবে নতুন কোনো চকুত লগা ষ্ট্ৰেচ বা চিন্তা আহি পৰা নাই যে সি এটা নতুন বেমাৰ হৈ তাক জ্বালা-যন্ত্ৰণা দিব — যিবোৰ চা চিন্তা তাৰ আছে সেইবোৰৰ কোনো চৰিত্ৰ বদলা নাই, বাস্তৱিকতে তাৰ সমস্ত পৃথিৱীত এতিয়া একো নতুনত্ব নাই, এক চাবি দিয়া পুতলাৰ চৌদিশে কোনো সম্পৰ্ক নথকাকৈ চলি থকা দৈনন্দিনৰ ধাৰাবাহিকতা লৈ অব্যাহত গতিত সি চলি আছে, এই জাল দিয়া সৰু কেবিনটোৰ সীমাবদ্ধ আবহাৱাত পাৰ হৈছে দিন, ট্ৰেফিকৰ ভিৰ ঠেলি সি পিচত থৈ আহিছে সন্ধ্যা, তাৰ পিচত পাৰ হৈছে ৰাতিৰ ক্লান্তি, তেনেকৈ পুৱা বাছত উঠি পাৰ কৰিছে অফিচলৈ যাত্ৰাৰ কঠিন প্ৰাত্যাহিকতা — এইবোৰেই কি হ'ব পাৰে তাৰ ষ্ট্ৰেচৰ কাৰণ?

মূৰৰ বিষটো হয়তো সূৰ্য্যকপালীধৰণৰ — পুৱা বেলিৰ উদয়ৰ স'তে কুট কুটকৈ আৰম্ভ হ'ল, তাৰ পিচত দুপৰীয়া কিছু বেছি আৰু সন্ধ্যা সময়ত শেষ — হয়তো শেষ

হৈ নাযায়, মাথো তাৰ দেহৰ অংগ-প্ৰতংগ, টিচু বা কোষসমূহে ব্যথাটো তাৰ শৰীৰৰ এক আৱশ্যকীয় অংশ বুলি ভাবি পেলায়, যাৰ ফলত সি বাওঁ কুমৰ সেইটুকুৰা ঠাইত কোনো জ্বালা-যন্ত্ৰণা অনুভৱ নকৰে — এক সহজ ধৰণৰ অনুসিদ্ধান্তৰ ভূমিকা ৰচনা কৰি প্ৰসন্ন আপ্লুত হ'ল।

দুই-এদিনতে কোনোবা বন্ধৰ দিনত সি ডাক্তৰৰ স'তে আলোচনা কৰি লোৱা ভাল হ'ব — এনেদৰে প্ৰসন্নই বেছ কিছুদিনৰ পৰা হিচাপ নিকাচ কৰি আহিছে, কিন্তু সি জানে যে এনেধৰণৰ বহুত কৰিবলগীয়া কাম তাৰ এতিয়াও সমাপন হোৱাগৈ নাই, যেনে, এই যে আধাসজা ঘৰটোৰ বাকী কামখিনি আজি পাঁচ-ছয় বছৰে পৰি আছে, ইটাবোৰত শেলুৱৈ গজি উঠিছে, বালিবোৰ বৰষুণত উটি গৈছে, দ'মটোৰ পৰা ওচৰৰ মানুহবোৰে এবাল্টি-দুবাল্টিৰে শিল সৰকাইছে — এইবোৰ কাম, বা তাৰ গাঁৱত থকা সৰু ভায়েক পদুমৰ চাকৰিৰ নামত কেইহেজাৰমান টকা যোগাৰ কৰি কাৰোবাক ঘোচ-তোচ দিয়া, কলেজত নাম লগোৱা পুতেকৰ বাবে এখন মটৰ চাইকেল, ঘৈণীয়েকৰ দেশ ভ্ৰমণৰ এক দুৰ্বাৰ হাবিলাষক সাকাৰ ৰূপ দিয়া — এইবোৰ কাম দুই-এদিনতে কৰি পেলোৱাৰ কথা সি বহুদিন ভাবিছে, কিন্তু হৈ নুঠাৰ কাৰণো প্ৰসন্নই জানে, আৰু জানে বাবেই সি বহুদিন তাৰ টেবুলত মুখমেলি থকা বাকচটোৰ খমখমীয়া নোটৰ বাণ্ডিলবোৰ নতুনকৈ চাই লয় — কিমান শক্তিৰ উৎস এইবোৰ, ঠিক যেন এটা প্ৰচণ্ড শক্তিশালী বোমা তাৰ সন্মুখত সজাই থোৱা হৈছে, আৰু তাক কোৱা হৈছে ইয়াৰ পৰাই বুটলি লোৱা আৰু যদি কিবা ধ্বংস কৰিব খুজিছা তালৈকে দলিয়াই দিয়া, আফটাৰ অল সৃষ্টিবো বীজ ধ্বংসৰ দ'মত থাকে — সি বাকচটোৰ পৰা শুনিলে এনেধৰণৰ এক নিবেদন, নোটৰ ওপৰত নান্দনিক বাহাদুৰিৰে ছপাই থোৱা গান্ধীজীৰ নিষ্পাপ মুখখন, দম্ভৰে উৰি থকা সংসদ ভৱনৰ পতাকাখন, সুচাৰুৰূপে লিখি থোৱা আখৰবোৰ, মণিব নোৱাৰা চিকিউৰিটি থ্ৰেড — এইবোৰৰ গুণগুণণিত সি নিশ্চিত হ'ল যে বেংকৰ ভিতৰত মানুহৰ আহ-যাহ বন্ধ হৈছে, অফিচৰ মানুহো দুই-এজনকৈ সৰকি গৈছে, অ'ত-ত'ত দুই-এটা লাইট নুমাই দিয়া হৈছে, মুঠ কথাত এতিয়াই তাৰ বাবে আহি পৰিছে এনে এক ক্ষণ যাৰ বাবে সি কোনো দিনে প্ৰতীক্ষা কৰা নাছিল, বা কেতিয়াও ভবা নাছিল সি এনে এক ভাব এটা তাৰ মনলৈ আহি যাব পাৰে, অথচ আজি এই মুহূৰ্তত এনে এক চিন্তাই তাৰ মনলৈ আহিল কেতিয়াও কৰা নাছিল এনে এটা কামৰ প্লান আৰু প্ৰসন্নই বেংকত বিৰাজ কৰা এই নিৰিবিলি মুহূৰ্তত নিজৰ লগত আজি দহ বছৰে লৈ ফুৰা ছামৰাৰ বেগটোতে উবুৰিয়াই দিলে খোলা ট্ৰাংকটো। এতিয়া তাৰ চকুৰ পচাৰতে ট্ৰাংকটো খালি হৈ গ'ল, আৰু বেগটো ফুলি উঠিল গণ্ডাটোপ মাছৰ আকাৰেৰে। সি চকু ঘূৰালে, চৌদিশে, বেংকৰ প্ৰায়বোৰ কেবিন এতিয়া বন্ধ হৈ পৰিছে, মিছেছ বৰ্মনে বহুপৰ আগতে স্থান ত্যাগ কৰিছে, পাৰ্থ ডেকাৰ স্কুটাৰৰ আৱাজ শুনা গৈছে, মেনেজাৰ হয়তো এতিয়াও কোঠাত আছে, তাত প্ৰসন্নই চিন্তা কৰাৰ প্ৰশ্ন নুঠে, মুঠ কথাত তাৰ

এই অভিযান সুকলমে আৰম্ভ হৈছে — এতিয়া সি মাথো উত্তীৰ্ণ হ'ব লাগিব ইয়াৰ ঠিক-ঠাক সামৰণিৰ পৰীক্ষাত —

প্ৰসন্ন থিয় হ'ল, নিশ্চিত হ'ল যে তাৰ ভৰি-হাতত কোনো ভীতি কম্পন অনুভূত হোৱা নাই, দুই-এক দেশী-বিদেশী ছবিৰ ছিন্ন-ভিন্ন ছায়াচিত্ৰ তাৰ মনলৈ আহিল, তাৰ মন বীৰত্বৰে পূৰ্ণ হ'ল, প্ৰথমবাৰৰ বাবে সি অনুভৱ কৰিলে যে সাহস তাৰ যথেষ্ট আছিল, অথচ আজিলৈকে এই সন্দৰ্ভত সি অজ্ঞান আছিল বুলিয়েই প্ৰতিবাৰেই এনেকুৱা দম লগা কাৰবাৰৰ পৰা সি দূৰস্থ আছিল, নিজকে আৱিষ্কাৰৰ অদ্যাবধি চলা বিফলতাই তাক এইটো মুহূৰ্তত ক্ষুণ্ণ কৰি তুলিলে, সি ভাবিলে বহুত কামেই তাৰ দ্বাৰা সমাধান হ'লহেঁতেন, এই যে বৃদ্ধাংগুষ্ঠ দেখুৱাই বাতুলে তাক কলেজৰ নিৰ্বাচনত হৰুৱাইছিল, মানসীয়ে তাৰ নামত থুই পেলাইছিল কাপুৰুষৰ সংজ্ঞাৰে — এইবোৰৰ বিৰুদ্ধে সি জেহাদ আৰম্ভ কৰাৰ সম্পূৰ্ণ সামৰ্থ্য তাৰ আছিল, যিটো সি আজি উপলব্ধি কৰি পেলালে — প্ৰসন্নৰ মন আপ্লুত হ'ল, 'বাহিৰত বোধ হয় আন্ধাৰেই হ'ল' বুলি সি ফুলকণক কৈ আঁতৰি আহিব খুজিলে, অথচ ফুলকণৰ চকু তাৰ কান্ধত ওলমি থকা ফুলাপেটৰ বেগটোৰ ফালে হয়তো গ'ল, প্ৰসন্নই ফুলকণৰ ক্ষীণাংগী দেহৰ মুখখনৰ ওপৰত যিমানজোৰে আঘাত কৰিলে হয়তো তাৰ কোনো প্ৰয়োজন নাছিল, মুখ মেলাৰ আগতে ফুলকণৰ মুখ বন্ধ হ'ল, সি দুৱাৰৰ চুকত পৰি থাকিল, তাৰ অৰ্ধচেতন দেহৰ ওপৰেদি বীৰদৰ্পে প্ৰসন্ন পাৰ হ'ল — নিশ্চয় তাৰ মনলৈ কিবা এটা চিনেমাৰ শ্বট ভাহি আহিল, হয়তো দুই-এটা বেপৰোৱা সংলাপৰ নাটকীয় ধ্বনি —

প্ৰসন্নই জানিলে সি চিৰিৰে প্ৰথম মহলাৰ পৰা নামি আহিছে, কান্ধত ওলমি থকা বেগটোৰ সচৰাচৰ কোনো ভৰেই নাছিল, টিফিন বক্সৰ দুখন ৰুটি, শাস্তিয়ে ভাজি দিয়া অকমান আলু ভাজি, দুটুকুৰা পিঁয়াজ, হয়তো দুই-এখন অপ্ৰংবেগ্ৰং কাগজ, ডাক্তৰৰ প্ৰেছক্ৰিপচন, বজাৰৰ সামগ্ৰীৰ লিষ্ট, আৰু এটা কেলকুলেটৰ — এইবোৰো কি ওজন থকা বস্তু? কিন্তু হঠাৎ এতিয়া বেগটোৰ ভৰ বাঢ়ি গৈছে, আৰু প্ৰসন্নই বৰ সাৱধানতাৰে চিৰিৰে নামি যোৱাৰ সংকল্প ল'লে —

খাকী পিন্ধা চৌকীদাৰটোৰ বন্দুকৰ নলীটো সি অলপ দূৰৰ পৰাই মন কৰিলে, কোনো ভীতি ভাৱৰ সঞ্চাৰ তাৰ মনত নঘটিল, 'কাইলৈ পাম' — এইধৰণৰ কথাবাৰ সি চৌকীদাৰ ফালে দলিয়াই দিয়াৰ কোনো যুক্তি নাছিল, কিন্তু প্ৰসন্নই এনেদৰেই ক'লে, আৰু কোনোবা এখন যুদ্ধৰ চিনেমাৰ গুপ্তচৰৰ ভূমিকা দিয়া অভিনেতাজনৰ ছবিয়ে তাক আমোদ দি গ'ল —

কান্ধৰ ফুলি থকা বেগটোৱে তাক ইংগিত দিলে যে সি আজি আৰু বিশ্ৰান্ত উঠি বাছষ্টেণ্ডলৈ যোৱাৰ প্ৰশ্ন উঠিব নোৱাৰে। সচৰাচৰ উঠা তাৰ চিনাকি মুখৰ বিশ্ৰাবালাকেইজনৰ পৰা সি অলপ দূৰ আঁতৰি গ'ল, সেইবোৰ ধীৰ গতিৰ বাহনত তাৰ কৰ্মব্যস্ত সময় নাটনিৰ জীৱন চলিব নোৱাৰে, আনকি আজিৰ পৰা সি চিটিবাচৰ কদৰ্যভৰা

ভ্ৰমণ বাদ দিয়াৰ সময় আহি পৰিছে — জীৱনভৰ কি সি একেদৰেই লাঠি-ঘোচা খাই বাছত ঘূৰি ফুৰিব? মানুহক উত্তৰণ লাগে — প্ৰসন্নই ভাবিলে আৰু হাতৰ সংকেতেৰে অট'ৰিক্সাখন মাতি পঠিয়ালে।

'আৰু জোৰত! ফিল্মী ষ্টাইলত যেনেদৰে গাড়ী-ঘোঁৰা চলোৱা হয়, ধৰা, তুমি কাৰোবাক ফল' কৰিছা, ঠিক ধৰা হিৰোৰ বাবে যেনেদৰে আহি পৰে একো একোটা মিছন সফল কৰি তোলাৰ প্ৰত্যাহ্বান, য'ত এতিয়া সময় নাই — নায়িকা অপহৃত হৈছে, পাহাৰৰ মাজত হ্ৰদৰ কাষলৈ বলেৰে লৈ যোৱা হৈছে, তাত তেওঁৰ বাবে জীৱন-মৰণৰ এক ফান্দ ৰচিত হৈ আছে, এনেহেন এক ভয়ঙ্কৰ চিকুৱেন্স, ৰাস্তাটো সংকটপূৰ্ণ, মুঠ কথাত তুমিয়েই ধৰা এই দৃশ্যটোৰ নায়ক — হাঃ হাঃ' — ক'ব খুজিয়ো ইমান কথা নক'লে প্ৰসন্নই, মাথো দুই হাতেৰে টানকৈ ধৰি থাকিল ফুলি থকা বেগটো যিটো ছামৰাৰ বেগ বুলিয়েই কিনিছিল, কিন্তু পিছত অ'ত-ত'ত এৰি যোৱা ছাল-ছামৰাবোৰ চাই মিছেছ বৰ্মনে কৈছিল — 'ঠগালে আপোনাক'—

প্ৰসন্নই ক'লে, 'ৰাখক' আৰু অট'চালকক ফৎকৈ সি ভাড়াখিনি দি দিলে, তাৰ পিচত সি পিচলৈ উভতি নাচালে ধপ্ ধপ্ আৱাজেৰে ক'লা-ধোঁৱা তাৰ মুখত মাৰি অট'খন আঁতৰি গ'ল, সি তাৰ ভাড়াঘৰৰ কাঠৰ গে'টখন খুলি সোমাই পৰিল —

বাৰাণ্ডাত থৈ দিয়া বেতৰ চকী দুখনত কুচন লগোৱা হোৱা নাই, ধপকৈ বহি দিলে প্ৰসন্নই, অনুভৱ কৰিলে, সি ভাবিলে যে এনে পুৰণি চকী দুখন তাত ৰাখি থোৱাৰ কোনো যুক্তি নাই, ৰত্নেশ্বৰৰ নতুন শ্ব'ৰুমৰ পৰা সি অচিৰেই ডিজাইনাৰ ফাৰ্ণিচাৰ ছেট এটা কিনি অনাটো ভাল হ'ব, অন্ততঃ শান্তিয়ে কৈ থকা বহুদিনীয়া কাম এটা সমাধা হৈ যাব —

ভাগৰ প্ৰসন্নৰ নিশ্চয় লাগিছে, এতিয়া মন যোৱা নাই — বিস্কুটৰ স'তে ৰঙা চাহ একাপ খোৱাৰ, হয়তো কিবা এক নতুন মেন্যুৰ কথা সি শান্তিৰ স'তে আলোচনা কৰি পেলাব পাৰে —

তোমাৰ ইচ্ছামতেই ঠিক কৰি পেলাব পৰা ভ্ৰমণসূচী, চিমলা-তিমলা, ঠিক বৰফ পৰাৰ সময়ত, কিছুদিন, তুমি মই, দীপ — তিনিওৱে থাকি আহিলো, এই ধৰা ভাল হোটেল এখন, নতুন আদৰ কায়দাৰ বা দক্ষিণলৈয়ো যাব পাৰি, সাগৰৰ ফালে যোৱাৰ এক কল্পনা ময়ে কৰি থৈছিলো, বা ভাবিব পৰা বেংকক, ছিংগাপুৰ তেনেকুৱা কিবাকিবি ঠাইৰো কথা —

প্ৰসন্ন বাৰাণ্ডাত বহি শান্তিৰ স'তে কথোপকথনৰ আখৰা কৰি গ'ল, গধুৰ বেগটো সি কাষৰ চকীখনৰ পৰা আকৌ হাতত তুলি ল'লে —

শান্তিয়ে তাৰ বাবে লৈ আনিলে বিস্কুট আৰু ৰঙা চাহৰ সা-সৰঞ্জামখিনি।

'ঘৰটোও বনায়েই পেলাব লাগিব এইবাৰ। নিৰীত থকা প্ৰদীপক ক'লে — দামী মাৰ্বল-চাৰ্বল ঠিক-ঠাক কৰি দিব' — প্ৰসন্নই শান্তিক এনেদৰে কম বুলি ভাবিয়েই

থমকি ৰ'ল। সি আৰু ক'ব খুজিলে ঘৰত এখন গাড়ীৰ প্ৰয়োজন হৈছে, দীপৰ বাবে কলেজত যাবলৈ এখন নতুন মডেলৰ মটৰ চাইকেল আৰু পদুমৰ চাকৰি হৈ যোৱাৰ সম্ভাবনাৰ কথা।

সি আৰু ক'ব খুজিলে বেগটোৰ কথা, তাত ভৰি থকা নোটৰ বাণ্ডিলবোৰৰ কথা —'এইখন লওক।'

প্ৰসন্নই চকীত পোন হৈ বহিল। সন্মুখত ইতিমধ্যে মানুহৰ শাৰী আৰম্ভ হৈছে, আৰু শাৰীৰ প্ৰথম মহিলাজনীয়ে আগবঢ়াই দিছে এখন চেকৰ কাকত।

প্ৰসন্নৰ চকুৰ পৰা আঁতৰি পৰিল তাৰ ঘৰৰ বাৰাণ্ডা, কুচনহীন চকী দুখন, শান্তি আৰু কাঠৰ গেটটো। টিফিন বক্সৰ ভৰ লৈ পৰি থকা ছামৰাৰ বেগটোৰ নিশকটীয়া দেহটো সি চাই ল'লে —

'অলপ শুয়েই ল'লে যেন পাইছো'— মিছেছ বৰ্মনৰ কথাষাৰে তাক খং তোলা নাই, সি মাথো তেওঁক এইমাত্ৰ তাৰ চকুৰ পৰা নিঃচিহ্ন হৈ যোৱা সপোনটোৰ কথা ক'বৰ মন গ'ল —

খোলা ট্ৰাংকটোৰ পৰা প্ৰসন্নই নোটবোৰ উলিয়াই আনিলে। এক, দুই, তিনি ...........

সি গণতি কৰি গ'ল, ক'লে — 'লওক' আৰু সোণৰ ধুনীয়া খাৰুৰ হাতখনৰ ওপৰত নোটবোৰ গুজি দিলে।

সি গণতি কৰি গ'ল — এক, দুই, তিনি ..........

মানুহৰ গুমগুমনি বাঢ়ি গ'ল।

ফুলকণে আহি দি গ'ল চাহৰ স'তে চিংৰা।

ক'লে — আজিৰ ইছপেচেল —

প্ৰসন্নই হাতৰ আঙুলিৰে গণ্টি কৰি গ'ল – দহ, এঘাৰ .........

আৰু কমি আহিল ভিৰ —

অফিচৰ দুই-এটা লাইট নুমাই বন্ধ হ'ল।

প্ৰসন্নই উদং ট্ৰাংকটো বন্ধ কৰি থ'লে।

কান্ধত বেগটো লৈ পিচৰ দুৱাৰেদি সি ওলাই গ'ল আৰু ৰিক্সাৰ ষ্টেণ্ডত থিয় হ'ল —'এই ধৰ, তই যদি বেংকটোত থকা গোটেইবোৰ টকা-পইচা এদিন একেলগে পাই যাব — ধৰি লোৱ কথা — তই কি কৰিবি ইমানগাল টকাৰে?' বীৰেন ৰিক্সাবালাকে সি এনেধৰণৰ প্ৰশ্ন এটা কিয় সুধিলে গম নাপালে। কিন্তু সি নিশ্চিত হ'ল যে এইটো প্ৰশ্নই সি কৰি পেলাইছে। প্ৰসন্নৰ হাতৰপৰা বীৰেনে পাঁচটকীয়া নোটখন ল'লে। সি কিবা এটা কোৱাৰ আগতে প্ৰসন্নই দেখিলে চিটিবাছখন আহি পৰিছে —

পাতল ছামৰাৰ বেগটো খামোচ মাৰি ধৰি সি বাছৰ ভিতৰত থিয় হ'ল।



# জীৱন চন্দ্ৰ কোঁচ

**জন্ম :** ১ আগষ্ট ১৯৪৮ চনত নগাঁও জিলাৰ বটদ্ৰৱাৰ বৰভেটি গাঁওত।

**পৰিচয় :** পিতৃ প্ৰয়াত ভলৌৰাম কোঁচ আৰু মাতৃ প্ৰয়াত চকৰি কোঁচ।

**শিক্ষা :** বৰভেটি এল.পি. স্কুলৰ পৰা প্ৰাথমিক শিক্ষা, বটদ্ৰৱাৰ শ্ৰীশ্ৰীশংকৰ দেৱ হাইস্কুলৰ পৰা মধ্যমভাগ, নগাঁওৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজ, শ্বিলং কলেজ, শ্বিলং ল' কলেজৰ পৰা উচ্চ শিক্ষা লাভ।

**সৃষ্টি :** মুঠ কবিতা - ৫৭৯, মুঠ গীত - ৬৭০ (আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা স্বীকৃত)। প্ৰকাশিত কবিতা পুথি - 'মৃত্যুও এক আনন্দ' (১৯৮৭), 'অন্তৰঙ্গ আলাপ' (২০০৩)। প্ৰকাশিত গীতৰ সংকলন 'গীতস্বন' (১৯৯০), 'তুমি আহিবা শেৱালি ফুলাৰ বাটেৰে' (২০০৩)। অন্যান্য ৰচনাৰ ভিতৰত আছে, অসমীয়া ভাষাৰ অলংকাৰ 'ফকৰা যোজনা' প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ সংস্কৰণ ক্ৰমে - ১৯৯০, ১৯৯২, ১৯৯৯, ২০০৪ চন। ইয়াৰ্পোৰি সৃষ্টিৰ আনন্দময় উৎসৱ 'বিয়া আৰু বিয়ানাম' (২০০৬) সাহিত্য জগতত তেওঁৰ এক অনবদ্য উপহাৰ। বৰ্তমান

**প্ৰকাশৰ পথত- 'অসমীয়া সাঁথৰ'।**

**সামাজিক কাম ঃ** সাহিত্য সভাৰ আজীৱন সদস্য। ৰাজনীতিৰ লগত জড়িত হোৱাৰ বাবে সকলো সামাজিক কামতে যোগদান।

**ভৱিষ্যত প্ৰজন্মৰ প্ৰতি বাণী ঃ** সাহিত্য-কলা-কৃষ্টি-সংস্কৃতিবিহীন জাতিৰ পৰিচয় নাথাকে। আমি য'তেই যি বৃত্তিতেই নাথাকো কিয়, মাতৃভূমিৰ স্বাভিমান আৰু স্বকীয় বৈশিষ্ট ৰক্ষাত একান্তভাবে ব্ৰতী হ'ব লাগিব।

## সংকলকৰ চমু টোকা

**জীৱন চন্দ্ৰ কোঁচ** — সত্তৰৰ দশকৰ পৰা সাহিত্য চৰ্চা কৰা কোঁচদেৱ অসম সাহিত্য সভাৰ আজীৱন সদস্য। তেখেত এজন কবি লগতে অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা স্বীকৃত গীতৰ ৰচক। ছশৰো অধিক গীত আৰু প্ৰায় ছশ কবিতা লিখা কোঁচদেৱে কেইটিমান তত্ত্বগধুৰ প্ৰবন্ধও লিখি অসমীয়া সাহিত্যলৈ অবদান আগবঢ়াইছে। এজন এ.পি.এছ. বিষয়া হৈ প্ৰশাসনৰ দায়িত্ব লোৱাৰ উপৰি সাহিত্য কৰি ভালপোৱা জীৱন চন্দ্ৰ কোঁচ বৰ্তমান কমাণ্ডেণ্ট হিচাবে কাৰ্যনিৰ্বাহ কৰি থকাৰ মাজতে অসমীয়া ভাষাৰ ফকৰা-যোজনা, সাঁথৰ, বিয়া নাম আদি ৰচনা কৰি অসমীয়া সাহিত্য জগতত অনবদ্য উপহাৰ আগবঢ়াইছে।

# জয়তু জননী আই অসমী.....

### জীৱন চন্দ্ৰ কোঁচ

জয়তু জননী আই অসমী
চৰণে কৰো নমস্কাৰ
সুজলা সুফলা শস্য-শ্যামলা
ৰূপে গুণে জাতিস্কাৰ।।

মুংৰিমুংবাংৰ চুকাফা আহিছিল
হাতত লৈ বিজয়ৰ ধ্বজা
সাতৰাজ মাৰি একৰাজ কৰিলে
সমন্বয়ত ৰজা প্ৰজা;

বেলিমাৰ নোযোৱা ছশবছৰীয়া
শাসনৰ গৰিমা যাৰ
মোগল পাঠানৰ বিজয় অভিযান
ওফৰালে বহুতবাৰ।।

জয়দৌল শিৱদৌল ৰংঘৰ কাৰেং ঘৰ
মনোৰম তলাতল ঘৰ
অক্ষয় কিৰীটি বুকুত জিলিকে
জয় শিৱ গৌৰী সাগৰ;

শংকৰ মাধৱে ভাষা ধৰ্ম দিলে
বোৱালে নামৰে জোৱাৰ
আজান ফকিৰেও হাত উজান দিলে
সম্প্ৰীতিৰ সমাজ গঢ়াৰ;

কুশল কনকলতা লাচিত গদাধৰ
মনিৰাম পিয়লি ফুকন
কিম্বদন্তিত বাজি থাকিব
জয়াৰ কৰুণ ৰোদন

বিষ্ণু জ্যোতি ভূপেনহঁতে গঢ়ে
কৃষ্টিৰ মালাধাৰ
সাতভনীৰ আচৰ পাতি
হৃদয় বিলাওঁ এবাৰ।।

কোঁচ কছাৰী মিচিং কাৰ্বি
বড়ো ডিমাচা ৰাভা
আহোম চুতীয়া চাহ-জনজাতি
দৰবাৰ পাতে তিৱা;

আৰু কত আছে জাতি উপজাতি
বিলাই সুৰভি অসমীয়াৰ
আহা সবে মিলি গাঁও সমস্বৰে
জয় আই অসমী আইৰ।।

(অসম সাহিত্য সভা ডিব্ৰুগড় অধিবেশনৰ সাংস্কৃতিক অনুষ্ঠানত পৰিৱেশিত)



# কুলধৰ দাস

**জন্ম :** ১৯৩৬ চনৰ ৩০ জুন (চাকৰিত ধৰি লোৱা মতে), বৰপেটা জিলাৰ সৰভোগৰ কলিতাপাৰা গাঁৱত।

**পৰিচয় :** পিতৃ প্ৰয়াত যাদৱ চন্দ্ৰ দাস আৰু প্ৰয়াত চিকণী বালা দাস। শ্ৰীযুত ধৈৰ্যধৰ দাস (ককাইদেউ), শ্ৰীভবেন চন্দ্ৰ দাস (ভাইটি), প্ৰয়াত হেমন্তী ৰায় (বাইদেউ), শ্ৰী নিৰমায়া দাস (ভনী), প্ৰয়াত পূৰ্ণীমা ৰায় (ভনী)।

**শিক্ষা :** কলিতাপাৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা। চকচকা এম.ভি স্কুল(সৰভোগ)ৰ পৰা ৬ষ্ঠ মান শ্ৰেণীলৈ, ১৯৬৫ চনত বি এছ এফত চাকৰি কৰি থকা কালত চিলংত প্ৰবেশিকা পৰীক্ষা পাছ। চিলংৰ ছেণ্ট এন্থনি কলেজৰ পৰা প্ৰি-ইউনিভাৰচিটি, ১৯৭০ চনত কাছাৰ কলেজ (শিলচৰ)ৰ পৰা বি এ আৰু ১৯৭৬ চনত জে বি ল' কলেজ (গুৱাহাটী)ৰ পৰা এল এল বি পাছ।

**চাকৰিত যোগদান :** ১৯৫৯ চনৰ ২৬ অক্টোবৰত চিলংত 2No Bn. BSF.ত কনষ্টেবল পদত।(চাকৰি কালত 81BN.BSF. 6th APBN, 4th APBN,

9th APBN, 3rd APBN, P.SI.Guwahati, 1st APTF.BN, 7th AP.BN, ইত্যাদিত QM.Hav, Hav Clerk, MTO, QM9, 2/c Law Branch, DGP 16 office ইত্যাদি কাম কৰে। অৱসৰ ৩০ জুন ১৯৯৪ চন।

**বৰ্তমান :** ১৯৯৪ চনৰ ১ জুলাইৰ পৰা ২০ জুন ২০০৪ ইংৰাজীলৈ মৰ্ডান ইংলিচ স্কুলৰ অধ্যক্ষ ৰূপে আৰু বৰ্তমানলৈ ট্ৰাষ্ট বোৰ্ডৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। বৰ্তমান সৰভোগ জাতীয় বিদ্যালয়ৰ অবৈতনিক অধ্যক্ষৰূপে কাৰ্য নিৰ্বাহ কৰি আছে।

**বিবাহ :** ১৫ ফেব্ৰুৱাৰী ১৯৬৯ চনত নগাঁও জিলাৰ মাজপথাৰী গাঁৱৰ শ্ৰীমতী বিনু দাসৰ সৈতে বিবাহ-পাশত আবদ্ধ। প্ৰথম পুত্ৰ শ্ৰীপংকজ দাস (জন্ম : ১৫ফেব্ৰুৱাৰী ১৯৭১ চন), দ্বীপ (জন্ম : ১৯৭৪ চন, মৃত্যু : ২৮ আগষ্ট ১৯৭৮ চন), শ্ৰী বিমু দাস (ডেকা, জন্ম ১১অক্টোবৰ ১৯৭৭ চন)

**ভাল লগা বিষয় :** খেতি পথাৰ আৰু ফলৰ বাগান, চাকৰিৰ কৰ্তব্য, শিক্ষকতা; লিখা-লিখি : কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ ইত্যাদি।

**সৃষ্টি :** এতিয়ালৈ চৈধ্যখন পুথি প্ৰকাশ হৈছে আৰু পাঁচখন মান হাতে লিখা, আধা লিখা অৱস্থাত আছে। 'স্মৃতিৰ পাপৰি' আৰু 'মোৰ যে মাটিৰ প্ৰাণ' নামৰ দুখন কবিতা প্ৰকাশ পাইছে। গল্পপুথি এখন 'অৰুণিমাক চাবলৈ যাম'। 'মাতৃৰ মমতা আৰু গুৰুজনাৰ চিন্তা চৰ্চ্চা ইত্যাদি' নামৰ প্ৰবন্ধ এখন প্ৰকাশ কৰি উলিওৱাৰ উপৰিও অসমৰ শিক্ষাৰ ওপৰত প্ৰত্যেক সোমবাৰে দৈনিক বাতৰি কাকতত লিখি আছে। তেওঁৰ প্ৰকাশিত ৭ খন উপন্যাস ক্ৰমে, 'সময় বালিৰ খোজত', 'আশা যাৰ হেৰাল', 'পৰজনমৰ প্ৰতীক্ষাত', 'সান্নিধ্য', 'নীলিম আকাশৰ অযুত মৰম', 'জীৱন যাযাবৰ' আৰু 'জীৱন তৃষ্ণাৰ পাৰ বিচাৰি। ইয়াৰোপৰি অন্যান্য ৰচনাৰ ভিতৰত শিশু-কৈশোৰ উপন্যাস : 'সোণালী সপোনৰ দিনবোৰ' আৰু সংগৃহীত পুথি দুখন হ'ল, 'মহৎ লোকৰ বাণী', 'মনীষী সকলৰ উক্তি'।

**সামাজিক কাম :** প্ৰিয় বিষয় বা কাম - (১) তাহানি ষষ্ঠ শ্ৰেণীৰ পৰা স্কুল এৰি বঙ্গাইগাঁও জিলাৰ উত্তৰাঞ্চলৰ (মানস অভয়াৰণ্য)ৰ বৰ পথাৰত খেতি কৰোত ৰাতিৰ স্কুল স্থাপন, পুথিভঁৰাল স্থাপন, ৰাস্তা বন্ধা, প্ৰাথমিক বিদ্যালয় আৰু মাধ্যমিক বিদ্যালয় পাতিছিল। চাকৰি কালত বেটেলিয়নৰ পৰিয়াল কল্যাণৰ কামত মনোনিবেশ কৰা, খেল-ধেমালি, সাহিত্য চৰ্চ্চা আদিত মনোনিবেশ কৰিছিল। (২) ১৯৭৭ চনৰ পৰা অৱসৰৰ দিনলৈ অসম আৰক্ষী সন্থাৰ কামত লাগি থাকে। অসম আৰক্ষী বাহিনীৰ দৰমহা, খাদ্য সমাগ্ৰী, গৃহ নিৰ্মাণ ইত্যাদিৰ বাবে স্মাৰক পত্ৰ প্ৰদান, দৰমহা আয়োগৰ ওচৰত প্ৰতিবেদন আৰু সজাতী দ'লৈ অসম আৰক্ষী সন্থাৰ কামত লাগি থাকিছিল। আৰক্ষী সন্থাৰ সভ্যসকলৰ বাবে কেবা বিধো ভাট্টা অনুমোদিত কৰাৰ ক্ষেত্ৰত সদায় আগভাগ লৈছিল। Com-

pensatory allowance 10% ৰ পৰা 5% কৰাত আৰু ইন্সপেক্টৰ অব পুলিচ সকলৰ পদবী ৰাজপত্ৰী কৰিবৰ বাবেও তেওঁলোকেই গৌহাটী হাই কোৰ্টত কেচ দাখিল কৰি সফল হয়। ১৯৮৪ চনৰ ১২ জুনত মডাৰ্ণ ইংলিচ স্কুল স্থাপন কৰা হয় আৰু বৰ্তমান এই বিদ্যালয়ে চি বিএচ ই অধীনত স্বীকৃতি লাভ কৰে। এই বিদ্যালয়খন প্ৰথমতে আসাম পুলিচ এচোচিয়চনে চেণ্ট্ৰেল পুলিচ স্কুল (আসাম) নামেৰে অসম আৰক্ষীৰ বাবে আবাসী স্কুল স্থাপনৰ চেষ্টাত অসম চৰকাৰে আশাত চেঁচা পানী ঢলাত ট্ৰাষ্ট বোৰ্ড গঠন কৰি চলাই আহিছে। ২০০৫ চনৰ ৭ ফেব্ৰুৱাৰীত সৰভোগ জাতীয় বিদ্যালয় গঠন কৰি অবৈতনিক অধ্যক্ষৰূপে কাম কৰি আছে। তাৰোপৰি বৰপেটা জিলা জাতীয় বিদ্যালয় শিক্ষা বিকাশ পৰিষদৰ সভাপতি ৰূপে গোটেই জিলাখনৰ বিদ্যালয় সমূহৰ শিক্ষাৰ উন্নতি কল্পে কাম কৰি আছে।

**ভৱিষ্যত পৰিকল্পনা :** অসমৰ যুৱ সমাজ, অৰ্থাৎ উত্তৰ পুৰুষ সকল প্ৰকৃত শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত নহয়; কোনোমতে পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী চাকৰিত সোমাই ল'ব পাৰিলেই লক্ষ্য পূৰ্ণ হোৱা বুলি ভাবে। তেওঁলোক কৰ্ম বিমুখ। শিক্ষা ক্ষেত্ৰত একাদিক্ৰমে লাগি থকা, পথাৰত খেতিৰ কামত লাগি থকা, গছ-গছনি আৰু ফল-মূলৰ বাগান পতা আমাৰ ইচ্ছা আৰু তাৰে কাম সৰভোগত কৰি আছো। তাৰোপৰি অন্যান্য লিখা লিখিৰ লগতে (ক) এখন Proverb, group verb, Phrases বিলাকৰ ভাঙনিৰ সৈতে অভিধান আৰু (খ) দৈনিক বাতৰি কাকতত প্ৰত্যেক সোমবাৰে প্ৰবন্ধ লিখি থকা হৈছে। কেবাখনো সৰু বৰ বিদ্যালয়ৰ কাৰ্যকৰী সমিতিত বিভিন্ন পদবী আৰু সামাজিক অনুষ্ঠানত সাধ্যানুসাৰে কাম কৰি আছো। (১) ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদ, (২) মিলিজুলি সংঘ, (৩) অনিৰ্বাণ সাহিত্য-সাংস্কৃতিক সমাজ, ৪) সুৰুজ নগৰ উন্নয়ন সমিতি, (৫) পূৱ সুৰুয নগৰ উন্নয়ন সমিতি, (৬) দুয়োটা নামঘৰ, (৭) সাবিত্ৰী ভৰালী হাইস্কুল, (৮) দীননাথ ছোৱালী হাইস্কুল, (৯) মিলন মন্দিৰ হাইস্কুল, (১০) বৰনগৰ সমন্বয় সংঘ, (১১) বৰনগৰ মাধ্যমিক স্কুল ইত্যাদিৰ, সভাপতি, সভ্য ইত্যাদিৰূপে বৰ্তমানেও কাম কৰাৰ উপৰিও ভালেমান সংঘ, বিদ্যালয় আদিৰ সেৱা আগবঢ়াই অহা হৈছে।

**অসমবাসীলৈ বাৰ্তা :** আজিৰ এই বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগত, ইলেক্ট্ৰনিকৰ দিনত, পৃথিৱীখন গ্লোবেলাইজ ভিলেজ হোৱাৰ সময়ত অসমবাসীয়ে বোপা ককাৰ বৃত্তিবোৰ ধৰি ৰখাটো অসমৰ্থ হ'ল আৰু নতুনত্বকো সম্পূৰ্ণৰূপে আকোৱালি ল'ব পৰা নাই। সেয়েহে ঐকান্তিক সাধনাৰে নিজকে সময়ৰ সৈতে মিলাবলৈ, যন্ত্ৰযুগৰ আহ্বানক সহাৰি জনাই অসমীয়া জাতিক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গঢ়িব খোজা বৃহৎ জাতিৰূপে, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই আহ্বান কৰা সকলো

আছিল, সকলো আছে, নিজৰ ঘৰতেই পৰম গুৰু অন্ধলাই নেদেখিলে' কথাবোৰৰ দ্বাৰা আঙুলিয়াই দিয়া সংকেতৰ প্ৰতি লক্ষ্য ৰাখি, লাচিতৰ হেংদানৰ মৰ্যদা ৰক্ষা কৰি, জ্যোতিপ্ৰসাদ (ৰূপকোঁৱৰ) আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে বিচৰা এটা সমৃদ্ধিশালী অসমীয়া (অসমবাসীৰ বাবে) জাতি গঠনত বীৰদৰ্পে আগবাঢ়ি যোৱালৈ চাই থাকিম আৰু তাৰ বাবে আহ্বান কৰো।

শেষত আপোনাৰ ঘাত-প্ৰতিঘাতৰ অভিজ্ঞতাপূৰ্ণ জীৱনৰ কাৰ্যৰ দ্বাৰা অসম আৰক্ষী বাহিনী উপকৃত হওঁক আৰু সকলো ফালে সফলতা লাভ কৰক।

## সংকলকৰ চমু টোকা

**কুলধৰ দাস** — নানা ঘাত প্ৰতিঘাতেৰে আৰক্ষী উপ-পৰিদৰ্শক হিচাবে আৰক্ষীৰ জীৱন আৰম্ভ কৰা কুলধৰ দাস এজন প্ৰশাসনিক বিষয়াতকৈ এজন লিখক, সংস্কৃতিবান তথা শিক্ষকৰ গুণ থকা ব্যক্তি বুলি ক'লে ভুল নহ'ব। বিভিন্ন বিষয়ত দুখন কবিতাপুথি, গল্পপুথি এখন, প্ৰবন্ধপুথি এখন আৰু সাতখন উপন্যাস তথা দুখন শিশু উপন্যাস লিখি অসমীয়া সাহিত্য সংস্কৃতিত বিশাল অৱদান দিলে। কবিতা, গল্প লিখি ভাল পোৱা দাসদেৱে চাকৰিৰ শেষলৈ ওদালবাক্ৰাত 'মডাৰ্ন ইংলিচ স্কুল' পাতি তেখেতে নিজে অধ্যক্ষৰ দায়িত্বত থাকে। কুলধৰ দাস এজন বহুমুখী প্ৰতিভাৰ বিষয়া। তেখেতৰ দৰে ইমানবোৰ গ্ৰন্থৰ অৱদান দিয়া আৰক্ষী বিষয়া মাথোন কেইজনমানহে আছে। সাৱলীল কথন ভঙ্গী আৰু সৰু সৰু ঘটনা তথা পৰিবেশক অঙ্কন কৰাত তেখেত সিদ্ধহস্ত।

# অৰুনিমাক চাবলৈ আহিছে

## কুলধৰ দাস

অৰুনিমাক চাবলৈ আহিছে দ'ৰাৰ ভায়েক আৰু বায়েক। ইতিমধ্যে মিলিটেৰীত কাম কৰা দ'ৰাই বন্ধু এজনেৰে সৈতে চাই গৈছে। এতিয়া বায়েক আৰু ভায়েক অহা দেখি সকলোৰে আশা হৈছে যে দ'ৰাই হয়তো অৰুনিমাক পচন্দ কৰিয়ে গৈছে। ঘৰৰ সকলোৰে ভয় হৈছে যে অৰুনিমাৰ অলপ বয়স হৈছে আৰু ইতিমধ্যে কেবাবাৰো বিভিন্ন ঠাইৰ পৰা অহা প্ৰস্তাৱ কেইটাৰ ক্ষেত্ৰত কেতিয়াবা হয়তো পৰিয়ালৰ পৰা আৰু কেতিয়াবা দ'ৰাই কোনখিনিত অপচন্দ কৰি থৈ যায় তাৰ উৱাদিহ পোৱা কঠিন হৈ পৰে। সেয়ে এইবাৰ যেন ঘৰৰ প্ৰত্যেকেই যথেষ্ট সাৱধানতা অৱলম্বন কৰিছে। অৰুনিমাৰ যে বৰ বেছি বয়স হৈছে তেনেকুৱাও নহয় আৰু দেখিবলৈকো যথেষ্টভাৱেই সুগঢ়ী। অথচ কোনখিনিত যে খেলি মেলি হৈ আছে কোনেও বুজিব পৰা নাই।

ধীৰ মহাজন কেৱল গাঁৱৰ ভিতৰতে নহয়, ওচৰৰ দুই চাৰিখন গাঁৱৰ মানুহেও তেওঁক জানে। যদিও কৃপন বুলি তেওঁৰ সামান্য বদনাম আছে তথাপিও তেওঁ যে প্ৰথমা কন্যাৰ বিয়াত মুক্তহস্তে খৰছ কৰিব তাকো প্ৰত্যেকেই নুবুজাকৈ থকা নাই। এনেস্থলত অৰুনিমাৰ বিয়াখন সম্পন্ন কৰিব নোৱাৰাত মহাজনৰ লগতে ঘৰৰ আটায়ে চিন্তান্বিত। কাৰণ অৰুনিমাৰ তলৰ দুজনী ছোৱালীও বিবাহৰ উপযুক্তা হৈছহি। অৱশ্যে কেৱল মহাজনৰ ঘৰতে যে বিবাহোপযোগ্যা ছোৱালী আছে এনে নহয়, গাঁওখনৰ প্ৰায় প্ৰত্যেকখন ঘৰতে বিবাহৰ উপযুক্তা ছোৱালী আছে, তালে কেইখন ঘৰতে দুজনীকৈও আছে। সেয়েহে এজনী ছোৱালীৰ বাবে বিয়াৰ প্ৰস্তাৱ আহিলেই আনজনীয়ে অথবা আনটো পৰিয়ালে নিজৰ অজানিতে ঈৰ্ষান্বিত হৈ পৰে। ইয়ে গাঁওখনৰ মিলা প্ৰীতিৰ বাহ্যোন সোলোক ঢোলক কৰাই নহয় মানুহখিনিয়ে পৰচৰ্চ্চাৰ নিচিনা কুবৃত্তি গ্ৰহণ কৰি চৰিত্ৰ স্খলনত সহায়ক হয়। মধ্যমীয়া বুদ্ধিবৃত্তিৰ চকুত লগা ছোৱালীবোৰৰ অভিভাৱক খিনিৰ সতৰ্কতাৰ অভাৱত ছোৱালীবোৰে কন্যাকাল পোৱাৰ সময়তে নিজৰ শৰীৰত বিকশিত হোৱা ৰূপ লাৱন্যৰ প্ৰতি আনে আকৰ্ষিত হোৱাৰ ওপৰত বেছি সজাগ হোৱাত বুদ্ধি বৃত্তি তথা মানসিক উন্নতিৰ প্ৰতি আওকণীয়া হোৱাটোৱেই স্বাভাৱিক। এনে সময়ত পাতল বুদ্ধিমত্তাধাৰী ল'ৰা ছোৱালীৰ সংগত আৰু বেছিকৈ সংকুচিত হৈ পৰাটো স্বাভাৱিক।

ওচৰৰ দুঘৰৰ সৰু ল'ৰা ছোৱালী কেইটাই একোবাৰ ভুমুকি মাৰি তেওঁলোকে অনা নতুন কুটামখনৰ ওচৰ চাপিছে। গাভৰু ছোৱালী তিনিজনীয়ে ঘনাই ইঘৰ পৰা সিঘৰলৈ অহা যোৱা কৰিছে। হয়তো আলহীৰ বাবে সোধ-পোছৰ যোগাৰ কৰিছে। অৰুনিমাই কি কাপোৰ পিন্ধি কেনেভাৱে অৰ্থাৎ জলপানৰ সৈতে আলহীৰ ওচৰ চাপিব নে জলপান খাই উঠাৰ পিছত তামোলৰ বটা লৈ ওচৰ চাপিব, নে দ'ৰাৰ বায়েকক কাপোৰেৰে মান ধৰি, আঠু ল'ব? ভায়েকক ফুলাম গামোছাকে দিব নে আনি খোৱা

পেণ্ট চার্টৰ কাপোৰকে দিব? মুঠতে ঘৰখনৰ তথা ওচৰৰ তিনিওঘৰৰ আটাইখিনি মানুহেই আলহিক সন্তুষ্ট কৰাৰ চিন্তাতে ব্যস্ত। কইনাৰ দেউতাক অৰ্থাৎ খিক মহাজনেও যেন আজি কোনো এটা থিৰাং কৰিব পৰা নাই, আলহিৰ ওচৰত বহি কথা পাতিব নে আন কাৰোবাকহে তেওঁলোকৰ ওচৰত বহুৱাব বাৰু? কাৰণ দৰাৰ বায়েক নহৈ ককায়েক অহা হ'লে তেওঁ নিজেই বহি কথা বতৰা পতাটো উচিত; কিন্তু আহিছে বায়েক আৰু ভায়েক! তথাপিও তেওঁলোক দ'ৰা ঘৰীয়া মানুহ! গতিকে কোনোপধ্যে আওকান কৰা নাযায়। নাই, এই কথাই কথা নহয়। তেখেতে এইবাৰ কাপোৰ কানি অকণমান ভালদৰে পিন্ধি মানুহ বহা কমটোত লাহেকৈ সোমালে; কিন্তু আকৌ খদমদম লাগিল। আলহিক নমস্কাৰ বুলি ক'ব নে নক'ব? তুমি বুলি সম্বোধন কৰিব নে আপুনি বুলি ক'ব? তেখেতে ভাবি থাকোতেই দ'ৰাৰ বায়েকে থিয় হৈ নমস্কাৰ জনাই ক'লে, "আপুনিয়েই দেউতা নহয়নে?" "হয় হয়, ময়েই .................।" দ'ৰাৰ বায়েকে তৎক্ষণাত আগবাঢ়ি আহি তেখেতৰ ভৰি চুই প্ৰণাম কৰিলে। তেখেতে নিজে কিন্তু ভেবা লাগিল। কি কৰিব একোৰে উৱাদিহ নাপালে। এইবাৰ দ'ৰাৰ ভায়েকেও থিয় হৈ দুয়ো হাত যোৰ কৰি "নমস্কাৰ দেউতা; আপোনাৰ শাৰিৰীক মানসিক নিশ্চয় মঙ্গল," বুলি কৈ তেখেতলৈ চাই থাকিল। ঠিক সেইখিনি সময়তে কইনাৰ মাক লৰা লৰিকৈ সোমাই আহিল আৰু কইনাৰ দেউতাকক ক'লে, "আপুনি অকণমান ভিতৰলৈ আহকচোন।" দেউতাকে তেখেতলৈ চাই 'কিয়' বুলি কোৱাত, তেখেতে চকুৰ ঠাৰেৰে কিবা বুজাই দি কমটোৰ পৰা ওলাই যাবলৈ উদ্যত হ'ল। দ'ৰাৰ বায়েকে তৎক্ষণাত আগবাঢ়ি গৈ, "আপুনিয়ে কইনাৰ মাক নহয় জানো?" বুলি কৈ তেখেতক আঠু ল'বলৈ চেষ্টা কৰোতেই মাকে সামান্যভাৱে চাপৰি "হ'ব-হ'ব, নালাগে নালাগে" বুলি কৈয়েই সাউত কৰে ভিতৰলৈ সোমাই গ'ল। তেখেতৰ ব্যৱহাৰ দেখি দ'ৰাৰ বায়েক আৰু ভায়েক দুয়ো দুয়োলৈ চোৱা চুই কৰিলে। তেওঁলোকৰ চকুৰ দৃষ্টিয়ে মনৰ সন্দিগ্ধতাখিনিকে প্ৰতিবিম্বিত কৰি তুলিলে, 'ছোৱালী চাবি মাক ভাল, মাটি চাবি হিয়া খাল।" দুয়ো যেন সামান্য হতাশ হৈ বহি পৰিল। দেউতাকে তেওঁলোকলৈ লক্ষ্য কৰিলে নে নাই ভালদৰে বুজা নগ'ল। তেখেত ভিতৰলৈ গ'ল।

যিকি নহওক, কইনাৰ দেউতাক কিছু সময়ৰ পিছত আকৌ বহা কমলৈ আহি বহিলে। "আপোনালোকৰ ল'ৰা ছোৱালীৰ সংখ্যা কিমান?" বায়েকে সুধিলে। "ছোৱালী পাঁচজনী আৰু ল'ৰা তিনিটা।" আকৌ এবাৰ বায়েক ভায়েক ইজনে সিজনৰ মুখলৈ চোৱাচুই কৰিলে। "বাৰু দেউতা, আপোনালোকৰ ল'ৰা ছোৱালী কেইজনে কোনে কিমান পঢ়িছে?" "কি কম, সিহঁতৰ লিখা-পঢ়াৰ কথা ক'লে বেয়া লাগে। ডাঙৰ তিনিওটাই অৰ্থাৎ প্ৰথম ল'ৰা, দ্বিতীয় ছোৱালী আৰু তৃতীয় ল'ৰা, আটাই কেইটাই প্ৰবেশিকা পৰীক্ষাতে অকৃতকাৰ্য হৈছে। ডাঙৰ ল'ৰাই ইতিমধ্যে বিয়া কৰিছে আৰু নাতি-ল'ৰা এটিও আছে। বাকী তলৰ পাঁচোটা ল'ৰা ছোৱালী স্কুলতে আছে। নাই বোপা, আমাৰ ল'ৰা ছোৱালী কেইটা শিক্ষিত হোৱাৰ আশা নাই। সেইটোৱে মোৰ মনৰ দুঃখ। ধন-সম্পত্তি টকা-পইচা, এনেকি মান সন্মানত আমি এই অঞ্চলৰ ভিতৰতে লেখত ল'বলগীয়া। আমাৰ পৰা টকা-পইচা, ধন-ধান ধাৰলৈ নিবিচৰা বা নোখোজা

মানুহ এই অঞ্চলতে নাই। পিচে বোপা, তোমালোকৰ ককাই-ভাই, বাই ভনী কেইজন?" "দেউতা, আমাৰ মুঠতে মইয়ে ছোৱালী আৰু ভাই দুটা। আজি দুবছৰৰ আগতে মোৰ বিয়া হ'ল। বিয়া কৰাবলৈ ওলোৱা ভাইটি দীপেন। সি চাকৰিত সোমোৱা আজি দহ বছৰেই হ'ল। ইয়াৰ নাম হ'ল স্বপন।" বায়েকৰ লগত অহা স্বপনে নিজৰ নাম কোৱাৰ লগে লগে আকৌ হাত যোৰ কৈ নমস্কাৰ জনাই থিয় হ'ল। "ই বি, এ পাচ কৰি আজি দুবছৰৰ পৰাই জিলাৰ সদৰত চৰকাৰী চাকৰি এটাত সোমাইছে।" বায়েকে আকৌ ক'লে।

তেওঁলোকে ইয়াৰ পিছত অন্যান্য ঘৰুৱা কথাৰ লগতে গাঁও ভুঁই, খেতি-পথাৰ ইত্যাদিৰ কথা আলোচনা কৰি থাকোতে চাহ-জলপান লৈ আহিল। চাহ জলপানৰ লগতে হাতত তামোল পানৰ বঁটা লৈ অৰুনিমা সোমাই আহিল কমটোলৈ। তামোলৰ বঁটাখন টেবুলৰ ওপৰত থৈ বেৰত আউজি থিয় হোৱাতহে দ'ৰাৰ বায়েক আৰু ভায়েকে বুজিলে যে তেওঁৱেই অৰুনিমা অৰ্থাৎ হ'বলগীয়া কইনা। "আপুনিয়েই অৰুনিমা নহয় জানো?" বায়েকে সুধিলে, অৰুনিমাই মাথোঁ মূৰ দুপিয়ালে। "বহক, অলপ কথাকেই পাতো।" স্বপনে ক'লে। "হ'ব"। অৰুনিমাই ক'লে আৰু সামান্যকৈ দেউতাকলৈ চালে। দেউতাই কিন্তু ক'লৈকো নেচাই মনে মনে বহি থাকিল। স্বপনে ভাবি আছিল যে চাহ জলপান খাই উঠি দেউতা হয়তো আঁতৰি যাব আৰু কইনাৰ ন বৌয়েক বা তেওঁৰ কোনোবা বায়েক বা বান্ধৱী আহি চাবলৈ অহা দুজনৰ ওচৰত বহি কথা বতৰা পাতিব। অৰুনিমা তেনেকৈয়ে থিয় হৈ থকা দেখি এইবাৰ স্বপনে আকৌ ক'লে, "আপুনি বহকচোন, তেতিয়াহে আমি আপোনাৰ সৈতে মন খুলি কথা পাতিব পাৰিম।" "হ'ব দিয়ক, মই থিয় হৈ থাকিয়ে ভাল পাওঁ।" অৰুনিমাই ক'লে। স্বপনে এইবাৰ বায়েকলৈ চালে। বায়েকে লাহেকৈ উঠি গৈ অৰুনিমাৰ হাতত ধৰি নিজৰ বহা চেয়াৰখনৰ এচৰতে বহুৱাই দিলে। এইবাৰ তেওঁ কুছি মুছি বহিল। "আপুনি বাৰু কোন চনত প্ৰবেশিকা পৰীক্ষা দিছিল?" স্বপনে এইবাৰ অৰুনিমালৈ চাই প্ৰশ্ন শুধিলে। "জানো, কেবা বছৰো হ'ল।" অৰুনিমাই তলমূৰ কৰি থাকিয়ে উত্তৰ দিলে। "এতিয়া আকৌ পৰীক্ষা নিদিয়া নেকি?" বায়েকে বৰ মৰমেৰে শুধিলে। "মোক যে ঘৰৰ পৰাই ওলাবলৈ নিদিয়ে।" অৰুনিমাৰ উত্তৰত দুয়ো বায়েক ভায়েকে অত্যন্ত আচৰিত হ'ল। আজিৰ দিনত ছোৱালী এজনীক ঘৰৰ পৰা ওলাব নিদিয়াটো একেবাৰে আচৰিত কথা। দুয়ো এইবাৰ দেউতাকলৈ চালে। "নাই মানে, তাইৰ অসুখ হোৱাৰ সময়ত বাহিৰলৈ যাবলৈ বাধা কৰা হৈছিল। তাকে তাই তেনেভাৱে কৈছে বোধহয়।" অস্বস্তিৰ ভাবেৰেই দেউতাকে ক'লে। "ক'তা মোৰ বেমাৰ হৈছে? অ'ত ত'ত ফুৰিবলৈ যাওঁ বুলিহে তোমালোকে ওলাই যাবলৈ নিদিয়া।" অৰুনিমাই দেউতাকলৈ চাইয়েই কৈ দিলে। 'অ' হয়নেকি? তুমি তেনেহ'লে ঘূৰা ফুৰা কৰি ভালপোৱা! বৰ ভাল কথা। ঘূৰা ফুৰা মানুহে বহুতো কথা শিকিব পাৰে। পিছে আজিলৈ আমি উঠোহে নেকি দেউতা!" বায়েকে যেন সোনকালে বিদায় ল'ব পাৰিলেহে ৰক্ষা পৰে এতিয়া। 'অ' দেউতা মোৰো আজি এটা বিশেষ কাম আছে। গতিকে আজি উঠোহে।" স্বপনেও ক'লে। "তেনেহ'লে আমি জানো কিবা আশা কৰিম?"

দেউতাকে ক'লে। "হ'ব, আমি গৈ মাক ক'ম। ইচ্ছা কৰিলে মাই আহিব। মা আহিলেই জানিব যে কিবা এটা হ'ব আৰু।" বায়েকে দ্ব্যর্থক অর্থত উত্তৰ দি দুয়ো বায়েক আৰু ভায়েক তেওঁলোকৰ ঘৰৰ পৰা ওলাই স্কুটাৰেৰে গাঁওৰ পথেৰে আগবাঢ়িল। নাম ঘৰটোৰ ওচৰতে দুটা ল'ৰাই হাত দাঙি স্বপন আৰু বায়েকক ৰখালে। স্বপনে ৰ'ব খোজা নাই; কিন্তু বায়েকে ক'লে, "ৰাখচোন, কি ক'ব খুজিছে শুনো বাৰু।" স্বপনে অলপ আগবাঢ়ি গৈ ৰখালে। ল'ৰা দুজনে আগবাঢ়ি গ'ল। বায়েকে স্কুটাৰৰ পৰা নামি আহিল। "আপোনালোকে মহাজনৰ জীয়েক অৰুনিমাক চাবলৈ আহিছিল নেকি বাৰু?" এজন ল'ৰাই সুধিলে। "হয়, কেৱল আজিয়েই নহয়; ইয়াৰ আগতেই দ'বাৰ চাই গৈছেহি। এওঁ দ'ৰাৰ বায়েক আৰু মই দ'ৰাৰ ভায়েক হওঁ। কি ক'ব লগা আছে কোৱা।" স্কুটাৰখন থিয় কৰাই থৈ স্বপনে উত্তৰ দিলে। "মানে, কথাটো হ'ল .............।" ল'ৰাটোৱে কিবা ঠোঁটা মোজা কৰা দেখি বায়েকে ক'লে, "কোৱা কি ক'ব খুজিছা খোলোছাকৈ কোৱা। নহ'লে পিছত অসুবিধাও হ'ব পাৰে।" "ক'বলগা কথাটো হ'ল অৰুনিমাই এই গোবিন্দক ভাল পায়। সেয়েহে আপোনালোকে আৰু নাহিলেই ভাল হ'ব।" লগৰ ল'ৰাটোৱে ইজনলৈ আঙুলিয়াই ক'লে। "কিয় তোমালোকে এইদৰে বাটত ৰৈ থাকি এনেকুৱা কথা ক'বা? ঘৰলৈ গৈ নোকোৱা কিয়?" স্বপনে টানকৈয়েই ক'লে। "বাদ দে স্বপন। আমি যাওঁ ব'ল; বাটত তোক সকলো কথা মই বুজাই দিম। ইয়াত এতিয়া লোকৰ সৈতে বাদানুবাদ কৰি থাকি একো লাভ নাই।" বায়েকে কথাখিনি কৈ কৈ আহি স্কুটাৰৰ ওচৰ পালেহি। ল'ৰা দুটাৰ কথা আৰু ব্যৱহাৰত স্বপন অসন্তুষ্ট হৈছিল যদিও বায়েকৰ কথা মানি স্কুটাৰত বহি ষ্টাৰ্ট দি গাঁওৰ পৰা ওলাই আহিল। ৰাষ্ট্ৰীয় পথত উঠাৰ পিছত বায়েকে ক'লে, "এনেয়ে তাত তৰ্ক কৰি অশান্তি বঢ়াই লোৱাৰ কোনো আৱশ্যকতা নাই স্বপন। কাৰণ এইজনী ছোৱালীক আমি কোনোপধ্যে দ্বীপেনলৈ বিয়া পাতিব নোৱাৰো।" "কিন্তু বাইদেউ! আমাৰ ককাইদেউৰেতো মাথোন উচ্চতৰ মাধ্যমিকলৈহে পঢ়া। অৰুনিমা দেখিবলৈয়ো বেচ ধুনীয়া! ঘৰখনো ভালেই। প্ৰবেশিকা পৰীক্ষাত অকৃতকাৰ্য হৈছে। সেয়েইতো?" স্বপনে এবাৰ বায়েকলৈ চাই ক'লে। "সেয়েই নহয়; তেওঁ জীৱনতো অকৃতকাৰ্য হোৱাৰ সম্ভাৱনা। বাস্তৱত ল'ৰা দুটাই কোৱা কথাখিনি বৰ দৰ্কাৰি নহয়। তেওঁলোকৰ ঘৰখনত মানুহৰ জীৱনৰ আচল শিক্ষা আৰু সৌন্দৰ্য সংস্কৃতিৰ বিকাশ ঘটা নাই। দেউতাকে ক'লে যে তেখেতসকল সেই অঞ্চলৰ ভিতৰতে লেখত ল'বলগীয়া মানুহ; ধনী মানুহ। তেখেতসকলৰ পৰা ধন-ধান ধাৰ নকৰা মানুহ নাই। কিন্তু আমাক আদৰণি জনাওঁতে, খোৱাৰ যোগাৰ যিমান ধাম-ধুমকৈ কৰিলে সেইদৰে কইনাৰ মাক, নবৌয়েক বা ওচৰৰ বায়েক ইত্যাদি মোৰ ওচৰলৈ নাহিল। কথাও নাপাতিলে। সেয়েহে কইনাইয়ো আমাৰ লগত ব্যৱহাৰ কৰিবই নাজানিলে। মানুহৰ জীৱনৰ প্ৰকৃত সম্পদ হ'ল হৃদয়ৰ মৰম-চেনেহ, আন্তৰিক ব্যৱহাৰ, ভদ্ৰতা, সৰলতা, সজ ভাষা, মানুহৰ প্ৰতি শ্ৰদ্ধা ইত্যাদি। এই সকলোবোৰেই হ'ল উন্নত সংস্কৃতিৰ অংশ। এই সংস্কৃতিৰ অবিহনে মানুহৰ জীৱনৰ সৌন্দৰ্য ফুটি নুঠে আৰু জীৱনৰ প্ৰকৃত তৃপ্তি উপলব্ধি কঠিন"।



# নিশিনাথ চাংকাকতি

**জন্ম :** ১৩ নবেম্বৰ ১৯৩৪ খ্ৰীষ্টাব্দত ডিব্ৰুগড় নগৰত।

**পৰিচয় :** পিতৃ প্ৰয়াত কেশৱনাথ চাংকাকতি, মাতৃ প্ৰয়াত ক্ষীৰদাবালা দেৱী, ককাইদেউ এজন, বাইদেউ এজনী, ভাই তিনিজন, ভনী চাৰিজনী।

**শিক্ষা :** ডিব্ৰুগড় আৰু শ্বিলংত প্ৰাথমিক শিক্ষা, শ্বিলংত মধ্যমভাগ, শ্বিলং আৰু গুৱাহাটীৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰে।

**চাকৰিত যোগদান :** ১৯৫৭ চনৰ অক্টোবৰ মাহত ভাৰতীয় আৰক্ষী সেৱাৰ সেই সময়ত Mount Abuত থকা কেন্দ্ৰীয় আৰক্ষী প্ৰশিক্ষণ কলেজত (Central Police Training College)। সহঃ আৰক্ষী অধীক্ষক পদত (Assistant Superintendent of Police)।

**বৰ্তমান :** আৰক্ষী সেৱাৰ পৰা অৱসৰ প্ৰাপ্ত এজন জ্যেষ্ঠ নাগৰিক।

**বিবাহ :** ১৯৭৪ খ্ৰীষ্টাব্দত মঙলদৈৰ শ্ৰীযুতা ৰেণু চাংকাকতিৰ সৈতে বিবাহ পাশত আবদ্ধ।

**ভাল লগা বিষয় :** সমাজৰ হিতৰ বাবে চিন্তা চৰ্চা আৰু সমাজৰ কাম।

**সৃষ্টি :** অসম বাণী আৰু আন আলোচনীত কেইবাটাও গল্প প্ৰকাশ পোৱাৰ উপৰি দেশৰ আৰু অসমৰ বিভিন্ন ৰাজনৈতিক আৰু সামাজিক সমস্যা সম্বন্ধে ইংৰাজী আৰু অসমীয়া বাতৰি কাকতত বহুতো প্ৰবন্ধ প্ৰকাশ। 'আমাৰ অসম'ত 'চিন্তা পৰিক্ৰমা' শিৰোনামেৰে প্ৰত্যেক ১৫ দিনৰ অন্তৰে অন্তৰে লেখা প্ৰকাশিত হৈ আছে।

**সামাজিক কাম :** সৰ্বোদয় ট্ৰাষ্টৰ সদস্য হিচাপে আৰু অসম গো-সেৱা সমিতিৰ সভাপতি আৰু আত্মনিৰ্ভৰশীল সমাজ গঠনৰ বাবে আৰু মানুহ প্ৰমুখ্যে সকলো প্ৰাণীৰ কল্যানৰ কামত আত্মনিয়োগ কৰি আছো।

**ভৱিষ্যত পৰিকল্পনা :** ওপৰত উল্লেখ কৰা ধৰণৰ গঠনমূলক কামত নিজকে আগলৈও জড়িত ৰখাৰ ইচ্ছা।

**অসম বাসীলৈ বাৰ্ত্তা :** অসমৰ প্ৰবীণ, নবীন সকলোৱে ন্যায়নিষ্ঠ, জাতিধৰ্ম ভাষা নিৰ্বিশেষে সকলো নাগৰিকৰ প্ৰতি সমভাৱাপন্ন, পৰোপকাৰী, আত্মনিৰ্ভৰশীল আৰু সকলো প্ৰাণীৰ প্ৰতি কৰুণাপূৰ্ণ হৈ এখন শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী অসম তথা ভাৰতবৰ্ষ গঢ়ি তোলাৰ প্ৰতি যত্নবান হওঁক।

## সংকলকৰ চমু টোকা

**নিশিনাথ চাংকাকতি** -- আই.পি.এছ্. বিষয়া হিচাবে অসম আৰক্ষীত যোগদান কৰা চাংকাকতিদেৱে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হিচাবে অৱসৰ লয়। তেখেতে নিজাববীয়াকৈ কোনো গ্ৰন্থ ছপা কৰি উলিওৱা নাই যদিও সমাজৰ বাস্তৱ সমস্যা আৰু ৰাজনৈতিক পৰিবেশৰ ওপৰত বহু প্ৰবন্ধ লিখি অসমৰ আগশাৰীৰ কেবাখনো কাকতত প্ৰকাশ কৰিছে। এজন ভাল গল্প লিখক হিচাবেও তেখেতৰ সুনাম আছে। ইংৰাজী ভাষাত ব্যুৎপত্তি থকা চাংকাকতিদেৱে বাতৰি কাকতত ইংৰাজী ভাষাত কেবাটাও প্ৰবন্ধ লিখিছে। ইয়াৰোপৰি আমাৰ অসম কাকতত 'চিন্তা পৰিক্ৰমা' নামেৰে এটা শিতানত তেখেতে বহুতো তত্ত্বগধুৰ প্ৰবন্ধ লিখিছে। অসমবাসীলৈ দিয়া বাৰ্ত্তাত তেখেতে কৈছে যে, মানুহ আত্মনিৰ্ভৰশীল হৈ সকলোৰে প্ৰতি সমভাৱাপন্ন ভাৱেৰে লোকৰ হিত সাধন কৰাটোহে মানৱৰ মুখ্য উদ্দেশ্য হোৱা উচিত। এজন সুদক্ষ আৰু আপোচবিহীন আৰক্ষী বিষয়া হিচাবে আৰক্ষীৰ বুৰঞ্জীত তেখেতৰ নাম জিলিকি থাকিব।

# কৰ্তব্য বোধ

## নিশিনাথ চাংকাকতি

বিছনাখনত ইকাতি-সিকাতি কৰি পৰি থাকি আমনি লগাত চন্দন চলিহাই ঢলং-পলংকৈ উঠি বাহিৰৰ বাৰাণ্ডাৰ আৰামী চকীখনত আউজি বহিলহি। যোৱা কালি ওৰে ৰাতিটো ওচৰৰ পূজা ঘৰত চলি থকা গান-বাজনাৰ কাণ তালমাৰা শব্দত চলিহাৰ চকুৰে টিপ মাৰিবকে পৰা নাছিল। আজিও গোটেই দিনটোত অলপ শুবলৈ যত্ন কৰিও তেওঁ টোপনি আনিব নোৱাৰিলে। অৱসাদ আৰু দুৰ্বলতাই দেহাটোক বৰকৈ হেঁচি ধৰা যেন পালে চলিহাই। 'ছাৰ, চাহ খাওঁক।' আনদিনাৰ দৰে ভিতৰৰ পৰা চাহ একাপ আনি ঘৰৰ কাম কৰা ল'ৰা ৰতনে ক'লে।

'লৈ যা, তয়েই খাগৈ। মোৰ একো খাব মন যোৱা নাই।' চলিহাই উত্তৰ দিলে। সদায় এই সময়ত চাহ একাপ খোৱা চলিহাৰ বহুদিনৰ অভ্যাস। কিন্তু আজি চাহকণ খাবলৈও ইচ্ছা নগ'ল। পশ্চিমফালে চকু যোৱাত চলিহাই দেখিলে - মাৰ যাব ধৰা বেলিটোৰ ক্ষীণ পোহৰত পশ্চিম আকাশ ৰাঙলী হৈ উঠিছে। চোতালৰ আগৰ জবাফুল জোপা ৰঙচুৱা জবাৰে জকমকাই আছে। ৰতনৰ যত্নত সমুখৰ ফুলনিখনো নানা ৰঙৰ ফুলেৰে জাতিষ্কাৰ হৈ আছে।

চন্দন চলিহাৰ বৰকৈ মনত পৰিল ঘৈণীয়েকলৈ। তেওঁৰ ঘৈণীয়েকেই বহু ঠাইৰ পৰা গোটাই আনি আটোম-টোকাৰিকৈ ৰুইছিল এই ফুলবোৰ। ঘৈণীয়েক বাচি থকা হ'লে ফুলনিখনতে এতিয়া ঘূৰি ফুৰিলেহেঁতেন আৰু ইটো ফুল, সিটো ফুলৰ বিষয়ে নানা কথা কৈ তেওঁক তত্ নিদিলেহেঁতেন। চাকৰি কৰা কালছোৱাত, তেনে সময়ত, তেওঁ ঘৈণীয়েকৰ ওপৰত বাৰুকৈয়ে বিৰক্ত হৈছিল। চলিহা তেতিয়া আছিল ধন ঘটা আৰু ক্ষমতা খটোৱাত মত্ত। তেওঁৰ একমাত্ৰ সন্তান আৰু পুত্ৰ অক্ষয়ৰ লগতো মাজে সময়ে দুই-এবাৰ কথা পাতি সময় কটোৱাৰ বাবেও চলিহাৰ তেতিয়া ইচ্ছা নাজাগিছিল। অক্ষয়ক তেওঁ নাম কৰা স্কুল-কলেজতে পঢ়ুৱাইছিল আৰু খোৱা-বোৱা, পিন্ধা-উৰা আদি একোৱেই তেওঁ অক্ষয়ক কেতিয়াও কোনো অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল। কোনো হিচাপ নকৰাকৈ স্বচ্ছন্দে ঘৰখন চলাবৰ বাবে ঘৈণীয়েকৰ হাতত টকাৰ নাটনি পৰিবলৈও তেওঁ কেতিয়াও নিদিছিল। কিন্তু মাজে সময়ে তেওঁলোকৰ মনৰ খবৰ লোৱাৰ, তেওঁলোকৰ লগত কোনো বিষয়ত ভাবৰ আদান-প্ৰদান কৰাৰ প্ৰয়োজনবোধ কৰা নাছিল কেতিয়াও চলিহাই। এনেকৈয়ে এখন অতি দ্ৰুতবেগী ট্ৰেইনৰ পৰা বাহিৰৰ দৃশ্যাৱলী মনিব নোৱৰাকৈয়ে হুমুনিয়াৰকৈ পাছলৈ আঁতৰি যোৱাৰ দৰে চলিহাৰ চাকৰি জীৱনৰ দিনবোৰ তেওঁৰ অগোচৰেই যেন বিজুলীৰ গতিত অতীতৰ বুকুত বিলীন

হ'ল। তেৰোঁ যে এদিন চাকৰিৰ পৰা অৱসৰ ল'ব লাগিব, তেৰোঁ যে এদিন ক্ষমতাহীন এজন সাধাৰণ মানুহত পৰিণত হ'ব - সেই কথা কেতিয়াবা সপোনতো চলিহাৰ মনত খেলোৱা নাছিল। তেওঁৰ জীৱন-যাত্ৰাৰ আয়ম সম্পূৰ্ণ সলনি কৰি দিয়া সেই অভিশপ্ত দিনটোৰ কথা মনত পৰিলে; চলিহাৰ এতিয়াও গাটো কঁপি উঠে। চাকৰিৰ পৰা অৱসৰ লোৱাৰ কাগজখন চহী কৰাৰ পিছ মুহূৰ্ততে এটা অতি দুঃখবৰ কঢ়িয়াই আনিলে পুলিচৰ এখন অনাতাৰ বিভাগৰ বাৰ্তাই। তেওঁৰ পৰিবাৰে যোৰহাটত এজন ভাগিনীয়েকৰ বিয়া খাই, যিখন গাড়ীত সেইদিনা যোৰহাটৰ পৰা গুৱাহাটীলৈ আহি আছিল, সেইখন গাড়ীৰ, বোকাখাটৰ ওচৰত, বিপৰীত ফালৰ পৰা যোৱা এখন ট্ৰাকৰ লগত খুন্দা লাগে আৰু লগে লগেই, তেওঁক নিঃসঙ্গ কৰি, তেওঁৰ ঘৈণীয়েকে ইহসংসাৰ ত্যাগ কৰিবলগীয়া হ'ল। মানুহৰ দুৰ্দিন পৰিলে, ভূতৰ ওপৰত দানৱৰ দৰে যে বিপদে লগ লয় - সেই কথা চলিহাই সেইদিনাহে মৰ্মে মৰ্মে উপলব্ধি কৰিলে। চলিহাৰ একমাত্ৰ সন্তান অক্ষয়ে ইতিমধ্যে ইঞ্জিনীয়াৰিং আৰু কম্পিউটাৰৰ এটা দুবছৰীয়া পাঠ্যক্ৰম পাছ কৰিছিল। পুতেকক নিজৰ লগত ৰাখি নিঃসঙ্গতা কিছু পাতলাবলৈ চলিহাই অক্ষয়ক গুৱাহাটীতে এখন কম্পিউটাৰৰ দোকান আৰু প্ৰশিক্ষণ কেন্দ্ৰ খুলি দিব খুজিছিল। কিন্তু অক্ষয়ে দিল্লীৰ ডাঙৰ ইঞ্জিনীয়াৰিং কোম্পানী এটাত চাকৰি লৈ তাতেহে থাকিবলৈ ল'লে। কিছুদিনৰ পাছত চলিহালৈ খবৰ আহিল - অক্ষয়ে হেনো দিল্লীৰ ছোৱালী এজনী বিয়া কৰালে। নিজৰ পছন্দৰ ছোৱালী এজনী ঠিক কৰি একমাত্ৰ ল'ৰাৰ বিয়াখন ধুমধামেৰে পতাৰ আনন্দৰ পৰাও বঞ্চিত হ'ল চলিহা। বিয়াৰ ডেৰ বছৰমানৰ পাছতহে ঘৈণীয়েক আৰু প্ৰথম সন্তানক লৈ অক্ষয় আহিছিল গুৱাহাটীলৈ এসপ্তাহৰ বাবে। কিন্তু চলিহাৰ লগত ঘৰত থাকিল মাত্ৰ দুদিন। বাকী কেইদিন শ্বিলং, কাজিৰঙা আদি চায়েই পাৰ কৰিলে। তাৰ পাছত আজি দুবছৰে পুতেক-বোৱাৰীয়েক গুৱাহাটীমুখী হোৱা নাই। অক্ষয়ে অৱশ্যে এতিয়ালৈ যেনিবা এমাহে-দুমাহে ফোন এটা কৰি বাপেকৰ খবৰ লৈ থাকে।

আজিকালি নাতি ল'ৰাটিৰ লগত ৰং-ধেমালি কৰি সময় কটাবলৈ বৰ মন যায় চলিহাৰ। সেই বাবে, পুতেক-বোৱাৰীয়েকহঁত গুৱাহাটীলৈ নাহে যেতিয়া, চলিহাই নিজেই যাব বিচাৰে দিল্লীলৈ - পুতেক বোৱাৰীয়েকহঁতৰ লগত থাকিবলৈ। কিন্তু চলিহাৰ মনত দুঃখ - অক্ষয়ে তেওঁক সিহঁতৰ লগত কেইদিনমানৰ বাবে থাকিবলৈও এবাৰো মতা নাই দিল্লীলৈ। তেওঁ যায় কেনেকৈ? চলিহাই ভাবিলে - বেছিকৈ অকলশৰীয়া অনুভৱ কৰা উৎসৱ-পাৰ্বণৰ দিনবোৰ বাদ নিদিয়াকৈ অক্ষয়ে প্ৰায়ে যদি তেওঁক ফ'নো কৰি থাকিলেহেঁতেন আৰু নাতিনীয়েকৰ মিঠা মাত দুই-এটা অন্ততঃ ফ'নতেই যদি তেওঁ সঘনাই শুনি থাকিব পালেহেঁতেন। তেওঁ নিজে ফ'ন কৰি থাকিলেও, পুতেক বোৱাৰীয়েক বিৰক্ত হয়। চলিহাৰ গতিকে উপায় নাই। এইবাৰ পূজাৰ সপ্তমী, অষ্টমী পাৰ হ'লেই। কিন্তু ফ'ন অহা নাই। প্ৰত্যেক মুহূৰ্ততে উৎকৰ্ণ হৈ থাকোতেই গৈছে

চলিহাৰ।

ক্ৰিং ক্ৰিং

হঠাৎ ভিতৰৰ পৰা ফ'নটো বজাৰ শব্দ চলিহাৰ কাণত পৰিলহি। পুতেকৰ ফ'ন বুলি ভাবি চলিহাৰ মনটো নাচি উঠিল। খপজপকৈ বাৰাণ্ডাৰ চকীখনৰ পৰা উঠি চলিহাই বেগাই ভিতৰ সোমাই ফ'নৰ ৰিচিভাৰটো তুলি লৈ ডাঙৰকৈ ক'লে - 'হেল্লো'।

'নমিতাক দিয়কচোন।'

সিফালৰ পৰা কোনোবা ডেকা ল'ৰাৰ মাত ভাহি আহিল।

'ইয়াত কোনো নমিতা নাথাকে।'

ভগ্ন মনোৰথ চলিহাই বিষাদভৰা মাতেৰে উত্তৰ দিলে। লগে লগে তেওঁ শুনিলে, সিফালে জোৰকৈ ৰিচিভাৰটো থৈ দিয়াৰ শব্দ। হঠাৎ চলিহাই বুকুখনৰ বাওঁফালে এটা প্ৰচণ্ড বিষ অনুভৱ কৰিলে। তেওঁৰ মূৰটো ৰৰকৈ ঘূৰোৱা যেন লাগিল। তেওঁ থিয় হৈ থাকিব নোৱাৰা হ'ল। 'ৰতন, ৰতন বুলি ঘৰৰ কন কৰা ল'ৰাটোক যিমান জোৰেৰে পাৰি চিঞৰি চলিহাই ওচৰৰ চ'ফা এখনত ধৰি বহিব খুজিলে। পিছে তেওঁৰ হাতখন পিছলি গ'ল আৰু তেওঁ মজিয়াত ঢলি পৰিল। ৰতন বেছি আঁতৰত নাছিল। চলিহাৰ চিঞৰ শুনি সি দৌৰি আহিল।

'মোক ওচৰৰ নাৰ্ছিং হ'মখনলৈ লৈ ব'ল। মৰ বুকু বিষাইছে' - চলিহাই সেহাই সেহাই ৰতনক ক'লে। ৰতনে ভাবিলে - গাড়ীখনত নিবলৈ ড্ৰাইভাৰটো আজি ছুটীত আছে। বাহিৰলৈ দৌৰি আহি সমুখৰ ৰাস্তাটোৰ দুয়োফালে বহু দূৰলৈ চাই সি এখনো ৰিক্সাও দেখা নাপালে। মাত্ৰ দেখাপালে সিহঁতৰ ঘৰৰ ফালে আহি থকা এখন ঠেলা। ঠেলাৱালাটোৰ সহায়ত সেই ঠেলাখনতে মুমূৰ্ষ চলিহাক শুৱাই ৰতনে তেওঁক ওচৰৰ নাৰ্চিং হ'মখনলৈ উলিয়াই লৈ গ'ল। নাৰ্ছিং হ'মলৈ যাওঁতে প্ৰতিটো মুহূৰ্তই চলিহাৰ এযুগ যেন লাগিল। মনতে তেওঁ কেৱল 'হে প্ৰভু, ৰক্ষা কৰা। হে দয়াময়, ৰক্ষা কৰা'- এই কথাকে আওৰাবলৈ ধৰিলে। চলিহাৰ মনত পৰিল - থানাৰ দাৰোগা হৈ থাকোতে ভগবানৰ নাম তেওঁৰ মনলৈ নাহিছিলেই। থানালৈ ধৰি অনা মানুহবোৰে এইদৰে চিঞৰিলে, তেওঁ সিহঁতক ভয়াতুৰ বুলি হাঁহিছিল। তেওঁৰ ভয় হ'ল- ভগবানে কিজানি তেওঁক ক্ষমা নকৰিব।

নাৰ্ছিং হ'মখনত কৰ্তব্যৰত নাৰ্চ এজনীয়ে চলিহাৰ বেমাৰৰ লক্ষণ শুনিয়েই হাৰ্টৰ ডাক্তৰলৈ খবৰ পঠিয়ালে আৰু চলিহাক ইতিমধ্যে Intensive care unitত ৰখাৰ ব্যৱস্থা কৰিলে। অলপ পাছতে চলিহাই দেখিলে- তেওঁৰ কোঠাটোৰ দুৱাৰখন খুলি এজন ডেকা ডাক্তৰ তেওঁৰ বিছনাৰ ফালে আহিছে। পাছে পাছে কিবাকিবি যন্ত্ৰপাতি লৈ এজনী নাৰ্চ। ডাক্তৰজনক আগতে ক'ৰবাত লগ পোৱা যেন লাগিল চলিহাৰ। খন্তেকৰ পাছতে বহু বছৰৰ আগৰ ঘটনা এটা মনত পৰাত চলিহাৰ গাটো শিয়ৰি উঠিল।

তেতিয়া অসমত বিদেশী খেদা আন্দোলনৰ ভৰপক। চলিহা তেতিয়া এখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়া। এদিন সন্ধিয়া তেওঁ থানাত বহি থাকোতে ওচৰৰ গাঁও এখনৰ গাঁওবুঢ়াজন উধাতু খাই থানা সোমালহি আৰু চলিহাক ক'লে যে থানাৰ আগেদি ওচৰৰ চহৰখনলৈ যোৱা বাটটোত থানাৰ পৰা এমাইলমান দূৰত থকা কাঠৰ দলংখনত তেওঁ আঁতৰৰ পৰা জুই দেখি আহিছে। চলিহাই লগে লগে থানাত থকা জীপখনত কেইজনমান সশস্ত্ৰ চিপাহী লৈ দলং পালেগৈ। ভাগ্যক্ৰমে জুই বেছি বিয়পা নাছিল। দলংখনৰ তলেদি বৈ যোৱা জানটোৰ পানীৰে দলংখনৰ বেছি ক্ষতি হোৱাৰ আগতেই, তেওঁলোকে গোটেই কেইজনে মিলি জুইকুৰা নুমাবলৈ সক্ষম হ'ল। তাৰ পাছত চলিহাই অপৰাধীক বিচাৰি পূবফালৰ ওচৰৰ গাঁওখন পালেগৈ। তাত এঘৰত দেখিলে - বাহিৰৰ ফালৰ কোঠা এটাত বিছনা এখনত ল'ৰা এজন শুই আছে। ওচৰৰ বেৰখনৰ গজাল এটাত বোকা লগা লংপেণ্ট এটা ওলমি আছে। অন্য এফালে বেৰত আঁউজাই থোৱা আছে এখন চাইকেল। চাইকেলখনৰ দুয়োটা চকাতো বোকাৰ দাগ। চলিহাৰ সেই ডেকাজনৰ ওপৰত ঘোৰ সন্দেহ হ'ল। ল'ৰাজনে কৈছিল যে ওচৰৰ এখন গাঁৱত থকা তেওঁৰ মোমায়েকৰ বেমাৰ বুলি খবৰ পাই সি মোমায়েকৰ খবৰ ল'বলৈ গৈ অলপ আগতে ঘৰলৈ উভতিছে। দিনত বৰষুণ দিয়াৰ বাবে ৰাস্তাত বোকা হৈছিল। সেই বাবেই তাৰ পেণ্ট আৰু চাইকেলত বোকা লাগিছে। তাৰ মাকেও ভিতৰৰ পৰা ওলাই আহি একে কথাকে কৈছিল আৰু ল'ৰাটিক ধৰি নিনিবলৈ চলিহাক কাবৌ-কোবালি কৰিছিল। ল'ৰাজনৰ নামটো টলিহাই এতিয়া পাহৰিছে। কিন্তু ল'ৰাজনৰ নামটো আগৰে পৰা থানাত সন্দেহযুক্ত অপৰাধীৰ তালিকাত থকাৰ বাবে চলিহাই ল'ৰাজনৰ আৰু তাৰ মাকৰ কথা বিশ্বাস নকৰিলে আৰু তাক ভালকৈ সোধ-পোছ কৰিবৰ বাবে থানালৈ লৈ আনিবলৈ স্থিৰ কৰিলে।

চলিহাৰ লগত যোৱা চিপাহী কেইটাই ল'ৰাজনক গাঁতিয়াই জীপখনৰ পাছফালে তোলোতে ল'ৰাজনে বাওঁভৰিখনত মচকা খাই চিএৰ মৰাৰ কথাও চলিহাৰ মনত পৰিল। থানাত জেৰা কৰোতে তেওঁৰ সন্মুখতে চিপাহী কেইজনে ল'ৰাজনক চৰ-ভুকুও মাৰিছিল। চলিহাই পিছে বাধা দিয়াৰ প্ৰয়োজন বোধ কৰা নাছিল। এই ল'ৰাজনক জেৰা কৰি থাকোতেই থানাৰ অন্য এজন দাৰোগাই ধৰি আনিছিল একে নামৰ আন এজন ল'ৰা। অন্য দুজন ল'ৰাৰ লগলাগি দলংখনত জুই লগোৱাৰ কথা সেই ল'ৰাজনে দাৰোগাজনৰ আগত ইতিমধ্যে স্বীকাৰো কৰিছিল। পাছত ধৰি অনা এই ল'ৰাজনক সোধপোছ কৰি চলিহাই বুজি পালে যে থানাৰ অপৰাধীৰ তালিকাত নাম থকা ল'ৰাজন সেইজনহে - তেওঁ নিজে ধৰি অনাজন নহয়। তেতিয়া চলিহাই নিজে ধৰি অনা ল'ৰাজনক জীপখনতে তুলি ঘৰলৈ ওভতাই পঠিয়াইছিল। সেই ল'ৰাজনেই এই ডাক্তৰজন বুলি চিনি পাই চলিহাৰ বৰ ভয় লাগিল। তেতিয়া থানাত দুৰ্ব্যৱহাৰ আৰু মাৰপিট কৰাৰ বাবে এতিয়া যদি ডাক্তৰজনে তেওঁৰ চিকিৎসাত

গাফিলতি কৰি তেওঁৰ ওপৰত প্ৰতিশোধ লয়। বৰ কাতৰ দৃষ্টিৰে ডাক্তৰৰ মুখলৈ চালে চলিহাই।

ডাক্তৰ দুৰ্লভ দাসে চলিহাক চিনি পালে তৎক্ষণাৎ। চলিহাক দেখা পোৱাৰ লগে লগে দুৰ্লভ দাসৰ আকৌ ফটফটীয়াকৈ মনত পৰিল - তেওঁক চলিহাই থানালৈ ধৰি নিয়া দিনটোৰ প্ৰত্যেকটো খুটি-নাটিৰ কথা। বাওঁভৰিখনৰ মচকা খোৱা ঠাইডোখৰো তেওঁৰ বিষোৱা যেন লাগিল।

তেওঁক পুলিচে সেই ৰাতি থানাৰ পৰা আনি ঘৰত থৈ যোৱাৰ পাছত ক্ৰমান্বয়ে তেওঁৰ ভৰিৰ দুঃখ পোৱা ঠাই ডোখৰত বিষ বেছি হোৱাত গোটেই ৰাতিটো তেওঁ অলপো শুব নোৱাৰিলে। পাছদিনা ওচৰৰ চহৰখনলৈ গৈ ডাক্তৰক দেখুৱাত ডাক্তৰে X-ray কৰিবলৈ ক'লে। X-ray কৰাত ধৰা পৰিল যে দুৰ্লভৰ বাওঁভৰিৰ সেই ঠাইত হাড় এডাল ভাগিছে। তাৰ পাছত ভৰিত প্লাষ্টাৰ কৰা অৱস্থাৰে দুৰ্লভে ঘৰতে শুই বহি কটাবলগীয়া হ'ল আঠ সপ্তাহ কাল। ইতিমধ্যে কেইবাদিনো একে লেথাৰিৰে জ্বৰত দুৰ্লভৰ বাপেকে এদিন শেষ নিশ্বাস পেলালে। এইবোৰ দুৰ্যোগৰ মাজত দুৰ্লভে সেই বছৰ উচ্চতৰ মাধ্যমিক পৰীক্ষা দিব নোৱাৰিলে। দুৰ্লভৰ শিক্ষা বছৰ এটা অথলে গ'ল। পাছৰ বছৰত যেনিবা দুৰ্লভে সেই পৰীক্ষাত ষ্টাৰ নম্বৰ পাই উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ল আৰু মোমায়েকে পঢ়াৰ খৰচ দিবলৈ গাত লোৱাত ডাক্তৰ হ'বৰ ইচ্ছাৰে দুৰ্লভে মেডিকেল কলেজত নাম লগালে। মেডিকেল কলেজৰ কোনো এটা পৰীক্ষাতে অকৃতকাৰ্য নোহোৱাকৈ দুৰ্লভে সময় মতেই ডাক্তৰ হৈ ওলাল আৰু তাৰ তিনি বছৰৰ পাছতেই হৃৎপিণ্ডৰ চিকিৎসাৰ স্নাতকোত্তৰ ডিগ্ৰীও অৰ্জন কৰিবলৈ সক্ষম হ'ল। তেতিয়াৰ পৰা ডাঃ দুৰ্লভ দাস এই নাৰ্ছিং হ'মখনৰ লগত জড়িত।

ডাক্তৰ দুৰ্লভ দাসে মন কৰিলে, যে চলিহাই তেওঁৰ মুখলৈকে চলচলীয়া চকুৰে বৰ অসহায়ভাৱে চাই আছে। সিংহৰ মুখৰ আগত হৰিণা পোৱালিৰ কাতৰ অৱস্থাৰ দৰে এসময়ৰ প্ৰবল-প্ৰতাপী চন্দন চলিহাৰ এনে অৱস্থা হোৱা দেখি ডাক্টৰ দুৰ্লভ দাসৰ চলিহাৰ প্ৰতি পুতৌ জন্মাৰ সলনি মনত আনন্দহে লাগিল। তেওঁৰ ভাবি গৰ্ববোধ হ'ল যে বিনা কাৰণে তেওঁক থানালৈ ধৰি নি অত্যাচাৰ কৰা চলিহাৰ জীৱন আজি তেওঁৰ হাতৰ মুঠিত। ডাঃ দুৰ্লভ দাসৰ মনত এক দুৰ্বাৰ বাসনা জাগিল - চলিহাৰ ওপৰত প্ৰতিশোধ লোৱাৰ। কিন্তু পিছ মুহূৰ্ততে তেওঁৰ খেয়াল হ'ল যে তেওঁ এতিয়া এজন ডাক্তৰ। শত্ৰু হওক, মিত্ৰ হওক, ধনী হওক, দুখীয়া হওক - সকলো ৰোগীৰ আৰোগ্যৰ বাবে সমানে যত্নপৰ হোৱাটো প্ৰত্যেক ডাক্তৰৰ মুখ্য কৰ্তব্য। এসময়ত তেওঁৰ প্ৰতি অবিচাৰ কৰিছিল বুলিয়েই, এতিয়া চলিহাৰ ৰোগ নিৰাময়ৰ বাবে তেওঁ নিজৰ কৰ্তব্য ফাঁকি দিয়া নহ'বনে? চলিহাৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাসনা মনৰ পৰা দূৰ কৰি ডাঃ দুৰ্লভ দাসে আৰু অলপো পলম নকৰি, প্ৰথমে এটা পেথিদিন ইনজেকছন চলিহাৰ বাহুত সুমুৱাই দিলে।



# এইচ.এল. দেৱ

**জন্ম ঃ** ১ ফেব্ৰুৱাৰী ১৯৪২ চনত কৰিমগঞ্জত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত কেদাৰ নাথ দেব আৰু মাতৃ প্ৰয়াত সুভাষিনী বালা দেব। এজন ভাতৃ কুমুদ ৰঞ্জন দেব আৰু এজনী ভগ্নী শ্ৰীমতী কবিতা দে।

**শিক্ষা ঃ** কাটিগড়া, কাছাৰৰ পৰা প্ৰাথমিক শিক্ষা, হাইলাকান্দিৰ পৰা মধ্যমভাগ, কৰিমগঞ্জ আৰু কলিকতাৰ পৰা উচ্চ শিক্ষা লাভ।

**চাকৰিত যোগদান ঃ** ১০ ডিচেম্বৰ ১৯৬৬ চনত দেৰগাঁওত আৰক্ষী উপ-অধীক্ষক পদত।

**বৰ্তমান ঃ** অবসৰ প্ৰাপ্ত আৰক্ষী মহাপৰিদৰ্শক।

**বিবাহ ঃ** ২৩ জুলাই ১৯৭২ খ্ৰীষ্টাব্দত কৰিমগঞ্জত শ্ৰীমতী বীনাপানী দেবৰ সৈতে বিবাহ-পাশত আবদ্ধ। তিনিজনী ছোৱালী আৰু এজন ল'ৰা।

**ভাল লগা বিষয় ঃ** আইন, ধৰ্ম বিষয় আৰু চিকিৎসা বিষয়ৰ গ্ৰন্থ।

**সৃষ্টি ঃ** "Triple murder case" আৰু বহুতো প্ৰবন্ধ প্ৰকাশ পাইছে। অন্যান্য

ৰচনাৰ ভিতৰত "Laws of Police Investigation & Scientific aid" বৈজ্ঞানিক পদ্ধতিত পুলিচৰ তদন্ত বৰ্তমান প্ৰেচত আৰু শ্ৰীমদ্ভাগৱত গীতাৰ ইংৰাজী অনুবাদ লিখা সমাপ্ত হৈছে।

**সামাজিক কাম :** দুখীয়া ৰাইজক বিনামূল্যত চিকিৎসা কৰা। ভাৰত সেৱাশ্ৰম সঙ্ঘত দীৰ্ঘদিন অবৈতনিক হোমিও চিকিৎসক আৰু গৌড়ীয় মঠৰ পাণ্ডু শাখাত দীৰ্ঘদিন অবৈতনিক চিকিৎসক হিচাবে দুখীয়া ৰাইজক সেৱা প্ৰদান।

**ভৱিষ্যত পৰিকল্পনা :** সামাজিক সমস্যালৈ কিতাপ লিখা। বৃদ্ধলোকৰ বাবে আবাসগৃহ নিৰ্মাণ যদিহে চৰকাৰৰ তৰফৰ পৰা অনুদান পোৱা যায়।

**অসম বাসীলৈ বাৰ্ত্তা :** অসমৰ বাবে সদায় সদ্ চিন্তা মনত ৰখা। জাতি বিদ্বেষৰ পৰা বিৰত থকা। নিজকে অসম সন্তান হিচাবে ভবা।

## <u>সংকলকৰ চমু টোকা</u>

হিৰণ্যলাল দেব — হিৰণ্যলালদেব চাহাব আৰক্ষী মহানিৰ্দেশক হিচাবে অবসৰ গ্ৰহণ কৰিছে। এজন নিষ্ঠাবান প্ৰশাসনিক বিষয়া হিচাবে নাম থকা দেব চাহাবে ইংৰাজী ভাষাত অতি তত্ত্বগধুৰ বহুত প্ৰবন্ধ ৰচনা কৰিছে। আইন সংক্ৰান্তীয় কিতাপ এখন আৰু জাষ্টিচ উপেন চন্দ্ৰ ৰাজখোৱাৰ তিনিটা হত্যাকাণ্ড (Triple murder)ৰ ওপৰত লিখি তেখেতে এটা অগতানুগতিক লিখনিৰে ইংৰাজী সাহিত্যত অবদান আগবঢ়াইছে। 'বৈজ্ঞানিক পদ্ধতিত পুলিচ তদন্ত' নামৰ এখন পুথি লিখি থকা বুলি তেখেতে কৈছে। তেখেত এজন হোমিও চিকিৎসক হিচাবে বিভিন্ন অনুষ্ঠানৰ জৰিয়তে দুখীয়া ৰাইজক বিনামূল্যে চিকিৎসা কৰাটো এটা মানব সেৱাৰ কাম।

# Retd. Judge Murders Wife : 3 Daughters

**H. L. Dev**

Shri U. N. Rajkhowa, Sessions and District Judge of Dhubri, retired from service on 2-2-1970. His family consisted of Putuli Rajkhowa, his wife and three daughters - Linu, Jonali and Ruplekha. The eldest daughter lived with parents at Dhubri and the other two at Gauhati receiving higher education. Shri U.N. Rajkhowa had no son. After retirement all the members of the family mysteriously disappeared followed by the sudden disappearence of the retiered District Judge himself. The abrupt disappearence of the members of the family created suspician in the minds of the close relatives of Shri Rajkhowa. Suspecting some sort of foul play an "under detection" case was registerd at Dhubri Police Station with a view to finding out a clue to the family's mysterious disappearance.

The Dhubri Police after vigorous learnt that Rajkhowa was staying at Savoy Hotel, Siliguri and contacted him there. On being questioned about the whereabouts of the family members Rajkhowa at first said that his wife and daughter were at Darjeeling. Later during further interrogation he said that his wife had died of a fall from the corridor of his official residence at Dhubri on 11-2-1970 while his eldest daughter Linu had committed suicide by taking sleeping pills. He had thrown their dead bodies in the Brahmaputra with the assistance of some Biharis of Steamer Ghat, Dhubri. The other two daughters Jonali and Ruprekha who were studuing at Gauhati, he said, arrived at Dhubri on being called by him on 15-2-1970 and had committed suicide by jumping into the Brahmaputra on the same day.

In the course of interrogation, Rajkhowa went to the bathroom of Savoy Hotel on the pretext of changing his clothes amd attempted to end his life by piercing a knife into his stomach, thus strengthening the suspicion of the police. The accused was subjected to thorough interrogation at Siliguri Hospital. This time he confessed to have

murdered his wife and daughters with the help of his servant Umesh Baishya between 15-2-1970 and 25-2-1970. He said that he had concealed the dead bodies within the premises of his official residence at Dhubri in order to destroy the evidence of murder. On the strenght of this interrogation Dhubri Police took up a case under Section 302/201/34 I.P.C.

Gauhati Police arrested Umesh Baishya on 11-8-1970. He confessed before the Magistrate to have illicit relation with Jonali and Ruplekha and further confessed to have murdered Mrs. Putuli Rajkhowa by hitting them on the heads. In his confessional statement before the Megistrate he narrated that on 11-2-1970 accused Upen Rajkhowa struck his wife and Linu with two iron rods on the heads and then both he and Rajkhowa gagged the victims till they were dead. Later the dead bodies were buried within the campus of the official residence of the accused Rajkhowa at Dhubri in a pit previously dug under the direction of Rajkhowa. After 4/5 days of the double murder Jonali and Ruplekha were brought to Dhubri by their father. Within an iterval of 10 days after the two murders while Jonali and Ruplekha were sleeping during the day time, he and Rajkhowa hit them on the head with iron rods at about 1.30 p.m. resulting in their instantaneous death. The dead bodies were taken to the attached bath room and kept under lock and key. At night they were buried in another pit previously dug under the direction of Rajkhowa within the campus of his residence. Rajkhowa had paid Rs. 200 to him and promised to pay him another Rs. 10,000 later for his assistance.

**Motive:**

Rajkhowa stated that Linu had fallen in love with a boy named Ramani Deka who was a non-Brahmin and not of his caste about 4 years back and he had been able to change her mind with great difficulty. Linu again fell in love with one Satish Goswami of Gauhati whom he cosidered to be sub-standard. The accused left no stone unturned to deviate his daughter's mind but in vain. Finding no other alternative he was constrained to agree to the marriage but his wife vehemently opposed it. The other daughter Jonali fell in love with Dr. Aswini Choudhury, a non-Brahmin boy of Kharghuli.

Due to these developments, Rajkhowa said, he lost his peace of mind and developed ill-feeling towards the members of his family. He hired a house at Kharghuli and asked his wife to go to Gauhati

with the daughters but his wife declined on the ground that Satish Goswami might create trouble. So he murdered and buried them as stated by Baishya with the latter's help. On the basis of the statement made by the principal accused four dead bodies were exhumed from the compound of the official residence of Rajkhowa by the Dhubri Police in the presence of the Magistrate. As the dead bodies were practically decomposed, it was difficult to recognise them.

**Evidence :**

The Investigating Officer collected from the pits long hairs, a golden ring studded with red and white stones, nine pairs of gold bangles, one glass bangle and an iron bangle and a few clothes of Rajkhowa and the victims containing stains of blood. They were identified by the relatives of the victims and also by a group photograph. The Investigating Officer also collected blood from the bed-sheads on which the victims had been murdered. The post-mortem examination held on the dead bodies by the Civil Surgeon, Dhubri, revealed that the dead bodies were of female sex. The State Forensic Science Expert also gave similar opinion in respect of the sex of the victims.

The State Forensic Science Expert visited the place of occurrence and collected some sand from near the pits as mentioned above and subjected the sand so collected to chemical examination but found no trace of poison.

The skulls of the victims and the group photograph duly identified by the relatives of the victims were sent to the Chemical Examiner to the Government of India for establishing the identity of the dead bodies by the photographic super-imposition. The Chemical Examiner observed correspondence between anatomical land marks of each skull and the photograph of the face of each deceased. Over and above, the measurement of the distance between various anatomical land marks and their respective ratio in the skull as well as in the photograph of the deceased's face for each skull were found to be indentical. Thus the identity of the dead bodies could be established. Above all, the discovery of the bodies on exhumation as deposed by the accused, was the strongest evidence of their identity.

Bigan Prasad, Md. Shahid Ali and Radhakanta Das of Dhubri, all associates of the family, stated that a tree in the official residence of Rajkhowa near the bath room was cut away and its roots were removed but the pit was not filled up. Md. Shahid Ali and Bigan Prasad further stated to have dug another pit in the same compound under the direction of the principal accused in the month January

1970. Bigan Prasad also stated that the wife and the eldest daughter of the principal accused had asked him to fill the pit but when he started levelling he was taken to task by Rajkhowa and was told to clear the pit. Accordingly he did that. The morning after the murders Bigan Prasad had seen Rajkhowa walking restlessly inside the compound and telling Baishya to make a cup of tea for him. He told them that he had sent his wife and eldest daughter to Gauhati. Bigan Prasad and Shahid Ali stated to have seen accused Rajkhowa washing a huge number of clothes including bed sheets and bed cover in the bath room himself the next morning and also found the pit by the side of the bath room to have been filled up mysteriously.

On 16-2-1970 at 10.10 a.m. accused Rajkhowa booked a trunk call from Dhubri phone No. 549 to Gauhati phone No. 3124 bearing trunk call ticket No. 000007 dated 16-2-1970 and asked Miss Jonali and Ruplekha to come back to Dhubri by State Transport Bus next evening through the subcriber of the phone. This trunk call ticket was seized and the receiver of that call confirmed it.

The I.O. further examined one Miss Phaguni, the maid servent of Robin Dutta of Silphukhuri, Gauhati, who stated that once the co-accused Baishya had threatened her saying that he had escaped the law even after murdering women at Dhubri, and if she would be killed by him, nothing would similarly happen to him. Timir Baran Nandi of Siliguri stated that Rajkhowa had been staying at Hotel Savoy before his arrest and started fasting. On query he had told him that he had committed sin, and to atone for that he had given up taking meals.

Dr. Anil Kumar Mukherjee of Siliguri Hospital also deposed that Rajkhowa had not taken his food for 3/4 days while undergoing treatment at the Hospital following the suicide attempt. On enquiry Rajkhowa had given the same reply that he had committed sin.

Satya Prasad Chakraborty of Gauripur, Dhubri district and other members of his family said that Rajkhowa had fled away at the sight of a certain Sub-Inspector who happened to come to their house at Gauripur after the ghastly murders.

A mechanic who had come to his residence for some repairing work after the merders found Rajkhowa filling the pits himself. On seeing him Rajkhowa hurriedly left the place and again appeared at the spot and talked with him. The wife of a high official who paid a visit to his residence after the occurrence wanted to use the bath room but found it closed. Accused Rajkhowa requested her to use another bath room.

On the basis of unimpeachable circumstantial evidence, Rajkhowa was convicted and sentenced to death.



# দিলীপ বৰা

**জন্ম ঃ** ১৯৫৪ চনত নগাঁও জিলাৰ চামগুৰিত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত যোগেন্দ্ৰ নাথ বৰা আৰু মাতৃ শ্ৰীমতী ফুলমাই বৰা।

**শিক্ষা ঃ** বৰালীগাঁও মজলীয়া স্কুলৰ পৰা প্ৰাথমিক শিক্ষা, চামগুৰি হাইস্কুলৰ পৰা মধ্যমভাগ আৰু কটন কলেজ, গুৱাহাটী আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ।

**চাকৰিত যোগদান ঃ** ১৯৭৬ চনত ইউনিয়ন বেঙ্ক, গুৱাহাটীত আৰু ১৯৮২ চনত ভাৰতীয় আৰক্ষী সেৱা, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰৰ ; প্ৰোবেশ্যনেৰী অফিচাৰ, সহকাৰী আৰক্ষী অধীক্ষক।

**বৰ্ত্তমান ঃ** আৰক্ষী মহাপৰিদৰ্শক।

**বিবাহ ঃ** ১৯৮০ খ্ৰীষ্টাব্দত যোৰহাটৰ শ্ৰীমতী মঞ্জু বৰাৰ সৈতে নগাঁৱত বিবাহ-পাশত আবদ্ধ। সন্তান ক্ৰমে শ্ৰীমতী অনন্যা জৈন, শ্ৰীমান অনিৰুদ্ধ বৰা।

**ভাল লগা বিষয় ঃ** কিতাপ পঢ়া, গান শুনা, গলফ্ খেলা। মাজে মাজে

লিখামেলা কৰা আৰু পাৰিলে দুই এক সামাজিক কাম কৰা।

**সৃষ্টি ঃ** তেওঁৰ প্ৰকাশিত প্ৰবন্ধ -- কবিতা দুই চাৰিটা আৰু গল্প দুই এটা অ'ত ত'ত প্ৰকাশ পায়। দহ-বাৰটা প্ৰবন্ধ কাকতে পত্ৰই প্ৰকাশ পাইছে। নাটক এখন 'প্ৰলাপ আৰু অপলাপ', ৰংঘৰত প্ৰকাশিত। প্ৰকাশিত উপন্যাস এখন - 'কলিজাৰ আই', পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী। ইয়াৰোপৰি অন্যান্য ৰচনাৰ ভিতৰত আছে 'অন্য এক যাত্ৰা' কথা ছবিৰ গীত, 'অভিসাৰী প্ৰিয়া', 'হিয়াৰ পখিলা', 'আৰাধনা', 'প্ৰভাতী পখী' আদি কেছেট আৰু হেঙুল থিয়েটাৰৰ দুখন নাটকৰ গান ৰচনা।

**সামাজিক কাম ঃ** 'কো-কেয়াৰ' নামৰ বেচৰকাৰী অনুষ্ঠান এটাৰ জৰিয়তে পিছপৰা অঞ্চল আৰু জনতাৰ প্ৰাথমিক শিক্ষাৰ কিছু ব্যৱস্থা কৰাৰ কাম।

**ভৱিষ্যত পৰিকল্পনা ঃ** চাকৰিৰ পৰা অৱসৰ লৈ লিখা পঢ়া আৰু সামাজিক কামত মনোনিৱেশ কৰাৰ ইচ্ছা। ৰাজনীতিয়েও মোক আকৰ্ষণ কৰে।

**অসমবাসীলৈ বাৰ্ত্তা ঃ** আমি আমাৰ শক্তিৰেই বিশ্বত প্ৰতিষ্ঠা লভিব লাগিব। আনক দোষ নিদি নিজৰ সামৰ্থ বৃদ্ধি কৰি দেশ আৰু জাতিৰ উন্নতি কৰিব লাগিব।

**বৰ্তমানৰ ঠিকনা ঃ** ঘৰ নং - ৩ এফ, জুৰি পাৰ পথ, তৃতীয় উপপথ, পাঞ্জাবাৰী, গুৱাহাটী- ৭৮১০৩৭।

## সংকলকৰ চমু টোকা

দিলীপ বৰা -- আই.পি.এছ. বিষয়া দিলীপ বৰাদেৱ এজন সুসাহিত্যিক। কবিতা, গল্প লিখা বৰাদেৱে 'অন্য এক যাত্ৰা' কথাছবিৰ গীত ৰচনা কৰাৰ উপৰি 'হিয়াৰ পখিলা', 'অভিসাৰী প্ৰিয়া', 'আৰাধনা', 'প্ৰভাতী পখী' আদি শ্ৰব্য কেচেট নিৰ্মাণ কৰি সঙ্গীত জগততো প্ৰতিষ্ঠা লাভ কৰে। আনকি হেঙুল থিয়েটাৰৰ নাটকৰ মাজতে মঞ্চত উপস্থাপন কৰা গান ৰচনা কৰিও সমাদৰ লাভ কৰিছে। দিলীপ বৰাৰ সদ্যহতে ছপা হৈ ওলোৱা 'কলিজাৰ আই' নামৰ উপন্যাসখনে পাঠক সমাজৰ মাজত আলোচ্য বিষয় হৈ পৰিছে। নিজৰ শক্তিৰ ওপৰত বিশ্বাস ৰাখি আনৰ ওপৰত দোষ জাপি নিদি নিজৰ সামৰ্থ বৃদ্ধিৰে দেশ আৰু জাতিৰ উন্নতিৰ ক্ষেত্ৰত অৰিহনা যোগাবলৈ অসমবাসীলৈ তেখেতে বাৰ্ত্তা প্ৰেৰণ কৰিছে।

# হৃদয় এখন নদী

## দিলীপ বৰা

অনুপম বৰুৱাই চেল ফোনটোলৈ আধা মুদা চকুৰে অলপ বেলি চাই থাকিল। তাৰপিছত হাতখন মেলি ফোনটো চকুৰ আগলৈ তুলি ধৰিলে। নাই কোনো মেছেজ বা মিছ্‌ড কল নাই। এওঁামুৰি দি সি বিছনাৰ পৰা ভৰিকেইখন নমাই দিলে। কলিং বেলৰ ছুইচটো টিপিব খুজিও সি বৈ গ'ল। চাওঁচোন কোনোবা উঠিছে নে নাই। সি নিজকে নিজে ক'লে। তাৰপিছত দুৱাৰখন খুলি ওলাই আহিল কমৰ পৰা।

অনুপম বৰুৱাই চাকৰি কৰে। চৰকাৰী চাকৰি। হিচাপ কৰি চালে বিশ বছৰেই হ'ল প্ৰথম চাকৰিত সোমোৱা। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ চাকৰিত এবাৰ সোমাই ল'ব পাৰিলেই হ'ল। সময়ে-সময়ে প্ৰমোচন। চাৰি-পাঁচ বছৰৰ মূৰে-মূৰে পে কমিছনৰ ছুপাৰিশত দৰমহা বৃদ্ধি, চৰকাৰী সকলো বিভাগৰে মূৰব্বী হ'ব পৰাৰ জুতি, টকা-পইচা, গাড়ী-ঘোঁৰাৰ আমদানি, চব নিজে নিজেই হৈ থাকে। অনুপম ভাৰতৰ তিনি হেজাৰমান ভাগ্যবানৰ এজন। ব্যক্তিগত লগুৱা দুটাও চৰকাৰী। তদুপৰি বিভাগীয় মূৰব্বী হিচাপে তিনিটা বিভাগ চোৱা-চিতা কৰাৰ সুবাদত পোৱা চাৰিখন গাড়ী, ছটা ড্ৰাইভাৰ, দুটা বাংলো, পাঁচটা ফোন আৰু মানুহে নেদেখা বহুত কিবাকিবি।

বিয়াও কৰাইছিল একে বেটছৰে প্ৰশাসনীয় বিষয়া এগৰাকীকে। বিপাশা সান্যাল। বিয়াৰ পিছত কেডাৰ সলনি কৰি একেটা কৰাৰ সুবিধা আছে। অনুপমৰ দৰেই বিপাশাৰো দায়িত্বত আছে তিনিটা বিভাগ। একেখিনি সা-সুবিধাৰে। ঘৰ দুটাৰ বাহিৰে বাকী সুবিধাখিনি লৈ থৈছে। দুটা ঘৰ অনুপমৰ নামতে আছে। ঘৰুৱা অফিচ হিচাপে তাৰে এটা ব্যৱহাৰ কৰে। বিপাশাই থকা ঘৰটোতে ঘৰুৱা অফিচ কৰি লৈছে। সুবিধা হয়, অফিচৰ কামৰ লগে লগে ঘৰৰ কামৰো তদাৰক কৰিব পাৰি। চাকৰিৰ আৰম্ভণিতে কিছু অসুবিধা নোহোৱাকৈ থকা নাছিল। সদায় একে ঠাইতে দুয়োটাৰে পোষ্টিং হোৱাটো সম্ভৱ নহয়। বিশেষকৈ জিলাৰ বৰ চাহাবৰ নিচিনা চাকৰিৰ ক্ষেত্ৰত। এতিয়া পিছে ৰাজধানীতে থকাৰ সুবিধা কৰি লোৱা হৈছে। তিনি-চাৰিটা বিভাগৰ কোনোবা এটাৰ কাৰ্যালয় ৰাজধানীৰ পৰা দূৰত হ'লেও অহা-যোৱা কৰি চলাই দিব পাৰি। মাহেকত এবাৰ বা খুব বেছি দুবাৰ। একো অসুবিধা নহয়।

ছোৱালীজনী বিয়াৰ তিনি বছৰ পাছতেই হ'ল। তাৰপিছত আৰু এটায়ো মন নকৰিলে। কেৰিয়াৰত অসুবিধা হয়। ছোৱালী এতিয়া ষ্টিফেন্সত। চোকা ছোৱালী কিবা এটা হ'ব। অনুপম বা বিপাশাই প্ৰয়োজনীয় ছাপোৰ্টখিনি দিলেই হ'ল। তাৰ বেছি অনুসূয়াই একো নিবিচাৰে।

বিশ বছৰ এনেকৈয়ে পাৰ হৈ গ'ল। অনুপমৰ ভাল লাগিছিল। চাকৰি কৰি, ক্ষমতাৰ ব্যৱহাৰ কৰি, টকা-পইচা লেন-দেন, আদান-প্ৰদান কৰি। দিল্লী আৰু নিউইয়ৰ্কতো দুটা ডেপুটেচন কৰি আহিল। সময়ে-সময়ে ছেমিনাৰ, ট্ৰেড ফেয়াৰ, ডেভেলপমেণ্ট ষ্ট্ৰেটেজী ইত্যাদি নানান কাৰণত দেশৰ বাহিৰে-ভিতৰে ঘূৰি-ফুৰি ভাল লাগিছিল তাৰ। বিপাশাও একে ধৰণেই ব্যস্ত আছিল কুৰিটা বছৰ। ব্যস্ততা বাঢ়িছেহে, দায়িত্বও। কিন্তু যোৱা কিছুদিনৰ পৰা অনুপমৰ কিবা এটা হৈছে। এক ধৰণৰ হতাশা, এটা শূন্যতাই তাৰ ব্যস্ত সময়খিনিৰ মাজে-মাজে চেগা-চোৰোকাকৈ ভুমুকি মাৰিবলৈ লৈছে। ঠিক নিশ্চিতভাৱে চলি থকা হাওঁফাওঁটোৱে ক'ব নোৱাৰাকৈয়ে এৰি দিয়া দুটা-এটা বিচ্‌চৰ দৰে। আহোঁতে ক'ব নোৱাৰাকৈয়ে হঠাতে আহে কিন্তু তাৰপিছত বহু সময়লৈ বুকুখন খালি খালি লাগি থাকে। অশান্তি নে অস্বস্তি একোকে সঠিককৈ বুজাব নোৱাৰা এক অনুভূতি।

অনুপম চোকা ল'ৰা আছিল। পঢ়া-শুনা, সাহিত্য-সংস্কৃতি, গান-বাজনা চবতে ভাগ ল'বলৈ ভাল পাইছিল। হাইস্কুল পাওঁতেই লিখা-মেলা আৰম্ভ কৰিছিল। কলেজ পাই মানে তাৰ কবিতা, গল্প কেইবাখনো আগশাৰীৰ আলোচনীত ওলাই গৈছিল। কটন কলেজৰ ফ্ৰেছ্‌মেন ছচিয়েলত তাক চিনাকি কৰি দিয়াৰ আগতেই নতুন পুৰণা বহুখিনি ছাত্ৰ-ছাত্ৰীয়ে তাক চিনি পাইছিল। ইউনিভাৰ্চিটি পোৱালৈকে তাৰ এইবোৰ চৰ্চা চলিয়েই আছিল। কিন্তু চাকৰিত সোমোৱাৰ পিছত কি জানো হ'ল। লিখা-মেলা প্ৰায় পাহৰিয়েই পেলালে সি কিতাপ পঢ়াৰ অভ্যাসটো পিছে থাকি গ'ল। অৱশ্যে পঢ়াৰ বিষয় সলনি হ'ল। কবিতা, গল্প, উপন্যাসৰ ঠাই এতিয়া অৰ্থনীতি, সমাজ বিদ্যা, বিজ্ঞান আৰু ৰাজনীতিয়ে অধিকাৰ কৰিলে। বিপাশাৰ লগত তাৰ চিনাকিও হৈছিল কবিতাৰে। একাডেমীৰ প্ৰথম দুদিনমানতে মুচৰীখন ঘূৰি-পকি চাই লোৱা কামটো শেষ হ'ল। তাৰ পিছত লাইব্ৰেৰী। 'শেষৰ কবিতা'ৰ খিলঙখনে তাৰ মনটো উদাস কৰি তুলিছিল। কিতাপখন আগত লৈ সি বোধকৰোঁ অলপ অনামনস্ক হৈ আছিল।

অনুপমৰ মন গ'ল সন্মুখৰ দুবৰিডৰাত খালি ভৰিৰে কেইটামান খোজ পেলাবলৈ। বিদেশী দুবৰি - ভৰি সোমাই যাব খোজে। মন গ'লেও সি জানে খালি ভৰিৰে এনেকুৱা বিদেশী দুবৰিৰ ওপৰত খোজকঢ়া নিৰাপদ নহয়। বিপাশায়ে কৈছিল তাক। এইবোৰৰ তলত বিভিন্ন ধৰণৰ পোক-পৰুৱা সোমাই থাকে, চেলাৰ নিচিনা বিষাক্ত কীটো। কামুৰি দিব পাৰে। তথাপি তাৰ মন গ'ল, খালি ভৰিৰে দুবৰিডৰাৰ ওপৰত খোজ কাঢ়িবলৈ। হঠাতে তাৰ মনত পৰিল তাৰ গাঁৱৰ ঘৰৰ দুবৰিডৰালৈ, খাঁটি গাঁৱৰ দুবৰিডৰালৈ। চাওঁ বুলি ক'লে শিপাডাললৈকে চাব পাৰি। কোনো বিষাক্ত কীটে সেই দুবৰিৰ মাজত চোপ লৈ নেথাকে। অনুপমৰ গাটো বিজ্‌বিজাই গ'ল। বিদেশী দুবৰিবোৰ এনেকৈ ঘৰৰ সন্মুখৰ ল'নখনত গজাই সি ভুল কৰিলে নেকি?

ভৰিৰ পৰা খুলিব খোজা চেণ্ডেলযোৰ নোখোলাকৈয়ে সি এইবাৰ বন্ধ গেটখনৰ ফালে আগবাঢ়িল। গেটখন খুলি সি বাহিৰৰ ৰাস্তাটোৰেই আজি খোজকাঢ়ি চাব।

"ছাৰ।" - গেটখনৰ ওপৰৰ লোহাৰ কপাটডালত হাত থওঁতেই তাৰ ব্যক্তিগত দেহৰক্ষীটোৱে পিছফালৰ পৰা মাত দিলে।

"বাহিৰলৈ যায় নেকি ছাৰ?"

হঠাৎ অনুপমৰ খং উঠি গ'ল। খৰ খোজেৰে সি গেটখন খুলি মুকলি ৰাস্তাটোৰ ফালে আগবাঢ়িল। কোনোবাই যেন তাক পিছফালৰ পৰা খেদিহে আহিছে। এই অকণমান স্বাধীনতা, এটা মুহূৰ্তৰ এই অকণমান আপোন পৰিচিতি, কোনে জানো থানবান কৰি কাঢ়ি নিব এতিয়াই, অনুপমৰ দৌৰি পলাই যাবৰ মন গ'ল। কিন্তু তেনেকুৱা একোকে নকৰিলে সি। দৌৰি দৌৰি তাৰ পিছে-পিছে দেহৰক্ষীটো আহি ওলালহি।

"তুমি কিয় আহিলা?"

"ছাৰ।"

দেহৰক্ষীটোৱে একো নক'লে। তাৰ কাম কৰিছে সি। চাহাব বাহিৰলৈ ওলাই আহিছে, বন্দুক হাতত লৈ সিও পিছে-পিছে আহিব লাগে। তাৰ ট্ৰেইনিং তাৰ কাম সি জানে। অনুপমৰ খং উঠিব খুজিও নুঠিল।

"তুমি উভতি যোৱা।"

পিছলৈ নোচোৱাকৈ সি আগবাঢ়িল। দেহৰক্ষীটোৱে কিছু দূৰৰ পৰা তাক অনুসৰণ কৰিলে। অনুপমৰ উভতি চাবলৈ মন নগ'ল। ইমান সহজে কিমান কথাৰ লগত সি কম্প্ৰমাইজ কৰি লয়। বিশ বছৰৰ অভিজ্ঞতাই তাক কিমান সহজ কৰি পেলালে।

অথচ এই অনুপম কি আছিল? এটা ৰিবেল। ভাল লগা নাই কিবা এটা, বচ্ এৰি দিয়া তাক। যদি তথাপি সি লগ নেৰে, ভাঙি দিয়া, মচি দিয়া। মনে যদি মানিব নোখোজে, চকুৱে যদি চাব নোখোজে, দেহাই যদি ল'ব নোখোজে, কিয় কাৰোবাক ভাল লগাবলৈ, কোনোবাই বান্ধি দিয়া নিয়ম মানি চলিবলৈ গৈ কষ্ট খাব লাগে। নাই অনুপমে তেনেকুৱা হ'বলৈ নিদিয়ে। নিজৰ পছন্দ, নিজৰ বিবেচনা সেই মতেহে সি চলিব।

কিন্তু কি হ'ল? ঘড়ীৰ কাটাৰ লগত জীৱনৰ জৰী বান্ধি ল'লে সি। কোনে কৈছিল তাক আত্মহননৰ এই পথ বাচি ল'বলৈ?

পিছলৈ ঘূৰি চালে সি দেহৰক্ষীজন পিছে-পিছে আহিয়েই আছে। ইচ্ছা থাকিলেও দেহৰক্ষী উঠাই নিবলৈ সি ক'ব নোৱাৰে। কেইবছৰমান আগতে অকলশৰে প্ৰাতঃভ্ৰমণলৈ যোৱা জ্যেষ্ঠ পুলিচ বিষয়া এজনক মটৰ চাইকেলত অহা ডেকা ল'ৰা দুটাই উলুবাৰীৰ মাজ মজিয়াতে গুলীয়াই মাৰি থৈ গ'ল। খানাপাবাৰ সিহঁতৰ

ক'লনীখনৰ গেটৰ পৰাই জ্যেষ্ঠ প্ৰশাসনিক বিষয়াৰ সৰু পুতেক অপহৰণ হ'ল, মুখ্য সচিবৰ সম পৰ্যায়ৰ আন এজনক অপহৰণ কৰি নি কিমানদিন বন্দী কৰি ৰাখিলে। ইমান ৰিস্ক্ লোৱাৰ সাহস তাৰ নাই।

এৰা! ৰিস্ক্ সি কোনোদিনেই ল'ব নোৱাৰিলে। ৰিস্ক্ লোৱাৰ ভয়ত সি বিদেশলৈ পঢ়িবলৈ নগ'ল। অৰ্থনীতিৰ পণ্ডিত হোৱাৰ সপোন বাদ দি প্ৰশাসনিক বিষয়া হ'ল। কেডাৰ অপ্চন দিওঁতেও নিজৰ ৰাজ্যখনকে প্ৰথম চয়েচ হিচাপে দিলে। ইমান ভাল ৰিজাল্ট কৰাৰ পিছত ইচ্ছা কৰা হ'লেই ডিপ্লমেটিক ছাৰ্ভিচৰো অপ্চন ল'ব পাৰিলেহেঁতেন, নল'লে। চিনাকি ঠাইখন, চিনাকি চাকৰিটো আৰু চিনাকি মানুহখিনিক সাৱটি ইমানদিন কটাই দিলে।

অনুপমে চক্ খাই উঠিল। গাৰ খুব কাষেৰেই তীব্ৰ গতিৰে গাড়ী এখন পাৰ হৈ গ'ল। ক'ব নোৱাৰাকৈয়ে সি ফুটপাথ এৰি ৰাস্তাৰে খোজ দিবলৈ ধৰিছিল। কি হৈছে তাৰ? দেহৰক্ষীজন আগবাঢ়ি আহিল।

"ছাৰ গাড়ীখনৰ নম্বৰটো মই টুকি ৰাখিছোঁ।"

"কিয়?"

"বদমাচটোৱে আপোনাৰ ইমান ওচৰৰে গাড়ীখন চলাই নিলে। মই ভয়েই খাই গৈছিলোঁ, ঘূৰি গৈয়েই মই ট্ৰেফিকক ফোন কৰি দিম। এসেকা দিব লাগিব।"

"নেলাগে। সেইবোৰ একো নকৰিবা। মোৰ গাতেই দোষ। ৰাস্তাৰ ইমান মাজলৈ মই আহিব নেলাগিছিল।"

"ছাৰ! উভতি যাব নেকি? আহি আহি আমি লাষ্ট গেটেই পালোঁহি।"

অনুপমে মূৰ তুলি চালে। সি ক'ব নোৱাৰাকৈয়ে ইমান দূৰ আহি গ'ল। উভতিব লাগিব। ঘড়ীৰ কাঁটাত বন্ধা তাৰ জীৱন।

কিন্তু সদায় এনেকুৱা নাছিল। কিমানদিন সি সময়ৰ হিচাপ হেৰুৱাইছিল। কেতিয়াবা বশিষ্ঠ মন্দিৰত, কেতিয়াবা কামাখ্যাত, কেতিয়াবা দীঘলীপুখুৰীৰ পাৰত, কিন্তু সৰহভাগ সময় সিহঁতে কটাইছিল ভুবনেশ্বৰীৰ সেই ওখ শিলচটাৰ ওপৰত। সি কবিতা পঢ়িছিল, তাই গুণগুণাইছিল, তাৰ কবিতাত সুৰ দিয়াৰ চেষ্টা কৰিছিল। গৰিমাৰ কজলা চকুকিটাৰ গভীৰত কিমানদিন সি তাৰ প্ৰতিবিম্ব দেখি আপোনপাহৰা হৈছিল। তেতিয়াতো তাৰ সময়ৰ হিচাপ নাছিল।

গৰিমাই তাক বিশ্বাস কৰিছিল। তাৰ কবিতা শুনি তাই সপোন দেখিছিল; দুটা মানুহে একেলগে দেখিব পৰা এটা সপোন? দুটা মানুহৰ এখন ঘৰ, দুটা কলিজাৰ এটা উশাহ। সি তাইক আশ্বস্ত কৰিছিল। সময়ত চব হৈ যাব। তাই তাক বিশ্বাস কৰিছিল। প্ৰশাসনিক পৰীক্ষাৰ খবৰ ওলোৱাৰ পাছতে তাই আহিছিল শুভেচ্ছা জনাবলৈ। ট্ৰেইনিঙৰ সময়খিনি যাতে সুকলমে শেষ হয় সেয়া তাইৰ কামনা আছিল। প্ৰথমবাৰৰ বাবে যেতিয়া সি উৰাজাহাজেৰে দিল্লীলৈ যাবলৈ ওলাইছিল তাই

এয়াৰপ'ৰ্টলৈকে তাক আগবঢ়াই থৈ আহিছিল।

মুচৰী পোৱাৰ পিছত তাৰ কি হ'ল গৰিমাই ধৰিব নোৱাৰিলে। তাইৰ চিঠিবোৰৰ উত্তৰ প্ৰথমে সি সময়মতেই দিছিল। কিন্তু উত্তৰৰ গতি লেহেমীয়া হ'বলৈ সময় নেলাগিল। তাই খুব চিন্তিত হৈছিল। তাক বাৰে-বাৰে অনুৰোধ কৰিছিল তাইক জনাবলৈ, কিয় চিঠিত তাই আগৰ সেই চিনাকি অনুপমক বিচাৰি নেপায়। শেষ চিঠিখনত সি জনাইছিল, গৰিমাৰ আকাশৰ সি খহি পৰা পপীয়া তৰা। মাটিৰ বুকুত সি মিহলি হৈ গৈছে। বিপাশাই শাখা-প্ৰশাখা মেলি তাক নতুনকৈ অংকুৰিত কৰিছে মাটিৰ বুকুত। গৰিমাৰ আকাশ এতিয়া খালি।

তাৰপিছত বিশ বছৰ। খবৰ ল'বলৈ তাৰ সময় নাছিল। ইমান কাম আৰু দায়িত্বৰ মাজত মূৰ তুলিবলৈকে মানুহৰ আহৰি নাথাকে। পাহৰা অতীতৰ খবৰ লোৱাটো একেবাৰে অসম্ভৱ। কথাটো তেনেকৈয়ে পুৰণা আলমাৰীৰ চুক এটাত পৰি থকা এসময়ৰ অতি মৰমৰ কিন্তু এলাগী হৈ যোৱা, পেলাম পেলাম বুলিও পেলাবলৈ সময় নোপোৱা পুৰণা চোলা এটাৰ দৰেই তাৰ মনৰ কোনোবা এন্ধাৰ চুকত পৰি ৰৈছিল। তাৰ ধাৰণাই নাছিল সেই পুৰণা চোলাটো কোনোবা দিনা সি তাৰ নতুন কাপোৰ দমৰ মাজত দেখা পাব। তাৰ মনৰ হেজাৰটা নতুন খবৰৰ মাজতে এই পুৰণা খবৰটোও দগ্‌মগীয়া নতুন খবৰৰ দৰে আচাৰ খাই পৰিবহি কিন্তু তেনেকুৱাই হ'ল। নভবা কথাটোৱেই হ'ল। কেইমাহমান আগতে কাকপথাৰৰ পুলিচ ফায়াৰিঙত মৰা মানুহখিনিৰ প্ৰত্যেক পৰিয়ালকে চৰকাৰে তিনিলাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছিল। চৰকাৰী কাম। পুলিচ ৰিপৰ্ট, ডাক্তৰে কৰা মৰণোত্তৰ পৰীক্ষাৰ ৰিপৰ্ট, জিলাৰ উপায়ুক্তৰ প্ৰতিবেদন আৰু ছুপাৰিশ্ এই আটাইবোৰ আহে মানে ছমাহ পাৰ হৈ গ'ল। ৰিলিফ আৰু ৰিহেবিলিটেচন বিভাগৰ মুৰব্বী হিচাবে সৰ্বশেষত পইচাখিনি চেংশ্যন কৰাৰ আদেশটো সিয়েই চহী কৰিব লাগে। যোৱাকালি আবেলি কাকপথাৰৰ পৰা অহা মানুহ কেইগৰাকীমানে তাক লগ কৰিবলৈ বিচাৰিছে বুলি তাৰ অফিচ পিয়নটোৱে তাক জনোৱাত সি লৰালৰিকৈ ইণ্টাৰকমেৰে সংশ্লিষ্ট ফাইলকেইটা ক'ত আছে খবৰ কৰিলে। তাৰপিছত মানুহ কেইগৰাকীক কোঠালৈ আহিবলৈ দিবলৈ পিয়নটোক হুকুম দিলে।

মানুহ কেইগৰাকী সোমাই আহোঁতে সি মূৰ তুলি চোৱা নাছিল। তাৰ অফিচলৈ মানুহ আহিয়েই থাকে। চবকে ৰিলিফ আৰু ৰিহেবিলিটেচনৰ গ্ৰাণ্ট্। বেছি ভাগকে বিভিন্ন কাৰণত নিৰাশ কৰিব লগা হয়। বোমা বিস্ফোৰণ, পথ আৰু ৰেল দুৰ্ঘটনা, বানপানী আৰু মহামাৰী, পুলিচ ফায়াৰিং আৰু সাম্প্ৰদায়িক সংঘৰ্ষ কিমান কাৰণত যে ৰিলিফ তথা ৰিহেবিলিটেচনৰ ব্যৱস্থা কৰিব লাগে! মন্ত্ৰী পৰিষদে ঘটনাস্থলীলৈ গৈ ক্ষতিপূৰণ দিয়া, ডাক্তৰী চিকিৎসা আৰু ঔষধৰ ব্যৱস্থা কৰা - কত ঘোষণা কৰি আহে। তাৰ পিছতেই কাগজৰ কাম আৰম্ভ হয়। কেতিয়াবা-কেতিয়াবা বাজেটত

ঘাটি পৰে। কিছুমানে ঘোষণা কৰা সাহায্য নেপায়েই। আহি আহি আমনি লাগি নহা হয়গৈ। চৰকাৰী সাহায্য মন্ত্ৰীয়ে দিম বুলি ক'লেই মানুহে নেপায়। নিয়ম-নীতি কিমান মানিব লাগে। মানুহবোৰে পিছে এইবোৰ আজিকালি জনা হৈছেগৈ। সেইকাৰণে ৰাজধানীলৈ আহি একেবাৰে তলৰ টেবুলৰ পৰা অনুপম বৰুৱাৰ নিচিনা বিভাগীয় মুৰব্বীৰ টেবুললৈকে ফাইলৰ পিছে-পিছে মানুহে যাবলৈ শিকিছে। অনুমপ বৰুৱাই জানে।

অনুপমে মূৰ নোতোলাকৈয়ে গম পালে অন্ততঃ চাৰি-পাঁচগৰাকীমান মানুহ আহিছে। তিৰোতা মানুহ, নিতান্তই মূৰ তুলি নেচালে আৰু বহক বুলি নক'লে অভদ্ৰামি হ'ব বুলিয়েই লিখি থকা ফাইলটোৰ পৰা সি মূৰ তুলিলে আৰু প্ৰায় লগে-লগেই বহি থকা চকীখন এৰি সি উঠি পৰিল।

বিশটা বছৰ যেন নিমিষতে নাইকিয়া হৈ গ'ল। বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰী, কেণ্টিন আৰু কৃষ্ণচূড়াৰ মাজে-মাজে এজনী ছোৱালীৰ লগত একেলগে কিতাপ বিচাৰি, চাহ খাই, কবিতা পঢ়ি আৰু গান গাই কটোৱা সেই সময়খিনি যেন জীৱন্ত হৈ ঘূৰি আহিল। 'বহক' বুলি ক'বলৈ ইমান চেষ্টা কৰিলে, তথাপিও সেই অকণমান শব্দটো তাৰ মুখেৰে নোলাল।

গৰিমা আৰু লগৰ মানুহ কেইজনীয়ে কিন্তু স্বাভাৱিকভাৱেই টেবুলৰ কাষলৈ আহি তাক নমস্কাৰ দিলে। সি সম্বিত ঘূৰাই পাই খৰধৰকৈ প্ৰতি নমস্কাৰ দি তেওঁলোকক বহিবলৈ ক'লে। মানুহ কেইগৰাকী বহাৰ পিছত সিও বহিল। এবাৰ গৰিমাৰ মুখলৈ চালে সি -- ভাবলেশহীন। তাৰপিছত বাকী কেইগৰাকীৰ মুখলৈও। কথাৰ পাতনি গৰিমায়ে মেলিলে —

"আমি কাকপথাৰৰ পৰা আহিছিলোঁ। চৰকাৰে ঘোষণা কৰা মতে পাবলগা সাহায্য মানুহখিনিৰ কোনেও এতিয়ালৈকে পোৱা নাই। অফিচত খবৰা-খবৰ কৰি গম পালোঁ আপুনি ফাইল কেইটা চহী কৰি দিলেই কামটো হ'ব। আপোনাক সেই কথাটো ক'বলৈকে আমি আহিছিলোঁ।"

গৰিমাই কোৱা শেষ কৰিলে। অনুপমে সন্মুখৰ দেৱালত ওলোমাই থোৱা ঘড়ীটোৰ ফালে চালে। তাৰ পিছত যিমান পাৰে সহজ হ'বলৈ চেষ্টা কৰি মানুহ কেইগৰাকীলৈ নোচোৱাকৈয়ে সি ক'লে —

"ফাইলকেইটা আহি আহি মোৰ টেবুল পাইছেহি। আজিয়েই অৰ্ডাৰটো উলিয়াই দিম। আপোনালোকে চাৰি বজাৰ সময়ত যদি আহিব পাৰে অৰ্ডাৰটো হাতে হাতেই লৈ যাব পাৰিব।"

অনুপমৰ কথাখিনি মানুহ কেইগৰাকীয়ে মনোযোগেৰে শুনিলে, গৰিমাইও। তাৰপিছত গৰিমায়ে ক'লে- "অৰ্ডাৰটো কোনটো অফিচৰ পৰা ল'ব পাৰিম?"

"মোৰ অফিচলৈ আহিলেই হ'ব।" - অনুপমে গৰিমালৈ চালে।

"আমি আহি যাম। কেৱল আপোনালৈ অনুৰোধ যাতে বেছি সময় আমাক নৰখায়। পাৰিলে আজি নিশাৰ বাছতে আমি উভতিম।"

"নাই নাই। আপোনালোক ৰ'ব নেলাগে।"- অনুপম ব্যস্ত হৈ উঠিল।

মানুহ কেইগৰাকী এইবাৰ উঠিল। অনুপম থিয় হৈয়েই থাকিল। গৰিমা বা লগৰ মানুহ কেইগৰাকীৰ কোনেও এবাৰো ঘূৰি নেচালে। অনুপমে বুকুখনত অলপ বিষ বিষ ভাব এটা অনুভৱ কৰিলে। কিন্তু সি গম পালে কোনো হাৰ্ট বিট্ মিচ্ হোৱা নাই তাৰ। কেৱল বুকুখন বিষাইছে। দুৱাৰখন বন্ধ হৈ যোৱাৰ পিছতো আৰু কিছু বেলি সি তেনেকৈয়ে থিয় দি থাকিল। ক'ব নোৱাৰাকৈয়ে সোঁহাতৰ তলুৱাখনেৰে বুকুখন সি মোহাৰি দিলে। টেবুলৰ ঢাকি থোৱা পানী গিলাচ খাই সি কলিং বেলটো বজালে। পিয়নটোক সি কাকপথাৰৰ ঘটনাৰ ফাইলকিটা তৎক্ষণাত লৈ আহিবলৈ হুকুম দিলে। দ্ৰুত গতিৰে সি ফাইলৰ কাম শেষ কৰিলে। তাৰপিছত ইণ্টাৰকমত হুকুম দিলে ক্ষতিপূৰণ অনুমোদনৰ চিঠিকেইখন যেন এঘণ্টাৰ ভিতৰতে টাইপ কৰি তাৰ টেবুলত দিয়েহি।

লাঞ্চৰ সময়ত তাৰ একো খাবলৈ মন নগ'ল। ঘৰৰ পৰা পঠাই দিয়া টিফিন কেৰিয়াৰটো নোখোলাকৈয়ে সি চোফাখনত হেলান দি চকুকিটা মুদি দিলে। গৰিমাক আকৌ এবাৰ লগ পালে তাই বাৰু তাৰ কিবা কথা শুনিবলৈ তাৰ চকুলৈ চাবনে? যেনেকৈ বিশ বছৰ আগতে বিশ্ববিদ্যালয়ৰ কেণ্টিনত, কৃষ্ণচূড়াৰ তলত বা লাইব্ৰেৰীৰ টেবুলখনৰ সিপাৰৰ পৰা তালৈ চাইছিল!

চাৰি বজালৈকে সি বৰ ব্যগ্ৰতাৰে বাট চালে। চাৰি বাজি পাঁচ মিনিটমান যোৱাৰ পাছতে পিয়নটোৱে আহি খবৰ দিলে --- "ৰাতিপুৱা অহা মানুহ কেইগৰাকী আহিছে।"

দুৱাৰখন সি যেন নিজেই খুলি ধৰিব তেওঁলোকৰ কাৰণে। কিন্তু.....! পিয়নটোক নিৰ্দেশ দিলে অনুমোদনৰ চিঠিকেইখন ভৰাই তৈয়াৰ কৰি ৰখা লেফাফাকেইটা চুপাৰিণ্টেণ্ডেণ্টৰ টেবুলৰ পৰা লৈ আহিবলৈ।

মানুহ কেইগৰাকী সোমাই আহিল। কিন্তু গৰিমা – ক'তা নাহিল নেকি? বাহিৰতে ৰৈ আছে নেকি? অনুপমৰ চিঞৰি দিবৰ মন গ'ল – "সোমাই আহা। কি হ'ল তোমাৰ? নাহা নেকি?"

বন্ধ দুৱাৰখনলৈ সি চাই থাকিল। পিয়নটোৱে দুৱাৰখন ঠেলি সোমাই আহোঁতে সি উচ্‌প খাই উঠিল। কিন্তু....!

ঘৰলৈ উভতি আহি সি নিজৰ কোঠাত সোমাল। বিপাশা কেতিয়া ঘৰ পালেহি সি গম নেপালে। ডাইনিং টেবুলত বহি সি খোৱা বস্তুখিনি লিৰিকি-বিদাৰি থাকিল। বিপাশাৰ পিছদিনা কিবা কন্‌ফাৰেন্স আছিল। সি বিছনাত পৰি ছটফটাই থাকিল।

দেহৰক্ষীজনে আগবাঢ়ি গৈ ঘৰলৈ সোমোৱা গেটখন খুলি ধৰিলে। লাহে

লাহে সি বাৰাণ্ডালৈ উঠি আহিল। বিপাশাই ফোনত কথা পাতি আছে। সি বাৰাণ্ডালৈ উঠি অহা দেখি তাই তাৰ ফালে চালে।

"অনু আজি আহি আছে।"- বিপাশাৰ কথা শুনি সি অলপ পৰ তভক মাৰি ৰ'ল।

"অনু আহি আছে মানে?"

"আমি তাইক এটা সিদ্ধান্ত দিব লাগে।"

"কিহৰ সিদ্ধান্ত?"

"প্ৰীতমৰ প্লেচমেণ্ট হৈছে নাইৰোবিত। সি তাইক ডিচিছন এটালৈ আহিবলৈ কৈছে।"

"কিন্তু তাইৰ কেৰিয়াৰ?"

"তাই আমাৰ লগত কথা পাতিব খুজিছে, কি কৰিলে ভাল।"

"তুমি কি ভাবিছা?"

"কেৰিয়াৰটো ইম্পৰটেণ্ট। প্ৰীতমে তাইক সেই সুবিধা দিব লাগে।"

অনুপমৰ যোৱা ছব্বিশঘণ্টাৰ গোটেই ঘটনাখিনি আকৌ এবাৰ মনত পৰি গ'ল। সেই ছব্বিশ ঘণ্টাই পাৰ হৈ অহা বিশটা বছৰো সামৰি পেলালে। গৰিমাৰ ভাবলেশহীন মুখ আৰু নীৰৱ দৃষ্টিয়ে তাক ব্যাকুল কৰিলে। কেৰিয়াৰ, পজিচন, ৰিকগ্‌নিচন এইবোৰৰ তুলনাত এখন হৃদয়ৰ অৱস্থান কিমান তলত? যদি প্ৰীতম গৰিমা হৈ যায় আৰু অনুসূয়া হৈ যায় অনুপম?

ভৰি দুখনে যেন তাৰ দেহাৰ ভৰ ধৰি ৰাখিব নোৱাৰা হৈছে, এনে লাগিল তাৰ। সন্মুখতে পোৱা চকীখনত সি বহি দিলে। বিপাশা দৌৰি আহিল তাৰ কাষলৈ।

"কি হৈছে তোমাৰ?" -- ভিতৰলৈ চাই বিপাশাই কাম কৰা ল'ৰাটোক পানী এগিলাচ লৈ আহিবলৈ ক'লে।

"অনুক কোৱা তাই প্ৰীতমৰ প্ৰস্তাৱত সন্মতি দিয়ক।"-- বিপাশাই তাৰ চকুলৈ চালে। কাম কৰা ল'ৰাটোৰ হাতৰ পৰা পানী গিলাচ লৈ তাই অনুপমৰ হাতত গিলাচটো গুজি দিলে।

"খোৱা।"--অনুপমে পানীৰ গিলাচটো লৈ এঢোক-দুঢোক খাই থাকিল। তাৰ চকুৰ সন্মুখত দুখন মুখ একেলগে ভাঁহি উঠিল -- এখন অনুসূয়াৰ -- তাৰ মৰমৰ অনুৰ। আৰু আনখন -- ভাবলেশহীন নহয়, বিশবছৰীয়া যৌৱনৰ সকলো সম্ভাৱেৰে উজ্জ্বল হৈ জিলিকি উঠা সেইখন চিনাকি মুখ গৰিমাৰ। লাহে লাহে মুদ খাই অহা তাৰ চকুৰ আগত দুয়োখন মুখ এখন হৈ জিলিকি উঠিল।

"যা অনু, তই প্ৰীতমৰ কাষলৈ যা। সি বৰ অকলশৰীয়া।" -- অনুপমে চোফাখনতে হেলান দিলে।

"আঃ ইমান আৰাম লাগিছে।" -- সি অনুভৱ কৰিলে তাৰ বুকুৰ বিষটো যেন লাহে লাহে নোহোৱা হৈ গৈছে।



# নিৰঞ্জন সিংহ

**জন্ম :** ১৯৩৪ চনত নগাঁৱ জিলাৰ ববকলা গাঁৱত।

**পৰিচয় :** পিতৃ স্বৰ্গীয় পূৰণ সিংহ গাঁওবুঢ়া আৰু মাতৃ স্বৰ্গীয় উত্তম কৌৰ। চাৰিজন ককাই, এজন ভাই।

**শিক্ষা :** ববকলা আদৰ্শ প্ৰাইমেৰী বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা (১৯৪৯ চনত নগাঁও জিলাৰ ভিতৰত প্ৰথম হৈ বৃত্তি লাভ) আৰু দক্ষিণপাট হাইস্কুলৰ পৰা মধ্যমভাগ। নগাঁও কলেজৰ পৰা উচ্চ শিক্ষা লাভ।

**চাকৰিত যোগদান :** ১৯৬৫ চনত দেৰগাঁৱত এছ.আই. ৰূপে।

**বৰ্তমান :** এডিচনেল এছ.পি. হিচাবে অৱসৰ।

**বিবাহ :** ১৯৬৯ চনত নগাঁও জিলাৰ হাতীপৰা গাঁৱৰ বাজেন কৌৰৰ লগত বিবাহ পাশত আবদ্ধ। দুজনী ছোৱালী - সুনীতা আৰু মনীষা।

**ভাল লগা বিষয় :** কিতাপ পঢ়া; বৰগীত, লোকগীত, ভূপেন হাজৰিকাৰ গান আৰু ৰেডিঅ' শুনি ভালপোৱা।

সৃষ্টি ঃ নিৰঞ্জন সিংহৰ খেমেলীয়া কবিতা, 'আমাৰ সন্তান'। অন্যান্য আলোচনী আৰু বাতৰি কাকতত নিয়মীয়া প্ৰবন্ধ লিখা, ১৯৭৮ চনত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত প্ৰচাৰ হয় 'গুৰুনানক আৰু তেওঁৰ বাণী', ২০০০ চনত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ যোগে প্ৰচাৰ হয় ব্যঙ্গ সুৰীয়া 'ক'ত লোক ক'ত কথা'ৰ ১৩ টা খণ্ড। ২০০৫/০৬ চনত বাগ্মীবৰ নীলমণি ফুকন সোঁৱৰণী বঁটা লাভ, ২০০০ চনত সাহিত্য আৰু জনসেৱা শিতানত ডিব্ৰুগড় ৰাধাগোবিন্দ বৰুৱা স্মৃতি সমিতি বঁটা, অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু সাহিত্যিক পেঞ্চনাৰ।

সামাজিক কাম ঃ অসমীয়া শিখ সন্থাৰ উপ-সভাপতি।

ভৱিষ্যত পৰিকল্পনা : 'ক'ত লোক ক'ত কথা' নামাকৰণেৰে কিতাপ প্ৰকাশৰ প্ৰস্তুতি।

অসমবাসীলৈ বাৰ্ত্তা ঃ সকলো সুখ শান্তিৰে আৰু অপায় অমঙ্গলৰ পৰা দূৰত থাকক।

বৰ্তমানৰ ঠিকনা ঃ বৰ্তমান দক্ষিণ শৰণীয়াৰ এটি ভাড়াঘৰত আছে।

## সংকলকৰ চমু টোকা

নিৰঞ্জন সিংহ — অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাবে অৱসৰ গ্ৰহণ কৰা নিৰঞ্জন সিংহ এজন অসমীয়া শিখ। তেখেতৰ লিখনিৰ ভিতৰত খেমেলীয়া কবিতাই অন্যতম। ইয়াৰ উপৰি নানা বিষয়ত প্ৰবন্ধ লিখাতো তেখেত সিদ্ধহস্ত। তেখেতৰ লিখনিবোৰ বিভিন্ন আলোচনীত প্ৰকাশ হৈ ওলায়। তেখেতৰ লিখনি 'ক'ত লোক ক'ত কথা' ৰেডিঅ' যোগে প্ৰচাৰ হয়। তেখেতৰ লিখনিৰ ওপৰত বাগ্মীবৰ নীলমনি ফুকন সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। তেখেতক অলপতে অসম চৰকাৰে সাহিত্যিক পেঞ্চনো প্ৰদান কৰে। নিৰঞ্জন সিঙে এজন পুলিচ বিষয়াতকৈ এজন সংস্কৃতিৰ সাধক হিচাবে নিজক চিনাকি দি ভাল পায়।

# ওপৰত থকাৰ ফল

## নিৰঞ্জন সিং

নদায়ে এদিন ভদাইক ক'লেহি
বুধি এটা দিয়া ভাই,
ছোৱালী চাবলৈ গ'লে কি কৰিম
অভিজ্ঞতা মোৰ নাই।
আয়ে বোপায়ে বৰকৈ ধৰিছে
শীঘ্রে হ'ব লাগে কাম,
সেয়ে ভাবিছো কালিলৈ পুৱাতে
ছোৱালী চাবলৈ যাম।
নীলাম্বৰ পণ্ডিতে চিঠিৰে জনালে,
নদাই আহিব লাগে,
প্রয়োজন হ'লে তেওঁলোকো এপাক
মাৰিব বিয়াৰ আগে।
ভদায়ে বুলিলে শুনা তেনেহ'লে
এটি মাথো উপায় আছে,
সকলো কথাতে ওপৰত থাকিবা
কাম হৈ যাব পাচে।
তাহানি যেতিয়া সকলো কথাতে
ওপৰত আছিলো মই,
ল'ৰাৰ মাকক কিদৰে লভিলো
আজিও আটায়ে কয়।
ভদাইৰ উপদেশ সাৰোগত কৰি
নদাই পালেগৈ ঘৰ,
পিচদিনাখন ছোৱালী চাবলৈ
গাঁৱলৈ মাৰিলে লৰ।
পদূলিমুখতে দেখিয়ে নদাইক
আখে-বেখে মাতি নিলে,
বহিবলৈ বুলি পণ্ডিতে নদাইক
চকী এখনকে দিলে।
চকীত নবহি বহিলে নদায়ে

মেজৰ ওপৰত গৈ,
ওপৰত থাকিব       লাগিব বুলিয়ে
ভদায়ে পঠালে কৈ।
তামোলৰ বটালৈ       পদুমী ওলালে
মুখত মিচিকি হাঁহি,
পানী খাব নেকি       সুধিলে নদাইক
ছোৱালীৰ মাক আহি।
পানী কিয় খাম       ভাতকেই দিয়া
গহীনাই নদায়ে কয়,
মনতে ভাবিলে       ভদাইৰ কথাকে
তেহে যদি কাম হয়।
পদুমীয়ে আহি       পানীৰ ঘটিটো
নদাইক দিলেহি আনি,
পণ্ডিতে বুলিলে       হাত-মুখ ধোৱা
সলোৱা কাপোৰ কানি।
নদায়ে বুলিলে       হাত-মুখ কিয়
গাটোকে ধুম মই,
মনতে ভাবিলে       ওপৰত থাকিমেই
নকৰো কালৈকো ভয়।
ভাত-পানী খাই       নদায়ে পুনৰ
বহিলে মেজত গৈ,
পদুমী আহিলে       নদাইক দিবলৈ
ফুলাম গামোচা লই।
নদায়ে বুলিলে       গামোচা কিয় লম,
চেলেং এখনকে দিয়া,
ডাঙৰ মানুহৰ       লগত যদিহে
পাতিব খুজিছা বিয়া।
ছোৱালীৰ মাকে       ভাবিলে মনতে
(ভাবী) জোঁৱাই অঁকৱা বুলি,
বেয়া পাব বুলি       কবও নোৱাৰে
মনৰ কথাটো খুলি।
সিফালে পণ্ডিতে       প্ৰমাদ গণিছে
নদাইৰ কাণ্ড দেখি,

ছোৱালী দিয়নে নিদিয়ে ভাবিছে
পাছত জনাব লেখি।
এনেতে নদায়ে তামোল খাই কাহিলে
কুহুৰ কুহুৰ কৈ,
সেই কাহতেই ওলাই আহিল
নাকৰ শেঙুন বৈ।
কাষ চাপি গৈ পণ্ডিতে সুধিলে
চৰ্দি লাগিছে নেকি?
তপত তেলেৰে শুৱৰ সময়ত
বুকুখন দিবা সেকি।
নদায়ে ভাবিলে চৰ্দি লগাটো
তেনেই সামান্য কথা,
কেন্সাৰ নতুবা টি-বি বুলিলে
মৰিব সকলো লেঠা।
পণ্ডিতক কলে ডাঙৰ মানুহক
নধৰে সামান্য ৰোগে,
সেয়েহে আজিও মহৎ নদায়ে
কেন্সাৰ ৰোগত ভুগে।
পণ্ডিতে বুলিলে কেন্সাৰ ধৰিছে
ভাল হোৱা আশা নাই,
মৰণযাত্ৰীক ছোৱালী নিদিও
নিগমে মৰিব তাই।
এই কথা শুনি নদাই বপুৰাৰ
ওপৰত থকাটো গ'ল,
ভদাইৰ বুধিৰে ছোৱালী নেপালে
সকলো পণ্ডহে হ'ল।
উপায় নেপাই ঠোঁট-মুখ চেলেকি
পালেগৈ নিজৰ ঘৰ,
প্ৰতিজ্ঞা কৰিলে ওপৰত নেথাকে
থাকিলে বিপদ বৰ।



# শৰৎ কুমাৰ ফুকন

**জন্ম ঃ** ১৯৫১ চনৰ ১৩ নবেম্বৰ, চাবিং চেতিয়া গাঁৱত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত দূৰ্গা প্ৰসাদ ফুকন আৰু শ্ৰীযুতা হেমপ্ৰভা ফুকন। ছয়জন ভাই আৰু দুজনী ভনী।

**শিক্ষা ঃ** চাবিংৰ পৰা প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা - এম.এছ.চি, এল.এল.বি, পি.এইচ.ডি শিক্ষা লাভ।

**চাকৰিত যোগদান ঃ** ১৯৭৫ চনত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত মহাবিদ্যালয়ৰ শিক্ষক ৰূপে ইয়াৰ পিছত শিলচৰত মেজিষ্ট্ৰেট ৰূপে আৰু ১৯৭৭ চনত উপ-আৰক্ষী অধীক্ষক হিচাবে দেৰগাঁও পুলিচ ট্ৰেইনিং চেন্টাৰত যোগদান।

**বৰ্তমান ঃ** অধিনায়ক, দশম অসম আৰক্ষী বেটেলিয়ান।

**বিবাহ ঃ** ৫ অক্টোবৰ ১৯৭৭ চনত শিলচৰত ড° সুপ্ৰীতি ফুকনৰ সৈতে বিবাহ পাশত আবদ্ধ। দুই কন্যা।

**ভাল লগা বিষয় ঃ** ভ্ৰমণ (কোৰিয়া, ম্যানমাৰ, থাইলেণ্ড, চিংগাপুৰ, কম্বোডিয়া,

চীনৰ একাংশ প্ৰভৃতি)।

**সৃষ্টি ঃ** কবিতা সংকলন- 'ওপজা মাটি', প্ৰবন্ধ - বিবিধা/নামতত্ব, ইয়াৰোপৰি তেওঁৰ অন্যান্য ৰচনা সমূহ হ'ল - Toponymy of Assam, Surnames of Assam, Hodonymy of Assam, Afew aspect of place name study with special reference of Assam, Anthroponymy of Assam, Onomastics Assam - I, II, III, Onomastics Folk Literature of Assam. Lord Shiva and Sri Sri Bileswara, পদ্মেশ্বৰ বৰঠাকুৰৰ ৰচনাৱলী, লানমাখু, ওপজা মাটি, বিবিধা।

**সামাজিক কাম ঃ** আমাৰ সাংস্কৃতিক উন্নয়নৰ কাৰণে অসমৰ বিভিন্ন জিলাত সামাজিক কাম।

**ভৱিষ্যত পৰিকল্পনা ঃ** সমসাময়িক বিশ্ব, ৰাষ্ট্ৰীয় তথা জাতীয় পৰিৱেশৰ পটভূমিত এখন আত্মজীৱনী লিখা।

**অসমবাসীলৈ বাৰ্ত্তা ঃ** ব্যক্তি হিচাপে নিজকে পূৰ্ণবিকাশ ঘটোৱা তথা দায়িত্ব, কৰ্তব্য আৰু অধিকাৰ সম্পৰ্কে সচেতন থকা।

**গৱেষণাৰ বিষয় ঃ** "অসমৰ স্থাননামৰ ঐতিহ্য"

## সংকলকৰ চমু টোকা

**শৰৎ কুমাৰ ফুকন** — প্ৰায় ডেৰ ডজন গ্ৰন্থৰ ৰচক শৰৎ কুমাৰ ফুকন আৰক্ষী বিষয়া হোৱাৰ লগতে অসমৰ এজন আগশাৰীৰ লেখক। ইংৰাজী ভাষাত প্ৰচুৰ জ্ঞান থকা ফুকনদেৱে ইংৰাজী ভাষাতো ডাঙৰ ডাঙৰ আকাৰৰ কিতাপ লিখি ধনৰ অপচয় বুলি নেভাবি অসমীয়া সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াইছে। 'অসমৰ স্থান নামৰ ঐতিহ্য'ক লৈ গৱেষণা কৰি ফুকন ডাঙৰীয়াই ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। সিও আৰক্ষী চাকৰি কৰি থকা অৱস্থাত। কবিতা, প্ৰবন্ধ আদি কৰি বিভিন্ন দিশত তেখেতে কলম চলাইছে। বিশেষকৈ ওপজা মাটি নামৰ কবিতা পুথিখনত অসমৰ বুৰঞ্জী ভিত্তিত যি সাৱলীল বৰ্ণনাৰে ঠাই তথা জাতি উপজাতিৰ দলিলস্বৰূপ লেখনি আগবঢ়াইছে ই সঁচাকৈ প্ৰশংসনীয়। তেখেতৰ পত্নী ড° সুপ্ৰীতি ফুকনৰ লগত যুগ্ম ভাৱেও তেখেতে কেইখনমান গ্ৰন্থ ৰচনা কৰালৈ চাই পত্নীৰ পৰা সম্পূৰ্ণৰূপে সহযোগিতা লাভ কৰি সোণত সুৱগা চৰোৱাৰ দৰে অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিবলৈ সক্ষম হৈছে। ভ্ৰমণ কৰি ভালপোৱা ফুকনদেৱৰ লেখনিবোৰত দেশ বিদেশৰ বহুত অভিজ্ঞতা সন্নিবিষ্ট হৈছে। এজন সুদক্ষ আৰক্ষী বিষয়া হোৱাৰ সমান্তৰালভাৱে অসমীয়া জাতিক বৃহৎ সাহিত্য-সংস্কৃতিৰ সম্ভাৰ আগবঢ়োৱা শৰৎ ফুকনৰ দৰে পুলিচ অফিচাৰ বিৰল। এখন আত্মজীৱনী লিখিবলৈ ইচ্ছা কৰা ফুকনদেৱৰ পৰা অসমে বহুত সাহিত্যৰ অৱদান পোৱাৰ আশা আছে।

# ইতিহাস সাক্ষী

## শৰৎ কুমাৰ ফুকন

সুণীয়া সফুৰা জননী-জন্মভূমিৰ আকাশ, বায়ু, পানী, মাটি, হাবি বননিৰ বন-বিৰিখ, জীৱ-জন্তু, পশু-পক্ষী, সকলোটিয়ে যেন বৰ্ণাধ্য জীৱন সংস্কৃতিক নৱৰূপত গাঠিছে ইতিহাসে ঢুকি পোৱা নোপোৱা জান-নিজান কালৰে পৰা। বনমানুহেও স্বদেশৰ মাটিত সংস্কৃতিৰ বৰঘৰৰ আকৰ গঢ়িছিল কোনোবা কাহানিবাতে পাহাৰে কন্দৰে বুঢ়া লুইত বুঢ়া হোৱাৰো পূৰ্বে। লোহিত্য-কক্ষতি সাগৰত ঢৌ তুলি ইপাৰ সিপাৰ জুৰি জীৱন অন্বেষণ কৰিছিল পুৰণি চামে। বিনন্দীয়া মহাবিশ্ব-মহাকাশৰ মহাঘূৰ্ণিমালাত এক অনন্ত শক্তিয়ে মহামিলনৰ দুন্দুভি বজাইছিল এক সুৰ, এক মাত, এক তান কৰি অনাবিল স্বৰ্গীয় ৰূপত। তেনে এক সুষমাতেই আজি আমি 'ইতিহাসক সাক্ষী' কৰি হাত বুলনি দিছো 'ওপজা মাটি'ক হিয়া উজাৰি কাললৈ .......

● ● ●

ইতিহাস সোঁৱৰা কবি মই চামৰিং-নামচাওৰ পাৰৰ,
গুণ গাবলৈ ওপজা মাটিৰ
ক্লান্ত হোৱা নাই, তাহানিও আৰু আজিও,
গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত বা বসন্ত
কোনোটো ঋতুতে কেতিয়াও,
ৰচো ইতিহাস প্ৰাগ্‌জ্যোতিষ্, লোহিত্য, কুশাৰণ্য, ধৰ্মাৰণ্যৰ,
আজিও মোৰ অপূৰ্ণ মনে, বিচাৰি ফুৰে ইতিহাসৰ সমল,
এবাহ উমাল, এবাহ জীপাল মানুহৰ জীয়া ইতিহাস।
লুইত, দিবং, সোৱণশিৰি, সোমদিৰি, দিলশিৰি, ধনশিৰি,
দিগাৰু, কৰতোৱা, দিক্কৰবাহিনীৰ পাৰত কিম্বা পাটকাই,
বৰাইল পাহাৰৰ কন্দৰত;
মানুহ হেনো ফুটিছিল প্ৰাগজ্যোতিষ্, কুমাৰীদেশ,
কোষাকৰণভূমি, পৰ্বতদেশ, গিৰিব্ৰজ, কিৰাতদেশ, কাংগুৰ, প্ৰাচী, প্ৰাজ্য,
বাহাৰিস্তান, বৈশালী, মুংপাকাম, মুংদুনচুনখাম, ৰুমী,
সংযমণি, বৰুণালয়, মৎস্যদেশ, কৈলাস, অলকাপুৰী,
সপ্ত-পাতাল, সুতান, পৰ্বৰ, উত্তৰকুৰু, মন্দাকিনী, ভোগৱতীপুৰী,

স্বৰ্গ, অমৰাৱতী, কুশাৰণ্য, নটকচল, ধৰ্মাৰণ্যৰ গুহাত,
বিযুবে, বিষুৰ, গিৰিকাচল, চম্পকাৰণ্যৰ পাহাৰত, নৈৰ পাৰত
কিৰাত, চীন, কাৰ্বি, চিয়েমি হৈ পাৰ ভাঙি এইবাহ মানুহেই
বিয়পি আছে দূৰ-দূৰণিলৈ,
এনেদৰেই....
জাক জাক, আহিছে মানুহ, গৈছে মানুহ
কেতিয়াবা ভূমধ্য পৰীয়া, কেতিয়াবা প্ৰশান্তপৰীয়া
পূবে-পশ্চিমে, উত্তৰ দক্ষিণে,
কুনকুনে, চাইবাচা, ধলভূম চিয়াদা...
ধলকিশোৰ, আৰটজুৰি, বামনদিহি, মাতাৰি...
কালাবাজাৰ, মনোহৰ, কাল্লা, ভেদুৰা, নৰাগড..
সীতা ৰামপুৰ, ধাদকা, ঝাৰগ্ৰাম, কাচিন্দা,
উৰগঙ্গা, গিৰ্দনি, শিলদা, বিশ্বনাথ, শদিয়া, বৰগঙ্গা
বিলগাগ, ক্ষুৰপুৰ, সাগৰদাঙ্গা, গুণ্ডনিয়া, বামল, জয়মণ্ডা।
হিল-দল ভাঙি গঢ়িছে পিটিছে ন ন সংস্কৃতি
তাহানিৰ প্ৰাচীন প্ৰস্তৰ যুগৰে পৰা
সময়ৰ... ইতিহাসৰ...।
বৰ অসমৰ পুৰণি প্ৰস্তৰত আজিও লিখা আছে
সিহঁতৰ অচিনাকী সাঁচতীয়া আখৰৰ ধাৰ
বন-বিৰিখতো জীপাল সংস্কৃতিৰ জোৱাৰ
লুইত-লোহিত আৰু তাৰ জীয়াৰীহঁতে
ধুইছে, পখালিছে অগণন সংস্কৃতি, হাজাৰ হাজাৰ বছৰ,
ইতিহাসেই ইয়াৰ সাক্ষী।
আহিছিল কিৰাত ৰাজ, মহীৰংগ হাতত খোলা তৰোৱাল লৈ,
মৈৰাং পৰ্বতৰ শিখৰত ৰাজধানী পাতিবলৈ
সৌমাৰৰাজে গুহৰ পৰিধি ভাঙি নগৰ সংস্কৃতি গঢ়িবলৈ,
আহিছিল শ্ৰীবৎস, হটকাসুৰ, সম্বৰাসুৰ,
ৰত্নাসুৰ, ঘটকাসুৰ একেই বাটে
বৰাহ, শৰণীয়াৰ শিখৰলৈ,
জিলিকিছিল পাহাৰ শিখৰ,
চৌদিশে অসুৰ ৰাজৰ সেনানীৰ সমদল।
ইতিহাসেই সাক্ষী তাৰ।
আদি মানব চিয়েমি, কিৰাত, চীন,

অষ্ট্ৰীক, হিট্টিটিচ্, ভেদ্দীদ, দ্ৰাবিড়, আল্পাইন
সুমেৰীয়, এৰিয়ান, মংগোল, বিধে বিধে কৰ্ম-সংস্কৃতি,
তেনেদৰেই এদিন বিষ্ণুৰ ঔৰষত,
যজ্ঞভূমিৰ নৰকংকালত নৰক,
কাত্যায়নীৰ পৰিচৰ্যাত লালিত পালিত,
কুমাৰেও বাট বুলিছিল প্ৰাগ্জ্যোতিষলৈ
ঘটকক ঘটুৱাবলৈ
বৰাহ, গণেশগিৰি, নৰকগিৰিত পাট মেলিবলৈ।
ওঁ বিষ্ণুৱে নমঃ
অধিষ্ঠাত্ৰী আদ্যা দেৱী কামাখ্যা গোঁসানীক পূজিবলৈ-থাপিবলৈ
প্ৰাগ্জ্যোতিষ্ অধিপতি নৰক আহিছিল যুগ-যুগান্তৰলৈ।
মায়াদেৱীও আহিছিল প্ৰাগ্জ্যোতিষ্ৰ
ৰাজকাৰেং শুৱাবলৈ
এনেদৰেই
ৰাজকুমাৰ ভগদত্তও আহিছিল
ইতিহাসেই সাক্ষী।
অসুৰৰাজ নৰকে এদিন
বাণাসুৰৰ লগত মিতিৰালি পাতিছিল
আই গোঁসানীক এৰি শিৱৰ চৰণত বৰ মাগিছিল
একেই বাটে পৰশুৰাম, কন্ব, ওৰ্ব্য, বশিষ্ঠ, গোকৰ্ণ, গালব...
অত্ৰি, শান্তনু, শ্ৰৱন মুনিয়েও বাট বুলিছিল...,
কৌণ্ডিন্য-লাক-লোঙে, প্ৰাগ্জ্যোতিষ্-অসম হৈয়ে
বনলাও-ফো, চোং-বন-বং
চাৰি উকিক সঙ্গী কৰি
আনম জিনিছিল...।
চামুদ, অশোকেও এই বাটেই এদিন
কাম্বোদিয়া, ইউনান ভ্ৰমিছিল
চেংমেং কুইকলৈ সপোন ৰচিছিল—
আৰ্য্য সংস্কৃতিৰ পোখা মেলিছিল
ৰঘুৱে লৌহিত্য জিনিছিল।
কিৰাত, অষ্ট্ৰীক, দ্ৰাবিড়, মংগোল, আৰ্য
জাকে জাকে কাৰ্বি, খাচি, তিৱা, জয়ন্তীয়া,
গাৰো, হাজং, বড়ো, মৰাণ,

বৰাহী, নগা, আহোম, নৰা,
খামতি, ৰাভা, হোজাই
ব্ৰাচিচিফালিক লেপট্ৰহীন, দলিচ'চেফালিক প্লেটিৰহীন,
ব্ৰাচিচিফালিক প্লেটিৰহীন, দলিচচেফালিক লেপট্ৰহীন,
দলিচচেফালিক মেচৰহীন, আদি কৰি বিধে বিধে মানৱ প্ৰজাতি।
আৰু যে ক'ত কি?
একে ধমনীয়ে বৈছিল,
ওপজা মাটিৰ জয়গীতি গাইছিল।
তাহানিৰে অজৰাজৰ ৰাজকাৰেং শুৱনি ,
কামৰূপৰ জীয়াৰী ইন্দুমতী লাৱনি।
দ্বাৰকাপতি কৃষ্ণই প্ৰাগ্‌জ্যোতিষ্
অধিপতি নৰকক ঘটুৱাই
ষোল্ল হাজাৰ গোপিনীৰে,
অদীতিৰ কিৰীটি কুণ্ডল উদ্ধাৰিছিল
কুমাৰ ভগদত্তক পাটত বহুৱাইছিল।
মহাভাৰতৰ মহাযুদ্ধলৈ- মহাভাৰত শুৱাবলৈ
জী ভানুমতী জোঁৱাই দুৰ্যোধনৰ পক্ষ লবলৈ
কিৰাত চীন সৈন্য সমদলৰ সৈতে
কুমাৰ ভগদত্ত ভটিয়াইছিল কাললৈ
কামৰূপ, প্ৰাগ্‌জ্যোতিষ্‌ৰ হিয়া উজাৰি।
ভীমাৰ্জুন আহিছিল
হিড়িম্বা, চিত্ৰাঙ্গদা, উলুপীহঁতৰ মন মুহিবলৈ,
কুণ্ডিল-নন্দিনী ৰুক্মিণী, শোণিত-নন্দিনী উষা,
দ্বাৰকাপতি কৃষ্ণ, নাতি অনিৰুদ্ধৰ
কুণ্ডিল হৰি-হৰৰ যুদ্ধৰ ইতিহাস।
এনেদৰেই ভানুমতী, ৰুক্মিণী, উষা
অমৃতপ্ৰভা, ৰাজ্যমতী, ৰূপমতী,
প্ৰাগ্‌জ্যোতিষ্, কামৰূপ কামাখ্যাৰ লখিমী জীয়াৰী
বজ্ৰদত্ত, পুষ্পদত্ত, সম্বেশ্বৰ, সোমদত্ত
কামৰূপ-প্ৰাগ্‌জ্যোতিষ্‌ৰ....
বৈশালী জিনি
ইতিহাসেই তাৰ সাক্ষী।
ভাস্কৰ, হৰ্ষৰ প্ৰশস্তি ৰঁচা

চীনা আলহী হিউ-ৱেন-চাঙো আহিছিল
সোণালী সূতা পাট কাপোৰৰ
বতৰা বিলাবলৈ
জাপ জাপ সাঁচিপতীয়া পুথি বুটলিবলৈ।
বাটৰ বাটৰুৱাইয়ো তধা লাগি চাই
ৰেহ-ৰূপ প্ৰাগ্‌জ্যোতিষ্‌ৰ
স্বয়ং ব্ৰহ্মাদেৱে ৰচে সৃষ্টিৰ ৰহস্য নৱগ্ৰহত বহি
শুক্ৰাচাৰ্যই শিৱক পুজে
দক্ষ, প্ৰজাপতি, উৰ্বশী, মেনকা, উমা, তাৰাদেৱী
কামদেৱৰ কাহিনীৰে জ্যোতিষ্মান
পুৰণি প্ৰাগ্‌জ্যোতিষ্‌খন।
নিৰবধি সদানীৰ
কামৰূপ-প্ৰাগ্‌জ্যোতিষ্‌ৰ
চম্পা, ৰাধা, বৰাহ, সুবৰ্ণকুদ্য
পুণ্ড্ৰবৰ্ধন, কৰ্ণসুৱৰ্ণ, হৰিকেলা, পাৰালোহিত্য,
দেৱীকূট, উষাবন, কতিবৰ্ষ
শোণিতপুৰ, পুৰাপুৰ, বাণপুৰ, লোহিচ
কালপ্ৰিয়া, মূলাস্থান, ঐদনচ্
কামাখ্যা, হিড়িম্ব, কুণ্ডিন্, দিয়াৰদেনচ্।
দেৰদাই, প্ৰাচৈ, দোৱানচ্,
সপ্তপঞ্চদেশ, পলিবুথ্ৰা, পৌচিনিয়াচ্
চিৰতুচাগি, মানদাই, কুলুতা, থিচ্,
অৰ্কচুল, আবলি, পম্পনিয়াচ্।
এলিয়ান, থিনা, একসদাচ্
আনবি, ইমদি, ইমদেন, ইউল, ইমাউচ্।
চেৰিকা, আশ্মীৰা, থাগোৰাচ্
চেৰিচ্ উকাৰ্দচ্, মৈৰাদোচ্।
দুবাচাই, আলুচঙ্গা, বেচাদি, দুবৈনচ্
স্কেটিয়াচ্, দায়নিচাচ্, অমিনাচ্
আদি কৰি প্ৰাগ্‌জ্যোতিষ্ কামৰূপৰ নাম।
সাংখ্যায়ণ, অৰ্থশাস্ত্ৰ, শতপথ,
ঐতৰেয়, ৰামায়ণ, গোপথ।
মহাভাৰত, মাৰ্কেণ্ডয়, দাসকুমাৰচৰিত

মনুস্মৃতি, ত্রিকণ্ড, হৰ্ষচৰিত
মুদ্ৰাৰাক্ষস, গৌৰবাহু, কৰ্পূৰমঞ্জৰি
কথাচৰিত সাগৰ, কাব্যমীমাংসা, বৈজয়ন্তী।
মঞ্জুশ্ৰীমূলাকল্প, ৰঘুবংশ, কামাগুকস্মৃতি
ব্ৰহ্মসংহিতা, অভিধানচিন্তামণি
বিক্ৰমাংকদেৱচৰিত, ৰাজতৰঙ্গিণী।
বায়ুপুৰাণ, জয়মঙ্গলা, স্কন্দপুৰাণ
শক্তিসঙ্গম, দীপিকাচন্দ,
গৰুড়-নাৰদ আদি পুৰাণ।
পেৰিপ্লাচ্, ষ্ট্ৰেব', হেৰড'টাচ্
টলেমি, মেগাস্থিনিচ্, হেকাতিয়াচ্
প্ৰভৃতি ৰচনাৰাজি জিনি।
শিলালিপি, তাম্ৰফলি
অফচাদ, এলাহবাদৰ
ত্ৰিপুৰা, পশুপতি, মাধৈনগৰ
বেলাভ, ভগলপুৰ, দেওপাৰা
মন্দাচৰ, সমঙ্গৰ, পৰমৰা জোৰা।
প্ৰাগ্‌জ্যোতিষ্ কামৰূপৰ হাট-ফাট
কপিলী, কদলি, হিড়িম্ব, হাৰুপেশ্বৰ
মণিপুৰ, খচ্, চচেং, দুৰ্জয়, কামৰূপনগৰ
হৈ ইৰাৱতী, মেকং, মেনাম, চিন্দউইন, কাবুল, লাচা,
লংকা, চম্পা, সিন্দ, চাংকিয়েনে ৰচা।
তেনেকৈয়ে ৰামায়ণ, কিয়াতান, চাংচোৱে দিয়ে বতৰা
অঙ্গ, বঙ্গ, কলিঙ্গ, সুহ্ম, কীকট, গৌড়মণ্ডল, পুণ্ড্ৰ...
অমূৰ্ত ৰাজে ধৰ্ম্মাৰণ্যত প্ৰাগ্‌জ্যোতিষ্ পাতে
বাকলা, গৌড়, কৰ্ণসুবৰ্ণক জিনি...।
নালন্দা, মগধ, তেংচং, তওমিন
চিউলি, ভামু, নাগাপ্তি, চালুইন।
পাটলিপুত্ৰ, বেৰিগাজা, লিমাৰিকা।
সনাতন, শাক্ত, শৈৱ, বৈষ্ণৱৰ
চতুৰ্ধাৰা বৈ আছে, সেই তাহানিৰে পৰা
নৰক, ভৌম, বৰ্মন, শাল, পাল, দেৱ, ভূএগ্ৰা,
কছাৰী, চুতীয়া, মৰাণ, মটক, কোচ, আহোম

জীয়া মানুহৰ জীয়া ইতিহাস।
ক'ৰে বাটৰুৱা ক'লৈ যায়?
কোনে কোনখনি বীণ বায়?
বেউলা, সাধনী, ৰাধা, ৰুক্মিণী,
জেৰেঙাৰ জয়মতী, খোকংদেং, ৰমণীগাভৰু,
মূলাগাভৰুকে ধৰি
বীৰ ৰমণী প্ৰাগজ্যোতিষ্, কামৰূপ, অসমৰ জীয়াৰী।
লেহি ডগুৰাৰ ডাকৰ বচনে ৰজনজনায়....
হস্তীপুথিত সুকুমাৰ বৰকাথ-দিলবৰ-দোসায়...
মাধৱ কন্দলীৰ ৰামায়ণী ৰসে চৌচোৰায়।
জীৱন ডিঙাত উঠি লুইতেদি ভটিয়াই
কমাৰ, কুমাৰ, চমাৰ, তাঁতী, তেলী, শিলাকুটীয়া
হালোৱা, জালোৱা, হজুৱাৰ দেশত
শ্ৰীমন্ত শঙ্কৰদেৱে নৱনাট মেলে
বৰগীতে বিশ্বৰ দুৱাৰ খোলে।
নানক-চৈতন্য-তেগবাহাদুৰেও বাট বোলে...
শৰাইঘটীয়া লাচিত, মোমাই, আতন,
মিৰি, বন্দৰ, লুঠুৰী, লাটুম, বৰচেঙ, ঠাকুৰা,
লেকাই নেওঁগ, গোহাঁই, সত্ৰায়, ৰূপসন্দিকৈৰ লেখিয়া
আজি কেও নাইকিয়া
'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলিবলৈ
আজি কেইজন আছে অসমীয়া?
শৰাইঘাটত আজি বাৰে বঙলুৱা;
আলাবৈৰ দহহাজাৰ ছহিদৰ বতৰা লবলৈ
কেৱে নোহোৱা।
মাদুৰি বনৰ কঠত বহি
ছকুৰি ভকতে আল্লাৰ নাম লয়
ঐ আল্লা 'হয় চাহেব হয়' বুলিবলৈ
আজান পীৰৰ দৰগাহটিহে আছে
সৰাগুৰি চাপৰি শুৱাই
গুণ-গৰিমা গাওঁতাহে নাই
জিকিৰ-জাৰিৰ তাল মানো কাটি যায়।
প্ৰাচীন 'শিৱৰ ধাম' গৰুড়াচলত

মক্কাৰ পীৰ-আওলিয়া
গিয়াচুদ্দিনে — 'পোৱামক্কা' পাতে
জিলিকাই লুইতৰ পাৰ .....
হাজো, ডুবি, ডেৰগাওঁ, কামাখ্যা, বিশ্বনাথৰ দেওধনী
গড়গাওঁ-ৰংপুৰৰ শিঙৰিত শেলুবৈ আজি
খৰিভাৰীয়েও ৰজাৰ গীতি গাই
নাই আজি হৰদত্ত, বীৰদত্ত, সিন্ধুৰা, নাহৰখোৰা
সৰ্বানন্দ, পৰমানন্দ, ভৰথী, কলিতা ফুকন,
ৰাজদ্ৰোহ আচৰিবলৈ।
পাতাল সিঙো নাই বৰবৰুৱা হৈ
জয়পুৰত মানক ভেটিবলৈ,
দলদোপ, হেন্দোলদোপ প্ৰাগ্‌জ্যোতিষ্-কামৰূপ
ধৰ্মাৰণ্য, কুশাৰণ্য, শোণিতপুৰ,
হালালী, ডবাক, হিড়িম্বপুৰ,
বিক্ৰমাদিত্যপুৰ, লাউ, কদলি, খচ্,
মাইবং, চচেং, ধেন্টা, বাণপুৰ,
সোণাপুৰ, যোগীঘোপা,
ভাইটবাৰী, ৰংখংগিৰি—
শ্ৰীসূৰ্য্য, আদিংগিৰি
ৰেংগেহিনগিৰি, ডিমলাগিৰি...
ৰুংৰাম আলগিৰি, চেবালগিৰি
ৰম্ভাগিৰি, থেৱৰংগিৰি
ৱাটেআৱি, চিত্ৰাআৱি
ৱাডোআৱি, মিঙ্কচাকৱি
তেনেকৈয়ে নাঙলবিবৰা
মকবল আৱি, মিচিনাগিৰি...
নৰটিয়াঙ, কিৰকিম, চম্পাৱতী
মাওফ্লাং, লাইতকৰ, ৰংকাৰপী,
বলাচান, মুপা, কবাক-কাৰতুং
থিংভুম, চেমখৰ, বিচিক-নুংলো।
ৰংপুৰ, গড়গাওঁ সকলো নিমাত নিতাল,
ইতিহাসেই জীপাল সাক্ষী।
শঙ্কলা, দেবেশ্বৰ, নাগাঙ্ক, ভালুক, দদান,

প্ৰদাংশু, ভাস্কৰ, হৰ্জ্জ, নাগাক্ষ, ধৰ্মপাল,
ডেৎচুং, আৰিমত্ত, চুকাফা, গদাধৰ,
দুৰ্লভনাৰায়ণ, নৰনাৰায়ণৰ ৰাজকাৰেঙৰ
শোৱনি কোঠাত কাড়শলা বন...।
খিলজী, মীৰজুমলা, মীৰ্জ্জা নাথন, ৰামসিংহ
পৰশুৰাম, হংসধ্বজ, ময়ুৰধ্বজ,
তাম্ৰধ্বজ, বীৰ চিলাৰায়,
বতৰা দিওতাহে কেও নাই।
চাংচাৰি, ঘিলাজাৰি, শৰাইঘাট, পিচলাঘাট,
সকলোৱেই যেন আজি পিচল বাট
ইতিহাসো ভাগৰি বাগৰি পৰে
মালিনীথানত কেঁচাইখাতী গোসাঁনীয়ে
জিহ্বা মেলি লহলহায়।
বুঢ়া গোঁসায়ে ৰং চায়
আস্ তেজ ৰঙা কেঁচা ইতিহাস।
লুইতো থমকি ৰয়
দুকুল ওপচা বানত
ফেনে ফোটোকাৰে আগবাঢ়ে
মচন্দৰী উজনিৰ পৰা নামনিলৈ...
উত্তৰৰ পৰা দক্ষিণলৈ
পূবৰ পৰা পশ্চিমলৈ।
ইতিহাসেই কয়
গুৱাহাটীৰ নাম হেনো অময়া অপাৰ
সৌ তাহানিৰে পৰা —।
মৈৰাং, শৰণীয়া, গণেশ, বৰাহ, চিত্ৰাচল,
কম্বাচল, নীলাচল, কুলাচল,
কামৰূপ-কামাখ্যা, প্ৰাগ্‌জ্যোতিষ্‌পুৰ,
দুৰ্জয়, শ্ৰীবিজয়, যোগীহাটী, কুৱাইহাটী
গুগাভাটী, গুভাকহট্ট, গুৱাহাটা
আৰু যে কত কি — !
প্ৰাগ্‌জ্যোতিষ্ কামৰূপ যে পণ্ডিতৰ ঠাই
কৃষ্ণ ভাৰতী, মাধৱ কন্দলী, অভিনৱ গুপ্ত,
পালকপ্য, কুমাৰিল ভট্ট আদিক

বিচাৰিলে ইয়াতেই পায়।
সৌ তাহানিতেই - ধীতি, অশ্বভব,
স্তনপা, মীননাথ, গোৰক্ষনাথইঁতে
বৌদ্ধ মেলা পাতে .... পূৰণিখন অসমতে,
শ্ৰীসূৰ্য্য পাহাৰে তাৰেই উমান দিয়ে
'কামাখ্যাই' হেনো মূলাধাৰ - বৌদ্ধ শাস্ত্ৰই কয়
পূৰ্ণগিৰি, জলন্ধৰ, উড্ডীয়ান পীঠ বুলি
জৈন-বৌদ্ধ সংস্কৃতিয়ে ..... কয়।
ইতিহাসেই সাক্ষী।
ইতিহাসে ৰিঙিয়াই!
মেঘালয়ৰ চেৰা-চিন্দাই, ৰুংৰাম, ভাইটবাৰীতেই
হেনো প্ৰস্তৰ যুগৰ সন্ধান পাই।
গুইলুং-গুমাইগুজু, কবাক, বলাচান, যোগীঘোপা,
মুপা-কাৰতুংএ কিৰাতি গুহাৰ ....
সন্ধান দিয়ে যুগলৈ।
ক্ষেত্ৰী, ভুবন, মায়াং পাহাৰেও গায়
গুহাৰ সুৰ সমলয়,
প্ৰাগ্‌জ্যোতিষ্‌ কামৰূপে বিনাই সৌ তাহানিৰ
পশ্চিম সীমা- অংগ, বংগ,
কলিংগ, উৎকল, কোশী,
পূৱত যে শ্ৰীবিজয়,
উত্তৰে হিমালয়ৰ অনুজ কাচনগিৰি,
দক্ষিণে লোহিত্য সুন্দৰী
আজি কলৈনো গলি .... হায়!
ব্যথিত আজি কবি হৃদয়
ওজাপালি, ব্যাস, টোকাৰী, বনগীত,
লোকগীত, বিহুগীত, হুঁচৰি, সুঁৱেৰী,
নাঙেলী, ভঠেলী, পচতি, পাচেতি,
আইনাম, ধাইনাম
আজি সকলোটি বিজতৰীয়া।
সময়ে ইতিহাসে সকলোকে সামৰিছে
সামৰিছে যেন মৰিশালিৰ নিৰৱতাই
লোহিত্য দেশৰ জাকত-জিলিকা বিষয় পদপী......

মহাধিৰাজ, শ্ৰীপৰম দৈৱৰ্ত্ত
পৰমেশ্বৰ, পৰম ভট্টাৰক, পৰম ভাগৱত,
যুৱৰাজ, মহাসেনাপতি, মহাসামন্ত,
মহাসেনাধ্যক্ষ, ভাণ্ডাৰগাৰ, সামন্ত।
মহামাত্য, মন্ত্ৰিণ, ৰাজবল্লভ, অমাত্য,
ৰাজদূত, মহাপ্ৰতিহাৰ, বিষয়ামাত্য।
বিষয়পতি, সচিৱ, ৰাজনায়ক, ৰণক,
চেক্যাকাৰ, ধৰ্ম্মাধিকাৰ, নায়ক;
শুক্ৰনীতিক, ন্যায়কৰ্ণিক, উপৰিক,
তক্ষাকাৰ, নৌৰাজক, মহল্লাক, ৰণনায়ক।
গিৰিদুৰ্গ, বনদুৰ্গ, জলদুৰ্গ
ভূমিদুৰ্গ, বৃক্ষদুৰ্গ.... ।
ৰাষ্ট্ৰ, ৰাজ্য, ভুক্তি, বিষয়, মণ্ডল,
পুৰ, নগৰ, কুছি, হাটী, খাত, তোল,
সোণোৱাল, কুম্ভকাৰ, তন্তুবায়, লোণোৱাল,
শিলাকুটীয়া, কপোৱাল, ৰাংচালি, বলিশাল, তেলীশাল।
ভাস্কৰ্য্য-স্থাপত্যৰে ভৰ
নৈ-নলা, পাহাৰ-কন্দৰ:
শৈৱ, গণেশ, ব্ৰহ্মা, বিষ্ণু, সূৰ্য্য, দুৰ্গা, ইন্দ্ৰ, মৎস্য-মগৰ,
যক্ষ-যক্ষিণী, ভৈৰৱ, ভৈৰৱী, কিন্নৰ,
কামদেৱ-ৰতি, দ্বাৰপাল, অপ্সৰা, বিদ্যাধৰ.....
গঙ্গা-যমুনা, মিথুন মুদ্ৰা, উমা-মহেশ্বৰ,
বনৰীয়া পশু-পক্ষী, কামধেনু, ঋষভ, গৰুড়।
বাৰে-বৰণীয়া—
ৰঞ্জন শিল্প, ধাতু শিল্প, হাতী দাঁতৰ শিল্প, মুগা-পাট্ শিল্প,
মৃৎ শিল্প, তাঁত শিল্প, বাঁহবেতৰ শিল্প, কাঁহ-পিতল শিল্প....
বনকৰা, চিপকৰা, গোমচেং, মেজাঙ্কৰি
মুগাচোলা...
সাত্সৰী, গামখাৰু, কেৰু, ঢোলবিৰি, গলপতা
আজি একোকে বিচাৰি নোপোৱা।
সোণৰ সোলেং ঐ!
মোৰ বণ্ডহৰ দেও আজি ক'লৈ গ'লা?
হায়কলি, ভদৰকলী, সখিয়তি, বুলবুলি

বিধে বিধে বনৰীয়া পখী, প্ৰকৃতি শুৱাই
আজি হ'লে একোৱেই পাবলৈ নাই।
ভৰালৰ বৰা-জহা, বৰতমণি, শুৱাগমণি
বাৰীৰ বিধে বিধে ফল-মূল, তামোল-পাণ
চালৰ কোমোৰা, বাগিচাৰ যুঁতিকা, মালতী
খৰিকাজাঁই সকলোটি যেন
থানে থানে মৰহি যায়।
বাগৰুম্বা, খেৰাই, ঐনিতম্, গায়ন-বায়ন
ঢুলীয়া, খুলীয়াই আজি হেনো
যাদুঘৰত ঠাই পায়।
ভাগৰুৱা বাটৰুৱাই নিৰলে হুমুনিয়াই
দেওবাই, বাইলুঙে সাঁচিপাতত সপোন ৰচে
বড়ো ডেকাটিয়ে চিফুঙত সুৰ দিয়ে
পিচে পঢ়োতা আৰু শুনোতাহে নাই।
সংস্কৃত দেৱ ভাষাৰ ছাত্ৰশাল, টোলত
বেদ, পুৰাণ, উপনিষদ
পৰি আছে জাপ জাপ
বিদ্যাৰ্থীহে পাবলৈ নাই।
লুইতৰ চাপৰিত মিচিং ডেকাই বিনাই
কোনোবা কনেঙলৈ মনত পেলাই।
হেৰা, বাটৰুৱা!
জগাই দিয়া সাৰ পাওক
ওপজা মাটিৰ সন্তানক
কম্পিউটাৰত, স্পুটনিকত
মহাকাশত, বিশ্বায়ণত।
কৰ্মবীৰৰ কৰ্মৰ আঁচনি, দেশভক্তৰ দেশপ্ৰেম
ৰসৰাজৰ সাহিত্যৰ সপোন।
জ্যোতি, ৰাভা, অম্বিকা, কমলাকান্তৰ
গ'ল ও দেশখন গ'ল
সাৱধান বাণী দিবলৈ
বৰলুইতৰ পাৰত কোন ক'ত আজি?
হেমকোষেৰে অসমীয়া ভাষাৰ
বৰ দ'ল বন্ধা হেমচন্দ্ৰ,

উপন্যাসৰ সাম্ৰাজ্য ৰচা ৰজনীকান্ত
বুৰঞ্জীৰ সমল বিচৰা, চাৰিঙীয়া বেণুধৰে
নিৰলে হেনো সৰগত চকুপানী টোকে,
অসমীয়াৰ দহোকুৰি মংগলৰ হকে।
ৰাংচালি সোণাৰী শাল, তাঁতৰ শাল,
কমাৰ-কুমাৰৰ ঢাল,
সকলো আজি নিমাত নিতাল।
চৌদিশে মৰিশালিৰ টেকেলি
কবৰ আৰু কংকাল
শগুণ, শিয়ালৰ কিৰিলি দিন দুপৰতে....
ইতিহাসেই হ'ব তাৰ সাক্ষী।
.... নদী-উপনদী, ধৌত সাৰুৱা ভূমি।
মংগোল, কিৰাত, অষ্ট্ৰীক, দ্ৰাবিড়,
ভেদ্দীদ আৰু আৰ্য্যৰ কালজয়ী সংস্কৃতি
লুইতৰ দুয়োপাৰ সুশোভিত কৰি।
মিলিত মিশ্ৰিত উজনি নামনি
পাহাৰ ভৈয়াম - সকলোতে যেন এটি প্ৰাণ
ক'ৰবাত যেন শুনো করুণ বিননি -
সমতলৰ সাৰুৱা মাটিত
য'ত অপসংস্কৃতিয়ে গঢ় ললে কাললৈ
ন-বাহকসোৰোপা অকৰ্মণ্য কৰি ..
পাহাৰীইঁতক এঘৰীয়া কৰি।
কিন্তু !
কি পাহাৰীয়া ! কি সমতলীয়া !
স্বাধীনচিতীয়া দেশই প্ৰেমেৰে চপচপীয়া
পিছে কোনোবাই যেন কণি
বিহ ৰুলে জীপাল ওপজা মাটিত ...
যুগলৈ - কাললৈ সেয়ে আজি —
নগা, মিজো, মণিপুৰীয়া,
ত্ৰিপুৰী, খাচি, গাৰো আদি —
লেখ জোখ নোপোৱা .... হায় !
ভায়ে ভায়ে কাজিয়া।
বৰঘৰত সোণগুই ...... বান্দৰে তৰযুত

বহি পিঠা ভগাই....,
নিয়তিৰূপী ফেঁচাই কুৰুলিয়াই
দূৰণিত বন ৰজাৰ মাত
ফেৰুৱাইঁতৰো দুৰ্কপাল।
পাৰ্বতিপ্ৰসাদে গাইছে ....
আহিছো ৰবাগী এস্কাৰ বাটত জোৰ লৈ..
চন্দ্ৰকুমাৰেও বুলিছে —
কোন কাহানিৰ কথা মৰণৰ পাৰে
জীৱনে মেলিলে শাখা....
মফিজৰ কলমত নিগৰিছে —
গধূলি হইছে মলয়া বইছে
বেলিটি গৈছে বুৰি
সোণালী বৰণে পৰি হাবি-বনে
চমকে পৃথিৱী জুৰি...
যতীন্দ্ৰনাথে সুৰঁৰিছে —
চেনেহৰ সখা মোৰ শেষ অনুৰোধ
অতীতক নেযাবা পাহৰি...
হায় !
ৰত্নকান্তৰ মন্থনত —
পূবে-পছিমে যেনিয়ে পাওঁ
মধুৰ বাঁহীৰ সহাৰি...
দেহি !
নলিনীবালাই ওপজা মাটিক প্ৰণামি —
কতবাৰ জনমিলো, তোমাৰ কোলাত
গইছিলো আকউ উভতি,
অপূৰণ কৰমৰ ভাৰ বান্ধি লই
ঘূৰি ঘূৰি আহিছো উভতি....
ওহঃ কি অপূৰ্ণ হৃদয়
বেদনাত ফাটি যায় হিয়া....
অতুল হাজৰিকাৰ স্বদেশ প্ৰেমেৰে —

সোণৰ সাতেসৰী আছে ছিঙি পৰি
নেলাগে পুৰণি মণি,

সেই সোণেৰেই উপচি পৰিছে
দুবৰি দলিচাখনি।
অতীজৰ সেই  সোণৰ লঙ্কাতো
নাছিল ইমান সোণ,
মোৰ পদূলিত  বাগৰে মাটিত
বুটলি লওঁতা কোন।
হৰি  বৰকাকতিৰ  জননী-জন্মভূমিকলৈ —
দীঘল নিশাৰ সপোনো গুচিল, এৰি থৈ গ'ল
সপোনৰ অৱসাদ। জোনাকৰ পৰাজয়।
কাৰ বাবে লেখা মৰমৰ ৰেখা
আজিওতো আছে সেই আন্ধাৰতে সঁচা।
ফুটুকাৰ ফুলে কিনো কথা কয়,
কাণপাতি জানো শুনা?
নাই ক্ষতি নাই, ভয় নাই সখা,
এয়েতো সৰগ, নৰক ইয়াতে।
চন্দ্ৰ ফুকনে জননীৰ কোলাত বহি —
শুনিছিলো তাহানি এদিন
হাতী হেৰোৱাৰ কথা লিহিৰি বনত
ঘোঁৰা হেৰোৱাৰ কথা কোনোবা ৰণত
মুকুতা হেৰোৱা বুলি চোতালৰ দুবৰি বনত।
ভাবিছিলো
হাতীটো ধৰিম মই আকৌ বনত
নতুন ঘোঁৰাত উঠি যুঁজিম ৰণত
হেৰোৱা মুকুতা পাম চোতালৰ দুবৰি বনত,
তেতিয়া আছিল মোৰ জীৱনৰ ভৰ দুপৰীয়া।
জ্যোতিপ্ৰসাদৰ স্বদেশ প্ৰেমেৰে —

শক্তিপুত্ৰ মই
ভক্তি বুকুত লই
মুক্তিপ্ৰয়াসী হই
অৰ্জুন মই, গাণ্ডীবী মই,
ময়েই ধনঞ্জয়—মৃত্যু কৰিছোঁ জয়,

মই অসমৰ
মই ভাৰতৰ

ময়ে ডেকা ল'ৰা অগ্নিময়।
ময়ে ভাৰতৰ নবীন সূৰ্য
পূৰ্বাচলত বজাওঁ তূৰ্য
....অসমীয়া ডেকা মই।
আকাশীনেত্রে বিশ্বজগত চাই
হুঙ্কাৰি মই ঘোষিলোঁ অধিকাৰ
মই যে শক্তিমান,
তূণ ভৰি ললোঁ দিব্য অস্ত্র
পিন্ধি ললোঁ মই ত্যাগৰ বস্ত্র
সন্ধান মোৰ নহয় ব্যৰ্থ
সব্যসাচী ধৰিলো ধনুৰ্বাণ।
ময়েই হিন্দু
ময়েই মুছলমান
ময়েই ন-জোৱান।
মোৰ ভগৱান মন্দিৰে-মছজিদে
ভগৱান মোৰ নামঘৰে ঘৰে
অন্তৰে বাহিৰে,
মোৰ ভগৱান নৈয়ে বনে বনে
আকাশে-আছমানে,
*গীতা-কোৰাণেৰে, বাইবেলেৰে*
কত গ্রন্থেৰে মই
সকলো ধৰ্মৰ মৰ্ম
বুকুত লৈ।
প্রসন্নলালৰ বিদ্রোহৰ জোৱাৰে —
মহাকাশ ঢাকি ধৰি ৰুদ্র শাখা মেলি,
মতলীয়া প্রলয় মাদল!
যুগে যুগে ভয়ঙ্কৰ—তুমি হে নতুন,
তুলি ধৰা বিদ্রোহ কেতন
দিগ্বিজয়ী বীৰ সম কৰি সিংহনাদ
মৰণাপন্নৰ কবি অন্তিম প্ৰমাদ।

তুমি ভাঙা সুখ স্বপ্ন মায়া মধুপুৰী
ঢালি দিয়া বিষকুম্ভ কণ্ঠপূৰ্ণ কৰি,
অকস্মাৎ কপালত ঢালা ৰক্তস্ৰোত,
মাৰি দিয়া শক্তিশেল—পঞ্জৰ মাজত,
নিৰ্দয় আঘাত কৰি হাঁহা অট্টৰোলে,
দৃঢ় আলিঙ্গণে কৰি ধৰা গলে গলে,
চুমাত ওঁঠত লাগে উতলা ৰুধিৰ
জীৱনৰ শ্ৰেষ্ঠ ৰং গাঢ়তম স্থিৰ
গৌৰৱৰ প্ৰতীক গভীৰ
আনন্দৰ হোলীৰ আবিৰ.. আস...
শৈলধৰৰ স্মৃতিৰ সোৱঁৰণীত —
'কল্যাণি ! আজি জাগিছে প্ৰাণত
নব জীৱনৰ কতনো আশা,
কত কথা মোৰ পৰিছে মনত
নোৱাৰো বুজাব নোলায় ভাষা !
মায়াপুৰী মোৰ ৰচিছোঁ হিয়াত,
তুমি দেৱবালা বিৰাজিবা তাত,
গন্ধে, পুষ্পে, ধূপে, দীপে,
দেৱতা বাসৰ থাপনা পাতি
সজাবা মন্দিৰ, পূজাৰিণী মোৰ,
মনোমন্দিৰত জলাবা বাতি।

তথাপিও. ..
মুকুন্দ, গোলোক, প্ৰতাপ চৌধুৰীহঁতে
হলাহল বিষ মঠি অমৃতৰ ইতিহাস ৰচে,
নতুন প্ৰজন্মৰ বাবে, নিৰলে.... নিতালে..... ।
দুৰণিত আশাৰ চাকি জ্বলে।
হীৰেণদাৰ কবিতাৰ সিয়নিত এতিয়াও
এটি মিঠা জোনাক ওলমি আছে,
ভূপেনদাৰ শব্দৰ ধ্বনি আজি
পৃথিৱীৰ প্ৰান্তৰে প্ৰান্তৰে।
ইন্দিৰাৰ ৰামায়ণী সাহিত্যই বিশ্বৰ দৰবাৰত
আজিও সীতা সয়ম্বৰৰ মেল পাতে,

সমীৰ, সনন্তুইঁতৰ কেঁচাপাতৰ কঁপনিত
গংগাৰাম মিলিৰ দিচাংমুখৰ এমুঠি জোনাকত
মলঙি পৰা নাই ৰহৰহীয়া আপং এবাটি,
হেৰা, বাটিভৰা খন্তেক জিৰণি লোৱা
তাৰ দিম আশাৰ ৰঙেৰা
ইতিহাসেই হ'ব তাৰ সাক্ষী।

## পাদটীকা ঃ

নামচাও — দিখৌৰ আন এটা নাম, তাই ভাষাত।

কুশাৰণ্য, ধৰ্মাৰণ্য, কোষাকৰণ ভূমি (পলুপোহা দেশ), গিৰিব্ৰজ, কিৰাত দেশ, কাংগুৰ,

প্ৰাচী, প্ৰাজ্য — আটাইকেইটাই পুৰণি অসমৰ নাম।

মায়াদেৱী — নৰকৰ পত্নী, বিদৰ্ভৰ জীয়াৰী।

চামুদ — কম্বোদিয়াৰ প্ৰতিষ্ঠাপক।

চেং-মেং-কুই — ইউনান দেশৰ ৰাজকুমাৰী আৰু সম্ৰাট অশোকৰ পত্নী।

অমৃতপ্ৰভা — ৩য় বলবৰ্মনৰ জীয়ৰী, কাশ্মীৰৰ মেঘবাহনৰ প্ৰধান মহিষী।

ৰাজ্যমতী, ৰূপমতী — নেপালৰাজ জয়পাল, প্ৰতাপবল্লভৰ পত্নী, অসমৰ জীয়াৰী।

চচেং, ধেনটা — প্ৰাচীন কাৰ্বি ৰাজ্য।

হংসধ্বজ — কদলিৰ শাসক।

ময়ুৰধ্বজ, তাম্ৰধ্বজ . — বাণপুৰ, সোণাপুৰৰ শাসনকৰ্তা।

মচন্দৰি — এবিধ দেও লগা মাছ।

কৃষ্ণ ভাৰতী — পুৰণি অসমৰ মহাতাৰ্কিক, বেদান্তমতবাদী
পণ্ডিত।

কুমাৰিল ভট্ট, অভিনৱ গুপ্ত — পুৰণি কামৰূপৰ দাৰ্শনিক পণ্ডিত।

ধীতি, অশ্বভৱ, স্তনপা, মীননাথ বা সিদ্ধ মৎস্যেন্দ্ৰ নাথ বা তুৰ্যানাথ,

| | |
|---|---|
| গোৰক্ষ নাথ — | প্ৰাচীন অসমৰ বৌদ্ধ পণ্ডিত। |
| পূৰ্ণগিৰি — | বৌদ্ধ তান্ত্ৰিক সাধনাৰ স্থান, ইয়াকে মণিপুৰ চক্ৰও বোলে। |
| ৰুংৰাম — | গাৰো পাহাৰৰ দক্ষিণ অঞ্চলৰ উত্তৰ-পূৰ ভাৰতৰ প্ৰাচীনতম প্ৰাক-প্ৰস্তৰ সভ্যতাৰ ঠাই। |
| হালালী — | শদিয়াৰ পুৰণি নাম। |
| গুমাইগুজু, মুপা, কবাক-কাৰতুং — | উত্তৰ কাছাৰ পাহাৰ জিলাৰ গুহা বিশিষ্ট ঠাই। |
| শ্ৰীবিজয় — | ম্যানমাৰৰ পূৰ্বৰ নাম। |
| কাচন্গিৰি — | বৰ্তমানৰ কাঞ্চনজংঘা। |
| ভেদ্দীদ্ — | শ্ৰীলংকাৰ ভেদ্দা জাতিৰ সমপৰ্য্যায়ৰ। এওঁবিলাক আজি গাৰো, ৰাভা, লালুং সম্প্ৰদায়ৰ লগত সম্পূৰ্ণৰূপে বিলীন হৈ গৈছে। |
| হিড়িম্বপুৰ — | ডিমাপুৰৰ পুৰণি নাম। |

# অনিল ফুকন

জন্ম ঃ

পৰিচয় ঃ

শিক্ষা ঃ

চাকৰিত যোগদান ঃ

বৰ্ত্তমান ঃ

বিবাহ ঃ

ভাললগা বিষয় ঃ

পাঠকৰ বাবে অদৰকাৰী, লেখকৰ তুচ্ছ এইবোৰ খুচুৰা কথা।

**সৃষ্টি ঃ** কবিতা লিখা নাই যদিও কিছু গীত আকাশবাণীৰ বাবে লিখিছে। 'দৃশ্যান্তৰৰ বলকনি', 'শদিয়ালৈ নাযাবা আৰু অন্যান্য' তেওঁৰ প্ৰকাশিত গল্প সংকলন। আকাশবাণীৰ বাবে দুই-এখন নাটকো লিখিছে। তেওঁৰ প্ৰকাশিত উপন্যাস সমূহ ক্ৰমে - 'শেষ মন্ত্ৰৰ সন্ধানত', 'ঘাটে ঘাটে মানুহ', 'লতা-কটা বণ' 'স্বৰ্ণ মৃগয়া', 'লক্ষ্যভেদ', 'অন্ধকাৰৰ

হত্যাকাণ্ড'। বৰ্তমান মুদ্ৰিত হৈ থকা উপন্যাস দুখন হ'ল- 'প্ৰেমৰ দৰে' আৰু 'ডেৰখন উপন্যাস'। ইয়াৰোপৰি বিভিন্ন আলোচনী, বাতৰি কাকতত প্ৰকাশিত অন্যান্য ৰচনা প্ৰকাশ পায়।

**সামাজিক কাম ঃ** আৰক্ষীৰ মাজৰ পৰাতো সমাজৰ কামেই কৰি আছো! নে আৰক্ষীয়ে কৰা কামবোৰ 'সামাজিক কাম'ৰ ভিতৰত ধৰিব নোৱাৰি? দৰমহা লোৱাৰ কাৰণে?

**ভৱিষ্যত পৰিকল্পনা ঃ** লিখি থাকিম! যেতিয়ালৈকে কলম থমকি নৰয়!

**অসমবাসীলৈ বাৰ্ত্তা ঃ** অসমবাসীলৈ বাৰ্তা দিব পৰা ধৃষ্টতা নাই। সেইখিনি উপযুক্ত ব্যক্তিৰ বাবে থলোঁ।

**বৰ্তমানৰ ঠিকনা ঃ** C/O Bureau of Investigation (Economic offence) Assam, RGB Road, Guwahati - 781024.

## সংকলকৰ চমু টোকা

**অনিল ফুকন** — নিজৰ পৰিচয়কো ৰাজহুৱা কৰিব নিবিচৰা প্ৰচাৰ বিমুখ অনিল ফুকনদেৱে দুখনকৈ গল্প সংকলন উলিয়াইছে। আকাশবাণীৰ কাৰণে নাটক ৰচনা কৰি সাফল্য লাভ কৰা ফুকনদেৱ এজন ঔপন্যাসিক হিচাবে সৰ্বপৰিচিত। তেখেতৰ শ্ৰেষ্ঠ উপন্যাস 'লতা কটা ৰণ'ৰ উপৰি 'প্ৰেমৰ দৰে' আৰু 'ডেৰখন উপন্যাস' যন্ত্ৰস্থ বুলি তেওঁ জনাইছে। বৰ্তমান আকাশবাণীৰ কাৰণে গীত ৰচনা কৰাও তেখেতৰ অন্য এক অৱদান। আৰক্ষীৰ চাকৰিৰ ব্যস্ততাৰ মাজত অনলস ভাবে সাহিত্য চৰ্চা কৰা বিষয়াসকলৰ ভিতৰত অনিল ফুকনদেৱো এজন আগশাৰীৰ লেখক। ভৱিষ্যতেও লিখি থকাৰ হাবিয়াস থকা ফুকনদেৱৰ কলমৰ পৰা অসমে বহুত কিবা কিবি পোৱাৰ যথেষ্ট আশা আছে। তেখেতে লিখা গল্প আৰু উপন্যাসত এটি মিঠা সামাজিক চিত্ৰ অঙ্কিত হৈ সৰ্বসাধাৰণৰ মনোগ্ৰাহী হৈছে।

# উত্তৰণ

## অনিল ফুকন

আৰু কেৱল দহ মিনিট বাকী।

মোৰ হাতৰ তলুৱা এতিয়া ঘৰ্মাক্ত। মূৰৰ পৰা ভৰিলৈ শৰীৰত এটা কঁপনি, পেটৰ কোনোবা এখিনিত যেন এটা বিষ বিষ ভাব, অহৰহ তাৰ চিকুট ক্ৰমাৎ অসহ্যৰ পৰা অসহ্যতৰ হৈ আহিছে। বাথৰুমলৈ দুবাৰ গৈও ঘূৰি আহিছোঁ; মুখত দুবাৰ ঠাণ্ডা পানী চপচপাই লৈছোঁ। ওঁঠ দুটা কাঠৰ দৰে খৰখৰীয়া হৈ শুকাই গৈছে, পানীৰে তিয়াই লৈছোঁ। আকণ্ঠ জুৰি এটা তৃষ্ণাতুৰ ভাবে গ্ৰাস কৰি লৈছে মোৰ দেহ-মন। জেকেটৰ তলত বুকুৰ হলষ্টাৰত থকা আগ্নেয়াস্ত্ৰটো বাৰে বাৰে চুই চাইছোঁ। আশ্বস্ত হৈছোঁ; আছে, তাৰ যথাস্থানতে আছে সি।

সংঘটিত হ'ব লগা সেই সাংঘাতিক কামটোৰ প্ৰাক-মুহূৰ্তত দেহ ঘমাটোৱে স্বাভাৱিক। অভিজ্ঞ হ'লেও এনে কৰ্মৰ পূৰ্বক্ষণত ৰক্তচাপ বৃদ্ধি হয়, চকুৰে সামান্য অস্পষ্ট দেখে, কালত এটা অচিন ৰী-ৰীয়নী হয়, শৰীৰ ঘামে; ক্ষণিক দোধোৰ-মোধোৰ লাগে। কামটোৰ সফল পৰিসমাপ্তি হ'ব নে নহয়, শংকা ওপজে! ধাৰণা হয় যেন পৰিকল্পনাটোৰ ক'ৰবাত সৰু এটা খুঁত বৈ গ'ল।

পলায়নৰ পথত থকা বাধাসমূহ ভালদৰে চিনাক্ত কৰা হৈছিলনে? ৰেণ্ডাভিয়ু (Rendezvous) ৰ হাজাৰ্ডবোৰ কি কি আছিল? সেই ঠাই পাওঁতে কি কি বিপদৰ সম্ভাৱনা ৰৈছে? সকলো খুঁতি-নাতি ভালদৰে ফঁহিয়াই চাইছিলোঁ নে বাৰু? নিজেই প্ৰশ্ন কৰি তাৰ উত্তৰো দিছিলোঁ নিজেই। আকৌ সুধিছিলোঁ সেই একেটা প্ৰশ্নকে। এয়া আন একো নহয়, টেনশ্যন, টেনশ্যনৰ বহিঃপ্ৰকাশ!

মোৰ বাঘজালী এটা দুমহলীয়া ঘৰৰ ওপৰ মহলাৰ এটা কোঠা। কিছুদিনৰ আগৰ পৰা আমাৰ সংগঠনৰ জনৈক সভ্যৰ বিজিনেছম্যেন মোমায়েকে ভাড়াত লৈছে আৰু আমি তাক ব্যৱহাৰ কৰি আছোঁ চোৰাংচোৱা বিপুৱাৰ চকুৰ অগোচৰে।

কোঠাটোৰ খিড়িকিৰ পৰ্দাৰ কিঞ্চিৎ ফাঁকেৰে দেখা যায় তলত এটা ব্যস্ত গলি; তাৰ নিজস্ব ঐশ্বৰ্যৰে মুখৰ। মানুহ-দুনুহ, ৰিক্সা-গাড়ী, ট্ৰাক-ঠেলা-অটোৰ হৈ-হাল্লাৰে ভাৰাক্ৰান্ত; দোকান পাটৰ বিশৃংখল অৱস্থিতি। পদপথত হকাৰৰ কিলবিলনি; তাতে সিহঁতৰ সাত-বণিজৰ বেহা; আৰু সিহঁতৰ সেই চিঞৰবোৰ! মানুহৰ কণ্ঠস্বৰটো যদি এই হকাৰবোৰৰ দৰে হৈ গ'লহেঁতেন!

তলৰ সেই অস্বস্তিকৰ হিবিজিবিৰ মাজত এটা সৰু নিউজ ষ্টেণ্ড-কাম-বুকষ্টল-কাম-পানদোকান। সমুখৰ পদপথটোৰ একাংশ এই দোকানখনৰ নিৰ্বিকাৰ

বেদখলত। ভগ্ন পদপথটোৰ যিকণ ঠাই তাৰ গাতে দণ্ডায়মান ৰিক্সাৰ ঢাকনি, ঠেলাৰ হেণ্ডেল আৰু বাটৰুৱাৰ সোঁতৰ বাহিৰত, তাৰ সুৰুঙাত লম্বমান পঢ়ুৱৈৰ খোলা-বাতৰি। গতিকে দোকান, বেচিজিল ৰিক্সা-ঠেলাৰ বিশৃংখলতাত পদপথে যেন এটা একা-বেঁকা সুৰঙ্গৰ ৰূপ লৈছে। সুৰুঙা বিচাৰিহে খোজ দিব পাৰি। কেতিয়াবা কেতিয়াবা উধনীয়া ভেমত খোজকঢ়া বাটৰুৱাই পদপথৰ টোপাখহু আৰু চৌডুলিৰ পৰা গা বচাবলৈ গৈ বিভোৰ পঢ়ুৱৈৰ হাতৰ খোলা বাতৰি মহতিয়াইহে আগবাঢ়িব পাৰে। বাতৰি পঢ়া, বাতৰি কিনা তথা পান-চোবোৱা খৰিদ্দাৰৰ প্ৰকোপত বোৰোকামুৱা বেমাৰীৰ দৰে বিকৃত। কিন্তু তাৰ চকু চতুৰ্দিকে সচেতন। আৰু সদ্যহতে তাৰ সেই চাৰ্চলাইট অন্যান্য পঢ়ুৱৈৰ উপৰি বাতৰি এখন টানি লৈ মুখৰ তামোলৰ পিকখিনি ৰাস্তালৈ ফু-মাৰি পেলাবলৈ দুখোজ আঁতৰি যোৱা মানুহজনৰ ওপৰতো --- ঠিক যি দৰে এগাল বৰশী পানীত মেলি বৰশী-বাওঁতাই লক্ষ্যকৰি থাকে প্ৰতিটো বৰশীৰ পুঙা।

আৰু ঠিক দহমিনিটৰ পিছত এজন ব্যক্তিৰ দেহাৱসান ঘটিব। তেওঁক আমাৰ দুৰ্ঘোৰ শত্ৰু হিচাবে চিনাক্ত কৰা হৈছে, আৰু বিচাৰত তেওঁক দিয়া হৈছে মৃত্যুদণ্ড।

মৃত্যুদণ্ডেৰে দণ্ডিত এই ব্যক্তিজন আৰু ঠিক দহমিনিটৰ অন্তত এই নিউজ-কাম-পানদোকানখনলৈ আহিব। অন্যান্য দিনবোৰৰ দৰে মিঠা পান এখন অৰ্ডাৰ দি বাতৰি বা মেগাজিন এখন হাতত তুলি ল'ব। কিনিব খোজা কপিটোৰ গাত লাগি থকা ষ্টেপল্ পিনটো পকাই ছিঙিব, হেডিংবোৰৰ ওপৰে ওপৰে চকু ফুৰাব, কাৰোবাৰ মৃত্যুৰ বাতৰিত থমকি ৰ'ব তেওঁৰ দুটকু। তৎক্ষণাত চিঞৰি উঠিব তেওঁ --- দেখিছা, দেখিছা, আৰু এটা! ইহঁত গালে কি কৰিব খুজিছে? হত্যাৰে নতুন পৃথিৱী? সমাজ সংস্কাৰ?

আৰু ঠিক সেই মুহূৰ্ততে, সেই মুহূৰ্ততে গৰজি উঠিব মোৰ ব্যৰ্থহীন, অমোঘ মৰণাস্ত্ৰ। লগে লগে এটা হুলস্থূল সৃষ্টি হ'ব। ভয়ত ত্ৰস্তমান বাটৰুৱাৰ ছেদেলি-ভেদেলি দৌৰা-দৌৰি আৰম্ভ হৈ চাৰিওফালে বিয়পি পৰিব। ময়ো সেই সুবিধাতে পিছমুৱা হৈ দৌৰি যাম --- যেন ময়ো এক ভয়াৰ্ত বাটৰুৱা। নিজৰ প্ৰাণৰ ভয়ত প্ৰাণটাকি দৌৰিছোঁ। দহগজমান আঁতৰত পদপথৰ কাষত এখন পান-দোকানৰ সমুখত ভিক্ষাৰীৰ বেশত আমাৰ সংগঠনৰ আন এটা মানুহ বৈ থকাৰ কথা। দৌৰি গৈ চকুৰ পলকতে মই তাৰ হাতত গুঁজি দিম মোৰ মৰণাস্ত্ৰটো। সি সেইটো লৈ তৎক্ষণাত অদৃশ্য হৈ যাব ভাঁজ-যুক্ত আন এটা গলিৰ বিশৃংখলতাত। আৰু মই উঠি পৰিম ভিখাৰীটোৰ অলপ দূৰতে ল'ৰা এটাই ষ্টাৰ্ট কৰি ৰখা মটৰ-চাইকেলখনত। ল'ৰাটো এটা দক্ষ চালক। ইয়াৰ আগতে সি মোৰ স'তে এনেকুৱা তিনিটা অপাৰেশ্যনত লিপ্ত। সি মোক নিমিষতে লৈ যাব সুৰক্ষিত এটুকুৰা পূৰ্ব-নিৰ্দ্ধাৰিত ঠাইলৈ য'ৰ পৰা মই গুচি যাম RV ( Rendezvous)লৈ।

অকলশৰে।

খিড়িকিৰ পৰ্দাৰ ফাঁকেৰে লক্ষ্য কৰিলোঁ পুনৰ। পান-দোকানখনৰ সমুখত লেতেৰা কম্বল এখন পাৰি ভিক্ষাৰী এটা বহি আছে। বাটৰুৱাৰ ফালে হাত এখন বঢ়াই সি ভিক্ষা খুজি আছে নীৰৱে। মোৰ চকুদুটা তাৰ পৰা আৰু অলপ আগবঢ়াই দিলোঁ। মটৰ-চাইকেলৱালা ল'ৰাটোও নিশ্চয় হাজিৰ, তাক নেদেখিলেও হীৰ'হোন্দা এখন মোৰ চকুত পৰিছে ইয়াৰ পৰাই। সি নিশ্চয় ক'ৰবাত অপেক্ষা কৰি আছে মোৰ আগমনলৈ। সি জানে মোৰ TOT ( time on target), আৰু জানে কেতিয়া সি মটৰ চাইকেলখন ষ্টাৰ্ট কৰিব লাগিব। কিন্তু সি নাজানে মই এতিয়া ক'ত আছোঁ, কোন দিশৰ পৰা আবিৰ্ভাৱ হ'ম, কি কাম কৰি যাম আৰু সি নাজানে যে তাৰ দৃষ্টিৰ সীমাৰ ভিতৰত ভিক্ষাৰ বাবে হাত দাঙি থকা সেই ভিক্ষাৰীটোও আমাৰ সংগঠনৰে। দুৰ্ভগীয়া! তালৈ হঠাৎ মোৰ পুতৌ ওপজি গ'ল।

ঘড়ীটোলৈ চালোঁ।

এই দহ মিনিট সময় নাযায় নুপুৱায়।

এটা উৎকট বিষ পেটৰ পৰা আৰম্ভ হৈ শৰীৰৰ অন্যান্য অংশলৈ প্ৰবাহিত হৈ গৈছে ইতিমধ্যে। বুকুৰ হৃৎকম্পন তীব্ৰৰ পৰা তীব্ৰতৰ হ'ব ধৰিছে। কপালত বিন্দু বিন্দু ঘামৰ কণিকা প্ৰকট হৈছে। মোৰ সোঁহাতখন পুনৰ জেকেটৰ তললৈ গতি কৰিছে স্বয়ংক্ৰিয়ভাৱে। আশ্বস্ত হৈছোঁ পুনৰ।

অৰ্থাৎ সকলো ৰেডি। মই। ভিক্ষাৰী। মটৰ চাইক্লিষ্ট। মোৰ পলায়নৰ নিৰ্ভুল পথ।

বাকী আছে কেৱল মোৰ টাৰ্গেটৰ উদয়।

মোৰ টাৰ্গেট কলেজ এখনৰ অধ্যাপক। চফ্ট্ টাৰ্গেট। কোনো বাধা নাই। মাথো এইম্ এ্যাণ্ডশ্যুট।

আৰম্ভণিৰ পৰাই তেওঁ আছিল আমাৰ কঠোৰ সমালোচক। আমি যে এচাম যুৱক এই যে দিকভ্ৰান্ত হৈ অবাটে গৈ আছোঁ, সেই সম্পৰ্কে তেওঁ আমাক পূৰ্বৰে পৰা সকিয়াই দিছিল। তেওঁৰ বক্তব্য আছিল আমি এদল পথভ্ৰষ্ট যুৱক, সমস্যাৰ ভৰত ঘেৰ্ঘেৰি টানি পলায়নৰ পথ লৈছোঁ আৰু নিয়ত হৈ পৰিছোঁ দুষ্টচক্ৰৰ হাতৰ পুতলা। আমাৰ কাৰ্যত আচলতে কোনো বীৰত্ব নাই, কাপুৰুষালিৰ চূড়ান্ত নিদৰ্শন দি যাওঁ আমি আমাৰ প্ৰতিটো কাৰ্যত।

আমাৰ প্ৰতিটো কাৰ্যকে তেওঁ যুক্তিৰে থকা-সৰকা কৰিছিল, আমাৰ কৰ্মপন্থাক আবেগৰ দ্বাৰা পৰিচালিত বুলি তাচ্ছিল্য কৰিছিল তেওঁ, অংশগ্ৰহণ কৰা প্ৰতিখন মিটিঙতে তেওঁ বক্তব্য দিছিল আমাৰ বিৰুদ্ধে। যিটো সময়ত ভয়ত ত্ৰস্তমান হৈ তেওঁৰ সতীৰ্থ সকলে আমাৰ জয়গান কৰিছিল, সেই মুহূৰ্ততো তেওঁ

আছিল আমাৰ বিৰুদ্ধে সমানে মুখৰ।

তেওঁক চিধা ৰাস্তালৈ আনিবলৈ বহুতো চেষ্টা কৰা হৈছিল, তেওঁক ভদ্ৰভাবে সাৱধান কৰি দিয়া হৈছিল, টেলিফোনত ভীতি প্ৰদৰ্শন কৰা হৈছিল, তেওঁৰ গাভৰু জীয়েকক কলেজলৈ যোৱাৰ পথত অপহৰণ কৰা হ'ব, দৰকাৰ হ'লে তেওঁকো হত্যা কৰিবলৈ কুণ্ঠাবোধ কৰা নহ'ব বুলি ধমক দিয়া হৈছিল। কিন্তু আমাৰ ধমকনিয়ে তেওঁক অকণো টলাব নোৱাৰিলে। বৰং তেওঁ আমাৰ বিৰুদ্ধে বাতৰিত আৰম্ভ কৰি দিছিল এক বিশাল বাকযুদ্ধ।

কিন্তু আমাৰ বাক-যুদ্ধ কৰাৰ সময় নাছিল; আমি এক সচাঁ-সঁচি যুদ্ধত বিশ্বাসী। আমাৰ মতত একমত নোহোৱা, আমাৰ লক্ষ্যক সন্দেহৰ চকুৰে চোৱা সকলক নিৰ্মূল কৰাৰ শপত লৈছিলোঁ। আৰু সেয়ে আমি বিচাৰ-মঞ্চ গঢ়ি তুলিছিলোঁ য'ত তেওঁৰ অপৰাধৰ বিচাৰ হৈছিল। অপৰাধীৰ অনুপস্থিতিত অপৰাধীৰ বিচাৰ। আমিয়েই ডিফেঞ্চ, আমিয়েই প্ৰচিকিউশ্যন আৰু আমিয়েই এ্যপীলেট অথাৰিটী। বিচাৰত মৃত্যুদণ্ড। অনিবাৰ্য। গণশত্ৰুৰ তাতকৈ লঘু শাস্তি হ'ব নোৱাৰে।

মোক আদেশ দিয়া হ'ল, মৃত্যু পৰোৱানা জাৰি কৰিব লাগে। তেওঁক এ্যলিমিনেট কৰিব লাগে অন্য ঠাইত নহয় তেওঁৰ ঘৰত। পুত্ৰ-পৰিবাৰৰ নিচেই সমুখত। তেওঁলোকেও এটা শিক্ষা পোৱা উচিত। লগতে আনবোৰেও। তেওঁলোকে উপলব্ধি কৰক আমাৰ বিৰুদ্ধাচৰণ কৰাৰ ফল কি ভয়াবহ হ'ব পাৰে। এক নজীৰবিহীন উদাহৰণ, সাৱধান, সাৱধান!

কিন্তু ঘৰত হত্যা কৰাৰ পক্ষপাত মই নহওঁ। তাত অকণো থ্ৰিল নাই, ৰোমাঞ্চ নাই। তুমি তালৈ গ'লা, হাথিয়াৰটো উলিয়ালা, মাৰি দিলা। কোনো বাধা নাই, কোনো আশংকা নাই, কোনো বিপদৰ সম্ভাৱনা নাই। এটা সেমেকা অভিজ্ঞতা। এজন প্ৰবীন সদস্য হিচাবে মই এইকণ স্বাধীনতা ল'লো যে তেওঁক পৰোৱানা জাৰি কৰা হ'ব কিন্তু মোৰ মুৰব্বীসকলে বিচৰা মতে নহয়, মই কৰিম মোৰ পৰিকল্পনা মতে। আপোনস্বজনৰ আগত বিনা-বাধাৰে আততায়ীৰ হাতত মৃত্যু হোৱাটোৰ নিচিনা দুখৰ কথা হয়তো আন একো হ'ব নোৱাৰে। মোৰ টাৰ্গেট অন্ততঃ তেনে ধৰণৰ এটা মৃত্যুৰ বাবে উপযুক্ত নহয়। হি ডিজাৰ্ভচ্ এ্য ম'ৰ গ্ৰেইচফুল ডেথ!

এতিয়া কেৱল মই দিব পাৰোঁ তেওঁক তেওঁৰ যোগ্য সন্মানজনক মৃত্যু।

তেওঁক দুদিনমান অনুসৰণ কৰি অৱগত হ'লো যে তেওঁ প্ৰত্যেক দিনেই কলেজৰ ক্লাছ শেষ কৰি ঠিক চাৰে চাৰি বজাত এই নিউজষ্টেণ্ড-কাম-পানদোকানত হাজিৰ হয়হি। মিঠা পান এখন অৰ্ডাৰ দি যাৱতীয় নিউজ পেপাৰ আৰু মেগাজিন সমূহ সংগ্ৰহ কৰে। পানখন বনোৱা হোৱালৈকে বাতৰি এখন টানি লৈ ষ্টেপল্ পিনটো খুলি হেড-লাইনবোৰ পঢ়িবলৈ ধৰে। চিনাকি মুখ দেখিলে আমাৰ বিৰুদ্ধে বিষোদ্‌গাৰ কৰি বাতৰিৰ

টিপ্পনি দিয়ে। পানখন হ'লেই নিউজ পেপাৰবোৰ কাষলতিত চেঁপি ঘৰমুৱা হয়।

স্থিৰ কৰা হৈছিল তেওঁক গুলীবিদ্ধ কৰা হ'ব ঠিক সেই সময়ত। মুখত আধা-চোবোৱা মিঠা পানৰ মোকোৰা, কাষলতিৰ কেপত বাতৰিৰ টোপোলা। নিউজষ্টেণ্ড-কাম-পানদোকানখনৰ সেই এবেগত পদপথৰ অমসৃণ সমতলত তেওঁৰ শেষ নিশ্বাসৰ স্থান!

মোৰ বাঘজালীৰ সুৰক্ষিত কোঠাটোৰ পৰা খিৰিকীৰ ফাঁকেদি মই নিৰীক্ষণ কৰি আছোঁ মোৰ টাৰ্গেটৰ আবিৰ্ভাবলৈ। এতিয়াৰ পৰা যি কোনো মুহূৰ্ততে তেওঁ আহি পাবহি সেই তলৰ দোকানখন।

পেটৰ বিষটো নাইকীয়া হোৱা যেন লাগি গ'ল হঠাৎ। কানৰ ৰী-ৰীয়নীটোও আঁতৰি গ'ল, মই স্পষ্টকৈ শুনিবলৈ পালোঁ পদপথৰ সেই ব্যস্ত আৰু অহৰহ কোলাহলৰ শব্দ। চকুৰ দৃষ্টিও যেন ফিৰি আহিল নৰ্মেললৈ।

ক্ষন্তেক পিছত মোৰ চকুৰ লেন্সত ধৰা পৰি গ'ল মোৰ টাৰ্গেটৰ পূৰ্ণ-উদয়। এটা ধূসৰ বিন্দুৰ পৰা ক্ৰমশঃ স্পষ্টতৰ হৈ এটা সময়ত সম্পূৰ্ণ অৱয়ৱ হৈ দেখা দিলে মোৰ টাৰ্গেটৰ নশ্বৰ দেহ। ভিক্ষাৰীটোৱে ফুটপাথত পাৰি থোৱা কম্বলখন এই মাত্ৰ অতিক্ৰম কৰি আহিলে তেওঁ। কিন্তু হঠাৎ তেওঁ থমকি ৰৈ গ'ল। নিঃসন্দেহে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিল ভিক্ষাৰীটোৱে। পাঞ্জাবীৰ পকেটৰ পৰা কিবা এটা উলিয়ালে মানুহজনে। খুব সম্ভৱ খুচুৰা পইছা এটা কম্বলখনলৈ দলি মাৰি দি পুনৰ খোজ দিলে তেওঁ নিউজষ্টেণ্ড অভিমুখে — যেন চৰণেহে জানে মৰণৰ ঠাই।

ক্ষীণকায় মানুহজনৰ দেহত ধুতি-পাঞ্জাবী, ভৰিত এযোৰ সাধাৰণ চপ্পল, চুলিকোছা পৰিপাটী। গহীন খোজ-কাটল। নক'লেও হ'ব এই মানুহজন কাৰোবাৰ স্বামী, কাৰোবাৰ পিতা, কাৰোবাৰ সহোদৰ, কাৰোবাৰ পুত্ৰ। এখন পৰিয়ালৰ মুৰব্বী, ভৰণ-পোষণ দিওঁতা যাক কেন্দ্ৰ কৰি ঘূৰি ফুৰিছে ঘৰখনৰ বাকী গ্ৰহ-উপগ্ৰহবোৰ।

অলপ পিছতে কক্ষচ্যুত হ'ব সেই কেন্দ্ৰবিন্দু, মোৱাৰ মৰিব এটা পৰিয়ালৰ, মোৰ এটা মাত্ৰ ট্ৰিগাৰৰ টিপনিত।

তেওঁ আমাৰ শত্ৰু, আমাৰ বিচাৰত তেওঁ গণশত্ৰু। তেওঁক মৃত্যুদণ্ড দিয়া হৈছে। মই তেওঁৰ ঘাতক - মৃত্যু পৰোৱানাৰ দূত! তেওঁৰ প্ৰতি মোৰ কোনো অনুকম্পা নাই, সহানুভূতি নাই; তেওঁ আমাৰ ঘোৰতৰ শত্ৰু; শত্ৰুক সবংশে ধ্বংস কৰাটোৱে হ'ল মোৰ মহান কৰ্তব্য। ..I am fighting for a greater cause.

মোৰ টাৰ্গেটৰ হাতত এতিয়া উন্মুক্ত বাতৰি, তেওঁৰ চকু হেড-লাইনৰ ওপৰত। তেওঁৰ মুখত এটা বিৰাট হাঁ। তেওঁৰ মুখত যেন এটা বিষাদ ভাব। ক্ষন্তেক অন্যমনস্ক হৈ পৰিল যেন তেওঁ। কাকতৰিখনত তেওঁ নিশ্চয় কাৰোবাৰ মৃত্যুৰ খবৰ পঢ়িছে। বেছ কিছুদিনৰ পৰা জোৰদাৰ গতিত চলি আছিল আমাৰ শত্ৰু-নিধন যজ্ঞ, তাৰে বহুবন্ধী খবৰ বাতৰিৰ পাত ভৰি।

মানুহজনে বিক্ৰীদাৰটোলৈ এবাৰ ঘূৰি চোৱা দেখা গ'ল, হয়তো পান-বনোৱা তাৰ শেষ হৈছিল আৰু আগবঢ়াই দিছিল পানখন তেওঁৰ ফালে।

মাহেন্দ্ৰক্ষণ। মই তললৈ নামি গ'লোঁ তৎক্ষণাত।

এতিয়া মাথো কেইটামান খোজৰ ব্যৱধান দুয়োৰ মাজত। ক্লোজ ৰেইঞ্জ। তেওঁৰ সোঁৱে-বাঁৱে অলেখ মানুহৰ আহ-যাহ। কেৱল গতি আৰু গতি, কলৰৱ। সেইবোৰ কোনো কথাই মোক অন্যমনস্ক কৰা নাই, মই সিহঁতৰ কাকো দেখা নাই, মই এক দৃঢ়তাৰ প্ৰতীক; মোৰ চকুৰ নিষ্পলক লক্ষ্য মোৰ টাৰ্গেটৰ মুৰটো।

মানুহজনে হঠাৎ এবাৰ মুখখন পিছলৈ ঘূৰালে। বিপদৰ পূৰ্বাভাস পাইছিল হয়তো, প্ৰিমনিশ্যন অব ডেন্‌জাৰ! তেওঁৰ মুখৰ প্ৰতিটো আঁক-বাঁক, প্ৰতিডাল বলিৰেখা এতিয়া মোৰ নজৰত সুস্পষ্ট। ক'তা ভয়ৰতো কোনো চিন নাই?

বুকুৰ হলষ্টাৰৰ মৰণাস্ত্ৰ এতিয়া মোৰ হাতত। কঠিন মোৰ আঙুলিৰ অক্টোপাচী-নিষ্পেষণ। দেহৰ ক'ৰবাত এটা সিৰসিৰণি, পেটৰ পুৰণি বিষটোৱে পুনৰ উক দি সমস্ত শৰীৰটোলৈ ব্যাপ্ত হৈ পৰিছে তড়িৎ গতিত। মই জানোঁ কোনো নিস্তাৰ নাই ইয়াৰ পৰা। ত্ৰিগাৰত মোৰ উচপিচ আঙুলি ........

সমুখত শত্ৰুৰ মুখ।

কিন্তু তেওঁৰ খবৰ নাই তেওঁৰ ভৰিৰ দুখোজ আঁতৰত মচোৱা গোম। কোনো শংকাও নাই বিপদৰ প্ৰতি, যিদৰে খেয়াল নাই নিজৰ সুৰক্ষা সম্বন্ধে। নিৰাপত্তাহীন — - হাজাৰ মুখৰ মাজৰ এখন মুখ। কি নিৰ্ভীক তেওঁৰ মুখৰ সেইহাল চকু। অনবদ্য।

তেওঁ আমাৰ শত্ৰুনে? কি শত্ৰুতা কৰিছে তেওঁ আমাৰ? সঁচাকৈ শত্ৰুনে? মুৰব্বীসকলে কোৱাৰ দৰে গণশত্ৰু? কি অপৰাধ তেওঁৰ? আমাৰ মতক সমৰ্থন নকৰিলেই এজন আমাৰ শত্ৰু পৰিগণিত হ'ব লাগেনে? তেওঁ আমাৰ কাৰ্যপন্থাত সন্তুষ্ট হ'ব পৰা নাই। আমি সৃষ্টি কৰা বিভীষিকাৰ বিৰূপ সমালোচনা কৰিছে তেওঁ। আমাক পলায়নবাদী আখ্যা দিছে। লগে লগে আহ্বান দিছে আমি যেন শুদ্ধপথত খোজ দিওঁ পুনৰ। নাথিং ইজ লেইট্ এ্যজ ইয়েট্। কিন্তু এয়া কি ইমান ডাঙৰ অপৰাধ যাৰ বাবে তেওঁ পাব লাগে মৃত্যুদণ্ড?

মোৰ টাৰ্গেটৰ নিৰ্ভীক মুখমণ্ডলটো দেখি হঠাৎ মোৰ ধাৰণা হ'ল পৃথিৱীত এনে কিছু লোক আছে যাক মৃত্যু দণ্ডেৰে মৃত্যু ঘটাব নোৱাৰি। কোনো গুলীয়েই আচলতে তেওঁলোকৰ বাবে মৃত্যু আনিব নোৱাৰে .....

....এয়া আমাৰ সমুখৰ এটা দীঘলীয়া ৰাস্তাৰ দুয়োকাষে বিশাল ধাননী পথাৰ। ধানৰ আগবোৰ বেলি লহিওৱাৰ আগৰ বতাহজাকে জোকাৰি ঢৌ খেলিছে।

চালকটোক মটৰ চাইকেলখন ৰখাবলৈ ক'লোঁ। মোৰ পূৰ্ব-নিৰ্দ্ধাৰিত নিৰাপদ ঠাই নহয়, সেয়ে নহয়, সেয়ে সি সামান্য ইতস্ততঃ, তথাপি মোৰ পুনৰ্বাৰ নিৰ্দেশত সি বাইকখন ৰখাই মোৰ চকুলৈ চালে। ভীতিবিহ্বল মুখাৱয়ব। তাৰ চকুত ঘনীভূত সন্দেহ

আৰু অবিশ্বাস।

মই হলষ্টাৰৰ পৰা আগ্নেয়াস্ত্রটো উলিয়ালোঁ।

মটৰ-বাইক চালকটোৰ দুচকুত মৃত্যুৰ শীতলতা। সিওঁতো এনেকুৱা বহু ঘটনাৰ নীৰৱ সাক্ষী! সি জানে কিমান শীতল মস্তিষ্কৰে কৰা হয় কেনেবোৰ কাণ্ড। অবিশ্বাস্য প্রায়বোৰ।

সি অত'পৰে প্রমাদ গনিছিল বোধকৰোঁ। সেয়াই স্বাভাৱিক। এনেবোৰ ঘটনাৰ আগ মুহূৰ্তত হ'ব পৰা মানুহৰ প্রতিক্রিয়া! ঃ Fighting without killing হ'ব পাৰে নে নোৱাৰে? — মোৰ অকস্মাৎ প্রশ্নত সি হতভম্ব! প্রশ্ন নহয়, যেন এটা উত্তৰবিহীন সাঁথৰ!

মই জানো মোৰ প্রশ্নৰ কোনো উত্তৰ তাৰ ওচৰত নাই। মোৰ প্রশ্ন তাৰ বাবে নিতান্তই অবাস্তৱ।

আগ্নেয়াস্ত্রটো পথাৰখনৰ মাজলৈ দলি মাৰি দিলোঁ। বাইক চালকটোৰ ইতস্ততঃ ভয়াৰ্ত মুখখনত হঠাৎ হাঁহি এটা বিৰিঙি উঠিল। মই জানো এনে হাঁহি সি বহুদিন হঁহা নাই।

তাৰ মুখমণ্ডল পুৱাৰ সুৰুযৰ দৰেই ৰঙীন!

("শদিয়ালৈ নাযাবা আৰু অন্যান্য" গল্প সংকলনৰ পৰা)



# ভাস্কৰজ্যোতি মহন্ত

**জন্ম ঃ** ১৯৬৩ চনৰ ১০ জানুৱাৰীত মিচন হাস্পাতাল, যোৰহাটত।

**শিক্ষা ঃ** কৌৱৰপুৰ মজলীয়া বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, কৌৱৰ পুৰ হাইস্কুল আৰু শিৱসাগৰ বহুমুখী চৰকাৰী বিদ্যালয়ৰ পৰা মধ্যমভাগ, বিবেকানন্দ বিদ্যালয়, ডিগবৈ আৰু ৰামজাচ কলেজ, দিল্লী বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰে।

**চাকৰিত যোগদান ঃ** ১৯৮৭ চনত ভাৰতীয় তথ্য সেৱাত, ১৯৮৮ চনত ভাৰতীয় আৰক্ষী সেৱাত, লালবাহাদুৰ- শাস্ত্ৰী একাডেমী, মুচৌৰী ৰাষ্ট্ৰীয় একাডেমী A.S.P.- D.B.R.

**বৰ্তমান ঃ** ডি.আই.জি. যোৰহাট, অসম।

**বিবাহ ঃ** ১৯৯২ চনৰ ৫ মাৰ্চত স্বপ্নালী মহন্তৰ সৈতে বিবাহ-পাশত আবদ্ধ। একমাত্ৰ সন্তান সৃজনীভাস্ব (মৌ) মহন্ত।

**সৃষ্টি ঃ** নিম্ন বিষয়ত টেলিফিল্ম নিৰ্মাণ কৰা হৈছিল -

(ক) আলোক যাত্ৰা -- 'পুলিচ উগ্ৰবাদৰ মাজত সংঘৰ্ষ'ৰ কাহিনী চিত্ৰনাট্য

পৰিচালনা আৰু পৰিকল্পনা। (খ) জ্যোতিপ্ৰসাদৰ অৱদান ভিত্তিত তথ্যচিত্ৰ - লুইত পৰীয়া শিল্পীখিনিৰ দ্বাৰা পৰিকল্পনা, পৰিচালক আৰু তথ্য চিত্ৰ। (গ) শ্ৰব্য কেছেট "আমি অসমীয়া নহও দুখীয়া"ৰ পৰিকল্পনা আৰু ৰূপায়ন। তদুপৰি সত্ৰীয়া নৃত্যৰ ঐশ্বৰ্য, ভৱিষ্যতৰ প্ৰত্যাহ্বান শীৰ্ষক চাৰিখন তথ্যচিত্ৰ নিৰ্মাণ। উত্তৰ পূৰ্বাঞ্চলৰ সাধু চৰিত (মিজো, গাৰো আৰু কাৰ্বি ভাষাত), মটক সম্প্ৰদায় আৰু মৰাণ জনগোষ্ঠীয় ঐতিহ্য পৰম্পৰা আৰু অৱদান- এটা খণ্ডৰ তথ্য চিত্ৰ। শব্দৰ বাধৰুৱা ভেল - সামগ্ৰীক পৰিকল্পনা আৰু পৰিচালনা, প্ৰযুক্তি বিদ্যাৰ সহায়েৰে কবিতা, সঙ্গীত আৰু চিত্ৰ ভাস্কৰ্য্যৰ এটি সন্ধ্যা।

**সামাজিক কাম ঃ** আশ্বাস প্ৰকল্প, পৰিচালন ন্যাসৰক্ষী, শ্ৰীমন্ত ফাউণ্ডেশ্বন (ক) বিভিন্ন সাংস্কৃতিক - কাৰ্যাৱলীৰ উপৰিও সামাজিক সংঘাত নিৰাময় বিভিন্ন কাৰ্যসূচী অবলম্বন তাৰ ভিতৰত উল্লেখযোগ্য - সাহাচাৰ্য্য প্ৰকল্প, এই প্ৰকল্পৰ অধীনত লোকৰ মাজত সংঘাতৰ নিৰাময়ৰ এক বিজ্ঞান সন্মত গৱেষণা সম্পূৰ্ণ কৰা হৈছে। সেতুবন্ধ কাৰ্যসূচী পৰিকল্পনা আৰু পৰিচালনা কৰা হৈছিল, এই কাৰ্যসূচীত পাঁচটা জনগোষ্ঠীৰ দ্বাৰা প্ৰশিক্ষণ দিয়াই এক অংকীয় ভাওনা জনগোষ্ঠীৰ দ্বাৰাই অংকিত কৰা হৈছিল।

**অসমবাসীলৈ বাৰ্ত্তা ঃ** বিয়োগাত্মক চিন্তাধাৰা ত্যাগ কৰি কৰ্মত আত্মনিয়োগ কৰক, আৰ্থ সামাজিক বাতাবৰণ উন্নয়নৰ বাবে সংকীৰ্ণ মনোভাব ত্যাগ কৰি অসম সন্তান বিশ্বৰ দৰবাৰত সজোৰে প্ৰতিপন্ন কৰক, এজন ভাল অসমীয়া আৰু ভাৰতীয় হিচাপে।

## সংকলকৰ চমু টোকা

**ভাস্কৰজ্যোতি মহন্ত** — আই.পি.এছ. বিষয়া ভাস্কৰজ্যোতি মহন্তদেৱ এজন সংস্কৃতিৰ সাধক। তেখেতৰ লেখনি কিতাপ আকাৰত বেছি পোৱা নগ'লেও তেখেতে অহৰ্নিশে বিভিন্ন ধাৰাৰে সংস্কৃতিৰ বেদীত পুষ্পাঞ্জলী দি আহিছে। সংস্কৃতিৰ বাতাবৰণেৰে আবৃত তেখেতৰ ঘৰখনে তেখেতক এজন সংস্কৃতিপ্ৰেমী কৰি গঢ়ি তোলাত সমল যোগাইছে। বিশেষকৈ সত্ৰীয়া সংস্কৃতিৰ বাহকৰূপী ঘৰখনে মহন্তদেৱক একেধাৰে নাটক, তথ্য চিত্ৰ, শ্ৰব্য কেচেট আদি নিৰ্মাণত সহাৰি জনাইছে। আৰক্ষীৰ ভিতৰচৰাতো অতি উৎসাহী বিষয়া হিচাপে নাম থকা মহন্তদেৱে নাগৰিক কমিটি গঠন কৰি সমাজ আৰু আৰক্ষীৰ মাজত এখন নতুন সাঁকো স্থাপন কৰিছে। ইয়াৰোপৰি অসম আৰক্ষীৰ 'আশ্বাস প্ৰকল্প'ৰ তেখেত এজন অন্যতম হোতা। অদূৰ ভৱিষ্যতে তেখেতৰ পৰা অসমবাসীয়ে বহুত কিবাকিবি পোৱাৰ আশংকা আছে।

# জুবিনহঁতৰ আত্মানুসন্ধান আৰু প্ৰাপ্তি

**ভাস্কৰজ্যোতি মহন্ত**

সম্প্ৰতি অসমৰ নতুন প্ৰজন্মৰ এক বৃহৎচামে আকাশখন চুই চোৱাৰ প্ৰয়াস কৰে। সাম্প্ৰতিক কালৰ পৰম্পৰা আৰু উদাৰতাবাদী অৰ্থনীতিয়ে নতুনকৈ নিৰ্ধাৰণ কৰা মূল্যবোধ আৰু হাবিয়াসৰ পাৰস্পৰিক স্থিতি আৰু বিনিময়ৰ ফলস্বৰূপে অসমৰ নতুন প্ৰজন্ম প্ৰথমে হতভম্ব হোৱা পৰিলক্ষিত হৈছিল। কিন্তু যোৱা কেইটামান বছৰত দেখা গৈছে যে, এই প্ৰজন্মৰ সামূহিক সত্তাই দুৰন্ত গতিত সলনি হোৱা আৰ্থ-সাংস্কৃতিক বাতাবৰণৰ লগত খাপ খাই ল'বলৈ চেষ্টা কৰিছে আৰু মাতৃভূমিৰ সম্পদসমূহকে চালিকা শক্তি হিচাপে লৈ চেষ্টা কৰিছে এক সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক নাগৰিক হ'বলৈ। তাকে কৰোঁতে তেওঁলোকৰ আত্মানুসন্ধানৰ বিৰোধখিনি (Conflict) হেলাৰঙে অতিক্ৰম কৰিছে বিভিন্ন সম্পৰীক্ষাৰ মাজেদি। তেওঁলোকৰ বুজনসংখ্যকে আনে বান্ধি দিয়া বাট বুলা নাই। আত্মজিজ্ঞাসা আৰু আত্ম-প্ৰাপ্তিৰ সন্ধানত এওঁলোকৰ বিভিন্নজনে ন ন ৰাস্তাৰ সন্ধান কৰিছে। বিশ্বায়ন আৰু প্ৰযুক্তিৰ লগত পৰিচিত নতুন প্ৰজন্মৰ এই প্ৰত্যয় আৰু আত্মবিশ্বাস প্ৰতিষ্ঠিত হ'ল প্ৰচণ্ড কষ্ট স্বীকাৰ কৰাৰ এক মানসিকতাত, নিজে ভাল পোৱা আৰু বিচৰা কামক এক সাধনা হিচাপে গণ্য কৰাত, এক গভীৰ জীৱনবোধ আৰু মাতৃভূমিৰ প্ৰতি দায়বদ্ধতাৰ সচেতনতাত। এইখিনি হৈছে বিভিন্ন বিভাগৰ, বিভিন্ন স্থানত ভিন্নজনৰ দ্বাৰা। আমাৰ আলোচনাত আমি কেৱল সংগীতৰ দিশত অসমৰ নৱপ্ৰজন্মৰ কেইজনমান অগ্ৰণী প্ৰতিনিধিৰ ওপৰত আলোকপাত কৰিম।

শিৱসাগৰ জাঁজীৰ এটি মধ্যবিত্ত পৰিয়াল। কাৰ্যবাহী দণ্ডাধীশৰ পেছা আৰু নান্দনিক সুষমাৰ নিচা থকা এজন দেউতাক আৰু নৃত্য-গীত-অভিনয়ত ৰাপ থকা এগৰাকী মাতৃৰ এটি সন্তান। যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয় আৰু পিছত বি. বৰুৱা কলেজত পঢ়াশুনা কৰা সন্তানটিৰ ঐকান্তিক দায়বদ্ধতা কেৱল পঢ়াশুনা নাছিল। ল'ৰাটো গ্ৰেজুৱেটো নহ'লগৈ। মাক-বাপেকৰ পৰা সৰুৰে পৰা পোৱা পৰিৱেশে তাক আপ্লুত কৰি ৰাখিছিল। সংগীত-সুধাৰ পৃথিৱীখনে তাক হাত-বাউল দি মাতিছিল। ১৯৯২ চনৰ যুৱ মহোৎসৱ এটাত পাশ্চাত্য সংগীত পৰিবেশনত সোণৰ পদক পোৱাৰ পিছত ল'ৰাটিৰ জীৱনে এক নিৰ্ণায়ক গতিপথ ল'লে। নিত্য নতুন সৃষ্টিৰে অসমৰ সংগীত জগতখনক, মানুহৰ মনবোৰক আৰু নিজকে সি আচ্ছন্ন কৰি ৰাখিবলৈ ল'লে। পৰম্পৰাগত, বৰ্ণাঢ্য জনগোষ্ঠীয় মনৰ আৰু সংস্কৃতিৰ ধাৰা, ভাৰতীয় সংগীতৰ ভিন্ন ভিন্ন ৰূপৰ সৈতে পৰিচয় হ'বলৈ ধৰিলে। লগতে আৰবীয়, লেটিন আমেৰিকান আৰু

পাশ্চাত্য সংগীতৰ বিশাল জগতলৈ ল'ৰাজনে ভুমুকি মাৰিবলৈ ল'লে। অৱধাৰিত এক ক্ষুধা আৰু তৃষ্ণা দূৰ কৰিবলৈ।

স্বনামধন্য শিল্পীযুগল এটিৰ সন্তান। গুৱাহাটীতে পঢ়াশুনা কৰি ৬৬% নম্বৰ লৈ কেন্দ্ৰীয় বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰিলে। মাক-দেউতাকে তাক শাসনৰ বাঘ-জৰি নধৰাকৈয়ে অসমীয়া সংগীতৰ বৰ্ণাঢ্য জগতখনৰ লগত পৰিচয় কৰাই দিছিল। ভনীয়েক কিংকিনীয়ে 'ছফ্‌টৱেৰ কোম্পানী এটাত কাম কৰে। ল'ৰাজনে মাকৰ গুৰু অনিমেশ দত্তৰ তত্বাৱধানত ধ্ৰুপদী সংগীতৰ শীক্ষা গ্ৰহণ কৰে। কালক্ৰমত ল'ৰাজন দিল্লীলৈ গুচি যায় স্থাপত্যবিদ্যা পঢ়িবলৈ। বাসনা – এদিন সেই সপোনৰ ঘৰটো সি সাজি উলিয়াব। কিন্তু বিচৰামতে 'স্কুল অব্ প্লেনিং এণ্ড আৰ্কিটেকচাৰ' নামৰ উচ্চ শিক্ষাৰ সন্মানজনক প্ৰতিষ্ঠানটিত প্ৰৱেশ কৰিব নোৱাৰি ল'ৰাজনে দিল্লীতে বহল সমাজখনৰ লগত চিনাকি হ'বলৈ আৰু নিজকে আৱিষ্কাৰ কৰিবলৈ ইংৰাজীত সন্মান লৈ বিশ্ববিদ্যালয়ত নাম লগাই থ'লে। আৰম্ভ হ'ল অন্বেষণ। কিবা এটা বিচাৰি ফুৰাৰ এটা নিচা। আৰু বিচাৰি পালেগৈ। সি নিজকে আৱিষ্কাৰ কৰিলে। সি সংগীতৰ মানুহ। সুৰৰ সাধক। অৱচেতনত থকা সৃষ্টিশীলতাই কুটুৰি কুটুৰি থকাৰ পৰা নিস্তাৰ পালে যেতিয়া সি 'ইণ্ডিয়ান ওশ্যন' নামৰ সংগীতৰ অপূৰ্ব মানদণ্ডৰে অহৰহ সম্পৰীক্ষা কৰা এটা দলৰ সান্নিধ্যলৈ আহিল। ঘৰতে পোৱা শিক্ষা আৰু মূল্যবোধেৰে উদ্বুদ্ধ ল'ৰাজনে ভালপোৱা জগতখনত সোমাই লৈ সুন্দৰৰ সপোনটি ভালকৈয়ে লিৰিকি-বিদাৰি চাবলৈ ল'লে।

হয়, মই জুবিন গাৰ্গ আৰু অংগৰাগ মহন্তৰ কথা কৈছোঁ। দুয়োজনেই সাধাৰণ মধ্যবিত্ত একোটা অসমীয়া পৰিয়ালৰ সন্তান। অসমৰ জলবায়ু, গছ-লতা-নাচ-গান, হিংসা-হিংসিবোৰৰ মাজেৰে ডাঙৰ-দীঘল হোৱা একোজন মধ্যমীয়া ধৰণৰ সন্তান। জন্মতে নাই মুখত কোনো সোণৰ চামুচ, মেট্ৰিকত বিৰাট কিবা এটা কৰাৰ বাবে নাই কোনো সম্বৰ্ধনাৰ সম্ভাৰ। হয়তো বৃত্তৰ মাজত থাকি সম্ভাৱনাৰ স্বাক্ষৰেৰে চৌদিশ উদ্ভাসিত নকৰাৰ দোষত বক্ৰোক্তিৰ সিটো মূৰত থকা অস্থিৰ ল'ৰাকেইটা। এতিয়া কেইবাবছৰ পিছত সেই অস্থিৰ জুবিনৰ মাইলৰ খুঁটিকেইটা তলত দিয়া ধৰণৰ ঃ

(১) ১৯৯২ চনত প্ৰথমটো এলবাম — 'অনামিকা'ৰ বহুল জনপ্ৰিয়তা।

(২) এতিয়ালৈকে চল্লিশতকৈ অধিক এলবাম।

(৩) অসমীয়া, হিন্দী, বাংলা, তামিল, তেলেগু, পাঞ্জাবী, উড়িয়া, মাৰাঠী আৰু নেপালী ভাষাত সাত হাজাৰতকৈও অধিক গানৰ বাণীবন্ধন।

(৪) ২৪খন অসমীয়া আৰু ভালেকেইখন অনা-অসমীয়া ছবিৰ সংগীত নিৰ্দেশনা।

(৫) 'শুধু তুমি' নামৰ বাংলা ছবিখনৰ সংগীত পৰিচালকৰ বাবে শ্ৰেষ্ঠ সংগীতৰ পুৰস্কাৰ।

(৬) ফিজা, কাঁটে, মুদ্দা, ব্ৰাইডছ্ ৱাণ্টেড, গেংষ্টাৰ, ষ্ট্ৰিংচ আদি হিন্দী ছবিত

কণ্ঠদান। ইয়াৰ শেষৰখনত গীত গোৱাৰ উপৰি তেওঁ সংগীত পৰিচালকৰ দায়িত্বতো আছে।

(৭) 'দীনবন্ধু'কে ধৰি কেইখনমান অসমীয়া ছবিৰ প্ৰযোজনা আৰু অভিনয়ৰ দায়িত্ব।

জুবিনৰ পত্নী গোলাঘাটৰ ছোৱালী গৰিমা। দুয়ো একেলগে পূব আন্ধেৰিৰ এটা ঘৰত থাকে। ঘৰৰ লগতে 'ছাউণ্ড এণ্ড চাইলেন্স' নামৰ এটা ষ্টুডিঅ'। জুবিনে ৭,০০০ তকৈ অধিক গান গাইছে। উক্ত তথ্যসমূহ www.Zubeen.com নামৰ 'ৱেব-ছাইট'টোৰ পৰা লোৱা হৈছে। (মৰমৰ 'জেদ টিম', ৱেব-ছাইটটো সময়োপযোগী, কিন্তু বহুতো বৈয়াকৰণিক আৰু বাক্য গাঁথনিৰ ভুল আছে। শুদ্ধ হ'লে ভাল হয়।) বেছিভাগৰে ক্ষেত্ৰত গানটোৰ সৃষ্টিৰ আটাইকেইটা স্তৰতে প্ৰত্যক্ষভাবে তেওঁ জড়িত হৈছে। অৱশ্যে বুজনসংখ্যক গানত তেওঁ আগতে তৈয়াৰ কৰি থোৱা সংগীত — সুৰৰ বাণীবন্ধনতে নিজৰ কণ্ঠদান কৰি আকৌ দৌৰিছে অন্য এক গানত কণ্ঠ দিবলৈ। একো বাদ যোৱা নাই। ৰাগ সংগীত, বৰগীত, টোকাৰি, দেহবিচাৰ, বিহু, আধুনিক, ৰোমাণ্টিক, পাশ্চাত্য, প্ৰাচ্য, বাউল, বনগীত, নতুন, পুৰণি, ৰক্, ৰেপি —চববে লগতে লীলা খেলা। কিন্তু আমাৰ আলোচনাত উল্লেখ্য হ'ল যে, সাত হাজাৰ গান গাবলৈ, প্ৰতিটো গান তৈয়াৰ কৰি বাণীবন্ধন কৰোঁতে গড় হিচাপে তিনি ঘণ্টাতকৈ অলপ বেছি লাগিলেও প্ৰায় ২৪,০০০ ঘণ্টা তেওঁ গানকে গালে এতিয়ালৈকে। ত্ৰিশৰ উৰ্ধৰ এটি অসমীয়া যুৱকে তেনেকৈ এহেজাৰ দিন গান তৈয়াৰ কৰিয়েই কটালে। মঞ্চত গোৱা, প্ৰকাশ নোহোৱা, এনেয়ে গোৱা গানসমূহৰ কথা উল্লেখ নকৰিলোৱেই যেনিবা। এয়াই অস্বীকৃত অসমীয়া নতুন প্ৰজন্মৰ নেতৃস্থানীয় নতুন প্ৰতিনিধিৰ অস্থিৰ আত্মতৃপ্তিৰ (Self-actualisation) যাত্ৰা।

মুম্বাই নগৰীৰ প্ৰচণ্ড প্ৰতিযোগিতাৰ সৃষ্টিশীল জগতখনত এইদৰে লাহে লাহে থিতাপি লৈছেগৈ এই নতুন ধাৰাৰ অসমীয়া প্ৰজন্মই। এই ধাৰাৰ প্ৰজন্মটোৰ এক বুজনসংখ্যক অসমৰ সন্তানে দৃঢ় খোজ দিছে মুম্বাই, দিল্লী, বাংগালোৰ আদি 'নতুন পৃথিৱী'ৰ নতুন নতুন বিভাগত। বিশেষকৈ সুৰ-সংগীতৰ কঠিন সৃষ্টিশীল ক্ষেত্ৰখনত নিজকে প্ৰতিপন্ন কৰিব পাৰিছে শাশ্বতী-ধ্ৰুৱ ফুকন দম্পতীয়ে। লগতে যোৰহাটৰ দুদুল দত্ত আৰু গৌতম চক্ৰৱৰ্তীৰ সংগীত ব্যৱস্থাপনা মুম্বাইৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় বুলিলেও অত্যুক্তি কৰা নহ'ব। মুম্বাইস্থিত 'গীত-ষ্টুডিঅ'ৰ মালিক অসমৰে যতীন শৰ্মাই নতুন প্ৰতিভাসমূহক বিশেষ অনুপ্ৰেৰণা দিছে। লগতে লিটন, গুৱাহাটীৰ কল্যাণ বৰুৱা, পৱন বাৰ্চৌলি আদিয়ে নিজ নিজ সুকীয়া স্থান দখল কৰি লৈছে সপোনপুৰী মুম্বাইত। সম্প্ৰতি জংকী দত্তও তবলাত যথেষ্ট নাম কৰিছে। বাঁহীৰ যাদুকৰ দীপক শৰ্মা, যেহেলাৰ আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰা মনোজ বৰুৱাৰ বিষয়ে অসমৰ বাইজে ইতিমধ্যে গম পাইছেই। এওঁলোক তাকে কৰোঁতে সচেতন বা

অৱচেতনভাৱেই তেওঁলোকৰ সৃষ্টিশীলতাৰ মাজত প্ৰকাশ কৰিছে তেওঁলোকৰ মাতৃভূমিত আয়ত্ত কৰা কৈশোৰ আৰু যৌৱনৰ অভিজ্ঞতাসমূহক। অসমৰ পৰম্পৰা, জন-গাঁথনিযুক্ত সংস্কৃতি আৰু জীৱন স্পৃহাই তেওঁলোকৰ নতুন সৃষ্টিৰাজিক সেয়ে বিশেষ মাত্ৰা দান কৰিছে। এইচাম প্ৰজন্ম অতিকে সচেতন যে, কেৱল অসমভিত্তিক সাংস্কৃতিক অভিজ্ঞতাৰে সৰ্বভাৰতীয় ক্ষেত্ৰখন জয় কৰিবলৈ যথেষ্ট নহয়। আৱশ্যাক এক প্ৰচণ্ড অধ্যৱসায়, হিন্দীকে ধৰি অন্যান্য ভাৰতীয় ভাষাৰ বিশেষ উচ্চাৰণেৰে মুক্তভাৱে গীত পৰিৱেশন কৰা দক্ষতা। লগতে তেওঁলোক অতিকে সচেতন যে, কেৱল প্ৰতিভা থাকিলেই নহ'ব। তাৰ বিকাশ আৰু গ্ৰহণৰ বাবে আৱশ্যক এক 'নেটৱৰ্ক'। লগতে 'তই থাক মই যাওঁ' ধৰণৰ ঠেলা-ঠেলিবোৰৰ মাজত বৰ্তি থাকিবলৈ আৱশ্যকীয় চাতুৰ্য আৰু টেঙৰামিখিনি আহৰণৰ বিষয়েও তেওঁলোক অৱগত। আটাইতকৈ দৰকাৰী কথা হ'ল যে --- সেই সকলোখিনিৰ মাজত, প্ৰচণ্ড কায়িক আৰু মানসিক চাপকো অতিক্ৰমি তেওঁলোকে আগবঢ়াব পাৰিব লাগিব গুণগত দিশত আৰু ব্যৱসায়িক দিশত উৎকৃষ্ট আৰু সময় সাপেক্ষ সৃষ্টি। নহ'লে তেওঁলোকৰ স্থান নাই। কিন্তু আজিৰ অসমৰ নতুন প্ৰজন্মই নীৰৱে নিজৰ স্থান উলিয়াই গজগজীয়াকৈ বহি লৈছে সৰ্বভাৰতীয় ক্ষেত্ৰখনত। এতিয়া মুম্বাইৰ অসমীয়া বুলিলে কেৱল ভূপেন হাজৰিকা আৰু জাহ্নু বৰুৱাই নহয় — বেলেগ বেলেগ ক্ষেত্ৰত বেলেগ বেলেগ বৰুৱা, শইকীয়া, ফুকন, বসুমতাৰী, গগৈ আদিৰো সমাহাৰ ঘটিছে।

এইসকল যুৱ-প্ৰজন্মৰ প্ৰতিনিধিৰ আত্মান্বেষণ যাত্ৰা বহিৰ্মুখী। বাহিৰৰ সুৰৰ জগতখনত বিচৰণ কৰি নিজকে উদ্ভাৱন কৰা তেওঁলোকৰ অৱচেতনত এক প্ৰচণ্ড হাবিয়াস। লগতে নিজৰ সুকীয়া পৰিচয়ৰ বিষয়েও এওঁলোক অতি সচেতন। অংগৰাগৰ বাবে তেওঁৰ অসমত প্ৰতিষ্ঠাৰ প্ৰচেষ্টাটো দেউতাক গণশিল্পী খগেন মহন্তৰ লগত আপেক্ষিক। সাধাৰণতে দেউতাকৰ পুৰণা গীত গাই প্ৰতিষ্ঠা একণ লাভ কৰি নিজৰ সৃষ্টি বজাৰত এৰি দিয়াটো এটি স্বাভাৱিক প্ৰক্ৰিয়া হ'ব লাগিছিল। স্থপতিশিল্প বিষয়ক 'আয়ান ব্যাণ্ডৰ বিখ্যাত উপন্যাস ফাউণ্টেইনহেইড'ৰ নায়ক হাৱাৰ্ড ৰক নামৰ চৰিত্ৰটোৰ দ্বাৰা অনুপ্ৰাণিত অংগৰাগে কিন্তু তাকে নকৰি তেওঁৰ অগতানুগতিক ব্যক্তিত্বৰ স্বাক্ষৰ হিচাপে অসমৰ ৰাইজলৈ আগবঢ়ালে 'জোনাকী ৰাতি' নামৰ উৎকৃষ্ট এলবামটো। প্ৰবাদ-পুৰুষ গীতিকাৰ কেশৱ মহন্তই যেন বুজিছিল নাতিসম ভতিজাকৰ অন্তৰ্মুখী অথচ আধুনীক আৰু পৰম্পৰা উদ্ভূত ব্যক্তিত্বৰ সমাহাৰৰ বিষয়ে। অপূৰ্ব কেইটামান গীত সেয়ে তেওঁ ৰচনা কৰিছিল অংগৰাগৰ শৈলীৰ লগত খাপ-খোৱাকৈ। অংগৰাগে উপলব্ধি কৰিছে যে, বিহু, বৰগীতকে ধৰি পৃথৱীৰ প্ৰায় সকলো লোকসংগীতেই পেণ্টাটনিক, অৰ্থাৎ পাঁচটা স্বৰৰ। বিশেষকৈ মংগোলীয়মূলৰ প্ৰভাৱ অসমীয়া পৰম্পৰামূলক গীতৰ সুৰত তেওঁ বাৰুকৈয়ে অনুধাৱন কৰে আৰু সম্প্ৰতি কৰি থকা হিন্দী এলবামত তেওঁ তাৰো কেইটামান সম্পৰীক্ষা কৰাৰ কথা ভাবিছে।

দেউতাক-মাকৰ প্ৰতি পৰম শ্ৰদ্ধাশীল অংগৰাগে পিতৃ-মাতৃলৈ উচ্ছৰ্গা কৰি শ্ৰদ্ধাঞ্জলি শীৰ্ষক গীত গোৱাৰ কথাও ভাৱিছে।

কৃষ্ণকান্ত চুতীয়া নামৰ বৰহাটৰ ভিতৰৰ অঞ্চলৰ সুৰীয়া যুৱকজন। চাহ-বাগানৰ আশে-পাশে ডাঙৰ-দীঘল হোৱা কৃষ্ণমণিয়ে 'চলগৰী'ৰ দ্বাৰাই চাম্ৰিভাবাত গীত গাই প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিলে। সংগীতৰ সুধাৰে অসমৰে নহয়, প্ৰায় সমগ্ৰ পূৰ্ব ভাৰতৰ ৰাইজক চাহ-জনজাতিৰ জীৱন ধাৰাৰ লগত পৰিচয় কৰিলে। সুকুমাৰ কলা-সমাজ তত্ত্ব আৰু বাণিজ্যক একেডাল জৰিৰে বান্ধি ভিতৰৰ অঞ্চলৰ সেই সপোন দেখা যুৱকজনে বহল পৃথিৱীত নিজৰ স্থান আছুতীয়া কৰি ল'বলৈ সক্ষম হৈছে। তেৰোঁ বিহু, বনগীত, টোকাৰি গীতকে ধৰি বড়ো আদি অন্যান্য ভাষাতো গীত গাইছে। তেনেকৈয়ে যোৰহাটৰ 'ব্ৰহ্মপুত্ৰ বয়জ' নামৰ অৰুণাভ-অমিতাভ ভাতৃদ্বয়ৰ স্বকীয় শৈলী হ'ল পাশ্চাত্য আৰু অসমীয়া লোক-সংগীতৰ সাৱধানী সংমিশ্ৰণ। 'ৰংঘৰত ৰং নাই' আৰু 'আমি অসমীয়া নহওঁ দুখীয়া' দুটি এলবামেৰে আত্মপ্ৰকাশ কৰা এই দলটিয়েও অশেষ বাধাৰ মাজেদিও অহৰহ কৰি গৈছে নতুন ধাৰাৰ সংগীতৰ সম্পৰীক্ষা। ৰংপুৰীয়া ৰভিয়াল যুৱক মানস ৰবীন, পবিত্ৰ মাৰ্ঘেৰিটাৰ যুটীয়া সংগীতৰ সৃষ্টি আৰু প্ৰচাৰৰ প্ৰকৃতিক এক নান্দনিক ৰূপ দিছে। দিগন্ত, ভাৰতী, তৰালী শৰ্মা, মহেন্দ্ৰ হাজৰিকা, বৰ্ণালী কলিতা, অনুপম শইকীয়া আদিয়েও গুণগত দিশত নিজা শৈলীৰে অসমৰ সংগীত জগতখনক সমৃদ্ধ কৰিছে।

প্ৰতিযোগিতাৰ নিষ্ঠুৰ জগতখনত হয়তো বহুতো সম্ভাবনাময় শিল্পীয়ে বাণিজ্যিক দিশটো বাদ দি কেৱল ব্যক্তিগত চৰ্চাতেই মনোনিবেশ কৰিছে। বহু প্ৰতিষ্ঠা লাভ কৰা প্ৰতিভাৱান শিল্পীৰ বিষয়ে এই নাতিদীৰ্ঘ আলোচনাত ঠাই দিয়াটো সম্ভৱ নহয়। কিন্তু অসমৰ যুৱচামৰ এক বৃহৎসংখ্যক প্ৰতিনিধিয়ে এটা যে নতুন ধাৰা আত্মবিশ্বাসেৰে প্ৰতিষ্ঠা কৰিছে, ই এক শুভ লক্ষণ। মহান আৰু প্ৰতিভাৱান অগ্ৰজসকলৰ অসম্পূৰ্ণ কাৰ্যসূচীক তেওঁলোকে পৃথিৱীৰ বহল ক্ষেত্ৰখনলৈ লৈ যাবলৈ সাহস কৰিছে। অসমৰ শ্ৰৱণেন্দ্ৰিয় আপ্লুত হৈছে, যেতিয়া চিনাকি বনগীতৰ সুৰৰ দৃশ্য-শ্ৰব্য ৰূপ সৰ্বভাৰতীয় টেলিভিছনৰ পৰ্দাত পৰিবেশিত হৈছে, দিহানাম প্ৰাৰ্থনাৰ চিনাকি সুৰত শুনি যেতিয়া ভাৰতৰ সমূহ ৰাজ্যই বাহ্‌বা দিছে। কেৱল এইচাম প্ৰতিভাৱান যুৱক-যুৱতী সাৱধান হ'ব লাগে। 'মইৰৰ' ভাব ত্যাগ কৰি শতিকাজোৰা পৰম্পৰাগত সংগীতৰ ধাৰাৰ লগত সম্পৰীক্ষা কৰোঁতে যাতে তেওঁলোক সাৱধান হয়। 'বৰগীত' ৰক হ'ব নোৱাৰে। ঠিক তেনেকৈ বিহু বিহুৱেই। এই ধৰণৰ সাংগীতিক ধাৰা এক জীৱন্ত পৰম্পৰা, যাৰ জৰিয়তে অসমৰ সত্তাই আধ্যাত্মিক আৰু সামাজিক প্ৰাপ্তিৰ সাধনা কৰে। এতিয়া নেতৃত্ব লোৱাৰ সময়। অসমীয়া যুৱ সত্তাৰ উচ্চ মানদণ্ডৰ সৃষ্টি ৰাজিৰ পৰিশীলনৰ যোগেদি এক নতুন পথ সন্ধানৰ নেতৃত্ব লোৱাৰ সময়। যি পথত বিয়োগাত্মক আৰু সুবিধাবাদী প্ৰৱণতা ত্যাগ কৰি অসমৰ নতুন প্ৰজন্মই আত্মপ্ৰতিষ্ঠাৰ গোজ বোলাব অশেষ দৃঢ়তা আৰু প্ৰত্যয়েৰে। •



# আব্দুল কুদ্দুছ

**জন্ম :** ১ চেপ্তেম্বৰ ১৯৫০ খ্ৰীষ্টাব্দত মৰিগাঁও জিলাৰ মৈৰাবাড়ী মৌজাৰ বহলামুখত।

**পৰিচয় :** পিতৃ প্ৰয়াত ফজৰ আলী, মাতৃ প্ৰয়াত মানিকজান বিবি, বৰ্তমান তেওঁ আৰু তেওঁৰ এজনী বায়েক জীবিত আছে।

**শিক্ষা :** বহলামুখ এল পি স্কুলৰ পৰা প্ৰাথমিক শিক্ষা, মৈৰাবাড়ী মৌজাৰ ৰবথল দলৈগাঁও হাইস্কুলৰ পৰা মধ্যমভাগ, নগাঁও এ.ডি.পি. কলেজৰ পৰা উচ্চ শিক্ষা।

**চাকৰিত যোগদান :** ১৯৭৩ চনৰ মাৰ্চ মাহত নগাঁৱৰ ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত শিক্ষক ৰূপে। ১৯৮১ চনৰ জানুৱাৰী মাহত কাৰ্যবাহী দণ্ডাধীশ ৰূপে আৰু ১৯৮১ চনৰ ৭ এপ্ৰিলত পুলিচ ট্ৰেইনিং কলেজত ডি এচ্ পি probationer ৰূপে।

**বৰ্তমান :** ১ম অসম আৰক্ষী বাহিনীৰ অধিনায়ক ৰূপে কাৰ্যনিৰ্বাহ।

**বিবাহ :** ১২ ডিচেম্বৰ ১৯৭৬ খ্ৰীষ্টাব্দত নগাঁৱৰ চুলতানা নাজলী বেগম (মীৰা)ৰ

সৈতে বিবাহ-পাশত আবদ্ধ। এজন পুত্ৰ আৰু দুই কন্যাৰে তেওঁৰ সুখী সংসাৰ।

**ভাল লগা বিষয় ঃ** প্ৰকৃতি পাঠ, দৰ্শন, সাহিত্য, মানৱ অধিকাৰ।

**সৃষ্টি ঃ** গ্ৰন্থ সংকলন ক্ৰমে - 'দৃষ্টিপাত', 'The Mirage of Terrorism', 'নীলাপাহাৰৰ জুই'(প্ৰকাশ পোৱাৰ পথত)। ইয়াৰোপৰি প্ৰবন্ধ এখন আৰু অন্যান্য ৰচনা দুখন প্ৰকাশিত।

**ভৱিষ্যত পৰিকল্পনা ঃ** অৱসৰ লোৱাৰ পিছত এন.জি.ও খুলি সামাজিক কাম তথা স্বাস্থ্য, শিক্ষা আৰু অৰ্থনীতিমূলক বিভিন্ন কাম কৰাৰ মানসিকতা।

**অসম বাসীলৈ বাৰ্তা ঃ অসমৰ সকলো সম্প্ৰদায়ৰ মাজত মিলাপ্ৰীতি স্থাপন কৰি শক্তিশালী অসম গঢ়ি তোলাৰ চেষ্টা কৰা আমাৰ সকলোৰে বাবে জৰুৰী বিষয়। ক্ষমতাত অধিষ্ঠিত থকা সকলে ভ্ৰষ্টতা বৰ্জন কৰি অসমৰ প্ৰগতিৰ বাবে কৰ্ম সাধন কৰক, দৃষ্টিভংগী বহল কৰক।**

**বৰ্তমানৰ ঠিকনা ঃ** ১ম অসম আৰক্ষী বাহিনীৰ অধিনায়ক, পোঃ অঃ লিগিৰি পুখুৰী, নাজিৰা, জিলা- শিৱসাগৰ (অসম)।

## <u>সংকলকৰ চমু টোকা</u>

**আব্দুল কদ্দুচ —** এ.পি.এছ. বিষয়া আব্দুল কদ্দুচদেৱ এজন গল্পকাৰ হিচাবে পৰিচিত যদিও The Mirrors of Terrorism নামৰ গ্ৰন্থখন বৰ্তমান অসমৰ অগ্নিগৰ্ভা সন্ত্ৰাসবাদৰ সমস্যাৰ ওপৰত আলোকপাত কৰি লিখাৰ বাবে গ্ৰন্থখনে সমাদৰ লাভ কৰিছে। সমাজত ভ্ৰষ্টতা নাশ কৰি সকলোৰে সাম্প্ৰদায়িকতাৰ হেঙাৰ ভাঙি মিলাপ্ৰীতিৰে এখন সুস্থ সমাজ গঢ়াত আগবাঢ়িব লাগে বুলি তেখেতে আহ্বান জনাইছে। ফোঁপোলা গণতন্ত্ৰৰ ওপৰত তেখেতৰ আস্থা নাই। প্ৰকৃত গণতন্ত্ৰৰ সংজ্ঞাক উপলব্ধি কৰি এখন সুস্থ সবল গণতান্ত্ৰিক ৰাষ্ট্ৰ গঠনৰ ইঙ্গিত আছে তেখেতৰ লিখনিত। এজন সম্ভাৱনাপূৰ্ণ সাহিত্যিকৰ পথ-পদৰ্শক ৰূপে কদ্দুচদেৱৰ নিদৰ্শন ল'ব পাৰি।

# হেমন্তৰ মিঠা সন্ধিয়াত আত্মাৰ অন্বেষণ

## আব্দুল কুদ্দুছ

কেউপিনে ফৰকাল। নাতিশীতোষ্ণ মনোৰম বতৰ। দুমাহ আগতে এনে ৰূপ নাছিল পৃথিৱীৰ। চাওঁতে চাওঁতে যাদুৰ দৰে আকাশখন নীলা, নিৰ্মল আৰু মুকলি হৈ পৰিছে। পুৱাৰ পাতল কুঁৱলিখিনিও লাহে লাহে আঁতৰি গৈছে। মাথোন শেৱালি তলত সিচৰিত হৈ পৰি আছে তৰালীৰ দৰে শুভ্ৰ-সুন্দৰ শেৱালি ফুল আৰু বতাহত বিৰাজ কৰিছে তাৰ আমেজভৰা মিঠা সুৰভি। বাট পথৰ বোকা পানী শুকাই সুচল সুন্দৰ হৈছে হেমন্তৰ শান্ত প্ৰকৃতি। দূৰ দিগন্তলৈ বিয়পি আছে সেউজীয়া ধাননি। নিজৰা পাৰৰ কোমল কোমল কঁহুৱা ফুলবোৰে যেন হাত-বাউলি মাতে। অকাৰণত বাউলি থাকে যৌৱন সুলভ আনন্দৰ গীত। ৰিব ৰিব মলয়াত যেন কুমলীয়া ফুলপাতৰ মৃদু কঁপনি উঠে। প্ৰাকৃতিক মধুৰিমালৈ চালে চকু ৰৈ যায়, পৰাণ জুৰায়। পথাৰ ওপচা ধাননি দেখি সৰল প্ৰাণৰ কৃষকৰ মনত হাজাৰ আশাই কুণ্ডলী পকায়। ৰাতিৰ নীৰৱতাৰ পিছত দিনৰ সোণালী পোহৰত মতলীয়া হ'য় পৃথিৱীৰ সকলো জীৱন। কিন্তু এই পোহৰ জানো একেৰাহে থাকে?

দিনৰ পিছত পুণৰায় ৰাতি অৱধাৰিত হৈ আহে। চক্ৰকাৰে চলি থাকে দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিন। চক্ৰৱতে চলি থাকে প্ৰাকৃতিক শৃঙ্খলা। পশ্চিম আকাশৰ বুঢ়া বেলিটো দিগন্তৰ সিপাৰে সিঁচৰিত হৈ থকা ৰাঙলী আভাৰ তলেৰে ক্ৰমাগত লুকাই পৰাৰ সময়তে জাকে জাকে বগলি বোৰ উৰি যায় কৰবাৰ গছৰ ডালত বহি ৰাতিটোৰ বাবে বিশ্ৰাম ল'বলৈ। বগলি আৰু কাউৰিৰ জাকবোৰ উৰি যোৱাৰ পিছতে জাকে জাকে উৰি যায় দূৰ দূৰণিৰ বিলৰ পানীত আহাৰ বিচাৰি। হেমন্তৰ মনোৰমা এইৰূপ প্ৰতি বাৰে আহে পৃথিৱীলৈ হাজাৰ হাজাৰ বছৰ ধৰি। কাৰ বাবে সৃষ্ট এই ৰূপ মাধুৰী?

এদিন হেমন্তৰ এনে এক শান্ত, সমাহিত সন্ধিয়াত চন্দ্ৰমোহন অকলশৰে ওলাই যায় আগফালৰ দীঘলীয়া চোতালখনৰ সিটো কাষলৈ। চোতালখনৰ কাষেৰে পাৰ হৈ গৈছে গাঁৱৰ এটা পুৰণি বাট, বাটৰ কাষৰ শাৰী শাৰী পুৰণি গছ-গছনি বোৰে পৰিবেশটো গহীন কৰি ৰাখিছে। মানস পটত প্ৰস্ফুটিত হৈ উঠা বাব চিন্তাবোৰ পাগুলি পাগুলি চন্দ্ৰমোহন কাকতি সেই বাটেৰে আগবাঢ়ি গ'ল কিছু আগলৈ। চিনাকি বাটপথবোৰ যেন কেতিয়াবা হৈ পৰে কিবা ৰহস্যৰ অলি-গলি। বাৰুন বা দুকুৰি বাৰ বছৰীয়া চন্দ্ৰমোহন কাকতি বিগত জীৱনত এইবাটেদি অহা যোৱা কৰিছে অলেখবাৰ। সৰুতে ফুৰিছিল দেউতাকৰ আঙুলি মূৰত ধৰি ধৰি। তাৰ পিছত সমনীয়া চেমনীয়াৰ লগত, পিছত বন্ধু বান্ধৱৰ লগত হাঁহি মাতি। আৰু এতিয়া ফুৰে অকলে। তেওঁ বুজিব নোৱাৰে প্ৰিয় বাৰু

মনৰ ভাব চিন্তাবোৰ সদায় সলনি হয়। এই বাটেদি অহা যোৱা কৰোঁতে তেওঁ সদায় বেলেগ বেলেগ কথা ভাবে। আন সময়তো তেওঁ ভাবে। কিন্তু ভাববোৰ কেতিয়াও একে গাঁথনিত একে বিষয়ৰ হৈ নাথাকে। আজি এই কথাটোকেই প্ৰবল এটা প্ৰশ্নৰ ৰূপত তেওঁৰ মনলৈ আহিছে বাৰে বাৰে। কিয় বাৰু এনে হয়? কোনে নিয়ন্ত্ৰণ কৰে মানৱমনৰ চিন্তাৰ এনে অদৃশ্য জগতখনক? জগতৰ চিন্তাৰ ডবিয়নি আছে কাৰ অধীনত? ক্ষন্তেক পিছতে মনলৈ কি ভাব আহিব কোনো মানুহেই তাক আগতীয়াকৈ কেতিয়াও ক'ব নোৱাৰে। তেন্তে মানুহৰ ক্ষমতাৰ প্ৰসাৰ বাৰু কিমান বিস্তৃত?

এনে ৰহস্যৰ আঁত বিচাৰি চন্দ্ৰমোহন আজি ধ্যাণমগ্ন মুনিৰ দৰে গহীন। জগতৰ উন্মত্ত মানুহৰ ধ্বংসাত্মক কাৰ্যবোৰে জীৱনৰ ক্ষতি কৰা নাই জানো? কথাবোৰ ভাবি ভাবি আগবাঢ়ি গৈ থাকোতে তেওঁৰ মূৰৰ ওপৰৰ আকাশেৰে 'পিঁও পিঁও' কাকলিৰে লগৰীয়া বোৰক কিবা ইঙ্গিত দি উৰি গ'ল আচহুৱা এটা শৰালি হাঁহৰ জাক। চন্দ্ৰমোহনে অনুভৱ কৰিলে তেওঁৰ মন আকাশৰ দূৰ দিগন্তত যেন এক প্ৰদীপ শিখা অশান্তভাৱে কঁপি আছে।

সেই বাটেৰে আৰু কিছুদূৰ আগবাঢ়ি গৈ থাকোঁতে চন্দ্ৰমোহন হঠাৎ থমকি ৰ'ব লগা হ'ল। তেওঁৰ অতি প্ৰিয়বন্ধু ড° নিৰ্মল চন্দ্ৰ শৰ্মাৰ লগত তেওঁৰ ভেটাভেটি হ'ল। নিৰ্মল চন্দ্ৰ আহি আছিল তেওঁকে লগ ধৰিবলৈ; অন্তৰঙ্গতাৰে কথা পাতিবলৈ। একে গাঁৱৰে যদিও তেওঁ বহুবছৰ ধৰি বাহিৰত থাকে। দূৰণিৰ মধুপুৰ কলেজত তেওঁ চাকৰি কৰে। তেওঁ সেই কলেজৰ ৰাজনীতি বিভাগৰ মূৰব্বী প্ৰবক্তা। বহুদিন দেখা দেখি নাই হোৱা বাবে তেওঁ আহি আছিল চন্দ্ৰমোহনক লগ ধৰি বা-বতৰা ল'বলৈ। পূজাৰ বন্ধত তেওঁ ঘৰলৈ আহিছে। সেয়ে সন্ধিয়া পৰত ওলাই আহোঁতে বন্ধুজনৰ লগত সাক্ষাৎ হোৱাত খন্তেকৰ বাবে দুয়োৰে মনত আনন্দ লাগিল। মনে বিচৰা জনক লগপাই সঁচাকৈ পৰস্পৰৰ ভাল লাগিল।

দয়ো বন্ধুৱে একেলগে আহি চন্দ্ৰমোহনৰ ঘৰতে বহিল। চন্দ্ৰমোহন এজন উচ্চ শিক্ষিত লোক। দৰ্শন বিষয়ৰ এম.এ। তেওঁ গাঁৱৰে উচ্চতৰ বিদ্যালয়ত শিক্ষকতা কৰে। বহুদিনৰ পিছত দুয়ো বন্ধুৰ মিলনত ক্ৰমে উচ্চমাৰ্গৰ অন্তৰঙ্গ আলাপ আলোচনাই ঠাই পালে।

ঘৰুৱা খা-খবৰ কুশল মঙ্গলৰ কথাৰ পিছত চাহ জলপান খাই লৈ উভয়ে আন্তৰিকতাৰে আলোচনা আৰম্ভ কৰিলে জীৱন আৰু সমাজক সাঙুৰি। সমাজ, দেশ, ৰাজনীতি, অৰ্থনীতি, ভূত-ভৱিষ্যত, জনমানসিকতা, আধুনিকতা আদি বিভিন্ন বিষয়ৰ তত্ত্বদৰ্শনমূলক আলোচনা হ'ব ধৰিলে তেওঁলোকৰ মাজত। তেওঁলোকৰ আলোচনাত সঠিক অৰ্থত বাস্তৱতাই ঠাই পালে। এনে সগভীৰ আলোচনা, পৰ্যালোচনা আজিৰ দিনত জৰুৰী হৈ পৰিছে। চন্দ্ৰমোহনে সুধিলে - 'নিৰ্মল, মধুপুৰ কলেজত তোমাৰ কেনে লাগিছে?'

নির্মল- 'কলেজখন ভালেই' কিন্তু আগৰ সেই শৈক্ষিক পৰিবেশ আৰু আনন্দ-অনুৰাগ আজি আৰু নাই। প্ৰকৃত বিদ্যা অৰ্জনৰ মানসিকতাৰ ধাউতিৰ সলনি কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ প্ৰমাণ-পত্ৰ গোটোৱাত বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মনোযোগ। আজিৰ দিনত বাহ্যিকতাই আন্তৰিকতাৰ ঠাই দখল কৰা যেন লাগিছে। ছাত্ৰ আৰু শিক্ষকৰ মাজৰ সম্বন্ধও আগৰ দৰে নাই। কিবা যেন হেৰাই গৈছে, মনত কিবা যেন সন্দেহ আছে এনে অনুভৱ হয়। সমাজ আধুনিকতাৰ ফালে আগবাঢ়ি যোৱাৰ ফলত কোনেও কাকো সমীহ নকৰাৰ দৰে হৈছে। প্ৰকৃততে লাহে লাহে সমাজৰ নৈতিক অধঃপতন হৈ আহিছে। ইয়াৰ প্ৰকৃত কাৰণ নিৰূপন আৰু নিৰাময় কৰাৰ প্ৰয়োজন হৈ পৰিছে। সঁচা অৰ্থত ক'বলৈ গ'লে আজিকালি প্ৰায়সকল শিক্ষক আগৰ দিনৰ শিক্ষকৰ দৰে সূক্ষ্মদৰ্শী, সতৰ্ক, সৰল, আদৰ্শবাদী আৰু নিষ্ঠাবান নহয়। ছাত্ৰও আগৰ দৰে অমায়িক আৰু সত্যানুগামী হৈ থকা নাই। সেয়ে ছাত্ৰ-শিক্ষকৰ মাজৰ পৰা পাৰস্পৰিক আদৰ, সম্ভ্ৰম, সদ্ভাৱ, ভয়-ভক্তি, মঙ্গল কামনাৰ গভীৰতা, মনৰ অৱধান, মান আৰু আন্তৰিক সম্পৰ্ক ক্ৰমাগত কমি যোৱা যেন অনুভৱ হৈছে। সমাজৰ এই অধঃগতিৰ কাৰণবোৰ ফঁহিয়াই উলিয়াই তাক নিৰ্মূল কৰিব পৰা হ'লে জীৱনৰ সুবদি চানেকি আগৰ দৰে পুনঃ প্ৰতিষ্ঠিত হ'লহেঁতেন বুলি মই ভাবোঁ। নীতি আদৰ্শৰ স্থিতি অবিহনে সমাজ আৰু জীৱনৰ ক্ষতি হোৱা স্বাভাৱিক।'

চন্দ্ৰ : - চন্দ্ৰ-সূৰ্য, গ্ৰহ-তৰা, বায়ু-পানী, প্ৰকৃতি প্ৰায় একে আছে। প্ৰকৃতিৰ যদি কিবা পৰিবৰ্তন হৈছে সেয়া মানুহৰ অসংগতিপূৰ্ণ কাৰ্যকাৰ্যৰ ফলতহে হৈছে। মানুহৰ জীৱনৰ পৰা হেৰাই যোৱা শান্তি আৰু সংহতিৰ বাবে মানুহ নিজেই দায়ী। মানৱতাৰ আদৰ্শ আৰু মূল্য বোধৰ গৰাখহনীয়া আৰম্ভ হৈছে। মৌলিক মূল্যবোধৰ অৱক্ষয় আৰু অন্যায় অনীতিৰ তীব্ৰ প্ৰতিযোগিতা চলিছে। সমাজৰ সৰলপন্থী সকলৰ জীৱন জটিল হৈ আহিছে। দুৰ্নীতিকাৰী সকলৰ দুৰ্বাৰ গতিবিধিয়ে সমাজ আৰু শিক্ষাজগতত ভয়ানক প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। অৱশ্যে, দেশ আৰু সমাজত জনসংখ্যা বাঢ়ি অহাৰ ফলতে সকলো ক্ষেত্ৰত প্ৰতিযোগিতাৰ ভাব গঢ় লৈ উঠিছে। প্ৰতিযোগিতাৰ তীব্ৰতাই ভাঙি দিছে নৈতিকতাৰ সীমাৰেখা; খুলি দিছে দুৰ্নীতিৰ মুখ্য দুৱাৰ।

নিৰ্মল : - "দুৰ্নীতিৰ খোলা দুৱাৰ বন্ধ কৰাৰ উপায় জানো নাই?"

চন্দ্ৰ : - 'উপায় নাই বুলি মই নাভাবোঁ। দুৰ্নীতি মানুহে কৰে। মানুহেই তাক বন্ধ কৰিব পাৰিব। তাৰ বাবে প্ৰয়োজন কিছু উপলব্ধিৰ, কিছু সংযমৰ। প্ৰকৃত সত্য উপলব্ধি কৰিব পাৰিলে, জীৱনৰ মূল্য উপলব্ধি কৰিব পাৰিলে, মানুহে বেয়া কাম কৰিবলৈ ইচ্ছা নকৰিব। নিজ স্বাৰ্থত অন্ধ হৈ পৰাতকৈ নিজৰ প্ৰয়োজনৰ সীমাৰেখাৰ ভিতৰত অৱস্থান কৰিব পৰাটো প্ৰকৃত মানৱবাদৰ পুণ্য আদৰ্শ। তেনে আদৰ্শত সংঘাত সৃষ্টি হ'ব নোৱাৰে। নিজৰ প্ৰয়োজন বুজি পোৱাতে জীৱনৰ মঙ্গল নিহিত হৈ থাকে। প্ৰয়োজনৰ লক্ষণৰেখা ঠাৱৰ কৰিব নোৱাৰিলে মিছা গৌৰৱ আৰু বিভূতিলাভৰ তৃষ্ণা বাঢ়ি যায়। সেই তৃষ্ণাই

জীৱনক ঠেলি দিয়ে দুৰ্নীতিৰ সাগৰতীৰলৈ। সেই তৃষ্ণাৰ সাগৰ তলিবিহীন। সেই সাগৰত এবাৰ পৰিলে পৰিত্ৰান পোৱা টান।'

নিৰ্মল ঃ - "মানুহৰ এনে তৃষ্ণা বঢ়াৰ প্ৰকৃত কাৰণ বাৰু তুমি কি বুলি ভাবা?"

খন্তেক টলকামাৰি থাকি চন্দ্ৰই ক'বলৈ লয় - "আচলতে জীৱনমাত্ৰৰে নিজস্ববোধ (Possessiveness) আছে। সেই কাৰণে চিকাৰৰ মঙহ লৈ জীৱজন্তুৰ মাজত টনাটনি হয়; যুদ্ধ হয়, শিয়াল, কুকুৰ, কাউৰী, চিলনী আদিয়ে কিবা আহাৰ জাতীয় বস্তু পালে সিহঁতৰ মাজতে খোৱা-কামোৰা লাগে। মানুহৰ ক্ষেত্ৰতো প্ৰায় একে কথা। বৰ্তমান কালত মানুহৰ মাজত আগৰ তুলনাত খোৱা-কামোৰা বেছি হৈছে।"

নিৰ্মল ঃ- জন্তু আৰু মানুহৰ মাজত যদি একে কথা হয় তেন্তে, বিবেক-বিবেচনা, আইন-কানুন, ন্যায্যতা-সুবিচাৰ, ধৰ্ম শিক্ষা-গুৰুৰ বাণী, দয়া-মমতা আদিৰ অৰ্থ ক'ত?

চন্দ্ৰ ঃ - "তুমি অতি প্ৰবীণভাৱে বৰ গভীৰ কথা কলা। দকৈ তত্ত্ব বিচৰা মানুহ আজিকালি পাবলৈ টান। স্বাৰ্থত অন্ধ হ'ব পৰা মানুহৰ বিবেক বা স্বভাব বেলেগ। সকলো মানুহৰ স্বভাব একে নহয়। পৰম্পৰাও একে নহয়। নীচ প্ৰকৃতিৰ প্ৰাণীয়ে খোৱা বস্তুলৈ পৰস্পৰে টনাটনি কৰে। উন্নত মানৱ প্ৰাণীয়ে তেনে নকৰে বা কম কৰে। সিহঁতে নিজে বিচাৰি পোৱা খিনিতেই সন্তুষ্ট থাকে। তেনেদৰে ভাল মনৰ লোকে কেতিয়াও গৰ্হিত কাম নকৰে। তেওঁলোকে নিজৰ বংশ আৰু পৰম্পৰাৰ মৰ্যাদা ৰাখে। প্ৰকৃত শিক্ষিত বা জ্ঞানী লোকেও গৰ্হিত কাম নকৰে। তেনেলোকৰ সংখ্যা সমাজত বৰ কম।"

নিৰ্মল ঃ- "যি সকল লোক দেশৰ শাসন কাৰ্যত অধিষ্ঠিত তেওঁলোকে যদি সংযমী নহয়, তেন্তে দেশৰ শান্তি-সমৃদ্ধি সম্ভৱ নহয়। আমাৰ দেশৰ বৰ্তমান অৱস্থা হতাশাজনক।"

চন্দ্ৰ ঃ - ৰাজনীতিৰ অধ্যাপক হিচাপে, বৰ্তমান ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি তোমাৰ ধাৰণা কেনে?

উত্তৰ দিয়াৰ আগতে নিৰ্মলে মিচিকি হাঁহি এটা মাৰি ক'বলৈ ধৰিলে - "আজিকালিৰ যুগত ৰাজনীতিৰ অধ্যাপক সকলতকৈ অৰ্ধশিক্ষিত বা অল্প শিক্ষিত পাষণ্ড শ্ৰেণীৰ ৰাজনৈতিক নেতা পালিনেতাৰ ৰাজনৈতিক দৌৰ আৰু দৰ্প-দম্ভালি বেছি। বৈষয়িক তত্ত্বজ্ঞানৰ ওপৰত বোকা পানী চটিয়াই, একাৰবীয়াকৈ পেলাই থৈ তেনে শ্ৰেণীৰ লোকে প্ৰায়ে দেশৰ ৰাজনৈতিক আসন দখল কৰি থকা দেখা যায়। কম গণতন্ত্ৰত ৰাইজৰ ভূমিকা প্ৰবল হোৱা উচিত। কিন্তু, আমাৰ দেশত এতিয়াও সৰ্বসাধাৰণ ৰাইজে গণতন্ত্ৰৰ তত্ত্ব তথা সাৰমৰ্ম বুজি উঠা নাই। প্ৰকৃততে, ৰাজনীতিৰ লগত সমাজনীতি, অৰ্থনীতি, প্ৰতিৰক্ষানীতি, বিকাশ নীতি, শিক্ষানীতি আদি সকলো দিশৰ প্ৰত্যক্ষ বা পৰোক্ষ সম্বন্ধ আছে। মানৱ ইতিহাসৰ পোহৰত চালে দেখা যায় যে ধৰ্মৰ ওপৰতো ৰাজনীতিৰ ছাঁ পৰে। ৰাজনীতিয়েই জীৱনধাৰাৰ ডবিয়নি বুলি কোৱাৰ বহুত

যুক্তি আৰু উদাহৰণ আছে। আমাৰ দেশৰ ৰাজনৈতিক ধাৰা বা চৰিত্ৰৰ নাম গণতন্ত্ৰ বা প্ৰজাতন্ত্ৰ। গণতন্ত্ৰ আধুনিক পৃথিৱীৰ আটাইতকৈ উত্তম ৰাজনৈতিক ধাৰা বুলি গণ্য কৰা হয়। গণতন্ত্ৰত সকলো নাগৰিকৰ সমান অধিকাৰ থাকে বাবেই ই অতি উত্তম পন্থা। কিন্তু দুখৰ বিষয়, পৃথিৱীৰ বহুত দেশত প্ৰকৃত বা সঠিক গণতন্ত্ৰ (True Democracy) বৰ্তি থকা নাই। আমাৰ গণতন্ত্ৰৰ নমুনা দিনক দিনে সলনি হ'ব ধৰিছে। প্ৰবঞ্চনা, অৰ্থলোভ, পাপাচাৰ আদি জঘণ্য মানসিকতাই টলাব নোৱাৰা ৰাজনীতিজ্ঞৰ সংখ্যা আজি আঙুলিমূৰত গনিব পৰা অৱস্থা। ব্যক্তি স্বাৰ্থ, দলীয় স্বৰ্থ, স্বজন প্ৰীতি, জাতিগত চিন্তাধাৰা আদি সংকীৰ্ণ ভাৱধাৰাই গণতন্ত্ৰৰ টেঁটু চেপি ধৰিছে। ব্যক্তিস্বাৰ্থৰ প্ৰবল প্ৰতিযোগিতাই সকলো আঁৰবেৰ ভাঙি আত্ম প্ৰকাশ কৰা দেখা যায়। আজিৰ যুগৰ ৰাজনৈতিক দলবোৰত যথাৰ্থ চিন্তাসম্পন্ন মুষ্টিমেয় কেইজনমান ব্যক্তিয়েহে সঠিক নীতিত চলিবলৈ চেষ্টা কৰে। ভাৰতবৰ্ষৰ দৰে বিশাল জনবসতিৰ দেশত সেইসকলৰ দৰে প্ৰকৃষ্ট ভাৱ চিন্তাৰ নেতাৰ সংখ্যা নিচেই কম। আনফালে নাগৰিক বা ভোটাৰ সকলো প্ৰকৃত অনুভৱ আৰু সঠিক শিক্ষাৰ অভাৱত দৃঢ়নিয়মী হ'ব নোৱাৰে। তেওঁলোকৰ মাজত দূৰদৰ্শীতাৰ অভাৱ। তেওঁলোকে সঠিক ব্যক্তিক নিৰ্বাচন কৰি পঠাব নোৱাৰে। টকা পইচাৰ মোহ, অশিক্ষা, আৰ্থিক অনাটন, ৰাজনৈতিক চেতনাৰ অভাৱ তথা উদাসীনতাই বিশাল জনতাক কোঙা কৰি ৰাখিছে। সঠিক সদস্য নিৰ্বাচন কৰা দূৰৰ কথা, নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ মানসিকতা তেওঁলোকে হেৰুৱাই পেলাইছে। প্ৰচাৰৰ ইন্দ্ৰজালৰ মেৰ পাকত আৱদ্ধ হৈ বহুতে ভোট দান কৰে। তাৰ ফলত অবাঞ্চিত বা অসঞ্জাতী লোক নিৰ্বাচিত হয়। সেইকাৰণে আমাৰ দেশত কোনো চৰকাৰেই আশাশুধীয়াভাৱে সকলো দিশত উন্নতিৰ চমক দেখুৱাব নোৱাৰে। প্ৰকৃত সত্য উপলব্ধি কৰিব নোৱাৰালৈকে ভাৰতবাসীৰ বাবে আশাশুধীয়া উন্নতিৰ বাট অচিনাকি হৈ ৰব যেন লাগে। আজি আমাৰ দেশবাসীয়ে এই কথা উপলব্ধি কৰা অতি প্ৰয়োজন। যি সকল লোকে নিজ স্বাৰ্থৰ বাবে নিয়ম-নীতি উপেক্ষা কৰে তেওঁলোকে দেশ আৰু জনতাক ধ্বংসৰ পিনে আগুৱাই নিয়ে। প্ৰয়োজনতকৈ অধিক সম্পদে মানুহক অকৰ্মণ্য কৰে। কথিত আছে - "পাতৰ দৰে গছত টকা লাগি থাকিলে সপ্তাহৰ প্ৰতিটো দিনেই একোটা দেওবাৰ হ'ব।" জীৱন আৰু সমাজৰ গতিৰুদ্ধ হৈ পৰিব। সাধাৰণ বুদ্ধি সত্ত্বাৰ স্বাৰ্থলোভী আৰু সংকীৰ্ণমনৰ ৰাজনৈতিক নেতাসকলেই গণতন্ত্ৰৰ হন্তা। প্ৰকৃত গণতন্ত্ৰক জীয়াই ৰাখিবলৈ হ'লে জনগণ আৰু ৰাজনীতিজ্ঞসকল সৎ আৰু নিৰপেক্ষ স্বভাৱৰ হ'বই লাগিব। বৰ পৰিতাপৰ বিষয় যে, আমি তাৰ পৰা বহু দূৰৈত অৱস্থিত। আচলতে দেশৰ সকলো ৰাইজৰ বা অধিকাংশ ৰাইজৰ অধিক উপকাৰ সাধিব পৰা ৰাজনীতিৰ নামেই গণতন্ত্ৰ। বৌদ্ধধৰ্মৰ মতে বহুজনৰ হিত আৰু বহুজনৰ সুখৰ বাবে কৰা কৰ্মই ধৰ্ম। তেন্তে, তেনে চিন্তাই গণতন্ত্ৰৰ মূল নহয় জানো ? পৃথিৱীৰ সকলো ধৰ্মতে জনহিত, জনকল্যাণৰ কথা উল্লেখ আছে। তেন্তে জনহিত নকৰি নিজৰ স্বৰ্থপূৰণ কৰা অধৰ্ম

নহয়নে?”

নির্মলৰ আবেগপূৰ্ণ কথাবোৰে চন্দ্ৰমোহনক আৰু অধিক আবেগপূৰ্ণ কৰি তুলিলে। নিজ শক্তিৰে লৰাব নোৱাৰা বিয়াগোম আকৃতিৰ শিল এটা বাটত পৰি থাকি বাট বন্ধ কৰি ৰখাৰ নিচিনা অনুভৱ হ'ল তেওঁৰ। দীপ্তিমন্ত চকুযোৰ মেলি গহীণ মাতেৰে তেওঁ এইবাৰ ক'বলৈ ধৰিলে - সঁচা অৰ্থত জনগণৰ জাগৰণৰ প্ৰয়োজন। সেই জাগৰণ হ'ব লাগিব চেতনাদীপ্ত, গঠনমূলক আৰু সাম্যভাৱধাৰাৰে পুষ্ট। সকলো সংকীৰ্ণতাক পৰিহাৰ কৰি সাম্প্ৰদায়িক ভেদ বুদ্ধিৰ উৰ্ধত উঠি সাম্যবাদৰ আদৰ্শ আগত ৰাখি ৰাজনীতিৰ ভেটি দৃঢ় কৰিব পৰাতেই নিৰ্ভৰ কৰিব দেশৰ ভৱিষ্যৎ মঙ্গল। তাৰ বাবে জনগণৰ যথাৰ্থ শিক্ষাৰৰ প্ৰয়োজন। দেশৰ বাতৰি কাকত আৰু আলোচনী সমূহে এই জ্ঞানৰ নতুন পোহৰ বিলাব পাৰে। বাতৰি কাগজবোৰত লিখা হয় যদিও সেই লিখা এতিয়াও সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য বা আদৰণীয় হ'ব পৰা নাই। প্ৰকৃতি যিদৰে উদাৰ, আকাশ বতাহ যেনেকৈ মুক্ত, মানুহৰ ভাৱধাৰাও সেইদৰে উদাৰ হোৱা বাঞ্চনীয়। সংকীৰ্ণতাৰ ভিত্তিত চিন্তা কৰি মানুহে যি পাইছে, উদাৰ হ'ব পাৰিলে তাতোকৈ অধিক শান্তি পাব বুলি সাধু সন্ত সকলৰ বিশ্বাস। ভাৰতবৰ্ষ যিমান দুখীয়া বুলি জগতত পৰিচিত; প্ৰকৃততে ভাৰতবৰ্ষ তেনে নহয়। অক্ষয় বিভূতিৰ ভাণ্ডাৰ আছে এই দেশত। সম্পদৰ সৎ ব্যৱহাৰ নোহোৱাৰ বাবে দুখীয়া বুলি অনুভৱ হয়। ভাৰতবৰ্ষৰ বৃহৎ মানৱ সম্পদ আজি বহু পৰিমাণে উপেক্ষিত। এই সম্পদক উপযুক্তভাৱে ব্যৱহাৰ কৰি কৰ্মমুখী কৰি লব পাৰিলে ভাৰতবৰ্ষই হ'ব পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ধনী দেশ। ৰাজনীতিজ্ঞ সকলৰ সকলোৱে এই কথা ভাবেনে? যদি ভাবে, তেন্তে তাৰ প্ৰণিধানযোগ্য প্ৰতিধ্বনি ক'ত? এই দিশত কৰা পৰ্যাপ্ত পৰিমাণৰ অনুশীলনী পৰিদৃষ্ট হোৱা নাই কিয়? সাম্প্ৰদায়িক মিলা প্ৰীতি আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ মজিয়াখন এতিয়াও কেঁচা হৈ আছে কিয়?

উত্তৰত নিৰ্মলে কয় - “ভাৰতবৰ্ষত এতিয়াও গণতন্ত্ৰ চালুকীয়া অৱস্থাত আছে। ইয়াৰ দ্ৰুত বিকাশৰ প্ৰয়োজন আছে। উন্নত মানসিকতাৰ বাহিৰে সমাজত উচ্চ আদৰ্শবাদ স্থাপিত হ'ব নোৱাৰে। এই দুয়োটাৰ অভাৱত গণতন্ত্ৰ ৰুগ্ন হৈ থকাই স্বাভাৱিক। এখন গণতান্ত্ৰিক দেশত প্ৰতিজন নাগৰিকৰ সামগ্ৰিক বিকাশ, নিৰাপত্তা বাহাল নাথাকিলে দেশৰ অগ্ৰগতি সহজসাধ্য নহ'ব। তাৰবাবে নাগৰিক আৰু ৰাজনীতিজ্ঞ সকলোৰে উপলব্ধি আৰু যৌথ প্ৰচেষ্টাৰ প্ৰয়োজন। পৃথিৱীৰ সকলো মানুহ আত্মসন্মানেৰে ভূষিত হৈ স্বাধীন চিন্তাৰে জীয়াই থকাৰ অধিকাৰ আছে। জন্মগত এই অধিকাৰক অস্বীকাৰ কৰিব পৰা নাযাব। মানৱ সমাজে এই অধিকাৰক স্বীকৃতি দি থৈছে।”

নিৰ্মলৰ কথাত ৰাজনৈতিক সূত্ৰৰ সত্যতা নিহিত আছে। নীতি আদৰ্শৰে গোন্ধ থকা এই কথাবোৰে চন্দ্ৰমোহনক মুহিত কৰিলে। ভাবৰ গভীৰতাত বুৰ গৈ তেওঁ কিছুপৰ চকু মুদি কিবা ভাবিলে। তাৰ পিছত গুৰু-গম্ভীৰ মাতেৰে চন্দ্ৰমোহনে ক'বলৈ ধৰিলে - “গণতান্ত্ৰিক দেশৰ সাধাৰণ বা উচ্চ আসনত অধিষ্ঠিত যি কোনো ব্যক্তিয়ে

নিজৰ স্বাৰ্থৰ বাবে আনৰ স্বাৰ্থত ব্যাঘাত জন্মালে মানৱ অধিকাৰ বিনষ্ট কৰা হয়। ৰাজশক্তিৰ অপব্যৱহাৰ কৰি নিজৰ স্বাৰ্থপূৰণৰ অধিকাৰ কাৰো থাকিব নালাগে। তেনে হ'লে সমাজত অশান্তি বিৰাজ কৰিবই।"

"এই অশান্তিৰ শেষ নাই।" নিৰ্মলে ক'লে এনে অবিচাৰ, অশান্তিৰ বাবেই সৃষ্টি হয় সন্ত্ৰাসবাদৰ। বিচাৰ বিবেচনাৰ অন্তৰ্ধান হ'লেই সন্ত্ৰাসবাদে সেই ঠাই দখল কৰি লয়। প্ৰতিশোধৰ ধোঁৱা চেকুৰাই আগবাঢ়ি আহে সন্ত্ৰাসবাদ।

'সন্ত্ৰাসবাদ', চন্দ্ৰমোহনে মূৰ জোকাৰি পুনবায় উচ্চাৰণ কৰে 'সন্ত্ৰাসবাদ'। অন্তহীন প্ৰতিশোধৰ দাবানলৰ পৰাই সৃষ্টি হয় সন্ত্ৰাসবাদ। গুলি বোমাৰেও অন্ত কৰিব নোৱাৰি সন্ত্ৰাসৰ গতিধাৰা। পৰা হ'লে আমেৰিকাৰ দৰে মহাশক্তিশালী দেশে ইৰাকী বিদ্ৰোহ নিষ্প্ৰভ কৰিব পাৰিলেহেঁতেন। আমেৰিকাৰ স্বেচ্ছাচাৰী বিধ্বংস আগ্নেয়নীতিত মানৱতাবাদ নাই কাৰণে নোৱাৰে। আমেৰিকাৰ শান্তি গানত শব্দ আছে, প্ৰাণৰ সুৰভি নাই। বাক্য আছে; বোধ নাই। দূৰদৰ্শনত দেখা পোৱা আথৰাবোৰত ছবি আছে, আন্তৰিকতা নাই। প্ৰকৃততে চাবলৈ গ'লে মানুহ প্ৰকৃতিৰ এক অঙ্গ। তেওঁলোক মহাবিশ্বৰ সমগ্ৰ সৃষ্টিৰ এক অংশ। নীতিগত ভাৱে তাক ধ্বংস কৰা নাযায়। অৱজ্ঞা বা অৱহেলাও কৰা নাযায়। মানুহ প্ৰকৃতিৰ এক অঙ্গই নহয়; স্বয়ং ঈশ্বৰৰ (Image of God) সেই গতিকে মানৱক ধ্বংস কৰিলে নিগ্ৰহত পতিত হোৱা স্বাভাৱিক।"

চন্দ্ৰমোহন কাকতিৰ দাৰ্শনিক তত্ত্বমূলক কথাবোৰ শুনি নিৰ্মলৰ অন্তৰত ভাল লাগিল। উপলব্ধি বহুতৰ আছে। উপযুক্ত মঞ্চত অধিষ্ঠিত হ'ব নোৱাৰাৰ বাবে ব্যক্তিগত উপলব্ধিবোৰ প্ৰায়ে মৰহি যায়। যি সকল উচ্চ মঞ্চত অধিষ্ঠিত, তেওঁলোকৰ বহুতৰে সংকৰ্ম্ম কৰাৰ বাস্তৱ প্ৰৱনতাতকৈ আয়ৰ সোৱাদ বেছি বাবে সঁচা উপলব্ধিবোৰক দমাই ৰাখি, মিছাৰ আশ্ৰয় লৈ গাই বাই ফুৰে বা টলকা মাৰি থাকে। নোমটেঙৰ এই শ্ৰেণীৰ লোকৰ হাতত ক্ষমতা থাকিলে দেশবাসীৰ জীৱনত কোনো সুপৰিৱৰ্তন অহা সম্ভৱ নহয়। নিৰ্মলে এইবাৰ ইতিহাসৰ সূত্ৰ ধৰি ক'বলৈ ধৰিলে "যুগে যুগে প্ৰতাপীলোকৰ আবিৰ্ভাব হয় সময়ত সেই সকলৰ জীৱন আন সকলোৰে দৰে উকলি যায়। সকলোধৰণৰ ৰংচঙীয়া বৰ্তমান বোৰ নিৰ্মমভাৱে অতীত হৈ যায়। কোনেও কাহানিও মায়াবী সময়ক ধৰি ৰাখিব নোৱাৰে। মানৱ ইতিহাসে কয় যে, একালত মিচৰত অতি প্ৰবল প্ৰতাপী শাসক সকলৰ সাম্ৰাজ্য আছিল। সময়ৰ বুকুত সকলো অতীত হৈ গ'ল। সেই অতীতৰ বৰ্তমান উপলব্ধি অতি দুঃখ লগা। মিচৰৰ মামীবোৰলৈ চালে দেখা যায় যে, মামীবোৰৰ দাঁত-মুখ ভাঙি আছে। কপাল ফাটি ফুটি আছে, চকুবোৰ গহ্বৰত পোত খাই আছে। কবি চেলীয়ে কৰা এক মৰ্মস্পৰ্শী বৰ্ণনাত আমি পাওঁ যে আজিমন্দিয়াছৰ দৰে প্ৰবল মিচৰীয় সম্ৰাট এজনৰ মূৰ্তিও আজি ভাঙি টুকুৰা টুকুৰ হৈ বালিত পোতখাই আছে। তেওঁৰ সাম্ৰাজ্যৰ চিন চাপ নাই। দিগন্ত প্ৰসাৰী শুকান বালিৰ বাহিৰে আজি তাত একো নাই।"

নির্মলৰ কথাৰ আঁত ধৰি চন্দ্ৰমোহনে মন্তব্য কৰিলে, "সকলো মানুহে সত্য উপলব্ধি কৰিব নোৱাৰে। তেনে উপলব্ধিবোৰ মনলৈ আহিলেও লোভ মোহৰ ধুমুহাই সিবোৰক শুকান পাতৰ দৰে উৰাই নি ক'ৰবাত পেলাই থয়। প্ৰকৃত উপলব্ধি কৰিব পৰাজনেই প্ৰকৃত মানুহ।" কথাষাৰ শেষ হওঁতেই নিৰ্মলে ক'লে - "প্ৰকৃত মানুহ সৃষ্টি কৰাই সমাজৰ শ্ৰেষ্ঠ কাম। মানৱৰ বাবে প্ৰথমে নিজৰ ঘৰখন তাৰপিছত সমাজখনেই বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়-সকলো। গতিকে সমাজত মানৱ সম্পদ সৃষ্টি কৰাৰ অনুশীলনী আৰম্ভ হ'লে আমাৰ ভৱিষ্যৎ ভাল হ'ব। অস্থায়ী মানৱজীৱনত প্ৰকৃত সুখ পাবলৈ হ'লে মানৱীয় আৰু ন্যায়চিন্তাৰ বিকল্প নাই। ন্যায়চিন্তা, সৎকৰ্ম, মানৱপ্ৰেম, অন্তৰৰ সৎ বিশ্বাস আদি গুণ বাজি গ্ৰহণ কৰি বিভিন্ন ধৰ্মগোষ্ঠীৰ মানুহে উৎকৰ্ষ সাধনৰ বাবে মুক্ত প্ৰতিযোগিতা আৰম্ভ কৰিলেই কমসময়ৰ ভিতৰত উৎকৃষ্ট মানৱতাবাদৰ সৃষ্টি হ'ব বুলি মোৰ বিশ্বাস।" তেওঁ আকৌ ক'লে "আচলতে সকলো মানুহৰ মাজতে শক্তি নিহিত আছে। কিন্তু দিক্‌ভ্ৰান্ত হৈ বহুমানুহে শক্তিৰ অপচয় ঘটায় প্ৰকৃত শিক্ষাৰ অভাৱত; প্ৰশিক্ষণৰ অভাৱত। যি সমাজৰ ল'ৰা-ছোৱালীক সময়তে উপযুক্ত প্ৰশিক্ষণ দিয়া নাযায়, সেই সমাজত পিছলৈ অশান্তি আৰু দুখ-দুৰ্গতি অহাটো অনিবাৰ্য। মনৰ মাজত সহ্যগুণ নিহিত হৈ নাথাকিলে ভৱিষ্যৎ জীৱন সুস্থ হৈ থাকিব নোৱাৰে। জোখ-মাপ, পৰিমান, বৰ্তমান-ভৱিষ্যৎ আৰু ফল পৰিণতিৰ জ্ঞান নাথাকিলে জীৱনলৈ অশান্তি আৰু হতাশা অহাটো খাটাং। কামকাজ কৰাৰ ক্ষেত্ৰতো শুদ্ধ সিদ্ধান্ত ল'ব নাজানিলে জীৱনত ক্ষয়-ক্ষতি হোৱাই স্বাভাৱিক। সৎ আৰু অভিজ্ঞলোকৰ দিহা পৰামৰ্শ মতে কাম কৰা সমীচীন।"

দুয়োৰে এনেবোৰ গুৰুত্বপূৰ্ণ কথাবতৰা পাতি থাকোতে বহু সময় পাৰ হৈ গ'ল। ৰাতিৰ নিৰ্জনতাত আৰু আত্মাৰ আবেগত দুয়ো বন্ধু বিভোৰ হৈ কথা পাতি সত্যৰ যেন অন্বেষণ কৰিছিল। কোনে জানে এনেবোৰ উপলব্ধিয়ে কেতিয়া যে সকলোৰে মনত তোলপাৰ লগাব।

চিন্তাত অভিভূত হোৱা নিৰ্মলে ইমানতে কথাৰ উপসংহাৰ ঘটাই চন্দ্ৰমোহনৰ পৰা বিদায় লৈ আগবাঢ়িল নিজ ঘৰলৈ। নিৰ্মলৰ দীপ্তিমান মনটোৱে আন্ধাৰ ফালি আগবাঢ়িলে পোহৰ বিচাৰি। সেই পোহৰেই যেন সাৰথি হয় সকলোৰে বাবে, তেওঁ ভাবে।

'জয় হওক মানৱতাৰ, উদ্ধাৰ হওঁক গণতন্ত্ৰ' এই কথা ভাবি ভাবি চন্দ্ৰমোহনে ভিতৰ সোমায় ধীৰ গতিৰে।



# পৰেশ চন্দ্ৰ বৰদলৈ

**জন্ম ঃ** ১৯২৬ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত সোনাৰী গাঁও, পকামুৰা, যোৰহাটত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত ৰোমেশ্বৰ বৰদলৈ, মাতৃ প্ৰয়াত আইতি বৰদলৈ, ভাই/ভনী ক্ৰমে - প্ৰয়াত পদ্মধৰ বৰদলৈ, শ্ৰী বিপিন বৰদলৈ, শ্ৰী দিলীপ বৰদলৈ, শ্ৰীমতী লাবন্য শইকীয়া, শ্ৰীমতী অমিয়া হাজৰিকা, শ্ৰীমতী ৰেনু বৰদলৈ, শ্ৰীমতী ৰীনা হাজৰিকা।

**শিক্ষা ঃ** বেজগাঁও এল.পি. স্কুল, পকামুৰা, যোৰহাটৰ পৰা প্ৰাথমিক শিক্ষা, চৰাইবাহী হাইস্কুল, যোৰহাটৰ পৰা মধ্যমভাগ, জগন্নাথ বৰুৱা কলেজ, যোৰহাট আৰু শঙ্কৰদেৱ কলেজ, চিলং, নেহু বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা।

**চাকৰিত যোগদান ঃ** ১৯৮১ চনৰ জানুৱাৰীত দেৰগাঁওত উপ আৰক্ষী অধীক্ষক হিচাবে যোগদান।

**বৰ্তমান ঃ** আৰক্ষী অধীক্ষক, বিশেষ শাখা।

**বিবাহ ঃ** ১৯৮২ খ্ৰীষ্টাব্দৰ বহাগত নগাঁৱৰ শ্ৰীমতী মীৰা বৰদলৈৰ সৈতে বিবাহ

পাশত আবদ্ধ। গুঞ্জন বৰদলৈ নামৰ পুত্ৰ সন্তান এজনৰ সৈতে তেওঁৰ সুখী পৰিয়াল।

**ভাল লগা বিষয় :** সংগীত, সাহিত্য, ধৰ্মলোচনা।

**সৃষ্টি :** গল্প সংকলন 'পৰিনতি', প্ৰবন্ধ 'পহৰাৰ দল' আৰু ছয়টি গীত ৰচনা সুৰদি প্ৰকাশ কৰা - ক্ৰমান্বয়ে- 'আমাৰ অসমৰে ভুপেন হাজৰিকা', 'ফুলকুৱঁৰী', 'ৰঙা পুলিচৰ বিহু', 'মই আই অসমীয়ে কৈছো', 'ৰঙা পুলিছৰ বিহুতে বিয়া'।

**সামাজিক কাম :** সময়ে সময়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত, বিশেষকৈ ধুবুৰীত আৰক্ষী অধীক্ষক হিচাবে থাকোতে, দোমৰদহ গৌৰিপুৰ শঙ্কৰী সংস্কৃতি প্ৰকল্পৰ সভাপতি হিচাবে থাকি প্ৰকল্প প্ৰতিস্থা কৰা, বৰ্ত্তমান ৰূপ নগৰ শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ সভাপতি পদত থাকি কিছু কাম হাততলৈ কৰি থকা হৈছে।

**ভৱিষ্যত পৰিকল্পনা :** পৰিকল্পনা বহুতেই আছে। সম্পূৰ্ণ কৰি ৰখা হৈছে - আঘোন ফাগুন, প্ৰেম আৰু প্ৰেম, ৰঙা শিমলুৰ ফুল ইত্যাদি।

**অসমবাসীলৈ বাৰ্ত্তা :** বৰ্তমান সময়ত প্ৰতিজন অসমীয়াৰ এক গধুৰ দায়িত্ব হৈছে যে অসম তথা ভাৰতবৰ্ষক উগ্ৰবাদ আৰু বিচ্ছিন্নতাবাদৰ পৰা ৰক্ষা কৰা, আৰু এক বৃহত অসমীয়া জাতি গঠনৰ বাবে নিজৰ অৰিহনা আগবঢ়োৱা।

## সংকলকৰ চমু টোকা

**পৰেশ চন্দ্ৰ বৰদলৈ** — বৰ্তমান এছ.পি. পদত অধিস্থিত এ.পি.এছ. বিষয়া পৰেশ বৰদলৈক গল্পকাৰ হিচাবে পৰিচয় দিয়াতকৈ এজন ভাল গীত ৰচক তথা গায়ক হিচাবে চিনাকি দিয়াই ভাল। তেখেতৰ সৃষ্টি 'ৰঙা পুলিচৰ বিহু' আৰু 'মই আই অসমীয়ে কৈছো' শ্ৰব্য কেছেট দুখনে শ্ৰোতাক বৰকৈ আপ্লুত কৰিছে। এই দুখন কেছেটৰ বিক্ৰীয়ে অসমত ৰেকৰ্ড কৰিছে। যিকোনো সাংস্কৃতিক সভালৈ তেখেতক আমন্ত্ৰণ কৰিলে সেই সভাত উপস্থিত হোৱাটো তেখেতৰ এটা বৈশিষ্ট আৰু সভাত সুবিধা পালেই শ্ৰোতাৰ অনুৰোধত তেখেতে নিজা সৃষ্টিৰ গীত (বিহুগীত) এফাকি গাবই। এয়া সাংস্কৃতিক দিশৰে উৰ্বৰা তেখেতৰ মনৰ তাড়না বুলিয়ে কোৱা ভাল হ'ব।

# বনগীত

**গীত - কথা আৰু সুৰ - পৰেশ চন্দ্ৰ বৰদলৈ**

১) আঘোনৰে পথাৰতে
সোনোবালী ধাননীতে
হালিজালি ধানে দোৱা
সেইজনী কোন?
হয়নে বাৰু মোৰ কেঁচা সোন।।২

২) আঘোনৰে মেঘ আজি তেনেই ফৰকাল,
পথাৰতে জাক দাৱনী দেখি লাগে ভাল,
বাটৰ কাষৰ বগৰী গছ ভাগি পৰে ডাল অ'
ভাগি পৰে ডাল।

৩) দিঘলীয়া দূৰৈ বাটত
বিৰিয়ালৈ সোঁ কান্ধত
মোৰ ফালে আহি থকা
সেইটি ডেকা কোন?
হয়নে বাৰু মোৰ কেঁচা সোন।।২

৪) বগলীৰে জাক এটি উৰি গুচি গ'ল
আঘোনৰে বেলি দেখো হেঙুলীয়া হ'ল
লাহি ধানৰ দীঘল থোক ভাগি পৰি ৰ'ল অ'
ভাগি পৰি ৰ'ল।

৫) আঘোনৰে দুপৰীয়া
ডিঙি শুকাই লাগি পিয়াঁহ
বিলৰ পানীত মুখে চোবা
সেইজনী কোন?

হয়নে বাৰু মোৰ কেঁচা সোন।।২

৬) বিলৰ পাৰত চৰাই সেয়া জাক বালি মাহী
মাছৰোকাই মাছধৰে উৰি আহি আহি
তাতেই শুনো জাক গাভৰুৰ উৰুনীয়া হাঁহি অ'
উৰুনীয়া হাঁহি।

৭) দীঘল চোলাৰ ক'লা বুটাম
মূৰত মাৰি গামোচা ফুলাম
ডিঙি মেলি মোলৈ চোৱা
সেইটি ডেকা কোন?
হয়নে বাৰু মোৰ কেঁচা সোনা।।২

৮) ভৰ দুপৰত জিলিকিলে কাৰ কপালৰ ঘাম
যোৱা বেলি ধান মাৰিলে আহি প্ৰবল বান
ঠোক বিচাৰি মুঠি বন্ধা দাৱনীলৈ টান অ'
দাৱনীলৈ টান।

## গীতৰ কথা ও সুৰ পৰেশ বৰদলৈ

**শিল্পী- দিলীপ দাস**

সন্ধিয়াৰ আকাশতে ৰামধেনুৰ ৰঙ দেখিলো
সপ্তৰঙীণ কল্পনা মই মনত সানিলো।
ঘৰ মুখী পক্ষীৰ যেতিয়া শুনিলো চিনাকি মাত
দেখা পালো ৰই থকা আইক দীঘলীয়া ছাঁত।
অ - মই নুফুৰো অনাই বনাই
মোক নালাগে আনৰ সহায়
সুৰুয উঠা দেশৰ মানুহ মই২
শকতি বহুত২
নেলাগে মোক সোণৰ অসম।
গঢ়িম এখনি সেউজী অসম।

[redacted]

সেউজী অসমৰ ধাননি সোণালী হবনো ক'ত
সোণালী সেউজী মিলি জিলিকিব য'ত।
আইৰ মুখনি উজলিব
শান্তিৰ কপৌ ওমলিব
পদুলিৰ পৰা বাৰুদৰ গোন্ধ আতৰি যাব।
প্ৰতি পদুলিতে ফুল ফুলিব,
গাঁওখনি মোৰ পোহৰ হব,
সেই পোহৰত প্ৰকাশ হ'ব,
হেজাৰ সুৰুযৰ জ্যোতি
সেইয়ে হব মোৰ মুকুতি।

## গীতৰ কথা ও সুৰ পৰেশ বৰদলৈ
## শিল্পী- দিলীপ দাস, ববিতা শৰ্মা

মই আই অসমী, মই আই অসমী
মই আই অসমীয়ে কৈছো।
মোৰেই পুত্ৰ আজি হৈছে দিশহাৰা
অনাই বনাই খাতিছে বন
মোৰেই বাবে বোলে কৰিছে ৰণ।
পিছে সময় নহয় এইয়া কৰিবৰ ৰণ
সময় হৈছে, এইয়া জাতি গঠনৰ
আহ অ' বোপাই ইঁত ঘৰলৈ উভতি আহ।
মোৰেই পুত্ৰ সেই লাচিট লৰাটি
অকলে যুজিলে শৰাই ঘাটতে
কলিজাৰে তেজ টোপাটোপে দি
শত্ৰু ঘাটিলে দেশও গঢ়িলে,
জাতিকে পুজিলে মোৰেই শিৰৰ
মানও বঢ়ালে।
হে'বৌ পৰেশ অৰবিন্দ
দেখিছনে আজি মই হৈছো লণ্ড ভণ্ড

মোৰ কলিজাৰ তেজ গোট মাৰি গল
হ'ব যে লাগিছে মোৰ স্পন্দন বন্ধ,
তইঁতৰ বাবেই থৈছো সাঁচি
মোৰেই বহল বক্ষ
কিন্তু নহয় কৰিবলৈ তইঁতে ৰক্তাক্ত।
গভাৰু পথাৰৰ সেই গাভৰু জনী
অকালতে হ'ল তাই বাঢ়ি দুখণি;
ননৈ পাৰৰে সেই ন-বোৱাৰী
খাবলৈ নাপালে তাই ভাতে খোৱাৰী।
পথাৰ উদং হ'ল মোৰ বাৰী উচন
উচুপি কান্দিছে তইঁতৰেই খেলৰ পথাৰ খন
বোপাইহঁত নকৰিবি মোক খণ্ড খণ্ড
থৈছো সাঁচি অযুত মৰম আশীৰ্ব্বাদে পূৰ্ণ।



# নন্দ সিং

**জন্ম ঃ** ১৯৬৯ চনৰ ১ জানুৱাৰীত নগাঁৱৰ বৰকলা গাঁৱত।

**পৰিচয় ঃ** পিতৃ শ্ৰী চৰণ সিং মাতৃ শ্ৰী মতী কিষণ কৌৰ। জ্যেষ্ঠ ভাতৃ এজন, কণিষ্ঠ ভাতৃ এজন আৰু বাইদেউ দুগৰাকী।

**শিক্ষা ঃ** বৰকলা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা। লংকা হাইস্কুলৰ পৰা মধ্যমভাগ আৰু গুৱাহাটী বিশ্ববিদ্যালযৰ পৰা উচ্চ শিক্ষা।

**চাকৰিত যোগদান ঃ** ১৯৯৭ চনত্‌ গুৱাহাটীত উপ-আৰক্ষী অধীক্ষক পদত।

**বিবাহ ঃ** ১৯৯৯ চনত নগাঁৱত কবিতা ৰাণী সিঙৰ সৈতে বিবাহ-পাশত আবদ্ধ। একমাত্ৰ পুত্ৰ অনুৰাগ সুগন্ধি।

**ভাল লগা বিষয় ঃ** কিতাপ পঢ়া, কবিতা আৰু গল্প লিখা।

**সৃষ্টি ঃ** নখন গ্ৰন্থ - ১। সুন্দৰ সময়ৰ আহ্বান (কবিতা), ২। বিংশ শতিকাৰ মোৰ সঞ্চিত কবিতা, ৩। দুচকুত সেউজীয়া বৰষুণ, ৪। যুদ্ধ আৰু হত্যাৰ বিৰুদ্ধে, ৫। ক'ৰবাত জোনাকৰ সমদল (কথা কবিতা), ৬। আকৌ অৰণ্যৰ গান, ৭। হাৰিয়াপাৰৰ [illegible]মুৰাই,

৮। গৰিমা আৰু প্ৰতিমা (ভূপেন হাজৰিকাৰ জীৱনৰ ওপৰত আধাৰিত), ৯। হৃদয়ৰ ৰবযুণ। ইয়াৰোপৰি সীমান্তৰ ৰামধেনু নামৰ উপন্যাসখন যন্ত্ৰস্থ হৈ আছে।

**সামাজিক কাম ঃ** নগাঁৱৰ বৰকলাত দুই লাখ টকাৰ অনুদানেৰে এটি যাত্ৰীৰ জিৰণি চ'ৰা নিৰ্মাণ। ২০ লাখ টকাৰ বাজেটেৰে নিৰ্মাণ কৰিবলৈ লোৱা গুৰুদ্বাৰ কমিটিৰ সম্পাদক, সন্ত্ৰাসৰ বিৰুদ্ধে আয়োজন কৰা বিভিন্ন সভাত বক্তৃতা প্ৰদান। দুখীয়াক কাপোৰ আৰু অন্যান্য মৌলিক সম্পদ বিতৰণ কৰা ইত্যাদি।

**ভৱিষ্যত পৰিকল্পনা ঃ** এখন গল্প সংকলন আৰু এখন কবিতা সংকলন কৰাৰ প্ৰস্তুতি।

**অসমবাসীলৈ বাৰ্তা ঃ** শান্তিয়ে সমাজ গঢ়ে, অশান্তিয়ে সমাজ ভাঙে, সমাজ অগ্ৰসৰ হ'বলৈ শান্তি সৰ্বপ্ৰথম প্ৰতিস্থা হ'বই লাগিব। ইয়াৰ বাবে স্বাৱলম্বিতা জাতীয় প্ৰেম, অতীত ঐতিহ্য ৰক্ষাৰ আহ্বানৰ বাবে নতুন প্ৰজন্মলৈ আহ্বান।

## সংকলকৰ চমু টোকা

নন্দ সিং -- এ.পি.এছ. বিষয়া নন্দ সিং আৰক্ষী বিষয়াতকৈ এজন সংস্কৃতিৰ সাধক হিচাবেহে সকলোৰে পৰিচিত। নন্দ সিংৰ কবিতা পঢ়ি শুনি ভাল নোপোৱা মানুহ অসমত নাই। সাতখনকৈ কবিতা পুথি, এখন গল্প আৰু ড° ভূপেন হাজৰিকাৰ জীৱনৰ ওপৰত আধাৰিত এখন প্ৰবন্ধ পুথিৰে নন্দ সিং অসমীয়া সাহিত্য জগতলৈ এটা ডাঙৰ টোপোলা আগবঢ়াইছে। ভাল লগা বিষয় হিচাবে কিতাপ পঢ়া, কবিতা আৰু গল্প লিখা নন্দ সিঙক এজন আৰক্ষী বিষয়া হোৱাতকৈ এজন শিক্ষক হোৱা ভাল আছিল বুলি বহুতে ক'ব খোজে। কিন্তু মানুহৰ বৃত্তিটোতকৈ মনৰ স্পৃহা আৰু কলমৰ তাগিদাই সঁচা মানুহজনক চিনাকী কৰি দিয়াত কুণ্ঠাবোধ নকৰে। সেয়ে নন্দ সিঙৰ কবিতা শুনিবলৈ বা পঢ়িবলৈ আজি অসমৰ চুকে কোণে মানুহৰ অভাৱ নাই। গল্প, প্ৰবন্ধ, কবিতা তিনিওটা ক্ষেত্ৰত সমানে আধিপত্য স্থাপন কৰিলেও নন্দ সিঙ এজন আগশাৰীৰ কবি বুলি সকলোতে স্বীকৃত। অসমীয়া সাহিত্য জগতত এটা অনবদ্য অৱদানৰ গৰাকী নন্দ সিং। অসমীয়া শিখসকলৰ বাবে কিবা এটা কৰিবলৈ তেখেত দৃঢ়প্ৰতিজ্ঞ।

# হৃদয়ৰ বৰষুণ

## নন্দ সিং

হৃদয়ৰ এজাক বৰষুণৰ সেউজীয়া উষ্ণ আবেশত মোৰ মন মাজে মাজে ৰোমাঞ্চিত হৈ উঠে। এই মাটি, ইয়াৰ মানুহ, সিহঁতৰ অগনন শিশু, নৈ, নিজৰা, পাহাৰ-পৰ্বত, ওখ ওখ গছৰ পৰিয়াল; বিচিত্ৰ চৰাই, সিহঁতৰ মাত, মুক্ত মনেৰে উৰি থকা নীলা আকাশত সিহঁতৰ অনন্য যাত্ৰা - এই সকলোবোৰে মোক শিঁহৰিত কৰি তোলে। এজাক ধাৰাষাৰ বৰষুণত মই তিতিব লওঁ; ভিতৰৰ পৰা সেমেকি আহো; এগালমান সেউজীয়া বীজ মোৰ শৰীৰৰ সৰ্বত্ৰতে গজি আহে; চকুৰ পৰা মূৰলৈ, মূৰৰ পৰা হৃদয়হৈ পেট ভৰি সৰ্বত্ৰলৈ। আঃ ক্ৰমশঃ মই সেউজীয়া হৈ আহো। পদব্ৰজে ভ্ৰমিব লওঁ সেউজীয়া মানুহৰ সন্ধানত ৰাজপথ, ফুটপাথহৈ চহৰৰ পৰা গাঁৱলৈ, গাঁৱৰ পৰা গ্ৰামান্তৰলৈ মোৰ অবিৰত যাত্ৰা। দৌৰি ফুৰো, এখন ৰেলে উকিয়াই উকিয়াই হাত বাউলি মাতে- জীৱনৰ সন্ধানত; এখন তীব্ৰ বেগী ৰেল, ৰঙা, বগা, নীলা, হালধীয়া, কমলা, ক'লা, বেঙুনীয়া, কজলা এগালমান ৰঙৰ স'তে যেন ৰেলখনে কৈ গৈ আছে মানুহৰ কথা, পৃথিৱীৰ কথা, .... আৰু মোৰ বুকুত আহি যেন জিৰণি লৈছেহি এজাকমান শান্তিৰ চৰাই। আঃ এয়া মোৰ ল'ৰালিৰ দিন-ৰাতি, পুৱা-গধূলি-দুপৰীয়া মই ঘূৰি ফুৰিছোঁ।

এক প্ৰচণ্ড ভয়ংকৰ বিস্ফোৰণত ভাগি পৰিছে চহৰৰ মাজমজিয়াত এক ওখ অট্টালিকা, দূৰত চিটিকি পৰিছে তিনিজন যুৱক। ক্ষীণাংগ এজন যুৱক এন্ধাৰৰ সুযোগ লৈ সৌৱা দৌৰি পলাইছে। পিন্ধনত নীলা জিনছ, গাঢ় নীলা ৰঙৰ এটা জেকেট। তাৰ হাতৰ দুৰন্ত স্পৰ্শত যেন এয়া হঠাৎ চহৰ এখন ঢলি পৰিছে; হাত ভাঙিছে, তেজ বাহিৰ হৈছে, তেজত তিতি চহৰৰ পথৰ মজিয়া এয়া এক ভয়ানক ৰূপ লৈছে। দৌৰা-দৌৰি কৰি সৌৱা মানুহবোৰ পলাব ধৰিছে যেনি তেনি। এক বিৰক্তিকৰ যন্ত্ৰণা, বিষাদ আৰু ভয় এগালে যেন এন্ধাৰৰ মাজত এইমাত্ৰ চহৰখনক বলাৎকাৰ কৰি গ'ল। গাড়ী মটৰ, ৰিক্সা, ঠেলা, চাইকেল আৰোহীৰ অসহ্যকৰ ঠেলা-হেঁচাত এয়া চহৰখন এক বন্ধ কোঠাত আবদ্ধ আন্ধাৰৰ দৰে হৈ পৰিছে। খন্তেক আগলৈকে মোৰ হৃদয় আলোড়িত কৰি সমস্ত শৰীৰত গজি অহা সেউজীয়া বীজবোৰৰ সূৰ্যসমস্ত উৎসাহ-উদ্দীপনা যেন নিমিষতে কোনোবাই কাঢ়ি নিলে। মই চকুৰে ধোঁৱা কোঁৱা দেখিব লৈছো।

হয় পুলিচ আহিছে; বিকট হুছেইলৰ শব্দত আন্ধাৰৰ এই চহৰত মৃতদেহবোৰ টানিছে, যন্ত্ৰনাত দগ্ধ এগৰাকী মহিলাৰ সোঁহাত সৌৱা দূৰত চিটিকি পৰি আছে! এক হৃদয় বিদাৰক ঘটনাৰাজিয়ে বিক্ষিপ্ত কৰি তুলিছে এই আকাশ যেন শৰবিদ্ধ আকাশৰ চকুৰ পৰা নিগৰি নিগৰি সৰি পৰিছে তেজ; ৰঙা বৰণ লোৱা ৰাজপথ যেন এক তেজৰ

নদী। বেদনাত আহত চহৰখন এইয়া কঁপি উঠিছে, জুইৰ ফিৰিঙতি কিছুমান যেন উৰিছে ওপৰলৈ আৰু পাতল শুকান গছৰ পাতত পৰি যেন দাউ দাউকৈ জ্বলিছে এনে এগালমান বিক্ষিপ্ত ভাবনাত মোৰ হৃদয় মোচৰ খাই উঠিল।

ঘন বসতিৰ এক অচিন গলি। এই গলিৰ দুয়োফালে খেৰৰ ছালিৰ অসম আৰ্হিৰ ঘৰবোৰৰ চাৰিওফালে জাতিবাহৰ চকোৰা, এই চকোৰাৰ ওপৰত ভাত কেৰেলা জাতীয় লতাৰ বিস্তৃতি। বিজুলীৰ পোহৰৰ অস্তিত্ব তেনেই কম। ক্ষীণ, শেতা, পোহৰ অলপ মানে ধৰি আছে আন্ধাৰৰ স'তে কুঁৱলীৰ এখন সম্ৰাজ্যক। মই আগুবাই গ'লো, মোৰ আগে পিছে এয়া সশস্ত্ৰ এদল চিপাহী।

দাৰোগা বিবেশ্বৰ নাথৰ মাতবোৰ ভাঁহি আহিছে ওৱাৰলেচ্ ছেটত, মাইক ফিফটি নাইন, লিমা অস্কাৰ ...... সিফালৰ পৰা লিমা অস্কাৰৰ ৰূঢ় কণ্ঠত চিটিকি পৰিছে বিবেশ্বৰৰ বিক্ষিপ্ত দুচকু, এই যেন এই আন্ধাৰ আৰু শীত ফালি বাহিৰ হৈ যাব সীহৰ বুলেট। এক বিৰক্তিকৰ কেঁকনিৰ বৃদ্ধৰ মাত লগে লগে নিৰন্তৰ কাঁহ আৰু চিঞৰ, যন্ত্ৰণাৰ চিঞৰ অলপ আন্ধাৰৰ নিৰ্জনতা ফালি ওলাই আহিল। বীৰেশ্বৰৰ মুখত এগালমান চিন্তাই বাঁহ ল'লে। যিকোনো সময়তে হৈ যাব পাৰে আক্ৰমণ; এই আন্ধাৰ ফালি বিস্ফোৰণত জড়িত যুবক, এতিয়াও চহৰ এৰি যাব পৰা নাই।

এখন কাঠৰ দলঙ, নিতান্তই দুৰ্বল তাৰ অস্তিত্ব; জীপছী গাড়ীখনে দলঙত উঠিব লওঁতে অদ্ভুত এক কঁপনিয়ে নৈখনৰ প্ৰতি মোৰ অতীত নষ্টালজিয়া এটাই হৃদয় জোকাৰি গ'ল। এজাক হুৰহুৰ ধুমুহাৰ বৰষুণ আৰু মই যেন তিতি তিতি পথাৰৰ পৰা ঘৰলৈ খেদি খেদি আনিছোঁ এজাক গৰু। শীতৰ এজাক বৰষুণত তিতি অহা গৰু জাক, সিহঁতৰ শৰীৰৰ পিঠিৰে লম্বভাৱে জক জককৈ পানীত তিতি ওলাই পৰা ৰাজহাড় আৰু কামিহাড়ৰ অৱস শৰীৰত এয়া যেন বাৰিষাই গা-ধুইছে; গৰুবোৰৰ নেজবোৰ লম্বহৈ বৈ আছে, বৰষুণৰ বিক্ষিপ্ত শৰীৰ, ধুমুহাত যেন ধুঁৱলি-কুঁৱলি হৈ চিচাৰ আইনাত বাগৰি পৰা মোৰ শৰীৰৰ এক জলছবিৰ দৰে ছবি এখন হৈ জিলিকি উঠিছে। নৈ পাৰৰ বগৰি, নৈৰ বামীমাছ, গঞ্জৰ ঘৰে ঘৰে বিহু হুচৰি গাই ফুৰা ল'ৰালি এয়া ৰাতিৰ অৰণ্যত, চহৰৰ মানুহৰ মাজত, বোমা বিস্ফোৰণত দৌৰি ফুৰিছে।

টেংগ-থ্ৰি-পাপা-টেন-দু ইউ ৰীড মি...... এখন বাইক, তীব্ৰবেগী যাত্ৰা যাব, এইমাত্ৰ সন্দেহজনক দুজন যুবকৰ স'তে ওলাই গৈছে এক লেতেৰা গলিৰ পৰা ..... ডি এচ পি ফুকন পেগুৰ চিঞৰত চক খাই উঠিলো। নিৰ্জন ৰাতি, চহৰখন চৌপাশেই কেৱল পুলিচৰ গাড়ী, ৰঙা ৰঙা চকুৰ সতৰ্ক তালাচী। বাট পথত এক অঘোষিত সান্ধ্য আইন। কেনিও ব'ব নোৱাৰে এজাক শান্তিৰ বতাহ কোনোফালে। সকলোতে যেন অদৃশ্য ভয়ৰ নিৰ্যাতন। এটা দীঘল কেঁকুৰি আৰু দুৰণিৰ গাঁওকিখনৰ মাজেৰে আহি ৰাজপথত উঠিলোহি। নাইট চুপাৰ বাছ দুখন মোৰ কাষেৰেই পাৰহৈ গ'ল। যেন কঁপি উঠিল বাছ দুখনৰ যাত্ৰাত ৰাজপথ জুৰি কাষৰ মাটিবোৰ। মোৰ চিঞৰি দিবৰ মন গ'ল জোৰেৰে

আকাশক। যেন ক'ব খুজিছো দিয়া এজাক জুইৰ বৰষুণ দিয়া, সকলো পুৰি ভষ্ম কৰি দিয়ক অথবা এজাক বৰষুণে ধুই নিয়ক মলি মামৰ, অথবা হৈ যাওক এজাক বান, উটুৱাই লৈ যাওক এই নিশাৰ-নৈৰাজ্য, ভয়ৰ আকাশ, দুৰ্যোগৰ দুনীয়া।

প্ৰভাতে ঘূৰি ফুৰিছে তাৰ ইপ্সিত কিবা বিচাৰি এই দেশৰ অলিয়ে গলিয়ে; কেতিয়াবা অৰণ্য, কেতিয়াবা বুৰঞ্জীৰ ধ্বংসাবশেষ চহৰৰ মাজত সি তীক্ষ্ণতাৰে খুচৰি ফুৰিছে তাৰ ইপ্সিত কিবাটো। দিল্লী, তাজমহল, কুটুবমিনাৰ, হাসদিঘাটৰ অথবা তৰাইন, পানিপথৰ যুদ্ধথলী, একো বাদ যোৱা নাই। ৰজাৰ প্ৰাচীন ৰাজমহলৰ সন্ধানত নে এক দৰিদ্ৰ প্ৰীড়িত জুপুৰিঘৰৰ মজিয়াত কিবা বিচাৰি ঠিক ধৰিব নোৱাৰি তাৰ লক্ষ্য কি! প্ৰভাতৰ হাততধৰিয়েই এদিন দেউতাই ক'ব নোৱাৰাকৈ বৰশী বাব গৈছিলো, আহোম যুগৰ জয়াল মঠ পুখুৰীত। বৰশীত লাগি অহা ডাঙৰ ডাঙৰ মাগুৰ মাছ, কাৱৈমাছৰ দীঘল নালীৰ স'তে সন্ধ্যা ঘৰ সোমাইছিলো; দূৰৰ গাঁওবোৰত চাইকেলত উঠি উঠি আঘোন-পুহত কুঁৱলীত তিতি তিতি ৰাস বা অংকীয়া ভাওনাত হৃদয়ত সাঁচি ৰাখিছিলো ভক্তিৰ বন্দনা, ৰজা-মহাৰজাৰ বীৰত্ব অথবা অসুৰৰ সাম্ৰাজ্যৰ পতন। ৰাতিৰ সূত্ৰধাৰৰ মাতত আৰু খোলৰ ছেৱত ধিনিকি ধিন দাউ বুলি একেকোবে মণিকূট পোৱা ৰজা পিছদিনা পথত হাজিৰা কৰা এজন সাধাৰণ মানুহ; কথাবোৰ ভাবি ভাবি কিবা অদ্ভুত নিচাত জিকাৰ খাই উঠো।

প্ৰভাতে কৈ যায় বুৰঞ্জী কাহিনী। মিৰজুমলাৰ অসম আক্ৰমণ, অথবা মোৱামৰীয়াৰ বিদ্ৰোহ। এশ হাতী, তিনিশ ঘোঁৰা, একহাজাৰ পদাতিক সৈন্যৰ স'তে দেশ আক্ৰমণ কৰিব আহিছে মিৰজুমলাই। যুদ্ধৰ এক বৰ্ণনা কৰে সি। যুদ্ধত অনেক সেনা মৰে। বন্দী হয় অনেক জন। ৰজা পলাব ধৰে অথবা যুদ্ধথলীতে বীৰৰ দৰে যুঁজে। মৃত্যুক সাৱতে। এখন যুদ্ধ প্ৰায় বহুদিন, মাহ ধৰি চলে। প্ৰভাতৰ কথাত বৰ দিগদাৰ হয় কথাবোৰ বুজিবলৈ। কিবা বিশৃংখল ভাৱনাই অ'ৰ পৰা ত'লৈ মনটো লৈ যায় মোৰ। ওখ ওখ গড় আৰু মাটিৰ তলেৰে এক সুৰংগ যেন সৈন্যসকলৰ আত্মৰক্ষা আৰু পলায়নৰ প্ৰস্তুতি। প্ৰভাত যেন পুৱাৰ ৰ'দৰ দৰে বিক্ষিপ্ত হৈ চিটিকি পৰে সকলোতে। আমাৰ মুখত তাৰ কথাবোৰে দেশ এখনৰ নক্সা আঁকে; যুদ্ধৰ আতংকৰ বুৰঞ্জী লিখে।

এদিন প্ৰভাত চহৰলৈ গুচি গ'ল পঢ়িবলৈ। এখন চহৰ, বহুতো মানুহ, ওখ ওখ ঘৰ, চলমান গাড়ীৰে চহৰৰ চৰিত্ৰৰ স'তে মানুহবোৰ কৃত্ৰিম হৈ আহে। ৰাতিৰ নিৰ্জনতা ফালি ফালি এক আওহতীয়া ঘৰৰ দুৱাৰত টোকৰ দিওঁ। এক বৃদ্ধা মহিলা। কপালত সীমাহীন ৰেখা। যেন এখন ভূগোলৰ বিক্ষিপ্ত মেপ। কঁপা কঁপা মাতত বয়সৰ বেশ স্পষ্ট। কঁপা পোহৰৰ লুণ্ঠনৰ স'তে বৃদ্ধাৰ মুখত ভয়ৰ চিন। হৰ মূৰকৈ সশস্ত্ৰ চিপাহীবোৰ ঘৰৰ ভিতৰত সোমাই গ'ল। অন্য কিজনে ঘৰৰ চাৰিওফালে যেন সতৰ্ক। মোৰ নিজকে বৰ অৱস আৰু অসহায় লাগি আহে। বেৰত ওলমি আছে দুজন ক্ষীণাংগ যুৱকৰ ফটো, লণ্ঠনৰ চেপা আৰু কঁপা পোহৰত কঁপিছে ফটোখন। ঘৰৰ ভিতৰৰ চৌদিশ তন্ন তন্নকৈ

চোৰাৰ পিচত ওলাই আহিল সশস্ত্ৰ চিপাহী। ক'ৰবাত যেন কিবা বিজুতি ঘটিছে; নহলে এক ভয়ানক দুৰ্যোগে আমাক হাত বাউলি মাতিছে।

হয় বেৰত এয়া প্ৰভাত আৰু মোৰ ল'ৰাটিৰ ফটো। সৰল মুখৰ স্নিগ্ধ হাঁহি, শিশুসুলভ সৰলতাৰ চকুত পৃথিৱীক ভাল পোৱাৰ অলেখ প্ৰতিশ্ৰুতি। মই যেন চিঞৰি চিঞৰি কান্দিম। এয়া প্ৰভাতৰ মাক। মোৰ হৃদয় মোচৰ খাই আছে। বৃদ্ধা গৰাকীয়ে বেবেৰিবাং কথাৰে বিৰক্তি প্ৰদৰ্শন কৰে।

এক ৰক্তাক্ত মৃতদেহ। পশিছোৰ্দ্ধৰ যুৱক। এই বৃদ্ধাৰ সমুখতে মুখ আৰু হাত-ভৰিত ৰচীৰে বান্ধি ক'লা ক'লা কাপোৰেৰে মুখ বান্ধি অহা এডলে সেই যুৱকক হত্যা কৰিছিল। কাতৰ ছটফটনি আৰু ভয়াৰ্ত প্ৰাৰ্থনা, নুফুটা প্ৰাৰ্থনাৰ গৰ্ভতে কঁপি কঁপি নিঠৰ হৈছিল যুৱক আৰু মৃত কুকুৰৰ দৰে টানি নিছিল সৌ বিলৰ কাষলৈ। বৃদ্ধাৰ মুখত যেন এক বিৰক্তি। ঘৃণা। প্ৰতিশোধ। বৃদ্ধা মহিলাই কৈ গ'ল ৰাতি ৰাতি এই ঘৰৰ মজিয়া কঁপে। ৰজাঘৰ প্ৰজাঘৰৰ এচাম কচাইৰ গছকত। চিঞৰত সিহঁতৰ মদ্যৰাতিৰ ধুমুহাৰ অশ্লীল শব্দত, অহংকাৰী অস্ত্ৰৰ ঝনঝননিত গছৰ পৰা ঢপঢপাই উৰি যায় শান্তিৰ নিদ্ৰাৰত কপৌ। নৰকৰ এয়া যন্ত্ৰণা। চোতাল শুৱনি কৰি ফুলা তগৰ, চম্পা, খৰিকাজাই তিতে তেজত, হমুনিয়াহত লেৰেলি পৰিব খোজে। ক'তো নাই এবাৰ মাত, চেনেহৰ মাত, এজাক জুইৰ উত্তাপ, শীতত উম দিব পৰাকৈ; বিশ্বাস দিব পৰাকৈ অলপ বতাহ নাহে। কিয় জীয়াই আছো; কাৰ বাবে জীয়াই আছো। হে ঈশ্বৰ কিয় জীয়াই ৰাখিছা!

এদিন পথাৰ সেউজীয়া হোৱাৰ আনন্দত কাতিৰ বিহুত ধাননিৰ মাজত চাকি দিছিলো। সেই চাকিৰ পোহৰত য'তমানে অপ পতঙ্গ পুৰি মৰিছিল। এতিয়া পথাৰত জুই জ্বলে। চিতাৰ জুই। বসন্ত পুৰে, চাৰিওফালৰ পৰা বৰ্ষা, হেমন্ত, শীতো আহি তাত জ্বলাই সিহঁতৰ অপইতা হাড়, অপইতা মঙহ।

মোৰ নিজকে বৰ ধিক্কাৰ লাগিল। এয়া প্ৰভাতৰ মাক। সৰুতে নাৰিকল আৰু তিল পিঠাৰ লাড়ু খাই বিহুত ভৰি চুই সেৱা কৰিছিলো। আজি হাতত উদ্যত অস্ত্ৰ লৈ মাজৰাতি ভংগ কৰিছো এই বৃদ্ধাৰ টোপনি। হৰণ কৰিছো বিশ্বাস। এই পোছাক, নিলৰ্জ্জ হৈ জিলিকি উঠিছে ঘাটকৰ ৰূপত। কিয় ইমান জঘন্য এই ৰাতিৰ সাম্ৰাজ্য! ক্ষমতাৰ সাম্ৰাজ্য!! মোৰ নিজকে থুৱাই দিবৰ মন গ'ল। অথচ হৃদয় আলোড়িত কৰি এজাক বৰষুণে হাত বাউলি মাতি এই বৃদ্ধাৰ ঘৰৰ পৰা মোক লৈ গৈছিল পথাৰলৈ, মানুহৰ মাজলৈ। পাহাৰ, নৈ, নিজৰা হৈ মানৱতাৰ বাটলৈ। ক'ত আজি সেই মানৱতা? সেই বৰষুণৰ পোহৰত সেউজীয়া হোৱা মোৰ হৃদয়?

আকাশৰ জোন ধূসৰ হৈ আহিছে কুঁৱলিত। সেই ধূসৰতাত মই ক্ৰমশঃ সেমেকি আহিছো; তাম বৰণীয়া হৈ আহিছে মোৰ শৰীৰ। অবশ আৰু মূল্যহীন যেন লাগিছে মোৰ মগজু, মোৰ শিক্ষা। এই ৰাজ আতিথ্যৰ জীবিকা। যি জীৱিকাই চিৰাচিৰ কৰিছে দৰিদ্ৰ পীড়িত বৃদ্ধাৰ চকুৰ টোপনি, বিশ্বাস, স্বাভিমান, মৰ্যাদা। অথচ প্ৰভাতৰ মাততে ভুকুৰকৈ

উৰি যোৱা চৰাইৰ দৰে মই চঞ্চল হৈ উঠিছিলো। গৰুৰ খোজৰ চিকুন পানীত দেখিছিলো আকাশৰ বিশাল চেহেৰা। ৰাতি ৰাতি এই বৃদ্ধাৰ চকুত দেখিছিলো জোন,জোনাক, তৰা ইত্যাদি ইত্যাদি ...... আৰু এতিয়া কেৱল আন্ধাৰ ভয়াবহ আন্ধাৰ। এক অজানিত পাপবোধত শিঁয়ৰি উঠিলো।

প্ৰভাতে যদি জানে, সি যদি আহি গম পাই মোৰ এই অমানৱীয় আচৰণ; তাৰ ঘৰত মোৰ বাহিনীয়ে উপৰ্যুপৰি কৰা অহেতুক তালাচী আৰু তাৰ ঘৰৰ চোতালতে ৰচনা কৰা সেই যুৱকৰ হত্যা......! অথচ বুৰঞ্জীৰ পৰা আৰম্ভ কৰি বিজ্ঞান, সাহিত্যৰ পাতলৈকে তাৰ হাতত ধৰিয়ে পাৰ কৰা ল'ৰালিৰ বিদ্যালয়ৰ পাঠ গ্ৰহণ। আঃ এইয়া যেন এক নীতিহীন মানুহৰ দৰে ৰজাক সন্তুষ্ট কৰিবলৈয়ে এনেকৈয়ে বলিয়াৰ দৰে উন্মাদ হৈ ৰাতি ৰাতি ভংগ কৰিছো শীতল মজিয়াৰ টোপনি।

মোৰ ঘৰ ক'ত, ক'ত মোৰ আপোন সহোদৰ? দেউতা বুলি যাক খুউব ভয় কৰিছিলো সৰুতে দৰাচলতে তেওঁ মোক তুলি তালি ডাঙৰ হে কৰিছিল। মোৰ কোনো স্বীকৃত পিতৃ-মাতৃ নাছিল। এক কথাত অনাথ আশ্ৰমৰ সেই যন্ত্ৰণাৰ পৰা তুলি অনা সেই মানুহজনকে দেউতা বুলি সন্মান কৰিছিলো। কিন্তু প্ৰভাত আছিল মোৰ বাবে এক সেউজীয়া উশাহ, এক বলিষ্ঠ বতাহ। যেন এজাক বৰষুণ - সেউজীয়া বৰষুণ। মোৰ হৃদয়ত থকা অবুজ বৃথা, ক্ষোভ, বেদনাৰ মলি মামৰে হৃদয়খন অন্ধকাৰ কৰি তুলিছিল। আৰু ঠিক তেতিয়াই জুই, ধোঁৱা, ছাইৰ মিছিলৰ মাজত যেন প্ৰভাত মোৰ জীৱনলৈ আহিল - নিৰ্মল পানীৰ বৰষুণ হৈ। এজাক হুৰ হুৰ বৰষুণ হৈ। এই বৰষুণে ধুই নিলে মোৰ সকলো বেদনা, দুখ, দৰিদ্ৰতা। সি মোৰ বাবে এক প্ৰচণ্ড শক্তি। দুবৰিৰ বাটেৰে শেৱালি বুটলি অনা পুৱাৰ নিয়ৰৰ স'তে যেন এক ৰক্তিম পদুলি। প্ৰভাতৰ বাবেই মই ৰ'দত তিতো, আকাশ হৈ ৰামধেনুৰ ৰং হৈছিলো, সেউজীয়া হৈ অৰণ্যৰ মাজৰ পৰা বিচাৰি আনিছিলো অৰণ্যৰ স্বচ্ছতা। এই বৃদ্ধাৰ ঘৰত পাৰ হৈছিল মোৰ ল'ৰালি, মোৰ যৌৱন, অথচ আজি এই ঘৰত, এই বৃদ্ধাক মই ....... এক ভয়ানক পাপবোধত শিঁয়ৰি উঠিলো।

ওপৰৱালা বিষয়াৰ সঘন নিৰ্দ্দেশে এক প্ৰকাৰ সমস্ত চহৰখনতে সৃষ্টি কৰিছে অ-ঘোষিত এখন যুদ্ধ। সদৰথানাখনৰ অ.চি. শৰ্মা ব্যস্ত আছে তেওঁলোকৰ অপ্যায়নত। সুৰাৰ পৰা আৰম্ভ কৰি অন্যান্য বোৰ যোগাৰ কৰালৈকে শৰ্মা ব্যস্ত।

ছাল্লা কুৰ্ত্তাৰ পোৱালী, চাকৰিৰ নামত কেৱল পলিটিক্স, তৈল মৰ্দন। কেৱল অ.চি. গিৰি কৰিবলৈকে দিনে নিশাই ওপৰৱালা বিষয়াৰ তত্বাবধান। চহৰত বোমা ফুটিছে, অবৈধ ধন সংগ্ৰহে কোঙা কৰা ব্যৱসায়ী পৰিয়াল, নাই এইবোৰলৈ কোনো ভ্ৰুক্ষেপ নাই। দেহব্যৱসায়ীৰ ৰেণ্ডী কেইগৰাকীয়ে আৰম্ভ কৰা বেশ্যাখানাৰ লগত তাৰ গোপন বুজাবুজি। তলৰ পৰা ওপৰলৈকে এই বুজাবুজিৰ শিকলিডাল ইমান মজবুট যে, শৰ্মা সেই শিকলিৰ আবদ্ধত বান্ধ খাই পৰিছে আৰু গেলি আহিছে তাৰ সমস্ত মানবীয় উশাহ আৰু উদ্দীপনা সেউজীয়া মানুহৰ বাবে চিঞৰি থকা তাৰ ল'ৰালিৰ

ৰাতিপুৱা।

হাতৰ ঘড়ীত চালো নিশা তিনি বাজি গৈছে। চহৰৰ এক পাৰ্শ্ববৰ্তী এলেকাত আমাৰ ৰেইড আৰম্ভ হ'ল। দীঘল দীঘল খালবোৰৰ স'তে এক বিশাল কৃষি পাম ক্ষেত্ৰ। কেইবাটাও ঘৰ। জুপুৰী সদৃশ। অদূৰত দীঘল গোহালি ঘৰ গৰুৰে ভৰি আছে। ধান খেৰৰ মেজিবোৰ একাষৰীকৈ পাতি থোৱা আছে। আমাৰ সন্দেহী চকুবোৰ বিয়পি পৰিছে। এচাম মুমূৰ্ষু শ্ৰমিক, আমাৰ আগত সিহঁত থিয় হৈছে ভয়াৰ্ত ভাৱেই। দুচকু ভয়ত কাতৰ সিহঁতৰ। সিহঁতৰ শৰীৰৰ বিভিন্ন ঠাইত দৰিদ্ৰতাৰ ছাপ স্পষ্ট। আমাৰ লৌহ কঠিন মুখৰ সমুখত সিহঁতক বৰ অসহায় যেন লাগিছিল।

মদ মত্ত অ.চি. শৰ্মাই এদল সশস্ত্ৰ পুলিচক লৈ চহৰৰ অন্য এক উপকণ্ঠ এলেকাত ব্যাপক তালাচী আৰম্ভ কৰি দিলে। এক দীঘলীয়া পথ মূল ৰাজপথৰ পৰা নামি আহিছে আৰু এখন নৈয়ে বিচ্ছিন্ন কৰিছে এই দুই পথক। এখন দলঙে সেই পথক সংযোগ কৰিছে। দলঙৰ সিপাৰে শৰ্মাই পুলিচৰ বাকীসকলক লৈ এটা সময়ত এম্বুজ দি বৈ আছে। আমি আহি আছো সেই কৃষিপামৰ চৌহদৰ পৰা চহৰৰ অভিমুখীহৈ।

হয় এয়া গুলীৰে শব্দ। গুৰুম, গুৰুম ......! এক কাতৰ আৰ্তনাদ। মৃত্যুৰ কেঁকনি। আমি গুলীৰ শব্দৰ দিশে আগবাঢ়িছো। হয় এয়া শৰ্মাই হয়। আন্ধাৰৰ মাত্ৰা ক্ৰমশঃ কমি আহিছে। এক পোহৰৰ ৰেশে এক নতুন দিন কঢ়িয়াই আনিব খুজিছে। দলঙৰ কাষৰ দ খাৱৈৰ পানীৰ পৰা পুলিচে টানি আনিছে এজন লোকৰ মৃতদেহ। ৰঙা মৃতদেহ। পিন্ধনত এটা ক'লা ৰঙৰ ছুৰেটাৰ। নীলা লংপেন্ট আৰু এটা বেগ। বেগত এটা সৰু টেপ ৰেকৰ্ডাৰ আৰু এটা কেমেৰা, অসংখ্য ফটো। বেগটো পুলিচৰ দলটোৱে থেকেচি খুলিছে। দূৰত চিটিকি পৰিছে অন্যান্যবোৰ ফটোৰ লগতে এখন ফটো। দুজন ক্ষীণাংগ যুৱকৰ। দুচকুত স্নিগ্ধ জ্যোতি, শিশুসুলভ সৰলতাৰ, দুহাতত সেউজীয়া ধৰি ৰখাৰ অযুত ঈপ্সিত আকাংখ্যাৰ ফটোখন।

হয় সেইখন মোৰেই ফটো। কিছুসময়ৰ আগতে প্ৰভাতৰ ঘৰৰ বেৰত ওলমি থকা ক্ষীণাংগ যুৱকৰ ফটোখন। হয় এইখন মোৰ আৰু প্ৰভাতৰ ফটো। এক প্ৰচণ্ড শক্তিৰে মই চিঞৰি দিলো। পুৱাৰ নিৰ্জনতাক ভেদ কৰি অ.চি. শৰ্মাই মোৰ মুখলৈ চালে। এইয়া ৰক্তাক্ত প্ৰভাত! লেতেৰা ৰাতিৰ দুৰ্যোগ, যন্ত্ৰণাৰ এন্ধাৰ ফালি - প্ৰভাতক সাৱটি ধৰিবলৈ আৰু মাথো কেইটামান প্ৰহৰ বাকী; হয় - মই মাত্ৰ কেইটামান প্ৰহৰৰ পিচতে পালো হয় প্ৰভাতক! কিন্তু এয়া প্ৰভাত পৰি আছে আমাৰ আক্ৰোশৰ, ৰক্তাক্ত দিন হৈ। এক বিৰাট ব্যৱধান হৈ মোৰ পৰা। হায়!!

মোৰ চকুত প্ৰভাতৰ বৃদ্ধা মাকৰ কঁপা শৰীৰটো জিলিকি উঠিল। ঘৃণা, ক্ষোভ আৰু হতাশাৰ মুখখনে মোক যেন খেদি আহিছে একুৰা জুই হৈ। মোৰ হৃদয় আলোড়িত কৰি দপদপাই পৰি থকা বৰফুলাজাক নোহোৱা হৈ গ'ল। হৃদয়ৰ বৰফুল। মই হুক হুকাই কান্দি দিলো। অশান্তমন এটাৰে মইবহি পৰিলো মাটিত। আজি বাইশ বছৰৰ মূৰত লগ পালো মোৰ হৃদয় আলোড়িত কৰা বৰফুল জাকক তেজৰ বৰফুল ৰূপে। প্ৰভাতক দুহাতেৰে ধৰি এয়া মই

চিঞৰিছো যুদ্ধত কেতিয়াবা বন্দী হয় সৈন্য, ৰজা পলাই যায় অথবা বীৰৰ দৰে যুঁজে। মৃত্যুক সাৱতে অথবা বিজয় পতাকা উৰুৱাই। কিন্তু এখন ৰেলগাড়ীৰ দৰে মানুহৰ কথা কৈ কৈ প্ৰভাত কোনো দিনেই নাহিব আৰু হৃদয়ত ৰবৰুণ দি মোক সেউজীয়া কৰিবলৈ........!

*(এই গল্পটি নিৰোদ চৌধুৰী সোঁৱৰণি ২০০৬ চনৰ শ্ৰেষ্ঠ গল্প পুৰস্কাৰেৰে সন্মানিত)*



# অমৰেন্দ্ৰ বৰগোহাঁই

**জন্ম ঃ** ১৯৫২ চনৰ ২ জুলাইত, তিতাবৰত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত শিৱপ্ৰসাদ বৰগোহাঁই, মাতৃ প্ৰয়াত যজ্ঞেশ্বৰী বৰগোহাঁই। ককাইদেউ দুজন আৰু ভনী দুগৰাকী।

**শিক্ষা ঃ** খাৰখোৱা গাঁৱৰ পৰা প্ৰাথমিক শিক্ষা, তিতাবৰৰ মিহিৰাম শইকীয়া হাইস্কুলৰ পৰা মধ্যমভাগ আৰু যোৰহাটৰ জে.বি. কলেজৰ পৰা কলা স্নাতক।

**সৃষ্টি ঃ** তেওঁৰ কবিতা সংকলন -'হৃদয়ৰ জোন তৰা', ইয়াৰোপৰি ইংৰাজী আৰু অসমীয়া ভাষাত লিখা বিভিন্ন প্ৰবন্ধ পাতি আলোচনী আদিত প্ৰকাশ পাইছে যদিও এতিয়ালৈকে সংগ্ৰহ কৰি ছপা কৰা নাই।

## সংকলকৰ চমু টোকা

**অমৰেন্দ্ৰ বৰগোঁহাই** —বৰ্তমান কমাণ্ডেণ্ট হিচাপে অধিষ্ঠিত এ.পি.এছ. বিষয়া অমৰেন্দ্ৰ বৰগোঁহাই প্ৰকৃততে এজন কবি। ইংৰাজী ভাষাতো ব্যুৎপত্তি থকা বৰগোঁহাইদেৱ এজন অতি উৎসাহী আৰু হাস্যৰসিক ব্যক্তি। অসম কবি সন্মিলনৰ

উদ্যোগত অসম ভিত্তিত আয়োজিত ২০০১-২০০২ বৰ্ষৰ কবিতা প্ৰতিযোগিতাত প্ৰকাশিত কবিতা পুথিৰ শিতানত তেখেতৰ 'মন বননি' কবিতা পুথিখনে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছিল। অকল কবিতা লিখাতে ব্যস্ত নাথাকি প্ৰবন্ধ লিখাতো ব্যস্ত হৈ পৰিছে বৰগোঁহাইদেৱ। তেখেতৰ প্ৰবন্ধ ইতিমধ্যে বহু আলোচনী কাকতত প্ৰকাশ পাইছে।

# কাকৈ জনাত আহিনৰ আবেলি

## অমৰেন্দ্ৰ বৰগোহাঁই

হালোৱা কৰ্কাইৰ সতে
বলাকায়ে ওমলিছে একেলগে।
নয়নত ভাঁহে মোৰ
চহ কৰা সাৰুৱা পথাৰ
কাষতে কাকৈ জানা মৰমী পাহাৰ।
বিচৰণ কৰে য'ত
বনৰৌ, হৰিণ, হুগৰি
আৰু
সোণালী বান্দৰ
পাল পাল গাহৰি
আৰু বাঘ, অজগৰ।।
পাহাৰৰ সিপাৰতে
তেজ ৰঙা বেলিটোৱে
আন্ধাৰ সূতাৰে বোৱা
সুকোমল চাদৰেৰে
ওৰণি টানিব.খুজিছে
দিনান্তৰ আগ বতৰাৰে।
চিকুণ পাহাৰ মালাৰ
ঢৌ খেলা সেউজ ৰেখাৰ
আলাসতে ভাঁহি ফুৰা
মেঘ আৰু সূৰুযে
ৰঙেৰে ৰঙীণ হৈ
একা বেঁকা অলেখ ৰেখাৰে
ৰং তুলিকাৰে
ৰঙৰ সপোন আঁকিছে।
সৌপাৰে
অন্তহীন কিশোৰী কহুঁৱাই
'আই' নদীৰ বালি চাপৰিত
কোমল কুৰুলিৰে
সেউজীয়া আহিনৰে
মনৰ মাধুৰী সানিছে।
দুচকুত আপোন সুৰ
হৃদয়ৰে বহু দূৰ
চিনা চিনা লাগিলেও
চিনিব নোৱাৰা
বন পখিলাই
মন ফুলনিত
ঘনাই ভুমুকি মাৰিছে।

# প্ৰত্যাশাৰ পৰিণতি

## অমৰেন্দ্ৰ বৰগোহাঁই

সেউজীয়া জীৱন বৃক্ষৰ
প্ৰতিটো সংঘাতে
নিটোল কৰে
প্ৰেমৰ সুঠাম মানচিত্ৰ
জিলিকে য'ত
জেতুলী পকাৰ ৰং
সংযমহীন আঘাতে বঢ়ায়
হিয়াৰ দূৰত্বৰ পৰিধি
নিৰ্মম হাতৰ স্পৰ্শত
পখিলা পাখিৰ ৰঙ
উৰলাৰ দৰেই
আনমনা কৰ্কশ
প্ৰাণৰ পখিলাবোৰবো
ৰং উৰলি যায়
যৌৱন ক্লান্ত হয়
দিগভ্ৰান্ত হয় আশা,
অপমৃত্যু নিচেকে অনাদৰ মোৰ,
প্ৰত্যাশাৰ উপহাৰ
কৰুণ আৰ্তনাদ আৰু এবুকু হতাশা ?



# প্ৰশান্ত সাগৰ চাংমাই

**জন্ম ঃ** ২৭ ফেব্ৰুৱাৰী ১৯৬৭ খ্ৰীষ্টাব্দত চিলংত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত খগেন্দ্ৰনাথ চাংমাই, মাতৃ শ্ৰীমতী লক্ষীপ্ৰভা চাংমাই। ৰূপা সিং (ডাঙৰ ভগ্নী), ৰাণু শইকীয়া(মাজু ভগ্নী)।

**শিক্ষা ঃ** ডিব্ৰুগড়ৰ খলিহামাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, ধুবুৰীৰ বি.চি. মেমোৰিয়েল স্কুল, চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়; তিনিচুকীয়াৰ চেনাইৰাম মধ্য উচচতৰ বিদ্যালয়, তেজপুৰৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মধ্যমভাগ আৰু কটন কলেজ (কলা বিভাগ), ৰামজাচ কলেজ (দিল্লী) তথা জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ।

**চাকৰিত যোগদান ঃ** ১৯৯৩ চনত গুৱাহাটীত (অসম প্ৰশাসনিক মহাবিদ্যালয়, খানাপাৰা) আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক পদত।

**বৰ্ত্তমান ঃ** অধিনায়ক, ২২ নং আই আৰ বেটেলিয়ন।

**বিবাহ ঃ** ৭ জানুৱাৰী ১৯৯৬ খ্ৰীষ্টাব্দত শ্ৰীমতী লিন্দা চাংমাইৰ সৈতে বিবাহ-

পাশত আবদ্ধ। দুজনী কন্যা বাৰবি আৰু ছাৰুন।

**ভাল লগা বিষয় :** সাহিত্য, চলচ্চিত্ৰ।

**সৃষ্টি :** কবিতা সংকলন 'নিজস্ব কক্ষপথে', প্ৰকাশক আমৰা কয়েকজন, শিলচৰ। অনুবাদিকা ছবি গুপ্তা। ইয়াৰোপৰি জীৱন, সাতসৰী, সম্ভাৰ, Sentinalত অনিয়মীয়াভাবে প্ৰকাশ পাই থাকে দুই এটা লিখা।

**সামাজিক কাম :** বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত। সাহিত্য আলোচনীৰ সৈতে জড়িত। 'জীৱন' আৰু 'নিবেদন' আলোচনীৰ সৈতে জড়িত।

**ভৱিষ্যত পৰিকল্পনা :** সমাজ জীৱনত দৃঢ়ভাবে সাঙুৰ খাই পৰা। যিটো জাতিত জন্ম লভিছোঁ সেই জাতিটোৰ হকে এটা হ'লেও ভাল কাম কৰি অৱদান আগবঢ়োৱাৰ ইচ্ছা যিটো এতিয়ালৈকে স্বপ্ন মাথোন।

**অসমবাসীলৈ বাৰ্ত্তা :** নাই।

**বৰ্তমানৰ ঠিকনা :** অধিনায়ক, ২২ নং আই আৰ বেটেলিয়ন।

## সংকলকৰ চমু টোকা

**প্ৰশান্ত সাগৰ চাংমাই** — কমাণ্ডেন্ট হিচাবে কাম কৰি থকা চাংমাইদেৱ প্ৰকৃততে এজন কবি যদিও গল্প আৰু প্ৰবন্ধতো তেখেতৰ ব্যুৎপত্তি আছে। তেখেতে 'জীৱন' আৰু 'নিবেদন' নামে দুখন আলোচনীৰ লগত জড়িত থাকি অসমীয়া সাহিত্যলৈ অৰিহনা যোগাই আহিছে। জাতিৰ হকে কাম কৰি যোৱা স্পৃহা বুকুত বান্ধি তেখেতে প্ৰশাসনিক দিশৰ লগতে সামাজিক কামতো নিজকে ব্যস্ত ৰাখিছে। তেখেতৰ ভাল লগা বিষয় সাহিত্য আৰু চলচিত্ৰ বুলি কোৱাৰ পিছতে তেখেত যে এজন সংস্কৃতিৰ সাধক সেই কথা মনলৈ আহে।

# জয়ন্ত যোৱাৰ পিছত সংলাপবোৰ

**প্ৰশান্ত সাগৰ চাংমাই**

বিশ্বাস হোৱা নাই এইটোৱেই সেই জয়ন্ত যাৰ ৰবৰ সময় নাই, বহিবৰ সময় নাই, সময় যাৰ বাবে প্ৰতিদ্বন্দী। ডাউন টাউন চিকিৎসালয়ৰ আই চি ইউৰ কোঠাটোত কেইজনমান ৰোগী শুই আছে। সকলোকে একে দেখি। মই ডাক্তৰৰ অনুমতি লৈ ডাক্তৰৰ গ্ৰাউন এটা পিন্ধি জয়ন্তক বিচাৰি ফুৰিছো। অথচ মোৰ কাষৰ প্ৰথম বিচনাখনত সি শুই আছে। চুলিবোৰ খুৰাই থোৱা বাবে, নাক-মুখত চিকিৎসা বিজ্ঞানৰ কিছু যন্ত্ৰপাতিৰ সংযোগ কৰি ৰখা বাবে মই চিনিব পৰা নাছিলো। যেতিয়া চিনি পালো জয়ন্তক, মই থৰ হৈ গ'লো। ভাৰতবৰ্ষৰ, অসমৰ বিভিন্ন সমস্যা মূৰত লৈ ফুৰা জয়ন্তটো গভীৰ শান্তিৰ নিদ্ৰাত। ডাক্তৰ আহিছে-গৈছে, নাৰ্ছে খুচা-মেলা কৰিছে ..... নাই .... জয়ন্তৰ একো ভ্ৰূক্ষেপ নাই। কোঠাটোত শীততাপ যন্ত্ৰৰ সহায়ত ঠাণ্ডা বতাহ বৈ আছে। তাৰ ঠাণ্ডা লগা নাই। মই ওচৰত বৈ আছো - কোৱা নাই "অই, এতনা দিন ফোন নেহী কিয়া?" কোঠাটোৰ প্ৰতিজন ৰোগী গভীৰ নিদ্ৰাত। নাৰ্ছ দুজনীমানে আহি সুধিলে "কাক লাগে?" জয়ন্তই শব্দ শুনিলে অসুবিধা পাব বুলি মই কেৱল মূৰটো জোকাৰিলো। কাকো নেলাগে কথাষাৰ উচ্চাৰণ নকৰি তেনেকৈয়ে বুজাব পাৰি। আই চি ইউৰ পৰা ওলাই আহোতে দেখিলো জয়ন্তৰ পত্নী ৰাধাই কাষেৰে দৌৰাদৌৰিকৈ পাৰ হৈ গৈছে। কাকো সৌজন্যতাৰ মাত এষাৰ দিয়াৰ সময় তাইৰ নহয়। তাই কোন গৈছে কোন আহিছে একো খবৰ ৰখা নাই। তাই কেৱল ডাক্তৰ কিজনক এতিয়া চিনি পাই আৰু তেওঁলোকৰ মুখৰ পৰা শুনিব বিচাৰিছে দুটামান শব্দ যি কেইটা শব্দই তাইৰ জীৱনটোক পুনৰ স্থিৰ কৰি তুলিব। ধুমুহা এজাক আহিও যেন দুৱাৰ মুখৰ পৰা উভতি যাব। অথচ চিন্তিত ডাক্তৰ কিজনে সেই শব্দ কেইষাৰ উচ্চাৰণ কৰিব পৰা নাই।

জয়ন্তৰ ষ্টাৰ নিউজ অফিচত মাজে মাজে গৈ বহো। দেশৰ নানা সমস্যাৰ কথাৰে চিন্তিত হৈ সি বহি থাকে। তাৰ ইঞ্জিনীয়াৰজন, কেমেৰামেনজনেও কেতিয়াবা আহি ভাগ লয় কথাৰ। উত্তৰ পূৰ্বাঞ্চলৰ সকলো ঠাইলৈ সি গৈছে। সকলো বিদ্ৰোহী সংগঠনৰ সৈতে সি মত বিনিময় কৰিছে। সকলোবোৰ সমস্যাক কেন্দ্ৰ কৰি গঢ়ি উঠা খবৰবোৰ সি ষ্টাৰ নিউজৰ জৰিয়তে সৰ্বভাৰতলৈ বিয়পাইছে। তাগিদা আহে মুখ্য অফিচৰ পৰা - বাতৰি লাগে। সি অফিচৰ বলেৰোখনত দৌৰে। কেতিয়াবা ক্লান্ত হৈ চিগাৰেট এটা জ্বলাই কৈ উঠে : "কেতনা দৌৰেঙ্গে নিউজ কে পিছে?" ৰাতিপুৱা এদিন ফোনটো বাজি উঠে। জয়ন্তৰ কণ্ঠ "শিলচৰ যা ৰহা হো। আৰ্মি অফিচাৰ কা নিউজ কৰনে?

কর্ণেল শুক্লা নে কুছ extortion demand দিয়া হে, উচপৰ নিউজ বনানা হে।" মই ৰৈ থাকো। জয়ন্তৰ ফোন বাজি থাকে। "অভী চিলং ক্রছ কিয়া .......... অভী লাড্রিমবাই মে খানা খা ৰহা হু .......... শিলচৰ পহুচ গয়া, তেৰা ঘৰ কিধৰ হে?" মই ৰাস্তালৈ ওলাই যাওঁ। ছিলভাৰ ৰঙৰ বলেৰো গাড়ী এখনলৈ বাট চাই ৰওঁ। চশমা তলৰ চকু দুটাৰে হাঁহি হাঁহি জয়ন্ত নামি আহে "আৰে চাংমাই কিয়া হাল হে?"

"আজ ৰেষ্ট কৰতে হে কাল শুভহ্ কাম শুৰু কৰেঙ্গে।"

মই তাক কওঁ "It is an old news. It got published in Times of India, Telegraph, everywhere." সি বুজায় "Visual media is different. We will reconstruct the whole story with visuals, We give life to a news." "কাল তুমকো সমজা দেঙ্গে।"

পুৱা দুয়োটা ওলাই যাওঁ সেইখন চাহবাগিচালৈ যিখনৰ মেনেজাৰক এজন আর্মি অফিচাৰে টকা দাবী কৰিছিল। বাগানৰ মাজত ঠিয় হৈ জয়ন্তই কেমেৰালৈ চাই কৈ যায় "য়ে হে বহী বিন্নকান্দি চাই বাগান জিচকে মেনেজাৰকো ............"

তাৰপিছত কেমেৰামেনক সেই ফোনটোৰ ফটো ল'ব কয় যিটো ফোনত টকা দাবী সম্পর্কে কথা বতৰা হৈছিল। তাৰপিছত মেনেজাৰজনৰ এটা চুটি সাক্ষাৎ। এইবাৰ আহি লক্ষীপুৰ থানালৈ বৰাক নদী পাৰ হৈ। বিশাল এখন ফেৰী বাঁহৰ বঠা আৰু ৰচীৰ সহায়ত নাৱৰীয়া সকলে টানি টানি পাৰ কৰোতে কিমান সময় লাগিল ক'ব নোৱাৰিলো। কিন্তু চকুৰে দেখি থকা ঘাটতো নেপাওঁহে নেপাওঁ। ফেৰীৰ পৰা জয়ন্তই বোম্বাইৰ মুখ্য কার্যালয়লৈ ফোন কৰিলে। "What a contrast - you are talking to Bombay from a ferry pulled by bamboos and threads." সি ভোৰভোৰালে।

লক্ষীপুৰ থানাত সমুখত ঠিয় হৈ কেমেৰাৰ সম্মুখত সি কৈ গ'ল - "য়েহি হে কাছাৰ জিলাকে বহ লক্ষীপুৰ পুলিচ ষ্টেচন জহা মেনেজাৰনে আপনা এফ আই আৰ দিয়া হে ......" শেষত সেই কেছৰ সম্পর্কে এটা থুসমূল বিবৃতি ললে অতিৰিক্ত আৰক্ষী অধীক্ষক বিপুলানন্দ চৌধুৰীৰ পৰা। "য়ে হে reconstructing a story in visual media. Now people will not imagine about the places where the incident occured. They will see it. ষব তুম কহোগে Lakhipur Police Station, viewers will see Lakhipur Police Station. Any way let me try Army H.Q. whether I will be allowed to interview them or not." সি অনুমতি নাপালে মাসিমপুৰ যাবলৈ।

গোটেইখিনি খবৰ সামৰিসুতুৰি বাতিয়েই জয়ন্ত গ'লগৈ। পুৱা ফোন কৰিলে "আহি পালো। ইডিটিং কৰি আছো।"

সময়ৰ সৈতে জয়ন্ত গৈ থাকে। মই গুৱাহাটী যাব লগা হ'ল। গুৱাহাটী পায়েই

ফোন কৰিলো জয়ন্তক "I am in Guwahati" সি উত্তৰ দিলে - " আ যা, come over, ব্ৰহ্মপুত্ৰৰ ঘাটত আহি যা। I am doing a story on rain, moonsoon and Assamese people." ব্ৰহ্মপুত্ৰৰ পাৰত গৈ দেখো নাৱত কেমেৰাৰে সৈতে জয়ন্তই কিছু শিল্পীক লৈ চুটিং কৰি আছে। বৰষুণ, নদী আৰু গানৰ সমষ্টি কৰি এটা বাতৰি - অসমীয়া জাতি সম্পৰ্কে। তৰালী শৰ্মাৰো গান লৈছিল। মই বাতৰিটো দেখা নেপালো।

এদিন ৰাতি জয়ন্তৰ ফোন আহিল - "বিশ্বনাথ চাৰিআলি যাম। বাতৰি এটা আছে।" নাই অহা জয়ন্ত। আহিল পৰম গগৈৰ SMS "Jayanta attacked by brain stroke. Condition Critical."

তাৰপিছত "Jayanta expired. SMS."

"চন্দন দা, চন্দন দা.. খবৰটো পাইছে নে?"

"অ প্ৰশান্ত, মই লগতেই আছিলো। চাৰ্কিট হাউছত। আমি এখন craft মেলা পাতিছিলো, মণিপুৰৰ পৰা মুখ্য অতিথিক নিমন্ত্ৰণ কৰি আনিছিলো। চাৰ্কিটহাউছত সিও আহিল। বুকুখন বিষাইছে বুলি কৈ বাগৰি পৰিলেই - মোৰ ব্যক্তিগতভাৱে বহুত লোকচান হ'ল। তাৰপৰা মই বহু জ্ঞান পাইছিলো।"

"প্ৰশান্ত"

"অ খবৰটো পাইছো"

"আচৰিত লাগে"

"হেল্ল' মই দিলীপ তামুলী, প্ৰশান্ত নে?"

"ককাইদেউ কওঁক। আমি কিবা এটা কৰিব লাগিব তাৰ স্মৃতিত।"

"প্ৰশান্ত দা, ৰাহুল"

"অ খবৰটো পাইছো।"

"কি কৰো?"

"তাৰ গোটেই ভাল ভাল visual newsবোৰৰ এটা Collection কৰাব পাৰি।"

"পাৰি পাৰি। বহু কথা কৈ গ'ল। লিখি থোৱা হ'লে কিতাপো কৰিব পাৰিলোহেঁতেন।"

"প্ৰশান্ত, মই বিপুলা। সি নহয় জানো - শিলচৰলৈ যে গৈছিলে?"

"অ' হয়, হয়। উপায় নাই।"

"বিপুলজ্যোতি?"

"অ' কোৱা প্ৰশান্ত"

"জয়ন্ত গ'ল।"

"কি?"

বাতৰিৰ পিছে পিছে দৌৰি জয়ন্ত নিজে বাতৰি।

আমিবোৰ তাৰ অবিহনে থাকি গ'লো।

ফোনবোৰ কমি গ'ল। জয়ন্তৰ ঘৰত মেহফিল নবহা হ'ল।

চন্দন দা, বিপুলজ্যোতিৰ আড্ডা জমাই উঠোৱা মানুহটো নোহোৱা হ'ল।

বহুত দিন পাৰ হৈ গ'ল।

বিপুলাৰ ফোন আহিল। "বিপুলা কোৱা"। "মই এতিয়া বঙ্গোপ সাগৰৰ পাৰত। ভয় লাগে। বৰ ভয় লাগে সমুদ্ৰক। আজি এপ'ল'ত চেকআপ কৰিলো। কালি ৰিজাল্ট পাম। মোৰ নিজৰ বাবে নহয়। পত্নী সন্তান - ইহঁতলৈ মোৰ চিন্তা - সমুদ্ৰ চিৰদিন গৰ্ভৱতী।"

ক্ৰমে আমাৰ কথোপকথনত মৃত্যুৱে স্থান পাবলৈ ধৰিলে।

"বুজিছা প্ৰশান্ত, এই কেইদিন এখন কিতাপত লাগি আছো। জাপানৰ কবি সকলে মৃত্যুৰ আগতে এটা কবিতা লিখি থৈ যায়। তেনেকুৱা প্ৰায় আশিটা কবিতা মোৰ হাতত আছে। মই অনুবাদ কৰি আছো। পাতনিটো লিখা হৈ গৈছে। এটা কবিতা তোমাক ফোনতে কওঁ শুনা। জাপানত চেৰা গছত চেৰী ফুলবোৰ এসপ্তাহৰ বাবে ফুলি উঠে। আৰু তাৰপিছত গছজোপাক লঠঙা কৰি সৰি পৰে! তাকে লৈ এজন কবিয়ে লিখি গৈছে –

থাকিলোৱেই যেনিবা বাচি আৰু এটা দিন
তাতনো কি লাভ
চেৰিফুলো থাকে মাথো সাতোদিন।"

তাৰপিছত বিপুলজ্যোতিৰ মাতটো ক্ৰমে মোৰ কাণৰ পৰা আঁতৰি গ'ল।



# মুগ্ধজ্যোতি মহন্ত

**জন্ম ঃ** ১৯৭২ চনৰ ২০ নবেম্বৰত নগাঁৱৰ হোজাইত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত ভট্টদেৱ মহন্ত আৰু মাতৃ অকণমাই দেৱী। ককাইদেউ দুজন - দিব্যজ্যোতি, বিদ্যুৎ আৰু ভাতৃ এজন - দীপজ্যোতি।

**শিক্ষা ঃ** ভুবৰন্ধা এম ই স্কুলৰ পৰা প্ৰাথমিক শিক্ষা। বোকাখাট চৰকাৰী বিদ্যালয়ৰ পৰা মধ্যমভাগ আৰু কটন কলেজৰ পৰা উচ্চ শিক্ষা।

**চাকৰিত যোগদান ঃ** ১৯৯৫ চনত, গোলাঘাটত উপ-আৰক্ষী অধীক্ষক পদত।

**বৰ্তমান ঃ** অতিৰিক্ত আৰক্ষী অধীক্ষক। বাক্সা জিলা।

**বিবাহ ঃ** নগাঁৱত লখিমী প্ৰিয়ম্বদা মহন্তৰ সৈতে বিবাহ-পাশত আবদ্ধ। একমাত্ৰ পুত্ৰ আৰয়ান য়াত্ৰিক মহন্ত।

**ভাল লগা বিষয় ঃ** সমৰ কলা, ভ্ৰমণ, গ্ৰন্থ ইত্যাদি।

**সৃষ্টি ঃ** কবিতা - দহটামান হ'ব। চালুকীয়া স্তৰৰ কবিতা। গল্প - সত্তৰটামান। প্ৰবন্ধ - দুই-তিনিটামান হ'ব। নাটক- নাই। উপন্যাস - দহখনমান।

**সামাজিক কাম ঃ** সমাজৰ ওচৰ চাপিব খুজোঁ। ভীতিগ্ৰস্থ হৰিণাৰ দৰে দেখোন আতৰিহে যায়! নাজানো কিবা কৰিব পাৰিছোঁ নে নাই!

**ভৱিষ্যত পৰিকল্পনা ঃ** বৰ্তমানক লৈয়ে ব্যস্ততাৰ অন্ত নাই। সঁচা ক'বলৈ গ'লে কোনো পৰিকল্পনা নাই।

**অসমবাসীলৈ বাৰ্ত্তা ঃ** স্বাৱলম্বী হ'বলৈ শিকক সকলোৱে। চেষ্টাৰ অসাধ্য নাই।

**বৰ্তমানৰ ঠিকনা ঃ** অতিৰিক্ত আৰক্ষী অধীক্ষক, বাক্সা জিলা।

## <u>সংকলকৰ চমু টোকা</u>

**মুক্তজ্যোতি মহন্ত** — বৰ্তমান অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাবে কাৰ্যনিৰ্বাহ কৰি থকা মহন্তদেৱ এজন প্ৰকৃততে ভাল গল্পকাৰ তথা ঔপন্যাসিক। 'মৃত্যুঞ্জয় মহন্ত' নামেৰে লিখা বহুতো গল্পই পাঠক সমাজত খলকনি তুলিছে। সদা হাস্যময়ী মহন্তদেৱ সত্তৰটামান গল্প লিখিছে যদিও এতিয়ালৈ পুথি আকাৰে ছপোৱা নাই। কিন্তু দহখনতকৈ অধিক উপন্যাসে অসমীয়া সাহিত্যৰ ভড়াললৈ মূল্যবান শইচ দিছে। সকলোকে স্বাৱলম্বী হ'বলৈ আহ্বান জনোৱা মহন্তদেৱে নিৰৱচ্ছিন্নভাৱে লিখি যোৱাতো অসমীয়া সমাজখনৰ কাৰণে তথা আৰক্ষী সমাজখনৰ কাৰণে ফলপ্ৰসু আৰু লাভদায়ক হ'ব বুলি ভবাৰ থল আছে।

# জলবন্দী

## মুগ্ধজ্যোতি মহন্ত

আব্দুল্লাই চিঞৰি উঠিল -- সাপ! সংকটমুহূৰ্তৰ আৰ্ত চিৎকাৰ!.........

জুলাই মাহৰ ছানছাইন ৰেকৰ্ডাৰ শুই আছে। বতাহৰ আপেক্ষিক আৰ্দ্ৰতা সম্পূৰ্ণ এশ শতাংশ পৰিলক্ষিত হৈছে।

ইমৰান থিয় হৈ আছে বাৰাণ্ডাৰ পঁচা কাঠৰ ৰেলিঙত ভেঁজা দি। শোকৰ প্ৰস্তাৱ তাৰ বিবেকে দিয়া নাই। সেইবাবে তাৰ দুচকুতো আৰ্দ্ৰতা নাই। গতিময় নদীৰ শৰীৰ। মূল উৎস আৰু গতিপথৰ ওচৰ-পাজৰ ঠাইৰ পৰা বৃষ্টিপাতজনিত সমস্ত পানী শৰীৰত বহন কৰি লৈ গৈ আছে অৱবাহিকাৰ ফালে। গড় হিচাপত বিছ/ পঁচিছ মিলিমিটাৰ বৃষ্টিপাত। ইয়াতেই এই বন্যা। বেছি হ'লে কি হ'ব? ভাবিলে ইমৰানে। ঢপলিয়াই আহিছে আবৰ্জনামিশ্ৰিত ঘোলা পানীবোৰ। চাৰিওফালে পানী। কেৱল পানী। ৰাস্তাৰ চিন-মোকাম নাই। কলগছৰ ভুৰ লৈ, সৰু সৰু নাওবোৰ লৈ উদং শৰীৰেৰে মানুহবোৰ ঘূৰি ফুৰিছে। পানী পৰুৱাৰ দৰে। আকাশত ক'লা মেঘৰ তাণ্ডৱ। ৰেলিঙত হাত থৈ চাৰিওফালে চকু ফুৰালে সি। পানীৰ ওপৰত ভাহি উঠিব পৃথিৱী। জনশ্ৰুতি আছে। নোৱাৰ নাওখনত থাকিব স্মৃতি। একো নাই।

কোনো নাই অফিচটোত। পানী অহাৰ লগে লগে সকলো নিৰাপদ অৱস্থানলৈ গুচি গৈছে। মূল্যবান যন্ত্ৰপাতিবোৰ থকাৰ বাবে সি ৰখীয়া হ'বলগীয়া হ'ল। এতিয়া যিটো কোৱাৰ্টাৰত সি আছে তাত পানী সোমাবলৈ আৰু অলপ বাকী। পানী সোমোৱাৰ আগতেই অলপ ওখত থকা পাকঘৰটোত তলা মাৰি সোমাব লাগিব! ভাবে সি।

আন সামগ্ৰী লৈ অহা হেলিকপ্টাৰ এখন ওপৰেদি গৰ্জন তুলি উৰি গৈছে। তীক্ষ্ণতৰ হৈ আহিছে গৰ্জন, বিপৰীত ফালে হেলিকপ্টাৰখন আঁতৰি যোৱাৰ লগে লগে তীক্ষ্ণতা কমি গৈছে। ডপ্লাৰৰ প্ৰভাৱ। তৰংগৰ উৎস আৰু শ্ৰোতা বা দৰ্শকৰ মাজত আপেক্ষিক সৰণৰ ফলত তৰংগৰ কম্পনাংকৰ পৰিবৰ্তন ঘটে। দূৰত্ব কমিলে এই মান বাঢ়ে, বাঢ়িলে কমে। নাজনীনৰ দেউতাক আৰু তাৰ মাজৰ দূৰত্বখিনি বানপানীয়ে কমাই আনিব। নাজনীনহঁতৰ ঘৰতো পানী সোমাইছে। তাইৰ দেউতাকে প্ৰতিবাৰেই বন্যা প্লাবিতসকলৰ দুৰ্দশাত আমোদ লাভ কৰিছিল। এইবাৰ তেওঁ নিজেই ভুক্তভোগী। নাজনীনক স্কুটাৰত উঠাই মথাউৰিৰ ফালে কেটেলা বান্ধ দি থকা মানুহবোৰক চাবলৈ গৈছিল তেওঁ। আহি দেখিলে ঘৰৰ বিছনা ওপঙি আছে পানীত। ডেথ্ দা লেভেলাৰ, ফ্লাড্ দা লেভেলাৰ।

এতিয়া বানপীড়িত সকলোবোৰ মানুহ গৈ ফকিৰপাৰাৰ ওখ স্কুল চৌহদটোতে

থুপ খাইছে, গুড়ি পৰুৱাৰ দৰে। নাজনীনে তামোল কাটি বহিছে হয়তো তাৰ মাকৰ ওচৰত। নাজনীনৰ দেউতাকে মৰা মাছৰ দৰে ঘোলা চকুহালেৰে পানীবোৰলৈ চাই আছে আৰু পৰাজয়ৰ গ্লানি লৈ নিশ্চুপ হৈ ক'ৰবাত বহি আছে হয়তো। ইমৰানহঁতৰ ফালে বা পানীৰ অৱস্থা কেনে? সুধিব। সুধিব চুন্নত পালন কৰি এমুখ ডাড়ি ৰখা মানুহটোৰে। আৰু সেই খবৰটো পাই সি লুঙি খুলি নাচিব। ভাবি থাকে ইমৰানে। কিন্তু সি জানে বানপানীবোৰ নাইকীয়া হৈ যাব। বাস্তৱিকতে এটা সাম্যবস্থা বৰ্তি থকাটো অসম্ভৱ।

আকাশলৈ চালে সি। বাৰান্দাখনৰ টিনপাতবোৰ মামৰে খাই ক্ষয়যাত্ৰাৰ অন্তিমটো পৰ্যায়লৈ লৈ গৈছে। স্পষ্ট হয় খণ্ড-বিখণ্ড আকাশ। তাৰকাৰাজ্যবোৰ পৰস্পৰে পৰস্পৰৰ কাষ চাপি গৈ আছে। ফ্ৰিয়েড্‌মেনৰ টোকা এটা বজাৰৰ হিচাপ-নিকাচ কৰা বহিখনতে আছে। হঠাতে মনত পৰি লিখি থৈছিল। তেওঁ গণনা কৰি দেখুৱাইছিল যে আজিৰ পৰা প্ৰায় এক বা দুই লাখ কোটিমান বছৰৰ আগেয়ে বিশ্বৰ সমস্ত পদাৰ্থ এক চকুৰে নেদেখা, অসীম দূৰত্বৰ বিন্দুত থুপখাই আছিল। এটা বিন্দু। ছিংগুলাৰিটি। এই বিন্দুত পদাৰ্থ বিজ্ঞানৰ সকলো ৰীতি-নীতি অসাৰ হৈ পৰে। প্ৰসাৰণশীল হোৱাৰে পৰা বিশ্ব-ব্ৰহ্মাণ্ড এটা ফুলাই থকা প'লকা ডটেড বেলুনৰ দৰে হৈ পৰিল। সময়ৰ লগে লগে বেলুনটোৰ পৃষ্ঠকালি বাঢ়ি গৈ থাকে আৰু পৃষ্ঠৰ ফুট ফুটবোৰ পৰস্পৰৰ পৰা আঁতৰি গৈ থাকে। এই ফুট-ফুটবোৰ তাৰকা ৰাজ্যসমূহ বুলি ধৰি ল'ব পাৰি।

এফন্দি উঠিছে নদীপৃষ্ঠ। বিধ্বংসী ৰূপ। ফেনে-ফুটুকাৰে বাঢ়িছে নদী। উন্মাদ বন্যাত প্লাৱিত চৌদিশ। নদীখনে নাজনীনহঁতৰ ঘৰৰ মৰ্যাদাৰ সৈতে সমান্তৰাল কৰি দিছে তাৰ ঘৰখনক। ধনবান, ধনহীন সকলো একেলগ হৈছে। প'লকা ডটেড্ বেলুনটোৰ দৰে। 'আপুনি নিজে বানপীড়িত নহ'ব পাৰে, আপুনি বিপদত নপৰিব পাৰে, কিন্তু আপোনাৰ ভাতৃ-ভগ্নী আজি সীমাহীন দুৰ্দশাত, আপুনি তেওঁক সহায় কৰক।' — এই আহ্বান ভগ্নী নিৰ্মলাৰ। মিছনেৰী অব চেৰিটিৰ ভগ্নী নিৰ্মলা।

কোনোবাই নাৱেৰে আহি অফিচৰ বাৰাণ্ডাতে লিফলেট এখন পেলাই গৈছে। সি নিজেই জলবন্দী, আনক কি সহায় কৰিব।

খোৱবস্তুবোৰ শেষ হৈ আহিছে। নাও এখনত উঠি আন সামগ্ৰীৰ সন্ধানত হয়তো কাইলৈ ওলাব লাগিব। খোৱাপানী শেষ হৈ আহিছে। লগে লগে হৈ আছে কেৰাচিনৰ তীব্ৰ সংকট।

ওলোৱাটোৰেই এটা সমস্যা। সমগ্ৰ ঠাইখনেই বন্যাৰ পানীত ডুবি আছে। নেচনেল হাইৱেৰ পৰিস্থিতিও উদ্বেগজনক। হাইৱে খুলি যোৱাৰ লগে লগে পঁচা মাছ, পিঁয়াজ, আলুবাহী লৰিবোৰ প্ৰবেশ কৰিব দুৰ্গন্ধৰ মেটমৰা বোজা লৈ।

তাৰ গাঁৱৰ পৰাও দুৰ্গন্ধৰ খবৰ আহিব নেকি? সেই দুৰ্গন্ধবোৰৰ মাজত যদি চলমান স্কুটাৰ এখনৰ ধোঁৱাৰ গোন্ধ বিয়পে। ভাবি স্থিৰ হৈ ৰয় ইমৰান।

আব্দুল্লা নামৰ চাৰ্কিট হাউছৰ চকীদাৰজন কলৰ ভূৰত উঠি আহিল অফিচৰ ল'। আহিয়েই তেওঁ ক'লে — ইমৰান, পাকঘৰটোলৈকে বস্তুবোৰ লৈ যাওঁ ব'ল। ইয়াত পানী সোমাই যাব। তাৰাবিলৰ মথাউৰিটো ভাঙিছে।

পাকঘৰটোৰ তলা ভাঙিবলগীয়া হ'ল। চাবিটো তাৰ হাতত নাই।

আব্দুল্লাৰ লগ লাগি ধৰাধৰিকৈ যাৱতীয় সামগ্ৰীবোৰ তালৈ নিলে সি। খাটিয়া এখন আগৰে পৰা আছিল তাত। তুলি, বিছনা চাদৰ, গাৰু আঠুৱা, ছুটকেছ, ষ্টভটো, খোৱা সামগ্ৰীবোৰৰ টেমা, বটল আদি বস্তুবোৰে স্থান পৰিবৰ্তন কৰিলে। পাকঘৰটো অলপ ওখত। পানী সোমোৱাৰ আশংকা নাই।

ঃ পানী বেছি খৰচ নকৰিবি ইমৰান। পাহাৰৰ জুৰিৰ পৰা পানী লৈ গাড়ী এখন আহিছিল। মানুহবোৰে ড্ৰাইভাৰক মাফ-পিট্ কৰি পানী কাঢ়ি নিছে। খোৱা বস্তুবোৰো টানি খৰচ কৰিবি। বৰ নাটনি হৈছে। সুন্দৰী আলিৰ এলাগী ৰে'ল ষ্টেচনটোত হেলিকপ্টাৰৰ পৰা চাউল আৰু পাঁচবেগ দাইল পেলাইছিল কালি। কিন্তু যেতিয়াই বস্তুবোৰ আকাশৰ পৰা মাটিত পৰিল তেতিয়াই কোনোবা কাফেৰে ভোকত পাগল হৈ থকা মানুহবোৰৰ সন্মুখৰ পৰাই ৰিলিফৰ মাল কাঢ়ি লৈ গ'ল। বাধা দিবলৈ আগবাঢ়ি আহিছিল কেইজনমান। কিন্তু কাফেৰবোৰে তেওঁলোকক মাৰি-পিটি জখম কৰে। বন্দীপাৰা স্কুলত খিচিৰি বিলাই আছিল কিবা এন.জি অ' নে এন. চি অ' কিবা এটা দলে। ফ্ৰিতে খাই আছিলো। আজিৰে পৰা আমাৰ ডি.চি চাহাবে তাকো নিষেধ কৰি দিছে। — আব্দুল্লাই দুখেৰে ক'লে। দীৰ্ঘ হুমুনিয়াহ এটা ওলাই আহিল।

তেওঁৰ চকুলৈ চালে সি। দুঃচিন্তাৰ ক'লীয়া ডাৱৰ গোট খাইছে।

ঃ আমাৰ গাঁৱৰ খবৰ পাইছনে নাই? - সুধিলে সি। আব্দুল্লাই এতিয়া তাৰ বাবে বহিৰ্জগতৰ খবৰ কঢ়িওৱা মুখ্য মাধ্যম। তেওঁৰ ঘৰো তাৰ ঘৰৰ পৰা বেছি দূৰৈত নহয়।

ঃ পাইছো পাইছো। গফৰপুৰত পানী হৈছে। আলামীৰ চৰত মানুহৰ হাহাকাৰ অৱস্থা। সকলো মানুহ গৈ ফকিৰপাৰা স্কুলৰ ফিল্ডত আছেগৈ। আব্বাজানৰ ভালেই। আম্মীজানৰ মূৰৰ বিষটো আছে। ছাইনাছৰ কাৰণেই হৈছে নেকি। টাউনলৈ এবাৰ লৈ আনি ডাক্তৰক দেখুৱাই দিবি। পানীটোও শুকাওক।

ঃ নাজনীনহঁতো স্কুলত আছে? - সুধিলে সি। তাৰ চকুকিটা সাপৰ চকুৰ দৰে তিৰ্‌বিৰাই উঠিছে। কৃষ্ণপক্ষত যেন পোহৰবিন্দু জিলিকিছে।

ঃ আছে। ক'ত যাব। গোটেইখন সাগৰ। গৰু, ছাগলী, মানুহ চব আহি স্কুলতে আছে। ছাল্লা থুই। তাইৰ বাপেকটো। বেহেস্তৰ মুখ দেখা নাপাব সি। — আব্দুল্লাই তীব্ৰ ক্ৰোধত সঁচাৰ্সচিকৈয়ে থুৱাই দিলে পানীলৈ। দুবছৰমান আগতে মোকৰ্দমা তৰি তেওঁৰ মাটিখিনি কাঢ়ি নিছে নাজনীনৰ দেউতাকে। হাজী ফকৰুদ্দিন। হজ কৰি আহিও তাৰ বোধশক্তিৰ উদয় নহ'ল। ইফালে কথাই প্ৰতি পাক্‌কালামৰ উদ্ধৃতি

দিয়ে। পাঁচ বক্ত নামাজত বহে।

আল্লাৰ দৰবাৰত ইয়াৰ বিচাৰ সোনকালেই হ'ব লাগিব। কঁপনি উঠি আহে ইমৰানৰ। মানুহটোৰ কথা মনত পৰিলেই তাৰ সমগ্ৰ শৰীৰতে কুমজেলেকুৱা বগাই থকা যেন লাগে। অজু কৰিলেও আঁতৰি যাব নোখোজা এটা অপবিত্ৰভাৱে উন্মাদ কৰি তোলে তাক। তাৰ স্পষ্ট মনত আছে, সৰুতে মানুহটোৱে তাক ফুচুলাই মৰাপাটৰ খেতিৰ ফালে লৈ গৈছিল চাইকেলত উঠাই। সেইদিনা তেওঁৰ বিকৃত যৌনতাৰ চিকাৰ হৈছিল সি। এতিয়াও বমি আহিব খোজে তাৰ সেইবোৰ কথা মনত পৰিলে। প্ৰতিশোধৰ লিপ্সাতেই সি অন্তৰংগতা স্থাপন কৰিছিল নাজনীনৰ সৈতে। এটা তীব্ৰ স্পৃহা আছিল তাৰ। তাইক মৰাপাটৰ খেতিৰ মাজলৈ লৈ গৈ উলংগ কৰি.... । এতিয়াও মাজে মাজে সাৰ পাই উঠে সেই তীব্ৰ স্পৃহা।

ঃ হাজী। থুই। – আব্দুল্লাক অনুকৰণ কৰি সিয়ো অজানিতে থুই পেলালে। বিকৃত চিন্তাবোৰ মনৰ পৰা আঁতৰোৱাৰ দৰেই আঁতৰাই পেলাব খুজিলে সি।

প্ৰচণ্ডভাৱে ভাঙি পৰিছিল সি। উপক্ৰম হৈছিল মানসিক ভাৰসাম্য হেৰুওৱাৰ। ক'ব পৰা নাছিল কাকো। এই পৰিস্থিতিৰ পৰা তাক উদ্ধাৰ কৰিছিল মাক-দেউতাকৰ সৰল অভিব্যক্তিৰ মুখ দুখনে। অলপ বুজা হওঁতে তাৰ বাবে এটাই পথ খোলা আছিল। আত্মবিশ্বাস গঢ়ি তোলাৰ পথ। সেই পথেই ঘূৰাই দিছে তাক, প্ৰায় সকলোখিনিয়েই। তাৰ মনত ভাব হৈছিল - আৰু আছে সুন্দৰতা, যিখিনি অপেক্ষা কৰি আছে। তেতিয়াই হতাশাৰ মেঘবোৰ খিৰিকী খুলি পলাই গৈছে।

প্ৰিভেনছন ইজ বেটাৰ দেন কিউৰ। সেই বাবে সমস্যাৰ মোকাবিলা কৰা হওঁক আৰম্ভৰ পৰাই। নাজনীনক সি ইচ্ছামতেই গঢ় দিছে। মৰাপাটৰ খেতিত সি তাইক এতিয়াও নিঃশেষ কৰি পেলোৱা নাই।

তাই তাক কৈছিল - নাৰী অৰ্ধাকাশ হ'ব নোৱাৰে। নাৰী পূৰ্ণ আকাশ। পুৰুষো পূৰ্ণ আকাশ। প'লকা ডটেড্ বেলুনটোৰ দৰে এটা মধুৰ পূৰ্ণতা। সিয়ো অনুভৱ কৰিছিল যে নাৰীবাদ বস্তুটো যিমান এপিলিং সিমান বাস্তৱত দেখা নাযায়। এই নাৰীবাদটোকে গঢ়ি-পিটি নতুন কৰি নাজনীনৰ মুৰত সুমুৱাই দি হাজী ফকৰুদ্দিনৰ কফনখনৰ বাবে ৰৈ আছে সি।

সি ৰৈ আছে। নাজনীনে প্ৰায়শ্চিত্ত কৰিব। বিকৃত যৌনতা, অৰ্থলিপ্সা আৰু বগা চামৰাৰ তিৰোতা দেখিলেই জিভা লক্লকাই উঠা দেউতাকৰ ৰিপুদমনৰ বাবে প্ৰায়শ্চিত্ত।

তাই এটা নতুন মতবাদ উলিয়াইছে। মানৱতাবাদ। য'ত নাৰীবাদ আৰু পুৰুষবাদ অভিন্ন।

হাজীৰ বিৰুদ্ধে পশুবাদো যদি ওলায় সি সমৰ্থন কৰিব।

এই মহাপ্লাৱনত তাই এটা সুযোগ পাব।

জোকৰ দৰে তাইৰ শৈশৱৰ গাঁওখনৰ তেজাল উদ্দীপনাবোৰ তাইৰ দেউতাকে হৈ লৈছে। ভোকাতুৰ বাঘৰ দৰে কেঁচা যৌৱনৰ স্পৃহাত উন্মাদ হৈ পৰিছে তেওঁ।

এই বন্যাত যদি নিঃশেষ কৰিব পাৰে সেই উন্মাদনাক। চূৰ্ণ কৰিব পাৰে তেওঁৰ অথৰ্ব অৰ্থ গৰ্ব। শেষ হৈ যাওক। ইয়াৰ বাবে নাজনীনেই হ'ব উত্তম মাধ্যম।

এক আচৰিত অপৰাধবোধে ক্ৰিয়া কৰিলে তাৰ মনত। বংশগতিৰ অধ্যয়নত স্পষ্ট হৈছে বেছিভাগ অপৰাধীয়ে এক্স্ ৱাই ৱাই ক্ৰম'জমৰ অধিকাৰী। ৱাই ক্ৰম'জমে যিহেতু পুৰুষত্ব প্ৰদান কৰে, গতিকে অতিৰিক্ত ৱাই ক্ৰম'জমে মানুহক অপৰাধ প্ৰৱণ কৰি তোলে। পুৰুষত্ব! আকৌ বমিৰ ভাবটো সাৰ পাই উঠিল।

নাজনীনৰ চিঠিবোৰৰ লেখনীলৈ মনটোক আঁতৰাই লৈ গ'ল সি। "যেতিয়া এই পথ বাছি লৈছিলোঁ তেতিয়া এইবোৰ কথা ভবা নাছিলোঁ। এতিয়া এইবোৰেই লাৰ্জাৰ দেন লাইফ্ হৈ গৈছে। আব্বাই হয়তো এদিন মোক মাৰি পেলাব।"

মনত পেলালে সি মিগেল দা চাৰ্ভেণ্টেছ চাভেড্ৰাৰ বিখ্যাত উপন্যাস 'ডন কিহোটে'লৈ। কিহোটে উইণ্ডমিলক নিজৰ শত্ৰু বুলি ভাবে। ভৃত্য চাংকো পাঞ্জাক লৈ উইণ্ডমিলৰ বিৰুদ্ধে অভিযানত ওলাই যায়।

অৰ্থহীন আছিল সেই অভিযান। ইউৰোপীয়ান স্পেছ এজেন্সি এটাই নতুন প্ৰজেক্ট লৈছে - তৈয়াৰী হৈছে দুখন স্পেছ ক্ৰাফ্ট। -- কিহোটে আৰু চাংকো। আৰু কেইবছৰমানৰ পাছত ভয়ংকৰ এক অভিযানত ওলাই যাব এই দুই যোদ্ধা। ভৱিষ্যত উল্কাপাতৰ কবলৰ পৰা পৃথিৱীক ৰক্ষা কৰিব পৰা যাব নে নাই সেয়া জনাৰ বাবেই এই আত্মঘাতী অভিযান।

সি আৰু নাজনীন। এক আত্মঘাতী অভিযানৰে যোদ্ধা নহয়তো। নে উইণ্ডমিলৰ বিৰুদ্ধেই দুয়ো অভিযান আৰম্ভ কৰিছে। ইমৰান শিয়ঁৰি উঠে কথাবোৰ ভাবি ভাবি।

ঃ ককা, আপুনি ইয়াতে ভাত খাই যাব। - সি ক'লে।

বন্ধু-বাহিনীবোৰ থানথিত লগাওঁতেই সাঁজ লাগিল। মমবাতি এডাল জ্বলাই সি ষ্টভটোত জুই দিলে। গেলন এটাতে কেৰাচিন আছিল। জোঁকাৰি চালে সি। অন্ততঃ চাৰি-পাঁচদিন নিৰ্বিঘ্নে যাব।

দাইল আৰু ভাত।

ষ্টিলৰ থালতে ভাত বাঢ়িলে সি। নামাজ পঢ়ি উঠি আব্দুল্লাও আহিল তাৰ ওচৰলৈ। জ্বলকীয়া বিচাৰি পাকঘৰৰ এমূৰত থকা পাঁচিটোত হাত দিলে তেওঁ।

ঃ সাপ!!! লা ইলাহা ইল্লা আন্তা চুভানাংকা ইংনে কুণ্টুম মিনাজজুবালিমিন্।

বঢ়া ভাতৰ থালি মজিয়াতে থৈ সি প্ৰায় দৌৰি যোৱাদিয়েই গৈ আব্দুল্লাৰ ওচৰত থিয় হ'ল।

ঃ ক'ত?

চফিকলা কেইটামান গেলি আছে। তাতে জলকীয়া কেইটামানো আছে। টৰ্চ

মাৰি চাওঁতেহে দেখিলোঁ সাপ এটা সোমাই আছে পাঁচিটোত। ডাঙৰ সাপ। - লাঠী এডাল আনচোন।

ঃ নালাগে দিয়ক। থাকক। — সি সহজভাৱেই ঘূৰি আহিল।

ঃ অপকাৰ কৰিবতো। — আব্দুল্লাই ক'লে।

ঃ নকৰে দিয়ক। — হাঁহিলে সি।

ভয়ে ভয়ে ঠাইটুকুৰালৈ মাজে মাজে চকু ফুৰাই ভাত খালে আব্দুল্লাই। তাৰ পাছত কলৰ ভূৰখন চলাই, টৰ্চ এটা জ্বলাই গ'লগৈ। যাওঁতে কৈ গ'ল — সাৱধানে থাকিবি দেই। সাপৰ বিশ্বাস নাই। কাইলৈ ফেনাইল পাওঁ নেকি চাওঁ। — কঁপা কঁপা টৰ্চৰ পোহৰবোৰ নেদেখা হোৱাৰ পাছত ইমবান গৈ পাঁচিটোৰ ওচৰ পালেগৈ। মমবাতিৰ পোহৰ পৰাৰ লগে লগেই সাপটো লৰচৰ কৰি উঠিল। এটা প্ৰকাণ্ড সাপ। গোলাকাৰ হৈ পাঁচিটোত শুই আছে। তাৰ দুচকুত জিলিকি উঠিছে অসহায় দৃষ্টি। থাওঁক। অপকাৰ নকৰালৈকে থাওঁক। এই নিঃসংগ ঘৰটোত অন্ততঃ এটা লগৰীয়া লাগে। ভোকত আছে বোধহয় সাপটো। কি বা খায়। গাখীৰ? ক'ত পাব এতিয়া। পৰিত্যক্ত ঘৰটোত মানুহৰ অনুপস্থিতিত জলবন্দী হৈছে। হাজীৰ পৰিয়াল আৰু তাৰ মাক-দেউতাকো একেলগে আছে ফকিৰপাৰাৰ স্কুলত। 'ফ্লাড দা লেভেলাৰ'।

পুৰা শোৱাৰ পৰা উঠি সি সাপটো চালে। প্ৰশান্ত হৈ শুই আছে সাপটো। তাৰ উপস্থিতি সি গম পাইছে যদিও বিশেষ প্ৰতিক্ৰিয়া নাই।

দুপৰীয়া আব্দুল্লাই ক'ৰবাৰ পৰা সৰু বটল এটাত ফেনাইল লৈ উপস্থিত হ'ল।

ঃ ক্ষতিগ্ৰস্ত লোকবিলাকৰ বাবে 'সুৰ বাহিনী' ওলাইছে। ব্লিচিং পাউদাৰ, ফেনাইল আদি বিলাইছে। তাৰ পৰাই অলপ খুজি আনিলোঁ। গাঁৱৰ পৰা ল'ৰা এটা আহিছিল। ৰহিমুদ্দিনৰ দোকানত যে থাকে পৰশু - সেই পৰশু বুলি ক্ষীণ ল'ৰাটো। লগুণ লৈ থাকে যে। সি খবৰ আনিছে, নাজনীনে বোলে তাতো 'সুৰ বাহিনী' উলিয়াইছে। টাউনত গান গাই পইছা তুলিছে বানত আক্ৰান্ত মানুহৰ সাহায্যৰ বাবে। -- আব্দুল্লাই কৈ গ'ল।

সি একো নকৈ আকাশলৈ চালে। মেঘবোৰ পুনৰ গোট খাইছে। বৃষ্টিপাতৰ প্ৰবণতা বৃদ্ধি পাইছে। চৌদিশৰ হাহকাৰৰ মাজতো তাৰ মনত এটা ইচ্ছাই ক্ৰিয়া কৰিলে। বানপানীবোৰ আৰু কেইদিনমান স্থায়ীভাৱে থকা হ'লে।

দৃষ্টি নামি আহি বৈদ্যুতিক তাঁৰবোৰত নিবদ্ধ হ'ল। বৰ নিসংগ হৈ পৰিছে তাঁৰবোৰ। বিভিন্ন স্থানত জলমগ্ন হৈ থকা বাবে বৈদ্যুতিক তাঁৰবোৰ বিপদজনক অৱস্থাত আছে — অথচ বৈদ্যুতিক তাঁৰৰ ওচৰলৈ নাযাবলৈ চৰকাৰী নিৰ্দেশ থকা সত্ত্বেও কিছুমান মানুহে নাও চলাই এই নিৰ্দেশ অমান্য কৰিছে।

ঃ ককা, এই মানুহবোৰক অলপ বুজাই দিব। মৰিব কাৰেণ্ট আহি গ'লে। টাউনৰ কথাটো। ৰজা-মহাৰজা আহিলে কাৰেণ্ট দি দিব। — গোপন ইচ্ছাৰ প্ৰাবল্যৰ মাজতো

মৃত্যুৰ হাতবাউলিবোৰ উপেক্ষা কৰিব নুখুজিলে সি। সাধাৰণ মানুহৰ মৃত্যুত তাৰ অপেক্ষাৰত বিজয়ৰ আনন্দ ম্লান হৈ পৰিব। হাজী ফকৰুদ্দিনে মুৰ দোঁবাবলৈ আৰম্ভ কৰাৰ সময়লৈকে ভঁৰালৰ সোণালী গুটিধানবোৰ নষ্ট হৈ যাব। বালিৰ পলসে অনুৰ্বৰ কৰিব খেতিপথাৰ, ক্ষয়প্ৰাপ্ত হ'ব পশুধন। মৃত্যুৰ কৰাল গ্ৰাসত সৃষ্টি হ'ব নৰক।

সোনকালেই হৈ যোৱাহেঁতেন। সোনকালেই সমান্তৰাল হৈ যোৱাহেঁতেন সকলোবোৰ। মেটেৰ'জিকেল ডিপাৰ্টমেণ্টৰ হঠাতে এলাগী হোৱা পাকঘৰটোত বহি সপোন ৰচিব লগা নহ'লহেঁতেন তাৰ।

বিমৰ্ষতাৰ ধাৰাল ছুৰী এখনৰ ওপৰত শুই থকা সপোনবোৰ।

ঃ সাপটো মাৰি পেলাওঁ দে। -- আব্দুল্লাই ফেনাইলৰ বটলটো জোঁকাৰি জোঁকাৰি ক'লে।

ঃ নালাগে দিয়ক ককা। -- সি শূন্যলৈ চালে। উদ্দেশ্যবিহীনভাৱে। সাপ এটা তাৰ শৰীৰতে জলবন্দী হৈ প্ৰশান্তিৰে শুই আছে। কেতিয়াবা বগাই আহিছে তাৰ লিংগ প্ৰদেশলৈ। মৰাপাটৰ খেতিত দৃশ্যমান হৈছে নাজনীনৰ অসহায় অৱয়ব। আৰু কেতিয়াবা সাপটোৱে দংশন কৰিছে তাৰ বিবেকক।

লা ইলাহা ইল্লা আন্তা চুভানাংকা ইংনে কুণ্টুম ..........।

# ৰেণুদত্ত বৰফুকন

**জন্ম :** ১৯৫০ চনৰ ১৫ এপ্ৰিলত শিৱসাগৰ জিলাৰ খালৈ ঘোগুৱা মৌজাৰ, ডবা তিনিআলি জজলী পুখুৰী গাঁৱত।

**পৰিচয় :** পিতৃ স্বৰ্গীয় গোলাপ চন্দ্ৰ বৰফুকন (মুক্তিযুঁজাৰু) আৰু মাতৃ স্বৰ্গীয় পহিলা বৰফুকন। তিনিজন ভাতৃ আৰু দুগৰাকী ভগ্নী।

**শিক্ষা :** ডবা তিনিআলি প্ৰাইমেৰী স্কুলৰ পৰা প্ৰাথমিক শিক্ষা আৰু মধ্যমভাগ। বি বৰুৱা কলেজ, গুৱাহাটীৰ পৰা উচ্চ শিক্ষা গ্ৰহণ।

**চাকৰিত যোগদান :** ১৯৬৯ চনৰ ১৫ চেপ্টেম্বৰত অসম আৰক্ষী বিভাগৰ হৈ কামৰূপ জিলাত। অসম আৰক্ষীৰ প্ৰথম মহিলা উপ-সহ-পৰিদৰ্শক হিচাপে আৰু অসম আৰক্ষী মহিলা বিভাগৰ বাটকটীয়া হিচাপে।

**বৰ্ত্তমান :** আৰক্ষী উপ-অধীক্ষক হিচাপে, অপৰাধ অনুসন্ধান বিভাগৰ চাকৰিয়াল।

**বিবাহ :** ১৯৭৪ খ্ৰীষ্টাব্দত শিৱসাগৰত শ্ৰীপ্ৰবোধ দত্তৰ সৈতে বিবাহ পাশত আবদ্ধ। সন্তান ক্ৰমে - শ্ৰী পাৰ্থ দত্ত, পলী দত্ত, তৰালি দত্ত।

**ভাল লগা বিষয় :** সংগীত, সাহিত্য, প্ৰাকৃতিক দৃশ্য, তীৰ্থ ভ্ৰমণ।

**সৃষ্টি :** "মনৰ সুৰ" তেওঁৰ প্ৰকাশিত কাব্য সংকলন। 'ধূমকেতু', 'ধৰিত্ৰী', 'দেৱান জানন্তি' ইত্যাদি তেওঁৰ প্ৰকাশিত গল্প সংকলন। প্ৰবন্ধ সমূহ ক্ৰমে - 'প্ৰকৃতি আৰু নাৰী', 'নাৰীৰ স্বাৱলম্বীতা', 'লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা', 'শংকৰদেৱৰ ধৰ্মত নাৰীৰ স্থান'। 'জয়মতী কুঁৱৰী তেওঁৰ দ্বাৰা ৰচিত পূৰ্ণাঙ্গ নাটক। ইয়াৰোপৰি 'বামপুষ্প', 'বৰ্ণমালাৰ কবিতা', 'কণমইনাৰ কবিতা', 'পুৰুষোত্তম শ্ৰীজগন্নাথ', 'শ্ৰীক্ষেত্ৰৰ ঐতিহ্য আৰু শ্ৰীশ্ৰীজগন্নাথৰ মহিমা, 'উৰুলি'(বিয়ানাম) আদি তেওঁৰ দ্বাৰা প্ৰকাশিত অন্যান্য ৰচনা শৈলী।

**সামাজিক কাম :** স্থানীয় মঠ-মন্দিৰ নিৰ্মাণ, মহিলা সমিতি, সমাজ গঠন, বিৰুবাৰী শাখা সাহিত্য সভা গঠন আৰু দুবছৰ সম্পাদিকাৰ কাৰ্যভাৰ বহন, স্থানীয় মহিলা, শিশু সকলক নানান ধৰণৰ প্ৰতিযোগিতামূলক সাহিত্য, সংগীতত যোগদানৰ উদ্‌গনী। বানপানীৰ দৰে দুৰ্যোগত মহিলাসকলৰ দ্বাৰা ঠায়ে ঠায়ে সাহাৰ্য দান। দুখীয়া মাউৰা ল'ৰা-ছোৱালী, বিধৱাক সহায় আৰু পঢ়া-শুনাৰ তথা বিয়াবাৰু দিয়াৰ দায়িত্ব বহন কৰি আহিছে।

**ভৱিষ্যত পৰিকল্পনা :** নিৰাশ্ৰয়া শিশু, মহিলাক সহায় আৰু এখনি বৃদ্ধ আশ্ৰমৰ পৰিকল্পনা।

**অসমবাসীলৈ বাৰ্ত্তা :** অসমৰ ৰাইজ সাহিত্য-সংস্কৃতিৰ মাজেৰে এডাল এনাজৰীৰ বান্ধোনেৰে সকলো স্তৰৰ লোকৰ লগত সমন্বয়ৰ সেতু হৈ ৰওঁক এই কামনা কৰিলোঁ।

**বৰ্তমানৰ ঠিকনা :** বিৰুবাৰী নিজৰাপাৰ, পোঃঅঃ গোপীনাথ নগৰ, গুৱাহাটী-২৬, দূৰভাষ - ২৪৭১৮১০

## সংকলকৰ চমু টোকা

**ৰেণু দত্ত বৰফুকন** — বৰ্তমান চি.আই.ডি. বিভাগত ডি.এছ.পি. হিচাবে কাম কৰি থকা শ্ৰীমতী ফুকন ডাঙৰীয়ানী একাধাৰে গল্প, প্ৰবন্ধ আৰু কবিতা লিখি সাহিত্যৰ ভঁড়াললৈ সম্ভাৰ আগবঢ়াইছে। তিনিখন গল্প পুথি, চাৰিখন প্ৰবন্ধ পুথি, এখন পূৰ্ণাঙ্গ নাট আৰু অন্যান্য বহুতো ৰচনাবলীৰে এগৰাকী ভাল লেখিকা হিচাবে অসমীয়া সাহিত্যত তেখেতৰ নাম আছে। তেখেতৰ লেখতল'বলগীয়া এখন লিখনি হ'ল "শ্ৰীক্ষেত্ৰৰ ঐতিহ্য আৰু শ্ৰীশ্ৰীজগন্নাথৰ মহিমা"। বিভিন্ন মঠমন্দিৰ নিৰ্মাণ আদি ধৰ্মীয় কামত যোগদান কৰাৰ উপৰি মহিলা সমিতি, সামাজিক কামত সহযোগ তথা সাহিত্য সভাৰ সদস্য হিচাবেও তেখেতে নিজৰ মনৰ খোৰাক যোগাই আহিছে।

# পুৰুষোত্তম শ্ৰীশ্ৰীজগন্নাথৰ মহিমা

## বেণুদত্ত বৰফুকন

জগন্নথ শব্দটোতেই কিবা যেন এক অসীম শক্তি নিহিত হৈ আছে। যাৰ নাম শুনিলেই শৰীৰ, মন, হৃদয় এক অজানিত পুলকেৰে উদ্ভাসিত হৈ পৰে, শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ মহিমা অসীম আৰু অতুলনীয়। উৰিষ্যাৰ পুৰীয়েই শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ স্থান শ্ৰীক্ষেত্ৰ বা পুৰুষোত্তম ক্ষেত্ৰ -- য'ত আছে জীৱৰ মুক্তিৰ চৰম স্বাক্ষৰ।

মৎস্য, কূৰ্ম, নৰসিংহ, বামণ, পৰশুৰাম, হলিৰাম, বৰাহ, শ্ৰীৰাম, বুদ্ধ, কল্কি, বিষ্ণু, নাৰায়ণ, কৃষ্ণ জগন্নাথ নানাৰূপত যুগে যুগে নানা নামধাৰী পৰমাত্মা ভগৱানে ধৰাৰ দুখ আৰু ধৰ্মৰ স্খলন হোৱা দেখি ধৰাৰ দুখ মোচন কৰি ধৰ্মৰক্ষা, সত্যৰক্ষা কৰিবৰ বাবে অৱতাৰ লৈ ভক্তক উদ্ধাৰ কৰি আছে।

শ্ৰীহৰি কৃষ্ণই ভক্তক উদ্ধাৰ কৰিবৰ বাবে ভক্তৰ দুখত দুখী হৈ তিনিবাৰ নৰৰূপী অৱতাৰ ধৰাধামত ল'বলৈ অঙ্গীকাৰ কৰি শেষৰ বাৰ পূৰ্ণ অৱতাৰ লৈছিল।

প্ৰথমবাৰ ঃ সুতপা আৰু পৃশ্নিৰ কঠোৰ ধ্যানত তুষ্ট হৈ তেওঁৰে দৰে পুত্ৰ কামনা কৰাত ভগৱানে তেওঁৰ দৰে পুত্ৰ ক'তো বিচাৰি নেপাই নিজেই সুতপা আৰু পৃশ্নিৰ পুত্ৰ 'পৃশ্নিগৰ্ভ' নাম লৈ জন্ম গ্ৰহণ কৰি ভক্তৰ মনোবাঞ্ছা তথা সত্যৰক্ষা কৰে।দ্বিতীয়বাৰ ঃ কাশ্যপ মুনি আৰু অদিতিৰ পুত্ৰ হৈ বামণ বুটক ৰূপী হৈ জন্ম লৈ ভক্ত মাতৃ অদিতিৰ দুঃখ লাঘৱ কৰি বলিক ছলনা কৰি তিনিপদ ভূমি খুজি স্বৰ্গ ৰাজ্য দেৱতাক গতাই দিয়ে। সাগৰ মন্থন কৰি লক্ষ্মীক উদ্ধাৰি, অমৰ অমৃত দেৱতাক পান কৰাই হিৰণ্যকশিপুক বধ কৰি, ভক্ত প্ৰহ্লাদক ৰক্ষা কৰি ধৰাৰ দুখ মোচন আৰু সত্য ধৰ্ম ৰক্ষা কৰে।

তৃতীয়বাৰ ঃ বসুদেৱ আৰু দৈৱকীৰ পুত্ৰৰূপে পূৰ্ণ অৱতাৰ লৈ অত্যাচাৰী কংসৰ অন্যায় অত্যাচাৰ নাশি ভক্তক উদ্ধাৰ কৰিবলৈ, মাতৃ দৱকীৰ হৃদয় জুৰাবলৈ, যশোদা মাতৃৰ বাজী নামৰ কলোসতা নাশি, পুত্ৰস্নেহ পাবলৈ, ৰাধাৰমন হৈ নানা লীলা খেলাৰ মাজেৰে জীৱ মানৱক উদ্ধাৰ কৰি ধৰ্মৰক্ষা সত্য ৰক্ষা কৰি বাসুদেৱ নাম লয়।

শ্ৰীহৰি কৃষ্ণই তিনিবাৰ নৰৰূপে তিনিবাৰ অৱতাৰ লোৱাৰ কাৰণেই আছিল ধৰ্মৰক্ষা, সত্যৰক্ষা তথা ভকতক বা জীৱ মানৱক পৰিত্ৰাণ কৰা। প্ৰতিবাৰ তেওঁ উদ্দেশ্য লৈ অৱতাৰ লৈছিল।

পুৰুষোত্তম ক্ষেত্ৰত বা নীলাচলত দ্বাপৰৰ শেষত অৱতাৰী পুৰুষ হিচাপে শ্ৰীহৰি কৃষ্ণই ধৰাৰ নৰৰূপী লীলা সামৰি বৈকুণ্ঠগামী হোৱাৰ সময়ত 'শিয়লি লতাৰ'

তলত শুই থকা অৱস্থাত নিজৰ অভিশাপত নিজে জৰা নামৰ ব্যাধৰ শৰৰ নিমিত্ত কাৰণ হৈ ব্ৰহ্মাত বিষ্ণু অংশত লীন হৈছিল। তেওঁৰ পাৰ্থিৱ শৰীৰ দাহন কৰিবৰ কাৰণে 'জৰা' আৰু পাণ্ডৱসকলে একত্ৰ হৈ বিধিসম্মতভাৱে অৰ্জ্জুনৰ দ্বাৰা অগ্নি সংযোগ কৰে যদিও কৃষ্ণৰ পাৰ্থিৱ শৰীৰৰ নাভিপিণ্ডক অগ্নিয়ে দহন কৰা দূৰৰ কথা স্পৰ্শকে কৰিব নোৱাৰিলে। ইয়াৰ কাৰণ বুজিব নোৱাৰি শৰৰ আৰু পাণ্ডৱসকলে কৃষ্ণৰ পূৰ্বৰ কৰ্মবোৰ কথা ভাবি-গুণি থাকোতেই আকাশবাণী হৈ নিৰ্দেশ দিলে যে, 'অগ্নিয়ে দাহন কৰিব নোৱাৰা নাভিপিণ্ড মহোদধিত উটুৱাই দিয়া হওক। এই পিণ্ড সময়ত নীল সুন্দৰ পৰ্বতত পূজিত হৈ ৰ'ব চিৰদিন।' এই আকাশবাণী নিৰ্দেশৰ লগে লগে 'শবৰে' তিনি মূৰ্তি দেখিবলৈ পালে।

"দেখিলে প্ৰত্যক্ষে বিষ্ণু প্ৰতিমা তিনি মূৰ্তি।
কৰ, চৰণ নাহি মহা বৌদ্ধ জ্যোতি।।
নাসা, কৰ্ণ, নয়ন, নীল আখি।
কলি কালে জন হুআন্তি বড়সুখী।।
বলভদ্ৰ, সুভদ্ৰা, কৃষ্ণ তিনিৰূপ।
বুদ্ধ, নাৰায়ণ হো কৰি স্বৰূপ।"

(সাৰদা দাস মহাভাৰত)

"অনল যে দিনে ৰাতি প্ৰবলে জ্বলিলা।
প্ৰভুঙ্ক পিণ্ডৰে অগ্নি লাগি নপাৰিলা।।
ও পিণ্ড ৰহিব নীল সুন্দৰ পৰ্বতে।
পূজা যে পাইব বহুদিন পৰিয়ন্তে।।
কাঢ়ি আনি যে পিণ্ডকু সমাদৰে মেল।
এনিল নিভাই তুহি কৰ আজ্ঞবোল।।

(সাৰদা দাস মহাভাৰত)

পাণ্ডৱসকলে আকাশবাণীৰ নিৰ্দেশানুযায়ী অগ্নিয়ে দাহন কৰিব নোৱাৰা কৃষ্ণৰ নৰৰূপী দেহাৰ নাভিপিণ্ডক মহোদধীত অৰ্পণ কৰা সেই নাভিপিণ্ডৰ পৰাই শঙ্খৰ প্ৰাকৃতিৰ সাগৰ গৰ্ভ হৈ শঙ্খ নাভি ক্ষেত্ৰ নামকৰণ হয়। এই নাভিপিণ্ডৰ পৰাই কালক্ৰমত দাৰু ৰূপী (গছ) অৰ্থাৎ দাৰুব্ৰহ্মৰূপে পূৰ্ণতা প্ৰকাশ কৰে।

"মুহি আগে যাই কলি যুগে ৰহি দাৰুৰূপে পূজা হেবি।
কৈবল্য পসৰা নিৰন্তৰে জুৰ কৰি ভোগ বিলাসিবা।।"

(শূন্য সংহিতা)

"এ ক্ষেত্ৰ পুৰুষ উত্তম,
অটই নিত্য বৃন্দাবন।
গঙ্গা সাগৰ যে সঙ্গম,

সকল তীৰ্থ সমাগম।
ও শঙ্খ নাভি মণ্ডলৰে,
নিত্য ৰাহাসকু আচৰে।

(জগন্নাথ দাস, পৰিচয় ৰোধিনী)

"নীলাদ্ৰৌ শংখমধ্যে শতদলকমলে ৰত্নসিংহা সনস্থং।
সৰ্বালংকাৰ যুক্তং নৱঘনৰুচিৰং সংযুক্তং চাগ্ৰজেন।।
ভদ্ৰায়াং বামভাগে ৰথচৰণযুক্তং ব্ৰহ্মৰুদ্ৰেন্দ্ৰ বন্দং।
বেদানাং সাৰ মেকং সকলগুণযুক্তং ব্ৰহ্মাদাৰু স্মৰমি।।"

বিষ্ণুৰ চাৰিধাম যেনে, -- দ্বাৰকা, ৰামেশ্বৰম, বদ্ৰীনাথ আৰু জগন্নাথ। এই চাৰিধামৰ ভিতৰত উৰিষ্যাৰ পুৰীৰ পুৰুষোত্তম ক্ষেত্ৰ অন্যতম। লৱণ সাগৰৰ পৰা প্ৰায় একমাইল দূৰত্বৰ উপকূলত শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ মন্দিৰ। এই পুৰুষোত্তম ক্ষেত্ৰই হৈছে শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ ক্ষেত্ৰ, যাৰ আকৃতি শঙ্খৰ নাভি সদৃশ। এই শঙ্খৰ পুৰুষোত্তম ক্ষেত্ৰৰ উদয় ভাগ সাগৰৰ জলত নিমগ্ন হৈ আছে। সকলো সমুদ্ৰৰ ভিতৰত এই সমুদ্ৰই শ্ৰেষ্ঠ। সেয়ে এই সাগৰ তীৰ্থ শ্ৰেষ্ঠ তীৰ্থৰাজ নামেৰেও অভিহিত। জনবিশ্বাসমতে শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুক দৰ্শন কৰাৰ আগতে এই লৱণ সাগৰত স্নান কৰিলে তীৰ্থৰ পুণ্য অৰ্জন হয়। এই সাগৰৰ নাম লৱণ সাগৰ। লৱণ সাগৰৰ পানী লুণীয়া হেতু খাদ্যৰ উপযোগী নহয়। লুণীয়া পানীত স্নান কৰিলে মানুহৰ ছালৰ ৰোগ নহয় বুলি বিজ্ঞান সম্মত যুক্তি আছে। সেয়ে পুৰুষোত্তম ক্ষেত্ৰত এই তীৰ্থশ্ৰেষ্ঠ স্থানত জলে স্থলে ধৰ্ম আৰু বিজ্ঞানসম্মত তথা বিশ্বাস যোগ্য যুক্তি স্বতস্ফূৰ্ত হৈ আছে।

উৰিষ্যাৰ পুৰীৰ (অতীতৰ উৎকলৰ) লৱণ সাগৰৰ পাৰৰ দহ যোজনৰ ভিতৰত শ্ৰীক্ষেত্ৰ বা পুৰুষোত্তম ক্ষেত্ৰ। এই ক্ষেত্ৰ বিভিন্ন ঐতিহাসিক কাহিনীৰ অৰ্থপূৰ্ণ নামকৰণেৰে বিভূষিত। যেনে ঃ শ্ৰীক্ষেত্ৰ, পুৰুষোত্তম ক্ষেত্ৰ, ভৈৰৱ-ভৈৰৱী ক্ষেত্ৰ, দশাৱতাৰ ক্ষেত্ৰ, শঙ্খনাভি ক্ষেত্ৰ, নীলাচল ক্ষেত্ৰ, জগন্নাথ ক্ষেত্ৰ, মুক্তি ক্ষেত্ৰ, সৱৰ দ্বীপ, সমনিক তীৰ্থ, উদয় পীঠ, মৰ্ত্য বৈকুণ্ঠ, বিৰজা ক্ষেত্ৰ, ভূ-স্বৰ্গ ইত্যাদিৰ ওপৰিও 'চকাডোলা' শ্ৰীশ্ৰীজগন্নাথৰ এক বিশেষণযুক্ত নামকৰণ। কাৰণ শ্ৰীশ্ৰীজগন্নাথৰ চতুৰ্দ্ধা মূৰ্তি হাত ভৰি, নাক, কাণ, ককাল পৰ্যন্ত চকু ডাঙৰ গোলাকাৰ হেতু পুৰাণত দশাৱতাৰ ক্ষেত্ৰ বা বৌম ক্ষেত্ৰ বুলি বৰ্ণিত আছে। এই ক্ষেত্ৰতেই দাৰুব্ৰহ্মৰূপ ধাৰণ কৰি জগন্নাথ নামেৰে বিৰাজ কৰিছে। সেয়ে পুৰুষোত্তম ক্ষেত্ৰ ভূ-স্বৰ্গ। দশ অৱতাৰ লৈ পৃথিৱীৰ নানা স্থানত ভগৱানে লীলা খেলা কৰি সাধুক পালন দুষ্টক দমন কৰি দশবধি অৱতাৰ লৈছে। মনুষ্য, পশু, পক্ষী, কীট, পতঙ্গ যিয়েই নহওক এই স্থানত মৃত্যু হ'লে সেই জীৱই মুক্তি লাভ কৰে। আনহাতে এই ক্ষেত্ৰক শক্তিপীঠ বুলিও কয়। কাৰণ সৃষ্টিৰ আদি ৰজা দক্ষই মহাযজ্ঞ পাতি নিজৰ জোঁৱাই শিৱক আৰু কন্যা

সতীক সেই যজ্ঞলৈ নিমন্ত্রণ নকৰি শিৱবিহীন যজ্ঞ পাতিবলৈ ল'লে। পিতৃগৃহত মহাযজ্ঞ পতাৰ খবৰ পাই সতীয়ে পিতৃগৃহলৈ যাবলৈ অনুমতি বিচৰাত অন্তৰ্যামী শিৱই সতীক অনিমন্ত্ৰিত হৈ পিতৃগৃহত হোৱা যজ্ঞলৈ যাবলৈ বাধা দিয়াত বাৰম্বাৰ সতীয়ে অনুৰোধ কৰিও স্বামী শিৱৰ সন্মতি নোপোৱাত সতীয়ে নিজৰ শক্তিৰূপীনিৰ পৰিচয় দি পিতৃ গৃহত হোৱা যজ্ঞলৈ গ'ল। যজ্ঞ গৃহত সতীয়ে পিতৃ দক্ষৰাজৰ মুখত স্বামী শিৱৰ বিষয়ে কৰা বিৰূপ সমালোচনা আৰু নিন্দাসূচক বাক্য শুনি পিতৃ দক্ষৰাজে ইচ্ছাকৃতভাৱে শিৱবিহীন যজ্ঞ পাতি জী-জোঁৱাইক যজ্ঞলৈ নিমন্ত্ৰণ নকৰাৰ কথা জানিব পাৰি যজ্ঞৰ স্থলীতে সতীয়ে লাজ অপমান আৰু মনৰ দুখত প্ৰাণ বিসৰ্জন দিলে। সতীৰ মৃত্যুৰ বাতৰি পাই শিৱই ৰুদ্ৰমূৰ্তি ধাৰণ কৰি দক্ষৰাজৰ যজ্ঞ ধ্বংস কৰি সতীক কান্ধত লৈ উন্মুক্ত হৈ মনৰ দুখত পাহাৰে পৰ্বতে তাণ্ডৱ দি ঘূৰিবলৈ ধৰিলে। দেৱ, মানৱ সকলোৱে ভয়ত কম্পমান হৈ পৰিল। শেষত বিষ্ণুৱে চিন্তা কৰি তেওঁৰ চক্ৰৰ দ্বাৰা শিৱই কান্ধত লৈ ফুৰা সতীৰ পাৰ্থিৱ শৰীৰ খণ্ড খণ্ড কৰি পৃথিৱীৰ বিভিন্ন ঠাইত পতিত কৰিলে। সতীৰ নাভি অংশৰ অৱশেষ এই পুৰীতে পতিত হৈছিল বাবে পুৰী এখনি নাভিক্ষেত্ৰ বা শক্তিপীঠ বুলি কালিকা পুৰাণে কয়।

আনহাতে বৌদ্ধ, জৈন, বৈষ্ণৱ, শাক্ত সকলো সংস্কৃতিৰে সংমিশ্ৰণ এই জগন্নাথ ক্ষেত্ৰ এক নেদেখা এনাজৰীৰে বান্ধোনৰ মিলনক্ষেত্ৰ। জীণ নাথৰ পৰা জগন্নাথ শব্দৰ উৎপত্তি বুলি কোৱা হয়। জৈন ধৰ্মৰ বাইশজন তীৰ্থকৰৰ প্ৰতীক হ'ল শ্ৰীমন্দিৰৰ 'বাইশি' পাহচ অৰ্থাৎ ২২ টা চিৰি। শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ ৰথ যাত্ৰাৰ আহাৰ মাহৰ শুক্লা দ্বিতীয়া তিথিত প্ৰথম তীৰ্থঙ্কৰ বিষভনাথৰ গৰ্ভ কল্যাণ দিৱস হয়। জৈন সকলৰ এয়া বৰ পৱিত্ৰ তিথি। কিম্বদন্তী বৰ্ণিত 'নীলমাধৱ' মূৰ্তিৰ প্ৰস্তৰ খণ্ড খোদিত জৈন 'ত্ৰিৰত্ন' নিৰ্মাণৰ অন্তৰালত 'খাৰবেলা'ৰ ৰাজত্বৰ ঐতিহ্য পোৱা যায়। বৌদ্ধ যুগৰ বৌদ্ধ, জৈন যুগত সেয়া জীননাথ আৰু জীন নাথেই তন্ত্ৰ যুগত ভৈৰৱ ৰূপে পৰিচিত। তান্ত্ৰিকৰ মতে জগন্নাথ ভৈৰৱ আৰু সুভদ্ৰা ভৈৰৱী ৰূপে স্থিতি বুলি কয়। জগন্নাথ সংস্কৃতিত তন্ত্ৰবাদৰ প্ৰভাৱ পোৱা যায়। পুৰীৰ শ্ৰীশ্ৰীজগন্নাথ মন্দিৰৰ মহাপ্ৰসাদ ভোগ এক তান্ত্ৰিক বিধান। মন্দিৰৰ দেৱতাসকলৰ ভৈৰৱী চক্ৰৰ ওপৰত অৱস্থান। শ্ৰীশ্ৰীজগন্নাথ দেৱৰ পূজা মন্ত্ৰৰ প্ৰযুক্ত ক্লীম তান্ত্ৰিক শব্দৰে ওঁ ক্লীম কৃষ্ণায় গোবিন্দায় গোপীজন বল্লভায় স্বাহা। শ্ৰীশ্ৰীজগন্নাথৰ ঐতিহ্যমণ্ডিত ষোল্ল কলাৰে দশাৱতাৰৰ নানান গুণ-কৰ্মৰাজিৰে যুগে যুগে ভক্তৰ প্ৰাণত প্ৰাণ প্ৰাচুৰ্যৰে ভৰা সচ্চিদানন্দ ৰূপত আত্মাত বান্ধ খাই আছে। যাৰ বাবে শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ নাম শুনিলেই হৃদয়-মন ভক্তিত দোঁ খাই যায়। সেয়ে হয়তো মহাপ্ৰভু শ্ৰীশ্ৰীজগন্নাথৰ অপাৰ মহিমাৰ ঐশ্বৰিকতাৰ পূৰ্ণ প্ৰকাশ আৰু পুৰীৰ নামকৰণৰ সাৰ্থকতা।

পৃথিৱীৰ সমস্ত তীৰ্থ পুৰুষোত্তম ক্ষেত্ৰতে একীভূত হৈছে বুলি বিশ্বাস। এই পুৰুষোত্তম ক্ষেত্ৰ সৃষ্টি, স্থিতি, প্ৰলয়ৰ কেন্দ্ৰবিন্দু। এই পুৰুষোত্তম ক্ষেত্ৰৰ জলে

স্থলে অন্তৰীক্ষে নিহিত হৈ আছে মুক্তিৰ চৰম স্বাক্ষৰ।

স্কন্ধ পুৰাণত ব্ৰহ্মাই কৈছে –

"সৰ্বৰূপোময় হেষ সৰ্বমন্ত্ৰময় প্ৰভুঃ।
আৰধ্যতে যথা যেন তথা তস্য ফল পদঃ।"

ভগৱান শ্ৰীশ্ৰীজগন্নাথ সৰ্বৰূপময় আৰু সৰ্বমন্ত্ৰময়। ভক্তই যি ৰূপতে তেওঁক আৰাধনা কৰে তেওঁ সেই ৰূপতেই ভক্তক দেখা দিয়ে আৰু যি মন্ত্ৰৰে আৰাধনা কৰে তাৰ অনুৰূপ ফল প্ৰদান কৰে।

আমাৰ পৰম গুৰু শ্ৰীশ্ৰীশংকৰদেৱেও বৰগীতত কৈছে ---

"ঈষস্বৰূপে হৰি সবঘটে বৈঠহি
যৈচন গগন বিয়াপি"

শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ জঠৰ অপূৰ্ণ নিৰ্বিকাৰ দাৰব্ৰহ্ম ৰূপটিতে সমগ্ৰ বিশ্বৰ শাশ্বত আত্মা নিহিত আছে। পুৰুষোত্তম ক্ষেত্ৰত শ্ৰীশ্ৰীজগন্নাথৰূপী কৃষ্ণ প্ৰভুৱে স্বয়ং দাৰু ব্ৰহ্ম ৰূপ লৈ পূৰ্ণতা লাভ কৰিছে। সেয়ে পুৰুষোত্তমক্ষেত্ৰক ভূ-স্বৰ্গ বোলা হয়। সকলো জীৱৰে মুক্তিৰ বাবে শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ ক্ষেত্ৰ সকলোতকৈ উত্তম আৰু অন্যতম।

শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ বৈশিষ্ট্য আৰু ৰহস্যময় আধ্যাত্মিকতা ক'তো কাৰোৰে লগত তুলনা কৰিব নোৱাৰি। ই বৰ গভীৰ আৰু বিচিত্ৰ ৰহস্যৰে ভৰা, অনন্য। শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ নামৰ মাজতেই পোৱা যায় এক আত্মশক্তি অব্যক্ত অনুভৱৰ চেতনা --- প্ৰেৰণাৰ উৎস সৰ্বৰূপময় শ্ৰীজগন্নাথে তেওঁক ভক্তই যি ৰূপতেই আৰাধনা কৰে সেই ৰূপতেই ভক্তৰ বৎসলা হৈ ভক্তৰ মনোবাঞ্ছা পূৰ্ণ কৰে। যেনেদৰে ভাদ্ৰমাহৰ শুক্লাদ্বাদশী তিথিত পৰিগ্ৰহণ কৰি শ্ৰীশ্ৰীজগন্নাথৰূপী কৃষ্ণ বা বিষ্ণুৱে কাশ্যপ অদিতিৰ পুত্ৰ হৈ 'বামন বটুক' নামেৰে অৱতাৰ লৈ সেই অৱতাৰত দৈত্যপতি দানী বলিৰজাক ছলনা কৰি তিনিপদ ভূমি বলিৰাজৰ পৰা দান লৈ স্বৰ্গ, মৰ্ত্য, পাতালৰ অধিকাৰী হৈ স্বৰ্গৰাজ্য দেৱতাসকলক গটাই দিয়ে – আনহাতে অসুৰপতি বলিৰজাৰ দানশীলতাক প্ৰাধান্য দি সত্যৰক্ষা, ধৰ্মৰক্ষা কৰাৰ বাবে ইন্দ্ৰৰ স্বৰ্গৰাজ্যতকৈও শ্ৰেষ্ঠ আসন দি সুতলপুৰীত বলিক স্থান দি, তেওঁ দুৱাৰমুখত সদায় হাতত গদা লৈ ৰখীয়া হৈ থাকিব বুলি কৈ ভক্তৰ বৎসলা হৈ থকাৰ প্ৰতিশ্ৰুতি দান কৰে।

আনহাতে ভাদ্ৰ মাহৰ কৃষ্ণা একাদশীত কালীয়দমন বেশ। কাতি মাহৰ শুক্লা একাদশীত নৰসিংহ ৰূপত ভক্ত প্ৰহ্লাদৰ ভগৱানৰ প্ৰতি থকা অটুট বিশ্বাসক প্ৰমাণ দেখুৱাই তেওঁৰ পিতৃ অত্যাচাৰী অধৰ্মী ৰজা হিৰণ্যকশিপুক ব্ৰহ্মাই অমৰণ বৰ দিয়া সত্বেও দিন নহয় ৰাতি নহয়, এনেসময়তে তেওঁৰেই কোলাত তুলি বুকু চিৰি প্ৰাণদণ্ড দি ভক্ত প্ৰহ্লাদৰ প্ৰাণৰক্ষা কৰি সত্যৰক্ষা, ধৰ্মৰক্ষা কৰি ভক্তৰ বৎসলা হৈ ভক্তক উদ্ধাৰ কৰে।

প্ৰতিটো অৱতাৰতে তেওঁৰ লীলা-খেলাৰ মাজেৰে ভক্তৰ তাৰণ কাৰণ হৈছে। প্ৰভু শ্ৰীজগন্নাথে এনেদৰেই ঐশ্বৰিক জাগ্ৰত ৰূপেৰে যুগে যুগে নানা অৱতাৰৰ মাজেৰে ভক্তক উদ্ধাৰ কৰি আনন্দ আৰু ভক্তিৰ ভাৱ জগাই ভক্তবৎসলা হৈছে। কবি জয়দেৱে শ্ৰীশ্ৰীজগন্নাথক শ্ৰীকৃষ্ণৰ প্ৰতিমূৰ্তিৰূপে, সৰলা দাসে পৰম ব্ৰহ্মকেই শ্ৰীশ্ৰীজগন্নাথৰূপে, আৰু বলৰাম দাসে তেওঁৰ জগমোহন ৰামায়ণত শ্ৰীৰামচন্দ্ৰক শ্ৰীশ্ৰীজগন্নাথৰ অৱতাৰৰূপে বৰ্ণনা কৰিছে। তেওঁ গুপ্তগীতা গ্ৰন্থত সুদৰ্শন, জগন্নাথ, বলভদ্ৰ, সুভদ্ৰাক চাৰিবেদ ৰূপে দেখুৱাইছে।

“বলভদ্ৰ যে সাম হোই
ঋক যে সুভদ্ৰা অটই,
যৰ্জুবেদ শ্ৰীশ্ৰীজগন্নাথ,
অৰ্থৰ্ব সুদৰ্শন পাৰ্থ।”

বলভদ্ৰ সামবেদ, সুভদ্ৰা ঋকবেদ, জগন্নাথ যৰ্জুবেদ, সুদৰ্শন ৰূপে পাৰ্থ, অথৰ্ব বেদ হৈ জীৱৰ উদ্ধাৰৰ বাবে অৱতাৰ লৈছে (সুদৰ্শনৰূপী পাৰ্থ অৰ্থাৎ অৰ্জুন)

এক বিচিত্ৰ সৃষ্টিৰ আদিৰ এক কাহিনীৰ মতে ব্ৰহ্মাই সৃষ্টিৰ সময়ত নিজৰ সৃষ্টিতে নিজে ভোল গৈ নিজৰ কন্যাৰ ৰূপৰ মায়াত মোহ যোৱাত, বিষ্ণু মহেশ্বৰকে ধৰি সকলো দেৱতা বিস্মিত হৈ পৰিল। সৃষ্টিকৰ্তাৰ এই পাপ কৰ্মৰ বাবে শিৱ ক্ৰোধিত হৈ পৰি ব্ৰহ্মাৰ পৃথিৱীত কোনো পূজা-অৰ্চনা নহ'ব বুলি অভিশাপ দিলে। সেই অভিশাপৰ বাবেই ব্ৰহ্মাই পৃথিৱীত পূজা-অৰ্চনা নোপোৱা হ'ল। শ্ৰীক্ষেত্ৰত ব্ৰহ্মাই সুভদ্ৰাৰূপে নাৰীবেশত পূজিত হৈ জীৱক ৰক্ষা কৰিছে বুলি পুৰাণ শাস্ত্ৰই কয়। শিৱ = বলৰাম ৰূপে, কৃষ্ণই = শ্ৰীশ্ৰীজগন্নাথৰূপে, পাৰ্থই = সুদৰ্শনৰূপে জীৱ মানৱক উদ্ধাৰৰ বাবে অৱতাৰ লৈছে।

সমগ্ৰ বিশ্বৰ শাশ্বত আত্মা শ্ৰীশ্ৰীজগন্নাথৰ দাৰুৰূপী নিৰ্বিকাৰ ৰূপতে নিহিত আছে। প্ৰকৃত ভক্তই প্ৰভু জগন্নাথৰ দাৰুৰূপীৰ মাজতে দেখে আধ্যাত্মিক ৰূপেৰে নিজৰ আৰাধ্য দেৱতাক যেনেকৈ চৈতন্যদেৱে শ্ৰীশ্ৰীজগন্নাথৰ মাজত দেখা পাইছিল তেওঁৰ আৰাধ্য দেৱী মাতৃ সাৰদা দেৱীক। কৰ্ণাটকৰ গনেশভক্ত গণপতি বানভট্টই শ্ৰীশ্ৰীজগন্নাথৰ দাৰুৰূপৰ মাজত তেওঁৰ আৰাধ্য দেৱতা শ্ৰীগণেশৰ ৰূপ দৰ্শন কৰিছিল।

আনহাতে ভক্ত দাসী আৰে অৰ্পণ কৰা নাৰিকল তেওঁৰ হাতৰ পৰাই শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৱে গ্ৰহণ কৰিছিল। মাণিকী গৌড়ানিৰ হাতৰ পৰা শ্ৰীশ্ৰীজগন্নাথ আৰু বলভদ্ৰই যুদ্ধলৈ যোৱা সৈনিকৰ বেশেৰে আতুৰ হৈ দৈ ভক্ষণ কৰিছিল। যৱন হৰিদাসে শ্ৰীশ্ৰীজগন্নাথৰ ভক্তিত ঈশ্বৰত্ব লাভ কৰিছিল। ফাতেমা বিবিৰ শ্ৰীশ্ৰীজগন্নাথৰ প্ৰতি দৃঢ় ভক্তি, মুছলমান চালবেগৰ বহু পুৰণি ৰোগৰ শ্ৰীশ্ৰীজগন্নাথৰ প্ৰাৰ্থনাত আৰোগ্য লাভ, বলৰাম দাসৰ কাৰুণ্যত শ্ৰীশ্ৰীজগন্নাথৰ ৰথ স্তব্ধ হৈ পুনৰ

সঞ্চালিত। শ্ৰীশংকৰদেৱৰ ঈশ্বৰিকতাৰ পূৰ্ণ প্ৰকাশকে আদি কৰি জীৱন্ত অনুভৱৰ কাহিনীৰ মাজত শ্ৰীশ্ৰীজগন্নাথৰ ভক্তবৎসলতা জড়িত হৈ ভক্তৰ ভগৱান হৈ যুগে যুগে সজীৱ হৈ আছে।

শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ ঐশ্বৰিক আৰু ৰহস্যময় চেতনা প্ৰবাহ উৰিষ্যাৰ জনমানসত বিদ্যমান। শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ আধ্যাত্মিক সত্তা আৰু বৈশিষ্ট্য অতুলনীয়। তেওঁ বিশ্বচেতনাৰে ভক্তৰ হৃদয়ত সমন্বয় প্ৰতীকৰূপে বিৰাজমান।

শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুক আদিবাসীসকলে তেওঁলোকৰ আদি দেৱতাৰ ৰূপান্তৰ বুলি বিশ্বাস কৰে। শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ প্ৰতিষ্ঠাত শবৰৰ নীলমাধৱৰ পূজাত আদিবাসী সংস্কৃতিৰ পৰিস্ফুট ৰূপ দেখা যায়। দ্ৰাবিড় আৰু আদিবাসীসকলৰ প্ৰতীক পূজাৰ পৰাই প্ৰতিমা পূজাৰ সৃষ্টি হয় বুলি বহুতে ধাৰণা কৰে। সাম্য মৈত্ৰীৰ দেৱতা শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভু আদিবাসী সংস্কৃতিৰ পৰা আৰম্ভ কৰি জৈন, বৌদ্ধ ধৰ্ম পৰ্যন্ত হিন্দুধৰ্মৰ সকলো সত্তাৰ লগতে নেদেখা এডাল এনাজৰীত বান্ধ খাই আছে। শ্ৰীশ্ৰীজগন্নাথ আদি দেৱতাৰ প্ৰতীকাত্মক ৰূপ বৌদ্ধ যুগত স্পষ্ট হৈ পৰিছিল। ডঃ হৰেকৃষ্ণ মহতাবৰ মতে বৌদ্ধ ধৰ্মৰ প্ৰতীক ত্ৰিৰত্ন, বুদ্ধ ধৰ্ম আৰু শঙ্খ যথাক্ৰমে শ্ৰীশ্ৰীজগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰা। অষ্টম শতাব্দীৰ প্ৰথমাৰ্দ্ধত উদীয়ানৰ ৰজা ইন্দ্ৰভূতিয়ে শ্ৰীশ্ৰীজগন্নাথক শূন্যৰ প্ৰতীকৰূপে বৰ্ণনা কৰি 'জ্ঞান সিদ্ধি' গ্ৰন্থৰ উপক্ৰমণিকাত স্তুতি কৰিছে এনেদৰে,

"পানিপত্য জগন্নাথম
সৰ্বাদিনম বৰাচিতম।
সৰ্ববুধময়ং সিদ্ধি,
ব্যাপিনং গগনোপমম্।"

নানান সংস্কৃতিৰে মহিমামণ্ডিত এই পুৰুষোত্তম ক্ষেত্ৰ সদায় অদ্বিতীয় আৰু অনন্য। শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ ঐশ্বৰিক অপাৰ মহিমাৰাশিৰ নৱ নৱ ৰূপৰ বৰ্ণনা ভক্তৰ মাজত সদায় জীৱন্ত ৰূপত পোৱা যায়। যাক মুখেৰে বা লিখনিৰে কৈ শেষ কৰিব পৰা নাযায়। অকল মানুহৰ মাজতেই যে শ্ৰীশ্ৰীজগন্নাথৰ ঐশ্বৰিক পোৱা যায় এনে নহয়, শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ ঐশ্বৰিকতা পুণ্যাত্মা জীৱ-জন্তু, পশু-পক্ষী ৰূপী ভকতৰ মাজতো আকস্মিক দৃশ্য প্ৰতিফলিত হয়। অজান জীৱ-জন্তুৱে হঠাৎ আহি শ্ৰীশ্ৰীজগন্নাথৰ দুৱাৰমুখত (Gate) আহি সাষ্টাঙ্গে পৰি প্ৰণিপাত জনাই আকৌ উঠি যোৱা দৃষ্টান্তই তেৰাৰ মহিমাৰাজিৰ কথাকে প্ৰমাণ কৰে। হয়তো নানান জনমত নানা ৰূপলৈ অজান জীৱই শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ দৰ্শন এনেদৰেই কৰে। এয়াই শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ অপাৰ মহিমাৰ স্বাক্ষৰ।

শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৱে বিভিন্ন তিথি, মাহ উৎসৱৰ জৰিয়তে নানা বেশ-ভূষাৰ মাজেৰে নানা ৰূপ-গুণৰ মহিমামণ্ডিত স্বৰূপেৰে ভক্তৰ মনত ভক্তি জাগ্ৰত

কৰি থকাৰ লগতে জীৱ মানৱক জীয়াই থকাৰ সঁহাৰি দি আছে।

সেয়ে অক্ষয় তৃতীয়াত চন্দন সাগৰত জলক্ৰীড়া কৰাৰ লগতে ভক্তসকলেও গাত চন্দন সানি আনন্দৰ স্নান কৰি নৱবস্ত্ৰ পৰিধান কৰি আনন্দৰ উৎসৱৰ মাজেৰে কৰ্মসক্ৰিয় হৈ জীয়াই থকাৰ প্ৰেৰণা লাভ কৰে। ৰুক্মিণীহৰণ একাদশীত শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৱে মদনমোহন বেশত গুণ্ডিচা উদ্যানত ৰুক্মিণীক হৰণ কৰি অক্ষয় বটৰ মূলত কৰা বিবাহৰ আয়োজন ভক্তৰ মনত আন এক আনন্দ আৰু সংস্কৃতিৰ পৰম্পৰাৰে জনজীৱনৰ তথা সমাজক এক মধুৰ নিয়মৰ বান্ধোনেৰে বান্ধি ৰাখিছে।

শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৰ বিভিন্ন তিথি ক্ষণত, বিভিন্ন পূজাৰ সময়ত বিভিন্ন ৰূপেৰে-বেশেৰে সজ্জিত হয়। যেনে ঃ গণেশৰবেশ, বনভোজৰবেশ, ৰাধা-দামোদৰ বেশ, লক্ষ্মী-নাৰায়ণৰ বেশ, পৰশুৰাম বেশ, পদ বেশ, চন্দন বেশ, ত্ৰিবিক্ৰম বেশ, ৰাজৰাজেশ্বৰ বেশ, শ্ৰাদ্ধ বেশ, অভিষেক বেশ ইত্যাদি। শ্ৰীশ্ৰীজগন্নাথ প্ৰভুৱে বিভিন্ন সময়ত বিভিন্ন সংস্কৃতিৰ সমন্বয়ৰ মাজেৰে সকলোৰে হৃদয়ত সময়ৰ সোঁতৰ লগত ভকতক উদ্ধাৰ কৰি তেৰাৰ ঐশ্বৰিকতাৰে লীলা-খেলা কৰি আছে।

শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ এই বিভিন্ন ৰূপত বিভিন্ন ধৰণেৰে আদিবাসী জৈন, বৈষ্ণৱ, বৌদ্ধ সকলোৰে মাজত নেদেখা এক ৰহস্যময় যুগ যুগৰ মধুৰ সম্বন্ধ। এই বৈচিত্ৰময় সৃষ্টিৰ ৰহস্যৰ গূঢ়তত্ত্ব অতুলনীয়। সেয়ে হয়তো শ্ৰীশ্ৰীজগন্নাথৰ উপাসনাত জৈনৰ কৈৱল্য, শৈৱৰ নিৰ্মাল্য, ব্ৰাহ্মণৰ বেদমন্ত্ৰ পাঠ, শবৰৰ সমৰ্পণ আৰু শাক্তৰ বিহীবলি সংযোগ হৈ এডাল এনাজৰীত বান্ধ খাই আছে সকলো ধৰ্মৰ সকলো মতবাদৰ একীভূত ৰূপ। সেয়ে নানা মতাৱলম্বীসকলে যেনে অদ্বৈতবাদী আদিশঙ্কৰ, দ্বৈতাত্বৱাদী নিৰ্বাক, দ্বৈতবাদী শ্ৰীৰামানুজ, দ্বৈতবাদী মাধৱাচাৰ্য আৰু ভেদাভেদকাৰী শ্ৰীভাস্কৰ আদিয়েও শ্ৰীশ্ৰীজগন্নাথ প্ৰভুক তেওঁলোকৰ ধৰ্মৰ অভিষ্ট দেৱতাৰূপে গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এই শ্ৰীক্ষেত্ৰৰ শ্ৰীশ্ৰীজগন্নাথৰ ঐতিহ্য মহিমামণ্ডিত ষোল্ল কলাৰে দশাৱতাৰৰ নানান গুণ কৰ্মৰাজিৰে যুগে যুগে ভক্তৰ প্ৰাণত প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা সচ্চিদানন্দ ৰূপত আত্মাত গভীৰভাৱে বান্ধ খাই আছে। যাৰ বাবে জগন্নাথ প্ৰভুৰ নাম শুনিলেই ভক্তৰ মন-হৃদয় এক অজান অনুভূতিত শিৰ দোঁ খাই যায়। শ্ৰীক্ষেত্ৰৰ শ্ৰীশ্ৰীজগন্নাথৰ জঠৰ মূৰ্তিৰ চাৰিওফালে ঋকবেদৰ এই শ্লোকটি সদায় উচ্চাৰিত হৈ আছে।

"সংগচ ধবং সংবদ ধবং সংবো মনাংসি জান তাম
সমানী ব আকৃতি ঃ সমানা হৃদয়ানি ব ঃ
সমান মস্থ বো মন ঃ যথা বং স্বস হাসতি।"



# ইলা চক্ৰৱৰ্ত্তী

**জন্ম ঃ** ১৯৫৩ খ্ৰীষ্টাব্দত যোৰহাট জিলাৰ চেলেৰহাটত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত ফণীধৰ গগৈ, মাতৃ সুভাগী গগৈ, তিনিজন জ্যেষ্ঠ তথা এজন কনিষ্ঠ ভাতৃ; জ্যেষ্ঠ ভগ্নী এগৰাকী আৰু কনিষ্ঠ ভগ্নী এগৰাকী।

**শিক্ষা ঃ** চেলেৰহাট প্ৰাথমিক (বৈছাহাধ) বিদ্যালয়, যোৰহাটৰ পৰা প্ৰাথমিক শিক্ষা, চেলেৰহাট হাইস্কুল,যোৰহাটৰ পৰা মধ্যমভাগ, ডিব্ৰুগড় মনোহাৰী দেৱী কানে কলেজৰ পৰা উচ্চ শিক্ষা।

**চাকৰিত যোগদান ঃ** ১৯৭৭ চনত গুৱাহাটীত উপ-পৰিদৰ্শক, অসম আৰক্ষী হিচাবে যোগদান।

**বৰ্তমান ঃ** সঞ্চালক (ডিৰেক্টৰ), ৰাজ্যিক ফিংগাৰ প্ৰিণ্ট ব্যু'ৰো, অপৰাধ তদন্ত বিভাগ, গুৱাহাটী, অসম।

**বিবাহ ঃ** ১৯৮২ খ্ৰীষ্টাব্দত গুৱাহাটীত স্বামী প্ৰয়াত কালিকা প্ৰসাদ চক্ৰৱৰ্ত্তীৰ সৈতে বিবাহ-পাশত আবদ্ধ। একমাত্ৰ পুত্ৰসন্তান গৰাকী হ'ল- শ্ৰীমান কংকণ চক্ৰৱৰ্ত্তী।

**ভাল লগা বিষয় ঃ** অধ্যয়ন , সাহিত্য চৰ্চ্চা, সংগীত, ভ্ৰমণ।

**সৃষ্টি ঃ** গল্প সংকলন অলপতে পুথিৰ আকাৰত প্ৰকাশ পাব। 'বৈশালী' উপন্যাস প্ৰকাশিত হৈছে। তদুপৰি 'আমাৰ সন্ধান' নামেৰে অসম আৰক্ষীৰ তিনিমহীয়া মুখপত্ৰখনিৰ সম্পাদনাৰ দায়িত্ব তেওঁ নিষ্ঠাৰে পালন কৰি আহিছে।

**ভৱিষ্যত পৰিকল্পনা ঃ** আধালিখা হৈ থকা তিনিখনমান উপন্যাস সম্পূৰ্ণ কৰা, সাহিত্য চৰ্চ্চাত নিয়োজিত কৰা।

**অসমবাসীলৈ বাৰ্ত্তা ঃ** যিমানেই মধুৰ নহওক অতীত সময়ৰ সোঁতত উটি যায়। গতিকে .... বৰ্তমানৰ ওপৰত আস্থা ৰাখি একনিষ্ঠা আৰু আত্মবিশ্বাসেৰে ভৱিষ্যতৰ সৃষ্টিত আগবাঢ়ি যাব লাগে।

## সংকলকৰ চমু টোকা

**ইলা চক্ৰৱৰ্ত্তী** -- বৰ্তমান চি.আই.ডি. ফিংগাৰ প্ৰিণ্ট ব্যুৰোৰ সঞ্চালক হিচাবে কাৰ্যনিৰ্বাহ কৰি থকা চক্ৰৱৰ্ত্তী ডাঙৰীয়ানী এগৰাকী ভাল লিখিকা। 'বৈশালী' নামৰ এখন উপন্যাস ৰচনা কৰাৰ উপৰিও ইতিমধ্যে প্ৰকাশিত বহুতো গল্পৰ সংকলন এটি উলিয়াবলৈ তেখেত প্ৰস্তুত। আৰক্ষী বিভাগৰ তিনিমহীয়া আলোচনীখনৰ সম্পাদিকাৰ দায়িত্বত থকাৰ উপৰিও নিয়মীয়াকৈ গল্প আৰু শৰৎ চন্দ্ৰৰ 'দেৱদাস'খনৰ অসমীয়া অনুবাদ কৰি প্ৰকাশ কৰি আছে। তাৰোপৰি এখন উপন্যাস লিখাৰ কামতো তেখেত ব্যস্ত হৈ আছে বুলি জনাইছে।

# ফেটাগাঁৰৰ বকুলী পেহী

**শ্ৰীমতী ইলা চক্ৰৱৰ্ত্তী**

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজত পঢ়িবলৈ ওলাওঁতে দেউতাই মোৰ হাতত সৰু ডায়েৰী এখন দি কৈছিল, "মা, দৈনন্দিন জীৱনৰ খুটি-নাটি কথাবোৰ লিখি ৰাখিবিচোন, কামত আহিব"। লাজ লাজ কৰি হ'লেও বৰ আগ্ৰহেৰে ডায়েৰীখন লৈছিলোঁ। মনৰ মাজত কত যে ৰঙীন কল্পনা। দেউতাই বাৰু তেখেতৰ জীয়েকক কি হোৱাটো বাঞ্ছা কৰিছিল? ডাঙৰ একো হ'ব নোৱাৰিলেও লিখা-পঢ়া চৰ্চা কৰি থাকিব পৰাকৈ কলেজৰ মাষ্টৰণী? (যিটো হোৱাৰ ইচ্ছা মই পঢ়া কলেজখনত পঢ়াৰ পাছত মোৰো হৈছিল)। লিখা-পঢ়া বিষয়টো মোৰ দেউতাই যে বৰ ভাল পাইছিল তাত কোনো সন্দেহ নাই। এতিয়াও ব্যস্ততাৰে ভৰা জীৱনত কেতিয়াবা সুৰুঙা পালেই মই মনে মনে চিন্তা কৰো, দেউতাই মোক যি হোৱাৰ কথাই নাভাবক, তেওঁৰ জীয়েকক লাঠি বন্দুক হাতত লোৱা চিপাহীৰ ৰূপত ছাগে কোনোদিনেই ভবা নাছিল।

মই অভাগীয়ে ডায়েৰী ৰাখিব পৰাকৈ বিশেষ মানুহতো জীৱনত হ'বই নোৱাৰিলোঁ, কলেজত পঢ়াৰ প্ৰথমচোৱাৰে পৰা আৰম্ভ কৰি যুগ্ম জীৱনৰ পাতনি মেলাৰ আগলৈকে দেউতাৰ স্মৃতিক শ্ৰদ্ধা জনাই (স্মৃতি বুলি কৈছোঁ কিয়নো মোৰ চাকৰি জীৱনৰ প্ৰাক্কাললৈকে দেউতাই ইহলীলা সম্বৰণ কৰিছিল।) ডায়েৰী লিখাৰ অভ্যাসটো চেগা-চোৰোকাকৈ বজাই ৰাখিছিলোঁ। কিন্তু কালৰ সোঁতত কোন সময়ত যে ডায়েৰীখনৰ অস্তিত্বও পাহৰি পেলাইছিলো সেই কথাও মোৰ মনত নাছিল।

আজি, কমেও এযুগ কালৰ পাচত পুৰণি ট্ৰাঙ্কৰ তলত পুৰণি লেখা-মেলাবোৰ উলিয়াই চাওঁতে মোৰ পাহৰি যোৱা ডায়েৰীখন হঠাতে হাতত পৰিল। ডায়েৰীৰ 'কভাৰ'খন লুটিয়াওঁতে চকুত পৰিল পকোৱা পকোৱা আখৰেৰে অতি পৰিচিত দেউতাৰ হাতৰ লেখা, মোৰ নামটো আৰু তলত দেউতাৰ সম্পূৰ্ণ নাম-ঠিকনা। মোৰ অন্তৰৰ সমস্ত আবেগ দহো আঙুলিৰে প্ৰবাহিত হৈ অহাত বাৰে বাৰে দেউতা আৰু মোৰ নাম লিখা পাতখনত আঙুলিৰ বুলনি দিলোঁ। অভিভূত হৈ ডায়েৰীৰ পাত লুটিয়াই যাওঁতে আধামান পৃষ্ঠা যোৱাৰ পাচত চকুত পৰিল এখন দেখিলেই হাঁহি উঠা অপৈণত হাতেৰে অঁকা, গদহা মুখৰ ছবি। অদ্ভুত এই মুখখনৰ ছবি ক'ৰ পৰানো মোৰ ডায়েৰীত সোমাল বুলি ভাবি থাকোঁতেই চকুত পৰিল ছবিৰ তলত নাম 'বকুলী পেহী'।

নামটো চকুত পৰাৰ লগে লগে মনৰ পৰ্দাত ভাহি উঠিল বকুলী পেহীৰ ঠিক ঠিক ছবিখনো। ছবিখন মোৰ ট্ৰেইনিং কলেজৰ কীৰ্তি। দেউতাই দিয়া ডায়েৰীত কিয়নো আভজা মুখৰ ফেটাগাঁৱৰ বকুলী পেহীৰ ছবিখনে ঠাই পালে সেয়াও মোৰ মনত পৰিল। মোৰ ছবি অঁকাত অপটু হাতৰ সযত্ন কীৰ্তি বকুলী পেহীৰ ছবিখন শিল্প কৰ্ম হিচাপে যতই নগণ্য হওক কিয়, ঘঁহাই ঘঁহাই অঁকা ছবিখন, মোৰ মনত আছে, ছবিৰ অধিকাৰিণী বকুলী পেহীৰ হ'লে বৰ পছন্দ হৈছিল। ছবিখন বকুলী পেহীৰ হাতত দিব নোৱাৰাৰ কাৰণ এটাও হৈছিল। কিয়নো, আমি দুজনীয়ে, ভবানী আৰু মই বিচনাৰ গাতে লাগি থকা টেবুলত লেখা পঢ়া কৰি থকা অৱস্থাত পেহী আহি মাটিতে লেপেটা কাঢ়ি বহি দিনটোৰ পাঁচালী আৰম্ভ কৰি দিছিল। বাবে ভচহ কথা কৈ বিৰক্ত কৰাৰ পৰা বিৰত ৰাখিবলৈ পেহীক কৈছিলো, "ৰ'বা পেহী ৰ'বা, লৰচৰ নকৰিবা, তোমাৰ ছবি আঁকো"। পেহী লগে লগে চুপ। আৰু ময়ো নভবা নিচিন্তাকৈ লিখি থকা মোৰ ডায়েৰীখনতে বকুলী পেহীৰ ছবিখন আঁকি পেলাইছিলোঁ। যিহেতু মোৰ ডায়েৰীৰ পাত মই কেতিয়াও নেফালিছিলো, পেহীৰ ছবিখন মোৰ ডায়েৰীতে বৈ গৈছিল।

ট্ৰেইনিং কলেজত কটাবলগীয়া প্ৰথম বছৰটো আমাৰ অগতানুগতিক কৰ্ম জীৱনৰ প্ৰথম বাট চ'ৰা। সাধাৰণ কৰ্মজীৱনৰ সতে নিমিলা আমাৰ ভৱিষ্যৎ কৰ্ম পদ্ধতিৰ বাবে এই আখৰাতলীতে আমাক কঁহাৰে চাকত পেলাই কাঁহ-পিতল পিটি গঢ়ি বাচন-বৰ্ত্তন সাজি উলিওৱাৰ দৰে আমাকো হুজুৰ-হাবিলদাৰ, মেজৰ-জামাদৰ সকলোৱে মিলি ট্ৰেইনিঙৰ চাকত পেলাই গঢ়ি তোলে। বহুতৰ বাবে এই প্ৰশিক্ষণ কলেজৰ অভিজ্ঞতা বৰ তিক্ত যদিও বেচিভাগেই একমুখে স্বীকাৰ কৰিব যে কঢ়া শাসনৰ মাজেদি ডবিয়াই ধমকিয়াই, পানিচমেণ্টৰ ৰঙা চোলা পিন্ধালেও 'পি.টি.চি'ৰ হুজুৰ-হাবিলদাৰ, মেজৰ-জামাদাৰসকলৰ আন্তৰিকতা সহজে পাহৰিবলৈ টান। যেনেকৈ মই চাকৰি জীৱনৰ এই ওঠৰ-ঊনৈশ বছৰৰ পিচতো পাহৰি যোৱা নাই ঠাণ্ডাৰ দিনতো ঘামচিৰে ঠাহ খাই থকা ৰঙা মুখৰ আমাৰ পেৰেড হাবিলদাৰ মোহনলাল থাপা হুজুৰক, হাবিলদাৰ মেজৰ ৰত্নেশ্বৰ বৰুৱা কাইদেউক, ল' ইন্সপেক্টৰ মহেন্দ্ৰ গগৈ চাৰক আৰু আমাৰ বান্ধনী বাই ফেটাগাঁৱৰ এই বকুলী পেহীক। থাপা হুজুৰে ট্ৰেইনিংৰ কালচোৱাত কোনোদিনে আমাক মেগাজিনৰ পৰা নিজে গৈ ৰাইফল আনিবলৈ নিদিলে; দুইজনীৰ ৰাইফল লৈ আহি ফিল্ডত আগেয়ে হাজিৰ। ৰত্নেশ্বৰ কাইদেউৰ চি.ডি. আইৰ সৈতে মিলি প্ৰিন্সিপালক কৈ আমাৰ এক পিৰিয়ড পেৰেড মাফ কৰাই দিছিল। গগৈ চাৰে পঢ়োৱা ক্ৰিমিনল'জি এতিয়াও মনত সোমাই আছে।

অৱশ্যে বকুলী পেহীৰ কথা বেলেগ। বিশিষ্ট গুণেৰে বৈশিষ্টপূৰ্ণ বকুলী পেহী ট্ৰেইনিং কলেজত আমাৰ বান্ধনী আছিলনে, আমিহে তেওঁৰ বান্ধনী আছিলো

সেইটো আলোচনাৰ বিষয়।

উপস্থাপনাৰ পৰাই বুজা যায় বকুলী পেহী আমাৰ দুজনীৰ কোনো অঙহী-বঙহী সম্পৰ্কীয় নহয়। বকুলী পেহীৰ নামটো আমি দুজনীয়েহে দিছিলো। এনেয়ে সকলোতে পৰিচিত সইত (সত্য)ৰ মাক হিচাপে। তেওঁৰ যে এটা নিজস্ব নামো আছিল সেই কথাষাৰ তেওঁ পাহৰিয়ে গৈছিল। কথাষাৰ কিন্তু সত্য। কিয়নো কেইবাদিনো পাচত আমাৰ লগত সহজ হোৱাৰ পাচত পেহীক সুধি সুধিও তেওঁৰ নামটো উলিয়াব নোৱাৰিলো।

ঃ সুধিলেই কয়, মোৰ নাম সইতৰ মাক আকৌ।

ঃ তুমি সত্যৰ মাকহে। সেইটো তোমাৰ নাম কেনেকৈ হ'ব? সত্যৰ জনমৰ আগতেও তোমাৰ নাম সত্যৰ মাকেই আছিলনে কিবা?

ঃ কেনৈ থাকিব আকৌ?

ঃ সেইবাবেই কৈছো, তোমাৰ এটা নাম আছিল, আয়ে-বোপায়ে কি বুলি মাতিছিল?

ঃ জানো পাই মনতে নাই। আইদেউ বুলি মাতিছিল হ'বপায়।

সেইসময়ৰ সুকুমাৰ অনুভূতিৰে পূৰ্ণ আমাৰ মনবোৰে আইদেউক সত্যৰ মাক বা 'ৰান্ধনী বাই' বুলি মাতিবলৈ আমাক বাধা দিছিল। সেয়ে সত্যৰ মাকক আমি দুয়ো মাতিবলৈ ল'লো 'বকুলী পেহী' বুলি। পিচলৈ বকুলী পেহী ট্ৰেইনিং কলেজৰ সকলোৰে সমূহীয়া 'পেহী' হ'ল।

ট্ৰেইনিং কলেজত প্ৰশিক্ষাৰ্থীক থাকিবলৈ দিয়া হলঘৰবোৰক 'বেৰেক' বুলি কয়। আমাক থাকিবলৈ দিয়া বেৰেকটো আছিল ইন্সপেক্টৰ লাইনৰ এটা ইন্সপেক্টৰ কোৱাৰ্টাৰ। আমাৰ সময়ত প্ৰথমবাৰৰ বাবে চাৰিজনী মহিলা চাব-ইন্সপেক্টৰ আৰু দুজনী মহিলা এচিটেণ্ট চাব-ইন্সপেক্টৰ নিযুক্তি দিয়া হৈছিল। কিন্তু সময়ত জইন কৰিছিলো আমি দুজনীয়েহে। চাব-ইন্সপেক্টৰ হিচাপে মই আৰু এ.এচ.আই হিচাপে ভবানী তামুলীয়ে আৰু শেষলৈ আমি দুয়োম্বেই ট্ৰেইনিং কৰিলো। আৰু কোনো নাছিল।

আৰক্ষী প্ৰশিক্ষণ কলেজৰ প্ৰথম দিনটো প্ৰশিক্ষাৰ্থীসকলৰ বাবে বৰ স্মৰণীয় দিন বিভিন্ন কাৰণত। প্ৰশিক্ষাৰ্থী হিচাপে ভৰ্তি হোৱাৰ লগে লগে আমাৰ ব্যক্তি স্বাধীনতা অনেকখিনি হ্ৰাস কৰি পেলোৱা হয়। তাৰেই প্ৰথম পৰ্যায় হিচাপে ডেকা ল'ৰাইতৰ ধুনীয়া ধুনীয়া চুলিবোৰ কটাই এটা স্পেচিয়েল 'পুলিচ কাট' দিয়া হয়, যেন উদ্ধত যুৱকইতৰ সকলো গৰ্ব সিইতৰ চুলিখিনিতেই সোমাই থাকে। মহিলা প্ৰশিক্ষাৰ্থী হিচাপে সেই 'প্ৰব্লেম' আমাৰ নাছিল। পিচে আমি জব্দ হৈছিলো অন্য ধৰণেৰে।

চাকৰি নকৰাৰ মানসেৰে মই প্ৰথমদিনা ট্ৰেইনিং কলেজত দেখা কৰিবলৈ

গৈ আকৌ ঘুৰি আহিছিলো। পিচদিনা টোপোলা-টাপলিৰে সৈতে দাদা আৰু ভাই বন্ধুৰ সৈতে যেতিয়া 'জইন' কৰিবলৈ যাওঁ, দেখিলো আমাৰ বাবে থকা মেলাৰ 'বেৰেক' ইত্যাদি সকলো ৰেডি। ইতিমধ্যে তেজপুৰৰ ভবানী আহি তাইৰ ঠাই ঠিক কৰি লৈছেহি। সশস্ত্ৰ বিভাগৰ দাৰোগা আৰু হাবিলদাৰ এজনে মোক বেৰেকলৈ লৈ গৈছিল। ভবানীৰ সৈতে চিনা-পৰিচয় হৈ বস্তু-বাহানিবিলাক থান্‌থিত্‌ লগাই দাদহঁত যেতিয়া যাবলৈ ওলাল আমি দুয়োজনীয়ে তেওঁলোকক আগবঢ়াই দিবলৈ ৰাস্তালৈকে ওলালো। ঠিক সেই সময়তে নিয়মানুবৰ্ত্তিতাৰ প্ৰথম 'ধাক্কা'টো খালো আমি। জামাদাৰ মহোদয়ে গম্ভীৰ স্বৰেৰে আমাক যি কথা ক'লে তাৰ সাৰমৰ্ম হ'ল, আমি এতিয়া যেতিয়াই তেতিয়াই কলেজৰ গেটৰ বাহিৰ ওলাব নোৱাৰিম। ঘৰৰ পৰা কোনোবাই দেখা কৰিবলৈ আহিলেও প্ৰথমে অফিচত ৰিপৰ্ট কৰিব, তাৰ পিচতহে আমাৰ লগত তেওঁলোকে দেখা কৰাই দিব। লগত যোৱা হাবিলদাৰ হুজুৰে এতিয়াৰ পৰা আমাক ক'ৰবালৈ যাবলৈ মেলিবলৈ হ'লে লৈ যাব। দাদা বেচেৰাহঁতে আমাক আশ্বাস দি গ'লগৈ। আমি আশ্বস্ত আৰু কি হ'ম! গম পালো পুলিচৰ কঠোৰ নিয়মানুবৰ্ত্তিতাৰ মেৰ পেচত কেনে দৰে বান্ধ খালো।

আমি দুয়োজনীয়ে দুয়োজনীৰ ঘৰুৱা আঁতি-গুৰি লৈ লাহে লাহে অন্তৰঙ্গতা বঢ়াই থাকোতেই দুঘণ্টামান পিচত জামাদাৰ হুজুৰৰ পিচে পিচে মোৰ ডায়েৰীৰ পটৰ পটেশ্বৰী বকুলী পেহীৰ আমাৰ আঙ্গিনালৈ প্ৰথম শুভ আগমণ। আমি দুয়ো বিচনাত পেট পেলাই আধা শোৱা অবস্থাত কথা পাতি আছিলো। হুজুৰৰ আগমণৰ সঁহাৰিপাই ঘপহকৈ উঠি বহি হুজুৰৰ পিচে পিচে অহা বকুলী পেহীক দেখি নয়নাভিৰাম সেই দৃশ্য দুই নয়ন ভৰি চালো। কাষত ফটা কাণিৰে বন্ধা এটা মস্ত টোপোলা, ভৰিৰ পানী গাঁঠিৰ ওপৰত পিন্ধা তলচোৱা বোকা-পানীৰে জেতুকাবুলীয়া মেখেলাখন উট্‌ৰ মাৰিলেও ফুটা নোহোৱা, তদ্ৰুপ গাৰ কপাহী চাদৰখন, ভৰ শাওনৰ ৰ'দে পোৰা এচৰুমান মুখখনৰ পিচফালে ক'লা আঁচুৰে ওখকৈ বন্ধা পাৰ চৰাইৰ কণীহেন খোপাটো আৰু সেলেঙী বৈ যোৱাকৈ পাগুলি থকা এমোকোৰা তামোলেৰে এই বিৰল ৰূপৰ অধিকাৰিণী মহিলাক দেখি আমি বাকহীন বিস্ময়েৰে চায়েই থাকিলো। পোনে পোনে শাওনৰ পথাৰৰ পৰা ধৰি আনিছে বোধহয়, মনতে ভাবিলো।

আমাৰ আছন্ন অবস্থা দেখি হুজুৰেই আগে কথা ক'লে -

ঃ এই বুঢ়ীয়ে আপোনালোকৰ ৰন্ধা-বঢ়া কৰিব, বাচন-বৰ্ত্তন ধুব।

মহিলা বুঢ়ী অৱশ্যে নহয়, আদহীয়া। হে ভগৱান! মহিলাৰ ৰেহ-ৰূপ দেখিয়ে আমি দুয়ো হতবাক্‌ এওঁনো আমাক কি ৰান্ধি খুৱাব? গাৰ পৰা পথাৰৰ মাটিৰ বোল যাবলৈকে এমাহ লাগিব। লুধুমী মহিলাগৰাকী কাম-কাজত যে তেনেই

অপটু হ'ব দেখিলেই ধাৰণা কৰা যায়।

হুজুৰে বুঢ়ীক এলানি হুকুম শুনালে - "টৈৰি-মেৰি নকৰিবি, মহিলা পুলিচৰ কোনো বস্তু চুৰি নকৰিবি, কিবা আপত্তি যদি শুনো তোৰ চাকৰি খাই ল'ম" ইত্যাদি ইত্যাদি।

আমাৰ প্ৰথম দৰ্শনৰ বকুলী পেহী আছিল একদম বাৰিষাৰ ওন্দোলোৱা মেঘৰ দৰে। নিস্তেজ চকুহালেৰে এই বৰষে এই বৰষে ভাব। যদিও পি.টি.চিৰ সেই প্ৰথম দিনটো আছিল আগষ্ট মাহৰ ৰৌদ্ৰোজ্জ্বল এটা দিন।

স্বভাৱ চঞ্চলা ভৱানীয়েই প্ৰথমে সহজ কৰিলে পৰিবেশটো।

ঃ 'বাই বহা' - ঠিক যেন কথাষাৰৰ অপেক্ষাতহে আছিল, সেই ভাবে বকুলী পেহী ধপকৈ মাটিতে বহি পৰিছিল।

ঃ তোমাৰ ঘৰত কোন কোন আছে?

ভৱানী এই দ্বিতীয় প্ৰশ্নটোত ইমান সময়ে ওন্দোলাই থকা মেঘ গলি দুচকুৰে বৰষা হৈ নামিল। উচুপি উচুপি ক'লে, "সইত' আছে, মোৰ ল'ৰাটো"।

পেহীৰ কান্দোন আৰু বন্ধই নহয়। ল'ৰাটো তাই অকলে এৰি থৈ আহিছে, অকলে পাই মানুহে মৰিয়ায় নেকি? তাইৰ ল'ৰাটোৰ ওপৰত সকলোৱে হিংসা। এইবোৰ চিন্তা কৰিয়ে বিলাপ।

আমি দুয়োজনীয়ে সান্ত্বনা দিওঁহে দিওঁ বুঢ়ীৰ কান্দোন আৰু বন্ধই হ'ব নোখোজে। পেহীৰ অৱস্থা দেখি আমাৰো বেয়া লাগিছিল। সৰু ল'ৰা দেহি! বেচেৰীয়ে পেটৰ দায়ত এৰি থৈ আহি এতিয়া দুখ লাগিছে। পিছে এসপ্তাহমানৰ মূৰত পেহীৰ ল'ৰা সত্য যেতিয়া মাকৰ ওচৰলৈ আহিছিল, দেখিলো গজ্‌গজীয়া এটা ডেকা দেখোন। আমিতো অবাক। সত্যৰ লগত কথা পাতি দেখিলো, শান্ত, শিষ্ট ল'ৰাটো, কামিলা। বৌটি অহাৰ কাৰণে তাৰ কোনো অসুবিধা হোৱা নাই। নিজে ৰান্ধি বাঢ়ি খায়। ওচৰৰ বৰপিতাইহঁতে তাক মৰম কৰি মাজে মাজে আঞ্জা-তৰকাৰীখিন দিয়ে, পুৱা-গধূলী অকলে থকা বুলি চাহপানীকনো খুৱায়। বৌটিলৈ চিন্তা লাগিহে সি চাবলৈ আহিল। সত্য ল'ৰাটো আমাৰ বৰ ভাল লাগিল। সি যোৱাৰ পাচত মিছাতে পাগলামীখিন কৰি থকাৰ কাৰণে পেহীক আমি খুব বকিলো। কিয়নো এই সত্যৰ কাৰণে ট্ৰেইনিং কলেজলৈ অহাৰ পিচত প্ৰতিটি নিশা বকুলী পেহীয়ে আমাৰ কেৱল নিদ্ৰা ভঙ্গাই কৰা নাছিল, ৰাতিবোৰ কৰি তুলিছিল আতঙ্কময় আৰু সেই আতঙ্ক আমাৰ সমগ্ৰ ট্ৰেইনিঙৰ সময়চোৱা জুৰি ৰৈছিল।

সেইদিনা ভৱানী আৰু মই মহা হাঙ্গামা কৰি একাপ চাহ কৰি খুৱাই নিদিয়ালৈকে পেহীৰ কান্দোন বন্ধই নহ'ল। চাহ বিস্কুট খাইহে সহজ হ'ল। ৰাতিলৈ বহুতো তোড় যোৰ কৰি তিনিও মিলি পি.টি.চিৰ প্ৰথম ভাতসাজ খাই উঠি যেতিয়া বিচনাত পৰিলোগৈ, ভৱানী লগে লগে টোপনি গ'ল। পেহীয়ে

আমাৰ কোঠাতে আমাৰ অনতিদূৰত পকা মজিয়াতে শোৱাৰ ব্যৱস্থা কৰি ল'লে। আচহুৱা নতুন ঠাইত মোৰ কিন্তু সহজে টোপনি নাহিল। বিচনাতে পৰি আকাশ-পাতাল ভাবিছিলো- ক'ত বাতৰি কাকতৰ চাব-এডিটৰৰ মুক্ত জীৱন, আৰু ক'ত খাকী বৰ্ম আৰু বুট জোতাৰ গেৰেপণিৰ তলত নিস্পেষিত আমাৰ ব্যক্তি স্বাধীনতা। জীয়াই থকাৰ সংগ্ৰামত কি কি ভাও যে আমাৰ ল'ব লগীয়া হয়। এইবিলাককে ভাবি ভাবি এটা সময়ত মোৰ চকুলৈ বোধহয় তন্দ্ৰা নামি আহিছিল। হঠাতে এটা অদ্ভুত শব্দই মোৰ টোপনি ভাঙি দিলে। শব্দটোৰ উৎস কিনো হ'ব পাৰে টলকা মাৰি বুজিবলৈ চেষ্টা কৰিলো। প্ৰথমে মনত হ'ল, ঘৰৰ বাহিৰৰ পৰা আহিছে বোধহয়, পিচত কিন্তু তেনে যেন নালাগিল। শব্দটো লাহে লাহে ডাঙৰ গেঙনিৰ নিচিনা হ'ল। ভয়তে মই লাইট নজ্বলোৱাকৈয়ে ভবানীক মাতিলো, "ভবানী, এই ভবানী"।

ভবানীৰ ফালৰ পৰা কোনো সাৰি শব্দ নাই। ইফালেদি শব্দটো আৰু তীব্ৰ হৈ উঠিছে। খুব ভয় লগা সত্বেও বিচনাতে উঠি বহি বিচনাৰ গাতে লাগি থকা লাইটটো জ্বলালো। লাইটটোৰ পোহৰত মনৰ ভয় বহুখিনি কমি গ'ল। আঁঠুৱাৰ বাহিৰলৈ ওলাই এইবাৰ যিফালৰ পৰা শব্দটো আহিছে সেইফালে চালো। হয়, পেহীৰ ডিঙিৰ পৰাই এই শব্দ ওলাইছে। ভূতে টুটে ধৰিছে নেকি আকৌ। এইবাৰ ডাঙৰ ডাঙৰকৈ ভবানীক মাতিলো। ভবানী উঠি বহিল "কি হ'ল ইলাবা?"

ঃ চোৱাচোন বুঢ়ীয়ে কিখন কৰিছে?"

ঃ হেঁ, কি হৈছে এওঁৰ?"

ঃ জানো?

দুয়োজনীয়ে এইবাৰ পেহীক মাতিবলৈ ধৰিলো, "বাই, অ' বাই, কি হৈছে তোমাৰ?" বুঢ়ীয়ে দেখোন কেঁকাবলৈ ধৰিলে, "ঐ, সইতক নেমাৰিবি ঐ, সি একো কৰা নাই, ঔ, সইতক নেমাৰিবি ঐ'।

ভবানীয়ে জাপমাৰি আহি হাতেৰে মোৰ ডিঙিত ধৰিলে, "অ' ইলাবা অ', বুঢ়ীয়ে কেনেখন কৰেচোন!"

ভবানীয়ে সাৰ পোৱাত মোৰ অৱশ্যে সাহস অনেকখিনি বাঢ়িছিল। তাইক সাহস দি দুয়োজনী উঠি গৈ পেহীৰ গাত ধৰি জোকাৰিবলৈ ধৰিলে। "এই বাই উঠা, এই বাই উঠা"। আমাৰ দুয়োজনীৰে তীব্ৰ জোকাৰণীত পেহী এইবাৰ ধহমহাই উঠি বহিল। শেঁতা পৰা চকু দুটা টেলেকা টেলেক কৰি আমালৈ তেওঁ যেনেকৈহে চালে আমি আকৌ এবাৰ ভয় খালো। টিপ টিপোৱা বুকুৰে অলপ টান মাতেৰে মই সুধিলো - "কি হৈছে তোমাৰ?" ভাবলেশহীন চকুৰে আমাৰ ফালে চাই থাকি বকুলী পেহী কিছু সময়ৰ পিচত লাহে লাহে ঢলি পৰি সেইফালেই টোপনি গ'ল।

প্ৰথম ৰাতিটো ট্ৰেইনং কলেজৰ আমাৰ এনেকৈয়ে আৰম্ভ হ'ল। পিচদিনা পুৰা পেহীয়ে একো ক'ব নোৱাৰে, মাথো ক'লে সপোন দেখিছিলো কিজানি? ভবানীৰ কিন্তু দৃঢ় ধাৰণা হৈছিল পেহীৰ গাত ভূত আছে। "কাম বন কৰি গোটেখনতে ঘূৰি ফুৰেতো।" তাই মোক বিজ্ঞৰ দৰে বুজালে। পিচে পেহীয়ে মাজ নিশা দিয়া আতঙ্কৰ প্ৰথম দিনা আৰম্ভণিহে আছিল। গোটেই ট্ৰেইনিঙৰ বছৰটো পেহীৰ আহত জন্তুৰ গেঙনিৰ শব্দই মাজনিশা টোপনি ভঙালে, ভয়ত পেঁপুৱা লগালে। সেয়ে আমি দুয়োজনী কেতিয়াও অকলে নুশুইছিলো। ভবানীয়ে তাইৰ দহমাহৰ ট্ৰেইনিং শেষ কৰি আগতে ট্ৰেইনিং কলেজ এৰিছিল। পিচৰ দুমাহ মোৰ লগত কোঁৱৰ চাৰৰ ছোৱালী মান্টি শুইছিলহি। কোঁৱৰ চাৰেই কৈছিল, কিয়নো পেহীৰ গাত মাজনিশা ভূত লম্ভাৰ কথা পি.টি.চিৰ সকলোতে প্ৰচাৰ হৈছিল। মান্টিহঁতৰ কোৱাৰ্টাৰ আমাৰ কাষৰটোৱেই আছিল।

আমাৰ ড্ৰেছ পোছাক ৰেডি কৰি মেলি ট্ৰেইনিং আৰম্ভ কৰোঁতে প্ৰায় তিনি চাৰিদিন সময় লাগিছিল। এই সময়চোৱা আমাৰ অন্য এটা কৰ্ত্তব্য হৈছিল পেহীক ৰান্ধিবলৈ শিকোৱা। কাৰণ ৰন্ধা-বঢ়াৰ নূন্যতম জ্ঞানকণৰ বাহিৰে পেহীয়ে বোলে কোনোদিন বনাই পোৱা নাই। গতিকে, ৰুটি বনোৱাৰেই পেহীৰ প্ৰথম বিদ্যাৰম্ভ কৰিলো। আমাৰ অহৰ্নিশ প্ৰশিক্ষণৰ পিচতো পেহীৰ ৰুটি হৈছিল কোনোটো ত্ৰিভূজাকাৰ, কোনোটো চৰ্তুভূজাকাৰ, কোনোটোৱে লৈছিল ইংৰাজীৰ 'ইউ'ৰ আকৃতি। কেৱল সেয়ে নহয়, ৰুটিখন চিঙিবলৈ দাঁতে-ৰুটিয়ে যথেষ্ট যুদ্ধ কৰিবলগীয়া হৈছিল। পেহীনো কোন শ্ৰেণীৰ ৰান্ধনী আছিল সেয়া পেহীয়ে কোৱা এটা গল্পৰ পৰাই বুজা যায়। অবিশ্বাস্য, কিন্তু প্ৰকৃততে সঁচা কথা।

পেহীৰ পেহা, মানে যাৰ লগত পেহীৰ বিয়া হৈছিল তেওঁ বোলে বাগানত কাম কৰিছিল। ভদ্ৰলোক অলপ চৌখিন ধৰণৰ আছিল। গধূলি বন্ধু-বান্ধৱ গোটাই লৈ আড্ডা মাৰিবলৈ ভাল পাইছিল। আড্ডাত তাচ ইত্যাদিৰ লগতে অলপ অচৰপ 'সেৱনো' হৈছিল। বিয়াৰ পাচত পেহীৰ মানুহজনে পেহীক বাগানলৈ লৈ গ'ল। সেইদিনাই আবেলিলৈ পেহাই পেহীক এটোপোলা 'কণী' আনি দিলে - 'কণীৰ মামলেট বনাই দিবি, মোৰ কেইজনমান বন্ধু আহিব'। গোটেই আবেলিটো পেহীয়ে চিন্তা কৰিলে, কি কৰা যায়, কণী কোনোদিন পেহীয়ে ৰান্ধি পোৱা নাই। "গুণা গঁঠা কৰি থাকোতেই সন্ধিয়া লাগিল। লৰালৰিকৈ কেৰাহীটো পাতি তেল দিলে। তেল ভালেখিনি ঢালিলো দেই। গৰম হোৱাত কণীকেইটা তেলত পেলাই দিলো। অলপ পিচত ফট্ফট্কৈ ফুটিবলৈ ধৰিলে গোটেইবোৰ। হে ভগৱান! কি কৰো এতিয়া? ইতিমধ্যে অতিথি আহি পালেই। হেতা এখনেৰে কণীবোৰ হেঁচি হেঁচি চেপেটা কৰিবলৈ লাগিলো। চোকোৰাবোৰ ভালকৈ নেৰায়হে নেৰায়। হেতা দি চাঁচি চাঁচি গুছালো। অলপ অলপ ৰঙা পৰিলে। মানুহে আহি বাৰে বাৰে হ'লনে

হ'লনে লগাই আছে। পিলেট এখনত নি দি দিলোঁগে তেনেকৈয়ে। পিচে খাবলৈ হ'লে ভালেই হৈছিল দেই"।

এয়েই হ'ল পেহীৰ কণী ৰন্ধাৰ কাহিনী। বিয়াৰ এবছৰ নৌ ঘূৰোঁতেই সত্যৰ বাপেকে বোলে পেহীক মৰিয়াই মৰিয়াই খেদি দিছিল। পেহীলৈ বেয়া লাগিলেও আচলতে সত্যৰ বাপেককো বৰ এটা দোষ দিয়া নাযায়। এই অনভিজ্ঞতাৰ বাবে দোষী আমাৰ গাঁৱলীয়া সমাজ ব্যৱস্থা। আমাৰ গাঁওবিলাকত এতিয়াও ছোৱালী শান্তি (পুষ্পিতা) হোৱাৰ পাছত পাক্ঘৰত সোমাবলৈ নিদিয়ে, হাতৰ ৰন্ধা নেখায়, ছোৱালীয়ে যেনিবা অপৰাধহে কৰিলে। ইয়াৰ ফলত ছোৱালীজনীয়ে ৰন্ধন বিদ্যাত যে একেবাৰে অপটু হৈ ৰ'ল এইটো সমাজে এবাৰো ভাবি নেচায়, যিটো ভৱিষ্যত জীৱনৰ বাবে ছোৱালীহঁতৰ শিকাটো অত্যন্ত প্ৰয়োজনীয়। আমি নিজেও এই ব্যৱস্থাৰ বাহিৰত আছিলো এনে নহয়, কিন্তু আমাক দেউতা-আইতাহঁতে তেওঁলোকৰ সমাজ ব্যৱস্থা মতে ৰান্ধিব বাঢ়িব পৰাকৈ 'শুদ্ধ' কৰি লৈছিল। নিজাববীয়াকৈ মোৰ দেউতা অৱশ্যে এইবিলাক নিয়মৰ পক্ষপাতী নাছিল, সেয়া মোৰ এতিয়াও মনত আছে।

এনেহেন গুণৱতী পেহী আছিল আমাৰ ট্ৰেইনিং কলেজত মহিলা পুলিচৰ ৰান্ধনী। যাহওক পেহীক লৈ আমাৰ ট্ৰেইনিং কলেজৰ দিনবোৰ শান্তিপূৰ্ণভাবেই আগবঢ়াই নিছিলো। কিন্তু দিন যোৱাৰ লগে লগে নতুন নতুন সমস্যাবোৰ সৃষ্টি হৈছিল। পুৱা চাৰি বজাতে উঠি আমি লৰালৰিকৈ সাজু হৈ পাঁচ বজাৰ আগতেই ফিল্ডত 'পি.টি.'ৰ বাবে লাইনত থিয় হ'বগৈ লাগে। চল্লিশ মিনিট পি.টি কৰি ঘূৰি আহিহে পেহীক জগাই দিওঁ। আধাঘণ্টাৰ ভিতৰতে চাফ-চাফাই কৰি ড্ৰেছ পোছাক কৰি ৰেডি হৈ পেৰেড গ্ৰাউণ্ড পাবগৈ লাগে। ইয়াৰ মাজতে পেহীৰ ডিউটী হ'ল একাপ চাহ বা এগিলাচ হৰলিক্স কৰি দিয়া।

'পেৰেড'ৰ পিচত ন বজাত আহি পেহীৰ ভাৰতৰ মানচিত্ৰ কৰি বনাই থোৱা ৰুটি-তৰকাৰী খাওঁহি। তাৰ পিচত দৌৰাদৌৰিকৈ গা পা ধুই দহ বজাত ল'ৰ ক্লাছ কৰিবলৈ যাওঁ। ১২.৪০ লৈকে ক্লাছ কৰি আহি দুই বজাৰ পৰা আকৌ ক্লাছ। পুৱা চাৰে ন বজাৰ পৰা দুপৰীয়া এক বজালৈকে এই সময়ছোৱাতে আচলতে যি সমস্যা। আমাৰ লগতে ৰুটী তৰকাৰী খাই বৈ উঠি দুপৰীয়াৰ বাবে ৰান্ধিবলৈ পেহীৰ হাতত অফুৰন্ত সময়। আৰাম পাই পাই পেহীৰ বদ্ অভ্যাস এটা হৈছিলগৈ; ফেন চলাই যেতিয়াই তেতিয়াই পকাত পৰি টোপনি মৰা। চাহ খায়েই ৰন্ধাৰ আগতে পেহীয়ে এঘূমতি মাৰি লয়। পিচে এই এঘূমতিটোৱেই কেতিযাবা এনে দীৰ্ঘস্থায়ী হয়গৈ যে আমি দুপৰীয়া ল'ৰ ক্লাছ শেষ কৰি পেটত দুৰ্বাসাৰ ভোক লৈ আহি দেখোঁহি ঘৰ-দুৱাৰ খোলা, পেহী টোপনিত লালকাল আৰু পাকঘৰত উদং চৰু হাড়ী দাঁত নিকটাই পৰি আছে।

শিলগুটি হজম কৰিব পৰা ভোক পেটত লৈ এনে অৱস্থাত কাৰনো বাৰু চকুপানী নোলাব? খঙে দুখে একো নাই হৈ কেইদিন আমি দুয়োজনীয়ে কান্দিছোঁ! শেষত গৈ থৈ চৰুৰ তলত নিজেই জুই ধৰাওঁগৈ। এক ঘণ্টাৰ পিচত আকৌ ক্লাছ যে!

টোপনিৰ বাহিৰেও পেহীৰ অন্য প্ৰিয় কামটি হ'ল, পি.টি.চিৰ এল.আই লাইনৰ ঘৰে ঘৰে ঘূৰি চাহ-তামোল চোবাই ফুৰা। পূৰণি অভ্যাস ইমান সহজে এৰেনো কেনেকৈ? ইঘৰৰ খবৰ সিঘৰক দিয়া, আমি 'বগীজনী' আৰু 'তামুলীজনী'ৰ খবৰ কোৱা, ইমান ৰোচক গল্পবোৰৰ লগতে ফাউতে পোৱা চাহকণৰ লোভ এৰা সহজ কথা নহয়। আমি পুৱা পেৰেড কৰি আহোঁমানে পেহীৰ কেইবাঘৰো ফুৰা হৈ যায়। আবেলি আমি ক্লাছ কৰি আহি 'গেমছৰ ক্লাছলৈ যোৱাৰ বাবে পেহীয়ে কেৱল বাট চাইহে থাকে। আমাৰ পিচে পিচে ওলালেই। এল আই সকলৰ গৃহিণীসকলে পেহীক দি ইটো সিটো কৰোৱায়, বিনিময়ত চাহ খোৱা বস্তুকণ খুৱায়। তেওঁলোকৰ পেহীক মতাৰ অন্য অদমনীয় কৌতূহল হৈছিল আমি মহিলা দাৰোগাদুজনীৰ বিষয়ে জনাৰ, স্বভাৱনো কেনেকুৱা, কেনেদৰে থাকো? মহিলা অফিচাৰতো আগতে দেখা নাই! এতিয়া অৱশ্যে মহিলা আই.পি.এছ. অফিচাৰো বুজন সংখ্যক, আমি যি সময়ত পুলিচত সোমাইছিলো, অফিচাৰ ৰেংকত আমিয়ে প্ৰথম, গতিকে কৌতূহল হোৱাটোও স্বাভাৱিক। অন্যৰ প্ৰতি কোতূহল মহিলাসকলৰ স্বাভাৱিক গুণ, তাতে পেহীয়ে মুখৰোচক কৰি সজাই পৰাই উপস্থাপন কৰিব জানিছিল ভালকৈ। কিন্তু সকলো মহিলা যে একে নহয়, আমাৰ দত্ত চাৰৰ বাইদেৱে তাৰ প্ৰমাণ। পেহীক যে বাইদেৱে ধমকি দিছিলেই, আমাকো সদায় সাৱধান কৰি দিছিল- "এই বুঢ়ীজনীক ঘৰে ঘৰে ঘূৰি ফুৰিব নিদিবা, য'তে ত'তে যা-তা কৈ ফুৰে"। কিন্তু পেহীক বুজাই-বঢ়াই, গালি পাৰিও লাভ নাই। হাতত সদায় কেতিয়াবা কেইটামান বগৰী, কেতিয়াবা শিলিখা, কেতিয়াবা আমলখি লৈ আহিব। "তইঁতলৈকে আনিছিলো, খাইঁকচোন"। যেন পেহী আমাৰ বাবেই ফুৰিবলৈ যায়, নহ'লেনো কি গৰজ ঘূৰি ফুৰাৰ? পিছে পেহীৰ এই টুটুকীয়া লগনীয়া গুণে সঁচাকৈয়ে একোবাৰ আমাক বৰ শ'লঠেকত পেলাইছিল। আমাৰ কোৱাৰ্টাৰৰ ঠিক বিপৰীতে ৰহমান দৰ্জীৰ ঘৰ। ৰহমান বিবি 'লগনীয়া খৰি' গুণত ইজনীয়ে সিজনীৰ ছাঁটোলৈও নোচোৱা হ'ল, একেবাৰে ভবানীয়ে ট্ৰেইনিং শেষ কৰি গুৱাহাটীলৈ যোৱা পৰ্যন্ত।

ৰাগ-বিৰাগ, হাঁহি-কান্দোননেৰে পেহীৰ লগৃত আমাৰ ট্ৰেইনিং কলেজত দিনবোৰ শেষ হৈ আহিছিল। ইয়াৰ মাজতে আমি বহুবাৰ দুপৰীয়াৰ সাজ হেৰুৱালো, পেহীক কোনোদিন মাংস ৰান্ধিব নিদিলো, আমাৰ পুৰণা ইউনিফৰ্মেৰে পেহীক দাৰোগা সজালো। দহ মহীয়া ট্ৰেইনিং শেষ কৰি ভবানী

যেতিয়া তাইৰ কৰ্তব্যস্থানত যোগ দিবলৈ গ'লগৈ মই একেবাৰে অকলশৰীয়া হ'লো। ইয়াৰ মাজতে আকৌ পিতৃহাৰাও হ'লো। সেই সময়ত, মানে মই অকলশৰে থকা দিনবোৰতে পেহীৰ মাজত মই মাতৃত্ব দেখা পালো। গধূলি মই যেতিয়া পঢ়াত বহোঁ পেহীয়ে আগৰ দৰে বক্‌বকাই নেথাকি চুপচাপ মোৰ ওচৰতে বহি থাকে। হয়তো, অকলশৰীয়া বুলি, সদ্য পিতৃহাৰা বুলি মোলৈ মমতা জাগে। মই থকা সময়চোৱাত কোৱাৰ্টাৰৰ পৰা কেনিও নাযায়। ট্ৰেইনিং শেষ কৰি পি.টি.চিৰ পৰা বিদায় লোৱাৰ দিনা পেহীৰ চকুত দেখা দুধাৰি চকুলো, বৰ সঁচা চকুলো।

দীৰ্ঘ দহ বছৰৰ পিচত ইন্সপেক্টৰ কেডাৰৰ দুমহীয়া ট্ৰেইনিঙত আকৌ ডেৰগাঁও ট্ৰেইনিং কলেজলৈ গৈছিলো। কেইজনমান হুজুৰৰ বাহিৰে পি.টি.চিত সকলো নতুন। মহিলা পুলিচৰ বেৰেক নতুন, দুজন পুৰুষ ৰান্ধনি নতুন। মোৰ চকুহালে পেহীক বিচাৰিলে। বহু খোজ খবৰ কৰি গম পালো, স্বভাৱ বেয়া বুলি 'বুঢ়ীজনী'ক কেতিয়াবাই পি.টি.চিৰ পৰা খেদিলে। চাংকৈ মনত পৰিল পুতেকৰ বিয়া পাতিম বুলি পেহীয়ে প্ৰত্যেক মাহৰ দৰমহাৰ পইছা আমাক দি হিচাপ কৰোৱাই জমাইছিল। সত্যৰ বিয়াখন বাৰু হ'লনে?



# জীতমল দলে

**জন্মৰ তাৰিখ ঃ** জন্মৰ সঠিক দিন-বাৰ মোৰ মা-দেউতাই লিখি নাৰাখিলে। তাহানি জন্মৰ সোঁৱৰনি ৰখাৰ নিয়ম আমাৰ সমাজত নাছিলেই প্ৰায়। জন্মৰ পিচতেই প্ৰবল বানপানীৰ উৎপাতত মা-দেউতাই আমাক অন্য ঠাইলৈ লৈ যোৱাৰ পিচত যেতিয়া পঢ়াশালিৰ দুৱাৰত ভৰি দিছিলো সেইদিনাই শিক্ষকে অনুমানত দিয়া জন্মৰ তাৰিখেই এতিয়া মোৰ অফিচিয়েল জন্মৰ তাৰিখ। সেই মতে মোৰ জন্মৰ তাৰিখ হ'ল ১৯৬৩ চনৰ সাত ফেব্ৰুৱাৰী।

**জন্মৰ স্থান ঃ** মোৰ জন্ম স্থান এতিয়া ব্ৰহ্মপুত্ৰৰ বুকুত। ঢকুৱাখানা মহকুমাৰ অন্তৰ্গত সাতমৰা গাঁৱৰ পৰা প্ৰায় ৬-৭ কিলোমিটাৰ পূব-দক্ষিণে তাহানি জাঁজী কৈকুৰি নামৰ এখন গাঁও আছিল। মোৰ হেনো তাতেই জন্ম হৈছিল। ১৯৬২ চনৰ প্ৰবল বানে গাঁওখন বুৰাই পেলোৱাত তাৰ পৰা উঠি আহি আমাৰ পৰিয়াল সাতমৰা গাঁৱত থাকিবলৈ লৈছিল। এতিয়াও বংশ পৰিয়াল তাতেই আছে। দেউতাই বেপাৰ সূত্ৰে আমাক ধেমাজিলৈ উঠাই নিছিল। এতিয়া মোৰ ঘৰ ধেমাজিত।

**শিক্ষা :** জন্মৰ পিচতেই বানৰ কবলত পৰি আমাৰ পৰিয়াল অ'ত ত'ত থিতাপি লৈ থাকিবলগাত সময় মতে শিক্ষা আৰম্ভ কৰিব পৰা নাছিলো। তাৰোপৰি তেতিয়া স্কুল-কলেজবোৰ বহু দূৰ-দূৰণিত আছিল। ধেমাজিলৈ উঠি যোৱাৰ কেইবা বছৰ পিচত আমি থকা গাঁওখনৰ ওচৰত কোলা পথাৰ কছাৰী গাঁও। সেইখন গাঁৱত নতুনকৈ এখন এল পি স্কুল ৰাইজে পাতিলে। সেইখন এল পি স্কুলতেই পঢ়াৰ পাতনি মেলিলো। সেইখন স্কুলৰ পৰা পাছ কৰি জীয়াঢল হাইস্কুলত নাম ভৰ্তি কৰো। জীয়াধল হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাচ কৰি ধেমাজি কলেজত বিজ্ঞান বিভাগত নাম ভৰ্তি কৰো। তেতিয়া ধেমাজি কলেজৰ বিজ্ঞান শাখাতো বৰ চালুকীয়া অৱস্থা। তথাপি ছাত্ৰ আৰু শিক্ষা গুৰুসকলৰ সৱল সহযোগত বিজ্ঞান শাখাটো গঢ়িবলৈ সকলোৱেই লাগিছিলো। সেইখন কলেজৰ পৰা বিজ্ঞান শাখাত প্ৰাক্ স্নাতক পৰীক্ষা পাছ কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত থকা যোৰহাটৰ কৃষি কলেজত পঢ়িবলৈ লওঁ। মেডিকেল ইঞ্জিনিয়াৰিং বাদ দি কৃষি বিজ্ঞান পঢ়াৰ বাবে বংশ পৰিয়ালে বৰ বেয়াও পাইছিল। কৃষি বিজ্ঞানৰ স্নাতক পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পিচত যোৰহাটতেই M.Sc (Agri) পঢ়িবলৈ লওঁ। M.Sc পাছ কৰি উঠিয়েই সেইখন বিশ্ববিদ্যালয়ৰ অধীনতে শিক্ষকতাৰ কাম আৰম্ভ কৰিলো। প্ৰায় তিনি বছৰ শিক্ষকতাৰ চাকৰি কৰি ১৯৯৩ চনত পুলিচ বিভাগত উপ-আৰক্ষী অধীক্ষক হিচাপে অসম লোক সেৱা আয়োগৰ যোগেদি বাঁচনি পোৱাত এই চাকৰিতেই যোগদান কৰিলো। এবছৰ প্ৰশিক্ষণ লোৱাৰ পিচত তিনি মাহমান ৰঙিয়াৰ উপ-আৰক্ষী অধীক্ষক (সীমান্ত শাখা), তিনি বছৰ চাৰি মাহমান বজালীৰ মহকুমা আৰক্ষী বিষয়া, দেৰ বছৰমান লক্ষীমপুৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক, তিনি বছৰ ছয় মাহমান নলবাৰীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক, তিনি মাহমান দেৰগাঁৱত অৱস্থিত সশস্ত্ৰ আৰক্ষী প্ৰশিক্ষণকেন্দ্ৰৰ অধিনায়ক আৰু বৰ্তমানে গুৱাহাটী মহানগৰীৰ অভিযান শাখাৰ আৰক্ষী অধীক্ষক হিচাপে কাম কৰি আছো।

**সাহিত্য চৰ্চা :** ল'ৰালি কালৰে পৰাই কল্পনা তথা ৰচনাৰ প্ৰতি যথেষ্ঠ ৰাপ আছিলো। সাহিত্য অধ্যয়নৰ প্ৰতি অনুৰাগ প্ৰবল আছিল যদিও অৰ্থনৈতিক কাৰণত সহজতে চাকৰি পোৱাৰ আশা দেখি বিজ্ঞান শাখাত পঢ়িলো। তথাপি মাজে সময়ে আলোচনী ইত্যাদিত দুই-এটা গল্প, কবিতা লিখিছিলো। নিজাববীয়াকৈ কিতাপ তেতিয়া লিখা নাই। অলপতে নলবাৰীত থকা সময়ত নলবাৰীৰ কিছু সাহিত্যপ্ৰেমী লোকৰ প্ৰেৰণাত 'মিছিং অসমীয়া-ইংৰাজী'ৰ এখন অভিধান প্ৰকাশ কৰো। অভিধানখনৰ নাম 'The Pronomling Mishing Asamese English Dictionary এইখন সম্পূৰ্ণৰূপে অভিধান বুলি ক'ব নোৱাৰিলেও ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ অভাব কিছু পূৰণ কৰিছে বুলি বহুতে মন্তব্য কৰাত মোৰ বৰ ভাল লাগিছে।

**ভৱিষ্যতৰ পৰিকল্পনা :** স্বভাগতভাবে নিজে নিৰলে থাকি আত্মতৃপ্তি লৈ যিহেতু

ভাল পাওঁ, 'মানুহৰ মাজত চলি থকা ঘাত-সংঘাতবোৰৰ গুৰি বিচাৰি, মানুহৰ স্বভাব বিশ্লেষণ কৰি, আমি পৰিবৰ্তিত মানৱ পৰিবেশত কোনদিশে গতি কৰা যায়' এই বিষয়ক কিবা এটা ৰচনা কৰাৰ খুবেই ইচ্ছা। এতিয়া হাতত এখন বৰ্তমানৰ অসমৰ তথাকথিত বিপ্লৱীসকলৰ বিপ্লৱৰ নমুনা দাঙি ধৰাৰ প্ৰয়াসেৰে পাণ্ডুলিপি লৈ আছো। সুযোগ পালে প্ৰকাশ কৰাৰ প্ৰতিশ্ৰুতি আছে।



# প্ৰফুল্ল বৰ্মন

**জন্ম ঃ** ১৯৬১ চনৰ ১ এপ্ৰিলত বৰপেটা জিলাৰ অন্তৰ্গত বজালী মহকুমাৰ পাঠশালাৰ ওচৰৰ ভোগপুৰ গাঁৱত।

**পৰিচয় ঃ** পিতৃ প্ৰয়াত গণেশ্বৰ বৰ্মণ, মাতৃ প্ৰয়াত বৰদা বৰ্মন। বাইদেউ এজনী - উষা বৰ্মন তালুকদাৰ, ককাইদেউ দুজন ক্ৰমে - কমলেশ্বৰ বৰ্মন আৰু ৰমনী বৰ্মন, ভণ্টী তিনিজনী ক্ৰমে - পদ্মীনী, পুতুল আৰু মঞ্জু।

**শিক্ষা ঃ** ভোগপুৰ প্ৰাইমাৰী স্কুলৰ পৰা এল.পি, মুণ্ডৰীয়া এম.ই স্কুলৰ পৰা ষষ্ঠ মানলৈ, মহাবিষ্ণু সংস্কৃত টোলৰ পৰা সংস্কৃতত প্ৰবেশিকা পাছ, চৌখুটী হাইস্কুলৰ পৰা মেট্ৰিক পাছ। বজালী কলেজৰ পৰা বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. পাছ।

**চাকৰিত যোগদান ঃ** ১৯৮১ চনত বি.এছ.এফ (Border Security Force)ত কনিষ্টবল হিচাবে যোগদান। ১৯৮৪ চনত বি.এছ.এফ.ত থাকোতে প্ৰাইভেট কেণ্ডিডেট হিচাবে বজালী কলেজৰ পৰা বি.এ. পাছ কৰাৰ পিছত ১৯৮৭ চনত বি.এছ.এফ.ৰ চাকৰিৰ পৰা গুচি আহি সেই চনতে আৰক্ষী উপ-পৰিদৰ্শক হিচাবে অসম পুলিচত

যোগদান। ১৯৯২ চনত প্ৰাইভেট কেণ্ডিডেট হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত এম.এ. পাছ।

**বৰ্তমান ঃ** একে পদত।

**বিবাহ ঃ** ধুবুৰী জিলাৰ বিলাসী পাৰাৰ প্ৰয়াত সুকুমাৰ পাটগিৰীৰ ছোৱালী ৰূপৰেখা পাটগিৰীৰ লগত বিবাহ ১৯৯০ চনত। দুটি পুত্ৰ - কুনালজিৎ কাশ্যপ (ৰূপন) আৰু পাছ্প্ৰতীম বৰ্মন (মিমন)।

**ভাল লগা বিষয় ঃ** কিতাপ পঢ়া, গল্প-প্ৰবন্ধ লিখা, ভ্ৰাম্যমান থিয়েটাৰ চাই ভালপোৱা লগতে ভূপেন হাজৰিকাৰ গীত ভাল লাগে।

**সৃষ্টি ঃ** এতিয়ালৈ মৰুদ্যান কবিতা পুথি, গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ জীৱনৰ ওপৰত ভিন্নজনে লিখা প্ৰবন্ধৰ সংকলন, আৰক্ষীৰ জীৱন আৰু কৰ্মৰাজীৰ ওপৰত আধাৰিত 'আৰক্ষীৰ গতিবিধি' আৰু 'বন্দী' নামৰ দুখন গল্প সংকলন, 'বাৰ্তাপখিলীৰ এটা দশকৰ নিৰ্বাচিত প্ৰবন্ধ' নামৰ এখন প্ৰবন্ধ সংকলন, গুৱাহাটী দূৰদৰ্শন যোগে প্ৰচাৰিত 'আমিও মানুহ' নামৰ ধাৰাবাহিক খনৰ 'কাহিনীকাৰ' পত্নী ৰূপৰেখা 'প্ৰযোজক'। আমাৰ অসম কাকতৰ লগত প্ৰতি দেওবাৰে ওলোৱা 'পূৰ্বাচল'ত আৰক্ষী মঞ্চৰ শিতানত নিয়মীয়া লিখা আৰু লক্ষীনন্দন বৰাৰ দ্বাৰা সম্পাদিত 'সাপ্তাহিক অভিমত' কাকতত 'অথঃ আৰক্ষী সংবাদ' শিতানত নিয়মীয়া লিখনি (প্ৰায় এশটা মান ওলাইছে), আৰক্ষী বিভাগৰ পৰা প্ৰকাশিত তিনিমহীয়া আলোচনী 'আমাৰ সন্ধান'ত নিয়মীয়া গল্প তথা প্ৰবন্ধ লিখা আৰু দৈনিক অগ্ৰদূত, সাদিন আদি কাকতত প্ৰবন্ধ লিখাৰ উপৰি বিভিন্ন আলোচনীত গল্প প্ৰবন্ধ লিখা।

**সামাজিক কাম ঃ** জন্মলগ্নৰ পৰা দেখি অহা দুখীয়া গাঁওখনত অৱস্থিত নামঘৰ নিৰ্মাণত আৰ্থিক অনুদান তথা শাৰীৰিক শ্ৰমদান, বিভিন্ন সভা সমিতিত যোগদান ও ভাষণ দিয়া, গুৱাহাটী সাতগাঁওত এখন নতুন শাখা সাহিত্য সভা স্থাপন ও মুখ্য উপদেষ্টা, ওদালবাক্ৰা শাখা সাহিত্য সভাৰ সভাপতি, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, অসম প্ৰকাশন পৰিষদৰ সদস্য, ৰাইজমেন ক্লাবৰ সদস্য, মাহেকীয়া সাহিত্য আলোচনী 'বাৰ্তাপখিলী'ৰ সহযোগী সম্পাদক, কবি সন্মিলন আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানত যোগদান।

**ভৱিষ্যত পৰিকল্পনা ঃ** সাহিত্য ৰচনাৰে অসমীয়া সংস্কৃতিৰ বেদীত পুষ্পাঞ্জলি দিয়াৰ চেষ্টা, 'অঞ্জলী' নামৰ যন্ত্ৰস্থ উপন্যাসখনিৰ আধাৰত এখন চুটি বোলছবি (কমাৰ্চিয়েল নহয়) নিৰ্মাণৰ আশা, পুৰণি কিতাপ সংগ্ৰহ কৰি এটি লাইব্ৰেৰী পতাৰ ইচ্ছা। অনাথ শিশুসকলক আশ্ৰয় দানৰ বাবে কিবা ব্যৱস্থা কৰাৰ ইচ্ছা।

**অসমবাসীলৈ বাৰ্তা ঃ** আৰক্ষীসকলক ঘৃণা আৰু মাহী আইৰ চকুৰে নেচাই আৰক্ষীক সমাজৰে এটি অবিচ্ছেদ্য অঙ্গ হিচাবে চিন্তা কৰিবলৈ দেশ বাসীলৈ আহ্বান। জাতি-ধৰ্মৰ ঘৃণনীয় ৰাজনীতি নকৰি মানুহে মানুহৰ বাবে চিন্তা কৰক, উপকাৰ কৰিব নোৱাৰিলেও কাৰো অপকাৰ নকৰক, লোকৰ দুখত দুখী আৰু লোকৰ সুখত সুখী হোৱাটোৱে মানুহৰ প্ৰধান ধৰ্ম হোৱা উচিত আৰু সকলোৱে কম বেছি পৰিমাণে নিজৰ সাহিত্য সংস্কৃতিৰ ওপৰত কিছু চিন্তা চৰ্চা কৰক।

# লোকেল বৌ

## প্ৰফুল্ল বৰ্মন

মিঃ বৃকোদৰ শইকীয়া নকৈ গঢ়ি উঠা জিলাখনৰ দ্বিতীয়জন এছ.পি.। কৰ্তব্যপৰায়ণ, সুনিপুণ প্ৰশাসক আৰু সকলো প্ৰকাৰৰ দুষ্কৃতিকাৰীক দমন কৰি সমাজত শান্তি স্থাপন কৰাত আৰক্ষী বিভাগত তেখেতৰ এটা সুনাম আছে। সেয়ে চুৰি, ডকাইতি, হত্যা আৰু সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ বৃদ্ধি হোৱাৰ কাৰণে চৰকাৰে আগৰজনা এছ.পি. জয়ন্ত দাসক দুমাহ আগতে বদলি কৰি তেখেতৰ স্থানত স্থলাভিষিক্ত কৰিছে বৃকোদৰ শইকীয়াক। পিছে সকলো মানুহৰে এটা নহয় এটা দুৰ্বলতা থকাৰ দৰে আমাৰ শইকীয়া চাহাবৰো এটা দুৰ্বলতা আছে। সেইটো হৈছে খোৱা বস্তুৰ ওপৰত অসামান্য আসক্তি। যিকোনো প্ৰকাৰৰ খোৱা-বোৱাৰ নিমন্ত্ৰণ পালে তেখেতে ৰক্ষা কৰে আৰু পেট পূৰাই খোৱাটো তেখেতৰ অভ্যাসত পৰিণত হৈছে। এই ভাল খোৱাৰ অভ্যাসটো এফালে যেনেকৈ তেখেতৰ সুস্বাস্থ্য ৰক্ষা কৰাত সহায় কৰিছে তেনেকৈ কিছুমান ক্ষেত্ৰত তেখেতৰ সামান্য দুৰ্নাম হোৱাটোও পৰিলক্ষিত হৈছে। এছ.পি. শইকীয়াৰ এই বেছিকৈ বা ভাল খোৱাৰ অভ্যাসৰ কাৰণে তেখেতৰ তলতীয়া কৰ্মচাৰীসকলে মাজে-সময়ে আলৈ-আহুকালৰ সন্মুখীন হ'বলগীয়াত পৰিছে। সেয়ে এছ.পি. চাহাব কোনো থানা, চকী বা ৰিজাৰ্ভত উপস্থিত হ'লে অন্যান্য ৰেকৰ্ডপাতিৰ ঠিক-ঠাক কৰাতকৈ খোৱা-লোৱাৰ বন্দবস্ত কৰাতহে বেছি জোৰ দিয়া দেখা যায়, কিয়নো ভাল খানা-পিনা হ'লে ইন্সপেক্সন বা ৰেকৰ্ডপাতিৰো গুৰুত্ব কমি যায়। আনহাতে ব্ৰেকফাষ্টৰ পৰা আৰম্ভ কৰি গধূলি চাহকাপলৈ যদি সুপৰিবেশন কৰা নহয় তেন্তে সেই আই.চি. বা অ'চিজনৰ অৱস্থা তথৈবচ। শইকীয়া চাহাবৰ এছ.পি. হৈ থকা কালৰ এটা সৰু ঘটনা ইয়াত উল্লেখ কৰিবলৈ ল'লো।

ইংৰাজী ডিচেম্বৰ মাহৰ এটা ৰবিবাৰ। এছ.পি. শইকীয়াই তেওঁৰ পুৰণি বন্ধু উপায়ুক্ত অমূল্য বৰুৱাক আমন্ত্ৰণ জনালে তেখেতৰ ঘৰতে ৰাতিৰ সাজ খাবলৈ। প্ৰায়বোৰ ডি.চি. আৰু এছ.পি.ৰ মিলাপ্ৰীতি থাকিলে পৰস্পৰে পৰস্পৰক ডিনাৰ পাৰ্টিলৈ নিজ নিজ বাসভৱনত নিমন্ত্ৰণ জনায়েই। এইটো এটা ফেচন বা অফিচিয়েল দিগ্‌নিটি হিচাপে চলি আহিছে। উভয়ে নিজে দিয়া পাৰ্টিটো উন্নত মানৰ বুলি প্ৰদৰ্শন কৰাবো ক্ৰুটি নকৰে। তুলসীৰ লগত কলপটুৱাৰ স্বৰ্গযাত্ৰা হোৱাৰ দৰে দুয়ো পক্ষৰ অতি মধুৰ সম্পৰ্ক থকা তলতীয়া অফিচাৰ সকলেও এই চেগতে দুয়োটা পাৰ্টিতে আমোদ লোৱাৰ সুবিধা পায় আৰু সময় বুজি পাৰ্টিটো

বৰ ভাল হৈছে বুলি তোষামোদ কৰিবলৈও নেপাহৰে। আমাৰ এছ.পি. চাহাবে দিয়া নিমন্ত্ৰণটোও ডি.চি. চাহাবে আগৰ সপ্তাহটোতে দিয়া পাৰ্টিটোৰ প্ৰতিক্ৰিয়া। লগতে শইকীয়াই ডি.চি. চাহাবৰ কথাৰ মাজতে লোকেল বৌমাছ খুৱাব বুলিও এটা ঈঙ্গিত দি আহিল।

কথামতে কাম। এছ.পি. চাহাবৰ বাংলাত পাৰ্টি। দুয়োপক্ষৰ তলতীয়া বাচকবনীয়া অফিচাৰখিনিও আমন্ত্ৰিত হ'ল। টাউন দাৰোগাই খবৰ পোৱা মাত্ৰকে এছ.পি. বাংলালৈ মটৰ চাইকেল দৌৰালে। নিয়ম অনুযায়ী টাউন দাৰোগাক ডিনাৰ পাৰ্টিৰ মেনুখন দিয়া হ'ল। টাউন দাৰোগা ভূপেন কলিতাই বিনা প্ৰতিবাদে আৰু অতি উৎসাহেৰে সকলো ঠিক-ঠাক হৈ যাব বুলি জনালে। মাথোন মৃদু আবেদন এটা জনাই এছ.পি. চাহাবক ক'লে যে, টাউনৰ বজাৰত ভাল লোকেল বৌমাছ পাবলৈ টান। গতিকে এছ.পি. ছাৰে যদি সোণপুখুৰী থানাৰ অ'চিক এবাৰ কৈ দিয়ে তেন্তে তাৰ পৰা ভাল বৌমাছ পঠাব পাৰে। টাউন দাৰোগাৰ কথা শুনি এছ.পি. চাহাবৰো কথা এটা মনত পৰি গ'ল যে যোৱা মাহত ইন্সপেক্সন কৰিবলৈ যাওঁতে সোণপুখুৰী থানাত ভাল বৌমাছেৰে এসাজ ভাত খাইছিল। বৰ সোৱাদ পাইছিল।

ক্ৰিং ক্ৰিং ক্ৰিং .......।

ৰিচিভাৰটো উঠাই লৈ "নমস্কাৰ মই সোণপুখুৰী থানাৰ অ'চিয়ে কৈছো" বুলি কোৱাৰ পিছতে এছ.পি. চাহাবৰ ফোন বুলি জানি অ'চি বিনন্দ ঠাকুৰীয়াই চকীৰ পৰা অভ্যাসমতে থিয় হৈ "কওঁক ছাৰ, হ'ব ছাৰ" আদি কৈ ফোনটো থৈ দি স্বস্তিৰ নিশ্বাস পেলালে।

এছ.পি.য়ে মাছ খুজি পঠাইছে। তেওঁৰ মনত কোনো দুখ নাই। বৰঞ্চ আনন্দ আৰু গৌৰববোধ কৰি অ'চি নিজে চিপাহী মহেন্দ্ৰ কলিতাক লগত লৈ পিছদিনা পুৱাই ঘাটলৈ গ'ল। সৌভাগ্যক্ৰমে ঘাটত ভৰামতেই চাৰি কিলোগ্ৰামমান ওজনৰ এটা মাছ পাই ঘাটৰ লেচী দণ্ডীৰাম সৰকাৰক "এছ.পি. চাহাবৰ মাছটো ভালকৈ বান্ধি দে" বুলি ক'লে। দণ্ডীৰামেও সেইটো বৌমাছৰ লগতে অ'চিৰ কাৰণেও দুই কিলোগ্ৰামমান ওজনৰ জীয়া বৌমাছ এটা দি দিলে। অ'চিয়ে পিছত পইচা ল'বা বুলি কৈ নিজে জীপচিখন চলাই আনি থানা পালেহি। নিজৰ কোৱাৰ্টাৰত মাছটো দি আহি চিপাহী মহেন্দ্ৰ কলিতাক "এই মাছটো এছ.পি. চাহাবৰ বাংলাত দি আহিবা" বুলি নিৰ্দেশ দিলে।

হুকুম মতেই কাম। ইফালে বহুদিনৰ পৰা ঘৰত যাব বুলি আশা কৰি থাকিও অ'চিয়ে ছুটী নিদিয়াত মনতে দুখ কৰি থকা চিপাহী মহেন্দ্ৰ কলিতাই হাততে সৰগ ঢুকি পোৱা যেন পালে। কিয়নো এছ.পি. বাংলালৈ যাওতে ৰাস্তাতে তাৰ ঘৰ পায়। মাছটো গধূলি গৈ পালেও হ'ব, ৰাতিহে খানা। আনহাতে মাছটো

জীয়া মাছ গতিকে বেয়া নহ'ব বুলি চিপাহী মহেন্দ্ৰ কলিতাই এছ.পি. বাংলা বুলি ৰাওনা হ'ল। দুপৰীয়া ১২-৩০ মান বজাত মহেন্দ্ৰই তাৰ ঘৰ পালে। মহেন্দ্ৰৰ পত্নী ভনীতা কলিতাই ভাত, দালি আৰু আলু অকণমান ভাজি থৈ ৰান্ধনিঘৰৰ পৰা ওলাই মজিয়াতে কিবা এখন চিলাই কৰি আছিল। ৬ বছৰীয়া পুতেক মনিকণে মাকৰ কাষতে বহি কিবা খেলি আছে । দেউতাকক হঠাতে দুৱাৰমুখত দেখি "দেউতা আহিছে, দেউতা আহিছে" বুলি আনন্দতে জঁপিয়াবলৈ ধৰিলে। মহেন্দ্ৰই মাছৰ টোপোলাটো মজিয়াত বেৰৰ কাষতে আওজাই থৈ পুতেকক আথে-বেথে কোলাত তুলি লৈ দুগালত দুটা মৰমৰ চুমা আঁকি দিলে। লগে লগে মনিকণে 'সেইটো কিহৰ টোপোলা' বুলি সোধাত, সেইটো মাছ বুলি থোৰতে কৈ মহেন্দ্ৰই মনিকণক মাটিত নমাই দিলে। ইফালে বহুদিনৰ পৰা আহিম আহিম বুলি ফাঁকি দি থকা গিৰীয়েকৰ ওপৰত অভিমান কৰি ভনীতা শোৱনি কোঠাত সোমাল। কথা বিষম দেখি ঘৈণীয়েকৰ অভিমান ভঙাবলৈ আৰু ভালৰি লগাবলৈ মহেন্দ্ৰইও ঘৈণীয়েকৰ কাষ চাপিল। কিছু সময় মৃদু বাক-বিতণ্ডাৰ পিছত আৰু মহেন্দ্ৰৰ আকুল মৰমৰ আহ্বানত ভনীতাৰ খং নিয়ৰে ডুবোৱা দুবৰিৰ দৰে সেমেকা হৈ গ'ল।

"মোক কেইটামান ভাত দিয়া, মই গাটো ধুই আহো" বুলি কৈ কাপোৰ কানি সলাই গামোছাখন লৈ মহেন্দ্ৰ পিছফালে কুৱালৈ গ'ল। এই সুযোগতে ইমান দিনৰ পিছত অহা গিৰীয়েকক শুদা ভাতকেইটানো কেনেকৈ দিয়ে বুলি গিৰিয়েকে অনা টোপোলাটো খুলি মাছটো উলিয়াই বঠিখনেৰে ততাতৈয়াকৈ কেইচকলমান মাছ কাটি পেলালে।

আধাঘণ্টামান পিছতে পুতেক আৰু গিৰীয়েকক ভাত বাঢ়ি দি নিজেও একেলগে খোৱাৰ মানসেৰে ভনীতাই নিজলৈও ভাত বাঢ়ি আনিলে। দুগঢ়ামান খোৱাৰ পিছত মাছ এটুকুৰা কামোৰ মাৰি গৰম গৰম ভজা মাছৰ জুতি পাই মনতে তৃপ্তি লভি মহেন্দ্ৰই ভনীতালৈ চাই ক'লে "তুমি দেখোন সদায় ঘৰত একো নাই, বজাৰ-সমাৰ কৰিব নোৱাৰা আদি অভিযোগ শুনাই থাকা। আজি এনেকুৱা বৌমাছৰ ডাঙৰ ডাঙৰ চকলেৰে ভাত দিছা। তোমালোক মাইকী মানুহে সদায় আপত্তিহে কৰি থাকা। আমি কিমান ডিউটি কৰি পুলিচৰ মানুহমখাই ভালকৈ খাবলৈও সময় নাপাওঁ। বজাৰ নকৰাকৈ ক'ৰ পৰানো আহিল বৌমাছ?" ঘৈণীয়েক ভনীতাই গিৰীকেৰ কথা শুনি আচৰিত হোৱাৰ দৰে "কেলেই তুমিয়েইতো আনিলা মাছ। নহ'লেনো এনে লোকেল মাছ ক'ত খাবলৈ ভাগ্য হয়" বুলি পুনৰ অভিমানৰ সুৰত কথাটো কৈ ভনীতাই মাছ এটুকুৰাত কামোৰ মাৰিলে।

পৰম তৃপ্তিৰে আধা খোৱা ভজা মাছ টুকুৰা মহেন্দ্ৰৰ হাতৰ পৰা টুপুচকৈ

ভাতৰ কাঁহীৰ ওপৰত সৰি পৰিল। হতভম্ব হৈ চকুদুটা ডাঙৰকৈ মেলি প্ৰশ্নবোধক দৃষ্টিৰে ঘৈণীয়েকলৈ চাই সুধিলে -- "তাৰমানে মই অনা টোপোলাটোৰে এই ভজা মাছ নেকি?" "হয় আকৌ, কি অকৰামিখন কৰিছা" বুলি ভনীতাই পুনৰ খোৱাত লাগিল।

"ছি.. ছি, তুমি মাৰিলা, মোৰ চাকৰি গ'ল" বুলি একেকোবে খোৱাৰ পৰা উঠি ইছাট-বিছাট কৰিবলৈ ধৰিলে মহেন্দ্ৰই।

কথাৰ একো তত্ ধৰিব নোৱাৰি কি হৈছে বুলি আৰু আচল কথাটো কি তাকে জানিবলৈ ঘৈণীয়েকে উৎসুক হোৱা দেখি সেইটো যে এছ.পি. চাহাবৰ বাংলাত হ'বলগীয়া পাৰ্টিলৈ অ'চি ছাৰে দি পঠোৱা মাছহে আছিল আৰু সেইটো কাটি খোৱাৰ ফলত মাছটো দিব নোৱাৰাৰ কাৰণে তাৰ চাকৰি যে যাব তাকে মহেন্দ্ৰই ঘৈণীয়েকক বুজাই দিলে। তাক নোসোধাকৈ কিয় মাছটো কাটিব লাগে, তাৰ এতিয়া কি হ'ব, সি এতিয়া কি কৰিব, আদি চিন্তাই তাক জুমুৰি দি ধৰিলে। য'তেই পুৰুষৰ বুদ্ধি শেষ হয় তাতেই মহিলাৰ বুদ্ধি আৰম্ভ হয়। ভনীতাৰো বুদ্ধি উপবিষ্ট হ'ল। "যি হ'বৰ হ'ল তুমি মূৰ ঘমাব নালাগে। বজাৰত মাছৰ অভাব নাই। ৪/৫ কিলোগ্ৰাম ওজনৰ মাছ এটা কিনি লৈ গ'লেই হ'ব। ডাঙৰ মানুহৰ পাৰ্টি। কোনে খবৰ ল'ব লোকেল নে চালানী মাছ! তুমি বজাৰৰ পৰা মাছ এটা কিনি দি আহাগৈ।" কথাটি সিমান ভাল নেপালেও উপায় নাই যেতিয়া ঘৈণীয়েকক দিবলৈ অনা টকাৰে ৬০০মান টকা লগত লৈ ঘৈণীয়েক আৰু পুতেকক মাত লগাই বজাৰলৈ ওলাই গ'ল মহেন্দ্ৰ। দুপৰীয়া সময়ত বজাৰৰ মাছৰ পোহাৰীবোৰে সাধাৰণতে মাছবোৰ বৰফেৰে ঢাকি থয় আৰু গধূলি পৰত সেইবোৰ উলিয়াই পানী চটিয়াই ন-কইনাক সজোৱাদি গ্ৰাহকক আকৰ্ষণৰ হেতু টেবিলৰ ওপৰত মেলি দিয়ে। মহেন্দ্ৰই বজাৰত এজন পোহাৰীক তেনেকৈ মাছ বান্ধি থকা অৱস্থাতে পাই তেওঁৰ পোহাৰৰ বান্ধ খুলি এটা ৫ কিলোগ্ৰাম মান ওজনৰ অন্ধ্ৰপ্ৰদেশৰ পৰা অনা ৰৌমাছ কিনি লৈ এছ.পি. বাংলা পালে।

"এই মাছটো আমাৰ সোণপুখুৰী থানাৰ অ'চি ছাৰে পঠিয়াইছে" বুলি কৈ এছ.পি. বাংলাৰ অৰ্ডালীজনক মাছটো দি মহেন্দ্ৰ ততাতৈয়াকৈ থানা অভিমুখে ৰাওনা হ'ল।

ৰাতি দহটামান বজাত নৈশ ভোজৰ আৰম্ভ হ'ল। অন্যান্য আলহীৰ লগতে ডি.চি. বৰুৱাই এছ.পি. শইকীয়াৰ লগত খাবলৈ বহিল। মাছৰ কাৰী দিয়াৰ পিছত মিঃ বৰুৱাই মাছ টুকুৰাৰ অকণমান ভাঙি মুখত দিয়াৰ লগে লগে এটা শিহৰণ অনুভূতি হ'ল। চাৰিদিন মান আগৰে পৰা বৰফৰ মাজত লুকা-ভাকু খেলোতে খেলোতে দেহাই নটনা হোৱাত অন্ধ্ৰৰ শক্তিশালী ৰৌমাছটোৰে কেতিয়াবাই দেহা পেলাই দিছিল আৰু অকণ অকণ গেলা আৰম্ভ কৰিছিল। কিন্তু সস্তা দামতে

পোৱা বুলি ভাবি আমাৰ অসমীয়াসকলে অমৃত খোৱাদি এই গেলা মাছকে সদায় ভক্ষণ কৰে। বৰুৱাই বুজি পালে মহাবাহু ব্ৰহ্মপুত্ৰত ধিতিঙালি কৰি ফুৰা বৰবৌৰ সলনি অন্ধ্ৰৰ পৰা ট্ৰাকত উঠি অহা বগী/বৌএজনীকে কাটি খুৱালে এছ.পি. শইকীয়াই। নকওঁ বুলিও কথাটি মুখৰ পৰা ওলাই আহিল "কিহে শইকীয়া, মাছটোৱে দেখোন অন্ধ্ৰপ্ৰদেশৰ ফালৰ পৰা মাৰাথন ৰেচ কৰি আহি বৰফৰ মাজতে গাটো তিয়াই আহিল।" এছ.পি. শইকীয়াইও প্ৰথম ভক্ষণতে উমান পাইছিল। কিন্তু ওপৰলৈ থু পেলালে নিজৰ মুখতে পৰে কাৰণে টলকা মাৰি আছিল। ডি.চি. বৰুৱাৰ কথাটোত যদিও ব্যঙ্গ মিশ্ৰিত বক্ৰোক্তি আছিল কিন্তু ধেমালি চলেৰে এটা অট্টহাস্য কৰি কথাটি এৰাই চলিব বিচাৰিলে শইকীয়াই। কিন্তু বৰুৱাৰ এই বক্ৰোক্তিয়ে তেখেতৰ কলিজালৈ শৰ নিক্ষেপ কৰি থাকিল।

সময়মতে আলহীবোৰ ঘৰা-ঘৰি গ'ল। কিন্তু মনোকষ্টই আমাৰ শইকীয়া চাহাবৰ পিছ এৰা নাই। ডি.চি. বৰুৱাৰ তাচ্ছিল্যত তেওঁৰ অন্তৰাত্মা দহি গ'ল। খঙত অগ্নিশৰ্মা হৈ ফোন উঠালে — "ঠাকুৰীয়া আপুনি যদি সোণপুখুৰীৰ পৰা লোকেল মাছ পঠিয়াব নোৱাৰে মোক আগতে ক'ব লাগিছিল। আপুনি চালানী মাছ এটাকে বজাৰৰ পৰা আনি মোক দি লাজত পেলালে, আপোনাৰ পৰা মই এইটো আশা কৰা নাছিলোঁ। আপুনি নিজক কি বুলি ভাবিছে? কালি সকলো পেণ্ডিং কেচৰ লিষ্ট লৈ আপুনি মোৰ অফিচত হাজিৰ হ'ব।"

"নহয় ছাৰ, কথাটো শুনক ছাৰ" বুলি অ'চি ঠাকুৰীয়াই ফোনতে চিঞৰিলে যদিও এছ.পি.য়ে ইতিমধ্যে খঙতে ৰিচিভাৰটো থৈ দিলে।

অ'চি বিনন্দ ঠাকুৰীয়াই কিহৰ পৰা কি হৈ গ'ল একো ধৰিব নোৱাৰিলে। এছ.পি. ছাৰে এইবোৰ কি কৈছে তেওঁ বুজিবই পৰা নাই। কিয়নো তেওঁতো নিজে নৈৰ ঘাটৰ পৰা জীয়া বৌমাছকে পঠিয়াইছিল। তেওঁৰ মনত কিবা এটা সন্দেহ হ'ল চিপাহী মহেন্দ্ৰ কলিতাৰ ওপৰত। লগে লগে তেওঁ চিপাহী মহেন্দ্ৰ কলিতাক বেৰেকৰ পৰা অফিচলৈ মাতি পঠিয়ালে।

"কি হ'ল মহেন্দ্ৰ! তোকতো মই লোকেল জীয়া বৌমাছটোকে দি পঠিয়াইছিলো এছ.পি. ছাৰৰ বাংলালৈ। তই বাটতে মাছটো খাই পেলালি নেকি? এছ.পি. ছাৰে কৈছে মই হেনো চালানি মাছ পঠিয়াইছো।" অ'চি ঠাকুৰীয়াই কিছু খং কিছু ব্যঙ্গ ভাবে কথাটি নিজকে ধিক্কাৰ দিয়াৰ নিচিনাকৈ ক'লে। কিন্তু কথাটিয়ে কাম দিলে। হাঁদে আজিয়েই খাই ল'ৰ নিচিনা চাবমাৰি ধৰা কথাটিয়ে ঘটনাৰ তদন্তৰ দৰে কাম দিলে। চিপাহী মহেন্দ্ৰ কলিতাই ঘৈণীয়েকৰ কথামতে দিনৰ ভাগত কৰা অপকৰ্মখিনিৰ কথা তেতিয়ালৈ কাকো কোৱা নাই যদিও কিবা এটা যে অঘটন ঘটিব পাৰে তাৰে এটা সন্দেহ কৰি আছিল। অ'চিয়ে কথাটি সোধা মাত্ৰকে ভয়ে ভয়ে সেমেনা-সেমেনিকৈ "মোৰ ভুল হৈছে ছাৰ, এবাৰৰ

কাৰণে মোক মাফ কৰক ছাৰ, মোৰ চাকৰি নাখাব ছাৰ" আদি অনুনয় কৰি দিনৰ ভাগত হোৱা সকলো ঘটনা বিৱৰি ক'লে।

কিম্ আশ্চৰ্যম। নভবা নিচিন্তা কথাটিয়ে হ'ল। অ'চি বিনন্দ ঠাকুৰীয়াই এনেকুৱা এটা ঘটনা হ'ব পাৰে বুলি কাহানিও ভবা নাছিল। তেন্তে এছ.পি. চাহাবে ঠিকেই কৈছে। বহুত কিবা-কিবি কৰিব বুলি ভাবিছিল যদিও মহেন্দ্ৰৰ অনুনয় বিনয় শুনি আৰু মহেন্দ্ৰৰ স্বভাব-চৰিত্ৰ অতি ভাল তথা কৰ্তব্যপৰায়ণ হোৱা হেতুকে একো শাস্তি প্ৰদান নকৰি "তইঁত গৰুইঁতৰ কাৰণে নোৱাৰিছো আৰু" বুলি অফিচৰ পৰা কোৱাৰ্টাৰৰ ফালে আগুৱাই গ'ল। পিছদিনা ৰাতিপুৱাতে অ'চি ঠাকুৰীয়াই পুনৰ নৈৰ ঘাটলৈ গৈ এটা জীয়া বৌমাছ কিনি আনি নিজে এছ.পি. চাহাবৰ বাংলালৈ ৰাওনা হ'ল। লগত পেণ্ডিং কেচৰ লিষ্ট হ'লে নল'লে। কিয়নো তেওঁ জানে এছ.পি. চাহাবে আচলতে পেণ্ডিং কেচৰ লিষ্ট বিচৰা নাই, আগদিনাৰ ঘটনাৰ বাবে গালি-গালাজ দিবলৈহে মাতিছে।

"ছাৰ আজি এটা ভাল জীয়া মাছ আনিছো। মই নিজে নৈৰ ঘাটৰ পৰা আনিছো ছাৰ।" দীঘলকৈ চেল্যুট এটা মাৰি অ'চি ঠাকুৰীয়াই এছ.পি. শইকীয়াক ক'লে।

"আজি মাছ আনিলে কি হ'ব? আপুনি মোৰ যোৱাকালিয়ে নাক-কাণ কাটিলে। লৈ যাওঁক সেইবোৰ" বুলি কৈ খঙতে মুখ ঘূৰালে এছ.পি. শইকীয়াই।

অ'চি ঠাকুৰীয়াই এছ.পি. চাহাবৰ খঙৰ মাজতে অতি নম্ৰভাৱে যোৱাকালি চিপাহী মহেন্দ্ৰ কলিতাই কৰা সকলো কাণ্ড কাৰখানাৰ বিষয়ে বিৱৰি ক'লে। অ'চি ঠাকুৰীয়াৰ কথা শুনাৰ পিছত এইবাৰ আগ্নেয়গিৰিৰ লাভা বেলেগ ফালে ঢাল ল'লে। "কোন সেইজন চিপাহী, কি নাম তাৰ? মই তাক এতিয়াই চাচ্‌পেণ্ড কৰিম। এছ.পি.লৈ পঠোৱা মাছ খায় সি, তাৰ ইমান সাহস!"

"হেল্লো ৰিজাৰ্ভ অফিচাৰ আপুনি এতিয়াই মোৰ বাংলালৈ আহক" বুলি কৈ এছ.পি. শইকীয়াই ঠেকেচা মাৰি ৰিচিভাৰটো থলে।

পোন্ধৰ মিনিটমান পিছত হাতত ফাইল লৈ আৰ.ও. সোমাই আহিল।

"আৰ.ও., এটা অৰ্ডাৰ লিখক — "Constable No. 206 Mahendra Kalita of Sonpukhuri P.S. has Suspended for his negligence of duty with effect from today."

ৰিজাৰ্ভ অফিচাৰে অৰ্ডাৰটো লিখি এছ.পি. চাহাবৰ সম্মুখত দিয়াত তাতে চহী কৰিলে এছ.পি. শইকীয়াই। দুয়ো দুটা চেল্যুট মাৰি আৰ.ও. আৰু অ'চি (সোণপুখুৰী) এছ.পি. বাংলাৰ পৰা ওলাই আহিল।

এছ.পি. চাহাবৰ বাংলাস্থিত অফিচ চেম্বাৰৰ গাতে লাগি থকা কোঠাটোৱে তেখেতৰ ড্ৰইং-ৰুম। মিছেছ শইকীয়া অৰ্থাৎ মেম্‌চাহাবে ইমানপৰে গিৰীয়েক,

সোণপুখুৰী থানাৰ অ'চি আৰু আৰ.ও.ক দিয়া অৰ্ডাৰ আদিৰ বিষয়ে সকলো কথা নীৰৱে ড্ৰইং-ৰুমৰ পৰা শুনি আছিল। কাৰণ দুয়োটা কোঠাৰ মাজতে থকা দুৱাৰখন সদায় খোলাভাৱে থাকে। তেখেতে অফিচ চেম্বাৰলৈ আহি — "আপুনি ইতিমধ্যে কৰা দোষবোৰৰ কথা মই নকওঁ। কিন্তু আজি যিটো দোষ কৰিবলৈ ওলাইছে এইটো কেতিয়াও সমীচীন নহয় বুলি মই ভাবোঁ। আপুনি এই পাপ কামটো কিয় কৰিবলৈ ওলাইছে? বেচেৰী চিপাহীটোৰ ঘৈণীয়েকজনীয়ে নজনাকৈ মাছটো কাটি খালে, তাতেনো কি ইমান পাপ কাম কৰিলে? যাৰ কাৰণে আপুনি চিপাহীটোক নিলম্বিত কৰি সেই নিৰপৰাধী মহিলাগৰাকীক কিয় আলৈ-আথানি কৰিব বিচাৰিছে? তাতকৈ আপুনি মাছটো খুজিহে বেছি অপৰাধ কৰিছে নেকি? কিয় আপুনি যদি পাৰ্টি দিয়ে এটা মাছ নিজে কিনি আনিব নোৱাৰে নেকি? মোৰ এটা অনুৰোধ এইবাৰ আপুনি এই পাপফেৰা কৰিব নেলাগে" বুলি মুখখন ওফোন্দাই শইকীয়ানী ভিতৰলৈ গ'ল।

কিছু সময় তলকা মাৰি এছ.পি. শইকীয়াই কথাটো অলপ মনৰ ভিতৰতে গমি চালে। সঁচাকৈ তেওঁ যেন এটা পাপ কাম কৰিবলৈ ওলাইছে। আজি তেওঁৰ ধৰম পত্নীয়েহে তেওঁৰ চকু মেল খুৱাই দিলে। নহ'লে তেওঁ তেওঁৰ আত্মস্বাৰ্থৰ কাৰণে একেবাৰে নিম্ন পৰ্যায়ৰ চাকৰি কৰা চিপাহীজনক নিলম্বিত কৰি নিজকে হেয় প্ৰতিপন্ন কৰিবলৈ ওলাইছিল। নাই তেওঁ এইটো হ'বলৈ নিদিয়ে।

হেল্লো ৰিজাৰ্ভ অফিচাৰ, মই অলপ আগতে কৰা চাচ্‌পেঞ্চন অৰ্ডাৰটো কেনচেল কৰি দিব।